কীৰ্তন ঘোষা

শ্ৰীশ্ৰী বোধগুৰু

আৰু

সাধু-ভক্তৰ দ্বাৰা বিৰচিত

KIRTAN GHOSA : Written by BODHA GURU & his SADHU BHAKTA RAMHARI and DHULIRAM ATAI in seventeen century. First edition of KIRTAN GHOSA edited by Sri Arun Barah and Sri Jogadhar Saikia and Published by Sri Arun Barah and All copyright Strictly Reserved by Publisher

সম্পাদনা : শ্ৰীশ্ৰীবোধগুৰু নাম ধৰ্ম সন্মিলনৰ সম্পাদনা সমিতিৰ হৈ
শ্ৰীঅৰুণ বৰা,
শ্ৰীযোগধৰ শইকীয়া,
১নং কটাল গাঁও, মাজুলী।

প্ৰথম প্ৰকাশ : ৬ মাঘ, ১৯২১ শক
২১ জানুৱাৰী ২০০০ চন
৫৫১ শংকৰাব্দ।

প্ৰকাশক : অৰুণ বৰা,
১নং কটাল গাঁও, মাজুলী।

মূল্য : ১০০.০০ টকা মাত্ৰ।

মুদ্ৰক : শংকৰদেৱ কম্পিউটাৰ আৰু অফছেট
বিহাবাৰী, কিলপাৰ, গুৱাহাটী-৭৮১ ০০৮

পাতনি

মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱ শ্ৰীশ্ৰীশঙ্কৰদেৱৰ বৈকুণ্ঠ প্ৰয়াণৰ পিছত অসমৰ ভক্তিবাদী বেহাৰৰ ধৰ্মীয় ক্ষেত্ৰত একশৰণ বহিৰ্ভূত কিছু উপাদান সোমাই সংহতি বিভাজনৰ কেনেকৈ সৃষ্টি হৈছিল সেয়া বিজ্ঞজনে জানে। ৰাজানুগ্ৰহ, প্ৰবৃজিত শাক্ত পণ্ডিতৰ উচটনি আৰু উৎপীড়নৰ ফলস্বৰূপে পৰি পৰ্যায়ত অৱস্থাতেই শঙ্কৰ দেৱৰ সপ্তম অধস্তন ধৰ্মাধিকাৰ ৰমাকান্তৰ (ৰবদোৱাৰ) পৰা ভকত চৰণ নামে এজনা সন্তই একশৰণ ধৰ্মতত্ত্ব গ্ৰহণ কৰে। ভকত চৰণৰ পুত্ৰ ধমাই আতাই ধৰ্মশিক্ষা, সদাচাৰাদিত পাকৈত হোৱাত লোক সমাজে তেওঁক 'বোধগুৰু' নামে অভিহিত কৰিছিল। বোধগুৰুৰ জন্ম হয় ১৬৫৯ শকৰ (১৭৩৭ খ্ৰীষ্টীয় চনৰ) মাঘী পূৰ্ণিমা তিথিত শিৱসাগৰৰ লকণ্ডৰি গাঁৱত। একশৰণ ভাগৱতী বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ বাবে তেখেতে শদিয়া, কুণ্ডিল, গড়গাঁও, সোণপুৰ, অভয়পুৰ, মাইচা, ডবকা, ৰংপুৰ, ভাটীৰ আইভেটি, নৰপেটা, ৰামপুৰ, বৰদোৱা, চাৰিদুৱাৰ, গোগা, পুখিখাৰ্শী আদি ঠাই পৰিভ্ৰমণ কৰে। গোগাতেই বোধগুৰুৱে সেকেলা নামৰ এজন সাত্ত্বিক হালোৱাক লগ পায়। তেওঁৰ ঘৰ মাজুলীৰ কতাল গাঁৱত। কমলেশ্বৰ সিংহৰ দিনত হোৱা মান্যতিৰ বগলে পূৰ্বে নাৱৰীয়া হিচাপে তেখেতক ধৰি নিছিল যদিও প্ৰকৃত ভক্তৰ লক্ষণ দেখি কৰ্মীয়া তামোল নবৰুকনে পিছত সসম্মানে এৰি দিয়ে।

উপযুক্ত শিষ্য পাই এবছৰ মান বয়সত বোধে সেকেলা আতৈক যথাসৰ্বস্ব শিক্ষা দি নিজৰ উত্তৰাধিকাৰী পাতে আৰু পূৰ্বৰ 'সেকেলা' নাম গুচাই 'তামোল সোধোৱা আতৈ' নাম দি এইদৰে উপদেশ দিছিল -

তামোল নখাইবা তুমি যাই পথে যায়।
নখাইবা কদাপি চুই কাৰো গামোচাই।।
ঘৰত থাকতে তুমি খাইবা যত মানে।
বাজ তৈলে মুখ-হাত ধুইবা সেহি খানে।।
মুচুইবা কাহ্যকো চাৰি কঠে মখাইবা।
এহি কথা খানি তুমি সদায়ে ধৰিবা।।

এইদৰে তামোল খোৱাত কটকটীয়া বিধি-ব্যৱস্থা থকাৰ বাবে বা তামোল সোধোৱা আতৈয়ে কঠোৰভাৱে প্ৰচাৰ কৰাৰ বাবেই একশৰণ ভাগৱতী ধৰ্মৰ এই সম্প্ৰদায় পাছলৈ তামোল সোধোৱা সম্প্ৰদায় বোলে। এই সম্প্ৰদায়ৰ বিষয়ে যাজ্ঞেশ্বৰ শৰ্মাই অসম সাহিত্য সভা পত্ৰিকাৰ ১০ বছৰ ৪ৰ্থ সংখ্যাত (মাঘ-চ'ত, ১৮৬৪ শক, পৃঃ ৪১-৫৪) এটি সুদীৰ্ঘ নিবন্ধ লিখিছিল। তদুপৰি 'বেণুধৰ শৰ্মাই কুসুমৰাজ (১৯৬৯ চন, পৃঃ ১৫০) আৰু দক্ষিণ পাট সত্ৰৰ বুৰঞ্জীত (১৮৮৯ শক, পৃ ৭১-৭২) তথ্য বিকৃতভাৱে কিছু কথা লিখাত পুনৰ ০১/০২/১৯৭৫ তাৰিখৰ চিঠিৰে তেখেতে নিজৰ অনিচ্ছাকৃত দোষ স্বীকাৰ কৰে।

এই শাখাৰ লোক সকলে শঙ্কৰদেৱক শ্ৰীকৃষ্ণৰ অৱতাৰ বুলি মানে আৰু ভাগৱতৰ বিষয়-বৰ্জিত হৈ— ৰাম চৰণ ঠাকুৰ কৃত গুৰু চৰিত প্ৰকাশিত মহাপুৰুষজনাৰ জীৱন আৰু

কর্মবাজিব বর্জনাহে। অনুগামীসকলে কৃষ্ণভিন্ন দেব-দেবী উপাসনা নকৰে। নাম প্ৰসঙ্গত তাল নবজায়; খোল-প্ৰসঙ্গতহে তালব ব্যবহাৰ কৰে। তদুপৰি বোধগুৰু কৃত ঘোষা-গুণমালা-কীৰ্ত্তন গীতহে গায়।

অনুগামী সকলৰ নীতি-সদাচাৰসমূহ নিকা সংহতিৰ মিলে আৰু বোধগুৰুক সংশ্লিষ্ট পন্থা প্ৰৱৰ্ত্তক গুৰুৰ মৰ্যাদা দিয়ে।

তামোল নোখোৱা সম্প্ৰদায়ৰ কীৰ্ত্তন পুথি :

১৬"× ৫" জোখৰ দৈৰ্ঘ্য শৰীয়া সাঁচিপতীয়া মুঠ পৃষ্ঠা হ'ল১৮০ টা আৰু পদ সংখ্যা হ'ল ১৯২২ টি। গ্ৰন্থখনিৰ লগত ৰাম হৰি আতা আৰু ধূলিৰাম আতৈৰ প্ৰত্যেকৰে দহটাকৈ মুঠ একুৰি আধ্যা অতিৰিক্তকৈ আছে। কিছুমান পদ সাঁথৰ-ধৰ্মী, যথা–

গীতা ভাগৱত গূঢ় গজমুখী গাই।
বিচাৰি দেখিও দিব্য জ্ঞান মুনিসাই।। (১০৪৪)

হৰি নাম ধৰ্মই যে কলিত শ্ৰেষ্ঠ ধৰ্ম, তাক বহু ঠাইত ব্যক্ত কৰাৰ উপৰি মাজে মাজে শঙ্কৰদেৱৰ কীৰ্ত্তন ঘোষাৰ অনুৰণনো ঘটিছে :

যাগ-যোগ-যজ্ঞ অশ্বমেধ তুলাদান।
সবে মিলি নোহে হৰি নামৰ সমান।। (১০৪৫)
হৰি বিনে নাই অপৰ দেৱ।
জানি হৰি পদে কৰিও সেৱ।। (১০৪৭)
ভকত সবে গুণ-নাম গায়।
তাহাৰ মালাক গাঠি সদায়।।
শিক্ষত কণ্ঠত উজ্জ্বল কৰি।
হেমসে ভকতৰ সুহৃদ হৰি।। (১০৪৮)

বৰ্তমান মাজুলীৰ কঢ়াল গাঁৱত সংৰক্ষিত পুথিখনিৰ নকল কৰা তাৰিখ হ'ল ১৭৬২ শকৰ আহাৰৰ শুক্ল পক্ষৰ অষ্টমী তিথি সোমবাৰ।

গুণমালা বা ৰসমালা, গীত, বিষ্ণু বংশাৱলী, মুক্তাৱলী, ঘোষা, ভাগৱত, ধৰ্মখণ্ড, বোধগুৰু চৰিত, নাটক প্ৰয়াণ-চৰিত, ধৰ্ম সম্প্ৰদান, প্ৰেতকৰ্ম পদ্ধতি, কূৰ্ম-প্ৰশংসা পুৰাণ, ভক্তি বস্তুসাৰ আদি প্ৰায় চাৰিকুৰিখনি সাঁচিপতীয়া পুথি কঢ়ালগাঁও (মাজুলী) আৰু বৰুৱাবাৰীত (যোৰহাট) সংৰক্ষিত হৈ আছে। পুথিসমূহে প্ৰকাশৰ মুখ দেখিলে একশৰণ ভাগৱতী বৈষ্ণৱ ধৰ্মৰ এই নৱতম্ প্ৰশাখাটোৰ বিষয়ে অনুসন্ধিৎসু পাঠকে অনেক কথাই জানিব পাৰিব। সুখৰ কথা যে অনুগামীসকলে কীৰ্ত্তন পুথিভাগি প্ৰকাশ কৰি এক দীৰ্ঘদিনীয়া প্ৰয়াসৰ মঙ্গল-দিনা স্থাপন কৰিলে।

কৃষ্ণ-কৃপা প্ৰাৰ্থী
দিলীপ কুমাৰ বৰুৱা
শিলিখাগুৰি (মাজুলী)

৫১০০ কল্যাব্দ।।
১২ পুহ, কৃষ্ণা ৬ তী

।। ভূমিকা ।।

শ্ৰীশঙ্কৰ বোধগুৰু হৰি ৰাম ৰাম।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ আৰু মাধৱদেৱৰ দুজনা গুৰুৰ বৈকুণ্ঠ প্ৰয়াণৰ পিছত নব বৈষ্ণৱ যুগত পুনৰ জন্ম গ্ৰহণ কৰা গুৰুজনা হৈছে শ্ৰীশ্ৰীবোধ।

মহত্তম বোধ ৰূপে গুৰু নাৰায়ণ।
প্ৰৱণ কীৰ্তন ধৰ্ম ভূমিত স্থাপন।। (কীৰ্তন) বোধগ্ৰন্থ।

ভগৱানৰ নৱম অৱতাৰত বোধগুৰুৰ অৱতাৰ হ'ল যদিও, যি কালত তেখেতে জন্ম লাভ কৰিলে সেই সময়, দোৰ্দণ্ড তান্ত্ৰিকতাৰ কবলত থকা সময়। আনকি বোধগুৰুৰ নাম ধৰ্ম প্ৰচাৰ কাৰ্য্যত মহাপুৰুষী মহন্তসকলেও বাধা প্ৰদান কৰিছিল। মহাপুৰুষ বোধগুৰুজনাই, শ্ৰীমন্ত শঙ্কৰদেৱৰ নাম ধৰ্মক কলুষিত কৰি, ধৰ্ম শাস্ত্ৰ লিখি পৰম গুৰু শঙ্কৰ দেৱৰ ধৰ্মৰ বিৰোধিতা কৰিছে বুলি নবোৱা সত্ৰৰ মহন্তসকলে অভিযোগ দিছিল। নবোৱা সত্ৰৰ সত্ৰাধিকাৰ প্ৰভুৱে মহন্তসকলক আৰু বোধ গুৰুক মতাই নি বোধ শাস্ত্ৰ পঢ়ি বিচাৰ কৰি মন্তব্য দিলে "বোধ শাস্ত্ৰ উত্তম শাস্ত্ৰ। বোধ শাস্ত্ৰই আমাৰ পৰম গুৰু শঙ্কৰ দেৱক ঈশ্বৰৰ প্ৰদান কৰিছে, শ্ৰীমন্ত শঙ্কৰ গুৰুৰ প্ৰচাৰিত নাম ধৰ্মক সমৰ্থন কৰিছে আৰু শঙ্কৰ গুৰুৰ প্ৰচাৰিত ধৰ্মক অধিক গুৰুত্ব প্ৰদান কৰিছে। বোধ গুৰু ধৰ্মৰ সমস্ত কথি অৱতাৰবাদেকে নিৰূপন কৰিছে। গতিকে বোধ শাস্ত্ৰৰ ওপৰত মহন্ত সকলে কোনো আক্ষেপ ৰাখিব নালাগে"।

বোধ শাস্ত্ৰৰ মূল হৈছে একশৰণ নাম ধৰ্ম। কোনো তান্ত্ৰিক কৰ্মৰ বোধশাস্ত্ৰত স্থান নাই। বৈদিক কৰ্ম কাণ্ড লোকৰ প্ৰবল প্ৰৈতাত সেও যদি দুজনা গুৰুৰ প্ৰতিত সত্ৰসমূহেও ক্ষুদ্ৰ দেৱতাৰ পূজা সেৱা গ্ৰহণ কৰি একশৰণ নাম ধৰ্মত চেকা লগালে। দুজনা গুৰুৰ প্ৰচাৰিত নাম ধৰ্মতাপক কিছু ম্লান কৰিলে। কিন্তু বোধ শাস্ত্ৰই কৰ্ম কাণ্ড, গ্ৰহ-নিগ্ৰহ পূজা আদি কৰিব নালাগে বুলি স্পষ্ট ধাৰণা দিয়াৰ কাৰণেই কিছুমান ধৰ্ম গ্ৰহণ কৰোঁতাসকলে বিৰোধিতা কৰিছিল বুলি অনুমান কৰা হয়।

শ্ৰীশ্ৰীবোধগুৰুৰ জন্মস্থান শিৱসাগৰ জিলাৰ গিলাতলি গাৱত। ১৮৫৯ শকৰ মাঘ মাহৰ পূৰ্ণিমা তিথিত সোমবাৰে তেখেতৰ জন্ম হয়।

হৰি হৰি দিন বন্ধু দেৱ প্ৰাণ হৰি।
মাঘ মাহ পূৰ্ণিমাত জন্ম লভিলা হৰি।।
ভকত বৎসল শিশু ৰূপধাৰী ভাই।
বোধ ৰূপে পূৰ্ণ ব্ৰহ্ম আহিলা গোসাই।। (বোধ হৰি বিৰচিত গীত)

মহাপুৰুষ শঙ্কৰৰ আবিৰ্ভাৱ হোৱাৰ সময়ত বৈকুণ্ঠত শ্ৰীনাৰায়ণ কৰাত ভাৰ্য্যা লক্ষ্মীদেৱীক কৈছিল—

কলিযুগত প্ৰকাশিব ভকতি বচন।
ধৰাত ধৰ্মকৰি ভক্ত জন্ম লভিলা।।

সূত্ৰধূলি শিৰতেও প্ৰণাম কৰিব।
যাতে ভৱ ভয়া পাছে শৰণে পশিব।

জন্ম যাত্ৰানাটক (ৰাম হৰি বিৰচিত)

ত্ৰিভুৱন বন্দন দৈৱকী নন্দন
যোহৰি মাধৱ কংস।
জগজন তাৰণ দেৱ নাৰায়ণ-
শঙ্কৰ তাকেহি অংশ।।

(গুৰুভাটিমা— মাধৱদেৱ বিৰচিত)

যিজন অনাদি অনন্ত, যিজন জগত গুৰু, সাহিত্যিক, নাট্যকাৰ কবি, গায়ক, বাদ্যকাৰ যিজন নামঘৰত, মণিকূটত, যি জনে চৈধ্য শাস্ত্ৰ, ওঠৰ পুৰাণ, টীকা ভাষ্য, ভাগৱত সকলো শাস্ত্ৰ মন্থন কৰি কৃষ্ণ ভক্তি প্ৰেমৰ ৰস নিগৰাই চৈধ্য ব্ৰহ্মাণ্ডৰ চাৰি মুঠি জীৱক জীৱন মুক্তিৰ পথ দেখুৱালে—

হৰি নাম ৰসে বৈকুণ্ঠ প্ৰকাশে
প্ৰেম অমৃতৰ নদী।
শ্ৰীমন্ত শঙ্কৰে পাৰ ভাঙি দিলে
বহে ব্ৰহ্মাণ্ড ভেদি।।

নাম ঘোষা (শ্ৰীশ্ৰীমাধৱদেৱ)

এইজনাই মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ। এইজনা গুৰুৱে যিদৰে অতি সাধাৰণ ভাৱে জীয়াই থকা প্ৰাণীৰ কেনেও ব্ৰহ্মাণ্ডত হৰিনামৰ সোঁত বোৱাইছিল তেনেকৈয়ে বোধগুৰুৱেও জন্ম গ্ৰহণ কৰিছে কোঁচকুলত। বোধগুৰুৱে পৰম গুৰু শঙ্কৰ দেৱৰ হৰি নামৰ প্ৰবল সোঁতত মিলি বোৱাকৈ অধিক নামজল বৃষ্টি কৰি, শ্ৰীমন্ত শঙ্কৰ দেৱক ইষ্টগুৰু হিচাপে গ্ৰহণ কৰি নামধৰ্ম কটকটীয়া কৰাৰ প্ৰয়াস কৰিছিল।

বোধ গুৰুৰ তিনি বছৰ কালতে পিতৃ বিয়োগ হয়। গুৰুজনাই নিজেই গৈ শিৱসাগৰৰ অভয়াপুৰ গাঁৱৰ কাজল ভকতৰ গৃহত শিক্ষা লাভ কৰিছিল।

তেখেতৰ বংশাৱলীৰ বিষয়ে তেখেতৰ প্ৰিয় শিষ্য একান্ত ভক্ত আমোদ গোৰোৱা সাধু পুৰুষে প্ৰশ্ন কৰিছিল ঃ

তনু পিতৃ মাতৃ বংশ উৎপত্তি কথন।
সবাকে জনাব কথা দৈৱজ্ঞ নাৰোদন।।
উৎপত্তি জনম কথা শুনা এখন।
আমোদ গোৰোৱা তুমি কৰিও শ্ৰৱণ।। বিষ্ণু বংশাৱলী পদ নং-১৮

ভাগ্যৱতে একেজন পণ্ডিতত আছে।
শঙ্কৰ বংশে দৈৱজ্ঞ জনা বুদ্ধ আছে।।
আমাৰ বুদ্ধিৰ তেজ ইন্দুমতি নাম।

DIRECTORATE OF LIBRARY SERVICES

অনেক ভকতি তারে করি[illegible]॥
প্রেমাকুল হয়া যেন্ত [illegible] মন।

বন কোর্ট মাঝে পুত্র হৈলা [illegible]॥ বংশাবলী পদ নং-১০৪
লণ্ডনেরে বন কোর্ট কহিলো [illegible]।
উপরি অন্বর কথা কত বোল [illegible]।
চণ্ডীবরে বিদ্যাধর পিতু শংকা নাই।
চন্দ্রবংশে আসিলাঙ পূর্বে ইঙ্গো ঠাঁই॥ পদ নং - ১০৫

বিদ্যাধর পুত্র হৈলা সর্বেশ্বর নাম।
বায়ুহতে তার শক্তি হৈলো অনুপাম॥
বাজধর হতে হৈলা সাহিত্যে সম্পদ।
কৃষ্ণ সেবা বিনে আন নেত্র নজানয়॥ পদ নং - ১০৬

সর্বেশ্বর পুত্র হৈলা ভগীরথী নাম।
ইন্দ্র অংশে জন্ম তার হৈলো অনুপম॥
হরি শংকর দাস কৃষ্ণের হৃদয়।
মনে মাধব চিত্তে তুমি কৃপাময়॥ পদ নং - ১০৭

ভগীরথ পুত্র হৈলা অমর সন্ততি।
তিনাকো নেত্র নাম কৃষ্ণের ভকতি॥
সূর্য বংশে অমর যে কহিলো কারণ।
তানে পুত্র গোটি পুত্র ভকত চরণ॥ পদ নং - ১০৮

পূর্বে সূর্যবংশী রাজা দশরথ পিতৃ।
কৌশল্যা গত পূর্বে আছিলেক মাতৃ॥
দশরথ পিতৃ মোর ভকত চরণ।
কৌশল্যারে ভক্তশ্রী কহিলো কারণ॥ পদ নং - ১০৯

সেহি পিতৃ মাতৃ মোর সাহিত্যে সম্পদ।
আবেদন গোবেন্দ তুমি ভজিবার আশ॥ পদ নং - ১১০

ইহার পিছত আবেদন গোবেন্দ সাধু পুরুষে [illegible] পদ ইে বোধ [illegible] চলাত পরি সেবা [illegible] পুরুষ [illegible] সাধু পুরুষ পরিচয় পত্রখান কহিলো—

ইন্দ্র [illegible] পিতৃ [illegible]।
[illegible] মাতৃ [illegible]॥
[illegible] তুমি [illegible]।
[illegible]॥
আবেদন গোবেন্দ সাধু পুরুষে [illegible] চলাত সেবা [illegible]—
[illegible]।
[illegible]॥ পদ নং ১২০

তখন কালত আসিলোহো ভটিয়াই।
চতুৰ্থ্যৰ পায়া পুনু কৈলো এহি ঠাই।।
বামুণৰ ঘৰে থাকো হাল জোন বাই।
হালোৱা বুলিয়া মোক মাতে সমুদাই।। পদ নং - ১২৪

পূৰ্ব্বে লেকেলা নাম আছিল আমাৰ।
তযু পাৱে মই দাসে কৰো নমস্কাৰ।।
কলাভুঞা সব বোলে পিতৃ মাতৃ নাই।
তেসেবো পৰিল হামি কৈলো অতিথ্যাই।।
কথাই ভুঞা বোলে পিতৃ মাতৃ কথীনাম।
তযু আগে কৈলো প্ৰভু কৰিয়া প্ৰণাম।। বংশাৱলী
বোধগুৰু জনাই ক'লে–
সিটো নাম নোহে ভাল কহিলোহো সাৰ।
তামোল নোখোৱা নাম দিলোহো তোমাৰ।।
নাখাইবা তামোল তুমি মুখদিত কাজে।
তামোল নোখোৱা নাম হৈবে সামসাজে।। পদ নং - ১২৬

গুৰুবাক্য মতেই বামুণৰ হালোৱা লেকেলা আতৰ নাম তামোল নোখোৱা হ'ল আৰু তামোল নোখোৱা ধৰ্মৰ গুৰু ভাৰ গ্ৰহণ কৰি ধৰ্ম প্ৰচাৰ কৰাৰ পৰা এই ধৰ্মপন্থি গোটটোক তামোল নোখোৱা সম্প্ৰদায় বুলি কয়।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰচাৰিত নামধৰ্ম সাত পুৰুষলৈকেহে সীমা নিৰ্দ্ধাৰণৰ উক্তি আছে। শঙ্কৰদেৱে মাধৱদেৱ পুৰুষক কৈছে–

সাত পুৰুষৰ সীমা ৰাখিলা মাধৱ।
এহি কথা কহি আছে আগে মাধৱৰ।।
সাত পুৰুষৰ পাছে মোক গুৰু মানি।
আঠ কোটি নৰ্কে যাইবা জানিবা সমুলি।।
আৰু কথা কহি আছে মাধৱ আগত।
কোন অৱতাৰ হৈবে সেহি সময়ত।।
কোন পন্থ হয় কৰিবেক কোন ধুনী।
নাম সমে পূজা দিব কলি ভুলে জনী।। জন্মকত (কোৰুৱাই)

সাত পুৰুষৰ পিছত ধৰ্মৰ দুটি লাগিব। সেই মতেই দেখা গৈছে পৰম গুৰু শঙ্কৰদেৱে ভেবাৰ কীৰ্ত্তন ঘোষাত –

কোন অৱতাৰে কোন পন্থ কলি হয়।
কমলাৰ পাছে বুলি আছে নৰ্ত্তকন।।
হৰি নাৰায়ণ দত্তবৰুৱা সম্পাদিত প্ৰথম প্ৰকাশ ১৯৫০

মৎস্য কূৰ্ম্ম বৰাহক [illegible]
[illegible] কৰিলাহা [illegible]।
[illegible] কৰি আছে [illegible] [illegible]
তযু [illegible]।। [illegible] ([illegible])

গোবিন্দ বসতি ভণা মহা মতি
আতপৰে কথা যত।
তাপন ছাড়িয়া আসি হৈব বোধ
কলিযুগ উপগত॥
বেদ দেখি তত্ত্ব প্ৰকাশ জন্তুৰ
হইবো বোধ অৱতাৰ।
বোধ শাস্ত্ৰ কৰি পাষণ্ড আচাৰে
মোহিবে সবাকে আৰ॥ ভক্ত্যামৃত ([illegible])

ইয়াৰ বাদেও পদ্ম পুৰাণ, যোগিনী তন্ত্ৰ, কালিকা পুৰাণে মহাভাৰতকে কাব্য আদিত বোধ অৱতাৰৰ উল্লেখ আছে। এইবিলাকতে এটা কথা উল্লেখ কৰিব পাৰি যে ধৰ্ম গুৰু সকলে শাস্ত্ৰসমূহত বোধ অৱতাৰ বুলি চিহ্নিত কৰিছে।

বোধ শব্দে জ্ঞানৰ অৰ্থ প্ৰকাশ পায়। জ্ঞানৰ উদয় হয় অৱতাৰ মহত্ব। কোনো গুৰু জনীয়েই প্ৰথম কলমত বোধ শব্দৰ বাহিৰে বুদ্ধ শব্দৰ ব্যৱহাৰ কৰা নাই। অৱশ্যে পৰৱৰ্তী কালত শাস্ত্ৰীয় পণ্ডিত সকলে ঠাইশালত বোধৰ ঠাইত বুদ্ধ শব্দৰ ব্যৱহাৰ কৰিছে। এই ক্ষেত্ৰত আমাৰ কৰণীয় নাই। কিন্তু ঈশ্বৰৰ শক্তি লাভ কৰি পৰম গুৰুজনে নিজৰ কলমে লিখা শব্দ কেনেকৈ কাটিবলৈ সাহস কৰিছে সেইটো আমাৰ ক্ষেত্ৰত চিন্তনীয়।

মাজুলী কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ শ্ৰী নাৰায়ণ চন্দ্ৰ গোস্বামী প্ৰভুৱেও নৱম অৱতাৰ বোধ সম্পৰ্কে তেখেতৰ কীৰ্ত্তন ঘোষা আৰু নাম ঘোষা তত্ত্বাৰ্থ সমীক্ষা পুথিত উল্লেখ কৰিছে। পূৰ্বোক্ত পুৰাণ আৰু তন্ত্ৰাদিত থকা বুদ্ধ অৱতাৰ বিষয়টি বিতৰ্কিত আৰু ধুঁৱলী কুঁৱলী যেন বোধ হৈছে। উক্ত পুথিত তেখেতে উল্লেখ কৰিছে "ভগৱান অৱতাৰ হয় ধৰ্ম ৰক্ষাৰ কাৰণে। গতিকে নৱমত বোধ অৱতাৰৰ অৰ্থ বিভ্ৰান্তিকৰণৰ মূলতে বোধ শাস্ত্ৰসমূহ প্ৰকাশ নোহোৱা। এইবিলাক প্ৰকাশ পালে শাস্ত্ৰীয় পণ্ডিতসকলৰ সন্দেহ ভাৱ দূৰ হ'ব।

বোধ অৱতাৰে বেদ পঢ় কৰি ছল।
বামানৰ শাস্ত্ৰে মুহি আছে সৰ্বজন॥

উক্ত পদৰ অৰ্থতো বিভ্ৰান্তি হোৱা দেখা যায়। ইয়াৰ অৰ্থ এনেদৰে লোৱা হয় যে এক ঈশ্বৰৰ বাদে অন্য পথ লৈ সেৱা-উপাসনা কৰা পদ্ধতিয়েই কলিত বামানৰ পথ। বেদ পথ আৰু বেদ পন্থা। পথ শব্দই মূল পথ আৰু পন্থা শব্দই মূল পথৰ পৰা ওলোৱা শাখা পথ বুজাইছে। তেন্তে উক্ত পদৰ অৰ্থ হ'ব যে মহাপুৰুষ শঙ্কৰদেৱ মাধৱদেৱে প্ৰবৰ্তন কৰা একশৰণ নাম ধৰ্মৰ বিপৰীতে অন্য দেৱ-দেৱীক পূজা কৰা যি পদ্ধতি সিয়েই হ'ল বেদ পন্থা বা বামানৰ পন্থা। পুৰাণ আদি বিভিন্ন তন্ত্ৰ শাস্ত্ৰ প্ৰবৰ্তন কৰি অহিত হোৱা ব্যাসদেৱক সেয়ে নাৰদে কৈছিল ঃ "ব্যাস তুমি কৰিলা সৰ্বনাশ"। ব্যাসে নাৰদৰ পৰা জ্ঞান পাই মহা ভাগৱত শাস্ত্ৰ আৰম্ভ কৈ ভকতিৰ পথ বিচাৰি পালে।

বোধ গুৰু জনাৰ ধৰ্ম প্ৰচাৰ ধৰ্মীয় পৰম্পৰা হ'ল—

১। শ্ৰীশ্ৰী শঙ্কৰ দেৱ।
২। শ্ৰীশ্ৰী মাধৱ দেৱ।
৩। পুৰুষোত্তম।
৪। চতুৰ্ভুজ।
৫। ৰাম চৰণ।
৬। [illegible]
৭। [illegible]

(৫–৭) সত্ৰৰ পৰাই অধিকাৰৰ পৰম্পৰা সম্পূৰ্ণ হৈছে।

৮। ভকত চৰিত

৯। কাজল ভক্ত (সাধু)

১০। শ্ৰীশ্ৰীবোধ

এইদৰেই পৰমগুৰু শঙ্কৰদেৱৰ প্ৰচাৰিত এক শৰণ নাম ধৰ্ম বোধ গুৰুৰ হাতত প্ৰচাৰৰ বাবে পৰেহি।

বোধ চৰিত পুথিমতে—শিক্ষা আহৰণৰ বাবে গৈ বোধ গুৰুৱে কাজল ভক্ত বৃদ্ধসাধুৰ গৃহত থাকি প্ৰথম নিশাই বৃদ্ধ সাধুক সপোনত চতুৰ্ভুজ মূৰ্তি দৰ্শন কৰায় আৰু সাধুৱেও ধ্যানস্থ হৈ বোধ গুৰুক ঐশ্বৰিক শক্তিৰ প্ৰতীক বুলি ভাবি শাস্ত্ৰ শিক্ষা দান কৰে। বোধগুৰুজনাৰ পৰম গুৰু হৈছে শ্ৰীমন্ত শঙ্কৰদেৱ—

মোৰ গুৰু শঙ্কৰেসে জগতৰ স্বামী।
ভকত সহিতে হৃদি সেৱা কৰোঁ।। আমি বুলি উল্লেখ আছে।

বোধ গুৰুৰ অৱতাৰৰ অংশ সমূহ :

১। বোধ ২। তামোল নোখোৱা ৩। হলিৰাম।

বোধ গুৰুৰ লগত অহা সাধুসকল :

১। ৰাম হৰি ২। ধুলি ৩। চুক্তি ৪। বনমালী

বোধগুৰুৱে কুণ্ডিল, শদিয়া। বিদৰ্ভনগৰ, লোংপুং, গড়গাওঁ ৰাইচা, ডকুকা, ৰংপুৰ, আইভেটি, ৰৰপেটা, ৰামপুৰ, বৰদোৱা চতুৰ্থাৰ, গোপা গ্ৰাম, পুথি খাৰ্চী আন আদি স্থান সমূহ ধৰ্ম প্ৰচাৰৰ বাবে ভকতসকলৰ লগত ভ্ৰমণ কৰে। এই জনা গুৰু অসমৰ বাহিৰলৈ ভ্ৰমণৰ বাবে যোৱাৰ কোনো ইঙ্গিত নাই। দুজনা গুৰুৱে দুই বাৰ তীৰ্থ ভ্ৰমণ কৰি ক্ষেত্ৰ সমূহৰ শক্তি কাটি পেলোৱাৰ বাবেই হয়তো ক্ষেত্ৰ চুবাৰ বাবে ভ্ৰমণ নকৰিলে বুলি অনুমান হয়।

যিটো জনে চুবে সদা ৰাম নাম স্মৰি।
পাছে পাছেটি চুবে দেৱ দেৱী স্তুতি কৰি।। (ভাগৱত)

• • • •

একান্ত ভকতসকলে যথাত
কৃষ্ণৰ কীৰ্তন কৰে।
যত দেৱী দেৱ তীৰ্থ নিৰন্তৰে
তাহাতে নিবাস কৰে।। বোধা— (বোধশাস্ত্ৰ)

গোপা গ্ৰামত থাকোঁতেই বোধ গুৰু জনাই শাস্ত্ৰ লিখিবলৈ আৰম্ভ কৰে। গুৰু জনাৰ প্ৰধান শিষ্য সাধুসকলে অধিক শাস্ত্ৰ লিখাৰ প্ৰমাণ পোৱা গৈছে। যিহেতু মুখ্য গুৰু নিজে, সেয়েহে নিজক মিলোই গুৰু দৰ্শন কৰাৰ যোগ্যতাৰ বাবেই হয়তো তেওঁৰ আজ্ঞানুসাৰে শাস্ত্ৰ সংকলন কৰালে। সকলো শাস্ত্ৰ "বোধশাস্ত্ৰ নামে পৰিচিত।

ভায়োল নোখোৰা সম্প্ৰদায়ৰ নিজাকৈ লিখা শাস্ত্ৰ চাৰি কুৰিৰো অধিক। দশম, কীৰ্তন, ঘোষা, ধৰ্ম সম্প্ৰদান ধৰ্মখল, মুক্তাৱলী, গুণমালা, চপয়, টৌটয়, ভটিমা গীত আৰু ত্ৰয়োদশ স্কন্ধ ভাগৱত।

এই ধৰ্মমতে নাম প্ৰসঙ্গত কোনো দেৱবাদ্য ব্যৱহাৰ নকৰে। নিৰৱ আৰু স্পষ্টভাৱে হৰি নাম হাত চাপৰি বজাই গাব লাগে যাতে কোনো ধৰণৰ কোলাহলৰ সৃষ্টি সৃষ্টি নহয় আৰু নাম লোৱা ভকতৰ প্ৰত্যেকৰে কৰ্ণপথে প্ৰভুৰ নাম হিয়াত প্ৰৱেশ কৰিব পাৰে।

এই ধৰ্মৰ মূল নাটক হৈছে "শ্ৰীশ্ৰীশঙ্কৰদেৱৰ জন্মযাত্ৰা।" এই নাটকত শ্ৰীশ্ৰীশঙ্কৰদেৱৰ জন্মৰ পূৰ্বাভাসবোৰ জন্ম হোৱালৈকে সৰুৰা থিতে শঙ্কৰ নামে নামকৰণ কৰালৈকে নাটকীয় শঙ্কৰদেৱৰ ভোজন বেলুন, শ্ৰীশঙ্কৰদেৱৰ কুম্ভনাথ, পাষণ্ড মৰ্দন, সুৰাপাত্ৰ উত্তৰণ আদি ৰসময় নাটকে ধৰ্মপ্ৰাণ লোকক আকৃষ্ট কৰিবলৈ সক্ষম হয়।

অসমৰ চুকে-কোণে এই ধৰ্মৰ লোক সিঁচৰিত হৈ আছে। মাজুলীৰ কড়াৰ (বৰ্তমান কড়াল গাঁও) গাঁৱত বোধতক, (জেৰেতৰ ভাৰ্যা পাহী) আই মাতৃ ভায়োল নোখোৰা সাধুৰ জিলন কেৱ থিয়াপে কীৰ্তন ঘৰ সাজি পৰম গুৰু আসন পাতি কিছুদিন বাস কৰিছিল যাৰে এই থানকে ধৰ্মৰ মূল কীৰ্তন ঘৰ বুলি কোৱা হৈছে। যি কীৰ্তন ঘৰ গোসাঁই ঘৰ নামে জনাজাত। অসমৰ বিভিন্ন প্ৰান্তবোৰ অন্য চাকি-বন্তিৰে অসংখ্য বন্তি প্ৰজ্বলিত হৈ আছে।

আই মাতৃ পূৰ্বে নবকা অবস্থাতে পুৰিখাদী থানত ১৭৪৭ শকত মাঘী পূৰ্ণিমা তিথিত বোধ তকতলাই ইচ্ছাকৃতভাৱে প্ৰাণ কৰাত ভায়োল নোখোৰা সাধুৱে ভকতসকলক লগত লৈ পুৰিখাদী থানবোৰ আই মাতৃক লৈ আহি মাজুলীৰ উল্লিখিত গোসাঁই ঘৰতে ৰাখে আৰু তাতেই আই মাতৃবিহীন হয়। তাৰ কিছু দিনৰ পিছত ভায়োল নোখোৰা সাধুৱেও প্ৰয়াণ কৰে।

আই মাতৃ আৰু সাধু পুৰুষক থাই সংস্কাৰ কৰা ঠাইখিনি থান নামেৰে পৰিচিত। এই থানত এজোপা বৰ গছ আৰু এজোপা পীপলু গছ হৈ বৰ্তমান প্ৰায় চাৰি বিঘা মাটি আগুৰি আছে। এই থানতো বিভিন্ন লোকৰ চাকি-বন্তি যায়।

অসমৰ বিভিন্ন স্থানত থকা এই সম্প্ৰদায়ৰ ভকতসকল যিকোনো সময়ত একেলগ হোৱাত যথেষ্ট বাধাৰ সৃষ্টি হয়। যাতায়াতৰ অসুবিধাকে মুখ্য কৰি অৰ্থ সংকটত ভোগা লোকসকলৰ তথা অনুশৰি অভাৱৰ হেতু বোধ শাস্ত্ৰ সমূহ প্ৰকাশ হোৱাত বৰ পলম হৈছে।

প্ৰথম প্ৰকাশিত কীৰ্তন পুথিখন ছপাশালৰ পৰা আদি সত্ত্ব, মহত্ত্ব, ভক্ত, বৈষ্ণৱ আৰু ভণৱন্ত ৰাইজৰ মাজলৈ আগবঢ়োৱা হৈছে। প্ৰথম প্ৰকাশত ত্ৰুটী থাকি যোৱাটো নিশ্চিত। সেয়ে পাঠক ৰাইজসকলৰ ভৱিষ্যতৰ প্ৰয়োজনীয় সংশোধনী আৰু উপদেশ কামনা কামনা কৰা হ'ল।

গুৰু কৃপাপ্ৰাৰ্থী
শ্ৰীপূৰ্ণ শইকীয়া
০২/০১/২০০০
১নং কড়ালগাঁও

১নং কড়ালগাঁও
মাজুলী বনগাঁও
মাজুলী, যোৰহাট, অসম

শ্ৰীনাৰায়ণ চন্দ্ৰ গোস্বামী, সত্ৰাধিকাৰ।
মাজুলী কমলাবাৰী সত্ৰ
মাজুলী, যোৰহাট।
টেলিফোন নং : 73302 / S T D 03775

শুভেচ্ছাবাণী

আমি নিচেই সৰু কালতে বিভিন্নজনৰ মুখেদি আৰু এতিয়াও কোনো কোনো ঠাইত তামোল নোখোৱা সম্প্ৰদায়ৰ বিষয়ে বহু কথা চৰ্চিত হৈ অহা শুনা যায়। প্ৰথমতে উক্ত সম্প্ৰদায়টিয়ে তামোল নোখোৱা কাৰণেই সেই নাম হোৱা বুলি ধাৰণা কৰা হৈছিল। তদুপৰি সেই সকলনো ক'ৰ, ক'ত থাকে ইত্যাদি জানিবৰ কাৰণে কৌতূহল জন্মিছিল। কিন্তু আজিৰ পৰা প্ৰায় ৪/৫ বছৰমানৰ আগতে মাজুলী কেঁহাল (কচাল) গাঁৱৰ শ্ৰীযুত অৰুণ বৰা নামৰ এগৰাকী শিক্ষকক সত্ৰতে লগ পোৱাৰ সুযোগ মিলে আৰু তেখেত সেই সম্প্ৰদায় ভুক্ত বুলি তেখেতৰ মুখেদি জানিব পাৰিলোঁ। বৰাদেৱৰ মুখে সেই সম্প্ৰদায়ৰ বহুতো নজনা কথা শুনাৰ সৌভাগ্য হয়। পূৰ্বতে কিম্বদন্তীৰূপে তথা বিভ্ৰান্তভাৱে চৰ্চিত হৈ অহা সম্প্ৰদায় নহয়, তাক ভালকৈ বুজিব পাৰিলোঁ। আচৰিতভাৱে ইয়াৰ ইতিহাস অতি পুৰণি, দীঘলীয়া আৰু কৌতূহলোদ্দীপক। এই সম্প্ৰদায়ত দুজন মহা-পুৰুষৰ ৰচনাৰাজি থকাৰ দৰে কীৰ্তনঘোষা, নামঘোষা, গুণ-মালা, চপয়-চৌতিয়া, নাটক, শ্ৰীমদ্ভাগৱত (তেৰ স্কন্ধ) আদি কৰি প্ৰায় চল্লিশখন মান পুথি আছে। বহুতো পুথি কালক্ৰমত নষ্টও হৈছে। সেই সম্প্ৰদায়ৰ নীতি-নিৰ্বন্ধও কিছু পৃথক। অৱশ্যে মহাপুৰুষ শঙ্কৰদেৱক উপাস্য দেৱতাৰূপে মানি অহা হৈছে। সেই সম্প্ৰদায়ৰ আদি প্ৰৱৰ্তক গৰাকীৰ নাম "বোধগুৰু" বুলি জনা যায় আৰু এইজনা পুৰুষৰ জীৱন কাহিনীও বিচিত্ৰ।

সম্প্ৰতি বোধগুৰু ৰচিত "কীৰ্তন ঘোষা" শাস্ত্ৰখনি ছপাশালত প্ৰৱেশ কৰিছে আৰু তাৰ পূৰ্বতে বৰাদেৱে হাতে লিখা শাস্ত্ৰখনি আমাক দেখুৱাইছিল। প্ৰকাশ হ'লে সেই শাস্ত্ৰদায়ৰ এটি বিশেষ ঐতিহ্যৰ পৰিচয় পাঠকসকলে পাব আৰু আমিও বহলকৈ জনাৰ সৌভাগ্য হ'ব। আমি আশা কৰিছোঁ বৰাদেৱৰ আৰু সহকৰ্মীসকলৰ পৰিশ্ৰম সাৰ্থক হওঁক। পৰ্যায়ক্ৰমে সকলো শাস্ত্ৰ প্ৰকাশ হওঁক আৰু সেই সম্প্ৰদায়ৰ ওপৰত থকা সকলো সন্দেহৰ অৱসান হওক— এয়ে আমাৰ পৰমেশ্বৰৰ চৰণত প্ৰাৰ্থনা।

ইতি

শ্ৰীনাৰায়ণ চন্দ্ৰ গোস্বামী, সত্ৰাধিকাৰ

ড° হেমেন্দ্ৰ নাথ দত্ত, উদ্‌ঘাটন বিষয়া
অসম প্ৰত্নতাত্ত্বিক সঞ্চালকালয়
আমবাৰী, গুৱাহাটী - ৭৮১০০১

শুভেচ্ছাবাণী

অসম প্ৰত্নতত্ত্ব সঞ্চালকালয়ৰ অধীনস্থ যোৰহাটৰ শাখা কাৰ্যালয়ৰ পৰ্যটন বিষয়াৰূপে অসমৰ বিভিন্ন অঞ্চলত ব্যক্তি বিশেষ, ধৰ্মীয় অনুষ্ঠান-প্ৰতিষ্ঠান আদিত বৰ্তি থকা প্ৰত্নতাত্ত্বিক সম্পদ, পুৰণি সাঁচিপাতৰ পুথি, মুদ্ৰামূলক তথা সাংস্কৃতিকসম্পদ সমূহৰ পৰীক্ষণ আৰু সংৰক্ষণৰ কামত পৰিভ্ৰমণ কৰি থাকোঁতে ১৯৪৮ চনত নদীদ্বীপ মাজুলিৰ বনগাঁওৰ অন্তৰ্গত কচাল গাঁওত এনে সম্পদৰ অনুসন্ধানত বন্ধুৱৰ শ্ৰীদিলীপ কুমাৰ বুৰুমনৰ সৈতে উপস্থিত হৈছিলোগৈ। এই কচাল গাঁওতে শ্ৰীমন্ত শঙ্কৰদেৱক (১৪৪৯-১৫৬৯ শক) ক ভগৱান শ্ৰীকৃষ্ণৰ অৱতাৰ বুলি জ্ঞান কৰি একশৰণ ভাগৱতী বৈষ্ণৱ ধৰ্মৰ অন্তৰ্গত "ভাৰোল সোখোৱা ধৰ্ম" বুলি সুপ্ৰতিষ্ঠা কৰা একশৰণ ভাগৱতী বৈষ্ণৱ ধৰ্মৰ নৱতম পন্থাৰ প্ৰতিষ্ঠাপক তথা ধৰ্ম প্ৰচাৰক শ্ৰীশ্ৰীবোধগুৰুৰ মৌলিক ধৰ্মীয় ৰচনা আৰু সাহিত্য কৃতি সাঁচিপাতৰ পুঁথিত সযতনে সাঁচি থোৱা পাওঁ।

শ্ৰীশ্ৰীবোধগুৰুৱে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱক ভগৱান শ্ৰীকৃষ্ণৰ অৱতাৰ বুলি ভগৱানৰ আসনত বহুৱাই একান্তত দৃঢ় হ'বলৈ ধৰা শ্ৰীমন্ত শঙ্কৰদেৱৰ একেশ্বৰ নাম বা এক শৰণ ভাগৱতী বৈষ্ণৱ ধৰ্মক উদ্ধাৰ কৰি পুনৰবাৰ নতুনভাৱে সমাজত প্ৰচলন কৰিবৰ বাবে অহোপুৰুষাৰ্থ কৰি গৈছে। বোধগুৰুজনাই সাহিত্য সৃষ্টিৰ ক্ষেত্ৰতো শ্ৰীমন্ত শঙ্কৰদেৱ আৰু মাধৱদেৱৰ দৰেই কীৰ্ত্তন, দশম, ঘোষা, গুণমালা, ভাগৱত, ভক্তি ৰত্নাৱলী আৰু অনেক গীত-নাট আদি ৰচনা কৰি অসমীয়া সাহিত্যলৈ অতুলনীয় বৰঙণি দিছে গৈছে। শ্ৰীশ্ৰীবোধগুৰু বিৰচিত কেইখনমান নাটকৰ ভিতৰত জন্ম যাত্ৰা, গীতা উদ্ধাৰ, সুৰপাত্ৰ উদ্ধৰণ, পাষণ্ড মৰ্দন, ভোজন বিহাৰ, শিশুলীলা আদি নাট্যাৱলীত শ্ৰীমন্ত শঙ্কৰদেৱৰ জীৱনালেখ্য আৰু নাম মাহাত্ম্যক মূল বিষয়ৰূপে লৈ এক শৰণ ভাগৱতী বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ বাবে যত্নচেষ্টা কৰে।

শ্ৰীশ্ৰীবোধগুৰু আৰু এই পন্থাৰ সাধুভক্তসকলৰ ৰচিত ১০ কুৰি ভক্তি ধৰ্মীয় গীত শ্ৰীমন্ত শঙ্কৰদেৱ আৰু মাধৱদেৱৰ বিৰচিত বৰগীত সমূহৰ সমপৰ্য্যায়ৰ বুলি ক'লে বঢ়াই কোৱা নহয়। শ্ৰীশ্ৰীবোধগুৰু বিৰচিত গীতসমূহৰ পৰিৱেশনৰ সুৰ, ভাৱ, লয়, তাল, মান, ৰাগ সম্পূৰ্ণ বৰগীতৰ দৰেই। বিদ্যালয়সমূহত চৰ্চা আৰু অধ্যয়নে যে শ্ৰীবোধগুৰুৰ গীত সমূহকো উচ্চাঙ্গ সংগীতৰ স্থান দিবলৈ ভাত লেখকৰো সন্দেহ নাই। শ্ৰীশ্ৰীবোধগুৰু বিৰচিত গীত যেনে ঃ

ঘোষা ঃ জয় জয় জগন্নাথ জয় জগৎগুৰু।
কমলে নমহ নমহ গোবিন্দ গদাধৰ।।

পদ ঃ শ্ৰীহৰি শ্ৰীপতি শ্ৰীনাৰায়ণ
চৰণে চৰণৰ দ্বিতীয় চৰণ .... এই গীতটি মাধৱদেৱ বিৰচিত "পৰভাতে উঠাৰ কানু ধেনু লৈয়া সঙ্গে" বৰগীতৰ সুৰ সকলোৰ লগত সম্পূৰ্ণ মিলে।

শ্ৰীশ্ৰীবোধগুৰু বিৰচিত কীৰ্তন ঘোষা পুথিখনি ১৫টি অধ্যায়যুক্ত আৰু ৰামচৰণঠাকুৰ কৃত শ্ৰীমন্ত শঙ্কৰদেৱৰ জীৱন চৰিত্ৰ গ্ৰন্থৰ সদৃশ পুথিখনি মহাপুৰুষ শঙ্কৰদেৱৰ জীৱন বৃত্তান্ত। এই গ্ৰন্থখনিৰ প্ৰকাশে অসমৰ নৱতম্ একশৰণ ভাগৱতী বৈষ্ণৱ ধৰ্মৰ আজিকোপতি লুকাই থকা তামোল নোখোৱা ভক্তি ধৰ্ম পন্থাক পোহৰলৈ আনিলে। সদৌ অসম শ্ৰীশ্ৰীবোধগুৰু নাম ধৰ্ম সন্মিলনীৰ কৰ্ম অতুলনীয় হৈ ৰ'ব। শ্ৰীশ্ৰীবোধগুৰু বিৰচিত একশৰণ ভাগৱতী বৈষ্ণৱ ধৰ্মীয় গ্ৰন্থৰাজিৰ প্ৰকাশে অসমীয়া বৈষ্ণৱ সাহিত্যৰ সৌষ্ঠৱ বহু গুণে বৃদ্ধি কৰিব।

শ্ৰীশ্ৰীবোধগুৰু বিৰচিত কীৰ্তন ঘোষা পুথি প্ৰকাশৰ শুভ লগ্নত আমাৰপৰা শুভেচ্ছা বাণী এটি বিচৰাত নিজকে সৌভাগ্যবান বুলি অনুভৱ কৰি, এই ধৰ্মৰ সকলোবোৰ পুথি প্ৰকাশ হোৱাৰ কামনাৰে ভগৱন্তৰ চৰণত প্ৰাৰ্থনা জনালোঁ।

ইতি

ড° হেমেন্দ্ৰ নাথ দত্ত

অসম প্ৰত্নতত্ত্ব সঞ্চালকালয়

গুৱাহাটী, অসম

সম্পাদকীয় স্তম্ভ

একান্ত ভকতৰ সঙ্গ নকৰিবা আশা তজ
বোধগুৰু দেৱ নাৰায়ণ।
কায়বাক্য মনে মজি তোমাৰ চৰণে ভজি
সত্যে সত্যে পশিলো শৰণ।।

পৰম পুৰুষ ঈশ্বৰ কৃষ্ণ শঙ্কৰদেৱৰ আশীৰ্বাদ শিৰত লৈ ১৯৮০ চনৰ পৰাই 'বোধগ্ৰন্থ' সমূহ উদ্‌ঘাটন, সংৰক্ষণ আৰু প্ৰচাৰৰ বাবে চেষ্টা কৰি অহা হৈছে। ১৯৮৬ চনত মাজুলীৰ কড়ালগাঁৱত সদৌ অসম শ্ৰীশ্ৰীবোধগুৰু নামধৰ্ম সম্মিলনীৰ যোগে উদ্‌যাপন কৰা শ্ৰীশ্ৰী বোধগুৰুৰ ২৪৬তম জন্ম জয়ন্তীৰ মুকলি সভাত গ্ৰহণ কৰা সিদ্ধান্তক্ৰমে 'বোধগ্ৰন্থ প্ৰকাশন সমিতি' নামেৰে এখনি সমিতি গঠন কৰা হৈছিল।

আৰ্থিক সঙ্কটত ভুকুৱা লগাতে অসচেতন ভক্ত বৈষ্ণৱসকলৰ বহু সমস্যাৰ বাবে এই কাম কৰা বৰ্ত্তখিনি পলম হ'ল। প্ৰকাশন সমিতিৰ বিষয়ববীয়া আৰু সদস্যসকলৰ অশেষ চেষ্টা, মুষ্টিমেয় সচেতন ভকতসকলৰ গালি-শপনি এই দুই মিলনত বহু পলমকৈ হ'লেও বোধগ্ৰন্থ কীৰ্ত্তন-ঘোষা পুথিখনিয়ে ছপাশালৰ মুখ দেখিলে।

পুথিখনিৰ সম্পাদনা কাৰ্য্যত সহায় আগবঢ়াওঁতে ভাযোল নোখোৱা সম্প্ৰদায়ৰ ১ নং কড়ালগাঁও নিবাসী অন্যতম জ্যেষ্ঠ ভক্ত শ্ৰীযুত মিনাৰাম শইকীয়া আৰু শ্ৰীযুত পূৰ্ণ শইকীয়াদেৱৰ কষ্টই সৰ্বাধিক। ছপাশালৰ পাণ্ডুলিপিটি যুগুত কৰোঁতে শ্ৰীযুত অৰুণ বৰা আৰু শ্ৰীচন্দ্ৰকান্ত ভূঞাৰ শাৰীৰিক, মানসিক কষ্ট অতুলনীয়। তদুপৰি অতি সচেতন ভকত শ্ৰীযুত নৰনাথ ভূঞাদেৱৰ গালি-শপনিয়েহে পুথিখনি প্ৰকাশৰ ক্ষেত্ৰত বিশেষ অৰিহণা আগবঢ়ালে, এই বুলি ক'লে বঢ়াই কোৱা নহ'ব। আনহাতে বাহিৰৰ প্ৰবল চেঁচাত পুথিখনিৰ প্ৰকাশৰ পথৰ যোজা মূৰ পাতিলে সদৌ অসম শ্ৰীশ্ৰীবোধগুৰু নামধৰ্মৰ সভাপতি শ্ৰীযুত অৰুণ বৰা দেৱে কান্ধত ব্যাপ্তি ৰাখিলে। এইখিনিতে আৰু এটি কথা উল্লেখনীয় যে অসমৰ এসময়ৰ অন্যতম মুখপত্ৰখনি "বেলুৱৰ শৰাই ফুল চন্দন আৰু দক্ষিণপাট সত্ৰৰ মুখপত্ৰ ভাযোল নোখোৱা সম্প্ৰদায়ৰ তথ্য বিকৃতভাৱে যি কিছু কথা লিখাৰ বাবে পৰ্বতৰ লিখনিৰ ওপৰত তথ্যভিত্তিক বলিষ্ঠ প্ৰতিবাদ জনাই শ্ৰীযুত অৰুণ বৰাদেৱে "পত্ৰিকালৈ চিঠি দিছে। শ্ৰীযুত বৰা দেৱৰ চিঠিৰ প্ৰত্যুত্তৰত "পত্ৰিকাখনেৰে ৩০/০২/৭৫ তাৰিখৰ চিঠিৰে এটা সত্য-তথ্য-পবিত্ৰ ধৰ্মক মুখপত্ৰ বিকৃতভাৱে লিপিবদ্ধ কৰি কলঙ্কিত কৰাৰ বাবে দোষ স্বীকাৰ কৰিছিল আৰু মুখপত্ৰখনি ভৱিষ্যতৰ সংখ্যাত তথ্যৰূপ দিয়াৰ প্ৰতিশ্ৰুতি দিছিল। শ্ৰীযুত অৰুণ বৰাদেৱৰ এই ঐতিহাসিক কাৰ্য্যৰ বাবে তেখেত ধন্যবাদৰ পাত্ৰ।।

তামোল নোখোৱা সম্প্ৰদায়ৰ বোধ শাস্ত্ৰৰ উদ্ধৃতিৰে শ্ৰীযুত পূৰ্ণ শইকীয়াদেৱে ভূমিকা এটি লিখি পুথি খনিৰ সৌষ্ঠৱ বঢ়ালে। অধ্যাপক গৱেষক শ্ৰীযুত দিলীপ কুমাৰ ফুকনদেৱে লিখি দিয়া পাতনিৰ দ্বাৰাই অসমৰ একশৰণ ভাগৱতী বৈষ্ণৱ ধৰ্মৰ নৱতম্ প্ৰশাখা তামোল নোখোৱা ধৰ্মটিক বাহিৰৰ সৈতে পৰিচয় কৰালে। সম্পাদনা সমিতিৰ তৰফৰ পৰা তেখেত দুয়োজনলৈ কৃতজ্ঞতা জনোৱা হ'ল। কমলাবাৰী সত্ৰৰ শ্ৰীশ্ৰীনাৰায়ণ চন্দ্ৰ গোস্বামী প্ৰভুৰ শুভেচ্ছাবাণীৰে তামোল নোখোৱা ধৰ্মটিয়ে কিম্বদন্তি মতে কিম্ভুত কিমাকাৰ ধৰ্ম নহয় তাকে জনমানসত পতিয়ন নিয়োৱাৰ ব্যৱস্থা কৰাৰ বাবে অধিকাৰ প্ৰভুজনালৈ সশ্ৰদ্ধ প্ৰনাম জনোৱাৰ লগতে পুঁথিখনি প্ৰকাশৰ ক্ষেত্ৰত দিয়া দিহা পৰামৰ্শৰ বাবে সম্পাদনা সমিতিৰ তৰফৰ পৰা প্ৰভুজনাক গভীৰ কৃতজ্ঞতা জনোৱা হ'ল।

১৯৮৪ চনত তামোল নোখোৱা ধৰ্মৰ পুৰণি পুঁথি উদ্ঘাটনৰ বাবে মাজুলীলৈ যোৱা দিনপৰা এই সম্প্ৰদায়ৰ বিভিন্ন দিশত জড়িত অসম প্ৰত্নতাত্ত্বিক বিভাগৰ উদ্ঘাটন বিষয়া ডঃ হেমেন্দ্ৰ নাথ দত্তদেৱৰ কাৰ্যাবলী স্মৰণীয়। লগতে পুথি খনি প্ৰকাশৰ বাবে দিয়া শুভেচ্ছাবাণীৰ বাবেও সম্পাদনা সমিতি তেখেতৰ ওচৰত কৃতজ্ঞ।

তামোল নোখোৱা ধৰ্মৰ ধৰ্মাচাৰ্য্য ৯৯ বছৰীয়া পূজ্যপাদ শ্ৰীযুত ভৱনাথ ভূঞাদেৱৰ তাগিদা নোহোৱা হ'লে কীৰ্তন ভাগৰ পাণ্ডুলিপি প্ৰস্তুত আৰু সম্পাদনাৰ কাৰ্য আৰু বহু পলম হ'লহেঁতেন। পূজনীয় ধৰ্মাচাৰ্য্য গৰাকীকো সম্পাদনা সমিতিৰহে কৃতজ্ঞতা জনালোঁ।

পুথিখনি প্ৰকাশৰ ক্ষেত্ৰত সদায়েই খবৰ ৰাখোতা মাজুলী কড়ালগাৱৰ প্ৰয়াত বাজুৰাম ভূঞা, প্ৰয়াত হিতৰাম বৰা, লক্ষীমপুৰ হাৱৰ্মতিৰ প্ৰয়াত তোলন শইকীয়া এই সকল ভক্তৰ নাম সোঁৱৰণীৰ যোগ্য। পুথিখনি ছপাশালত নেদেখাৰ বেদনা হৃদয়ত থকা অৱস্থাতেই তিনিওজনা ভক্তই পৰপাৰলৈ গতি কৰিলে। তেখেতসকলৰ আত্মাৰ সদগতিৰ বাবে সম্পাদনা সমিতিৰ হৈ ভগৱন্তক প্ৰাৰ্থনা জনোৱা হ'ল।

উত্তৰ লক্ষীমপুৰ হাৱমতিৰ এই ধৰ্মৰে ভক্ত শ্ৰীযুত ধনকান্ত ভূঞা আৰু আমগুৰিৰ শ্ৰীযুত হৰেন ভূঞা, যোৰহাট কমলাবাৰীৰ শ্ৰীযুত টঙ্ক বৰা, মাজুলীৰ শ্ৰীযুত সাগৰ বৰালৈ যেনেও পুথিখনি প্ৰকাশৰ বাবে দিয়া দিহা পৰামৰ্শৰ বাবে সম্পাদনা সমিতি তেখেতসকলৰ ওচৰত কৃতজ্ঞ।

আমাৰ সীমিত জ্ঞানেৰে পুৰণি সাঁচিপতীয়া পুথি এখনি সম্পাদনা কৰাটো অতি জটিল কাম বুলি অনুভৱ কৰা হৈছে। বোধতক আৰু তেখেতৰ সাধুসকলৰ বিৰচিত কীৰ্তন ঘোষা পুথিখনি সম্পাদনাত পোৱা অসুবিধা সমূহ পাঠক সমাজক জনোৱা হ'ল যাতে ভৱিষ্যতৰ সংস্কৰণৰ বাবে দিহা পৰামৰ্শ অধিক পোৱা হয়। পাণ্ডুলিপি প্ৰস্তুত কৰিবৰ বাবে মাজুলী কড়ালগাওঁ আৰু যোৰহাট কমলাবাৰীত মুঠ ৪ খন সাঁচিপতীয়া পুথি বিচাৰি পোৱা হ'ল। সংগৃহীত পুথি কেইখনত অধ্যায়ৰ কম বেছি পোৱা গ'ল। এখনিত নোহোৱা কিছু আনখনৰ পৰা আনি সন্নিবিষ্ট কৰা হৈছে। এনে কৰোঁতে সৰ্ব মুঠ ১৭১ অধ্যায় পোৱা হ'ল। প্ৰতিখনতে মিল থকা অধ্যায় সমূহত ঘোষা আৰু পদৰ সম্পূৰ্ণ মিল আছে। যোৰহাট কমলাবাৰীৰপৰা সংগৃহীত দুখনি পুথি লিখাৰ সময় আগৰ যেন অনুমান হয়। মাজুলীৰ কেইখন পিছৰ কালৰ। এই সমূহ পুথি সাধু ভক্তসকলে মাত্ৰ জনসাধাৰণৰ সুবিধাৰ কাৰণে নিজৰ নিজৰ হাইতে লিখি

লৈছিল যেন অনুমান হয়।

কোনো এখন পুথিতে খণ্ডবোৰ ক্ৰম অনুসৰি পোৱা নহ'ল যদিও খণ্ড হিচাপে যোৰহাট বৰুৱাবাৰীত পোৱা পুথিখনিত বাকচুৰি আৰু ধুলিয়াৰ ভক্তই লিখা অতিৰিক্ত ১০টা অধ্যায় পোৱা গ'ল আৰু আটাইকেইখন পুথিতে শিশু-লীলা, ৰাসবৰ্ণন খণ্ড হিচাপে লিখা পোৱা হয়।

এটি কথা স্মৰ্তব্য যে মহাপুৰুষ শ্ৰীমন্তশংকৰদেৱৰ বিৰচিত কীৰ্ত্তন ঘোষা পুথি আগেয়ে নিৰ্দিষ্ট স্থান বা সময়ত লিখা নাছিল। বিভিন্ন স্থানত কীৰ্ত্তনৰ ঘোষা পদ সমূহ সিঁচৰিত হৈ থকাত শংকৰদেৱৰ মহা প্ৰয়াণৰ পিছত মহাপুৰুষ মাধৱদেৱৰ আজ্ঞানুসাৰে ৰাম চৰণ ঠাকুৰ আতাই বিভিন্ন ঠাইত থকা পদ-ঘোষাৰ অধ্যায় সমূহ গোটাই চতুৰ্বিংশতি অৱতাৰ, নাম-অপৰাধ, বেদ স্তুতি আদি খণ্ডত ভাগ কৰি যুগুতাই থুলি লোৱা যায়। গুৰুজনাৰ বিৰচিত কীৰ্ত্তন ঘোষা পুথি ভাগকো খণ্ড হিচাপে সম্পূৰ্ণ খণ্ড ক্ৰমত সজাই থোৱা হোৱা নাছিল। সেয়ে সাঁচিপতীয়া পুথিভাগ পাঠক সমাজত হোৱা অসুবিধা দূৰ কৰাৰ বাবে ১। দশাৱতাৰ ২। নাম উদিত ৩। ভাগৱত বৰ্ণন ৪। যুগধৰ্ম্ম নিৰ্ণয় ৫। জ্ঞান যুগুতি ৬। জন্ম ৰহস্য ৭। শিশুলীলা ৮। ৰাস বৰ্ণন ৯। পাৰত মৰ্দন ১০। বিপ্ৰ সংবাদ ১১। বৈকুণ্ঠ প্ৰয়াণ ১২। গ্ৰাম বৰ্ণনা ১৩। নাম পাতক ১৪। নাম মহত্ ১৫। কলযুগা এই ১৫ টি খণ্ডত ভাগ কৰা হৈছে। এনে কৰাত সাঁচিপতীয়া আৰু ছপাপুথি একেলগে মেলিলে ক্ৰম মিলিলিৰ আৰু ঘোষাপদৰ নম্বৰ অমিল হ'ব। তাৰবাবে গুৰু জনাৰ চৰণত শত প্ৰতিপাত জনোৱাৰ লগতে মোৰ ধৰ্মৰ সমূহ ভক্ত বৈষ্ণৱ আৰু সুহৃদয় পাঠক সমাজকো ক্ষমা বিচৰা হ'ল।

লিপিৰ ক্ষেত্ৰত পুথিখনত বৈষ্ণৱ যুগৰ বৰ্ণৰ প্ৰায় মিল আছে কৃ, স, য আদি। ভাষা ব্ৰজাৱলী। অধ্যায় সমূহ পদ, দুলড়ি আৰু ছবি ছন্দত লিখা মূল পুথিৰ দৰেই ৰখা হৈছে। মাত্ৰ বৰ্ণাশুদ্ধি আধুনিক অসমীয়া ভাষাত কৰা হৈছে। যিহেতু গুৰুজনা আৰু ভক্ত সাধু, লিখকসকলে শ, ষ, স আৰু ন, ণ য, জ এই বৰ্ণ কেইটি মাত্ৰ স, জ, ন হে লিপিবদ্ধ কৰিছিল।

দুই চাৰিটা শব্দ আধুনিক লিখিত ভাষাত লিখা হৈছে, যেনে মূল সদৃশ বা সদৃশ , বড়াপৰ আদি শব্দ বৰ্তমান ছপাত সংশোধন, কল্যাণ কৰা হৈছে। কিন্তু মূল শব্দ অৰ্থ বিকৃতি হোৱাকৈ সলনি কৰা হোৱা নাই। তেনে কৰোঁতে যি ত্ৰুটী হৈছে তাৰবাবেও গুৰুজনাৰ চৰণত প্ৰতিপাত জনাই ক্ষমা বিচৰা হৈছে লগতে পাঠক সমাজলৈ বিচাৰ আৰু পৰামৰ্শৰ বাবে থাকিল।

এইখিনিতে আৰু এটা কথা উনুকিয়াই থোৱা হ'ল যে গুৰু জনাই সকলো অধ্যায়তে মোৰ বুলি ভণিতাত উল্লেখ নকৰিলেও, গুৰুহীন, হীনমতি আৰু জীৱন্মূত আদি শব্দৰ ব্যৱহাৰ কৰা দেখা পোৱা হৈছে।

আমি আগতেই উল্লেখ কৰা হৈছে যে সাঁচিপতীয়া পুথিৰ পাণ্ডুলিপি প্ৰস্তুত কৰি সম্পাদনা কৰা কাৰ্য অতি জটিল। এইখিনিতে পাঠক সমাজক পুনৰ জনাও যে এই

সকলোবোৰ কৰ্মৰ সিংহ ভাগ মাননীয় শ্ৰীযুত অৰুণ বৰা দেৱৰহে। আমি নিমিত্ৰহে মাত্ৰ। পুথি প্ৰকাশৰ ক্ষেত্ৰত তেখেতৰ আশাশুধীয়া শাৰীৰিক, মানসিক আৰু আৰ্থিক শ্ৰমৰ কথা তামোল নোখোৱা ধৰ্মৰ বুৰঞ্জীত অনন্ত কাললৈ জিলিকি থাকিব।

পুথিখনি প্ৰকাশৰ ক্ষেত্ৰত, তামোল নোখোৱা বোধ ধৰ্মৰসমূহ ভক্ত বৈষ্ণৱ তথা উত্তৰ লক্ষীমপুৰৰ হাৰমতিৰ মেৰবিল আৰু আমগুৰি গাৱৰ মাজুলীৰ ১ নং কঢ়ালগাঁও আৰু মলংগাঁৱৰ, যোৰহাট বৰুৱাবাৰীৰ দগাঁও আৰু ছকি মৰা গাৱৰ ৰাইজৰ উচ্চাহ উদ্দিপনাৰ বাবে সকলোলৈকে ধন্যবাদ জনোৱাৰ লগতে পুথি প্ৰকাশত পলম হোৱা বাবে ক্ষমা বিচৰা হ'ল। অজানিত ভাবে অসমৰ বিভিন্ন প্ৰান্তত থকা এই ধৰ্মৰ ভকতসকল আৰু একশৰণ নাম ধৰ্মত দিক্ষীত অসমৰ সকলো ভক্ত বৈষ্ণৱে কীৰ্তন পুথি খনি শ্ৰদ্ধা আৰু মৰম কৰি মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰ দেৱক বিশ্বৰ মানৱে পৰম ঈশ্বৰ ৰূপে প্ৰতিস্থা কৰিবলৈ আহ্বান জনোৱা হ'ল। অতি কম সময়ৰ ভিতৰতে, বহু কষ্টৰে গুৱাহাটীৰ ৰিহাবাৰী বিললপাৰৰ শঙ্কৰদেৱ কম্পিউটাৰ আৰু অফচেট প্ৰিন্টাৰ্সৰ স্বত্বাধিকাৰ শ্ৰীযুত প্ৰসেনজীৎ কৰ (বাপী) দেৱে পুথিখনি ছপাৰ গধুৰ দায়িত্ব লৈ পুথিখনি ৰাইজৰ মাজলৈ উলিওৱাত সহায় কৰাৰ বাবে সমিতিৰ তৰফৰপৰা তেখেতক কৃতজ্ঞতা জনোৱা হ'ল।

আইতাৰ কোলাত শুই সাধু শুনা দিনৰেপৰা তামোল নোখোৱা সম্প্ৰদায়ৰ বহু কথা আইতৰ মুখত সাধু ৰূপে শুনি ডাঙৰ হলে এই ধৰ্মৰ বাবে বহু কিবা কিবি কৰিম বুলি কৰি থকা মানসৰ প্ৰথম পদক্ষেপতে, আমাৰ হৃদয়ৰ পুথি প্ৰকাশত পলম হোৱা বেদনা প্ৰকাশেৰে, সদৌ পাঠক সমাজলৈ সশ্ৰদ্ধ প্ৰতিপাত জনাই ভুল ত্ৰুটিৰ উত্তৰোত্তৰ শুধৰণীৰ আশীষ বিচাৰি সম্পাদকীয় স্বত্ত সামৰা হ'ল।"

	যোধ গুৰু কৃপাপ্ৰাৰ্থী
	বোধগ্ৰন্থ প্ৰকাশন সমিতিৰ হৈ
১ নং কঢ়ালগাঁও	শ্ৰীযোগধৰ শইকীয়া
ডাক : মাজুলী বনগাঁও	সম্পাদক, ০৪/০১/২০০০
জিলা : যোৰহাট, অসম।	বোধগ্ৰন্থ প্ৰকাশন সমিতি, অসম

উছৰ্গা

লভিবা জ্ঞানক যেবে তৰিবা সংসাৰ তেবে

শঙ্কৰত নিস্তে হৌক মতি।

তপ জপ যজ্ঞ দান কষ্ট ব্ৰত তীৰ্থ স্নান

নামে পাই শঙ্কৰ বদতি।।

এই মন্ত্ৰত দীক্ষিত কৰোৱাই যি জনাই এক শৰণ
নাম ধৰ্মৰ পথ প্ৰদৰ্শন কৰালে আৰু
শ্ৰীশ্ৰীবোধগুৰু জনাৰ পাদপদ্মৰ
ঘ্ৰাণ লৈ মুক্তি পথৰ সন্ধান
দি জীৱন সাৰ্থক কৰিলে
সেইজনা মোৰ চিৰনমস্য
দীক্ষাগুৰু তামোল নোখোৱা
বোধ ধৰ্মৰ ধৰ্মাচাৰ্য্য
শ্ৰীযুত ভকনাথ ভূঞাদেৱৰ
নামত সৰ্ব প্ৰথম ছপা কীৰ্ত্তন
যোৰা (বোধ গ্ৰন্থ) পুথিখনি
উছৰ্গা কৰিলো।

প্ৰকাশক
শ্ৰীঅৰুণ বৰা
১ নং কড়াল গাঁও, মাজুলী।

২২ পুহ ১৮১৮ শক
ইং: ৭, ১, ২০০০ চন।

প্ৰকাশকৰ কলম

শঙ্কৰ শঙ্কৰ হে গতি গুণ নাম।
নভৈল ভকতি মোৰ কৈলো কোন কাম।।
ভকতি কৰিব নাজানো। ভক্তিৰ ৰসাস্বাদন কৰোঁ। কিন্তু কৰাব নেজানো।
"পতিত জনৰ গুৰু তুমি নাৰায়ণ।
পতিতক নতাৰিলে নাম কি কাৰণ।।
মোৰে প্ৰভু ৰামমহি গোবিন্দ ঈশ্বৰ।
ৰাম কৃষ্ণ নামে দাস ভৈলো চৰণৰ।।
ঘোষাৰে :

গুৰু জনাক শিৰে তুলি লৈ পৰম ঈশ্বৰক অষ্টাঙ্গে প্ৰণিপাত জনাইছোঁ।

তামোল নোখোৱা বোধ ধৰ্মৰ "সুপ্ত" হৈ থকা সাচিপতীয়া পুথিসমূহ উদ্‌ঘাটন, সংৰক্ষণ, প্ৰচাৰ আৰু প্ৰকাশৰ বাবে ল'ৰালি কালৰেপৰা মানস কৰিছিলোঁ যদিও কোনোবা দিনা যে ছপা পুথি প্ৰকাশৰ গধুৰ বোজা বহন কৰিবলৈ পৰম ঈশ্বৰে সুযোগ দিব সেই কথা দিঠকতহে নেলাগে সপোনতো ভাবি পোৱা নাছিলোঁ।

দৈৱৰ পাকত আহি আহি এই দায়িত্ব, এই অকিঞ্চনৰ গাত পৰিলহি। তামোল নোখোৱা ধৰ্মৰ ভক্ত বৈষ্ণৱৰ মৰমৰ দাবী মানি লৈ এই কৰ্মৰ বাবে আগবঢ়া হ'ল যদিও আমি অশ্ৰু টুকি দুটিমান কথা নক'লে দোষে চুব।

. ১৯৮৬ চনতে, মাজুলী কৃ্যালগাঁৱত অনুষ্ঠিত হোৱা সদৌ অসম শ্ৰীশ্ৰীবোধগুৰু নাম ধৰ্ম সন্মিলনীৰ যোগে উদ্‌যাপন কৰা ২৪৬ তম্ বোধগুৰু জন্ম জয়ন্তীৰ বাৰ্ষিক অধিবেশনৰ বিষয় বাছনি সভাই এই অভাগাক উক্ত সন্মিলনীৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি হিচাপে মনোনীত কৰিছিল। সেই সভাতে উক্ত ধৰ্মৰ ধৰ্মাচাৰ্য মাননীয় শ্ৰীযুত ভৱনাথ ভূঞাদেৱে কীৰ্তন ঘোষা পুথিখনিৰ প্ৰকাশকৰ দায়িত্ব ততেখনে লৈ ছপা কৰি উলিয়াবৰ বাবে সভাই আহ্বান জনাইছিল। বহুত দিন পাৰ হৈ গ'ল। পুথি প্ৰকাশৰ ক্ষেত্ৰত বহু কাহিনীও তাৰ মাজতে লুকাই থাকিল।

আমি সভাপতিৰ দায়িত্ব গ্ৰহণ কৰাৰে পৰা পুথিখনি ছপাশাললৈ অহালৈকে এই অভাজনৰ লগত হুঁৰ দৰে লাগি থকা সমিতিৰ সম্পাদক ভাগিন প্ৰতীম শ্ৰীযোগধৰ শইকীয়া (বুপৰ) লগত এই পুথি প্ৰকাশৰ আৰু সম্পাদনাৰ কাৰ্যত অসমৰ ইমূৰ সিমূৰ ঘূৰিলোঁ। শৰীৰৰ পৰা ধুকুৰী নহ'লেও লক্ষীমপুৰৰ পৰা ডিব্ৰুগড়লৈ। কিন্তু কামভাগি সম্পূৰ্ণ কৰাত পলম হৈ গৈয়ে থাকিল। গত ২৬/১২/৯৯ তাৰিখে এই সম্প্ৰদায়ৰ মাজুলীত অনুষ্ঠিত হোৱা

ৰাজহুৱা সভাই প্ৰকাশকৰ বোজাটি চুক্তিবদ্ধভাৱে আমাক দিয়াত আমি উত্তৰ লক্ষীমপুৰৰ হাৰমতি, আমগুৰি, যোৰহাটৰ বৰুবাৰী ৰাইজৰো এই বিষয়ত সিদ্ধান্ত বিচৰাত ৰাইজে কেন্দ্ৰীয় সমিতিয়ে লোৱা সিদ্ধান্ত সমূহত অনুমোদন জনোৱাত, ধৰ্মচাৰ্য শ্ৰীযুত ভৱনাথ ভূঞাদেৱৰ লগত আলোচনা সাপেক্ষে প্ৰকাশকৰ দায়িত্ব চূড়ান্তভাৱে গ্ৰহণ কৰি পুথি ভাগি ৰাইজৰ আগলৈ উলিওৱা হ'ল।

পুথিখনিৰ প্ৰথম প্ৰকাশৰ শুভ মুহূৰ্ত্তত এই সম্প্ৰদায়ৰ প্ৰয়াত ধৰ্মাচাৰ্য আৰু সাধুভক্তসকলৰ বৈকুণ্ঠত নিবাসৰ বাবে ঈশ্বৰ শঙ্কৰৰ চৰণত প্ৰাৰ্থনা জনাইছোঁ।

ছপাশালৰ বাবে পাণ্ডুলিপি প্ৰস্তুতিৰ কামত আশাসুধীয়া শ্ৰম আগবঢ়োৱা শ্ৰীযোগধৰ শইকীয়া আৰু শ্ৰীচন্দ্ৰ কান্ত ভূঞাক ধন্যবাদ নজনাবৈ লাগিব। তেওঁলোকৰ কৰ্ম প্ৰেৰণাইহে এই অকিঞ্চনক পুথিখনি প্ৰকাশ কৰাত অবিহণা যোগালে। মোৰ অতি শ্ৰদ্ধাৰ বন্ধুবৰ শ্ৰীযুত নৱনাথ ভূঞাদেৱৰ মৰমৰ গালি শপনিবোৰো এইখিনিতে সুঁৱাৰিছোঁ। সম্পাদনাৰ দায়িত্বও বহন কৰিব লগা হোৱাত পুথি প্ৰকাশত পলম হোৱাৰ বাবে সমূহ ভক্ত বৈষ্ণৱৰ ক্ষমা বিচাৰিছোঁ।

গুৱাহাটী বিহাবাৰীৰ শঙ্কৰদেৱ কম্পিউটাৰ আৰু অফচেট প্ৰিণ্টাৰ্চৰ লগত প্ৰথম চিনাকি কৰি পুথিখনি প্ৰকাশত সহায় আগবঢ়োৱাৰ বাবে অসম প্ৰত্নতাত্বিক সঞ্চালকালয়ৰ উদ্‌ঘাটন বিষয়া ড° হেমেন্দ্ৰ নাথ দত্ত দেৱক গভীৰ কৃতজ্ঞতা জনালোঁ। যিহেতু তেখেতক লগ নোপোৱা হ'লে সিমান সোনকালে পুথিখনি ছপাশালে দিব নোৱাৰিলোহেঁতেন। লগতে প্ৰিণ্টাৰ্চৰ স্বত্বাধিকাৰ শ্ৰীযুত প্ৰসেনজিৎ কৰদেৱ আৰু প্ৰিণ্টাৰ্চৰ কাৰ্যকৰ্তা জয়ন্ত, দিগন্তলৈও ধন্যবাদ জ্ঞাপন কৰিলোঁ।

পুথিখনি প্ৰকাশৰ প্ৰথম সংস্কৰণত ভুল ত্ৰুটি হোৱাতো তেনেই স্বাভাৱিক। তাৰ বাবে সহৃদয় পাঠকসকলৰ পৰা গঠনমূলক পৰামৰ্শ বিচাৰি প্ৰকাশকৰ ক'বলগীয়া সামৰিছোঁ।

প্ৰকাশক
শ্ৰীঅৰুণ বৰা।
১নং কঢ়ালগাঁও, মাজুলী

সূচীপত্ৰ

		ঘোষা নম্বৰ	পদৰ নম্বৰ	পৃষ্ঠা নম্বৰ
১।	দশাৱতাৰ	১, ২	১-২৩	১-৪
২।	নাম উদিত	৩-২১	২৪-২৬৭	৫-৪৩
৩।	ভাগৱত বৰ্ণন	২২-২৫	২৬৮-৩১৯	৪৪-৫১
৪।	যুগ ধৰ্ম নিৰ্ণয়	২৬-৩২	৩২০-৪১৬	৫২-৬৭
৫।	জ্ঞান যুগুতি	৩৩-৫৪	৪১৭-৬৬৮	৬৮-১১১
৬।	জন্ম ৰহস্য	৫৫-৫৭	৬৬৯-৭০৭	১১২-১১৮
৭।	শিশু লীলা	৫৮-৬৫	৭০৮-৮০৯	১১৯-১৩৯
৮।	ষাণ্ড মৰ্দন	৬৬,৬৭	৮১০-৮২৯	১৪০-১৪৫
৯।	পাষণ্ড মৰ্দন	৬৮-৮৪	৮৩০-১০৪৫	১৪৬-১৮৪
১০।	বিপ্ৰ সম্বাদ	৮৫-৮৮	১০৪৬-১০৮৭	১৮৫-১৯৩
১১।	বৈকুণ্ঠ প্ৰয়াণ	৮৯-৯৩	১০৮৮-১১৪৯	১৯৪-২০৭
১২।	ধ্যান বৰ্ণন	৯৪-১১২	১১৫০-১৩৫২	২০৮-২৪৬
১৩।	নাম পাতক	১১৩-১১২	১৩৫৩-১৪৭৩	২৪৭-২৬৬
১৪।	নাম মহৎ	১২৩-১৬১	১৪৭৪-১৯২৮	২৬৭-৩৪৪
১৫।	ৰস মালা	১৬২-১৭১	১৯২৯-২০৪৭	৩৪৫-৩৬৪

শ্রীশঙ্কর বোধগুরু হরি রাম রাম।

শ্লোক : নমঃ আদিত্যাদি যো ব্রহ্মং অগ্রাচ ভবিষ্যতি দায়াত্তে
সম্পূর্ণী নন্দ কৃপা দৃষ্টে নিবেদয়াৎ।।
কলৌ যুগাঙ্ক বেদমধ্যে কল্পাংসে তত্ত্বাববদা।
দিবাবং সূর্য্যস্যঃ বংশী শি শি প্রশিখিতা।।
মণু শ্রাদ্ধ দিনে নং ব্রহ্মাপুত্রে ভত্তে তথি।
জন কুসুম মাতাশ্চ সত্যসন্ধাঃ জথবে জন্মিতং।।
প্রেমানন্দে সঙ্কবাত শ্রীশঙ্কর নাম ভূমিখ্যাতঃ।
শ্রীশঙ্করঃ ইতি লোক পূর্ণীতাঃ।।

স্তোত্র

প্রথমে মৎস্য রূপেনঃ প্রতিভা জল সাগরে।
দেবস্য বেদ মাতাস্য যেন ত্বং দেবং প্রণম্যামহং।।
দ্বিতীয়ে কূর্ম্ম রূপেনং মন্দার গিরি ধারতে।
সুরাসুর অমৃত মথিতং যেন ত্বং দেবং প্রণম্যামহং।।
তৃতীয়ে শুক্র রূপং বারাহস্য পৃথিবী উদ্ধৃতং
যেন ত্বং দেবং প্রণম্যামহং।।
চতুর্থে নরসিংহ রূপেনং হিরণাক্ষ হতঃ
যেন ত্বং দেবং প্রণম্যামহং।
পঞ্চমে বামণ রূপং বলি পাতালিকং
যেন ত্বং দেবং প্রণম্যামহং
ষষ্ঠে যামদগ্নী সুতং রুদ্রা মহাবলশালী।
সহস্র অর্জুন কর হতং
যেন ত্বং দেবং প্রণম্যামহং
সপ্তমে দাশরথি সুতং ধনু ধরস্য বধিষ্যামি
যেন ত্বং দেবং প্রণম্যামহং
অষ্টমে দৈবকী সুতং মথুরাঃ কংস হতঃ।
যেন ত্বং দেবং প্রণম্যামহং।।
নবমে বোধ রূপেনং জ্ঞানী কর্মী যোগাদিদেব হিতেন্যাং।
যেন ত্বং দেবং প্রণম্যামহং
দশমে কলৌ কল্কি ভবিষ্যত ম্লেচ্ছানাম মৃত্যাৎ।
যেন ত্বং দেবং প্রণম্যামহং।

দশাৱতাৰ

ঘোষা ঃ জয় হৰি গোবিন্দ ৰাম ৰাম গোবিন্দ
হৰি গোবিন্দ, ৰাম ৰাম গোবিন্দ হৰি ।।১

পদ ঃ প্ৰথমে প্ৰণামো ব্ৰহ্ম নাৰায়ণ হিয়া।
মৎস্য ৰূপে অৱতাৰ বেদ উধাৰিয়া ।।
• অজীণ উতৰী পীত বস্ত্ৰ দিব্য কায়া।
দেখি সত্যব্ৰতৰায় এৰাইলন্ত মায়া ।। ১
• কস্যাপ স্বৰূপ ধৰি মথিলা সাগৰ।
ভকত দেৱৰ গুণে দায়া দামোদৰ ।।
যজ্ঞোৰ ঈশ্বৰ ভোক্তা ৰাৰাহ মুৰাৰী।
লীলাবে আনিলা দান্তে ভূমিক উদ্ধাৰি ।। ২
তোমাক কৰিয়া যুদ্ধ দৈত্য গলা মৰি।
বধিলা হিৰণ্য মালা ৰাঙ্কে দান্তে ছিৰি ।।
চৰণ সেৱাৰ বৈৰী দানৱ দস্তুৰ।
আদি দৈত্য হিৰণ্যক কশিপু অসুৰ ।। ৩
সেৱক পালক নাথ সেৱাতে প্ৰসন্ন।
অকতা বদন মূৰ্ত্তি বিকতা দশন ।।
বিকৃত কৰিয়া কায়ি দানৱৰ চোপ।
ত্ৰিভঙ্গে শৰীৰে নৰসিংহ পক্ষী ৰূপ ।। ৪
নখে হৃদি বিদাৰিয়া কাঢ়ি লৈলা আন্ত।
প্ৰহ্লাদক আশ্বাসিয়া কোপ ভৈলা শান্ত ।।
ৰামন স্বৰূপে দেৱতাৰ প্ৰতিকাৰ।
দৈত্যক সুতলে অমৰাৱতী •আম্নায় ।। ৫

• অজীণ আনৰ লগত মিল নথকা। অতুলনীয়
• কস্যাপৰ - কাশ্যপৰূপে অমৃত মথনত মন্দৰগিৰি ধৰিছিল।
দশ অৱতাৰৰ ২য় অৱতাৰ। কূৰ্মৰূপে।
• আম্নায় অধিকাৰ। নিজৰ কৰা।

স্বৰ্গতি ৰহিলা সঙ্গে হুয়া উপেন্দ্রিয়।
দ্বাৰত ৰহিলা বলি ভকতৰ প্ৰিয়।।
ভৈলাহা পৰশু ৰাম নামে অৱতাৰ।
নিক্ষেত্ৰি কৰিয়া ক্ষেত্ৰ সংহাৰিলা ভাৰ।। ৬
শ্ৰীৰাম স্বৰূপে কৌশৈলাত গদাধৰ।
ভৈলা বনবাসী বাক্য পালিয়া বাপৰ।।৭
সাগৰে বান্ধিলা সেতু মৰ্য্যদাক ৰাখি।
বধিলা ৰাৱণ সীতা হৰণৰ সাখি।।
অগ্নিত পৰীক্ষা সীতা সম্বৰিলা ৰাম।
দশৰথ বাল্মীকিৰ বাক্য অনুপাম।। ৮
পাতালে গৈলন্ত সীতা মনৰ বিচাত।
ৰামে স্বৰ্গ নিলা সবে অয্যোধ্যাৰ পাত।।
হলিৰাম ৰূপে অৱতৰিয়া অনন্ত।
পৃথিবী মূষলে বাইলা বলে ভগৱন্ত।।
ত্ৰৈলোক অধিক পদ পঙ্কজৰ ধূলি।
সিদ্ধ মুনি শিৰে ধৰে শুদ্ধ হওঁ বুলি।। ৯
হৃদয়ৰ বন্ধু হেন বিক্ৰমত বাজ।
গুণ গণ যশ লাজে হানি কৰে কাজ।।
কৃষ্ণৰ দুৰ্ঘত কেলি শুনিও সমাজ।
গুৰু শিক্ষা জ্ঞান বোধে নামে সামৰাজ।। ১০

* * * *

ঘোষা : ৰাম হৰি নিৰঞ্জন নিৰঞ্জন নিৰাকাৰ।
তবে মহা বিশ্বদ্ৰোহী ভৈয়া নাম যাব।। ২

পদ : নাৰদ বদতি ব্যাস শুনা মন কৰি।
প্ৰথমে প্ৰণামো মৎস্যৰূপী দেৱহৰি।।
দ্বিতীয়ে প্ৰণামো কূৰ্ম চৰণে সম্প্ৰতি।
যেহি অৱতাৰে শ্ৰম সেহি যশে ৰতি।। ১১
তৃতীয়ে সেৱলি মহা বাৰাহ চৰণ।
পৃথিবী উদ্ধৃত হৰি দেৱত শৰণ।।

প্ৰণামোহো চতুৰ্থত নৰসিংহ হৰি।
শত তীক্ষ্ণ নখচয় কায় মেৰুগিৰি॥ ১২
ঘোৰ মূৰ্ত্তি স্বৰ্গে ভূমি জলতে প্ৰলয়।
হিৰণ্যাক্ষ বধ হেতু স্ফটিক তনয়॥
ভৈলা অৱতাৰ তাতে ভকত বৎসল।
নাহি থান স্থিতি যাৰ হৃদয়ে কমল॥ ১৩
পঞ্চমে বামন ৰূপে অদিতিৰ সুত।
বলিক নিকালি ইন্দ্ৰ কৰিলা মুকুত॥
হেনয় বটুৰ পাৱে কৰোহো বন্দন।
কহিলোহো ব্যাস মই স্মৰণ বচন॥ ১৪
ষষ্ঠে জামদগ্নি সুত মহাবলশালী॥
সহস্ৰ অৰ্জুন কৰ আঙ্গ কতালি॥
*নিগুটি কৰিয়া ক্ষেত্ৰ ঈশ্বৰ ইচ্ছাই।
কৰো নমস্কাৰ হেন পৰশুৰাম পাই॥১৫
সপ্তমত দশৰথী সুত ধনুৰ্ধৰ।
সীতাৰ নিমিত্তে বধ ৰাক্ষস বৰ্বৰ॥
পিতৃৰ বচন পালি ৰাজ্যৰ নৈৰাশ।
সত্যবাদী সনাতন ধৰি বনবাস॥ ১৬
হেন ৰাম পাৱে সদা শৰণ সতত।
অষ্টমে দৈৱকী সুত কিৰিলা লোকত॥
ভাৰ হৰি মহত্বৰ জগত ঈশ্বৰ।
যদুকুলে হৰুৰূপে মোহি দামোদৰ॥ ১৭
নৱমত বোধৰূপে শুক নাৰায়ণ।
শ্ৰৱণ কীৰ্ত্তন ধৰ্ম ভূমিত থাপন॥
জ্ঞানী কৰ্মী যোগিন্দিকো ব্যৱহিতা কৰি।
সুৰাসুৰ মুনি যাক সেৱে নাম স্মৰি॥ ১৮
হেন মহা হৰি পাৱে শৰণ সম্প্ৰতি।
হৰি নাম বিনে আন নজানো ভকতি॥
একান্ত শৰণ নাম কীৰ্ত্তনেসে তৰি।
দশমত কল্কি বিষ্ণু কৃষ্ণ মহাহৰি॥ ১৯

---

* নিগুটি কৰিয়া ক্ষেত্ৰ - ক্ষেত্ৰীয় সকলক নিৰ্মূল কৰা।

মহা ম্লেচ্ছগণ য'ত মূৰ্ছালিবা বলে।
শুদ্ধ সত্য প্ৰজামানে ৰাখিবা সকলে।।
ভকত জনক হৰি আশ্বাসিবা ধৰি।
কৰিবা সংহাৰ ম্লেচ্ছ ঘোটকত চৰি।। ২০
*তীখাল খান্দাৰ ঘাৰে পাষণ্ড নিশঙ্ক।
ঝিটো ঝিটো কৰে পাপী লোকক কুশঙ্ক।।
বেদ বিধি নীতি শাস্ত্ৰ জাতি সদাচাৰ।
থাপিবাহা পূন্য পথ পুনো সাবোধাৰ।। ২১
বিকুৰ নিৰ্ণয় শ্ৰোত ভৈল সমাপতি।
পদ বন্ধে নিগদতি শূদ্ৰহীন মতি।।
শুন বৃদ্ধ জন যত এৰা আন কাম।
গুৰু শিক্ষা দৃঢ় কৰা পৰলোক নাম।। ২২
শুনিছায়া খিৰমতি বৃথে যাই দিন।
বিনাগুৰু শিক্ষা নেযাই যমযাই ৰণ।।
শঙ্কৰ চৰণে মন নামক উচ্চৰি।
তৰিবা সংসাৰ জানি বোলা হৰি হৰি।। ২৩

* * * *

---

* তীখাল খান্দাৰ - তীক্ষ্ণ বা চোকা অস্ত্ৰ।

নাম উদিত

ঘোষা : গোপাল গোবিন্দ মধু জনক মুৰাৰী।
সংসাৰে সাগৰে নিও সেৱক উদ্ধাৰি ।। ৩

পদ : নিগদতি সাধু পুত্র শুনা সাৱধান।
ভকতি নভৈলে নাহি কাহাৰো কল্যাণ।।
গুৰু অবিহনে নৰে সংসাৰ নেৰাই।
ভজিও কৃষ্ণৰ পাৱে নামে অভিপ্ৰাই।। ২৪
শ্ৰৱণ কীৰ্তন ধৰ্ম আপোন ভকতি।
ঘোষিও হৰিৰ নাম নামে নিজ গতি ।।
মহাপুৰুষত পৰে নাহিকে অপৰ।
যতেক আচয় গুণ নাম গৃহস্থৰ।। ২৫
সংসাৰে শঙ্কৰ গুৰু ৰাম নাৰায়ণ।
নামেসে ভকতি গতি ভকতৰ ধন।।
সত্যত প্ৰাৰ্থিল জীৱে পুনু পৰ্বপাণি ।
আমাৰ জনম হৈৱে কলিত কৈশোনি।। ২৬
শুণ জল কষ্ট দুখে নাহিকে শকতি।
ঘোষিবো হৰিৰ নাম দিও জগপতি।।
কলিত হৈবোহো আমি নিশ্চয়ে ভকত।
এতেকে বোলন্ত কৃষ্ণ ভৈলা অনুগত।। ২৭
জীৱৰ নায়ক গিৰি মুকুতি দায়ক।
গুৰু অৱতৰি নামে দিলা জগতক।।
কিনো ভাগ্য কিনো ভাগ্য মিলিল লোকৰ ।
নিজ গুৰু স্বামী নাম ভৈলা শঙ্কৰ।। ২৮
গোবিন্দৰ ৰাস জনি মাধৱৰ লীলা।
শঙ্কৰে সংসাৰ বধি নায়ক কৰিলা।।
ধৰি হৰি নৰকাই ৰাম মনুৰাই।
হেনয় শঙ্কৰ বিনে মুক্ত কাৰো নাই।। ২৯

শ্রৱণ কীর্তনে কৰ সাধু সঙ্গে ৰতি।
হৰিৰ চৰণে হৰি নামেসে ভকতি।।
হৰি নাম হৃদি কৰ্ণ নেৰিবা চৰণ।
ভকত জনৰ হৰি ভকতেসে ধন।। ৩০
সাধু সেৱা মুখ্য যাৰ ভক্তিৰ উপাই।
অচিন্ত্য মহত মহা পুৰুষ লীলাই।।
কৃষ্ণৰ বিজয় মায়া জানিয়া শঙ্কৰ।
মহা হৰি মহেশ্বৰ আত্মা জগতৰ।। ৩১
শঙ্কৰেসে গুৰু নিষ্টে শঙ্কৰৰ নাম।।
শঙ্কৰেসে ধন মহা ধান্ধা আন কাম ।।
ঈশ্বৰ চৰণ দুই ধৰি হৃদয়ত ।
সুহৃদ বিশ্বাস কৰা হৰিৰ নামত।। ৩২
মায়াৰ ৰচনা আশা বিনাশিত দায়া।
দেহ ধন জন বন্ধু পুত্ৰ প্ৰাণ জায়া।।
বিষয় বাসনা ধান্ধা অবিনাশ কৰি।
ঘোষিও শঙ্কৰ কৃষ্ণ বোলা হৰি হৰি।। ৩৩

* * * *

ঘোষা : গতি মোৰ গতি মোৰ গতি মোৰ ৰাম হৰি ৰাম ।
সনক সনন্দে জপে যাৰ গুণ নাম।। ৪

পদ : শুনিলা নির্ণয় কেন যুগুতি বিচাৰ।
বিচাৰ কৰিলে হৰি সুহৃদ সবাৰ।।
নিৰঞ্জন নিৰাকাৰ অনাদি অনন্ত।
নিজ ভৃত্য কৰি সুহৃদ্ৰ ভগৱন্ত।। ৩৪
মুখে নাম হৃদি কৰ্ণ জানীৰ মুকুতি।
আনমতে নাহি আৰ বিচাৰ যুগুতি।।
শাস্ত্ৰৰ বিচাৰ কেন বেদান্তৰ বাণী।
প্ৰত্যেকে মনুক পালে সাৰ্থক যে প্ৰাণী।। ৩৫

অৱতাৰ গুণ নাম যশে ভৰে কৃত।
তৰয় মহন্তে যাক জানি মহা বিত।।
ব্যাসত কহিলা ঋষি কহিলো তোমাত।
জ্ঞানী কৰ্মী যোগী নেবাই অন্তেকৰ হাত।। ৩৬
কলিত কীৰ্তনে ধৰ্ম নামে মহা পুণ্য।
কালে সংহাৰিলে ধৰ্ম আন কৰি শূন্য।।
অনন্ত শয্যাত কৃষ্ণ দেৱে সুতি আছে।
দিব্য বাঠি হাজাৰ যে বহি গৈলা পাছে।। ৩৭
আগম পাতকে তুতি আৰম্ভিলা হৰে।
সত্যৰ সাতাৰ লাখে সাধিলা শঙ্কৰে।।
নামত শৰণ লৈবে সবে ধৰ্ম বৈলা।
নাম লৈয়া গৈলে যত সবে তাৰ তৈলা।। ৩৮
সবে দেব দেৱনাম দেৱৰ ঈশ্বৰ।
নামৰ কিঙ্কৰ সব নাম মুখ্য কৰ।।
মিছা গৰ্ব অহঙ্কাৰ দম্ভে কৰে নাশ।
লৈও হৰি নাম হৰি পদে হয়া দাস।। ৩৯
বুজিয়া আপোন মনে পণ্ডিতে বিচাৰি।
আগম সংহিতা তোমে বিষ্ণু ধৰ্ম সৰি।।
গুৰুৰ শিক্ষাবে বোধ নামে নিজ ধন।
হেনয় চৰণে মন নামেসে শৰণ।। ৪০
দানব দলন কৃষ্ণ গোবৰ্দ্ধনধাৰী।
ভৈলা শুকদেৱ নাম ধৰ্ম অধিকাৰী।।
শুনা সভাসদজন কৰি এক মন।
শ্ৰৱণ কীৰ্তন ধৰা মুখ্যৰ সাধন ।। ৪১
কৃষ্ণৰ কীৰ্তন সাৰ মহিমা চৰিত্ৰ।
পাপীকো কৰয় ইসি পৰম পৱিত্ৰ।।
শুনিও মহিমা কৃত নীতি কৰ্ম ভৰি।
পাপ বিপক্ষক জিনি বোলা হৰি হৰি।। ৪২

* * * *

ঘোষা : গোপাল গোপাল হৰি গোপাল গোপাল।
পালিও গোবিন্দ ৰাম কৰি পাল পাল।। ৫

পদ : আগম পাষণ্ডে যেৱে বেদে কৈলা লোপ।
হেন দেখি নাৰায়ণে মনে কৈলা কোপ।।
ঈশ্বৰৰ ইচ্ছামন হৰষ কৰুণা।
ভকতি ভণ্ডাৰ চুৰি যাৰ কৰি * ঊনা।। ৪৩
গোবিন্দ বদতি শুনা * ব্ৰহ্ নাথ তুমি।
বাৰাহ স্বৰূপ ধৰি উদ্ধাৰিলা ভূমি।।
নভৈল বিলম্ব কিছু বধ হিৰণ্যাৰ।
ব্ৰহ্মায়ে পাতিলা সৃষ্টিবেদ দৃঢ়তৰ।। ৪৪
বিচাৰিয়া তিনি বাৰ বিধাতা প্ৰমাণি।
বেদৰ কহিলা সাখা নাৰায়ণ বাণী।।
নমানিলা দুষ্ট দৈত্য বেদ দুৰাচাৰ।
লোপ কৰি চাৰি বেদ কৰিলন্ত আঁৰ।। ৪৫
বেদৰ বিহিত ধৰ্ম কৰ্ম এৰি নাশ।
মোৰ নাম এৰি মোত নাহিকে বিশ্বাস।।
মধু কিট নামে দুষ্ট দানৱ অসুৰি।
চুৰি কৰি থৈলা বেদ পাতালৰ পুৰি।। ৪৬
একাকাৰ হয়া পাপী ৰব কৰে বদ।
হেন দেখি মনে মোৰ * সম্পজিল খদ।।
হয়গ্ৰীৱ ৰূপ ধৰি মধুৰ দোহাৰ।
পাতালৰ হন্তে বেদ কৰিলো উদ্ধাৰ।। ৪৭
বিশ্বদ্ৰোহ অমোচন মোৰ দোষ নাহি।
কেশৱে বুজিলা হেন মহেশক চাহি।।
শুনি পাৰ্বতীৰ পতি কৃষ্ণৰ পাৱত।
কৰিলা অনেক স্তুতি পৰি দণ্ডৱত।। ৪৮
ত্ৰিদশ সহিতে জানু পাতি ত্ৰিপুৰাৰী।
স্তুতিতে প্ৰসন্ন মহা পুৰুষ মুৰাৰী।।

---

* *ঊনা - বেলি দিয়া বা উলিয়াই দিয়া।*
* *ব্ৰহ্ নাথ - শিৱৰ আন এটা নাম।*
* *সম্পজিল - উদয় হোৱা, বা উঠা।*

মাধৱে বোলন্ত যাইবো তযু নাম ধৰি।
তাৰিবো পাপত হন্তে নাম দান কৰি।। ৪৯
গুণ গণ যশ হইবে সাধুৰ মধুৰ।
মোৰ নাম শুনি হৈব পাতকী দন্দুৰ।।
জগতৰ যত জীৱ কৰিলা অনাৰি।
তোমাৰ নামত নামে আনিবো উদ্ধাৰি।। ৫০
পুৰাণ পুৰুষ মই জগতৰ জীৱ।
অনাদি অনন্ত ব্ৰহ্ম সনাতন শিৱ।।
মোহোৰেসে য'ত নাম মই হৰি হৰ।
শিৱত বদতি মহা পুৰুষ ঈশ্বৰ।। ৫১
কহিলা জগত গুৰু দেৱ নাৰায়ণ।
পৃথিৱী লাগিয়া পাছে কৰিলা গমন।।
হৰৰ নামতে নামে ভৈলা অৱতাৰ।
আগম পাষণ্ড পাপ কৰিলা সংহাৰ।। ৫২
শ্ৰৱণ কীৰ্ত্তনে নামে নিৰিহিলা বিধি।
দেষ্য কাল পাত্ৰ নাম স্মৰণেসে সিদ্ধি।।
যাৰ ৰাম নামে হৰি নামে অনুপাম।
সংসাৰত সত্য সাৰ শঙ্কৰৰ নাম।। ৫৩
য'ত মায়া গৃহস্থৰ নাহি পৰিচ্ছেদ।
নাৰায়ণ নামে নৱ নিধি মহাবেদ।।
ৰাম কৃষ্ণ শঙ্কৰক ধৰি হৃদয়ত।
বোলা হৰি হৰি পাপে তৰি সংসাৰত।। ৫৪

* * * *

ঘোষা : ভাৱিও এ ভাৱক সকল।
মুখে নাম হৃদি ৰূপ চৰণে কমল।। ৬

পদ : নমো নাৰায়ণ নিত্য নিৰঞ্জন হৰি।
নমো ভগৱন্ত গুৰু গুণ নাম স্মৰি।।
জগত যতেক য'ত ঈশ ৰূপে সাৰ।
য'তেক আছয় নাম সিবি অধিকাৰ।। ৫৫

একত লৰালে যাব লবে নিৰন্তৰ।
যেন গিৰি শূন্য ভৈলে ভাগি পৰে ঘৰ।।
শুক অৱতাৰে মূল হৰিৰ বিহাৰ।
মূৰল চাৰিয়া যেন কোদালৰ ভাৰ।। ৫৬
বতৰ কৃষিৰি নৱ ভকতি উত্তম।
ধৰণী মণ্ডলে নাম নাহি সমাগম।।
নিগম কলপ তৰু ফল সুমধুৰ।
স্বাদত প্ৰচুৰ হুয়া ৰসে ভৰপূৰ।। ৫৭
নাহি একো কালে দৃশ্য নাহি মিত্ৰ চাল।
ব্ৰহ্মাত কহিলা হৰি আপুনি গোপাল।।
নাৰায়ণ মুখে বিধি লভিলা আনন্দ।
হৰিক ভজনে বস্তু ভকতি সম্পদ।। ৫৮
*মৌলিয়ে কহিলা কৰি মানসাত দায়া।
জানিলা নাৰদে যেন সংসাৰৰ মায়া।।
জ্ঞান বিজ্ঞানৰ সীমা বুজি মহা মতি।
তদন্ত ৰহস্য পায়া সংসেৰ ভকতি।। ৫৯
নামৰ কীৰ্ত্তনে যন্ত্ৰে হাতে বীণা বহি।
অৱাধি সকলি ফুৰে বৈৰাগ্য গোসাঁই।।
ব্যাস ঋষি লাগ পায়া কৰিলা সন্মান।
নাৰদে কহিলা আত্মা তত্ত্ব বোধ জ্ঞান।। ৬০
কহিলন্ত ব্যাস ঋষি শুকক পঢ়াই।
ভকতি নভৈলে আয়ু ব্যথে দিন যায়।।
শুকে ভনিলন্ত পাছে বাক্যাত প্ৰবন্ধে।
ব্ৰাহ্ম শ্লোক মূল কৰি কৈলা বাৰস্কন্ধ।। ৬১
একচিত্তে শুনি সাধু অত্যেক অধম।
পৱিত্ৰকাৰীৰে হোৱে পৱিত্ৰ পৰম।।
ঋষিৰ সেৱালি সুত বিশিষ্ট বিশেষ।
ঋষিত্ৰে মানিলা শুক দৈয়া উপদেশ।। ৬২

* মৌলিয়ে - প্ৰথম, মুখ্যী, ইয়াত ব্ৰহ্মাক বুজাই।

ব্ৰহ্মাসন দিয়া গুৰু আচাৰ্য পাতিলা।
জানিলন্ত নাৰায়ণে জাতি বিসৰ্জিলা।।
সংসাৰে শঙ্কৰ হই পূৰ্ণ অৱতাৰ।
প্ৰকাশিলা বেদ-বিধি নামৰ প্ৰচাৰ।। ৬৩
জীৱৰ কুশল ভাগে ভক্তি দিলা দান।
ৰসত চতুৰ গণে ৰস কৰে পান।।
পিউ পিউ শ্ৰোত নদী কৰ্ণাঞ্জলি ভৰি।
গুৰু শিক্ষা জ্ঞান বোধ নাম সাৰ কৰি।। ৬৪
গুৰু গোবিন্দৰ যশ মহিমা কীৰ্ত্তন।
এহিসে কৰবে দৃঢ় চিত্তৰ শোধন।।
সন্তত শ্ৰবণে শঙ্কৰ গুৰু বুলি।
বোলা হৰি হৰি নামে ডবা বাহু তুলি।। ৬৫

* * * *

ঘোষা : শঙ্কৰ দেৱ কৰা কৃপা ভৃত্যক সম্প্ৰতি।
তুৱা পাৱে হৌক ৰতি মোৰ, নিমজোক মতি।। ৭

পদ : সাধু নিগদতি পুত্ৰ শুনা একমতি।
পূৰ্বে হেন দেশে আত নাছিলা ভকতি।।
পাঠা কাটি পিতৃ শ্ৰাদ্ধ ৰাজ্য ব্যভিচাৰ।
হৰি নাম ধৰ্ম নাহি স্নেহৰ আকাৰ।। ৬৬
হৰৰ কাৰুণ্য হৰি দৈৱকী তনয়।
ধৰিলা হৰৰ নাম জগত হৃদয়।।
ঈশ্বৰ ইচ্ছাৰে নাম কৰি সম্প্ৰদান।
ভকত সম্বল নাহি কেশৱ সমান।। ৬৭
সংসাৰ দুহিলা শাস্ত্ৰ মথিলা শঙ্কৰ।
কপট শৰীৰ ধৰি মহা মহেশ্বৰ।।
জগত জনক ভূত নাথ জগন্নাথ।
নামধৰ্ম প্ৰকাশিয়া অনাথৰ নাথ।। ৬৮

জগত জন প্ৰিয়তম নাৰায়ণ।
একে শঙ্কৰবেসে ঈস সংসাৰ পালন।।
হৰিত শঙ্কৰ যেন সোণা কুণ্ডলত।
তথাপি নজানে হৰে হৰিৰ মহত।। ৬৯
মহাপুৰুষৰ মায়া সীমা নাহি আৰ।।
প্ৰচাৰ কৰিলা সীমা নাম সাৰোধাৰ।।
আপুনি কীৰ্ত্তন কৰি নামে লাগি মন।
দেখায়া ভকতি ভাব কুসুম নন্দন।। ৭০
অচিন্ত্য ঈশ্বৰ মহা ব্যাপক ৰঞ্জন।
তাৰণ কাৰণ মহাপুৰুষ চৰণ।।
কোটি কোটি ব্ৰহ্মাণ্ডৰ হৰি অধিকাৰী।
অনন্ত অচ্যুত মহা মকুন্দ মুৰাৰী।। ৭১
অচিন্ত্য প্ৰভাৱ কৃষ্ণ যদু বধুৰ।
সংসাৰে শঙ্কৰ গুৰু ভৈলা জগতৰ।।
কিচাৰে ব্যাপক ব্ৰহ্ম হৃদয়ৰ মাজে।
কোনে দিব নাম দান শঙ্কৰত বাজে।। ৭২
কৃপা কৰা নাৰায়ণ ভকতৰ হেতু।
প্ৰমত্ত কেশৰী পক্ষা গৰুন্দৰ কেতু।।
বৃহকেতু হেঠ মাথ যাৰ চৰণৰ।
জগত নিলয় ব্ৰহ্ম মন অগোচৰ।। ৭৩
যাৰ যশে ধৰ্ম আন ধৰ্মক নিবাৰি।
নামক এৰিয়া কেহো নপাৰে কিচাৰি।।
তৰ্ক বেদ ৰামায়ণ পুৰাণ ভাৰত।
হৰিক কহয় মাত্ৰ গীতা ভাগবত।। ৭৪
জ্যোতিষ মীমাংসা ন্যায় যুগৰ নিৰ্ণয়।
দ্বাপৰ উকলি কলি যুগৰ উদয়।।
ধৰ্মৰ বিদিত নাম ভকতি প্ৰচাৰ।
শঙ্কৰ নামক ধৰি প্ৰাসিলা সংসাৰ।। ৭৫
মহত্তেসে অন্ত পাৰে দেৱৰো দুৰ্গম।
মুখে নাম হৃদি ৰূপ সমস্ততে সম।।
নজানি পাতকী বেদ শাস্ত্ৰ কৰে দৰ।
হেন পামৰৰো সঙ্গে নামেসে নিস্তাৰ।। ৭৬

একান্ত শৰণে হৰি নামৰ কীৰ্ত্তণ।
হৃদয়ে ধৰিয়া দুই অৰুণ চৰণ।।
দেহ গেহ ভাৰ্যা পুত্ৰ তেজি লাজ ভয়।
কৃষ্ণৰ দুৰ্জ্জয় মায়া নাহি পৰিচয়।। ৭৭
ইহ পৰলোকে মহা হৰিসে সুহৃদ।
বেকত কৰিও নাম বিচাৰিয়া বেদ।।
তন্ত্ৰ মন্ত্ৰ জাগ যোগ সিদ্ধি নাহি কাম।
ঘোষিও শঙ্কৰ নাম বোলা ৰাম ৰাম।। ৭৮

* * * *

ঘোষা : **হৰিও হৰি শঙ্কৰ দেৱ।**
কৃষ্ণ বিনে নাহি বান্ধৱ কেৱ।। ৮

পদ : নিগদতি সাধু কহিলো তত্ত্ব।
গুৰু ধৰ্ম নাম পুত্ৰৰ আগত।।
বাসুদেৱ বনমালী শ্ৰীৰাম।।
পৰম মঙ্গল হৰিৰ নাম। ৭৯
লীলায়ে গৃহস্থে বিদিত কৰি।
মহা গুৰু পূৰ্ণ শঙ্কৰ হৰি।।
নাম ধৰ্ম দিয়া কলি যুগত।
কপট শৰীৰে কৈলা বেকত।। ৮০
হৰি নাম দান দিয়া ভকতি।
ধৰ্ম পথ থাপি জগত পতি।।
জগত জীৱন জগত ত্ৰাণ।
মকুন্দ মাধৱ গোবিন্দ প্ৰাণ।। ৮১
ভূমিত বৈকুণ্ঠ দেখায়া আনি।
সংসাৰে শঙ্কৰ সাৰেঙ্গ পাণি।।
অগতিৰ গতি ৰাঘৱ ৰাম।
ভক্তি জল বৃষ্টি সিঞ্চিয়া নাম।। ৮২

শ্রবণে কীর্ত্তনে করি প্রতাপ।
খণ্ডিলা লোকর অশোচ পাপ।।
পূর্ব্বে দেবগণে কৈলা কপট।
ভাঙিয়া শঙ্করে পাতিলা হাট।। ৮৩
সংসার সাগরে সুহৃদ বন্ধু।
হরবণে মুহি বান্ধব বন্ধু।।
রাম কৃষ্ণ মন্ত্র শঙ্কর বাজে।
স্মরি যাক পাই হৃদয় মাজে।। ৮৪
নাহি নাম গতি পাপীর কোহ।
নিজ গুরু পিতৃ আচরি দ্রোহ।।
মরি গৈয়া দূত হেরে পিজন।
নেখিবাহা নাম হরি কীর্ত্তন।। ৮৫
শুনিতে নপারে ফিটো অধম।
তার সম নৈয়া তাহার সম।।
পিও জল গৈয়া হেরে অসুর।
তেবেসে করুণা রাম প্রভুর।। ৮৬
ভালুক বানর রাক্ষস তরে।
হেন জানি নাম নেখিবা নরে।।
দেখিও শাস্ত্রত কেন্ত শুচি।
মারে যমদূতে বিন্ধিয়া সূচি।। ৮৭
এই মুখ ধনি নলৈলি নাম।
ভারতে আসিয়া কি কৈলি কাম।।
হেন জানি কর নামত রতি।
লৈও হরি নাম সাধু সঙ্গতি।। ৮৮
সন্তর সঙ্গতি আনন্দ করি।
*গাবো হরি গুণ সংসার তরি।।
শঙ্করত বাজে নাহিকে আনে।
হর গৌরী বাদে লৈও প্রমাণ।। ৮৯
পুরুষ উত্তম মন্ত্র মুরারী।
বিষ্ণু ধর্ম্ম কৃতে দেখা বিচারি।।

---

* গাবো — গোৱা।

সূত কীর্তন সংহিতা চাই।
যোগিনীতন্ত্রে সেও অভিপ্রায়।। ১০
বৃহত খণ্ড দেখিও আর।
নশাহিলে কহিল নিশা আমার।।
মহা বিষ্ণু মহা কৃষ্ণ শরণ।
গুরু নিন্দা যোগে গতি অধম।। ১১
হরি নামে নামে নামে নিশ্চয়।
নারদে আগে বিধিরে কয়।।
নারদে কহিলা ব্যাস আগে।
তথাপি নয়নে কামনা রাগে।। ১২
শুকদেবে গুরু মহা পুরুষ।
নাম বিনে নাহি ধর্মার্থ * উপ।।
বৈকুণ্ঠ নাম কীর্তনে যায়।
আনন্দতে নাহি সংসার পায়।। ১৩
সংসারক তরি বৈকুণ্ঠে বাস।
ধরিও ভকতি নাম অভ্যাস।।
পরলোকে নিত হরির নাম।
ভজিও হরিক যোগিও কাম।। ১৪

* * * *

---

*ধর্মার্থ উপ – ধর্ম পথ, উপায়।

ঘোষা : গোপাল গোবিন্দ মধু জনক মুরারী।
সদাবে শঙ্কর গুরু নিজে উদ্ধারি।। ১

পদ : ধর্ম অধর্ম বলি সাধুর বচন।
জগতে হরির ঈশ্বর চরণ।।
কেবলে অনন্ত সত্য নারায়ণ হরি।
সর্বকালে সর্বঘটে বিরাজ আছে ধরি।। ১৫

হেনয় ঈশ্বৰ হিয়া আসিয়া বিদিত।
যাৰ গুণ নাম যশ জগতৰ বিত।।
সৃষ্টিৰ পালনকাৰী ৰাম কৃষ্ণ দেৱ।
যাত পৰে মোক্ষ দাতা বন্ধু নাহি কেৱ।। ৯৬
সংসাৰে শঙ্কৰ ভৈলা ৰাম নাম যাৰ।
তাতেসে সংসাৰ বুলি তৰয় সংসাৰ।।
ধ্যান যজ্ঞো পূজা মন্ত্ৰ আছিল পূৰ্বত।
কলিত কীৰ্তনে কৰে সবাকো ভকত।। ৯৭
ভকতৰ পদধূলি পাপ কৰে নাশ।
যিটো হৰিনামে কৰে নিতান্ত অভ্যাস।।
তিনিও যুগৰ শেষ সন্তে বাট চাই।
যি কালত যেনে কৃপা কৰা গোবিন্দাই।। ৯৮
প্ৰাৰ্থীবাৰ ফল সিদ্ধি পুৰুষ পুৰাণ।
মায়া নৰতনু ধৰি জগতৰ প্ৰাণ।।
চুৰ কৰি দেৱ গৰ্ব শঙ্কৰ মুৰাৰী।
দিলা নাম ধৰ্ম দান গোবিন্দে উধাৰি।। ৯৯
ঘট পট ভাঙি অণ্ড জিনিয়া জগত।
সুদা ভাঙি ভাণ্ডাৰক কৰিলা বেকত।।
সন্তত ভকতি কহি দঢ়ালা প্ৰবন্ধ।
ভগৱত শ্লোক তুলি পদ বাহুস্কন্ধ।। ১০০
পাৰ ভাঙি হৰি নাম ৰস বহি যায়।
শ্ৰৱণ কীৰ্তন মাজে শ্ৰুত নদী নাই।।
থিৰ কৰ্ণে পাণ কৰি ভকত সকলে ।
সংসাৰ সাগৰ তৰে ভকতিৰ বলে।। ১০১
কৃষ্ণৰ চৰণে হিয়া নামে একঠাই।
সংসাৰে যতেক ধৰ্ম ঈশ্বৰ ইচ্ছাই।।
গুৰুক গৌৰৱ কৰি হুয়া সাৱধান।
হৰি নাম বিনে কাৰো নাহিকে কল্যাণ।। ১০২
বাষৱৰ ঘোৰ মায়া মাধৱৰ লীলা।
মহাপুৰুষৰ কৃপা উপদেশ দিলা।।
হৰি পদ পঙ্কজৰ নামেসে আশ্ৰয়।
হেন নাম বিনে সত্য সৰে বোল ভয়।। ১০৩

মায়ারে মোহিয়া দায়া দেব দামোদর।
গোপাল গোবিন্দ দেব দেবতা শঙ্কর।।
সবাকো করয় হরি নামেসে উদ্ধার।
সবারো স্মরণি নাম কর্তব্য হৈবার।। ১০৪
লৈয়া গুরু উপদেশ ভকতর ধন।
সংকট সময়ে সত্য শরণ চরণ।।
নিরঞ্জন নিরাকার হৃদয়র ভূত।
মকুন্দ মাধব শিব অনন্ত অচ্যুত।। ১০৫
নামর প্রসাদে মহা পাতক এরাহি।
পরলোকে হোরে গতি ভকতি সহায়।
ভকতিসি পিতা মাতা ভকতি সুজন।
নেখিবা নামক মুখে ভকতিত মন।। ১০৬
পুরুত কৃপারে কৃষ্ণ সাধুরে কহিলা।
যুগে যুগে ধর্ম মহা পুরুষর লীলা।।
কলিত গরিষ্ঠ নিজ নামর কীর্তন।
বোলা হরি হৌক পাপর উচ্ছন।। ১০৭

* * * *

ঘোষা : বনমালী রাম রাম নারায়ণ।
চরণে শরণ লৈলো দেহ দরিশন।। ১০

পদ : সাধু নিগদতি দেব শরবেসে গুরু।
অচিন্ত্য ঈশ্বর কৃষ্ণ নামে কল্পতরু।।
গুরু শিক্ষা জ্ঞান বস্তু জগতর গতি।
আনমতে নাহি কারো হরিত ভকতি।। ১০৮
রাম নাম ধর্ম মূল ভকতর ধন।
ব্রহ্মা হবে চিত্তে মহা হরির চরণ।।
নামেসে ভকতি আনি ঈশ্বর জনানি।
হরির মায়ারে আছে সবাকুতে ছানি।। ১০৯

পালক গোপাল কৃপাময়দেৱ হৰি।
অসংখ্য হেজাৰ কোটি বিনোন্দিতা কৰি।।
পৰম পুৰুষ মহা বিষ্ণু নাৰায়ণ।
মাধৱৰ ৰঙা দুই অনন্ত চৰণ।। ১১০
শঙ্কৰী মায়াৰ বাজি ৰূপে আমনাৰ।
দয়াময় দামোদৰ নাম মহাসাৰ।।
পূৰ্বত আপুনি ৰামে কৰিলা নিৰ্মাণ।
জগত ঈশ্বৰ ব্ৰহ্ম ভজনি প্ৰধান।। ১১১
ব্ৰহ্মা মহেশৰো ঈশ কৃষ্ণ চক্ৰধৰ।
সংসাৰ পালক নাম ধৰিলা শঙ্কৰ।।
নামক প্ৰকাশি দেশ জগত নিবাস।
হৰি হেন নাম এৰি মুকুতি নৈৰাশ।। ১১২
নাম বিনে কিছু আন মৃত্যু কালে নয়।
পাপত মুকুত নাম চাৰি বেদে কয়।।
চাৰিও বেদৰ শাখা বাণী নাৰায়ণ।
শাস্ত্ৰৰ ৰহস্য মূল সংসাৰ তৰুণ।। ১১৩
সংসাৰ তাৰক সিন্ধু প্ৰসিদ্ধ শঙ্কৰ।
ৰামেসে ঈশ্বৰ কৃষ্ণ গুৰু জগতৰ।।
হৰি নাম ধৰ্ম বিত সাধুৰ সৰ্বস।
শ্ৰৱণ কীৰ্তন নাম মধুৰ সুৰস।। ১১৪
পান কৰি প্ৰতিনিতে মুকুতি বিজয়।
সঞ্চিত মায়ায়ে জানি বাধৱ হৃদয়।।
ঈশ্বৰ কৃষ্ণৰ পাৱে নেৰিবা কীৰ্তন।
শুনা সভা সদ দিয়া মাধৱত মন।। ১১৫
নামৰ কীৰ্তনে মহাপুৰুষৰ পাই।
আপোন কীৰ্তন তেজি দূৰক নজাই।।
কলিত কীৰ্তন বিনে নাহিকে উপাই।
সকলো ধৰ্ম্মৰ ফল নাম এক ঠাই।। ১১৬
বিচাৰি দেখিও সাক্ষী যুগৰ প্ৰমাণ।
এতেকে নেৰিবা নাম যাৱে আছে প্ৰাণ।।

হৰি নামে বেদ বিধি নাহিকে নিয়ম।
স্মৰণে অজাতি জাতি কৰয় উত্তম।। ১১৭
বেদ বিধি শাস্ত্র তত্ত্ব চাহি পূৰ্বাপৰ।
জানি নচাৰিবা সৱে নাম পাপ হৰ।।
যাৰ ৰাম কৃষ্ণ নামে একান্ত ভকতি।
সংসাৰ তৰিতে দিয়া শঙ্কৰৰ্ত মতি।। ১১৮
শঙ্কৰ চৰণে মনে নামে চৰাচৰ।
স্মৰিও সঘনে এৰি পাপী হোৱে নৰ।।
আপোন যশতে তুষ্ট হৰি সুপ্ৰসন্ন।
শুনিয়া শঙ্কৰ কীৰ্ত্তি নিমজ্জিও মন।। ১১৯
শঙ্কৰ স্মৰণি কথা শুনা সভাসদ।
তৰিবা আপদ দুখ মিলিবে সম্পদ।।
মুখে নাম হৃদি ৰূপ হাতে কৃতকাম।
তৰিবা সংসাৰ তেবে বোলা ৰাম ৰাম।। ১২০

* * * *

ঘোষা : হৰি হৰি ৰাম ৰাম ৰাম ৰাম।
মুখে নাম হৃদি ৰূপ লাগো অবিৰাম।। ১১

পদ : যি সব কহিলা জনা শঙ্কৰ দেৱৰ।
মহা বোধ গুহ্য কথা ধৰ্ম বৈকুণ্ঠৰ।।
কহিলো ৰহস্য ইটো তোমাৰ আগত।
শঙ্কৰেসে গুৰু নিজ মাধৱ ভকত।। ১২১
যাৰ যেন ক্ৰীড়া কৰ্ম ভক্তি মনুষ্যৰ।
শঙ্কৰ বদন্তি প্ৰতি আগে মাধৱৰ।।
দুষ্ট বা মহন্ত সন্ত হোৱয় ভকত।
আপোন স্বভাবে দেখে যতেক জগত।। ১২২
প্ৰয়াৰে বাহ্মিলো গুৰু যাৰ যেন কাম।
শাস্ত্ৰৰ সন্মত নীতি বেদ সাৰ নাম।।

পূর্ব্বত পুচিলা তুমি ধর্ম্মর নিয়ম।
রহস্য স্বরূপে শব্দ কেন সমাগম।। ১২৩
দীক্ষল ভাত্তৰ ক'ত থাকে কোন থান।
শাস্ত্রে সুশিক্ষিত লোক বোলা সর্ব্বজান।।
ঐচ্যুতৰ মনে হেন গর্ব বাক্য জানি।
ঘোৰ অপৰাধ ভয়ে নকৈলো তৈসানি।। ১২৪
কোটি ব্রহ্মাহবে যদি কৰে পৰিনীতি।
নজানে ধর্ম্মৰ জোখা নজানে থান থিতি।।
ওহ্মলে পুতলে কেন উচিত হোৱন্ত।
নিয়ম নাপাই ৰাত্রি দিনে সুমৰন্ত।। ১২৫
অন্তৰেসে অনু এক বিন্দু যে প্রার্থয়।
ভকতিৰ এক কাকি পাপীক তাৰয়।।
মহা পাপ বিশ্ব দ্রোহ অমোচ মোচন।
গৃহ দাহ গ্রাম্য লুট কৃত ঘৃণৰ তকণ।। ১২৬
গৃহস্থ পাপীও তবে মহন্ত পাপত।
পাৰো ভোট তবে মিৰি হৰিৰ নামত।।
বিঠা লুঠা কুন্তু বাই ৰাক্ষস অজ্ঞান।
সিও তত্ত্ব হোৱে নাম লৈয়া বিদ্যমান।। ১২৭
তাবে মহা অন্ত জাতি সুৰাসুৰ পানে।
নামৰ মহিমা সঙ্গে কেহোৱে নজানে।।
এক ব্রহ্ম দুটি নাস্তি অসংখ্যাত বোলা।
কোন সিদ্ধ মুনি গণে কহিবেক ওৰা।। ১২৮
অদৃশ্য স্বৰূপ নাম কোনে কৈবে কিক।
ধর্ম এক বেদ্ সমে যেকটো অধিক।।
যেই যেই মতে লবে সেই সেই ফল।
গুৰু শিক্ষা ভক্তি সাৰ নামেসে প্রবল।। ১২৯
শব ব্রহ্মৰ *বাহ্য বিচৈ কত পাপী।
বেদ শাস্ত্র গুৰু মন্ত্র নাম নিবে চাপি।।

---

* বাহ্য - বাহিৰে।

সৃষ্টির মধ্যেত মহা পুরুষ ঈশ্বর।
প্রকাশ করিলা নাম কৃপাবে জীবর।। ১৩০
বিভব কারণে থাকি সত্যাদি যুগত।
হরব কাতবে দুই * মিসলে বেকত।।
চারি গোটা গড় কৈলা ধর্মর বাহিরত।
ধন মান বিদ্যা গর্ব কুলির নামত।। ১৩১
চারি বেদে চারি বার গড়বো অন্তরে।
ধর্ম নিবাস গৃহ করিলা শঙ্করে।।
পূর্বত আছিল ওপ্যে কপাট হেলার।
কপাট ভাঙিয়া অষ্ট গড়েবে প্রচার।। ১৩২
গড়বে ইবার কারি সীমার চারাই।
নগারে শঙ্কর সি সি থাকন্তে হৃদয়।।
সর্ব কালে সর্ব ঘটে সর্ব সচেতন।
তথাপি নগারে ভক দেবর চরণ।। ১৩৩
তন্যে আসি তন্যে যাই অন্তকে নিলয়।
শঙ্কর ব্রহ্মার নাম অবতরি হয়।।
ছলে বলে নামে হরি শিও বলা ধরি।
নারায়ণ নামে মুখ্য প্রায়শ্চিত্তে তরি।। ১৩৪
মহা বিষ্ণু মায়া বাজি কেলি মানবর।
মহা পুরুষর যশ কৃষ্ণ মহত্তর।।
তনা সভাসদ পাপ করিয়া বিনাশ।
শরিও নামক নামে মুক্তবো প্রকাশ।। ১৩৫
শঙ্কর বুলিও হৌক প্রলয় পাপর।
বিভাগীয়া ভাগে ভাগে সর্বে গৃহহর।।
সভর বিচার সার নষ্ট একাকার।
পাপ ভয়ে হরি হরি বোলা বারে বার।। ১৩৬

* * * *

---

* মিলন - [illegible]

ঘোষা : চৰণে শৰণ লৈলো নামে বৌক মতি।
সংসোৰে শঙ্কৰ শ্ৰুত অগতিৰ গতি।। ১২

পদ : জীৱৰ বাঞ্ছিত পুৰী মন সিদ্ধকাম।
সংসাৰ ঢাকিয়া বৃষ্টি জল হৰিনাম।।
ধৰ্ম্মৰ নিবাস গৃহে ধৰ্ম্মৰ পুতলি।
বাহুস্কন্ধে স্তম্ভ নামে কহলি মাঙলী।। ১৩৭
অনন্ত চৰিত্ৰে চাল আবৃত তাহাৰ।
তাৰ মাজে আত্মাৰাম ব্ৰহ্ম *অৰূপাৰ।।
অন্তৰ্যামী ৰূপে আত্মা ব্যাপিয়া সবাত।
জগত বঞ্জিয়া বঞ্জি আছন্ত হিয়াত।। ১৩৮
মহা পঞ্চচিহ্নে মহা পৰম পুৰুষ।
ধ্বজ বজ্ৰ যব পদে পঙ্কজে অঙ্কুশ।।
পৰম পুৰুষ পূৰ্ণ পাপীৰ পালন।
কন্দৰ্পো সুন্দৰ হৰে ধৰি গুণ গণ।। ১৩৯
নেত্ৰৰ ৰতন যেন অজ্ঞান চৰাল।
তুমি যেই কৰা তাকে কৰন্ত গোপাল।।
নলৰয় পাৱ মুণ্ড নলৰে লেজুৰ।।
তক্ষক আগন যেন মৃতক ভেজুৰ।। ১৪০
পণ্ডীসে জানয় ক্ৰুৰ নাগ আছে তই।
মাথা তুলি খোট দিলে গাৱে লাগে জুই।।
ছিদ্ৰ অপৰাধ পাপে কৰে চূৰ্ণীকৃত।
ধৰ্মৰ প্ৰভাৱ মহা ভক্তি বিপৰীত।। ১৪১
ব্ৰহ্মা হৰে চিত্তে পদ পঙ্কজত ধৰি।
মুখে নাম হৃদি ৰূপ নিৰাকাৰ হৰি।।
যাৰ কোপ কটাক্ষত ৰহে চৰাচৰ।
অনন্ত অপাৰ মায়া মহা পুৰুষৰ।। ১৪২
মাধৱৰ মায়াবাজি গোবিন্দৰ কেলি।
জীৱক কৃপাৰে ভক্তি ভজাৱক মেলি।।

---

* অৰূপ - নিৰাকাৰ ৰূপ।

প্ৰচাৰ কৰিলা নাম বেদান্তৰ গুহ্য।
শ্ৰৱণ কীৰ্তন কৰি হৱে লোক পূজ্য।। ১৪৩
পতিত পাতকী তৰে কৰিয়া কীৰ্তন।
তাক প্ৰতিকাৰ পাই কুসুম নন্দন।।
মাধৱৰ আগে কৈলা শঙ্কৰ বদতি।
নৰ ৰূপ ধৰি লাভ লভিলো সম্প্ৰতি।। ১৪৪
নগৰা ঢঙ্গৰা দুষ্ট চৈতন অজাতি।
নিন্দিত কৰিলা বলে মিছা খল পাতি।।
ক্ৰুৰ কপটৰ ঘাগী বুলিলা গোবিন্দ।
শিশুপাল চেৰ ভৈলা ইবাৰৰ নিন্দ।। ১৪৫
যেন হাতী চুৰি ৰঙ্গে বাটে চলি যাই।
পথত * তস্কৰে ধৰে হাতে লফা পাই।।
পৰে লজ্জা নিন্দা থাকে মনত নধৰে।
নাক কৰ্ণ খুনে চৰে শিৰশ্ছেদে মৰে।। ১৪৬
যত বাদ বিবাদৰ দিলো পটন্তৰ।
শুনিও মাধৱ কহো বোলন্ত শঙ্কৰ।।
নকৈবা মোহোৰ কথা মোহোৰ শপত।
নকৈবা নকৈবা তুমি দাম্ভিক শঠত।। ১৪৭
পাৱে পৰি কান্ধে চৰে অসতী দুৰ্জ্জন।
জিজ্ঞাস কৰিবা জানি শঙ্কৰ বচন।।
মোত যাৰ মতি নাই নগাই নামক।
সদা উপদেশ দিবা বৈষ্ণৱ জনক।। ১৪৮
ভকত জনৰ সিদ্ধি নামে মনোৰথ।
বেদৰ বিহিত প্ৰীতি সদাচাৰ পথ।।
শ্ৰৱণ কীৰ্তনে স্থিতি সঙ্গে ভকতৰ।
ধৰ্ম কৃৰ্তী সৃষ্টি লীলা পাপে চৰাচৰ।। ১৪৯
বাহুসত্যে ৰহি আছে ধৰ্ম হৰি নাম।
বিষয় বিকলে ধান্ধা ত্যজা আনকাম।।
শঙ্কৰ চৰণে মনে মুখে নাম ধৰি।
পাপ অৰণ্যক দহি বোলা হৰি হৰি।। ১৫০

* * * *

---

* তস্কৰ - চোৰ, ডকাইত।

ঘোষা : ৰাম হৰি ৰাম হৰি বোল তোৰে মন।
সঙ্কট সংগ্ৰামে হৰি চৰণে মন।। ১৩

পদ : নিৰ্গুণে গুণেৰ পতি ভগৱন্ত হৰি।
আদিতে নিৰ্মিলা লীলা সৃষ্টি মায়া কৰি।।
মায়াক উদ্ভিত কৰি কায়া আপোনাৰ।
মায়াত কৰাইলা ইটো সকলে সংসাৰ।। ১৫১
* দূৰ্ত্তকি সৃজিলা ব্ৰহ্মা বিষ্ণু মহেশ্বৰ।
তিনি গুণে তিনি মূৰ্তিময় কলেৱৰ।।
পৰম পুৰুষোত্তম মাধৱৰ লীলা।
নাৰায়ণ অৱতৰি আতেসে ক্ৰীড়িলা।। ১৫২
হৰত কহিলা পূৰ্বে হৰি বৈকুণ্ঠত।
ব্ৰত দ্ৰৱ্য গ্ৰামে হইবে ভূমিৰ মধ্যত।।
সিটো বাক্য সত্যকৰি সত্য সনাতন।
বসু নন্দ কুসুমত চলে উতপন।। ১৫৩
গুণ নাম পূৰ্ণে আইল কুসুমৰ ঘৰ।
ভকত সকল তৈল হৰি পণ্ডিত ।।
বেদৰ বিহিত নীতি দিলা পৰিক্ৰিয়া।
আজ্ঞানী সকলে শুনি নসহিল হিয়া।। ১৫৪
কপট শৰীৰ ধৰি বিজনত গতি।
স্নেহ পাৱতক জিনি ভূমি কৰি গতি।।
প্ৰজতিলা ক্ষেত্ৰ মানে সাগৰ প্ৰভৃতি।
যাৰ যেন যোগ্য বৈত কৰিলন্ত নীতি।। ১৫৫
বাহুবল বাৰাণসী উবেৰাক যাই।
ধাৰকা পৰিলা গই সাগৰ গোসাঁই।।
ইঠাই সিঠাই কৰি ঠাই ঠাই থান।
হৰি বিমুখৰ নিন্দা নসহি পৰাণ।। ১৫৬
বৰদোৱা গ্ৰামে কৈলা ভকত বৎসল।
যেন মেক লিখি বাম পৃথিবী মণ্ডল।।

---

* দূৰ্ত্তকি — দুই উক্তি ব [illegible]

যেন যুগ ভেদে মেৰু ভাগ্যবন্তে পাই।
মায়াৰ মন্দিৰ লাগ নপাই সদাই।। ১৫৭
শবদ শুনিয়া আন যুগে আনজন।
আজিও লভিয়া আছে সিদ্ধ মুনিগন।।
মেৰুক কৰয় নিতে সূৰ্যে প্ৰদক্ষিণ।
লোকেও বোলয় সবে তাকে ৰাত্ৰি দিন ।। ১৫৮
শঙ্কৰী মায়াৰ বাজি কৈলো পাটন্তৰ।
নামে জগতৰ মহা মায়াৰ মন্দৰ।।
প্ৰচাৰ কৰিলা নাম কৰি ভাগ ভাগ।
এতেকে নাপাৱে সৰ্বকালে সবে লাগ।। ১৫৯
ভকতৰ গতি গুণ নামে সৰ্ব কাল।
সংসাৰে খেৰালি জুৰি তৰিলন্ত জাল।।
গোপাল গোবিন্দ গুৰু মুৰাৰী শঙ্কৰ।
যাৰ আজ্ঞা পালি দেৱ ব্ৰহ্মা বিষ্ণু হৰ।। ১৬০
আজ্ঞাতেসে আছে ৰহি মহী সপ্ত স্বৰ্গ।
আজ্ঞাতেসে গুৰু ভক্ত পিতা পুত্ৰ বৰ্গ।।
মাননি নভৈলে হীন মৈই জাতিকুল।
ৰাক্ষসৰ গোত্ৰ যেন ক্ৰোদ্ধত আকুল।। ১৬১
বেদ বিধি শাস্ত্ৰ নীতি ধৰ্ম মহত্তৰ।
কৃষ্ণৰ বিভূতি মূৰ্তি হিয়া মাধৱৰ।।
বিভাগিলা ভাগ ভেদ গৃহস্থে আপুনি।
নেৰিবা শাস্ত্ৰৰ মত হেন তত্ত্ব শুনি।। ১৬২
কলিৰ পৰমগুৰু ধৰ্ম হৰি নাম।
কুল ধৰ্ম শ্ৰেষ্ঠ কৰে মুকুতিৰ কাম।।
বেদৰ বিধান নিজ যুগুতি বিচাৰ।
নাম বিনে একোমতে নতৰে সংসাৰ।। ১৬৩
শ্ৰৱণ কীৰ্তন যদা উত্তম ভকতি।
মুখে নাম হৃদি ৰূপে বৈকুণ্ঠত গতি।।
শঙ্কৰক চিন্তি হিয়া সংসাৰক তৰি।
নেৰিবা নামক সবে বোলা হৰি হৰি।। ১৬৪

* * * *

মুকুতি মুক্তি- "ৰাম নাম হৈটো মুকুতি কাৰণ"।

ঘোষা ঃ হে হৰি হৰি হে কৰুণা সিন্ধু।
কৃষ্ণে গতি মতি ৰাম জীৱন বন্ধু।। ১৪

পদ ঃ কহিলো শুনিলা ধৰ্ম বেদান্তৰ মৰ্ম।
ভকতি নভৈলে ব্যৰ্থ ফল শ্ৰম ধৰ্ম।।
ভকতিৰ বৃক্ষ এক জগতক জুৰি।
তল কৰি ফল ফুল ওপৰত গুৰি।। ১৬৫
শ্ৰৱণ কীৰ্তন ৰসে ঢালিলা শঙ্কৰ।
সংসাৰৰ মহা হৰি জগত জনৰ।।
হৰিৰ নামৰ বল হৰিটো অধিক।
সকল পৰ্বতে যেন নথাকে মাণিক।। ১৬৬
হৰিৰ চৰণে চিত নামে নৰ হয়।
বচনে কেৱলে ঘোষ হৰি কেসে কয়।।
সবে পুৰুষৰ সাধু নুহি সাধুজন।
সবে তৃৰ্ণ তৰু যে নুহিকে চন্দন।। ১৬৭
সবে দিগজতো সবে মুকুতা নপাই।
অৱশ্যে হৰিৰো নাম নথাকে সদায়।।
যেন নাৰীৰূপা সবে নুহিকে প্ৰসূতা।
প্ৰভাস প্ৰভাৱে সাধু জনৰ মুকুতা।। ১৬৮
ব্যাপক ঈশ্বৰ হৰি ব্ৰহ্ম আত্মাৰাম।
ৰামৰ মায়াত মন কৰা উপশাম।।
ৰাঘৱ অধীন বলে শিৱৰ চৰাই।
মাধৱৰ মায়া তৰ্ক বেদেও নপাই।। ১৬৯
ৰাম উচ্চৰিয়া হনু সাগৰ তৰিলা।
ৰামে সেতু বান্ধি পদ গমনে চলিলা।।
মহা পুৰুষৰ মায়া বলে চৰাচৰ।
এতেকে মুখত নাম থাকোক শঙ্কৰ।। ১৭০
মনুষ্য হৈবাৰ সিদ্ধি জনমৰ ফল।
যেন পুৰাতন ব্যাধি হোৱয় পাগল।।
পাপীৰ আলাপে পাপ পৰশে সঞ্চাৰি।
হৰি পৰায়ণে নাম ভজা সাৰ কৰি।। ১৭১

জন্মৰ আৰ্জ্জিত পাপ যানে কৰে ক্ষয়।
বাসনা খণ্ডন নাম হৰিসে নিশ্চয়।।
শঙ্কৰে সংসাৰ ব্যাপি সবাত নিবাস।
নেৰিবা নামক নামে কৰন্ত প্ৰকাশ।। ১৭২
মায়াৰ ৰচনা সবে জীৱন অথিৰ।
অল্প পুণ্যে নপাই জানি মনুষ্য শৰীৰ।।
কালে সংহৰয় দেহা হাততে হেৰাই।
ইহ পৰ লোকে হৰি নাম বিনে নাই।। ১৭৩
অনন্ত ব্ৰহ্মাণ্ড পতি হৰি অধিকাৰী।
গোপাল গোবিন্দ বিষ্ণু মকুন্দ মুৰাৰী।।
শুনা সভাসদ সাধু পুত্ৰত কহিলা।
ঈশ্বৰ শঙ্কৰ মহা পুৰুষৰ লীলা।। ১৭৪
যাৰ পাদ পদ্ম স্মৰি সংসাৰ তৰণ।
শ্ৰৱণ কীৰ্ত্তন ধৰা ভকতি সাধন।।
তপ যপ যজ্ঞ নাশ অভগান নাম।
পাপ সংহৰিয়া ডাকি বোলা ৰাম ৰাম।। ১৭৫

* * * *

ঘোষা : **হৰিৰ চৰণে শৰণ লৈলো।**
হৰি হৰি হৰি মায়া নজানিলো।। ১৫

পদ : মানসা পৰম সুবুদ্ধিয় পোচৰৰ।
দায়ায়ে বসতি মহা সাধু গুহ্যতৰ।।
দশ যে হাজাৰ ঈশ বৈকুণ্ঠ সীমান।
গৃহস্থ মুখৰ বাণী কি কৈবো বিধান।। ১৭৬
বেদৰো বিভূৰ্তি ভূতি ৰাক আবাৰন্ত।
মৎস্য কূৰ্ম সিংহ পশু ৰৰা ভগৱন্ত।।
নিৰঞ্জন নিৰাকাৰ আকাৰত ৰাশি।
যুগে যুগে অসংখ্যাত কায়া মায়া আসি।। ১৭৭

গোবিন্দ মুৰাৰী গুৰু মকুন্দ মুৰাৰী।
সংক্ষেপ কৰিয়া কহো * উচ্চলে নোবাৰি।।
নাহিকে ভগন ব্ৰহ্মা নাহি উৎপতি।
ঘাটন পাতন পাৰে কৰি সদ্‌গতি।। ১৭৮
লাস্য নামে নাৰায়ণে চাৰি গুটি আদি।
দশ গুটি সহস্ৰেক একৰেসে খান্দি।।
লক্ষ পুৰে নৰোত্তম কলা পূৰ্ণে গুৰু।
শঙ্কৰেসে সমস্তৰে মহা কল্পতৰু।। ১৭৯
শঙ্কৰক সাঙ্গে কৈবে দেউ আশকত।
অলক্ষিতে ভাগ জীৱ লক্ষিতে ভকত।।
মায়াক কৰয় বশ্য ৰহস্য ভকতি।
পুত্ৰ ভাৰ্য্যা ধন জন জানি আশকতি।। ১৮০
মহা পুৰুষক জানি মহন্ত সকলে।
ৰাম কৃষ্ণ শঙ্কৰেসে ধৰণী মণ্ডলে।।
অংশ কলা বাচ্য যত যত নিৰন্তৰ।
সবাৰো উপৰি বাইৰ মহা মহেশ্বৰ।। ১৮১
দুই ভুজে পৰাক্ৰমী যেন যদুৰায়।
চাৰি ভুজ ধৰি কেহো ওচৰো নেপায়।।
দেখা যে নেদেখ হেন দৰ্শন আসৰ।
লুকান নজাই বাজি গজ ৰাৰাহৰ।। ১৮২
ঈশ্বৰে দিগজ প্ৰায় সেৱকো দন্তাল।
যেন খানি ৰকি কৰে উচ্ছিষ্টক খাল।।
অমোচন বিশ্বদ্ৰোহ পাপে যাই তল।
অন্ধকো উদ্ধাৰে নাম ভকতিৰ বল।। ১৮৩
দাস্য ভাব নোপজয় * হুপ্ৰচা অধম।
চাকৰ স্বভাৱে দায়া পৰশে পৰম।।
ব্যাস ৰূপী নাশ কাৰী হৰৰূপী পাত।
গুৰু ৰূপী সন্ত মূৰ্তি জগতে প্ৰখ্যাত।। ১৮৪

---

* উচ্চলে - বাহুল্যকৈ কোৱা।

' হুপ্ৰচা - চাকৰ।

সংসাৰ সাগৰে ৰঞ্জি কুশলে লোকৰ।
গীত পদ বিবেচনা গুণ বৈকুণ্ঠৰ।।
উদ্ধাৰিয়া নাম ধৰ্ম ভক্তি সাৰোদ্ধাৰ।
মাধৱত মেলি দিলা হৃদয় ভাণ্ডাৰ।। ১৮৫
শঙ্কৰ মাধৱ কেলি কথা বিতোপন।
শুনে বা ভনে বা খেদ কৰে বিটো জন।।
অতুল্য সমান ফল ভকতি প্ৰসাদ।
ভকত জনৰ পায়া পৰম আহ্লাদ।। ১৮৬
ভকতিৰ মূৰ্তি পৰিনীতি গুঢ়তৰ।
কহয় শুনয় গুণ মহা পুৰুষৰ।।
কলিমল টাতৰিক কৰন্ত * উৎপাৰ।
শাস্ত্ৰৰো ঈশ্বৰ বেদ বেদান্তৰো সাৰ।। ১৮৭
ক্ষীৰোদ সাগৰ মহা ভাগৱত মত।
শৰণ্যে ভকতি কথা নামে সমাপত।।
শ্ৰৱণ কীৰ্তন ধৰ্মে বিষ্ণুধ্যান ৰঞ্জে।
সৰ্ব শ্ৰুতি শিৰোৰত্ন পাপৰ উভঞ্জে।। ১৮৮
শঙ্কৰৰ সাৰশেষ শঙ্কৰেসে জানে।
গুৰুজন প্ৰসাদত কৈলো এহিমানে।।
*সিদ্ধিৰষ্ট অসাবি ভৰিৰ উব উব।
ভৱতি যে সংসাৰত পৰি হৰাই ভুৱ।। ১৮৯
কোন কাৰ আগ শুৰি কোন বেয়া ভাল।
কামলি ভাগিয়া যেন লোম ডাল ডাল।।

---

* উৎপাৰ - উচ্ছেদ কৰা।
* সিদ্ধিৰষ্ট অসাবি ভৰিব উব উব : সিদ্ধিৰষ্ট - অষ্টসিদ্ধি - আঠোটা শক্তি।
* অসাবি - অসাধাৰণ।
* ভৰিব পূৰ্বে লুকাই থকা বস্তু পুনৰ উদ্ধাৰ কৰা।
* উব উব - উবাদিহ লোৱা।
* শ্ৰী শ্ৰী বোধ ভকতে অষ্টসিদ্ধিৰ যোগে অসাধাৰণ শক্তিৰ বলত পূৰ্বে সুপ্ত হৈ থকা মহাপুৰুষৰ বাণী কৃতি অতি কম সময়তে বুজি পালে।

দৃষ্টান্ত সবৰ সুঁতি অন্তে নাৰায়ণ।
জগতৰ আদি গুৰু শঙ্কৰ চৰণ।। ১৯০
উপদেশি পৰাম্পৰ ধৰ্ম পন্থ চাই।
ভকতি মুকুতি গতি অদাচিতে পাই।।
মনুষ্য হৈবাৰ জন্ম প্ৰয়োজন ফল।
ডাকি হৰি হৰি বোলা ভকত সকল।। ১৯১

* * * *

ঘোষা : **নাৰায়ণ নাম কৃষ্ণ জয় য়দুপতি।**
সৎসঙ্গে শঙ্কৰ গুৰু শিক্ষাৱে ভকতি। ১৬

পদ : আদিতে বিধিত কৈলা বিধি নাৰদত।
নাৰদে ব্যাসত কৈলা ব্যাসে তনয়ত।।
কহিলা তনয় সুতে পৰীক্ষিত আগে।
নিস্তাৰিলা নৰপতি ভাগ্যে মহাভাগে।। ১৯২
হৰি নাম ভক্তি কহি ৰহিলা সুতত।
নিমিষতে সুতে কৈলা ঋষি সৌনকত।।
বাৰাণসী হন্তে গুৰু ভাগৱত পাই।
পুনু নাৰায়ণ মহা শঙ্কৰ গোসাঁই।। ১৯৩
ভাগৱত ৰস নাম শৰণ ভজন।
ৰসে ৰস টানি আনি শ্ৰৱণ কীৰ্তন।।
আপুনি স্বয়ম্ভু হৰি গৃহস্থ ঈশ্বৰ।
কৰিলন্ত ভাগে ভাগ কুশলে জীৱৰ।। ১৯৪
ব্ৰহ্মা বিষ্ণু ত্ৰিপুৰাৰী দৈৱকী নন্দন।
ৰামানন্দ হৰিব্যাস বুলিব চৈতন্য।।
দিলা নাম ভক্তি দান ভক্তি প্ৰদক্ষিণে।
মহাপুৰুষৰ মায়া কৈলা ভিনে ভিনে।। ১৯৫
শঙ্কৰৰ হিংসা ক্ৰুৰ অহিংসা ভকত।
শপত শঙ্কৰ পূৰ্ণ কৃষ্ণ হৃদয়ত।।

আপুনি নভক্তি ভজাই পৰ কেন কৰি।
যিটো মন্দমতি পাপী নভজিল হৰি।। ১৯৬
হৰিদাস সেৱকৰ চৰণ মহত।
দাস্যৰ্ণী ভকতি ভাৱে ভজি চৰণত।।
যাৰ নাম তাৰ দান সি সি অধিকাৰী।
বিচাৰি চাহিও যেবে সবে বাট ভাবি।। ১৯৭
যাত হৰি নাম ভক্তি পাই ধৰমক।
তাঙ্ক লৈয়া কহিলেহে এৰাই নৰক।।
উপদেশ দাতা ভক্তি ভাগৱত পথ।
গুৰুসে কামনা পূৰে শিষ্য মনোৰথ।। ১৯৮
অনন্তৰ জন্মজাত অচ্যুতৰ কাহি।
পূৰ্ণ হয়া লগে আসি দুয়ো এক ঠাই।।
অচ্যুতৰ গাৱে লীন মাধৱ অনন্ত।
দেখায়া ভকতি ভাব ভজন পৰ্যন্ত।। ১৯৯
অঙ্গ যে অনঙ্গ বিনো অঙ্গৰ সঙ্গম।
আশ্চৰ্য আশ্চৰ্য কায়া মায়া নিৰোপম।।
অজ ব্ৰহ্ম নিজ ব্ৰহ্ম লৱে পৰম ব্ৰহ্ম।
মহা হৰি নাৰায়ণ নৰ ৰূপে হৃদ্য।। ২০০
সপ্তোজীৱ সনাতণজগত উদ্ধাৰ।
পতিত পাৱনকাৰী উদাৰে মুদাৰ।।
দোকান কৰিয়া হৰি নামৰ মহিমা।
হৰিৰ কীৰ্ত্তণ নাম ধৰ্ম কৰি সীমা।। ২০১
পৰম ৰহস্য ভাগ নিজ বৈকুণ্ঠৰ।
শঙ্কৰ মাধৱ কথা মুখ্য জগতৰ।।
মহামুনি নিগদতি মানসাৰ আগ।
বিচাৰিলা হীনে যথা যোগ্য পায়া লাগ।। ২০২
আগ পাছ বড়া টুটাহেকেৰ পেকেৰ।
এৰিও দোষন গেছু ভেকেৰ ভেকেৰ।।
বহুত কালৰ বাৰি ওজুম নামৰ।
শঙ্কৰক গুৰু হেলি নভৱে পামৰ।। ২০৩

গুৰু শিক্ষা বোধে বেদ আচাৰ বিচাৰ।
বৌদ্ধ মত পাষণ্ডৰ পাপে একাকাৰ।।
যুগবৰ্তি হৰিনাম পাতেক সংহৰি।
জন্মৰ সাম্ফল জানি বোলা হৰি হৰি।। ২০৪

* * * *

ঘোষা ঃ ৰাম ৰাম ৰাম। ৰাম হৰি ৰাম।। ১৭

পদ ঃ হাতে কৰা কৃত্য কাম মুখে লৈয়া গুণ নাম
যাইবে লাগে যমৰ নগৰ।
যমৰ যাতনা জানি ভজিও সাৰঙ্গ পাণি
ৰাম কৃষ্ণ ঘোষিও শঙ্কৰ।।
যাহাৰ মায়াত বন্দী এৰাইতে নাহিকে সন্ধি
হেন নাম ধৰ্মে মুখ্য কাম।
শঙ্কৰৰ ৰূপ ধৰি গোপাল গোবিন্দ হৰি
প্ৰকাশিলা য'ত গুণ নাম।। ২০৫
অচিন্ত্য মহত হৰি গীত পদ নাট কৰি
মহা প্ৰভু কুসুম নন্দন।
মৎস্য কুৰ্ম নৰসিংহ বামন পৰশুৰাম
হেন হৰি ভকত ৰঞ্জন।।
ভাগবত শ্লোক ভাণ্ডি গীতাৰ প্ৰণয় দাণ্ডি
নাম কৰি শ্ৰৱণ কীৰ্ত্তণ।
চাৰিও বেদৰ দৃশ্য নামেসে ভকতি বীজ
চিত্ত সেহি হৰিৰ চৰণ।। ২০৬
দৈৱকী নন্দন হৰি শঙ্কৰ নামক ধৰি
মাগনী পুৰিলা মনোৰথ।
নাম ধৰ্মে গতি কৰি ভকতি ভাণ্ডাৰ চুৰি
দিলা হৰি ভকতিৰ পথ।।
লীলায়ে ঈশ্বৰ হৰি গুৰু শিক্ষা জ্ঞান কৰি
পাপ কলি আগম নিৰ্জ্জান।

পাষণ্ড মৰ্দন কৰি নাৰায়ণ নৰ হৰি
জগতৰ নিজ হৃদি প্ৰাণ।। ২০৭
চাৰিও বেদৰ বাণী নাম বিনে নাহি আৰ
হৰি নাম ধৰ্ম বৈকুণ্ঠৰ।
কৃপায়ে বেকত কৰি যিটো কৃপাময় হৰি
হৃদিগত বন্ধু জগতৰ।।
মোহন মকুন্দ দেৱ যাৰ ৰাম কৃষ্ণ নাম
ভকতেসে যাৰ প্ৰাণ ধন।
শঙ্কৰ সাৰঙ্গ পাণি সাধুৱে কহন্ত জানি
কুসুম তনয় নিৰঞ্জন।। ২০৮
গুণে পাপ কাল যম বাঢ়য় অগনি সম
সৎসঙ্গ জনৰ যশ কৃত্য।
মহা পুৰুষৰ মায়া নিত্য নিৰঞ্জন কায়
সুমৰণে সৰ্বস অমৃত।।
জগত জীৱন তথা ঈশ্বৰ স্বৰূপে হিয়া
ৰাম কৃষ্ণ প্ৰভু ৰঘুনাথ।
ভৃত্যক কৰুণা কৰ বৈষ্ণৱ জনৰ প্ৰীতি
ভকত জনৰ শ্ৰেষ্ঠ মাথ।। ২০৯
নিৰ্গুণ গুণৰ হৰি লৈও নাম মুখ ভৰি
বিভু প্ৰভু ব্ৰহ্ম পদ্ম পাণি
পৰে তনু ভাগে হাট সেহৰে নপাই লাগ
নেৰিবা নামক হেন জানি।।
ৰাম কৃষ্ণ নাৰায়ণ শঙ্কৰ স্মৰণি নিষ্ঠ
হৰি নামে ধৰ্ম মহাধন।
নেৰিবা নামক ধৰি সদায়ে সুমৰা হৰি
সাৰ কৰি শ্ৰৱণ কীৰ্তন।। ২১০
এৰিও আসুৰী মতি সাধু সঙ্গে কৰা ৰতি
বেদ বিধি শাস্ত্ৰ চাহি সাৰ।
শ্ৰুতি * প্ৰমৃতিৰ বাণী নামেসে মঙ্গল ফল
গুৰু শিক্ষা বিনে নাহি আৰ।।

প্ৰমৃতি - স্মৃতি শাস্ত্ৰ

ঈশ্বৰ শঙ্কৰ গুৰু ভকতৰ কল্পতৰু
গলে বান্ধা হেন গুণ নাম।
প্ৰাণ প্ৰভু দীন বন্ধু নামেসে তৰয় সিন্ধু
ডাকি সবে বোলা ৰাম ৰাম।। ২১১

* * * *

ঘোষা : হৰি ৰাম হৰি ৰাম হৰি হৰ বাৰ।
হৰি নামে নাম ভাই ত্ৰই বাৰে বাৰ।। ১৮

পদ : বিনোন্দ বিহাৰ সৃষ্টি লীলা আবৰণ।
মহা হৰি নাৰায়ণ জগবাস জন।।
হয় হংস সিংহ বৰা তীব্ৰ মহাহৰি।
ৰাম কৃষ্ণ গুৰু মূৰ্তি সন্ত ৰূপ ধৰি।। ২১২
মায়াৰ ঈশ্বৰ মহাপুৰুষ চৰণ।
বাহিৰ বজাই গুণ যশে নিৰঞ্জন।।
বাহিৰে ভিতৰে থাকি মনুষ্য লোকত।
শান্ত মূৰ্তি ভজনীয়া ভকতি ভকত।। ২১৩
প্ৰবৃত্তি নিবৃত্তি ধাম আবৃত্তিৰ গিৰি।
ঘট পট ভাঙি নামে কপাটক ছিৰি।।
বৈকুণ্ঠ পুৰৰ হন্তে বিদিত ভূমিত।
নিশিম যোনিৰ ধান্ধা দেখায়া তৰিত।। ২১৪
চানৰ গুৰুৰ সম ভাগ্য হীন নৰ।
সকলে শাস্ত্ৰৰ তত্ত্ব মত শঙ্কৰৰ।।
আত্মঘাতী শৰ সম অচুচে অধম।
দূৰন্তে বিদূৰ কৰে জানি মুখ্যতম।। ২১৫
শুদ্ধ সদাচাৰ পন্থ ধাৰ্ম্মিক জগত।
অবিচাৰী সংসাৰীৰ বিচাৰে ভকত।।
ধৰ্মৰ গৃহস্থ অন্ন চৰণ সম্পদ।
পুৰুষাৰ্থে পুৰুষাৰ্থ পৰমাৰ্থ পদ।। ২১৬
গঙ্গাজল পায়া বিটো সুৰা পিয়া খায়।
হৰিবে পাতেক কি জাতি কুল যায়।।

ভাষ্য টীকা সীমা গদ্য মহিমা নামৰ।
একচিত্তে ৰাম কৃষ্ণ স্মৰণি শঙ্কৰ।। ২১৭
গুৰু শিক্ষা জ্ঞান বোধ ভকতি মধুৰ।।
শাস্ত্ৰ সাধু সাৰ জ্ঞান বিজ্ঞান প্ৰচুৰ।।
বৰ ছোট পুষ্প মোৰ ৰাচ মাত্ৰ জানি।
প্ৰলোভে পুষ্পিত ৰস সুশীতল বাণী।। ২১৮
এক শৰণ হৰি একান্ত ভজন।
এক বিনে নাহি গতি দ্বিতীয় চৰণ।।
এলাসৰ লাউ জেন্গে দুৱাৰে বগাই।
গোসাঁইতো আগ কৰি জালোৱা লগাই।। ২১৯
অশুদ্ধ মনৰ হেন সাম্ফল বিফল।
যেন এৰা ঘটে ধাৰে বহি যাই জল।।
কাল মায়া পুৰুষৰ চান্দে মহা কেলি।
হৃদি নাৰায়ণ জানু হোৱে ঠেলা ঠেলি।। ২২০
জগত গৃহস্থ অস্ত্ৰ প্ৰশস্ত চৰণ।
মহা পুৰুষক হৃয়ে ধৰি মহাজন।।
শুনা সভাসদ পদ কৰি সাবোধাৰ।
এৰাহি কলি কৰ্মফল এৰা স্বেচ্ছাচাৰ।। ২২১
পূৰ্ব সদাচাৰ চাহি আগম নিগম।
সন্ত সেৱা বিনে কৃষ্ণ নাহি সমাগম।।
বিচাৰে ভকতি অবিচাৰৰ সংসাৰ।
ডাকি হৰি হৰি বোলা এই বাৰে বাৰ।। ২২২

* * * *

ঘোষা : ওঁ হৰি ওঁ ৰাম তুমি গুনে অনুপাম।
হৃদয়ত ৰূপ মুখে নচাবোক নাম ।। ১৯

পদ : দশৰথে কুললয় কুললয়ে সাজ।
ৰাম কৃষ্ণ নাৰায়ণে গুৰু ব্ৰহ্মে ভাও।।
সুখুৰ পূৰ্ণ ব্ৰহ্ম অজ্ঞানৰ নৰ।
পৰম ৰহস্য কথা মহামাধৱৰ।। ২২৩

গীতা শাস্ত্ৰ খান কেনে জল যাই উটি।
যাহাৰ বচনে বেদ ধৰমৰ খুঁটি।।
গীতা গ্ৰন্থ দিয়া ব্ৰহ্মপুত্ৰৰ সৎসঙ্গ।
অদ্যপি ব্ৰহ্ম গীতা বোলই অনঙ্গ।। ২২৪
অচ্যুতৰ কেলি মহা চৰণৰ চিয়া
যান্ধ ঘাতি মোক্ষ সাধে আগে দেখা দিয়া।।
সিও সঞ্জা ইয়ো সত্য প্ৰভাৱ মহত।
শঙ্কৰী মায়াৰ বাজি লোক কৃপাৱত।। ২২৫
গৃহস্থ চৰণ অস্ত্ৰ আনন্দৰ সিন্ধু।
মোক্ষৰ বিধান যাৰ কৃপা এক বিন্দু।।
ব্ৰহ্মপুত্ৰ তীৰ্থ মহা সু-বুদ্ধি লোকৰ।
তীৰ্থকো ভকত যদি জানে চৰণৰ।। ২২৬
গীতা পুথি দিয়া হেন শৰনীয়া বুলি।
তেবে নিৰন্তৰে লোকে জানয় সমূলি।।
কৃষ্ণক নগণে ৰাম কহে বনবাসী।
যান্ধ কপিলাৰ ঘাতে মৰি বেক হাসি।। ২২৭
দেখিয়া পাতক হৰে শুনিয়া তাদৃশ।
জগতৰে আত্মা মহা উপকাৰী ঈস।।
সিহেতু মৰ্দিয়া যান্ধ এৰিলা জীয়াই।
এতেকে লোহিত মাজে জাঁজে গীতা পাই।। ২২৮
মহাসাধু নিগদতি শুনি সৰ্ব জান।
বিৰচিলা শূদ্ৰ হীন মতি অগিয়ান ।।
সিন্ধু ৰাজা বিৰাজিত সংসাৰে লীলাই।
নৰত ক্ৰিৰিলা নৰ শৰীৰ দেখাই।। ২২৯
ঈশ্বৰ শংকৰ হৰি কতোৰ মানুষ।
গৃহস্থ বোলন্তে অন্ত শবদ পুৰুষ।।
শুক শিক্ষা সম্বোধনে পৰলোকে বিত।
অমৃত সাগৰ হেন ৰসে সুবলিত।। ২৩০
* ৰুচি ৰাখু স্বসি নব শ্ৰৱণ কীৰ্তন।
ইকথা ৰুচিব আত্তি ভকতৰ ধন।।

---

*ৰুচি ৰাখ স্বসি নব - নতুন উদ্যমেৰে উদ্দিপনাৰে শ্ৰৱণ কীৰ্তন কৰি মনৰ তৃপ্তী লাভ কৰিব লাগে।

মই অধৰ্মৰ জীৱ প্ৰাণ নাৰায়ণ।
শংকৰ চৰিত্ৰে নিতে নিয়োজক মন।। ২৩১
যাব চাউল ভাবে গুণ কহে খটিকৰা।
স্বামী এৰি কোন্যা নাম নাজানো কনুৰ।।
গৃহ ভাগি উক ধনী চুৰে জল বান।
মায়া শয্যা মাজে পৰি নিদ্ৰা নাহি আৰ।। ২৩২
একাদ্ৰৱে যোৰ পাপে ভৈল অজানিত।
তাহাৰ সুধনি আয়ু শংকৰ চৰিত্ৰ।।
উনপঞ্চাশত যেন মৃগাঙ্ক কানন।
গৌৰাঙ্গ কাহিনী হেন কলাত পাপৰ।। ২৩৩
যেন শিৰোমণি বস্তু ব্ৰহ্মাৰ ৰতন।
গীতাৰ মাজত যেন দৈৱকী নন্দন।।
কলিত দুৰ্লভ লাভ দুৰ্লভ কীৰ্তন।
হৰি হৰি বোলা নৰে পাপ চোক হয়।। ২৩৪

* * * *

ঘোষা : হৰ বাৰি সংসাৰ মধ্য মৰ্দন।
সত্বৰ পাপন পাৰে পশিলো শৰণ।। ২০

পদ : দিব্য বস্তু সিংহাসন বসি আপোনাৰ।
বাহিৰ ভিতৰ নাই বান্ধি নাহি যাৰ।।
কোটি সূৰ্যে মণি আৰু * বিন্দু নাহি বল।
মতি অনুসাৰে বাণী মৃগয়া সকল।। ২৩৫
ভকত শংকৰ পতি মুখ পদ্মৰে।
নাহি পাপ পানী ধাক নেদেখি নয়নে।।
নাৰকীয় মধ্য জ্যোতি ব্ৰহ্ম সনাতন।
বোলয় সাধক আকাৰতে বিকল।। ২৩৬
নিশাকৰ চাৰি পাপ দুই পাতে হৰি।

---
* বিন্দু নাহি বল - কণা মান নাইকিয়া।

সহস্ৰেক শিৰ কৰ মায়া বাজি কৰি।।
স্থূলে নিৰঞ্জন ব্ৰহ্ম মূলে নিজ জন।
নিসীম নিমনা কাৰী নিজ নাৰায়ণ।। ২৩৭
জীৱেৰ জীৱন যোগ বলে চৰাচৰ।
তৃতীয় গুণেৰ ব্ৰহ্মা বিষ্ণু মহেশ্বৰ।।
দুঃসঙ্গ জানিয়া নাম সৎসঙ্গে ভিৰাই ।
জগত কৰুণা কৰি ঈশ্বৰ ইচ্ছাই।। ২৩৮
যি দিনে ভূমিত কৃষ্ণে গুৰু অৱতাৰ।
সি দিবস ধৰি হৃয়া নামৰ ভাণ্ডাৰ।।
ভাগে পালি ভগৱন্ত ধৰ্ম মন পূৰি।
নাৰদী পাতালী শঙ্কৰী সম্প্ৰদাজুৰি।। ২৩৯
শ্ৰৱণ কীৰ্তন নাম ভক্তি দুগ্ধ ঢালি।
অব্যক্ত স্বৰূপে ব্যক্ত সংসাৰক পালি।।
ইকথা সবাৰে গূঢ় ভাগসে নিবাস।
কহিলো মানসা যাৰ জন অভিলাস।। ২৪০
সাধে সৰ্ব সিদ্ধি কামনাৰে পৰিহাৰ।
সবে ধৰ্ম প্ৰজা ৰাজা নাম বৈকুণ্ঠৰ।।
বৈকুণ্ঠ নামৰ বোধ জ্যোতিৰ বচন।
হৃদয়ৰ গুৰু মহা কমল লোচন।। ২৪১
বাহিৰে ভিতৰে শুদ্ধ পৰশে পৰশ।
ভাবকে ভাবিতে নাম বহি পৰে বস।।
ভক্তৰ ভকতি নাম সেৱা কৰে বশ্য।
গুহ্যৰো যে গুহ্য আতি ৰহস্যৰ ৰহস্য।। ২৪২
ৰাম বুলি তৰে পাপী কৃষ্ণ বুলি তৰে।
শঙ্কৰ বুলিয়া মুখে সপ্তম উদ্ধাৰে।।
উপদেশ শিক্ষা নামে তিনি সাত কয়।
একান্ত শৰণে কোটি নৃসিংহেক হয়।। ২৪৩
বিশিষ্টে বিশিষ্ট যাৰ নামে বিপৰীত।
অংশ সমন্বিতে কুল পুৰুষ সহিত।।
দুৰ্লভে দুৰ্লভ নাম সুলভে ঈশ্বৰ।
কিছু নাই কিছু নাই অশান্তি জীৱৰ।। ২৪৪

আপুনি ঢুকাই শুকাই নায়ক নাগৰ।
প্ৰসিদ্ধ মায়াক কাই গুণে গুণাকৰ।।
শঙ্কৰ শঙ্কৰ বুলি কোটি আঠ পাত।
আপুনি গৃহস্থে অন্ত পুছ আৰ কাত।। ২৪৫
আপুনি কায়স্থ আইল *পোৱকাৰ খতি।
পতিত পাৱন নামে পতিতৰ গতি।।
যশে নিৰঞ্জন নিৰাময় নৱ নিধি।
মুখে নাম হৃদি ৰূপে বিধতাৰ বিধি।। ২৪৬
ভক্তিৰ বিন্দুৰে তাৰে কোটি কোটি মান।
নাহি নাহি নাহি আন ভকতি সমান।।
কাংশ ঘণ্টা শব্দ যেন ধৱি ধৰমত।
হেনসে সৰ্বাঙ্গ আঙ্গ জাঙ্গ মাধৱৰ।। ২৪৭
থাকিলেসে থাকে ভালে নথাকিলে নাই।
আজিও উদ্ধৱ হনুমন্তে আছে পাই।।
ভকতিসে ধ্বজ ধৰ্ম ধৰণী মণ্ডলে।
ভাৱকে ভাবিতে নাম হৃদয় কমলে।। ২৪৮
উচ্চাকা উদ্যগাৰে পাপৰ সংহাৰ।
ঈশ্বৰ ইচ্ছাৰ দিনে দেশত প্ৰচাৰ।।
মাছ কাছ সিংহ পশু শুকৰ লীলাই।
শৃদিৰ কহয় পূৰ্বাপৰক নচাই।। ২৪৯
নাম নুসুমৰে যিটো নিচিন্তে চৰণ।
সদায়ে প্ৰমত্ত পাপী অসতী দুৰ্জন।।
শাস্ত্ৰতে নজানি অশাস্ত্ৰতে নৰাধম।
মইনা ভাটোৰ ভাস নাই সমাগম।। ২৫০
যুগুতি পুচিলে পাছে ক্ৰোধে পাৰে গালি।
অবিদ্যা মায়াৰে যাক *খাতি আছে শালি।।
গুৰু বোধ শিক্ষা নাম নমানে ভকতি।
সেব্য নিৰন্তৰে পূজ্য কিবা তাৰ মতি।। ২৫১

---

* পোৱকাৰ - পোৱকাৰ মানে পতিশাল কৰা লোক। ইয়াত মহাপুৰুষৰ শিষ্য বা ভক্ত সকলক বুজাইছে।

¹ খাতি - খাটি, খেল।

সন্তৰ পৰশ কেৱল কৃষ্ণ অনুগ্ৰহ।
জন্ম ফল ৰাশি জীৱ কাল কৰ্মে বশ।।
জনমে জনমে বাৰে বাৰে অধৰ্মৰ।
মাধৱৰ মায়া মহা পুৰুষ শঙ্কৰ।। ২৫২
নাম সম্প্ৰদানে ভৃত্য কৰুণা কিঙ্কৰ।
স্বভাৱে অধীন দাস্য ভৃত্যৰো ভৃত্যৰ।।
নিগদতি সাধু নিজ গুৰু জগন্নাথ।
যাৰ নাম কথা ভক্তি ধৰ্ম পৰমাৰ্থ।। ২৫৩
হেন পদ পঙ্কজৰ কীৰ্তন বিশিষ্ট।
জ্ঞানতো কৰ্মতো কৰি ভকতি গৰিষ্ঠ।।
গীতা ভাগৱত গূঢ় গজমূৰ্খী গাই।
বিচাৰি দেখিও দিব্য জ্ঞান মুনি সাই।। ২৫৪
বৌদ্ধৰ এৰায়া বোধে মনৰ নিচ্ছল।
নামেসে পৰম গতি ভকতি প্ৰবল।।
যাগ যোগ যজ্ঞো অশ্বমেধ তুলা দান।
সবে মিলি নোহে হৰি নামৰ সমান।। ২৫৫
যত দেৱ দেৱী দেৱতীৰ্থ অপৰ্যন্ত।
মুকুতি কাকুতি পাছে কাছে ভগৱন্ত।।
ধৰ্মৰ গৃহস্থ অষ্ট চৰণত ধৰি।
কহে শুদ্ধোদনী পুত্ৰে বোলা হৰি হৰি।। ২৫৬

* * * *

ঘোষা : ওঁ নমো নাৰায়ণ নমো নাৰায়ণ।
শীতল চৰণ ছায়া, পশিলো শৰণ
নমো নাৰায়ণ।। ২১

পদ : অনন্ত ব্ৰহ্মাণ্ড হৃদয়ে নিবাস
তাতে জগবাস হৰি।
পুছিলা আমাত কহিলো তোমাত
জানিবাহা নিষ্ঠ কৰি।।

দেহ ব্ৰহ্মাণ্ডৰ গোবিন্দেসে গিৰি
সুখময় পৰিত্ৰাণ।
বাসনা আৰ্জিত জীৱৰ বাঞ্ছিত
নাৰায়ণ নিজত্ৰাণ।। ২৫৭
শৰীৰৰ মাজে হিয়াত অগনি
তিনি তাপে বিপৰীত।
চিত্ত নামে জুই বায়ু বহি ৰই
পুৰি মাৰে নিত্য নিত।।
কৰ্ম অকাণ্ড বাসনা অনন্ত
তাতে জীৱ মৃগ প্ৰায়।
ইহাৰ ঔষধ যশ কৃতমৃত
আনমতে গতি নাহি।। ২৫৮
পদ পঙ্কজত নাম কণ্ঠোগত
প্ৰসিদ্ধ অমৃত পান।
ভৱবন্ধ ছেদি অচ্যুত স্বৰূপে
বৈকুণ্ঠত পাই থান।।
ঘোৰ মায়াজাল পালনে গোপাল
দয়াময় দামোদৰ।
ঈশ্বৰ মাধৱ প্ৰাণৰ বান্ধৱ
সংসাৰ পালি শঙ্কৰ।। ২৫৯
স্বৰ্গ নৰকৰ জীৱ পৰিনীতি
বৈকুণ্ঠে থিতো চলয়।
মহা জ্ঞানীগণ সাধুসে জানয়
হৰিক ধৰি হৃদয়।।
কৃষ্ণৰ চৰণ কেশৱৰ নাম
ভকতেসে ধৰ্ম জানে।
অজ্ঞানী দুৰ্জন পাপে যাৰ মন
শাস্ত্ৰকো বেদো নেমানে।। ২৬০
সৎসঙ্গ ভকতি কেৱল কৰিলা
শঙ্কৰেসে কৃপা কৰি।

সংসাৰৰ পাৰ পৃথিৱীৰ ভাৰ
গুৰু দেৱ নাম ধৰি।।
সন্ত কৃপা হেতু দুষ্টক দমন
লীলা ৰূপে বাৰে বাৰ।
যত অপমান পাইল ভগৱান
শঙ্কৰেসে ওঁৰা তাৰ।। ২৬১
বোলন্ত গোসাঁই শুনিও মাধৱ
মোহোৰ সুহৃদ নাই।
পাষণ্ড সম্বাদ বজ্ৰৰ শঙ্কাত
হৃদয়ে নিদিয়ে ঠাই।।
ব্ৰাহ্মণৰ গালি ব্ৰজৰ বটালি
বণ্ডে কৰে স্কন্ধপাত।
চিন্তিলো কুশল ভৈল অমঙ্গল
নভৈল গুণ আমাত।। ২৬২
সাধুজন যাজে ইটো সামৰাজে
ধৰ্ম সত্য কোনে কয়।
দাদুৰীৰ মাত পুৰুষ বখানে
জ্ঞানীৰ হেলসে নয়।।
সবাতো সমান দিয়া নাম দান
নাহি ক'তো ভিন পৰ।
জ্ঞানী কৰ্মী যোগী ব্যৱস্থা কৰিয়া
কহিলা গুৰু শঙ্কৰ।। ২৬৩
কহিলোহো ভেদ যেন হৃদয়ৰ
হৰিনাম ধৰ্ম তত্ত্ব।
শঙ্কৰক মনে নেৰিবাহা তুমি
ধৰিয়া হৃদি পৰত।।
সংসাৰ সাগৰে ঈশ নাৰায়ণ
মহা পুৰুষৰ মায়া।
বেদ বিধায়ক মুকুতি দায়ক
জগতকে কৈলা দায়া।। ২৬৪
সন্ত সদাচাৰ বেদ ব্যৱহাৰ
নাম বিনে গতি নাই।

যাব যেন মতি গুরু উপদেশ
কেশবব দুই পাই।।
সন্ত সাধু ভাবে অজ্ঞানী চলয়
ভকত স্বভাব ধবি।
জানি পূর্বাপব নাম শঙ্কবব
হবিগুরু কণ্ঠ ভবি।। ২৬৫
ভকতব সঙ্গে শ্রবণ কীর্তনে
নাম ধর্ম সমস্তব।
সাধু নিগদতি কহিলা সম্প্রতি
সবাবো গতি শবণ।।
সাধনে প্রসন্ন করুণা মদন
এবিগুরু জানকায়।
পদ নিগদতি শূদ্র হীন মতি
মাধবব ধর্ম নাম।। ২৬৬
শাস্ত্রব সম্মতে ব্রাহ্মণ ভকতে
অন্ত্যজো পাবে তবণ।
জানি সাধুজন সেবিবা কীর্তন
ভজিয়া কৃষ্ণ চবণ।।
শাস্ত্র সাব বীজ নামক সেবিবা
শঙ্কবক মূলে ধবি।
সংসাব তবণ সঙ্কট সময়ে
যোবিগুরু হবি হবি।। ২৬৭

* * * *

ভাগৱত বৰ্ণন

ঘোষা ঃ ৰাম কৃষ্ণ হৰি শঙ্কৰ, চৰণে শৰণ লৈলো।
তোমাৰ চৰণ নিচিন্তিয়া পাপী ভৈলো।। ২২

পদ ঃ সাধু নিগদতি যেন বুজিলা নিয়ম।
নিগম কল্পতৰু নাহি সমাগম।।
আপুনি কহিলা যাক শুক নাৰায়ণ।
ঈশ্বৰ শঙ্কৰ কৃষ্ণ কুসুম নন্দন।। ২৬৮
ধৰ্মৰ নিয়ম নীতি যেন পৰাক্ৰম।
ভকতি নভৈলে ব্যৰ্থ যত পৰিশ্ৰম।।
শ্ৰৱণ কীৰ্ত্তন নাম ৰস সুমধুৰ।
ধৰ্মপুৰ নগৰৰ ভাণ্ডাৰ প্ৰচুৰ।। ২৬৯
বৈকুণ্ঠে আছিলা পূৰ্বে কপাট সঞ্চাৰ।
ব্ৰহ্মাত কহিলা মূল চাৰি গোটি তাৰ।।
চাৰিও বেদৰ সাৰ পৰম ৰহস্য।
আপোনাৰ নাম কহি আপুনিয়ে বশ্য।। ২৭০
বিধিয়ে হৃদয়ে ধৰি কৈলা নাৰদত।
নাৰদো ধৰিলা সেহি কাণে হৃদয়ত।।
হৰি গুণ নাম মুখে বীণা উচ্চাৰিয়া।
বেকত কৰন্ত মহাহৰিক চিন্তিয়া।। ২৭১
পবিত্ৰ কৰিয়া ফুৰৈ তিনিও জগত।
মহাপুৰুষৰ মায়া উপৰি মহত্ত।।
চাৰি গোটা শ্লোক কৈলা নন্দৰ নন্দন।
ছয় গোটা কৰিলন্ত চতুৰ বদন।। ২৭২
ঋষি উদাসিনে ধৰ্ম ছয় শ্লোক কৰি।
ব্যাসত কহিলা তেহে আঠ গোটা কৰি।।
আঠো অঙ্গ দশোৱাৰ দেখিয়া চৰণ।
শৰণ ব্ৰহ্মক ব্যাসে ভৈলা মনিশ্চন।। ২৭৩

সেই লিখি মাত্র সবে মহাপুরুষের।
কৃষ্ণর ভজন বহু পদ মাধবের।।
ভকতি সম্পদ পাই আনন্দ অপার।
কবির কণ্ঠে গীতা রচিলা বিচার।। ২৭৪
ভাগবতে রচিলন্ত হৃদয়ে নিদান।
অনন্ত কহিলা দশ প্রেমর নিদান।।
বৃত্তান্ত কহিলা ভাবে করিয়া প্রবন্ধ।
বহুকোটি শ্লোক তৈলা নাম মহাছন্দ।। ২৭৫
মূল যে মূর্তি বহু ফল সময়।
মহা ভাগবত কৈলা কুসুম অভয়।।
এহি চলি বসন্তে ফলয়ত চালি।
বাসিবার দেখে যেন বরষিল পানী।। ২৭৬
উক্ত গীত হয় বহু বুদ্ধিকে সমান।
উত্তম মঙ্গল বাক্য করি একমান।।
পরম শোভন তৈল লোকর কুশল।
শ্রবণ কীর্তন কর্মে ধর্মী মঙ্গল।। ২৭৭
ভাগবত রস সব নানাভাবে ভকতি।
শঙ্করে সাধিলা সিদ্ধি নিজগত পতি।।
অনন্ত অন্তর্যামী দেব দয়াময়।
নারায়ণ নিরঞ্জন ব্যাপিত হৃদয়।। ২৭৮
মহা শাস্ত্র সর্বসার জ্যোতিষে প্রধান।
কর্ম অকর্মর চিহ্ন নামর উত্থান।।
চরণে শরণ বুদ্ধি পশে রাখ নাম।
দেখিব নারক নর ভক্তর কাম।। ২৭৯
মনুষ্য হৈবার ফল হরিত শরণ।
সকলো বেদীত শাস্ত্র নিত্য বরণ।
জানিয়া নিজয় বাণী ভজা নাম হরি।
ভক্তি কীর্তন করি বোলা হরি হরি।। ২৮০

* * * *

ঘোষা ঃ কৰা কৃপা ৰাম কমল লোচন
কৰা দয়া চোৰি মায়া তোমাৰ চৰণ।। ২৩

পদ ঃ ব্ৰহ্মাত পুছিলা জ্ঞান তনয়ে পূৰ্বত।
নজানন্ত জ্ঞান বিধি কি কৈবো পুত্ৰত।।
মহা লজ্জা হোৱে দেখি ভক্ত সৃষ্টিকৰ।
হংস ৰূপ ভৈলা মহাপুৰুষ ঈশ্বৰ।। ২৮১
জ্ঞান যোগ কহিয়া ৰাখিলা ভগৱন্ত।
পাছে চাৰি শ্লোক ধৰ্ম ব্ৰহ্মাকে দিলন্ত।।
জ্ঞান যে বিজ্ঞান ভাঙি কৈলা নাৰায়ণ।
তদঙ্গ ৰহস্য ভক্তি ভকতৰ ধন।। ২৮২
ছয় গোটা কৰি তাক কৰিলন্ত সাৰ।
নাৰদৰ দুই আঠো গোটা সাৰোধাৰ।।
ব্যাসে দশ গোটা কৰি কৰিলা প্ৰবন্ধ।
শুকে বাৰ শ্লোক কৰি কৈলা বাৰস্কন্ধ।। ২৮৩
জগতৰ গুৰু কৃষ্ণে আছে লক্ষ্য কৰি।
পৰম পুৰুষোত্তম সনাতন হৰি।।
মহাপুৰুষৰ মায়া মাধৱ মকুন্দ।
বনমালী বাসুদেৱ জগ মোহ *বুন্দ।। ২৮৪
বুন্দা কৰি মায়া বাজি কৰিলা গোপাল।
সংসাৰ ঢাকিয়া নামে তৰিলন্ত জাল।।
হৃদয়ৰ বাৰস্কন্ধ ধৰিয়া গুহ্য।
ভাগে ভাগে বিভঞ্জিলা ভাগে কৰি অস্ত্ৰ।। ২৮৫
প্ৰথমতে জীৱ শুদ্ধ ব্ৰহ্ম দিলা লয়।
দ্বিতীয়ত বাতি যোৰি ঈশ্বৰ নিৰ্ণয়।।
তৃতীয়ত সৃষ্টি মায়া চৌবিশ যে তত্ত্ব।
চতুৰ্থে তৰণ পাপী শাস্ত্ৰৰ সম্মত।। ২৮৬
পঞ্চমত জ্ঞান গুৰু লক্ষণ সহিত।
ভক্তৰ ভকতি ধৰ্ম কৰিলা বিদিত।।

---

* বুন্দ — কিনাণ

বিজ্ঞান স্থাপিয়া ষষ্ঠে প্রপঞ্চি শঙ্কৰ।
হৰি গুৰু একেৰস কৰিলা ঈশ্বৰ।। ২৮৭
বিজ্ঞান স্বৰূপে জ্ঞান গুৰু হৰিময়।
চৌষষ্ঠি নৰক দুই দেখাইলা সংশয়।।
তদঙ্গ ভক্তিৰ সঙ্গ সপ্তমে দেখাই।
ৰাজসূয় যজ্ঞভাগ পাতিলা লীলাই।। ২৮৮
অষ্টমে ৰহস্য ভক্তি অমৃত মথন।
জীৱক কৰিলা কৃপা কুসুম নন্দন।।
জাতি নামে নৱমত ৰাজা ৰংশাৱলী।
যাৰ যেই পৰিণীতি ভাগে কৰি বলি।। ২৮৯
দৈব্য বুলি দশমত দশ গোটি নাম।
ত্রিভুবনে সম নোহি মুখ্য অনুপাম।।
গুণ যশ একাদশ ভকত বৎসল।
হৰি ভকতৰ কথা সমসৰ ফল।। ২৯০
ঈশ্বৰৰ গুণ যশ ভকত বৎসল।
ভকতৰো গুণ সেই ভকতি প্রবল।।
ক্রীড়া নামে দ্বাদশত ধৰ্ম সমাপন।
সৃষ্টি স্থিতি কৰ্ম লীলা ঈশ্বৰৰ বন।। ২৯১
ভকতৰ সৃষ্টি স্থিতি সি কৰ্মে উচিত।
পূৰ্বাপৰ মহত্তৰ নুহিকে বিদিত।।
ব্রহ্মা বিষ্ণু হৰে কৰে আজ্ঞাত বসতি।
বাহু স্কন্ধ ৰস ভাগ সাধু নিগদতি।। ২৯২
শুনা সভাসদ জন স্থিৰ কৰা মন।
জন্মৰ আৰ্জিত মহাপাপ কৰি ছন।।
শঙ্কৰ চৰণে মতি নেৰিবাহা নাম।
খণ্ডোক সংসাৰ মায়া বোলা ৰামৰাম।। ২৯৩

* * * *

ঘোষা : পরমানন্দ হরি পরমানন্দ, নাজানো ভকতি স্তুতি
পাপী মত্তমতি মন্দ।। ২৪

পদ : পরম পাতকী পাপী পামর মোহ।।
যার গুণ নাম যশো জগতর মোহ।।।
আদি ভাগৱত মূল শ্রীনারায়ণ।।
ব্রহ্মাদেৱে হেতু তার দৃঢ় আৱরণ।।। ২১৪
নারদে সম্প্রদা ভৈলা ধর্ম্ম শ্রেষ্ঠতর।।
ব্যাস ঋষি ভাগৱত শাস্ত্র প্রচুরন।।।
শুকেয়ে আচার্য্য যত টীকা পরিনীতি।।
পরীক্ষিত অলঙ্কার সুন্দর প্রভৃতি।।। ২১৫
বহিবার থলী সূত শৌনকর মাজ।।
শ্রেষ্ঠ হয়া ব্রহ্মাসন দিলা ঋষিরাজ।।।
নারদী সম্প্রদা ভৈলা ভাগৱত যত।।
শাস্ত্রানী সম্প্রদা ভৈলা নিত্যনার তত্ব।।। ২১৬
অচ্যুত কহিলা ধর্ম্ম পূর্ব্বে চতুরত।।
অনন্তে কহিলা চারি সিদ্ধর আগত।।।
চারি সিদ্ধে কহিলন্ত সাংখ্যায়ন আগে।।
সাংখ্যায়ন হন্তে পাইলা সূত মহাভাগে।।। ২১৭
আর্ত্তইলা সহস্র ঋষি কহিলা শৌনক।।
কপাটে কহিয়া সূত্রে কনক উপদেশ।।।
সর্ব্ব হানিমাত কুম্ভ লেখে আগ্না জানি।।
বৈনাক সাথোনি হাসি মুনিমাত বাণী।।। ২১৮
লেখা লেখা বচনাত্মক কথন অনুমান।।
সাংখ্যায়ন হন্তে মহা ধর্ম্ম আছে পায়।।
যার পদ সেবা করি পাইলা ব্রহ্মাসন।।
তাক এরি করহু চারি সিদ্ধ ভজন।।। ২১৯
মূল শুক শিক্ষা ঢাকি পাপী ঠেক খাই।।
বচনার আগত হরি কহিলা সবাই।।।

যেন পদ এৰি মাথে কৰয় গমন।
মাধৱে বুলিলা হেন সম্বোধ বচন।। ৩০০
কৃষ্ণৰ বচনে ৰামে দণ্ডে সমুচিত।
কৰিলা উচিত দণ্ড নথৈলা ভূমিত।।
মুষল ধৰণ হাতে সূত গৈল মৰি।
অনাদি ভৈলন্ত ঋষি কান্দে দুখ কৰি।। ৩০১
দ্বিজৰ কাৰুণ্যে বলো তুষ্ট ভৈলা আতি।
দিলন্ত আচাৰ্য শুক সূতবেসে নাতি।।
ৰোম হৰষৰ পুত্ৰ উচ্চৈশ্ৰৱা নাম।
সেহি ব্ৰহ্মাসনে থাপি কৈলা গুণগ্ৰাম।। ৩০২
সেহি সূতে কৈল আসি ৰাজাৰ সমাজ।
সিদ্ধমুনি ষাঠি সহস্ৰেক ঋষিৰাজ।।
সনকাদি আছিলন্ত শৌনকৰ তাত।
আঙ্গুলি উদ্দেশি শুকে দেখাইলা সভাত।। ৩০৩
পুণ্য অৰণ্যৰ তত্ত্ব কহিলা নিয়ম।
মুখে নাম হৃদি জপ সমস্ততে সম।।
অগম্য অৰণ্যে সিংহ হৰি নাম ধৰ্ম।
ভাগৱত ভাষ্যটীকা কহিলাহা মৰ্ম।। ৩০৪
শঙ্কৰী সম্প্ৰদা কৰি গৃহস্থে গোটাই।
পূৰ্বে চাৰি শ্লোক পুনু বান্ধিলা চপাই।।
চাৰিটি সংসেঙ্গ কৰি কৰিলা প্ৰচাৰ।
চাৰি ৰসে জানিলন্ত বাহ্ৰস্কন্ধ সাৰ।। ৩০৫
চাৰি শ্লোকে বাহ্ৰশ্লোক জোৰণি মহলা।
বাহ্ৰয় মহলা ভাঙি কৈলা এককলা।।
বেদৰ বিহিত বিধি পাপৰ অন্তত।
কৰুণা কৰিলা লোক তৰণ জগত।। ৩০৬
গীতা ভাগৱত ঘোৰ সমুদ্ৰৰ দাঙি।
শ্ৰৱণ কীৰ্তন তুলি প্ৰচাৰিলা ভাঙি।।
কৃষ্ণত ভকতি নাম ধৰ্ম জগতৰ।
সংসাৰ সাগৰে কৃপা কৰিলা শঙ্কৰ।। ৩০৭

এতেকে ধৰিও ধৰ্ম নিধি হৰিনাম।
মৰণ সঙ্কটে নাম লৈয়ো অবিশ্রাম।।
হেনয় চৰিত্র মৃত শ্রৱণে মধুৰ।
বোলা হৰি হৰি পাপ হৌক মৰিমুৰ।। ৩০৮

* * * *

ঘোষা ঃ হে হৰি নাৰায়ণ তাৰণ কাৰণ।
পাপ গ্রাহে নিগ্রহিয়া নামত শাৰণ।। ২৫

পদ ঃ আপুনি কহিলা প্রভু মৰ্মে মহেশত।
আপুনি বেকত গুৰু দেৱ মনুষ্যত।।
নামক উদ্ধাৰি ধাম ধৰ্মৰ শৰীৰ। ৩০৯
যদুকুল আগ কৰি কৰিলন্ত থিৰ।।
ভক্তিৰ অখণ্ড গুৰি ধৰ্মৰ কন্দল।
পাপে পাৰ ভগৱন্ত ভকত বৎসল।।
পাষণ্ডৰ কালান্তক বন্ধু বৈষ্ণৱৰ।
নৰহৰি নাৰায়ণ ঈশ্বৰ শংকৰ।। ৩১০
সংঘাটন ঘট-পট মিলিল বিবাদ।
শিৱত সদয় ভৈলা ভকতি প্রসাদ।।
বিশ্বদ্রোহ অমোচন আগমৰ গুণে।
সত্য সনাতন নৰে আসিয়া আপোনে। ৩১১
কহিলন্ত পশুপতি জানিলন্ত গৌৰী।
শংকৰ মাধৱ বস্ত্র কৈলা বিষ্ণুপুৰী।।
ৰত্নাৱলী নামে ক্ষীৰ সাৰ ভাগৱত।
কলিত অৰ্চ্চনি বিষ্ণু বৈষ্ণৱ নৰত।। ৩১২
কল্পান্তৰ অন্তে ভাগ মহা ভগৱন্ত।
জানি ব্রহ্মানন্দে মনে নামে ভজিলন্ত।।
জানন্ত ঈশ্বৰে কহে ত্রিজগত পতি।
নজনা মানুষে বোলে কুসুম সন্ততি।। ৩১৩

যাৰ প্ৰয়োজন তাৰ পাইব নাৰায়ণ।
গীতাৰ নিবৃত্তি কৃষ্ণ দেৱৰ বচন।।
শৰণ্যৰে শংকৰৰ নাম অগ্ৰগণি।
অমোদিত মদ্যপান নামেসে তৰণি। ৩১৪
বাহিৰে ভিতৰে এক হৃদয়ৰ হৰি।
অন্তৰ বজাই কৃপা তপে মায়া কৰি।।
মহাপুৰুষৰ বাণ বসে ধৰ্ম বাণী।
পাপত মুকুটে কত পিঠ কৰ্মীগণি।। ৩১৫
কালচক্ৰ মায়াচক্ৰ সংসাৰ চলন।
চকা চক্ৰৰ গতি শাস্ত্ৰ জ্যোতিষৰ।।
বিষ্ণুপুৰী কমলৰ হৃদপুৰী পদ।
হঠাতে নকৰি নিন্দা জানি সজ্জন।। ৩১৬
মূলত নপাহিলে কই বোলা হেন বাণী।
অবোধ মূৰ্খ নিন্দা কৃষ্ণক নজানি।।
ব্ৰহ্মা হৰে পাৰে যাৰ নাথক সদায়।
হেন গুহ্যৰ কোনে জানি অন্ত পায়।। ৩১৭
উপৰি জনমে সাত্ত্ব যাৰ ভক্তি ভাৱ।
পুণ্য ধন সাকলিয়া ভাগ্যে পাই লাভ।।
ধাৰ্মিক সকল ধৰ্ম বস্তু লাগি জান।
তাসবাক লাগি নাম জগতৰে দান।। ৩১৮
দুৰ্লভ লভিয়া নাও জনমৰ কায়।
এৰাই সংসাৰ পি পি দুখে গৈয়া যায়।।
সময়ত জনম যাত শংকৰক লাগি।
সংসাৰ তৰিয়া সবে বোলা হৰি হৰি।। ৩১৯

* * * *

যুগ ধৰ্ম নিৰ্ণয়

ঘোষা ঃ বোল হৰি ৰাম সুমৰো সদাই।
নিৰঞ্জন নিৰাকাৰ মাধৱৰ পাই।। ২৬

পদ ঃ লৈয়া গুৰু উপদেশ বেদৰ বিচাৰ।
শঙ্কৰত বিনে গিৰি নাহি অধিকাৰ।।
ধৰ্মৰ নিৰ্ণয় তত্ত্ব শুনা অভিপ্ৰায়।
শ্ৰৱণ কীৰ্ত্তন হৰি নাম পূৰ্বে নাই।। ৩২০
সত্য যুগে ধ্যান ধৰ্ম ভক্তি মনুষ্যৰ।
ত্ৰেতাত যজন যজ্ঞ ধৰ্ম নিৰন্তৰ।।
দ্বাপৰৰ ধৰ্ম ভক্তি পূজা নানা মত।
কলিত অকষ্টে পাই তাক কীৰ্ত্তনত।। ৩২১
সত্য ত্ৰেতা দ্বাপৰ কলিৰ শেষ ভৰি।
প্ৰকাশ কৰিলা নাম গুৰু ধৰ্ম কৰি।।
সত্য যুগে বোল্ল নাম ধৰ্ম পূৰ্বাপৰ।
ত্ৰেতাত ত্ৰাহয় নাম গুহ্য শ্ৰেষ্ঠতৰ।। ৩২২
দ্বাপৰৰ আঠ নাম ঈশ্বৰৰ লীলা।
কলি যুগে চাৰি নাম গূঢ়ে প্ৰকাশিলা।।
বিভাগীয়া পুষ্ট কৰি সংসাৰ তৰণি।
চাৰিও যুগৰ স্বধৰ্ম চূড়া মণি।। ৩২৩
সত্যৰ সোত্তৰ লক্ষ আঠাইশ হাজাৰ।
ত্ৰেতাৰ বাহুয় লক্ষে ছয়ানবৈ তাৰ।।
দ্বাপৰৰ আঠ লাক্ষ্য হাজাৰ চল্লিশ।
কলি যুগে চাৰি লাখ হাজাৰ বত্ৰিশ।। ৩২৪
চল্লিশ হাজাৰ লক্ষে হাজাৰ বিংশতি।।
সত্য ত্ৰেতা দ্বাপৰ কলিৰ পৰিমীতি।।

এহি চাৰি যুগে এক যুগ অমৰৰ।
দিব্য হেজাৰক যুগে দিন সৃষ্টিকৰ।। ৩২৫
*অৱনী দিবসে মনু আঠাইশ যে যাই।
প্ৰত্যেকে মনুৰ দিনে ঈশ্বৰ সহাই।।
চৈধ্য ইন্দ্ৰ চৈধ্য মনু দিন অৱসান।
ৰাত্ৰিবো নিয়ম সম সীমা পৰমাণ।। ৩২৬
একে যুগে চাৰি যুগ ধৰ্ম পৰিচ্ছেদ।
দিবসত যাই দিন যুগ কল্প বেদ।।
মহা পুৰুষৰ মায়া আদি অন্ত নাই।
ব্ৰহ্মা হৰ মনু যাক হৃদয়ে ধিয়াই।। ৩২৭
নিৰঞ্জন নিৰাকাৰ ব্ৰহ্ম নিৰাময়।
মনোময় ৰূপে ধৰি নামেসে হৃদয়।।
ভকতৰ পদে ৰাম কৃষ্ণ নাৰায়ণ।
সৃষ্টিক আসিলা গুৰু কুসুম নন্দন।। ৩২৮
হৃদয়ৰ নিজগুৰু প্ৰভু মহাহৰি।
জ্ঞানী কৰ্মী যোগীসিদ্ধি সেৱয় নাম স্মৰি।।
সৰ্ব অপৰাধ পাপ নামে মৰিমূৰ।
শ্ৰৱণ কীৰ্তন বলে চলে বিষ্ণুপুৰ।। ৩২৯
মাধৱৰ ঘোৰ মায়া হৰিশে ঈশ্বৰ।
কহিলো নিৰ্ণয় যত তত্ত্ব জ্যোতিষৰ।।
ৰাঘৱ নামৰ গুহ্য অনন্ত অচ্যুত।
গৃহস্থত ৰাজেকেহো নকৰে মুকুট।। ৩৩০
জানিয়া কীৰ্তন কৰা নামক সদাই।
গুৰু শিক্ষাক ত্যাজি ব্যৰ্থ মুনিষাই।।
পাপ সংহাৰণ এহি শঙ্কৰ চৰিত্ৰ।
বোলা হৰি হৰি নামে কৰি একচিত।। ৩৩১

* * * *

---

*অৱনী - পৃথিৱী।

ঘোষা ঃ গোপাল গোবিন্দ যদুনন্দন।
তুৰাগুণ নামে তোমাৰ চৰনে লৈলো শৰণ।। ২৭

পদ ঃ সত্য ত্রেতা দ্বাপৰ কলিৰ ধৰ্ম যত।
পুৰাণ সংহিতা মৰ্ম বেদান্ত সন্মত।।
মহা হৰি ৰূপে আদি অনাদি ঈশ্বৰ।
নামৰ গৃহস্থ অস্ত্র অনাদি জীৱৰ।। ৩৩২
সত্য যুগে ষোল্ল নাম দশ গোট সাৰ।
তুলসীৰ মালা লৈয়া জাপ্য সাৰোধাৰ।।
মেৰু পাই লুটি দিয়া মহন্ত সকল।
মেৰু ছাড়ি গৈলে নামে নধৰয় ফল।। ৩৩৩
ত্রেতাৰ বাহ্নয় নাম হৰণিয় তাৰ।
গড় খড়্গৰ মালা তৰণে সংসাৰ।।
মেৰু পাই ঘূৰি যাই প্রসন্ন মহত।
মেৰু উলঙ্ঘিলে ভক্তি হোৱে সমাপত।। ৩৩৪
দ্বাপৰৰ আঠ নাম মালা ৰুদ্রাক্ষৰ।
পুৰণে অধিক চৰে ধৰ্ম শ্রেষ্ঠতৰ।।
মেৰু পাই গুৰু মুখে পালতি প্রবেশ।
চাৰিও যুগৰ মালা লৈয়া উপদেশ।। ৩৩৫
কলিযুগে চাৰি নাম অতি বিতোপন।
একান্ত শৰণে নাম অমূল্য ৰতন।।
মেৰু দিয়া জাপ্য তুলি ভকতি প্রবল।
আন যুগে আন মালা ধৰ্ম কৰে তল।। ৩৩৬
যেন ধেনু বৎসে হিন তুষাৰে কলাই।
সতীত কহিছ্ৰ হৰে পূৰ্বত বুজাই।।
কলিত পুষ্পৰ মালা গুৰুৰ বচন।
সংসাৰ সাগৰ সিন্ধুতৰে সাধুজন।। ৩৩৭
শঙ্কৰে সংসাৰে আসি কৰিলা বিদিত।
শ্রৱণ কীৰ্ত্তন হৰিনাম মহাবিত।
দুখিত দৰিদ্র ধনৱন্ত হীন জন।
সবাকো পালিয়া সমে গুৰু নাৰায়ণ।। ৩৩৮

জ্ঞানী কৰ্মী যোগীন্দিৰো নামে অধিকাৰ।
নৰকে পৰয় শাস্ত্ৰ নজানিয়া সাৰ।
পৰম ৰহস্য নাম ধৰ্ম সুমধুৰ।
মনে উচ্চৰিলে মহাপাপ হোৱে দূৰ।। ৩৩৯
গীতা ভাগৱত সাৰ ৰহস্য বেদৰ।
নামেসে ধৰম ধৰ্ম ধন ভকতৰ।।
বিনোদ্দ বিহাৰ কৃষ্ণ নজানি ইঙ্গিত।
মহন্তো মান্য নাহি শঙ্কৰত চিত।। ৩৪০
মহা পুৰুষৰ মায়া মাধৱে মুহিলা।
গুৰু শিক্ষা জ্ঞান পাই যিটো পাশৰিলা।।
তাহাৰ সংসাৰ ভয় তৰণ দুস্কৰ।
শুনা সৰ্বজনে হৰি কথা নিৰন্তৰ।। ৩৪১
গুৰু ধৰ্ম সাৰ স্মৃতি শ্ৰৱণ কীৰ্ত্তন।
আনমতে গতি নাহি থিৰ কৰা মন।।
পুত্ৰ ভাৰ্যা ইহলোক পৰলোকে নাম।
আপোন মোক্ষৰ হেতু বোলা ৰাম ৰাম।। ৩৪২

* * * *

ঘোষা : ৰাম কৃষ্ণ ৰাম কৃষ্ণ শঙ্কৰ শঙ্কৰ।
সবাৰো শৰণ্য মহা গুৰু জগতৰ।। ২৮

পদ : নিগদতি সাধু শুনা মানসা নিৰ্ণয়।
ৰাম নাম বিনে ধৰ্ম-ভক্তি নাহি কয়।।
হৰিৰ নামেসে গতি ভকতি মধুৰ।
গীতা ভাগৱত সাৰ ৰসে ভৰপূৰ।। ৩৪৩
সত্য যুগে গঙ্গা যেন গৰিষ্ঠ পৰম।
কীৰ্ত্তনে অপৰিপূৰ্ণ আনে নুহি সম।।
সৰ্ব তীৰ্থ পাৱে নিধি ধৰ্ম একেঠাই।
হাতত্তে মুকুতি যিটো সদা নাম গাই।। ৩৪৪

আপোন নামৰ হৰি নচাৱন্ত সঙ্গ।
নিৰঞ্জন নিৰাকাৰ ৰূপত অনঙ্গ।।
কিৰীটি কুণ্ডলে পীত বস্ত্রে হেমহাৰ।
ছদ্ম ৰূপ ধৰি কৃষ্ণে ক্রীড়িলা অপাৰ।। ৩৪৫
শঙ্কৰৰ যশ কৃতে গুণে নবনিধি।
অঘটন ঘটে আসি আমোঘৰ সিদ্ধি।।
মহাপাপী বিশ্বদ্রোহী তৰণে ঈশ্বৰ।
এতেকেসে নৰমায়া কৰিলা বিস্তৰ।। ৩৪৬
হৃদয়ৰ প্রাণবন্ধু নাৰায়ণ হৰি।
সুবুদ্ধি কুবুদ্ধি বঢ়াই যশ কৃত কৰি।।
হৃদয়ে সুবুদ্ধি দিয়া জনক নৰৰ।
লোকৰ কৰাৱে গুৰু মায়া মাধৱক।। ৩৪৭
হিয়াত থাকিয়া কৰে কৃপায়ে পালন।
সম্ভৱ শিক্ষায়ে তেবে তৰে অজ্ঞজন।।
এতেকে গৰিষ্ঠ জ্ঞান শিক্ষা উপদেশ।
নাৰায়ণ মায়া যত প্রসিদ্ধ বিশেষ।। ৩৪৮
আপুনি বিষয়া গুৰু বিষয়াক মানি।
সংসাৰ সাগৰে সিও নসাধে কল্যাণী।।
শঙ্কৰেসে গুৰু নিজ সংসাৰ মধ্যত।
সমস্তে ঘটৰ ৰাম ব্যাপক জগত।। ৩৪৯
ভূতত নাহিকে দায়া সেৱা অনুমতি।
বৈষ্ণৱত প্রীতি নাহি নামে নাহি ৰতি।।
পাপতো আশঙ্কা নাহি যমতো সংশয়।
ৰাম কৃষ্ণ শঙ্কৰৰ গুণ নগাৱয়।। ৩৫০
ভকতকো হাস্য কৰে পাপৰ বলত।
মহাপুৰুষৰ মায়া অচিন্ত মহত।।
সাধনা কৰ্মৰ ফলে তেজে হয়া বৃদ্ধি।
মনুষ্য হৈবাৰ ব্যৰ্থ নসাধয় সিদ্ধি।। ৩৫১
হৰিক ভজনে নৰজন্ম প্রয়োজন।
শ্রৱণ কীৰ্তন নাম ভক্তিৰ সাধন।।
হৰিৰ চৰণে নামে আনে লাগি ভাগ।

বিষয় বাসনা পাশ জৰী নেৰে লাগ।। ৩৫২
নাকবিন্ধা বলধীক যেন নেই টানি।
ঈশ্বৰ চলাই সেইমতে চক্ৰপাণি।।
যাবতে নেবাই কৰ্ম জৰী লাগ ধৰে।
মায়াত মজিয়া পুনু পুনু তাকে কৰে।। ৩৫৩
নেৰয় মহন্তে জানি সন্তৰ সঙ্গতি।
হৰিপৰায়ণ নামে নখণ্ডে ভকতি।
এৰিবাৰ যোগ্য নুই থাকিবে লাগয়।
মহা বিষয়ৰ গতি ভকতি সাধয়।। ৩৫৪
ভকতি নভৈলে ভূমি যাই অধোগতি।
আনবো সাধিবে সিদ্ধি কি কৈবো সম্প্ৰতি।।
ভক্তৰ ভকতি ধৰ্ম নামে মহাবিত্ত।
শাস্ত্ৰৰ উদ্ধৃত বাণী বেদৰ বিহিত।। ৩৫৫
যত দেখি শুনি কেহো নাবাই লগত।
এতেকে নেৰিবা নাম সন্তত সঙ্গত।।
শ্ৰৱণ কীৰ্তন ধৰ্ম সুখকৰ নাম।
খণ্ডোক পাপৰ ভাৰ বোলা ৰাম ৰাম।। ৩৫৬

* * * *

ঘোষা ঃ পুণ্ডৰীকাক্ষ বৈকুণ্ঠৰ পতি।
ৰত্ন সিংহাসনে স্থিত গৰুড়ে গতি।। ২৯

ঃ জগত জীৱন ৰাম কৃষ্ণ নিৰাময়।
নিৰাকাৰ নিৰঞ্জন ঐচ্যুত হৃদয়।।
কাৰ্যৰ কাৰণে তীব্ৰমূৰ্তি মাধৱৰ।
বাহ্য কৰি ক্ৰীড়া মানে বৃত্তি মনুষ্যৰ।। ৩৫৭
সংসাৰ পালনে বহু বিধ ৰূপ ধৰি।
অংশ কলা বহিংশ আদি ঘোৰ মায়া কৰি।।

সত্য লোকে শিৱ দেহা পাতালেসে পাই।
বিধি অগোচৰ যিটো ঈশ্বৰৰ কাই।। ৩৫৮
স্থাবৰ জঙ্গমে মেদ অস্তিসে গাবৰ।
বাতৰি হাজাৰ নাড়ী নদী সৰোবৰ।।
ৰোম গুৰি কুশাক্ষ ত্ৰিসৰে বাজ হয়।
ইচ্ছা মাত্ৰ কটাক্ষত ছিদ্ৰ চাই ক্ষয়।। ৩৫৯
চন্দ্ৰ সূৰ্য নেত্ৰ যাৰ কাৰ্ণাত ভিন।
মেলন জপন পঞ্চাৰকে ৰাত্ৰি দিন।।
বিশ্বৰূপী ভগৱন্ত কাৰ্য প্ৰস্থাৱৰ।
চৈধ্যয় ভুৱনে একে অঙ্গ পুৰুষৰ।। ৩৬০
চন্দ্ৰ সূৰ্য হেন দুই চক্ষুক উপেক্ষি।
ধ্ৰুৱ আদি গ্ৰহ তৰা নক্ষত্ৰক লেখি।।
নিশ্চয় কৰিয়া দৃঢ় কৈলা বাহু তুলি।
চৌৰাশী হাজাৰ লক্ষ নৱে কোটি বুলি।। ৩৬১
ঈশ্বৰ বিস্ময় শুনি ইহেন বচন।
গগন গণিয়া গণিলন্ত দেৱগণ।।
অক্ষয় স্বৰ্গৰ তাৰা ক্ষয় সীমা ভেদ।
মোহোৰ আমনা ছাড়ে মই কৰো ছেদ।। ৩৬২
ব্ৰাহ্মণক ঘাট ব্ৰহ্ম অস্ত্ৰে * নিডলন।
আপুনি খেপন্ত নাৰায়ণে সুদৰ্শন।।
শুনিলাহা বাইশ ৰূপ ভাকৰ ব্যৱস্থা।
অধিকাৰি কোপ কষ্টে কিকহিবো কথা।। ৩৬৩
আগম কৰিয়া হৰে নচাবিল ফল।
গুৰু ভাৰ ধৰি গুৰুত্বৰ পাপে তল।।
শিৱে এৰালেসে জানি আনে এৰাইবাক।
দেৱে এৰাইলাতো নেৰাই নৰে গুৰুপাক।। ৩৬৪
পাতকী কৰ্মত মৰি শুনি লাগে ঘিণ।
নাহি শত্ৰু মিত্ৰ নামে গ্ৰাহ্য কৰি দিন।।

---

* *নিডলন—ধ্বংস কৰা, দমন কৰা*

কপট শৰীৰ যশ ৰসে অনুপাম।
নেৰিবা গুৰুৰ শিক্ষা নাম অবিৰাম।। ৩৬৫
শঙ্কৰ চৰণে মনে মহিমা কীৰ্ত্তন।
গৃহস্থ কেলিয়ে যত বৈৰী বিমৰ্দ্দন।।
মহা নাৰায়ণ কথা অন্তে অনুপাম।
পাপ কণ্টকৰ উঠি বোলা ৰাম ৰাম।। ৩৬৬

* * * *

ঘোষা : জয় যদুপতি, জয় ৰামগতি, জয় সনাতন হৰি।
ভব সাগৰত মজিলো অনাথ নিয়োক নাথ উদ্ধাৰি।। ৩০

পদ : ত্ৰিজগত নাথ নামে পৰমাৰ্থ
সংসাৰ তাৰক কৰি।
হৰিহেন নাম ধৰ্ম্ম অনুপাম
যাক উচ্চাৰণে তৰি।।
ভকতিৰ হেতু বিপক্ষ বিক্তৰ
বৈৰতকাৰী মৰ্দন।
সৰ্ব গুণাকৰ গুণৰ সাগৰ
চৰণে ৰাখিও মন।। ৩৬৭
জানা সৰ্ব সাক্ষী পৰী হয়া ডালে
শয়নত থাকে সুখে।
মনুষ্য শৰীৰে নিশি নিদ্ৰা যায়
চক্ষু বিৰহ দুখে।।
কাম ক্ৰোধ কেন কুৰ্ণ্ডাৰে কামোৰে
তুমি হেন জন আগে।
কৰা পৰিত্ৰাণ সঞ্জীৱনী প্ৰায়
ধনন্তৰী বৈদ্য ভাগে।। ৩৬৮

কাহাৰ স্রজনা কোন অধিকাৰ
উপায়ৰ নিজ জন।
যেন লাগে তেন কৰা সচেতন
মনৰ বুজিয়া মন।।
পুৰাতন ৰোগ ব্যাধিৰ তৰাও
এৰাও সংসাৰ তাপ।
পন্থৰ পথালি হেঙ্গাৰ কণ্টক
সংহাৰণ কৰা ৰাগ।। ৩৬৯
যেহেন কামুক নিলাজ পুৰুষ
কমিনী নাৰীও সেই।
নিলাজৰ লাজ সাধনাৰ কাজ
বোলে ভাল এই এই।।
সামৰ্থ্য ভকতি ৰুচিৰ মনৰ
বিষয়ত অনুৰাগ।
ভক্তৰ বিৰুদ্ধি ধৰম মানিয়া
ভকতি ধৰ্ম বৈৰাগ।। ৩৭০
ক্রীড়াৰ বানৰ যেহেন বানৰী
আত্মাৰ পৰিবৰ্জিত।
কামনাৰ ৰাগ বাসনাৰ ভাগ
সেৱাৰ হয়া বঞ্চিত।
গৃহতে থাকিয়া উদাস ভকতি
গৰিষ্ঠ গৰিষ্ঠ আতি।
এৰিতে নলাগে থাকিবাৰ যোগ্য
মধ্যস্থ হৰিবে খ্যাতি।। ৩৭১
প্রকৃত ভকতি ভাগিয়াৰ ভাগ
নাহি ধৰমৰ ঘৰ।
জগত ৰঞ্জন গুণত প্রসন্ন
গুণৰ ভাজন নৰ।।
বৈশানি সৎসঙ্গ শুনিয়া শঙ্কৰ
তৈসানিয়ে মহাপুণ্য।

নয়ন ভৰিয়া তৃষা পাদপদ্মো
* কৰ্ণৰ শ্ৰাঘনি শুণ।। ৩৭২

পূৰ্বত ধূৰ্তালি আছিলা গোবিন্দ
গোৱালী কৰিলা শান্ত।
গোপীসম ভক্তা হনুমন্তি কান্তা
এইবাৰ নামে একান্ত।।

শাস্ত্ৰৰ বিচাৰে শুদ্ধ সদাচাৰে
ভকতি কৰিয়া নামে।
সবাকো সমান দিয়া ভক্তিদান
ধৰ্ম বহে দামদামে।। ৩৭৩

* হেদামে পুলকি গলৰ হুহকি
হেৰাই হিয়াৰ ধন।
চাৰিটি যুগৰ চাৰি ধৰমৰ
অৰুণ এক চৰণ।।

আগৰ ভকতি ক্ৰীড়া কৌতূহলে
মাজৰ ভকতি নাম।
পাছৰ ভকতি সেৱা সাৱধানে
হেনসে চৰণ কাম।। ৩৭৪

ৰাম কৃষ্ণ কাল গতিদাতা মহা
ঈশ্বৰ শঙ্কৰ হৰি।
নাম ভক্তি দান দোষ অপৰাধ
পাছে সংহাৰক ধৰি।।

মৰিয়াই মৰা কোৰে কটা জীৱ
তই কোন ভাগ পৰা।
আপোনাৰ যুগ মনে অৱজ্ঞাই
পৰ ধান্দা পৰিহৰা।। ৩৭৫

উত্তম ধৰম মধ্যমৰ ভাগ
প্ৰাকৃতৰ চাৰিজন।

কৰ্ণৰ শ্ৰাঘনি—প্ৰভাৱে শুনা

হেদামে পুলকি— দামুনি মুকলি হোৱা।

দুষ্ট দুৰাচাৰ পাপে একাকাৰ
পাপত লাগিয়া মন।।
গিৰি অধিকাৰী নসহি মুৰাৰী
পাষণ্ডৰ প্ৰায়শ্চিত।
উদণ্ডক দেখি ঘোটকত চৰি
পৃথিবীত পিত পিত।। ৩৭৬
নাম ধৰ্ম খ্যাতে জগত প্ৰখ্যাতে
আপুনি কৰি কপট।
ভেদানু বজাই ভাণ্ডাৰ ভৰাই
সবাৰো ভাঙ্গন্ত ঘট।।
আগ ধেমালিৰ বিবিধ বিহাৰে
মাজ ধেমালিক ধৰি।
পাছ ধেমালিৰ স্নেচৰ নিজান
জানিবাহা নিষ্ঠ কৰি।। ৩৭৭
হৃদয়ৰ গুৰু নিজ নাৰায়ণ
বাহিৰ বজাই গুণে।
সেই গুণে ধন জীৱৰ তৰুণ
নাহি বুদ্ধি আন পোনে।।
যোহি নিৰঞ্জন মহা বনমালী
শ্ৰৱণে কীৰ্ত্তনে ধাম।
বোলা হৰি হৰি সমস্বৰে বেঢ়ি
সধিও কুশল কাম।। ৩৭৮

* * * *

ঘোষা ঃ নাৰায়ণ ৰাম কৃষ্ণ ঈশ্বৰ শংকৰ।
জয়তি জগত গৃহস্থ ধৰ্ম নামৰ।। ৩১

পদ ঃ সৰ্বজ্ঞ বদতি সাধু মানসাক প্ৰতি।
সৰ্ব ধৰ্ম শিৰো বস্ত্ৰ নামেসে ভকতি।।
সৰ্ব শ্ৰুতি কৰ্ত্তা যাৰ নিবাস বদন।
তাকে মহা মূৰ্খ বুলি কৃষ্ণৰ বচন।। ৩৭৯

নামত নভজি ভজে জজে কচিকৰ।
সিটো মনুষ্যৰ গতি নাই অধৰ্মৰ।।
তাতো কৰি নিষ্ঠ সিষ্ট ছাণ্ডাল গৰিষ্ঠ।
ভকত চাণ্ডালী দ্বিজ সুশীল অনিষ্ট।। ৩৮০
গৰিষ্ঠ বিশিষ্ট নিষ্ঠ অনিষ্ট দুৰ্জন।
শিষ্যক কৰয় নাশ লোভ লগাই মন।
তাৰ আলাপত পাপ পিজে বিপৰীত।
অষ্টাধিক একশত বুৰেসে উচিত।। ৩৮১
কদাচিতো নুহি মহা বিষ্ণুৰ ভকত।
চাৰি বেদ চৌধ শাস্ত্ৰ থাকন্তে কণ্ঠত।।
পশু হিংসা বধকে কহিলা ধৰ্ম মানি।
ইসব কথাৰে লৈও ব্যাসতে প্ৰমাণি।। ৩৮২
ঈশ্বৰত মন নাহি পৰ শৰীৰত।
নাৰদক পাই পাইল ভকতিৰ তত্ব।।
অৱিৰক্ত ভাবক এৰিয়া শুদ্ধ মতি।
পৰম বিৰক্ত ভৈল ভকতিত ৰতি।। ৩৮৩
হেনয় ভকতি নাম দানে দয়াময়।
দায়াশীল দিনবন্ধু বুলি নজানয়।।
নিজ কৰ্ম অৰী কৰ্ম বাসনাৰ ভোল।
নলৈবা নলৈবা সিটো পাষণ্ডৰ বোল।। ৩৮৪
একো কালে ব্ৰহ্মা বুলি নজানে পামৰ।
মাহ কাহ সিংহ বোলে বাৰাহ ডাকৰ।।
পাপৰ ফলতে পাপ পাৱে নাহি মুক্তি।
ধৰ্মৰ ফলতে ধৰ্ম জানি মোক্ষ মূৰ্তি।। ৩৮৫
ত্ৰিকালত যিটো ৰূপে হৰি মাধৱৰ।
ঈশ্বৰ পুৰুষ নুহি মানুষ শংকৰ।।
কহনতে আত্মঘাটি মৰাৰ সমান।
তাক সম্ভাষণে নাস শঙ্কৰয়ে মান।। ৩৮৬
পুৰাণ সংহিতা খ্যাত ভক্তি ৰত্নাৱলী।
ভক্ত সমে মাধৱক জনাইলা সেৱলি।।
শংকৰ মাধৱ মায়া ৰলে কমলা।
সৃষ্টিৰ পালক মানি জানি বনমালী।। ৩৮৭

দিন অস্ত দিনাকৰ মূৰ্তিক ধৰিলা।
নাম বৃষ্টি বান যেন জল বৰষিলা।।
যুগ ধৰ্ম বলি মায়াবলে নাৰায়ণ।
বঢ়াইলা ঈশ্বৰে তেজ কালে সংঘাটন।। ৩৮৮
গৃহস্থৰ মায়া ঘোৰ পাকত নপৰি।
ভজা একচিতে কৃষ্ণ নামে সেই হৰি।।
সৰ্জ্জনৰ ভৈলা গুৰু ঈশ্বৰ গোসাঁই।
দুৰ্জনৰ নাই কিছু গৈলন্ত ঢুকাই।। ৩৮৯
নিৰঞ্জন নিৰাকাৰ আকাৰে চৰিত্ৰ।
পাতেকৰ ক্ষয়ঙ্কৰ হৃদয় শোধিত।।
ইষ্ট গুৰু নাৰায়ণ গোবিন্দ শংকৰ।
মাধবৰ মায়া মহা গিৰি পুৰুষৰ।। ৩৯০
গুৰু শিক্ষা জ্ঞান বোধ শাস্ত্ৰৰ নিৰ্ণীত।
এৰিও আসুৰি মত বৌধক বৰ্জিত।।
পামৰ পাতকী পাপী পাপে সৰ্বনাশ
হৃদয়ে আকাশ সন্ত সূৰ্যৰ প্ৰকাশ।। ৩৯১
গীতা ভাগৱত সাৰ বেদান্তৰো তত্ব।
হৰি কীৰ্তনেসে তৰি পাপৰ অন্তত।।
ধৰ্মৰ গৃহস্থ অস্ত্ৰ ধৰি চৰণত।
বোলা ৰাম ৰাম যাৰে নাম ভাৰতত।। ৩৯২

* * * *

ঘোষা : দায়াশিল দেৱ, দায়া ময়।
অবৈৰ সদয় কৈবৰ ক্ষয়।। ৩২

পদ : নিগদতি সাধু পৰশে ভৃত।
শুনিও আনন্দে একান্ত চিত।
জনম মৰণ নাহি জনৰ।
নাহি শত্ৰু মিত্ৰ নাঁ ভিন্নপৰ।। ৩৯৩
নাহি জাতি বৰ্ণ সম্বন্ধো নাই।
সৃষ্টিৰ পালক পালি লীলাই।।

স্বায়ম্ভু মনুত ত্ৰিজগধৰ।
শ্ৰাদ্ধেয় মনুত ধৰ্ম্মৰ ঘৰ।। ৩৯৪
প্ৰত্যেক মনুৰ দিৱস দিনে।
অকৰ্ত্তা অকৰ্ত্তা চিনৰো চিনে।।
মৎস্য কূৰ্ম সিংহ বাৰাহ তনু।
ভেদ্ৰতো উত্তম পুনৰ পুনু।। ৩৯৫
ক্ষয় বৃদ্ধি কৰ বিক্ৰমে হৰি।
সংহাৰণে কোপ কটাক্ষ কৰি।।
ৰাখন্ত মাৰন্ত হৰি জগত।
নামাৰিলে মৰে কাৰ মহত।। ৩৯৬
নৰখিলে মৰে গৃহ ভিতৰে।
ৰাখিয়া মৃত্যুত চিৰঞ্জীৱ কৰে।
দেৱ দৈত্য দুয়ো দল জীৱৰ।
প্ৰবাদে প্ৰহস্থ গিৰি ঈশ্বৰ।। ৩৯৭
ভকত দেৱৰ শাৰেঙ্গপাণি।
অভকতে দৈত্য জগতে জানি।
মনৰ মনস্থ সবৰ নাই।
চতক চাৰাল পখাৰ গ্ৰাহি।। ৩৯৮
সৰ্ব শক্ৰ পাহ গ্ৰাহে সহাই।
আপোন মৰ্যদা বলে বজাই।।
অস্ত্ৰ সস্ত্ৰ জল গহ্বৰ ভয়।
গজ সৰ্প বহ্নি বিষে অভয়।। ৩৯৯
যম কাল মৃত্যু আদেশে বশ্য
নিসীম নিম্নাকাৰী ৰহস্য।।
চিন্তিয়ো শ্ৰীহৰি দেৱৰো দেৱ।
শ্ৰীহৰি উপৰি নাহিকে কেৱ।। ৪০০
আগমে নিগমে কথানে সীমা।
নজানে যাহাৰ পদ মহিমা।।
জানিলে বৈষ্ণবী মায়াৰে চাৰে।
বৈষ্ণৱ জানে সে বিজনে পাৰে।। ৪০১
অঘট ঘটন এক শৰণ।
ৰাম কৃষ্ণ ব্ৰহ্ম শংকৰ জন।।
নাম দানে গুৰু দক্ষিনা কৰি।
শৰণৰ নামে নিয়ন্ত্ৰ হৰি।। ৪০২

সখা নাৰায়ণ জগত বাপ।
পৰিত্ৰাণ কৰা সংসাৰ তাপ।।
শাস্ত্ৰতো প্ৰখ্যাত বেদতো শুনি।
ভকতৰ দুখে দুখ আপুনি।। ৪০৩
বাহুনকো এৰি বিক্ৰম কৰে।
হেনয় ঈশ্বৰ নভজি মৰে।।
বেদ বিধি বৃত্তি এৰি উদণ্ড।
সজ্জনজনক বোলে পাষণ্ড।। ৪০৪
কালে আগ্ৰহিলে মৰণ বিদ্যা।
তপস্বী গোৱাল শূদিৰ নিন্দা।।
নজানি অধম সাৰ অসাৰ।
অবোধ জ্ঞানৰ একৈয়াকাৰ।। ৪০৫
কালৰো কালান্ত চাহেৰ হৰি।
আউৰ নাহি যাক সমসৰি।।
সংহাৰ্শ সমাপতৰ কাল।
শঙ্কৰী মায়াৰ সংসাৰ জাল।। ৪০৬
* চাহেৰ কালন্তা হৰিসে বন্ধু।
নাম ৰস নিয়া চৰণে মধু।।
বিষিনি ৰহিত উন্মাদকাৰী।
পাপৰ প্ৰলয় আলু উভাৰি।। ৪০৭
বিপদ বিভ্ৰান্ত * পৰাৰ্থ ক্ষয়
যশ ৰস পানে প্ৰসন্নময়।।
ঘোৰ দৃষ্টি এৰি অঘোৰে হৰি।
ঘট সৰ্ব ঘটে প্ৰত্যেক কৰি।। ৪০৮
আপোন গুণত লুব্ধ শান্ত।
অবোধ কুটুম্ব বৈৰ কালান্ত।।
কৃপাৰ আপাৰ আনন্দ সিন্ধু।
গুহ্যৰ অন্ত পৰম বিন্দু।। ৪০৯

---

* চাহেৰ - চোৱা, দৃষ্টি নিক্ষেপ কৰাৰ

* পৰাৰ্থ - নিৰাৰ্থ

শংকৰ মাধৱ গুণৰ নিধি।
সাধনাৰ সাধ্য অৱশ্যে সিদ্ধি।।
গুৰু শিক্ষা বোধ স্মৰণি নাম।
কষ্টি ছন্দ খণ্ড ধৰম ধাম।। ৪১০
কাটাকণ্ঠে পাত কৰে নিসঙ্ক।
নভজনে পাপী যত ম্লেচ।।
যাৰ যত পাপ পুণ্য আপুনে।
ব্যৱহাৰে গতি আপোন গুণে।। ৪১১
ভজা গোবিন্দক গোহাৰি কৰি।
মুখে নাম জপ হৃদয়ে ধৰি।।
ৰামকৃষ্ণ গুৰু জ্ঞান বিজ্ঞানে।
তদঙ্গ ৰহস্য হেলি অজ্ঞানে।। ৪১২
পাপ গ্ৰাহে গ্ৰাহ্য ব্ৰহ্মা অধম।
পৰম পাতকী উত্তমে তম।।
অচ্ছুতে অচুচ্ছ চুইবাক নুই।
ভক্তিৰ সাধনে বাপৰ জুই।। ৪১৩
সাদৃশ্য শংকৰ সাৰেঙ্গপাণি।
নামে হয়া হৰি বেদ প্ৰমাণি।।
বাচ বাৰি সিঁচে পাপৰ ধাম।
নভজয় হৰি নলয় নাম।। ৪১৪
ভক্ত ভগৱন্ত ভাগে জীৱৰ
তুমি আমি তেওঁ তেওঁৰে ঈশ্বৰ।।
কাহাৰো সুখী নুহি অন্তৰ্যামী।
সৰ্ব সুখদাতা জগত স্বামী।। ৪১৫
জগতত ব্যাপি আছে ৰাম।
জগতে নলয়ে যাহাৰ নাম।
ত্ৰৈতাযুগে কৰ সুকৃতি শূন্য।
বোলা হৰি হৰি পুণ্যৰে পুণ্য। ৪১৬

* * * *

জ্ঞান যুগুতি

ঘোষা ঃ সংসাৰে শঙ্কৰহে, গোবিন্দ গোসাই।
নভৈল ভকতি আউৰ ব্যৰ্থে দিন যায়।। ৩৩

পদ ঃ শুনিলা কহিলো যেন জ্ঞানৰ যুগুতি।
গুৰু শিক্ষা জ্ঞান বোধে ভুকুতি মুকুতি।।
জ্ঞানে গতি বেদে কয় নামেসে প্ৰধান।
জ্ঞান ব্যতিৰেকে বোধ নঘটয় জ্ঞান।। ৪১৭
যতেক অনৰ্থ নৰ পাষণ্ড উদণ্ড।
উদঙ্গাৰ ষাণ্ড যেন ধেনুত প্ৰচণ্ড।।
বন্ধনৰ গাই যেন বাথানৰ বন্দী।
পাষণ্ড উদণ্ড ষাণ্ডে নপাৱয় সন্ধি।। ৪১৮
শঙ্কৰেও সেহিমতে সংসাৰক পালি।
নাম বৃষ্টি মেঘ জল বৰষিল ঢালি।।
সংসাৰ পাপৰ জুই তাপ নিবাৰণ।
শীতল চৰণ ছায়া নামত ৰমণ।। ৪১৯
নিগম কল্পতৰু ফল ৰস ভৰি।
শুক মুখে দ্ৰবি বৈলা পৃথিবীত পৰি।।
শঙ্কৰে শাস্ত্ৰত বান্ধি কৰি সম্প্ৰদান।
যেন বিশ্বকৰ্মে কৰ্ম কৰিলা নিৰ্মাণ।। ৪২০
শ্ৰৱণ কীৰ্তন ভক্তি জগতক দিয়া।
জগত অসত্য সত্য নাৰায়ণে হিয়া।।
কপট শৰীৰ ধৰি জয় যদুপতি।
গুৰু শিক্ষা বোধ ৰূপে পালিলা ভকতি।। ৪২১
সন্তৰ মহিমা সাৰ চৰিত্ৰ বিশেষ।
আপুনি হোৱয় আসি নামত প্ৰৱেশ।।

জগতৰ যত শক্তি গৃহস্থৰ জানি।
সদায়ে নেৰিবা মুখে নাম হেন জানি।। ৪২২
নাম মাত্র লৈবে লাগে নেৰন্ত হৃদয়।
মায়াৰ ঈশ্বৰ কৃষ্ণ কুসুম তনয়।।
দেব দয়াময় হৰি নামত নিবাস।
সাধুৰ সু-হৃদ ৰাম হৃদয়ে বিশ্বাস।। ৪২৩
নামতেসে পুণ্য যত ধৰ্ম সমদায়।
নামতেসে পাপ ক্ষয় পৰমপদে পাই।।
শাস্ত্রতো কহয় নাম নামেসে ভকতি।
চাৰিও বেদৰ সাৰ নামে দিলা গতি।। ৪২৪
জ্ঞানী কৰ্মী যোগীন্দিও স্মৰিয়া মুকুত।
নাৰায়ণে জগ গুৰু কুসুমৰ সুত।।
জগতৰে গতি দাতা নামত লোকৰ।
মহা কল্পতৰু নাম ধৰ্ম বৈকুণ্ঠৰ।। ৪২৫
নাৰায়ণ অস্ত্রা শ্রুতি *শ্রুমৃতি নিশেষ।
শঙ্কৰ চৰিত্র ভদ্র ভদ্রতো বিশেষ।।
অংশ কলা পূৰ্ণ কৃত্য যশৰস পান।
পিউ কৰ্ণ ভৰি আক হই সাৱধান।। ৪২৬
সাৱধান সাৱধান *চুঙ্গাদ পাপৰ।
পাষণ্ড মৰ্দন শুণা বিবাদ পামৰ।।
কলি কৃত্য শেষ পাপ বাসনা খণ্ডিয়া।
হৰি পদ পঙ্কজক নৌকা কৰি হিয়া।। ৪২৭
তৰিবা অযত্নে নামে নলাগে প্রয়াস।
আপুনি হৈবন্ত হৰি বুদ্ধিত প্রকাশ।।
শুনা সভাসদ জনে পৰলোকে হিত।
ভকত জনৰ হিত শঙ্কৰ চৰিত।। ৪২৮
শ্রৱণ কীৰ্ত্তনে আৰ তেজিবেক পাপ।
পাপীৰ পৰশ চাৰি সন্তৰ আলাপ।।
নামেসে সাফল্য জন্ম হৃদয়ত ধৰি।
সংসাৰে সাগৰে মোক্ষ বোলা হৰি হৰি।। ৪২৯

* * * *

---

* *শ্রুমৃতি - স্মৃতি শাস্ত্র।*

* *চুঙ্গাদ- চুৰমাৰ*

ঘোষা ঃ লৈও হৰি নাম পুৰিয়া মন।
হৰিৰ নামেসে পৰম ধন।। ৩৪

পদ ঃ ৰাম কৃষ্ণ হৰি শঙ্কৰদেৱ।
মহা বিষ্ণু বিনে নাহিকে কেৱ।।
বিপিন বিহাৰ বিনোদ কেলি।
অধোগতি যাই হৃদয়ে হেলি।। ৪৩০
অঙ্গুষ্ঠৰে ব্ৰহ্ম অণ প্ৰমাণ।
মনৰেসে শ্ৰুত * উকুতে ধ্যান।।
মঞ্চত মব্যেক্ত অদ্ভুত হৰি।
মৎস কূৰ্ম সিংহ শৰীৰ ধৰি।। ৪৩১
বামণ বাৰাহ ৰূপে গোপাল।
ভকতৰ বন্ধু দীন দয়াল।।
ব্যাপক স্বৰূপে পালি জগত।
লীলায়ে বেকত হয়া লোকত।। ৪৩২
জগত যতেক যাত নিবাস।
চন্দ্ৰ সূৰ্য বায়ু দিশ আকাশ।।
নিৰঞ্জন নিৰাকাৰ নিশ্চল।
নিৰাময় নিৰঙ্কুশ সম্বল।। ৪৩৩
মায়াৰ ঈশ্বৰ মহাপুৰুষ।
শবদ ব্ৰহ্মৰ নাহিকে উৰ।।
নিৰুপম হৰি নামেসে বিত।
কৃপায়ে কৰিলা প্ৰভু বিদিত।। ৪৩৪
অসোচ মোচন নাশি হৰৰ।
নিজ গুৰু দেৱ গতি শঙ্কৰ।।
আগম পাতকে কৰন্তা ত্ৰাণ।
মকুন্দত পৰে নাহিকে আন।। ৪৩৫
গুৰু শিক্ষা জ্ঞান বোধ নজানি।
পাষণ্ডে নমানে বেদৰ বাণী।।

** উকুতে (উকুৰা)—ভকতি ওপৰত থিৰ হৈ কৰা ধ্যান।*

আগম পাতকে হয়া উন্মত্ত।
বেদৰ বিধান শাস্ত্ৰৰ তত্ব।। ৪৩৬
গোবিন্দ মুৰাৰী গুৰু গোসাঁই।
বোধ কৰিছি কপে কৃষ্ণৰ কাই।।
শঙ্কৰত পৰে সংসাৰ গতি।
সাধিবেক কাৰ বাপ শকতি।। ৪৩৭
নামৰ গৃহস্থ গুৰু মুৰাৰী।
বেদে চিন্তে যাক নাম বিচাৰি।।
নজানি পণ্ডিত ফুৰে বোলাই।
শাস্ত্ৰৰ সম্মত তত্ব নপাই।। ৪৩৮
নজানি কপটি কপাট ভাৱে।
যেহেন গোখিয়া উলুৰ আঁৰে।।
শঙ্কৰত মনে নামত ধৰি।
বৈকুণ্ঠক যাই কীৰ্তন কৰি।। ৪৩৯
নামত বিনাই নাহিকে আন।
কোটি শত তীৰ্থে নুহি সমান।।
কোটি অশ্বমেধে নুহিকে সৰি।
যি ফুৰে সদায় নাম সুমৰি।। ৪৪০
তীৰ্থকো পবিত্ৰ কৰে ভকত।
মহা হৰি পদ দেবে মনত।।
প্ৰাণীকো সাদৰে ভূতৰো দায়া।
সংসাৰ মেদনি তৰিল মায়া।। ৪৪১
মুখে নাম জপ হৃদয়ে ধৰি।
পথত ভ্ৰমন্ত আনন্দ কৰি।।
দেখিলে পাতক তেখনে হৰে।
লৈয়া উপদেশ পাপীও তৰে।। ৪৪২
মায়াক তৰিয়া পাৱয় হৰি।
হৰিকো দেখয় পাপত তৰি।।
হেন জানি কেহো নেৰিবা নাম।
ডাকিয়া ঘোষিওক ৰাম ৰাম।। ৪৪৩

* * * *

ঘোষা ঃ কেশৱ কমলা কান্ত কমল লোচন।
পাপ বিমোচনকাৰী কৰন্তা মোচন।। ৩৫

পদ ঃ নিগদতি সাধু শুনা যুগুতি বিধান।
চাৰিও যুগৰ ধৰ্ম কৰিবো আখ্যান।।
সত্যত শুকুলা মূৰ্তি ধ্যান হৃদয়ত।
সদায়ে সংকল্প কৰ্ম অনুষ্ঠান য'ত।। ৪৪৪
ত্ৰেতাত ৰাতুল বৰ্ণ যজ্ঞোত উৰ্দ্ধিত।
হৃদয়ৰ মূৰ্তি নিয়া আহুতি বহ্নিত।।
দ্বাপৰত শ্যাম বৰ্ণ পূজাত কুশল।
যদ্যপি হৃদয়ে ব্ৰহ্ম পদ্মৰ মণ্ডল।। ৪৪৫
কলিত নিশ্চয়ে কৃষ্ণ নামেসে ভকতি।
হৰিৰ নামত বাজে নাহি আউৰ গতি।।
সকলো শাস্ত্ৰৰ তাতপৰ্য্য পৰিনীতি।
ভকতি নভৈলে কাৰো নাহি থান থিতি।। ৪৪৬
যতেক সন্যাসী জাতি ব্ৰহ্ম জ্ঞানী গণ।
ভুক্তি ভোগ ফল ভাগ পুনৰা পতন।।
ব্ৰহ্মক চিন্তিয়া ব্ৰহ্ম জ্ঞানী খসি পৰে।
বৈকুণ্ঠ বাসীৰ নাশ নাহিকে সেহুৰে।। ৪৪৭
আপুনি ঈশ্বৰে যদি কৰয় গমন।
তথাপি ভক্তৰ হৰি নকৰা জনন।।
পতিৰ লগত সতী গৈয়া স্বৰ্গ পাই।
পুণ্য ক্ষয় ভৈলে পুনু নৰকেসে যায়।। ৪৪৮
কোণো কালে কদাচিতো নৈৰ নিবাৰণ।
পুনু পুনু আয়া জাত পুনৰা খলন।।
বাসনা বধৰ জৰি নেৰয় জীবক।
অঙ্কুৰে গজিয়া পনু কৰাই কৰ্মক।। ৪৪৯
যি কালত যিবা কৰ্ম কৰি পাই ফল।
হৰিৰ নামত পাই সিফল সকল।।

কৃষ্ণৰ পাছত মহা মহা পুণ্যগণ।
পাপে ত্ৰাস হয়া লৈলা নামত শৰণ।। ৪৫০
শঙ্কৰে সংসাৰ জুৰি দিলা জগতত।
জানিয়া একান্তে ধৰা হৰিৰ নামত।।
সিজে অপ্ৰয়াসে পুণ্য আছে যতমান।
তন্ত্ৰ মন্ত্ৰ ইতিহাস কহয় পুৰাণ।। ৪৫১
গুৰু শিক্ষা জ্ঞান বোধ বেদৰ বিহিত।
পূজা অনুষ্ঠানে পাপ নুগুচে কিঞ্চিত।।
বামানায় শাস্ত্ৰে মোহি কৰে ভ্ৰমমতি।
হৰি নামে ধৰ্ম বুলি নকৰে ভকতি। ৪৫২
যতেক আছয় নাম গুৰু ৰূপে গিৰি।
মুদা ভাঙ্গি দিলা আশি কপাটক চিৰি।।
কিনো মূৰ্খ কিনো মূৰ্খ হৰি দ্ৰোহী আতি।
ইহাক নজানে কৈলে বিধাতায়ে শাস্তি। ৪৫৩
আৰ্জ্জিত কৰ্মৰ ফল বাসনাৰ জৰী।
সিহেতু নভজে নামে পূৰ্ণানন্দ হৰি।।
হৰিৰ নামকে এৰি বাসনা অৰণ্যে।
বিষ্ণুৰ বিভূতি মূৰ্ত্তি তীৰ্থত গমণে।। ৪৫৪
নামক নকৰে দৃঢ় নজানে বিচাৰ।
বৈষ্ণৱতো দেহ বুদ্ধি নাহি নৰাকাৰ।।
পৰম পাতকী ম্লেছ তৰিবাৰ কাম।
আগে প্ৰায়চিত্ত বিহি পাছে হৰিনাম।। ৪৫৫
অপাৰ সংসাৰ হৰি কীৰ্ত্তনেসে তৰি।
শুনা সমাজিক জন এক মন কৰি।।
দশম স্কন্ধৰ বাণী নিষ্ঠুৰ বচন।
সন্তৰ সম্মত ধৰ্ম শ্ৰৱণ কীৰ্ত্তন।। ৪৫৬
ৰাম হৰি ক্ষৰ বিত দুগুটি অক্ষয়।
আপুনি কহিছা গুৰু গোসাঁই শঙ্কৰ।।
আশায়ে বৰ্জিয়া তবে নেৰিবাহা নাম।
যতোক আপদ পাপ খোজা ৰাম ৰাম।। ৪৫৭

* * * *

ঘোষা ঃ হৰিও হৰি হৰিও হৰি।
হৰিৰ নামেসে পাপত তৰি।। ৩৬

পদ ঃ জগতৰ গুৰু নাৰায়ণ।
নিবিড় কৰিয়া নামত মন।।
চাৰিও বেদৰ চাৰি অক্ষয়।
পৰম মঙ্গল বিত লোকৰ।। ৪৫৮
শুনা একচিত্তে পাপ তৰিত।
সংসাৰ সাগৰে এহি সেৱিত।।
অপ্রয়াসে তৰে কীৰ্তন কৰি।
যিটো মহাপাপী নোবোলে হৰি।। ৪৫৯
যদি ৰাম বোলে নিন্দনি গুৰি।
গাবে গুণ গীত বজাই উৰি।।
অকস্মাতে হৰি বুলিয়া তৰে।
বিষ্ণু ধৰ্ম কহে আগমে হৰে।। ৪৬০
নিন্দকৰ নামে নধৰে ফল।
ফটা ক'লচীৰ যেহেন জল।।
মহাপুৰুষৰ অচিন্ত পাই।
নিসীম পালন পালি লীলাই।। ৪৬১
মহা বিষ্ণু মায়া ৰাজি যতেক।
তোমাত কহিলো আমি প্রত্যেক।।
নজানি গৃহস্থ বোলে যিজন।
গুৰুদেৱ নাম তাৰেসে ধন।। ৪৬২
অল্প মাত্র নাম ধৰিয়া বিন্দু।
সেহিসে তৰয় সংসাৰ সিন্ধু।।
তাহাৰ ভকতি গতি সম্প্রতি।
তাৰে গুণ গণ নামত ৰতি।। ৪৬৩
গুৰু মূল কৃত্য ভালৰো ভাল।
পাপীৰ কৰ্ণত হানয় তাল।।
* উখৰাত পৰি নধৰে ফল।
মেদিনী ভৰেৰে পাতে প্রবল।। ৪৬৪

---

* উখৰাত - খৰাং মাটি

কিবা আছ শালি জহ্না বৰুণ।
কাহাৰ কঠীয়া চিনিবে কোন।।
ভগা ভাণ্ডাৰক লুম্পুটে পাই।
শঙ্কৰক মনে গণনা নাই।। ৪৬৫
পাতকে পীড়িলে যাৰ হৃদয়।
সংসাৰ চক্ৰত নকৰে ভয়।।
ৰাজ মাৰ্গ পথ কাৰেছ মত।
মাধৱৰ মায়া নাজানি তত্ত্ব।। ৪৬৬
কুসুম নন্দনে কৰি কপট।
নাম দানে ভাণ্ডি দেৱৰ ঘট।।
ঘট-পট ভাণ্ডি জিনি জগত।
লোকত কৰিলা নাম বেকত।। ৪৬৭
চাণ্ডালো তৰয় কৰি কীৰ্ত্তন।
লবে হৰি নাম ভোট যৱন।।
তথাপিতো মতি লভিল তাৰ।
হৰি পাহৰণ কি কৈবো আৰ।। ৪৬৮
নিৰন্তৰে পাপে ধৰি আৱৰি।
ধৰি হৰি পাৱে এৰি পাসৰি।।
নাহি শ্ৰুতি বুদ্ধি শৰীৰে যাৰ।
ভক্তি এৰি হই পাষণ্ড ষাড়।। ৪৬৯
হৃদয় ৰঞ্জন জগত স্বামী।
হৰি পাসৰিয়া অধৰ্ম গামী।।
তাৰ প্ৰতি পাদ্য যি নৰে কৰে।
তাৰে সমফল তাহাৰ ধৰে।। ৪৭০
মিছা বলকনি নাহিকে ৰস।
ভকত জনৰ নামে সৰ্বস।।
হৰিৰ নামে সবে অধিকাৰ।
ষিমান শকতি আছে যাহাৰ।। ৪৭১
পাপো ৰাত্তি দিনে নাহিকে দোষ।

বিচাৰি চাহিয়া এৰিও ৰোষ।।
দেৰে নতু পাৱে হৰি ভকতি।
জানি সাধু সঙ্গে কৰিও ৰতি।। ৪৭২
কলিত কীৰ্ত্তনে সাধয় সিদ্ধি।
কিনো সু-প্ৰসন্ন ভৈলন্ত বিধি।।
এতেকে যতনে নাম উচ্চৰি।
তৰিও পাপত ভজিও হৰি।। ৪৭৩

* * * *

ঘোষা : জগন্নাথ অনাথক থাপিও চৰণে।
তোমাৰ চৰণে নামে পশিলো শৰণে।। ৩৭

পদ : সংসাৰ সাগৰ সিন্ধু বিনোন্দৰ পতি।
শ্যাম বৰ্ণ নীল তনু অগতিৰ গতি।।
বিনো অঙ্গ ভূষণ লম্বিত নীল অস্ত্ৰ।
তপ্ত সুবৰ্ণৰ কান্তি গাৱে পীত বস্ত্ৰ।। ৪৭৪
নিৰঞ্জন নিৰঙ্কুশ ব্ৰহ্ম নিৰাময়।
যাৰ কোপ কটাক্ষত সৃষ্টি স্থিতি লয়।।
হেন হৰি নিজানন্দ শৰদ অচ্যুত।
লোকত বেকত হুয়া কুসুমৰ সুত।। ৪৭৫
বিচাৰি নপায় নাম কহে চাৰিবেদ।
মায়া বিভৱৰ বল নাহি পৰিচ্ছেদ।।
জ্ঞান শিক্ষা বোধ ৰূপে গুৰু নাৰায়ণ।
কৃষ্ণেসে শঙ্কৰ ৰাম কুসুম নন্দন।। ৪৭৬
* সত্তৰটিলা বেদ বিধি থাপনি নামত।
নাম সমৰ্পিতে বেদ মাৰ্গ ভাৰতত।।
বিচাৰে ভকতি সন্ত মহন্ত নামৰ।
লৈও সাধু সঙ্গে নাম সঙ্গে ভকতৰ।। ৪৭৭

** সত্তৰটিলা—সংযোজন।*

বেদৰ নজানি তত্ত্ব ধৰ্ম অভিপ্ৰায়।
শঙ্কৰক নৰ বুলি পন্থ হৰুৱাই।।
সবাকো বঞ্চিলা গুৰু দেৱে কৃপা কৰি।
বেদ বিধি শাস্ত্ৰ সাৰ নামে মহা হৰি।। ৪৭৮
গুপুত কৰিয়া আসি দেৱ বনমালী।
শঙ্কৰী মায়াৰ বলে সংসাৰক পালি।।
বেদ বিধি শাস্ত্ৰ বিনা ম্লেচ্ছৰ পাষণ্ড।
আপুনি কৰিবে কালৰূপে খণ্ড খণ্ড। ৪৭৯
সৰ্বদেৱময় দেহা গুপ্ত অগোচৰ।
জানি নেৰিবাহা পাৱে মহাপুৰুষৰ।।
শাস্ত্ৰৰ নজানি ভেদ নজানি ধৰ্মৰ।
সংসঙ্গৰ গুৰি ছেদা ৰেখ্য মাধৱৰ।। ৪৮০
মায়াৰ প্ৰভাৱ ভাৱ নজানি কিঞ্চিত।
অসুৰ ৰাক্ষস সি সি হীনতো বৰ্জিত।।
গুৰু ধৰ্ম হৰিনাম জগত কল্যাণ।
সাধু নিগদতি পুত্ৰ মানসা প্ৰমাণ।। ৪৮১
তাহাৰ বিচাৰ সাৰে নিৰখিলো পদ।
নিন্দা নকৰিবা মোক জানি সভাসদ।।
শঙ্কৰ চৰিত্ৰ নিন্দা আৰ্জিতৰ ফল।
যতেক স্ব-ধৰ্ম ধৰ্ম নামেসে প্ৰবল।। ৪৮২
হৰিৰ কীৰ্ত্তন সদা নেৰিবা নামক।
সন্তৰ সঙ্গৰ কৃপা মই অধমক।।
কাকুতি কৰিয়া বোলো কৃতাঞ্জলি বাণী।
গুৰু শিক্ষা জ্ঞান বোধে শঙ্কৰক জানি। ৪৮৩
সংসাৰ তৰিবে প্ৰতি নামেসে সৰ্বস।
নিগম কল্পতৰু ভাগৱত ৰস।।
সংসঙ্গ চৰণে মনে মুখে বোল নাম।
মহা উপকাৰ স্মৰি বোলা ৰাম ৰাম।। ৪৮৪

* * * *

ঘোষা : ৰাম যদুমণি কৃষ্ণ যদুমণি।
সংসাৰে তৰণ নাম শঙ্কৰ স্মৰণি।। ৩৮

পদ : শুনা একচিত্তে কৰি মিলিবে মঙ্গল।
জ্ঞানে লাগ লবে বোধ হৃদয় নির্ম্মল।।
হোৱে চিত্ত সত্ত্বে আসি মিলে বিৰকতি।
মায়াক জিনিয়া সত্ত্বে স্থিৰ হোৱে মতি।। ৪৮৫
বহু বিধ ৰূপ জানি ভকত দায়াল।
অচিন্ত্য ঈশ্বৰ কৃষ্ণ গোবিন্দ গোপাল।।
নিৰঞ্জন নির্ব্বিকাৰী নাম নিৰাকাৰ।
বসন ভূষণ বিনো অঙ্গে হেমহাৰ।। ৪৮৬
কহিলো তোমাত নামে কৰা সাৱধান।
নুহি আন ধৰ্ম্ম গুৰু শিক্ষাৰ সমান।।
অচিন্ত্য প্ৰভাৱ নাম অচিন্ত্য পুৰুষ।
মৎস্য কূৰ্ম্ম নৰসিংহ শৰীৰ মানুষ।। ৪৮৭
হৰিৰ এযাৰী মায়া মহন্ত মহিমা।
শঙ্কৰ দেৱৰ কোনে কহিবেক সীমা।।
পৰম পুৰুষ ব্ৰহ্ম অচ্যুত মুৰাৰী।
ব্ৰহ্মা হৰে গাৱে নাম গাৱে বেদ চাৰি।। ৪৮৮
বৈকুণ্ঠ নায়ক মহাপুৰুষ উত্তম।
নিগুণ গুণৰ নিধি গুণে নাহি সম।।
অনাদি অনন্ত ব্ৰহ্ম গুণ যশে গুৰু।
ত্ৰিদশ দেৱৰ ৰাজ মহা কল্পতৰু।। ৪৮৯
যেনবো ঈশ্বৰ কৃষ্ণ ৰাম নাৰায়ণ।
চিত্তে সমাধিতো সাধু যাহাৰ চৰণ।।
বেদেসে বিচাৰি নাম কহয় প্ৰবন্ধে।
মাধৱৰ নাম মাত্ৰ কহে বাহু ছন্দে।। ৪৯০
মাধৱৰো গুৰু ভৈলা শঙ্কৰ মুৰাৰী।
গুৰু শিষ্য তাৰে এক যশে অধিকাৰী।।
শঙ্কৰী মায়াক বিচো তাৰে জানিবাক।
ৰাক্ষসতোধিক পাপী হীন বুদ্ধি তাক।। ৪৯১
ভাল্লুক বানৰ সুৰ ৰাক্ষস ভকত।

ৰামৰ মহিমা কোনে জানিতে শকত।।
কৃষ্ণৰ অনন্ত মায়া মহন্তেসে কয়।
শঙ্কৰী মায়াৰ বাজি নাহি পৰিচয়।। ৪১২
ভকতেসে গাৱে নাম জানিয়া প্ৰধান।
হৃদয়ৰ নিজ বন্ধু পুৰুষ পৰাণ।।
ভকতৰ পদে কৃপা কৰি জগস্বাম।
প্ৰকাশ কৰিলা পহু ধৰ্ম হৰি নাম।। ৪১৩
বাহিৰে ভিতৰে থাকি পুণ্য পাপ সাক্ষী।
নৰ তনু ৰূপে বেদ বিধি শাস্ত্ৰ ৰাখি।।
শৰণ ভজন নামে দেখৱো বিশ্বাস।
ইহাক নজানি পাপী হোৱে সৰ্ব্বনাশ।। ৪১৪
সকলো শাস্ত্ৰৰ বাণী নামেসে সম্মতি।
তথাপি হৰিৰ নামে নাহি একমতি।।
চাৰিও যুগৰ ভাৱ কীৰ্ত্তন কলিত।
আপুনি শঙ্কৰে যাক কৰিল্য বিদিত।। ৪১৫
নগাই নামক নামে নৰকৰ ৰতি।
মৰিও মৰয় পাপী পাপে উতপতি।।
শ্ৰৱণ কীৰ্ত্তন নামে সত্তৰ সদ্গতি।
বোলা হৰি হৰি হৌক হৰিত ভকতি।। ৪১৬

* * * *

ঘোষা : ওঁ হৰি হৰি বান্ধৱ শঙ্কৰ
হিয়া নচাৰিবা মোক।
নভৈল ভকতি গৈলো অধোগতি
পাপী ভৈলো সেৱা চোৰ।। ৩১

পদ : সংসাৰক পালি দেৱ বনমালী
সংসাৰ সিন্ধু হেৰাই।
বজ্ৰ সিংহাসন গৰুড় বাহন
তেজিয়া আসি পাশাই।।

দশৰথ ঘৰে থপি বনবাস
নন্দৰ ৰখিলা গৰু।
কুসুম্বৰ ঘৰে নামক প্ৰকাশি
ভকতৰ কল্পতৰু।। ৪৯৭

মায়ায়ে মুহিয়া কপট শৰীৰে
ভাণ্ডিলাহা যদুপতি।
তোমাৰ চৰণে পশিলো শৰণে
নাম বিনে নাই গতি।।

দুষ্কৰ জনম মানৱী শৰীৰ
নিসীমৰ অন্তে পাই।
জীৱৰ নিকাৰ যমৰ যাতনা
শুনিয়া ধাতু উৰাই।। ৪৯৮

সৰ্বাঙ্গ শৰীৰে পথত পেলাই
চাবুকে কোবাৱে গাত।
অন্ধক গৰ্ভত আঁজুৰি লৈ যাই
পৰি মূৰ্চ্ছা যাই তাত।।

সূতাৰ সাঙ্কোত ত্ৰিশূল তাটৰি
সহস্ৰ বেদনা পৰি।
হেনয় তনুক তৈলত ভাজই
যমদূতে দণ্ড কৰি।। ৪৯৯

কৰত পৰশু *সঢ়াৰ প্ৰতিমা
পাতকৰ সমুচিত।
আঠাইশ সহস্ৰ জনম নৰক
চৌৰষ্ঠিসে বিপৰীত।।

দুখ নৰকত জীৱ পৰি কান্দে
হৰি হৰি দৈৱ্য বিধি।
হৰিৰ মায়ায়ে বঞ্চিলে হামাক
নভৈলেক কাৰ্যসিদ্ধি।। ৫০০

---

* *সঢ়াৰ — সৰা, সাৰি পৰিষ্কাৰ কৰি আঁতৰাই পেলোৱা।*

ইন্দ্ৰিয়ৰ প্ৰীতি   সাধিলো সদাই
দুসজ্জৰ সঙ্গ পাই।
বাৰেক কৰুণা   কৰিও গোসাঁই
কৃপা কৰা যদুৰাই।।
চিন্তা মনি জন্ম   বিফল কৰিলো
সি সুখ ভোগ আশাৰে।
ই বেলি ভকতি   নেৰো প্ৰাণ নাথ
ভজিবো তোমাৰ পাৱে।। ৫০১
যেন প্ৰতিব্ৰতা   একান্তে ভজিবো
অসত্য নকৰো হৰি।
নামক নেৰিবো   কাতৰে ৰহিবো
ৰাখিও সেৱক কৰি।।
সুহৃদ সোদৰ   বন্ধু নজানিলো
তোমাৰ চৰণ দুই।
পুত্ৰ পৰিবাৰ   সহাই নপাই
কান্দে *নিকুটুম্বি হই।। ৫০২
জীৱৰ সাৰথি   হৃদয়ৰ ৰাম
হিয়াত এৰিলো আমি।
দোষ চায়া দণ্ড   কৰিলা গোবিন্দ
ক্ষমা দিয়া নিজ স্বামী।।
হেনয় কাৰুণ্য   ৰাত্ৰি দিনে খেদ
কোনে পাসৰিবো ঐত।
দয়াৰ ঈশ্বৰ   কৰুণা সাগৰ
আউৰ বন্ধু আছে কৈত।। ৫০৩
মায়া সাগৰৰ   নপাইলোহো পাৰ
কৰিওক পৰিত্ৰাণ।
সংসাৰ চক্ৰত   মজিলো কুমতি
ৰাখৱ শঙ্কৰ প্ৰাণ।।
তুৱা গুণ যশ   ভকতৰ সৰ্ব্বস
ইহাত ৰহোক মতি।

---

* নিকুটুম্বি — কুটুম্ব হীন, অকলশৰীয়া।

হৃদয়ৰ গুৰু নিজ নাৰায়ণ
তুমি ত্ৰিজগত পতি।। ৫০৪
নাম অধিকাৰী গৃহস্থ-মুৰাৰী
শুনিওক সৰ্বজন।
ৰামকৃষ্ণ কৃত শঙ্কৰ চৰিত্ৰ
এহিসে পৰম ধন।।
সৰ্ব শাস্ত্ৰসাৰ কথা সাৰোধাৰ
মহাপুৰুষৰ পদ।
সমুদ্ৰ সাগৰ বোধ গুৰুতৰ
নোদোষিবা সভাসদ।। ৫০৫
যেন *এখা ভাণ্ডে ব্যঞ্জন নুদুখি
যদি পাগে সুপকৰ।
গঢ়ত সুৰগা সুন্দৰ কৰয়
ইসি ধৰ্ম মনুষ্যৰ।।
শঙ্কৰ চৰিত্ৰ প্ৰসিদ্ধ অমৃত
কৰ্ণে কৰা মধুপান।।
আগ পাছ দোষ হেকেৰা নগণি
পাতক কৰা নিৰ্জান।। ৫০৬
কাৰ্যক সাধয় এৰিও সংশয়
শুনা দোষ অভিপ্ৰাই।
সূচকৰ গাত ভেঙ্গা পৰে তাত
চেঙ্গোতো চাই চাই।।
এতেকে আমিও জুশাল গুৰিৰ
যাঠি গোটা শিশু নয়।
মুখে মুখে যাই নোহে এক ঠাই
ঈশ্বৰ ইচ্ছা হৃদয়।। ৫০৭
কৰ্ম অনুসাৰে সবাতো ৰময়
ৰাম কৃষ্ণ নিৰঞ্জন।
শ্ৰৱণ কীৰ্তন নামেসে সহাই
শঙ্কৰত চিত্ত মন।।

---
* *এখা — চৰু, পাত্ৰ।*

ভকতৰ সঙ্গে হৰিৰ কীৰ্তনে
হৰিৰ ভকতি তুলি।
এৰি লাজ ভয় জন্মৰ সুকৃত
তৰা হৰি হৰি বুলি।। ৫০৮

* * * *

ঘোষা : কৈক গৈলা কৈক পৈলা হৰিহে
হৃদয়ে দিয়া তাপ।
সংসাৰ সাগৰ নামে উদ্ধাৰা বাপ।। ৪০

পদ : বোলন্ত সাধুৰে সবে শুনা এক চিত।
শঙ্কৰেসে গতি মতি নামে মহাবিত।।
হৃদয়ে আছন্ত ৰাম দৈবকী নন্দন।
মনেসে কৰিতে লাগে নামক স্মৰণ।। ৫০৯
এতেকে প্ৰসন্ন দয়াময় দামোদৰ।
সংসাৰ সাগৰে সিন্ধু *টাটিক কৃষ্ণৰ।।
ঈশ্বৰ ইচ্ছায়ে চিত্ত আতমা সবাৰ।
সন্তুৰূপে জাত ভৈলা ধৰি গুৰু ভাৰ। ৫১০
পৰম পুৰুষ ব্ৰহ্ম নন্দৰ নন্দন।
হৃদয়ৰ নিজ বন্ধু নিজ নাৰায়ণ।।
নিৰাময় নিৰ্বিকাৰী গোবিন্দ গোপাল।
ভাঙিলা মাধৱে পাতি ঘোৰ মায়াজাল।। ৫১১
অচিন্ত্য মহত মহা অচিন্ত্য প্ৰভাব।
ভকত জনৰ প্ৰাণ জীৱ বাপ নাম।।
জগতৰ হৰ্তা কৰ্তা জগ প্ৰিয়কৰ।
শঙ্কৰেসে গুৰু নামে সত্য জগতৰ।। ৫১২
যেন হলধৰে ভূমি হলাহল কৰি।
কঠীয়া পাৰিলা নামে কিৰিৰিৰ হৰি।।

---

* টাটিক—ভেলেকী বাজি, মায়া।

ডুব ডুব কৰি গুৰু বান্ধিলন্ত আলি।
ত্ৰিজগ মোহন ৰাম সংসাৰক পালি।। ৫১৩
ব্ৰাহ্মণক আদি অন্ত চাণ্ডাল প্ৰভৃতি।
নি যুজিলা সঙ্কৰ্ষনা নামে পৰিনীতি।।
আপোন মায়াৰ বলে নাম অন্তৰ্গত।
বেকত কৰিলা ধৰ্ম ভক্তি ভাৰতত।। ৫১৪
হিংসক জনৰ পুণ্য নিন্দকৰ দূৰ।
স্বভাৱে নৰহে নাম চলে নিজপুৰ।।
পৰ শৰীৰত হিংসে আপোন হৃদয়।
জগতৰ আত্মাকৃষ্ণ হৰিসে বিজয়।। ৫১৫
হৰি সুমৰণে গতি ভকতি বিশিষ্ট।
ইহ পৰলোকে হৰি জগতৰ ইষ্ট।
খপন্তে খপন্তে বহ্নি অন্তৰ্গত হই।
যদ্যপি ঈশ্বৰ হৰি জগত হৃদয়।। ৫১৬
যিটো সন্ত সাধু নীতি নচাৰে শাস্ত্ৰৰ।
হৰিও নিশ্চয়ে হিয়া হৰি ভকতৰ।।
ভকতৰ পদে পদ নামৰো চৰণ।
শঙ্কৰ মুখৰ বাণী কৃষ্ণৰো বচন।। ৫১৭
হৰি নামে মুখ্য ধৰ্ম দিলো পৰিচ্ছেদ।
সামান্যত প্ৰিয় বাক্য মধ্যমত খেদ।
উত্তমৰ পাৱে পৰি কৰা নমস্কাৰ।
কহিলো তোমাক সৰ্ব শাস্ত্ৰ সাৰোধাৰ।। ৫১৮
বেদ বেদান্তৰো হৰি সমস্ত ভূতৰ।
মায়ায়ে পালন্ত মহাপুৰুষ গোচৰ।।
জগত ব্যাপিয়া হিয়া হৃদয় কমল।
পৰ হিংসা পাতকৰ পৰে পাই ফল।। ৫১৯
নিন্দিয়া নিৰ্মল কৰে আপোনাৰ নাশ।
সহৃদ বিশ্বাস কৰা নামত নিবাস।।
মুখে নাম হৃদি ৰূপ চৰণত ধৰি।
শ্ৰৱণ কীৰ্ত্তনে ডাকি বোলা হৰি হৰি।। ৫২০

* * * *

ঘোষা : শঙ্কৰ শঙ্কৰহে গতি গুণ নাম।
নভৈল ভকতি মোৰ কৈলো কোন কাম।। ৪১

পদ : শুনা এক চিত্ত কৰি মতি সাৱধান।
নাহি শত্রু মিত্র কৃষ্ণ সবাতো সমান।।
বান্ধৱ মাধৱ প্ৰাণ নামেসে গোচৰ।
বিনাহৰি নামে গতি নাহিকে লোকৰ।। ৫২১
স্মৰণে সাধুৰ বন্ধু ভকতৰ গতি।
জগত বঞ্জন ব্ৰহ্মা ত্ৰিজগত পতি।।
অনন্ত ব্ৰহ্মাণ্ডপতি গিৰি পদ দুই।
কৰায়ে কৰন্ত এক অধিষ্ঠাতা হই।। ৫২২
এতেকেসে অধিভূত আতমা জীৱৰ।
কাৰণেসে উতপন্ন জগয় ঈশ্বৰ।।
সেহি গুণে গুণময় নির্গুণত লয়।
গুণ যশে তুষ্ট হয়া নেৰন্ত হৃদয়।। ৫২৩
যিটো মায়া কৰি কৰে লোক প্ৰৱৰ্তন।
ভকতকো ছিদ্ৰ পাই নেৰে নাৰায়ণ।।
বটু অৱতাৰে বলি ভনুকো অৰ্পিলা।
হিয়া ফটা বান্ধ চোটে দেশৰ ডাকিলা।। ৫২৪
নিগ্ৰহৰ ছলে অনুগ্ৰহ দায়া কৰি।
অনুগ্ৰহে মায়া নিগ্ৰহয় হৰি।।
দায়া কৰিবাৰ ছলে চলিলা দেৱক।
কোনে অন্ত পাবে মহা হৰিৰ টাটক।। ৫২৫
ৰাৱন্ত দিলন্ত দিনে বলি দৰিশন।
আজিও নপাৱে খুজি সবে দেৱগণ।।
সংসাৰ ধৰিয়া কৃপাময় শ্ৰীশঙ্কৰ।
লোকৰ কৰিলা গুৰু নামে জগতৰ।। ৫২৬
দায়া কৰি অনুগ্ৰহ মায়ায়ে নিগ্ৰহ।
নিগ্ৰহত মায়া চুৰি ভকতি সর্বশ।।
দুখ নিবাৰণে সুখ মূৰ্খৰ বাঞ্ছিত।
দুখ দিয়া সুখ কৰে ভকতি আৰ্জিত।। ৫২৭

শ্রম দুখ ফল দুই দৈৱেসে কাৰণ।
সাধুসে জানয় সত্য হৰিৰ চৰণ।।
কৰ্ম দোষ ছেদ নাহি জ্ঞান অস্ত্র বিনে।
জ্ঞান নিষ্ঠ ধৰ্ম হৰি নামৰ কীৰ্ত্তনে।। ৫২৮
তপ জপ যজ্ঞো যোগ কল্পিত নিৰ্জ্জান।
সত্যাতো নুহিকে ফল নামৰ সমান।।
নেৰিবা হৰিৰ নামজানিয়া লোকাই।
মহাভাগ্যে দেয় তনু সেঠৱে নপাই। ৫২৯
তবে অপ্ৰয়াসে পাপী কীৰ্ত্তনে নামৰ।
নামেসে ভকতি ধন শকতি জীৱৰ।।
মহা পুৰুষৰ মায়া ধান্ধা পৰিহৰি।
ধৰিও শঙ্কৰ পাৱে নাম সাৰ কৰি।। ৫৩০
সুখক লাগিয়া দুখ ভক্তিৰ আহ্লাদ।
সুখৰ দুখৰ ত'তে মনৰ বিষাদ।।
গুৰু শিক্ষা জ্ঞান বোধ ধৰ্মবস্তু নাম।
কহে শূদ্ৰহীনে ডাকি বোলা ৰাম ৰাম।। ৫৩১

* * * *

ঘোষা : জগত জীৱন কৃষ্ণ জগত আধাৰ, জগত সংহাৰ।
জগন্নাথ পদে ৰাম, জগত নিস্তাৰ, তৰণ সংসাৰ।। ৪২

পদ : জীৱৰ জীৱন হৰি পাতিয়া সংসাৰ ভৰি
ৰক্ষাকৰ্ত্তাসকলে জীৱৰ।
গোবিন্দৰ কান্দ যত কোনে পাই আৰ তত্ত্ব
দয়াময় দয়াৰ ঈশ্বৰ।।
বড়াৱন্ত তেজবল পাপে ৰেৰে দৈল তল
পাছে সংহাৰন্ত মহাকাল।
যতেক বিপক্ষগণ নিবাৰণা নাৰায়ণ
বাৰে বাৰে পালন্ত গোপাল।। ৫৩২

মহাপুৰুষৰ মায়া   মাধৱৰ ঘোৰ বাজি
কৃপাময় লীলাৰে বিদিত।
ৰত্ন সিংহাসন ছাড়ি   গৰুড় বাহন এৰি
নৰৰূপ ধৰি পৃথিৱীত।।
ৰাম ৰূপে বনবাসী   কৃষ্ণ ৰূপে গৰু ৰাখি
গুৰু ৰূপে সংসাৰত আসি।
দেৱতাৰ দেৱ গুৰু   ভকতৰ কল্পতৰু
নাম ধৰ্ম ভকতি প্ৰকাশি।। ৫৩৩
গুণ গণ নাম নামমৃত   মহত্ত্বৰ মহাবিত্ত
সাঞ্চিত জনমে বাঞ্ছা ধন।
শঙ্কৰৰ গুণ গণ   পাতকৰ হুতাশন
সহিতে নপাৰে পাপীগন।।
শুনিতে পাতক হৰে   ভাতকি শুনিতে পাৰে
গুৰুতৰ মায়ায়ে পামৰ।
ভক্তি নামে দেৱ গুৰু   নামৰ নিগম তৰু
আপুনিসে বোলায়া ডাঙৰ।। ৫৩৪
শঙ্কৰক গুৰু এৰি   গুৰু দেৱ নিন্দাকৰি
সাক্ষ পাপে নিযোজজি সৰ।
অন্তৰ্যামী প্ৰবৰ্ত্তা   জীৱৰূপে ভাগকৰ্ত্তা
অৱতৰি কাৰণি অপৰ্ব।।
গৃহস্থৰ মায়া যত   নাৰায়ণ নামে অস্ত্ৰ
শঙ্কৰ নামক কৰা সাৰ।
শ্ৰৱণ কীৰ্ত্তন পাই   যত নাম এক ঠাই
আপোনাৰ গুণেসে নিস্তাৰ।। ৫৩৫
আপুনি আপোন শত্ৰু   আপুনি আপোন মিত্ৰ
আপোন আপুনি ৰাখে মাৰে।
হৰিক নভজি পাপী   আপুনি হোৱয় নষ্ট
হৰি ভজি আপোনাক তাৰে।।
আপোনাৰ নিজ প্ৰাণ   হৰি বিনে নাহি আন
নামবিনে নসাধে ভকতি।
সৰ্বিও গৃহস্থ নাম   সদায়ে শঙ্কৰ বাণী
সংসাৰ সাগৰে নিজ গতি।। ৫৩৬

গর্ব মদ পৰিহৰি হৃদয়ে দেখিও ৰাম
কৃষ্ণ বিনে নাহিকে উপায়।
যত যশ গুণ নাম গুৰু শিক্ষা অনুপাম
হেন নাম নেৰিবা সদায়।।
পাষণ্ড আচাৰ তেজি শাস্ত্ৰৰ বিচাৰে ভজি
গলে বান্ধা হৰি হেন নাম।
নামেসে জন্মৰ সিদ্ধি কহে শূদ্ৰহীনে মতি
পাপ ছাড়ি বোলা ৰাম ৰাম।। ৫৩৭

* * * *

ঘোষা : গোপাল গোবিন্দ জয়হৰি।
ভজোহো তোমাৰ পাৰে তুৰা নাম ধৰি।। ৪৩

পদ : শুনিলা কহিবো আৰু প্ৰত্যেক বুজাই।
সংসাৰ সাগৰে গুৰু শঙ্কৰ গোসাঁই।।
জয়তি জগত গুৰু জগতৰ হৰি।
জগত উদ্ধাৰি যাৰ চৰণত ধৰি।। ৫৩৮
শৰণ ভজন নাম ভক্তি বৈকুণ্ঠৰ।
লীলায়ে চিন্তিয়া হিত সবহি লোকৰ।।
শ্ৰৱণ কীৰ্তন মুদা ভাজি পৃথিবীত।
শুনক দূৰ্জন মাতে পাপে লাগি চিত।। ৫৩৯
বিধিয়ে বক্সিলে যাক নভৈলেক সিধি।
ডালত পৰিয়া কান্দে *ৰাম ক্ৰিয়া বিধি।।
কিনো মূৰ্খ কিনো মূৰ্খ কিনো মূৰ্খ দেখা।
একোৰে কালত নাই পাতকৰ লেখা।। ৫৪০
একে জনমত জীৱ তিনি জনমৰ।
আসুৰী অসোয়া দণ্ড নাই ভকতৰ।।

---

* ৰাম—বিধি নিষেধাত বৰ্জি থোৱা।

একোবে জনমে নুহি ভকতিৰ পাত্ৰ।
ভকতিৰ অধিকাৰ মনুষ্যেসে মাত্ৰ।। ৫৪১
মনুষ্য শৰীৰ ধিক ধিক আত পাই।
মিছা চাতুৰালি গোট দুই চক্ষু খাই।।
এবাৰ সঞ্জাতে দশবাৰৰ সঞ্জাত।
প্ৰত্যেকে প্ৰমাণ যাৰ কি কৈবো তোমাত।। ৫৪২
সত্যৰ ধ্যান ত্ৰেতা যুগত মুকুত।
দ্বাপৰত পূজা কলি নামে অদভুত।।
চাৰিও যুগৰ ৰস একে যুগে আনি।
বিদিত কৰিলা নাম ভকতি প্ৰমাণি।। ৫৪৩
তথাপি নামানে পাপী ফুটিলেক আখি।
উপজি উৰাই পক্ষী নগাজিল পাখি।।
গুৰুক নকৰি মান্য ভক্তক সেৱলি।
সপোনৰ নিধি যেন জাগি আছে অলি।। ৫৪৪
নধৰিয়া যুগ ধৰ্ম আনসে আচৰে।
ব্যথা দুখ শ্ৰম ফল একোবে নধৰে।।
বিষয় বিকলে লোকে নচাৰে ঔষধি।
যেন নাৱ এৰি মৰে জলত বিবুধি।। ৫৪৫
আশাতে ভসাবে নৰ যেহেন বাতুল।
সংসাৰ সাগৰে গুৰু নাহি পদমূল।।
মহাপুৰুষৰ মায়া মাধৱ সেৱলি।
গৃহস্থ কৰুণা নাম ভাণ্ডাৰক মেলি।। ৫৪৬
ব্ৰজনাৰ আজ্ঞাকাৰী সংহাৰৰ গিৰি।
ভকত বৎসল গুৰু কপাটক চিৰি।।
ভাগৱত তত্ত্ব পথ বিচাৰিয়া গুৰি।
সৎসঙ্গ ভকতি নাম সংসাৰক জুৰি।। ৫৪৭
পাপীৰ পালনে পুৰাতন নাৰায়ণ।
পাপতে ভেদিলে হিয়া নামে নাহি মন।।
যশে নিৰঞ্জন ধৰ্ম ধ্বজে হৰি নাম।
ধৰিও যতনে তৰি বোলা ৰাম ৰাম।। ৫৪৮

* * * *

---

* অলি—মিছা, অলীক ভাৱনা।

ঘোষা : শৰণে পশিলো হৰি নামে লাগি মন।
শঙ্কৰেসে গুৰু নিজ নামে মূলধন।। ৪৪

পদ : ঈশ্বৰ শঙ্কৰ দেব গোবিন্দ মুৰাৰী।
যাৰ আজ্ঞা পালে ব্ৰহ্মা বিষ্ণু ত্ৰিপুৰাৰী।।
মহা বিষ্ণু মহেশ্বৰ সৃষ্টিৰ পালন।
দৈবকী নন্দন ৰাম ব্ৰহ্মা সনাতন।। ৫৪৯
নিৰঞ্জন নিৰাকাৰ জগ মহাহৰি।
নাহিকে চেতন যাৰ মায়া জালে পৰি।।
সৰ্বভূত বিভঞ্জন ৰঞ্জন গোপাল।
সংসাৰ তাৰক জন উদ্ধাৰনে ভাল।। ৫৫০
অনাদি অনন্ত ব্ৰহ্ম গৃহস্থ শঙ্কৰ।
নাহি যাত পৰে লয় ত্ৰৈলোক্য ওপৰ।।
নিগুণ গুণেৰ নিধি গুণে ভগৱন্ত।
বাৰে বাৰে অৱতৰি ভক্তক পালন্ত।। ৫৫১
ব্ৰহ্মায়ো নপাৰে যাৰ নামৰ মহিমা।
ৰাত্ৰি দিনে গাই হৰে নপাৱন্ত সীমা।।
যত গুণ নামে গুৰু তাৰক জীৱৰ।
কোনবা নামত তুষ্ট শঙ্কৰ ঈশ্বৰ।। ৫৫২
শান্তিপূৰ্ণ গোমোৰ্ঠা মহদানন্দ হৰি।
গোপীনাথ গঙ্গাধৰ দেব ডেকাগিৰি।।
বিশ্বনাথ বিশ্বম্ভৰ বিশ্ব আৱৰণ।
বিশ্ব ধৰা ধৰি অৱতৰিয়া কাৰণ।। ৫৫৩
অনন্ত ব্ৰহ্মাণ্ড সিৰি সৰ্ব সচেতন।
পৰম পুৰুষ ব্ৰহ্ম মুৰাৰী ৰোচন।।
জগতৰ আত্মা ইষ্ট ভকতৰ গতি।
যাৰ নাম এৰি আন নাহিকে ভকতি।। ৫৫৪
বন্দোহো সততে হেন প্ৰভু চৰণত।
ভকতৰ পদে যাৰ অতৰ্ক মহত।।
বাহিৰে ভিতৰে গুৰু নামে হৃদয়ৰ।
কহিলো সন্তেদ যেন কথা সময়ৰ।। ৫৫৫
হৰি গুৰু একে ৰস নামে আৱিৰ্ভাৱ।

হৃদয়ে ধৰিও পদ পঙ্কজেসে নাব।।
সংসাৰ তৰিতে যাৰ ইচ্ছা আছে মনে।
শঙ্কৰ শঙ্কৰ নাম ঘোষিও সঘনে। ৫৫৬
এৰিয়ো বিষয় ধান্ধা জানি যমপুৰী।
মাধৱৰ মায়া বাজি তেজিও চাতুৰী।।
বিনা গুৰু শিক্ষা নাহি ভুকুতি মুকুতি।
শুনিও মানসা বোধ কীৰ্ত্তন যুগুতি।। ৫৫৭
গুৰু উপদেশ দৃঢ় নামে গলে বান্ধা।
কলিত হৰিব হৰি নাম বিনে ধান্ধা।।
শ্ৰৱণ কীৰ্ত্তন ধৰ্ম ভকতি মধুৰ।
সংসাৰ তৰিয়া সুখে পাৱে বিষ্ণুপুৰ।। ৫৫৮
হেন জানি কৰা আৰু শ্ৰৱণ কীৰ্ত্তন।
ইহ পৰলোকে গতি শঙ্কৰ চৰণ।।
হেন তত্ত্ব জানি কেহো নচাৰিবা নাম।
ভজিও শঙ্কৰ সবে বোলা ৰাম ৰাম।। ৫৫৯

* * * *

ঘোষা : গোপাল গোবিন্দ দেৱ যদু।
চৰণ পঙ্কজ গুণ নামে মধু।। ৪৫

পদ : নিগদতি সাধু পুত্ৰ শুনা আতপৰ।
বিস্তৰ বিজয় কথা লীলায়ে আগৰ।।
পাছতো কহিছো আৰু পাছ লাগি আছে।
ভাগৱত সাৰোদ্ধাৰ ভাষ্য টীকা সাকে।। ৫৬০
মাধৱৰ মায়া কাহি নৰ ৰূপ ধৰি।
মাৰিলা সোতৰ অক্ষৌহিণী সেনা হৰি।।
মাগধ ৰাজাৰ সেনা নাহি লেখা সীমা।
কৃষ্ণ নজানি সাধে চৰণ মহিমা।। ৫৬১
অসংখ্যাত অনুমান দৰ্প কৰি চুৰ।

লীলায়ে চলাবে বাবে বাবে যমপুৰ।।
ঈশ্বৰ কৃষ্ণৰ লগে যুঁজাক অধিক।
হেন নুবুলিবা শুনা কহো তাৰঠিক।। ৫৬২
তাবো প্ৰাণ বুদ্ধি নাশি কৰিলা নিৰ্জান।
মদগৰ্বে বলিয়া বাৰুণী সুৰা পান।।
ছাপন্ন যাদব কোটি নাহিকে অনেক।
চৈধ্য কোটি ধনুৰ্দ্ধৰ বীৰ অতিৰেক।। ৫৬৩
কৃষ্ণৰেসে সমশৰা জন সব্যসাচি।
সবে যদু মহাৰথী আছিলাতো বাছি।।
সিকালত ধনুশৰে সম্প্ৰতি সংগ্ৰাম।
ইকালতো ঘোৰ বাদে প্ৰকাশিলা নাম।। ৫৬৪
দনুজ দমন দৈত্য অন্তকে ঈশ্বৰ।
সকলে কালৰ কাল কালান্ত জীৱৰ।।
খাট চৌৰ হিংসকৰ ম্লেছ সংঘাটন।
ধৰণী ধৰণা জন চৰণে পালন।। ৫৬৫
গৃহস্থৰ সুখ শান্তি কিবা স্বৰূপত।
আপুনি বাটুল প্ৰাই আউল ধৰমত।।
নামেজিত কৰি বিতে ক্ৰীড়িলা গোবিন্দ।
জীৱৰ বিজয় মানে পদ অৰবিন্দ।। ৫৬৬
মকৰন্দে মধুপান ভ্ৰমৰা ভকত।
যেন পদ্মবনে হংস লুণী সমুদ্ৰত।।
মৃণাল উভজি নৃত্যগীতে হংস কেলি।
সৰ্বভোগ মলি আদি সাহ্লোকক ঠেলি।। ৫৬৭
ৰামহৰি বাণী দুই দৃঢ় হৃদিখৰে।
জিহ্বাৰ আগত সদা থাকে যিসবৰে।।
গঙ্গা গয়া কাশী সেতু প্ৰয়াগ নলাগে।
সমস্ত ধৰ্মৰ ফল পাই মহাভাগে।। ৫৬৮
শ্ৰৱণ কীৰ্ত্তনে ধৰ্মে বৈকুণ্ঠক যাই।
জীৱৰ তাৰকে নাম দিলন্ত গোসাঁই।।
এতেকে নিতান্তে নাম ছাড়ি আন কাম।
পাতক ছাড়োক ডাকি বোলা ৰাম ৰাম।। ৫৬৯

* * * *

ঘোষা : শঙ্কৰ দেৱ কৰিও উদ্ধাৰ।
বিনা গুৰু শিক্ষা মুখ্য নাহি নাহি আৰ।। ৪৬

পদ : আগম নিগম গীতা ভাগৱত গুহ্য।
সৎসঙ্গ ভকতি নাম ধৰ্ম্ম গুহ্য পূজ্য।।
*শুভনিত প্ৰিয়কাৰী গত ভাল মতি।
দীক্ষিত উচ্চৰি যাৰ নামে ভৈল গতি।। ৫৭০
গুৰু শিক্ষা সৎসঙ্গৰ নাম নাহি যাৰ।
শঙ্কৰ সংসাৰে বন পশু ভৈল তাৰ।।
জালৰ এৰায়া ধৰে খাপৰক হানি।
*সূতালু লবুদ্ধি বৃদ্ধ হৰোলৰ বাণী। ৫৭১
*বাইক বাথয় বালা বাজ পতি বাগে।
অগনিক বাজে মেবাই জবী পোৰে আগে।।
হেন তন্ত্ৰ মন্ত্ৰ আনি যোগাদিসকল।
নামৰ গৃহস্থ অন্ত্ৰ চৰণ কমল ।। ৫৭২
বেদ বিধি গাই যাক বুৰে মেবিয়াই।
নামত নভজে ভজে কোন কৈত পাই।।
বৈকুণ্ঠে নাথাকা যোগী নাথাকা হৃদয়।
তীৰ্থতো নাথাকা তুমি দেৱ দয়াময়।। ৫৭৩
একান্ত ভকত সম গুণ গানি যাজে।।
সবাটো নাথাকা কৃষ্ণ দেৱ বনু যাজে।
সবাটো নাথাকা তুমি দেৱ দয়াময়।।
অনন্ত বিহাৰ সিবি দেৱ ৰূপ ধৰি।
ভকত জনৰ অনুগ্ৰহক আচৰি।। ৫৭৪
নাৰায়ণ নমস্কাই পদে পদাম্বুজ।
যাৰে সৃষ্টি তাৰে মায়া বান্ধিৰ নিকুঞ্জ।।
বজাৰত জাল পাল যেহেন জুলুকি।

---

* শুভনিত — মৃদুভাষী।
* সূতালু লবুদ্ধি — সূতীয়া।
* বাইক — বকা।

আপোন কীৰ্তন বলে হৃদয় হলুকি।। ৫৭৫
ৰোমাঞ্চ শৰীৰ প্ৰেমে গদ্ গদ্ বাণী।
জানিলা শাৰেঙ্গপাণি তাহাৰ প্ৰমাণি।।
তাহাৰ কণ্টালি গুৰু গৌৰৱ চৰণ।
তাহাৰ সুহৃদ বন্ধু শৰণ ভজন।। ৫৭৬
মহা বিষ্ণু মাধৱৰ পাদুকে সম্ভ্ৰম।
মহাপুৰুষৰ সঙ্গ জানি অনঙ্গম।।
ধান্ধা বিৰকতি মিলে আসকতি চৰে।
গুৰুৰে দেখাই দেখে পৰিযত্ন কৰে।। ৫৭৭
এৰাই সংসাৰ তাপ ফোকাৰিয়া কান্দে।
নাম মাত্ৰ সাৰ জানি টানি গলে বান্ধে।।
সন্তৰ সঙ্গানু দিনে পিৰীতি সঘনে।
বাঢ়ে স্নেহ শ্ৰদ্ধা ৰতি শ্ৰৱণ কীৰ্তনে।। ৫৭৮
শঙ্কৰক হৃয়ে ধৰি হয়া সাধুজন।
ধৰ্মগিৰি ৰাজাপদ নামে একমন।।
অপ্ৰয়াসে তবে গুণ গীতক উচ্চৰি।
পাৱে পৰম্পদ সুখ ধৰ্ম শিক্ষা ধৰি।। ৫৭৯
যেখনে উখৰে মন *অশ্বতুল্য চুটি।
ধৈৰ্য ধৰি নাম ধৰে যেন শিলাখুঁটি।।
সুভনিত সুচৰিতা গুণে গুণাকৰ।
নামেসে পৰম পন্থ বিত্ত ভকতৰ।। ৫৮০
পৰম ভকতি পন্থ পৰিচাৰ্য কৰি।
নাম ৰস গ্ৰহণীয়া ভজনীয়া হৰি।।
হৰি দাস ভৈলে সি সি হৰিৰ ভকত।
হৰিক পাৱয় কৰি সেৱা চৰ্ণাত।। ৫৮১
যমকাল মায়া ভয় ছাড়ি অপমৃত্যু।
সংসাৰ সাগৰ ঘোৰ তৰণৰ সেতু।।
হৰিৰ কীৰ্ত্তনে হৰি চৰণত লাগি।
হৰি হৰি বোলা হৰি নামে সদ ভাগী।। ৫৮২

* * * *

---

* অশ্বতুল্য চুটি — ঘোঁৰাৰ দৌৰৰ নিচিনা।

ঘোষা ঃ হে হৰি হৰি শঙ্কৰ তোমাৰ চৰণে।
কৰা কৃপা নামে পশিলো শৰণে।। ৪৭

পদ ঃ সংসাৰ চক্ৰৰ মায়া চক্ৰ নিৰমনা।
তোমাৰ চৰণে কালচক্ৰ নিবাৰণা।।
তিনি ত্ৰৈলোক্যৰ পতি অগতি জীৱৰ।
ভজন মাত্ৰকে গতি ভজনি ঈশ্বৰ।। ৫৮৩
তোমাৰ সেৱক ভৈলো শৰণ্যয় মানি।
পাৰে নচাবিবা বদ্ধ পাপী হেন জানি।।
পতিত পাৱন নামে শৰণ তোমাৰ।
তাৰণ কাৰণ নমো চৰণে তোমাৰ। ৫৮৪
শৰণাগতক হৰি চৰণে গোচৰ।
মুখে নাম হৃদি ৰূপ সঙ্গ ভকতৰ।।
শ্ৰৱণ কীৰ্তন নাম ভকতি প্ৰসাদ।
নামত উলঙ্ঘা যাৰ তাহাৰ বিষাদ।। ৫৮৫
কুকথা কুকৰ্ম ত্যাগি বাসনাৰে চিপ।
শঙ্কৰী সম্প্ৰদা নামে ভাৰতৰ দীপ।।
জগত গৃহস্থ অস্ত্ৰ চৰণে চলাই।
সৃষ্টি নৰ চৰাচৰ ঈশ্বৰ ইচ্ছাই।। ৫৮৬
কৰ্ম অনুসাৰে ৰতিমতি বিভাগনা।
গোবিন্দৰ ফান্দজৰী কহে সাধুজনা।।
পাপময় কৰ্ম কৰি যাইবে লাগিতল।
পাপত পাপীৰ ফল আগমৰ বল।। ৫৮৭
পাপীৰ পৰশে পাপ আৰিবে হেৰায়।
দেৱৰ প্ৰতিমা নদী পাপে পড় প্ৰায়।।
আগমে আওৰি যোৰ হেৰ সামৰাজ।
নাম মাত্ৰ আছে ভালে নাহি আন কাজ।। ৫৮৮
জাতি ধন নাৰী সব অসতী বচন।
কৃষক নভজি পাপে নায় নসহৰ।।

নামক নচাৱে সাধু সন্ত মহাশয়।
হৰিৰ চৰণে তাৰ শঙ্কৰ হৃদয়।। ৫৮৯
বৈষ্ণৱে বিষ্ণুৰ কাই শ্ৰৱণ কীৰ্তনে।
কলিত দুৰ্লভ লাভ কৃষ্ণৰ চৰণে।।
আপুনি বদতি দাতা পাণ্ডুৰ তনয়।
ভকতেসে ভাগৱত সত্য ধনঞ্জয়।। ৫৯০
মোৰ গুণ নামে সাধু মোৰ সমসৰী।
শিষ্যত ঈশ্বৰে কৈলা বহু সত্য কৰি।।
পাছে মোৰ মায়া চৌৰ নাৰায়ণ কেলি।
ঈশ্বৰ ইচ্ছায়ে চিত্ত নামে পাপ ঠেলি।। ৫৯১
ধৰ্ম ৰাখিবাৰ হেতু কৰ্মৰ যুগুত।
আন ধৰ্ম ধাক্কা হৰি নামেসে মুকুত।।
বৰৰুচি বশিষ্ঠ যে ভয়ু ৰাজ সন্ত।
অযুগুতি যুগুতিয়ে ধৰ্ম ৰাখিলন্ত।। ৫৯২
শ্ৰৱণ কীৰ্তন হৰি পৰায়ণ কৰি।
সদা সুমৰণে পাপ নচাৱন্ত হৰি।।
শঙ্কৰ মাধৱ নাম নচাবিবা মনে।
বোলা হৰি হৰি পাপ ছাড়ি সৰ্বজনে।। ৫৯৩

* * * *

ঘোষা ঃ গোপাল গোবিন্দ হৰি ৰাম নাৰায়ণ।
শঙ্কৰ চৰণে মনে পশিলো শৰণ।। ৪৮

পদ ঃ আগম পাৰত পাপ বলে সমুদায়।
নিগম ভকতি নাম তৈল গৰ্ত প্ৰায়।।
বিবা যাৰ আছে বৈত বিহেতু কাৰণ।
তাকো নামে পাৰে লাগ কঠোগত জন।। ৫৯৪
ধৰ্ম চাৰি পাদ আনি পূৰি পাতেকন।
কিনো ধৰ্ম সিত্তৰিয়া নাম বৈকুণ্ঠন।।

যাৰ আছে আছে তাৰ সমূলিয়ে উদি।
আনহেতু নাহি যাইবে ভাসকৰ বুদ্ধি।। ৫৯৫
তপ যপ যজ্ঞো যোগে ফলে আশা নাই।
নামৰ কীৰ্ত্তনে ফল ফল এক ঠাই।।
উঙ্গ ব্ৰহ্ম শব্দ ঈশ অৱতৰি নাম।
এহিহেতু ভকতৰ পূৰে মনকাম।। ৫৯৬
শঙ্কৰ শিষ্যৰ শিষ্য ভকতৰ মন।
হৰিৰ কীৰ্ত্তনে হৰি ভকতৰ ধন।।
হেন নাম এৰি নাহি নাহি মন থিৰ।
দুখ মাত্ৰ পাৱে মিছা বেশ্যাৰ শৰীৰ।। ৫৯৭
যেন কুল বধূ নিজ স্বামী এৰি ঘৰ।
ভকতি বিহীন হীন হীন অধমৰ।।
চাৰিতো কৰিয়া চাৰ নিশ্চিত বৰ্জ্জিত।
আত্মাত বিৰোধে মতি ইন্দ্ৰিয়ত চিত্ত।। ৫৯৮
পাতেকে আঘোৰ ঘোৰ কটিৰ চিবুক।
চিবুক চাৰিয়া মাথা ভুৰি উক মুক।।
এবাৰয় পাপ হাৰী যি হৰি পুৰুষ।
শৰদ শৰীৰ যাৰ নাম মাত্ৰ উস।। ৫৯৯
শ্ৰৱণে কীৰ্ত্তনে নাও কত্তালিসে গতি।
জানি হৰি নামে কৰা হৰিত ভকতি।।
হৰি বাসকৰ আত কহিবাক পাৰি।
মূৰল ভুৰলি যদে তত্নে নপাৰি।। ৬০০
নাম ধৰ্ম অগোচৰ আছিলন্ত আগে।
ঈশ্বৰে কৰাৱে যাক কিকাৰণে লাগে।।
ধৰ্ম অধৰ্মৰ ধাম গুহৰ ঈশ্বৰ।
অন্তৰ্যামী নাৰায়ণ নিসীম জীৱন।। ৬০১
তনা সত্তাসন তক্ত ভকত চৰিত্ৰ।
আত্তপৰে পুণ্য জানা নাহিকে কলিত।।
দুৰ্লভ মনুষ্য জন্ম কিকলেসে যায়।
চিন্তামণি জন্ম জানা হাততে হেৰাই।। ৬০২

চেতন নাহিকে পৰি বিষয় বিকলে।
চিন্তিও হৰিৰ নাম হৃদয় কমলে।।
তেবেসে তৰিবা ঘোৰ যমৰ নিকাৰ।
বিনা গুৰু শিক্ষা গতি নাই নাই আৰ।। ৬০৩
জানি নাম ধৰ্মে ধৰা শ্ৰৱণ কীৰ্ত্তন।
হৰিৰ কীৰ্ত্তনে হৰি ভকতৰ ধন।।
সংসাৰ সাগৰে সেতু মাধৱৰ নাম।
কহে শূদ্ৰহীনে ডাকি বোলা ৰাম ৰাম।। ৬০৪

* * * *

ঘোষা : ৰাম কৃষ্ণ ৰাম কৃষ্ণ হৰি নাৰায়ণ।
সৎসঙ্গে বেকত প্ৰভু শঙ্কৰ চৰণ।। ৪৯

পদ : শত কোটি কল্পান্তৰি জনমৰ ভাগ।
হাততে হৰাই পাই নপাই বৈৰাগ।।
সন্তেদ নজানি কূপে পৰন্ত ৰাপৰ।
সংসাৰ সাগৰ গৰ্ত্ত নদী ভয়ঙ্কৰ।। ৬০৫
হৰি ভজনীয়া কায় মনুষ্য শৰীৰ।
জীৱন চঞ্চল যেন বিজুলী অথিৰ।।
যেন নব মেঘ খণ্ড অখণ্ড প্ৰতাপ।
অখণ্ড মণ্ডল হৰি জগতৰ বাপ।। ৬০৬
হেন নিজ গুৰু পিতৃ দ্ৰোহ অধঃপাত।।
সাধু নিগদতি শুনা মানসা সাক্ষাত।
আক এৰাইবাৰ শক্তি উপাই বিস্তৰ।।
অভয় চৰণ নামে নিজ পাই হৰ।। ৬০৭
আনবো সাধিবে সিদ্ধি শুনিলাভে কম।
গুৰুক চাকিয়া গুৰু মহেশবো ভজ।।
বিভ্ৰমে পৰিয়া শিৱ শক্তিতে চৰণ।
ভূমিক লাগিয়া সিটো সাধিলা শৰণ।। ৬০৮

শঙ্কৰ জন্ম ৰহস্য কাৰণ নামৰ।
যুগলে যুগল ফল জীৱ বাঞ্ছনৰ।।
যুগলে যুগল বাণী যমুনাৰ কাই।
কায়স্থৰ কায়ে সাঙ্গ ধৰ্মে এক ঠাই।। ৬০৯
মাধৱ মনুষ্য মহাপুৰুষ শঙ্কৰ।
কহিলো কাহিনী যত তত্ত্ব গূঢ়তৰ।
মুনিৰো ৰহস্য ভাস্তি ভাষ্য টীকা ওৰা।
মুখ্য দশ দ্বাদশত অসংখ্যাত জোৰা।। ৬১০
মৎস্য কূৰ্ম নৰসিংহ ৰৰা অৱতাৰ।
যুগে যুগে যুথে যুথে বিক্ৰমে অপাৰ।।
শ্ৰোতাৰ আগত সাধু ব্যৱসায়ৰ কথা।
অক্ষৌহিণী অসংখ্যাত মুখ্যৰ ব্যৱস্থা।। ৬১১
নাই পৰিনীতি সখা ইৱাৰ কল্যানি।
কাৰণেসে কক্ষা আছে ইদিনাৰ বাণী।।
তাৰ অনুভৱে পৰি কথা পৰিমাণ।
ঈশ্বৰ ইচ্ছাৰে চিত মিলিল বিধান।। ৬১২
কতো সমসৰ কতো বোলে সমদম।
ভাগ কৰি কৰিবেক আৰে সমসম।।
গুৰুৰো গৌৰৱ নামে তাৰিবে সংসাৰ।
গুৰু বোধ বিনে গতি নাই নাই আৰ।। ৬১৩
নাহি একো ফল শ্ৰম দুখেসে বিস্তৰ।
কৰ্ম জৰী মায়া পাশে অধীন জীৱৰ।।
এহিমানে দেৱ অন্ত নাহি সমাপত।
শ্ৰৱণ কীৰ্তন নামে ৰতেক ভকত।। ৬১৪
হৰিৰ কীৰ্তনে তৰে হৰি দাস গণে।
নিৰন্তৰে পাপ হৰে হৰি পৰায়ণে।।
হেন তত্ত্ব জানি সবে এৰা আন কায।
পাতক ছাড়োক ডাকি বোলা ৰাম ৰাম।। ৬১৫

* * * *

ঘোষা : ৰাম ৰাম ৰাম বোল হৰি হৰি।
ভাৰতে মানৱী তনু জন্ম সাৰ কৈৰি।। ৫০

পদ : শুনিওক বিদ্যমান কহো ভকতিৰ থান
সংসাৰত শঙ্কৰে যি কৈলা।
স্বভাৱ সৰক এৰি ধৰিলা সহজ খেৰি
যিটো যিটো শিক্ষা বোধ লৈলা।।
এৰি ঘৰ বাৰী বতি ভৈলা ব্ৰহ্মচাৰী মতি
হাতে কমণ্ডলু খণ্ডা লাঠি।
কটিত কপাহী পিঙ্গ মুখত তপসী চিন
হৰি কথা ঘন ঘন গাঁঠি।। ৬১৬
মতন্তে মেৰাই ধৰে কথাৰে জোৰণি যোৰে
মা শবদে মাধৱ সূচাই।
ত শবদে তৰুণৰ অৱতাৰ গুণ গণ
গিৰি কহে শংকৰ গোসাঁই।।
প্ৰত্যেক প্ৰমাণ জানি কথাৰে নসৰে পানী
যেন দধি কলা কৰে পান।
মাতৰ কথাৰ অৰ্থ ভেদিয়া ভকতি পথ
ভকতৰ কথা জান জান।। ৬১৭
কৈশ পদে ব্ৰহ্মা বিষ্ণু ত্ৰিপুৰাৰী সমেতিনি
বৈয্যাতিক নাৰায়ণ তথা।
অসংখ্য মুকতি কৃত তাহাৰ কসনিমৃত
তাহাৰ কসনি হৰি কথা।।
ভ শবদে ভগৱন্ত ভজন ভকতি তাৰে
তিনি গুটি অক্ষৰে ভকত।
কৰ অক্ষৰক জানি নিৰক্ষৰে মহামানি
উত্তৰে উত্তমা ওঁ মাতত।। ৬১৮
কথাৰে দুগুটি কয় যাক্ষেৰ দুক্ষেৰ মৰ
এযোৰে নপাই ব্ৰহ্ম ঘৰে।
তিনি গুণে কৰি অন্ত তেবেঁ বুলি লিখিহঁত
জগত তৰণি নিৰন্তৰে।।

শ্ৰৱণে কৰয় পান নাশাযেন কৰে ঘ্ৰাণ
বসে নদী বহে হৰনৰ।
স্নেহে গল ধৰা ধৰি নয়নে নিগৰে জৰি
যেহেন জননী তনয়ৰ।। ৬১৯
মৰণি গহণি দেহা ভগৱন্তে পৰশে আসি
এৰিয়া নপাই আৰু পুন।
উপতন্ত্ৰ পীড়া চক্ৰ সংসাৰৰ উদ্ভৈপাক
নেৰে হেন জানি মনে গুণ।
কিনো ভক্ত মিত্ৰ আতি সুহৃদ সোদৰ জন
উৰ্মাখৰ বাণী নাহি মাত।
জগতৰ জন হৰি হৰিক হৃদয়ে ধৰি
অন্তৰ্যামী দেখন্ত সৱাত।। ৬২০
লগভৰা নাৱে খায় বক্তে উমি নাৱে যায়
নজানো ই কথা কেনে বাদি।
আপোন পৰৰ ভেদ তাৰ আৰ পৰিচ্ছেদ
আনক নধৰে গলে বান্ধি।
ঐশ্বৰ্যৰো আস নাই নথাকে গৃহৰ দাই
কথাসে কথন ৰাত্তি দিন।
শয়নত কাল খিৰ খাৱন্তে বাছিয়া খায়
কিবা কাৰ কথা কৰে খিন।। ৬২১
আমি সবে বুদ্ধি বলে সেৱা কৰিবাৰ ছলে
সবে আণ্টা পাইলো ধৰমৰ।
নাম মাত্ৰ খাইবে পাই আনন্ত ভাৱনা নাই
তাৰ বোলে সন্ন ভকতৰ।।
ভকতৰ ভাৱ এই কহিলো দেখিলো যেই
চাম্প দিয়া ফুৰে চুৰা খাই।
ভ্ৰমন্তে ভুমুকি কৰে যেহেন ধকৰা ধৰে
পথ এৰি বনক সোমাই।। ৬২২
পাধুৰি চাতুৰী যত একো শাস্ত্ৰ নাহি হেন
কেহো আক দেখা শুনা নাই।

হেন কথা গুৰুতৰ বেদ বিধি অগোচৰ
কৈৰ পৰা দেখাবে শিক্ষায়।।
আক পাই বৰ মন নাই একো গণা গণ
নিন্দক বন্দক অন্যৰত।
নচাই নজানে নাই কাহাতো ভাৰসা চাতু
আশাৰে ভাৰসা ভকতত।। ৬২৩
দুইৰো দুই ধৰে ধূলি শিৰত পৰশে তুলি
মই দুখী তুমি সদাগৰ।
পথৰ সমল বিত আনন্দে নধৰে চিত
কহয় কাহিনী বৈকুণ্ঠৰ।।
উজনিসে মন আতি ভটিয়াই হীন জাতি
পূৰ্বাপৰ বিচাৰে সম্প্ৰদা।
নৈমিসা অৰণ্য মাজে ঋষিৰ সমাজ মাজে
অদ্যপি *বসানে হেন সদা।। ৬২৪
বৈৰ মুখে শুনি চিয়া ভকতিৰ পৰিক্ৰিয়া
অকন্তে নুদুৰি ৰিৰ গণ।
জানি কৰ্তাকাৰী কাম কৰ্ম ঘটে ঘটে ৰাম
জগ জন জনক চৰণ।।
শৰৰ পিৰাত নল ভাগে ভাৰ ৰাখি কান্ধে
কান্ধে এৰে নাহি দেখা দেখি।
যেন আঙুলিয়ে কানি টাপলি মাৰয় টানি
সেহি নৰ মিনক আপেক্ষি।। ৬২৫
কিবা আজি কালি জান পৰে কৈত কোন বেলা
পৰে হিত চিন্তা প্ৰয়োজন।
নিসীম যোনীৰ চেৰা বিষয় ৰসতি এৰা
নাম ধৰা অমূল্য ৰতন।।
ধন জন এথা চুৰে কাৰো কেৰে নৰাই লাগ
চিৰ কাল আশাৰে নৰহে।
চাৰিও ধাত্ৰাৰ কাম ডাকি ৰোলা ৰাম ৰাম
জিহুৰ তনয় ৰোধে কহে।। ৬২৬

* * * *

* বসানে—বহওৱা

ঘোষা : নাম ধৰা নাম ধৰা ভাগৰ লোক।
ৰাম নাম বিনা সবে মায়াময় শোক।। ৫১

পদ : ধন জন জীৱন যৌৱন গৰ্ব চৈহ।
ভাৱনা ভাণ্ডিয়া যমে ভঙ্গে গেলা গেহ।।
যতেক প্ৰবৃত্তি ধান্ধা নিবৃত্তি তৰণ।
অৰ্জুনৰ আগে আগ কৃষ্ণৰ বচন।। ৬২৭
তপ যপ যাগ যজ্ঞো সবে কৰি ৰাম।
ঈশ্বৰ শংকৰ গুৰু গোবিন্দৰ নাম।।
যাৰ যেন ভাগ ভক্তি মুকুতি থাৱত।
আজ্ঞা দিন অনুসৰি নাম ভাৱতত।। ৬২৮
যত আশান্তৰ মানে পাতকে হেৰাই।
আগমে আগুৰি ঘোৰ চৌভিতি বেৰাই।।
কমনে ৰবাই কৰ কালৰ হাতত।
জানি এক চিত্ত কৰা হৰিৰ নামত।। ৬২৯
নাম মাত্ৰ ধৰ্ম ধ্বজ ভকতি প্ৰধান।
গীতা ভাগৱত টীকা ভাষ্যৰ প্ৰমাণ।।
গুৰু শিক্ষা টীকা ভাষ্য ভকতিৰ উক্তি।
জগত মঙ্গল ৰূপ হৰি নাম যুক্তি।। ৬৩০
সন্তৰ পালন কাৰী কাৰণ চৰণ।
ভক্তৰ কৰুণা গুণে গুণে নাৰায়ণ।।
হৃদয় ৰঞ্জন জন নিৰাকাৰ নিজ।
অৱতৰি গুণ যশে ভকতিৰ বিজ।। ৬৩১
বিশ্বেশ্বৰ বিশ্ব নাথ নপাই যথা তথা।
ৰাৱে হৃদয়া নুহি শুদ্ধ দুৰ্ঘটন কথা।।
সন্তৰ হৃদয়াত হৰি নামে ৰুচি মত্ত।
ভজা মাধৱক মহা পুৰুষ অনন্ত।। ৬৩২
হৰি পৰায়ণ নামে সন্তৰ সঞ্চয়।
ভকতি বিনাই হীন নিষ্ফল জনম।।
বিষই বাসনা পাশ জৰীৰ বন্ধন।
গুৰু বোধ জ্ঞান অস্ত্ৰে কৰাও ছেদন।। ৬৩৩

নামে পিতা মাতা বন্ধু বান্ধৱ জগত।
এতেকে আপোন মনে আপোন ভকত।।
ইহ পৰলোকে সাধ্য ভকতিৰ ভাগি।
আজন্মৰো জন্ম হৰি ভকতিক লাগি।। ৬৩৪
অবলু আপচু যাৰ পাপী সাঞ্চ কাল।
তাহাৰ ভকতি কথা কৰ্ণে কৃত শাল।।
দুঃসঙ্গৰ সঙ্গে ভ্ৰম বাউল হয়া মতি।
পাপ নচাৱিলে নযাই ভকতিক ৰতি।। ৬৩৫
যাৰ পূৰ্ব পুণ্য বল ধৰম প্ৰতাপ।
তাৰ নিজ গুৰু মহা কৃষ্ণ জগ বাপ।।
মহা পুৰুষৰ কেলি জানি সভাসদ।
নামেসে পৰম ধন ভকতি সম্পদ।। ৬৩৬
মধুমত মকৰন্দ্ৰে দৃঢ় কৰা মন।
হৰি পাৱে হৰিৱিত হৰিৰ কীৰ্তন।।
শঙ্কৰী ভাস্কৰী মায়া সীমাৰ প্ৰমাণি।
ডাকি হৰি হৰি বোলা সমজ্যাৰ প্ৰাণী।। ৬৩৭

* * * *

ঘোষা : **শঙ্কৰ শঙ্কৰ শঙ্কৰ বান্ধৱ মাধৱ হৰি।**
শঙ্কৰ বুলিয়া জৰিবো সংসাৰ নামে আছো আশা কৰি।। ৫২

পদ ছবি :

শঙ্কৰেসে আত্মা নিজ শঙ্কৰেসে ভক্তি বিজ
শঙ্কৰেসে গুৰু নাৰায়ণ।
সংসাৰ পালক জন ভকত জীৱন ধন
শঙ্কৰ চৰিত্ৰ গুণ গন।।
সেহিসে কুলীন সন্ত সেহিসে মহন্ত ভক্ত
তাহাৰেসে মনৰ উৎসৱ।
গুৰুৰো পৰম গুৰু ঈশ্বৰ পুৰুষ হৰি
বান্ধৱ চৰণ প্ৰভুৰ।। ৬৩৮

দুষ্টৰ মায়াক সিসি নিস্তৰিয়া সাধুজনে
কৃষ্ণৰ মায়াৰ দেখি বল।
সংসাৰ সাগৰ তৰি শৰণ্যো সুমৰে হৰি
শঙ্কৰত মন কৌতূহল।।
মাধৱৰ বণ্ডা দুই চৰণ মায়াৰ জালে
মৰে বহির্মুখে পাপী যত।
ৰাম নাম ৰসপিয়া হৰিক ধৰিয়া হিয়া
শঙ্কৰী মায়াৰ জানি তত্ত্ব।। ৬৩৯
এৰিয়া ভাস্কৰী কাম একান্ত শৰণে নাম
চাৰি পুৰুষাৰ্থ তুচ্ছ কৰি।
তাহাৰ নিজৰা হৰি হেন নাম মূলে ধৰি
দুখৰ সংসাৰ সুখে তৰি।।
যিকালৰ যিটো কথা ইকালে সমৰি ব্যৰ্থ
আৰু তপ জপ কোন মানি।
জানি বুদ্ধিমন্তজন শঙ্কৰত মজি মন
বোলিও হৰিৰ নাম জানি।। ৬৪০
অচ্যুত ঈশ্বৰ বন্ধু কৃপাৰ সাগৰ সিন্ধু
যশ ৰাশি গুণ গলে বান্ধি।
তৰিও সংসাৰ জালে মৰণ হাটে কি বাটে
নলৈয়া মৰিবা পাছে কান্দি।।
গৃহস্থৰ আদেশত চৰাচৰ সৃষ্টি যত
আজ্ঞা অনুবৰ্ত্তি বেদ বিধি।
নমৰা লম্পট মাতি ভকতিত কৰা যাতি
নাম বিনে নাহি নাহি সিদ্ধি। ৬৪১
শ্ৰৱণ কীৰ্ত্তন ধৰ্ম্ম অনাদৰি আন কৰ্ম্ম
নামত ভকতি গতি সাৰ।
ৰামকৃষ্ণ নাম মধু শঙ্কৰ করুণা সিন্ধু
নাৰায়ণ হয়া আপোনাৰ।।
শুন মোৰ মন ভাই নমৰা দুই চক্ষু খায়
দু-জন দুৰ্মতি পৰিহৰি।

ভাষ্য টীকা ৰস ছাই   যুগধৰ্ম অৱজ্ঞাই
শঙ্কৰী সম্প্ৰদা নাম ধৰি। ৬৪২
নলাগে উত্তম জন্ম   ভকতিত দেৱ দ্বিজ
আদি অন্ত তৰে নিৰন্তৰ
সুমৰণ দিন ৰাতি   নবাছে অজাতি জাতি
হৰি নাম ধৰ্ম বৈকুণ্ঠৰ।।
ৰাম কৃষ্ণ শঙ্কৰেসে   স্মৰণে হৰয় পাপ
বিবুদ্ধি অসঙ্গে সঙ্গে হত।
যেহেন চাউল নাই   অন্নে দুখে দুখাই আস্ত
উপতন্ত্ৰে আকুল মনত।। ৬৪৩
দুখীহীন জন্ম ধিক   ম্লেছ নীচ দু-সঙ্গত
সন্তসঙ্গ বিনে নাহি সুখ
বিষাদে প্ৰমাদ আতি   তুল্যতম যুগতাৰে
আত্মাৰ সংযোগে সুখ দুখ।।
জগতৰে আত্মা ৰাম   নাৰায়ণ দেৱ ঈশ
কৃষ্ণ ব্যতিৰেকে নাহি আৰ।
সংসাৰ সাগৰ ব্যাপি   শংকৰ চৰণ দুই
শৰণ ভজন তত্ত্ব সাৰ।। ৬৪৪
শাস্ত্ৰৰ বিচাৰ সাৰে   ভজিও সাৰেঙ্গ পাণি
সবে মিছা সত্য নাৰায়ণ।
ত্ৰৈলোকৰ পতি হৰি   গুৰু তুষ্ট ভৈলে তুষ্ট
নাম মাত্ৰ হৃদয়ে স্মৰণ।।
হৰি নাম ধৰ্ম ভক্তি   নামেসে নামেসে গতি
পটোৱাৰে মুৰাৰী মুদ্যান।
যিমতে সাধনি যাৰ   শ্ৰৱণ কীৰ্তন সাৰ
সৰ্ব সিদ্ধি পুৰুষ সুৰ্জান।। ৬৪৫
যেহেন বগলি উৰি   সীমাৰ চাৰিয়া পাণী
শুদ্ধ সত্য এৰি অনাচাৰ।
নিজ পিতৃ গুৰু বাক্য   পৰে দুখ অসন্তোষ
সুখ দুখ নজানে দুৰ্বাৰ।।

শুনা সমাজিক জন ভকতি সি মহাধন

জানি ভজা তেজি আন কাম।

আন আশা পৰি হৰি হৰিক হৃদয়ে ধৰি

নিৰন্তৰে বোলা ৰাম ৰাম।। ৬৪৬

* * * *

ঘোষা : মোকে মোৰ বুলি ধৰা প্ৰাণ নাথ হে,

হেনসে করুণা কৰা। মোকে মোৰ বুলি ধৰা।। ৫৩

পদ : পৰ্বত বনত পশি ফলমূল মাংস ভক্ষি

ধৰ্ম কৰে কলপে কলপ।

আজি কালি টুটে দিন নুটুটে যমৰ ঋণ

বৰ কথা নুবুলি অলপ।।

হৃদয়ৰ গুৰু মহা প্ৰভু নাৰায়ণ হৰি

ৰাম কৃষ্ণ শংকৰ গোসাঁই।

অসংখ্যাত অৱতাৰ মুখ্য দশ ৰাবে বাৰ

দ্বাদশ বাজিবে যদুৰাই।। ৬৪৭

জ্ঞানী কৰ্মী নজানন্ত মহত্বৰ মহা তত্ব

গুণ নাম চৰণ মহিমা।

ব্ৰহ্মাদি অপেক্ষাত নিৰপেক্ষ ভক্তি বাটে

মহা মহা পাত্তেকৰ সীমা।।

অধৰ্মৰ পৰা ক্ৰমে ধৰ্মৰ চুকাই বল

যুগে যুগ ধৰ্মৰ লুপত।

লীলাবে গৰুড় কেতু সন্তৰ ৰক্ষাৰ হেতু

ধৰা তনু ৰূপ অদভুত।। ৬৪৮

চাৰি বেদ চৌধ শাস্ত্ৰ জ্যোতিষ মীমাংস ন্যায়

কলাপৰ কাব্যে অপৰ্যন্ত।

ভাৰত পুৰাণ যত গীতা ভাগৱত বাণী

নাম মাত্ৰ ভকতি কহন্ত।।

সঞ্জাত সঙ্গত কামে কামে ক্রোধে ভিজ্ঞাৰতি
ক্রোধে শ্রুতি হতে প্রাণে শ্রুতি।
মতোবাল তমোময় মৰ জীয়া নজানয
তাৰ আৰ কমন ভকতি।। ৬৪৯
সৎসঙ্গে জগত জুৰি সংসাৰে বেকত কৰি
ভকতৰ সিদ্ধি মনোৰথ।
প্ৰকৃতিৰ গুণে বশ্য যাৰ যেন মনে লয়
কহে হেন ৰূপে ধৰ্ম পথ।।
ব্ৰহ্মা বিষ্ণু মহেশ্বৰো সৃষ্টিৰ দায়ক হৰি
হৰি নাম ধৰ্ম জগতৰ।
আগম সাগৰে ধাকি ভক্তি জল বৃষ্টি বাকী
কৃপাময় সবাৰো শংকৰ।। ৬৫০
হেনয় গুৰুক এৰি কমণ কাৰণে কোনে
ব্ৰহ্মি মুখে বোলৱে পণ্ডিত।
এৰিয়া বৰ্জিত বোল কৰিও নামৰ বোল
তেবেসে জন্মৰ কৃত কৃত।।
শঙ্কৰ চৰিত্ৰ ধ্বজ সমস্তে মস্তক মণি
কণ্ঠৰ উজ্জ্বল হেম হাৰ।
শাস্ত্ৰৰ বিচাৰে সাজে শ্ৰৱণ কীৰ্তন আছে
কৈয়া বৈয়া ভব তৰিবাৰ।। ৬৫১
পূৰ্বৰত কথমপি যিবা বৈত আছে যদি
সৱে অন্ত গৃহস্থ চৰণ।
ধৰ্ম কৰ্ম পাপ বল লীলাৰ সাৰ্দুল গাতে
শীঘ্ৰে কৰা শ্ৰৱণ কীৰ্তন।।
অংশ কলা বাইশ পতি বিভূতিৰো ভগৱন্ত
নামে হৰি চৰণত ধৰি।
শঙ্কৰী ভাস্কৰী যত মাৰ্গৰ নায়কা জন
এক ব্ৰহ্ম নিৰঞ্জন হৰি।। ৬৫২
অবিতি অবিতি আৰ কথালীলা আদি অন্ত
দুই স্থিতি পালন ঈশ্বৰ।

দু-সংগ সৎসঙ্গ অৰি পানৰ্বো দেৱ হৰি
স্মৰণেসে গৃহস্থ জীৱৰ।।
ৰাম কৃষ্ণ নামমৃত ভকতি মধুৰ পীত
দেৱ হেন দেখিয়া সাম্প্ৰত।
ভক্তিৰ বিৰোধি যত অসুৰ দুৰ্জন ক্ৰুৰ
পাষণ্ড সকল ইথাৰত।। ৬৫৩
শুনা সমাজিক চয় বুজিয়া শাস্ত্ৰৰ নয়
আপোন মহত পৰিহৰা।
বিলম্বক নুযুৰাই কেনে আছা বাট চাই
সাধু সঙ্গে সদা ৰতি কৰা।।
শ্ৰৱণ কীৰ্তনে গতি ভকতিত কৰা ৰতি
ভকতিসে পৰলোকে হিত।
আলজালকযে এৰি ডাকি বোলা হৰি হৰি
অপ্ৰয়াসে তৰিবা কলিত।। ৬৫৪

* * * *

ঘোষা : গোপাল পাল চৰণে ধৰি।
গোপালৰে জয় গোবিন্দ হৰি।। ৫৪

পদ : ভক্তিৰ বিৰোধী বিষই মায়া।
বিষয়ত থাক্কা বিশাল দায়া।।
নামত নধৰে কলিৰ দোষে।
ধৰ্মৰ গৃহস্থ জনৰ তোষে।। ৬৫৫
জীৱ বিবাহিতা জীৱ সজ্জন।
গুৰু স্বামী নামে ৰাখ চৰণ।।
নিজ বেইটা মাৰি নাগেৰি নাৰী।
সিও যে প্ৰমত্ত পাপৰ ভাৰী।। ৬৫৬
নিজ গুৰু স্বামী জীৱন প্ৰাণ।
শিৱ শিৱ শীত্ৰ হেলেন টান।।

যাৰ আজ্ঞা বাণী বচনে বেদ।
তানে মায়া পাই কৰন্ত ছেদ।। ৬৫৭
কাম্মুক কামিনী কামৰ মাত।
যেন বিনোন্দৰ বিনোন্দ পাত।।
তাক পায়া বোলে মোৰ সৎসঙ্গ।
আমাক লাগয় সঙ্গমে সঙ্গ।। ৬৫৮
কৰিছো আশা আক চিৰকাল।
নকৰা নৈৰাশা ভঙ্গ গোপাল।।
গুৰু শিক্ষা মূল মন্ত্ৰক ধৰি।
তাক লাগি বন্ধ পাপত পৰি।। ৬৫৯
সি শঙ্কৰ পাৱে শঙ্কৰ কৰি।
হৃদি শঙ্কৰক পৰিয়া হৰি।।
আনৰ সৰবস্ব মান সন্মান।
সম্ভঘাটন পাপ ব্ৰজ সন্ধান।। ৬৬০
যশে নিৰঞ্জন নিজৰ কায়া।
হৃদয়ৰ কাল বিকাল মায়া।।
সমুচিত কৰা কাৰী পালন।
জগত গৃহস্থ অস্ত্ৰ চৰণ।। ৬৬১
ভাগ্যে পায়া জন গুণাকৰ।
একচিত্তে নাহি বেশ্যা মনৰ।।
মহন্ত পুৰুষ জনক হেলা।
এতেকে কটিৰ অধম ভালা।। ৬৬২
আপোনাৰ বাক্য ধৰ্মক ৰাখি।
জগ মোহনৰ কথাৰ সাখি।
বিষ্ঠাৰ সদৃশ বিষয় সুখ।
তাক লাগি হোৱে হৰি বিমুখ।। ৬৬৩
নাম ধৰ্ম বিত্ত মঙ্গল বাণী।
অজৰ অমৰ জীৱ কল্যাণী।।
গুৰু ধৰ্ম শুদ্ধ নাম ভকতি।
নাম এৰি যাৰ যুৱতী ৰতি।। ৬৬৪

মিছা চালি চুলি ধৰাঙ্গ বাঙ্গ।
ভাষ্যৰে বিচাৰে গান্দক জ্ঞান।
কিস লাগে তাৰ নামক কিক।
যেন লাগ পাই সোহৰি ঝিক।। ৬৬৫
জয় পৰাজয় মিলিল আসি।
নৰ্ত্ত নটী মনে আনন্দে হাসি।।
প্ৰাণ নাৰায়ণ হৃদয়ে লীন।
নিজ স্বামী গুণে ভৈল সু-দিন।। ৬৬৬
সঞ্জয়নী প্ৰায় ভৰ্চিয়া ধন।
মূলধন পাই মাৰিয়া কণ।।
কি লাগি কিসত কি স্বাদ পাইলি।
আপোন আত্মাক পুৰিয়া খাইলি।। ৬৬৭
কাল পুৰুষৰ ফান্দনি পৰি।
সংসঙ্গে শত্ৰুবেশে এক হৰি।।
ভজা একচিত্তে নামেসে গতি।
বোলা হৰি হৰি একান্ত মতি।। ৬৬৮

* * * *

জন্ম ৰহস্য

ঘোষা ঃ ৰাম কমলাপতি করুণা সাগৰ।
সংসাৰ সাগৰে গুৰু গোসাঁই শংকৰ।। ৫৫

পদ ঃ নন্দৰ নন্দন ৰাম মকুন্দ মাধৱ।
জীৱৰ জীৱন হৰি ভকত বান্ধৱ।।
হৰৰ গোচৰে গুৰু দেৱ নাৰায়ণ।
হৰক সম্বোধি হৰি বুলিলা বচন।। ৬৬৯
শ্ৰাদ্ধৰ মনুৰ দিনে ব্ৰতদোৱা গ্ৰামে।
মহাপাপ অমোচন সংহাৰিবো নামে।।
লোকৰ খণ্ডিবো যত পাতেকৰ ভাৰ।
খণ্ডিবোহো বিশ্বদ্ৰোহ আগম তোমাৰ।। ৬৭০
চাৰি ৰূপ ধৰি যাইবো কৈলো ত্ৰিনয়ন।
একান্ত শৰণে মই এক নাৰায়ণ।।
প্ৰকাশ কৰিবো নাম ধৰণী মণ্ডলে।
প্ৰবাদ কৰিবে মোক পাষণ্ডসকলে।। ৬৭১
তপ জপ যজ্ঞো যোগ কল্পনা দাণ্ডিবো।
তীৰ্থ স্নান ক্লেশ কষ্ট নিকাৰ খণ্ডাইবো।।
নাম সমৰ্পিয়া সবে ভক্তি দিবো দান।
নামৰ কীৰ্তনে বিনে নৰৈবেক আন।। ৬৭২
হেন দেখি ব্ৰাহ্মণে কৰিবে বিসম্বাদ।
হৰিৰ ভকতি কোপে কৰিবো উন্মাদ।।
যিটো অহংকাৰী পূৰ্বে কৃষ্ণৰ পাৱত।
পণ্ডীত ভকতি মই কৰিবো বেকত।। ৬৭৩
লজ্জা ভঙ্গ হয়া পাছে কৰিবে শৰণ।
পৰম ৰহস্য শুনা পঞ্চম বয়ন।।
দুৰ্বশে কলাছে মোক উলংঘা কৰিব।
মোহ হয়া কৰ্মজৰি সংসাৰে ভ্ৰমিব।। ৬৭৪

বিত্তভেসে চিত কৰ্ম ধৰ্ম অৱহেলা।
হৰিশ্চন্দ্ৰ নৃপতিক কৰিছা [illegible]।।
ইহাৰ উপৰি আৰু কহিবোহো কিক।
ভূমি তিনি পদ দানে বোষালে বলিক।। ৬৭৫
বৈষ্ণৱ বলিৰ চিত নললৰিল কায়া।
নলাতো বান্ধিলা শুক্ৰ ঋষি কৰি মায়া।।
কুশৰ প্ৰহাৰে বটু নয়ন ফুলিল।
ভয় হয়া নলা এৰি বোষালে ৰহিল।। ৬৭৬
উচ্ছর্গিলা বলি তিনি পদ কুশহাতে।
বামণ বটুৰ পাৱে ব্ৰহ্মাণ্ড সাক্ষাতে।।
বলি প্ৰহ্লাদৰ কীৰ্ত্তি বিৰোচন যশ।
বিষ্ণু বৈষ্ণৱৰ যশ সাধুৰ সৰ্বশ।। ৬৭৭
শাস্ত্ৰতো প্ৰশংসে যিটো বৈষ্ণৱ জনক।
নিনিন্দে নৰন্দে যিটো পৰৰ ধৰ্মক।।
আপোন ধৰ্মক ধৰি আপোন কল্যাণ।
মুখে নাম হৃদি কাণে পাইবো মোৰ স্থান।। ৬৭৮
মহা বিশ্বদ্ৰোহ পাপ আগমৰ ভয়।
হৰত কহিলা হৰি ধৰ্মৰ নিৰ্ণয়।।
সংসাৰ সাগৰে গতি নামেসে নিস্তাৰ।
শুনা সভাসদ পাপ কৰি ক্ষয়ঙ্কৰ।। ৬৭৯
হৰি হৰ ব্ৰহ্ম এক নাহি ভিন্নপৰ।
হৰিৰ নামেসে ক্ষয় পাপ আগমৰ।।
বিশ্বদ্ৰোহ অমোচন সংহ্যৰ সপ্ৰতি।
নৰত্তিৰে আন পাপ শংকো নাহি মতি।। ৬৮০
শিৱৰ কৃপায়ে কৃপা জীৱৰ নিস্তাৰ।
জগত বাঞ্ছিত পুৰী কৰিলা প্ৰচাৰ।।
শ্ৰৱণ কীৰ্ত্তন সাৰ ধৰ্ম হৰি নাম।
তৰিবা সংসাৰ ডাকি বোলা ৰাম ৰাম।। ৬৮১

* * * *

ঘোষা : দৈৱকী নন্দন দেৱ গঙ্গাধৰ
তুমি ভকতৰ হিয়া।
নন্দৰ গৃহত যিভাৱে আছিলা
সি ভাৱত দেখা দিয়া।। ৫৬

পদ : শুনা প্ৰতিনিত শঙ্কৰ চৰিত্ৰ
সংসাৰ সাগৰে সাৰ।
কৃষ্ণৰ চৰণে পশিয়া শৰণে
হৰি বিনে নাহি আৰ।।
গুৰু শিক্ষাবোধে সুদৃঢ় যাহাৰ
সেহিসে লোকৰ পূজ্য। ৬৮২
হৰিৰ নামৰ মহা তীব্ৰ কাই
বেদ বেদান্তৰো গুহ্য।।
ভকত জনৰ হৰিসে হৃদয়
ৰাম কৃষ্ণ নাৰায়ণ।
হৃদয়ত থাকি বাহিৰত সাক্ষী
মহা হৰি নিৰঞ্জন।।
শুনিলাহা তুমি কহিলো প্ৰত্যেক
সমস্তে নি কি বুজিলা।
মহাপুৰুষৰ কৰ্ম্ম গুহ্যতৰ
আছে অসংখ্যাত লীলা।। ৬৮৩
সত্যসন্ধ্যা গৰ্ভে আসন্তে গোবিন্দ
দেৱতাক দিলা দেখা।
হয়া উপগাত সজল মেঘত
যেন বিদ্যুতৰ ৰেখা।।
দেখন্তে চমক চক্ষু তিৰিমিৰি
কোটি সূৰ্য আৰ্জি আৰে।।
যাক কৃপা কৰে কৰন্ত কৰুণা
সেহিসে লক্ষিতে পাৰে।। ৬৮৪
দেৱৰ কাতৰ দেখি পীতাম্বৰ
গুৰুদেৱ নাৰায়ণে।

ধৰি চাৰি অস্ত্ৰ গায়ে পীত বস্ত্ৰ
বেকত ভৈলা তেখনে।।
অৰুণ চৰণ নব পদ্ম কোষ
অৰুণক কৰ তাল।
গ্ৰীৱ বাহু দিব্য সু-দীৰ্ঘ নয়ন
দিলন্ত দেখা গোপাল।। ৬৮৫
শঙ্খ চক্ৰ গদা ধৰিয়া ঈশ্বৰ
বাম হৰি জগন্নাথে।
কংকন কুণ্ডল ৰত্নে বিৰাজিত
ৰত্নৰ কিৰিটি মাথে।।
ৰুচিকৰ কৰ্ণ ভ্ৰূৰ মনোহৰ
ৰত্নৰ তিলকে ৰঞ্জে।
ৰুচিৰ চিবুক কণ্ঠত কৌস্তুভ
গণ্ডে নানা ৰত্ন গঞ্জে।। ৬৮৬
হিয়ে হেম হাৰ মাণিক মুকুতা
উত্তৰী ন-গুণে খ্যাত।
হীৰা মৰকত ৰঞ্জে পেচন্দাৰ
মালা বৈজয়ন্তী ভাত।।
উন্নত হৃদয় ঊৰ্দ্ধে তিনি ৰেখা
শ্ৰীবৎস কৰে ৰঞ্জিত।
বন মালা পাতি আপাদ লম্বিত
শোভে পাতভূনি পীত।। ৬৮৭
ৰতনে ৰচিত নূপুৰে ৰঞ্জিত
পাদ পদ্ম দুই খানি।
হিয়াৰ সৰ্বস্ব অমিয়া বৰিষে
উদিত সাৰেঙ্গপাণি।।
সু-ৰূপ মাধৱ ৰাজৱ ৰঙ্গসে
ব্যাপিয়া আছে সবাত।
দায়াময় গুৰু দায়ালু শঙ্কৰ
শৰিও নিতে হিয়াত।। ৬৮৮
গুৰু শিক্ষা জ্ঞান গৃহস্থৰ নাম
সংসাৰ তৰিতে প্ৰতি।

সু-দৃঢ় বিশ্বাস জগাত নিবাস
শঙ্কৰত দিয়া মতি।।
শঙ্কৰৰ কথা পাষণ্ড বিঘাট
পাতকৰ যমকাল।
নাৰায়ণ মায়া মায়া মাধৱৰ
সংসাৰে সাগৰে জাল।। ৬৮৯
সংসাৰ ঢাকিয়া খেৰালী তৰিল
নিৰঞ্জন নিজ জন।
আজিও সুমৰি সাধুৱে ফোকাৰে
যাৰ ৰূপে মজি মন।।
হৃদয় দগধ পাপীৰ ক্ৰন্দনে
কীৰ্ত্তনৰ হাস্য শুনি।
নিয়ন্ত্ৰ উদ্ধাৰি নাম অধিকাৰী
কৃষ্ণৰ মায়া নুশুনি।। ৬৯০
হিয়াতে তেজিয়া বাহিৰে বিচাকে
মুখে এৰি গুণ নাম।
নিন্দকৰ সঙ্গে মৃতকৰ বাণী
জন্মে গৰিহিও কাম।।
শঙ্কৰ বল্লভ সংসাৰে সম্ভৱ
নিস্তাৰ কৰন্ত হৰি।
তুৰা পদ মনে শৰণে পশিলো
তন্মু নাম হিয়ে ধৰি।। ৬৯১
তোমাৰ কপট শৰীৰৰ ৰূপ
ভকত জন বঞ্চিত।
এহি বুলি সন্তে চিত্তে ভগৱন্ত
মহাপুৰুষত চিত্ত।।
পাপত পৱিত্ৰ এহিসে বিচিত্ৰ
শুনা সভাসদে জানি।
জগত ঈশ্বৰ চিন্তিও শঙ্কৰ
বোলা হৰি হৰি বাণী।। ৬৯২

* * * *

ঘোষা : ৰাম হৰি ৰাম হৰি ৰাম নাৰায়ণ।
শঙ্কৰ কৃষ্ণৰ পাৱে পশিলো শৰণ।। ৫৭

পদ : হৰৰ গোচৰে গুৰু জগতৰে স্বামী।
শিৱৰ মাথাত চৰি আসিলন্ত নামি।।
কুসুম্বৰ গৃহে হৰি কেন মতে ভৈল।
কোন বাৰ তিথি আসি নক্ষত্ৰয়ে ভৈল।। ৬১৩
সাধু নিগদতি পুত্ৰ শুনিও কাৰণ
অচিন্ত্য শংকৰ কৃষ্ণ দৈৱকী নন্দন।।
আঘোণ চাৰিয়া যেবে পৌষ মাস ভৈলা।
সিদিনা গোবিন্দে কুসুম্বৰ গৃহে গৈলা। ৬১৪
ঠাই দিয়া ঠাই দিয়া সত্যসন্ধ্যা আই
শিৱৰ মাথাৰ কৃষ্ণ নামিলা দুনাই।।
সত্য সন্ধ্যা কুসুমেও স্বপ্ন পাইলা বৰ।
মোৰ গৃহে ঠাই খোজে দেৱ মহেশ্বৰ।। ৬১৫
দুই দুই শয়নত কৰিলা কথন।
আমাৰ গৃহক আইলা দেৱ নাৰায়ণ।।
শিৱ গোপেশ্বৰ লিঙ্গ পূজি বাৰ ভাগ।
আজি কৃষ্ণে দেখা দিলা আমাসাৰ আগ।। ৬১৬
থাকিবাহা সতী তুমি মন থিৰ কৰি।
এহেন্তেসে ৰাম কৃষ্ণ গুৰু মহা হৰি।
সিদিনাত কৃষ্ণ সত্য সন্ধ্যাৰ উদৰে।
যেন মতে ভৈলা কৃষ্ণ দৈৱকীৰ ঘৰে।। ৬১৭
সত্যসন্ধ্যা গৰ্ভে যেন প্ৰকাশে অপাৰ
সূৰ্যে যেন প্ৰকাশয় দেখি চমৎকাৰ।।
ব্ৰহ্মা বিষ্ণু হৰো আনো দেৱ নিৰন্তৰ।।
চৌভিতি বেঢ়িয়া আসি কুসুম্বৰ ঘৰ।। ৬১৮
দেৱ মাত্ৰ দৰশনে টুটি গৰ্ভাসত।
এহি মতে ভৈল দশ মাস উদৰত।।
ভাদ উকলিয়া আহিনৰ পাঞ্চদিন।
ৰোহিণী নক্ষত্ৰ আসি ভৈল উতপন।। ৬১৯
শুক্ৰ বাৰে দ্বাদশী তিথি ভৈলা যান।
শুক্লা যে দ্বাদশী গুৰু অৱতাৰ।।

বাহিৰে জন্মিলে কৃষ্ণ জগত ঈশ্বৰ।
মাৰেসে জানিলা মোৰ গৰ্ভৰ ভিতৰ।। ৭০০
সত্যসন্ধ্যা মাতৃৰ চেতন নাহি গাত।
শংকৰ স্বৰূপে কৃষ্ণ জন্মি জগন্নাথ।।
আগতে পৰিলা শিশু পুতলী সমান।
সত্যসন্ধ্যা মাতৃ পাছে লভিলে চেতন।। ৭০১
দেখিলন্ত মাতৃ পাছে শংকৰৰ ৰূপ।
গৌৰাঙ্গ বৰণ কাহি কহিলো স্বৰূপ।।
নব গাছ নাৰী মেৰাই সৱে কলেৱৰ।
শ্যামল সুন্দৰ যেন কৃষ্ণেসে শংকৰ। ৭০২
অদ্ভুত বালক আহি দেখিলা প্ৰমাণ।
আৰ পাঞ্চ হাস্তি গুৰু মাৰিলা সিথান।।
চাৰি হাতে চাৰি অস্ত্ৰ ধৰি নাৰায়ণ।
শৰীৰে লুকাইলা সৱে দেখিলা তেখন।। ৭০৩
আনো নাৰী গণে দেখি চণ্ডীয়ো চায়।
এনুৱা বালক আমি দেখা শুনা নাই।।
নৱনাড়ী লুকাই পাছে শৰীৰ সুন্দৰ।
দিব্য কম্বু হেম হাৰ শৰীৰ বন্ধুৰ।। ৭০৪
সবাকো ঢাকিয়া পুনু কলেৱৰ হৰি।
সত্যসন্ধ্যা কুসুমেও দেখি গৈলা ডৰি।।
প্ৰসৱৰ জল লৈলা চণ্ডী গোটাই।
কেলিলন্তে নিলা পাছে গৰুড়ে উবাই।। ৭০৫
সন্ধ্যা গলিলা পাছে কৃত্তি কৰ্ম যত।
নব নাড়ী নববিধ ভকতিৰ তত্ত্ব।।
শ্ৰৱণ কীৰ্তন গলে ৰস হৰি নাম।
পাঞ্চ হাস্তি গুৰু ভক্ত কৃষ্ণেসে শ্ৰীৰাম।। ৭০৬
এতেকে জানিয়া যত সভাসদ জন।
শঙ্কৰ চৰণে মনে পশিও শৰণ।।
দেৰে যাক বাঞ্ছা কৰে হৃদয়ত ধৰি।
এতেকে ঈশ্বৰ কৃষ্ণ শঙ্কৰেসে হৰি।।
নেৰিবা নামক তেৱে কৃষ্ণেসে শংকৰ।
হৰি হৰি বোলা সৱে সামাজিক নৰ।। ৭০৭

* * * *

শিশু লীলা

ঘোষা : গোপাল পালিও চৰণে।
গোবিন্দ পশিলো শৰণে।। ৫৮

পদ : শিৱৰ কাতৰে জীৱৰ ঈশ্বৰে
ভৈলা গুৰু অৱতাৰ।
শঙ্খ চক্র গদা পদ্ম চাৰি অস্ত্র
ধনুৰ্বাণ কৰি আৰ।।
নামে হয়া পূৰ্ণ অস্ত্র কৰি খুন
মনে অনুমান কৰি।
জগত পূজ্য কৃষ্ণ নাৰায়ণ
কুসুমৰ ঘৰে হৰি।। ১০৮
নৰতনুৰূপে কপট স্বৰূপে
উপজিয়া জগন্নাথ।
যত শিশুলীলা কৰিলন্ত গুৰু
ভকতৰ পৰমাৰ্থ।।
মাধৱৰ জন্ম কৰ্ম ধৰ্ম পূৰ্ণ
শুনা মন কৰি ভাল।
সব পুৰুষৰ শিৱৰ ভূষণ
সংগে দশ দিগপাল।। ১০৯
শঙ্কৰে সদাই ক্ৰীড়িলা লীলাই
দশ গোটি শিশু সঙ্গে।
ঘিৰা যাক বৈত দেখে শিবেলাত
ধৰি তাৰ তাৰ ভঙ্গে।।
শিহ খৰিয়াল লোহিতৰ ঘাটে
আনন্দে থাকয় চাই।
তাৰ তাস ধৰি জলত ডুবই
জগত গুৰু গোসাঁই।। ১১০

ৰৰালিৰ পাক ৰাঘৰৰ ফেৰ
চিতলৰ ছাটি মাৰি।
কূৰ্ম মুৰকণি জল ৰুৰ টুলি
দুনাই চাৱে মুৰাৰী।।
যেন শিশু পুনু ডুবতে লুকাই
অন্তৰি বজাই হৰি।
দেখিয়া বিস্ময় লগৰীয়াগণে
হাসই দশন তৰি।। ৭১১
অধৰ মেলিয়া দশন তৰিয়া
হাসিতে আনন্দ চৰে।
কুসুম সুতৰ দেখি কুটনাট
হাসিতে নপাৰে ৰৰে।।
নাকে মুখে জল বাঢ়ি যাই তল
শঙ্কৰে দেখিয়া হাসি।
দশ গোটি শিশু দশ বাহু যেন
আলগে ধৰে উল্লাসি।। ৭১২
কাৰ্য্যৰ সাম্ফলি ৰূপে মহাবলী
অনন্ত লীলা যাহাৰ।
সহস্ৰ অযুত মুস কৰ্ণ শিৰ
নিৰঞ্জন নিৰাকাৰ।।
ঈশ্বৰৰ কৰ্ম ঘোৰ গুৰুতৰ
জেঠুৱা পানীত পৰি।
চিতলৰ কণী তোলে যদুমণি
লোহিতত ক্ৰীড়া কৰি।। ৭১৩
পাকতে লুকাই দেওতে উজাই
ধৰি উৰলীয়া মৰা।
সৰ্ব গুণাকৰ ৰূপতে সুন্দৰ
কুসুম দেৱৰ লৰা।।
ধূৰ্ত্তৰ সম্ভিৰ গহীন গম্ভীৰ
সবাৰো মাজে গৰিষ্ঠ।

সকলো কাৰ্য্যত মুক্তিত পাৰ্য্যত
ভকত দেখন ইষ্ট।। ৭১৪
দেৱবো দেৱতা মনুষ্যৰ ছলে
দেখক সাজিয়া নৰ।
যোগ মায়া বলে আনিলা সবলে
সাধনা ভাগে জন্মৰ।।
সংসাৰ তৰণি পাপৰ অগণি
যাহাৰ নামে ভকতি।
শঙ্কৰৰ মায়া কমনে জানিবে
কাহাৰ কোন শকতি।। ৭১৫
বালকৰ সঙ্গী জগতৰ হিয়া
শুক দেৱ নাৰায়ণ।
আপোনাৰ লীলা শিশুক দেখাই
প্ৰলোভ লগাই মন।।
আনকাল সবে আসিবাহা লাগে
শঙ্কৰে লোভ লগাই।
জানি শিশুগণে কলতো অধিক
আশ্বাসী থাকে ভৰাই। ৭১৬
কণ্ঠে ধৰা ধৰি সদৰি সুহৃদ
স্নেহে আলাপিত হই।
আপুনি নিনিয়া আমাসাক দিয়া
আসা গৃহে যাও লৈ।।
নলই শঙ্কৰে যদি কৰাকৰে
নৰ চেষ্টা শিশু ভাবে।
নাহি আদি অন্ত অনাদি ঈশ্বৰ
জগতৰ বাপ মাৱে।। ৭১৭
কৰিলা অনেক মতেক *নেহালি
ভনন্তে প্ৰচুৰ আৰ্তি।

* নেহালি—মমতা, স্নেহ।

পাতক বিনাশি মিলে পুণ্যৰাশি
তৰয় অন্ত্যজ জাতি।।
জগতৰে প্ৰীতি শঙ্কৰ কিৰিতি
গুৰু ধৰ্ম হৰি নাম
শ্ৰৱণ কীৰ্ত্তনে তৰে অপ্ৰয়াসে
ডাকি বোলা ৰাম ৰাম।। ৭১৮

* * * *

ঘোষা ঃ ৰঙ্গে খেলে সঙ্গে শঙ্কৰ গোসাঁই।
আনন্দে মজিয়া ক্ষুধা গৃহক নযাই।। ৫৯

পদ ঃ ধোপ ঘিলা খেৰি লীলা দলি যুদ্ধ কৰি।
মোক খেদি ধৰা সবে বুলি যাই লৰি।।
পাছত খেদন্ত আনো ভূঞাৰ নন্দন।
কুসুম নন্দন দূৰে যাই নাৰায়ণ।। ৭১৯
অসংখ্য সহস্ৰ শিশু পূৰ্ব্বে গোকুলত।
যাক খেদি ধৰিবাক নভৈল শকত।।
হেন অচ্যুতক দশ বালকে খেদয়।
যোগীগণে চিন্তি যোগ সাঙ্গ নপাৱয়।। ৭২০
শঙ্কৰৰ সঙ্গে ক্ৰীড়ি নজানন্ত তেবে।
খেদি হাৰাশান্তি হয়া ভাগৱয় যেবে।।
আপুনি আগতে ৰৈ কুসুম তনয়।
দশো একেবাৰে গৈয়াবন্ধন কৰয়।। ৭২১
হাতে পাৱে গাৱে সবে সৰ্ব্বাঙ্গে হেৰাই।
উৰি পাক দিয়া গুৰু দেৱতা এৰাই।।
বেগে শিশুগণে পৰি আই বাপ কৰে।
দয়ালু শঙ্কৰে দেখি ৰঙ্গে তুলি ধৰে।। ৭২২
ভকত বৎসল দেৱ দয়াময় হৰি।
কৰন্ত নিকজ দেহা হাত মাৰ্জ্জ কৰি।।
ব্যাধিৰ সকাস পায়া যেন যোগী গণ।

হাসিয়া বোলয় সবে পুনৰা বচন।। ৭২৩
তুমি আগে লৰা যেবে খেদিবো পাছত।
আমি আগে নলৰিবো বাপৰ শপত।।
পাছত নপাৰো আগে কত দূৰ যাওঁ।
তোমাক খেদিবে পুনু পাৰো কি নেপাও।। ৭২৪
শঙ্কৰে বোলয় শুনি আনন্দিত বাক।
গুচিল বেদনা মণে জানিলন্ত তাক।।
লবৰে দুনাই তেবে খেদে নিৰন্তৰ।
দূৰতো বিদূৰ দূৰ বজাই শঙ্কৰ।। ৭২৫
বহু বাট পাছপৰে ব্যৰ্থ হাইফাই।
উলটি আসিয়া পুনু ধৰন্ত লীলাই।।
এৰাইতে নপাৰে কেহো আৰি মুৰি কৰে।
দয়ায়ে থাকিয়া যাক এবে দামোদৰে।। ৭২৬
ক্ৰীড়িলন্ত এহিমতে ৰাম যদুৰাই।
কণ্ঠে ধৰাধৰি বাহু আচাৰিয়া যাই।।
দেখিলন্ত সেহি বেলা সবে শিশুগণ।
ভয়ঙ্কৰ পহু এক পৰ্বত সাধন।। ৭২৭
জলপাণ কৰি মৃগ অৰণ্যক যাই।
যাতে বনগজা গিৰি দদা গেৰিয়াই।।
আমাৰ আগত বল বেগে কৰা জোট।
আগতে এৰাই যাই কেনে মৃগ গোট।। ৭২৮
হৌ হৌ বাণীসবে কৰিলা সাম্প্ৰত।
অবিলম্বে জানি আছা শঙ্কৰে মনত।।
*সাবোল চতকে যেন গৈলন্ত গোসাঁই।
ধৰিলন্ত হৰিণক যেন বাঘে পাই।। ৭২৯
লাগন্ত ঘূৰাই পাক ধৰি তত কাল।
*কটিৰ পটুকা প্ৰায়ে লগায়া ধৰাল।।
অৰ্দ্ধেক যোজন টানি আনিলন্ত বলে।
সৰবি গৈলন্ত লাগ ছৱাল সকলে।। ৭৩০

* সাবোল চতক — সজাত বন্দী হৈ থকা চৰাই।
* কটিৰ পটুকা প্ৰায়ে লগায়া — ধকাল, ককালৰ কঁকালেৰে ভিতিত লগাই থকা।

শঙ্কৰৰ বাল্য ক্ৰীড়া শুনা নিৰন্তৰে।
পাপে নচলিবা যেবে যমৰ নগৰে।।
মহা পুৰুষত মনে নচাবোক নাম।
পুৰুষ উদ্ধাৰ হৌক বোলা ৰাম ৰাম।। ৭৩১

* * * *

ঘোষা ঃ হে যদুপতি অগতিৰ গতি, ৰাম কৃষ্ণ নাৰায়ণ। সংসাৰে শঙ্কৰে হেণ্ডুৰি ফুৰয় গৃহত নপৰে মন।। ৬০

পদ ঃ আবুৰ আসুখ মনে মহাদুখ
নাতিয়া ঘৰে নথাকে।
ধ্বজাক বোলন্ত ধৰি দিয়ো মোক
কোৰায়া শিখাইবো তাকে।।
আন কালে যেবে নকৰে নেহাৰি
জলতো নকৰে খেৰি।
লোহিতৰ ঘাটে ঘাটি মাউৰাক
দুনাই নিদিবো এৰি।। ৭৩২
ৰাজনীতি ধৰ্ম নিশিকি শিক্ষয়
উমলি ফুৰিতে মন।
শুনি শীঘ্ৰ কৰি *গৈলা গৰো ভৰি।
বুঢ়ীৰ দৃঢ় বচন।।
সিদিনা শঙ্কৰে গোত্ৰ ভূঞাঘৰে
গমন কৰিয়া আছা।
ৰাম কৃষ্ণ যদু প্ৰভু ৰঘুনাথ
মনে মানসিয়া ইচ্ছা।। ৭৩৩
ধ্বজা লাগ পাই মাতে শঙ্কৰক
ঘৰত তৈলিহি আসি।

---

* গৈলা গৰোভৰি—পা ভৰি মচুৱাই, বস্তত লোৰ লোৱাই, লৰি যোৱা।

কুসুমৰ ঘৰে উপজিয়া যৰে
থৰস কৃষণ ৰাশি।।
লোহিতত পৰি পানী বুৰ দিয়া
মাছৰ বিচাৰ কণী।
তোমাক নেদেখি সবাবো আসুখ
শোকে মৰে বুঢ়ীজনী।। ৭৩৪
নাহি তোৰ মন ক্ষুধাকো নগণ
একো গণাগণ নাই।
এহি বুলি ধ্বজা কান্ধত তুলিয়া
সাদৰিয়া লৈয়া যায়।।
গাৱে ধূলি মাটি দেখি খেৰসুতি
দুখে উতপাত কৰি।
মনে মহা স্নেহ বদনত ৰাগ
নাতিয়াৰ হাতে ধৰি।। ৭৩৫
অই বাপু মোৰ দুখীয়া শঙ্কৰ
মাউৰা পোৱালি তই।
কিসত নমৰি আছোহো লাতৰি
তোহোৰ দোষত মই।।
চৌপৰ দিৱস ওমলন্তে যাই
কেনে নুভুঞ্জাহা অন্ন।
গৃহৰ কৃতত হাত নপৰয়
তোমাত মজিয়া মন।। ৭৩৬
মৰিয়া সত্বৰে যাইবো যম ঘৰে
তোমাৰ দেখি বিপত্তি।
পঢ়ন শুনন নাহি তাত মন
দেৱীতো নাই ভকতি।।
শুনি কোপ মন মহা পুৰুষৰ
বলেৰে হাত এৰাই।
যদি মৰ বুঢ়ী বোলো নিষ্ঠ কৰি
যম অধিকাৰ নাহি।। ৭৩৭

যিটো দেৱীমূৰ্তি যিকৰো কৰিলো
নজানহ তই আক।
পুনু মূৰ্তি সাজি বলিয়া কৰিলি
ৰাখোক দেৱী তোমাক।।
চণ্ডিকাৰ পাৱে নকৰো ভকতি
নৰাখিবে মোক যাই।
মোৰ বাপ মাৱে সৰুতে এৰিলে
যি কৰে ৰাম কৃষ্ণাই।। ৭৩৮
ভৱানীৰ পূজা ভাগিবাতো ভয়
কতবা পাইলন্ত মাগি।
হৰিত ভকতি অকণ্টকা নাম
থাকে পৃথিৱীক লাগি।।
ইয়াক নজানা গোসাঁনী বখানা
গোসাঁইৰ নুশুন নাৱো।
যাৰ যেই ভাৱ আপোন স্বভাৱ
কিমতে শিক্ষাস চাৱো। ৭৩৯
ৰাজনীতি পুথি পঢ়িবে নেদেখি
কিসত কঁৰস খঙ্গ।
শাস্ত্র পঢ়িবাক মোৰ মন আছে
বালকৰ সঙ্গে ৰঙ্গ।।
নিতান্তে ফুৰিবো গৃহক নাহিবো
নখাইবো তোমাৰ ভাত।
মোহোৰ আগত ভাবুকি কৰস
কেনে তোৰ উতপাত।। ৭৪০
শুনি বুঢ়ী আই কৰে আই বাই
বোলোহো একো নজানা।
দুই ভৰি ধৰো তোৰ স্নেহে মৰো
মোহোৰ মাউৰা পোনা।।
বুঢ়ী খেকসুতি কৰে নানা স্তুতি
মোৰ প্ৰাণ ধাতু খানি।

শুনিয়া কাতৰ ছুৱাল শঙ্কৰ
প্ৰসন্ন শাৰঙ্গপাণি।। ৭৪১
শুনা সৰ্বজন থিৰ কৰা মন
শিশুলীলা বিপৰ্যয়।
কৃষ্ণৰ চৰণে পশিলো শৰণে
গুৰুৰ শিক্ষা নিশ্চয়।।
শঙ্কৰ চৰণে ধৰি একমনে
তৰিও ভৱ সংসাৰ।
শ্ৰৱণ কীৰ্তনে পাতেক সংহৰি
হৰি হৰি বোলা নৰ।। ৭৪২

* * * *

ঘোষা : সেই সেই নাৰায়ণ, আকে তাকে মন
গোপাল গোবিন্দ হৰি,
জগত ঈশ্বৰ বজাই গৃহৰ শিশু যাই
লগ ধৰি।। ৬১

পদ : ৰাম ৰাম গুৰু হাতত ধৰিয়া
কণ্ঠে বাহু জৰাজৰি।
শঙ্কৰে বোলন্ত লোহিতে তৰিবো
সবেও সাহোৰ কৰি।।
কাৰ কত বল কোন যাই তল
কোন হৈবে পাৰাপাৰ।
তল গৈলে যদি মৰণত ভয়ে
ধৰিবে নৌকাৰ বাৰ।। ৭৪৩
দুই কাষে দুই নৌকা মেলি দিবো
দণ্ডলি কৰিয়া পোন।
এৰাসব আগ তুমি আমি পাছ
পাছে আগ হই কোন।।

কাৰ কত বল কিমান শকতি
প্ৰমাণ কৰিবো তাক।
শুনি শিশুগণে হৰষিত ৰঙ্গে
আনন্দে বুলিলা বাক।। ৭৪৪
প্ৰথমে শঙ্কৰ জলত নামিলা
শিশুসব কৰি আগ।
ৰাম ৰাম সমে দেব গঙ্গাধৰ
ধৰিলা পাছৰ ভাগ।।
সবে সাজু হৈ সাম্তোৰ কৰিলা
আগ ভৈলা গুৰুদেব।
কোন কাৰ আগে সমে যাইবে কোন
পাছতো নগৈলা কেব। ৭৪৫
কতো এক ভাগ কতো আদখান
নপাৰিল নিৰন্তৰ।
বল খীণ হৈ শকতি ঢুকাই
চৰিলা নৌকা ওপৰ।।
শঙ্কৰৰ লগে ৰামৰাম যাই
লোহিতৰ পাৰ পাই।
ফোম্পাই উশাহে হেন্দোল পাৰই
ফিৰিয়া আইলা গোসাঁই।। ৭৪৬
পূৰ্বে গীতা গ্ৰন্থ কৃষ্ণ অৱতাৰে
আপুনি কৰিছা যাক।
ব্ৰহ্মপুত্ৰে আনি লোহিতৰ মাজে
গৌৰৱে দিলন্ত তাক।।
মহাপুৰুষত সৎসঙ্গ মাগিলা
দৈৱকী নন্দন জানি।
কৈলা নাম শিক্ষা অমৰা সুতত
গুৰুদেৱ পদ্মপানি।। ৭৪৭
পুনু দেব হৰি সাম্তোৰ কৰিলা
আপোনাৰ ঘাট ভাগে।

যেন ঘবিয়ালে [illegible] নাব পাক লাগে
গাবে জল বেগে লাগে।।
সোঁতব ধুমুহা পাক চাকনৈয়া
ওপবে বলিয়া যাই।
মবণত ভয় সভয় নয়নে
মাথে হাত দিয়া চাই। ৭৪৮
সকলো জীৱৰ পালক ঈশ্বৰ
পাব পাই মহাহবি।
বালকক চাই চাপবি বজাই
হাসন্ত আনন্দ কবি।।
কোনে কতমান লোহিতে তবিলা
প্রমাণ আছোহো নাই।
গুৰু পুত্র বাম সিপাবে থাকিল
আনিওক নৌকা বাই।। ৭৪৯
শিশুগণে বাই আনিলা তেখনে
সবে এক ঠাই ভৈলা।
সবাকো সম্বোধি কুসুম ভনয়ে
হাসিয়া কহিবে লৈলা।।
ইকথা আনত নকৈবা লোকত
চলিবাহা যথাযবে।
শুনি বাপ মাবে কোবায়া মাবিব
পবি মবিবাব ভবে।। ৭৫০
কোন দিনা কিবা কোনবা যবাই
লগে গৈয়া শঙ্কৰ।
ভাদ মহীয়াব পানী চেপেলীয়া
ব্রহ্মপুত্র খবোতব।।
এহি বুলি পাছে এবিয়া নিনিব
হাকনি পবিব ভাক।
আউব দেখা খেদি নোহোক কাকোয়ে
কোনে লাগ পাই কাক।। ৭৫১
হেন জানি সবে বিশ্বাসে বাখিবা
মনত বাখিবা জানি।

মায়াৰ সংসাৰ সাৰ নোহে কাই
মনে ভাৱ অনুমানি॥
আৰু কি মনুষ্য হৈবাহা দুনাই
ইটো আশা কৰা দূৰ।
আনন্দৰ পুৰী ভাৰত বৰিষ
কাৰণি হৌক পূৰ॥ ৭৫২
শুনা নিৰন্তৰে বিচিত্ৰ চৰিত্ৰ
সন্ত গোবিন্দৰ কেলি।
পুণ্য অভ্যুদয় ধৰ্ম কৰে বৃদ্ধি
অধৰ্মক নেই ঠেলি॥
পাপ সাগৰত এহিকে তাৰক
গোবিন্দৰ গুণ গ্ৰাম।
*বিতণ্ডা শৰীৰে ভণে শূদ্ৰহীনে
ডাকি বোলা ৰাম ৰাম॥ ৭৫৩

* * * *

ঘোষা : নিৰঞ্জন নিৰঞ্জন নিৰঞ্জন হৰি।
নিৰঞ্জন নিত্যানন্দ পাৱে লৈয়ো দাস কৰি॥ ৬২

পদ : সাধু নিগদতি পুত্ৰ শুনা একচিত্ত।
দিব্য কৌতূহল কেলি শঙ্কৰ চৰিত্ৰ॥
হয়ো সাৱধান এবে কথা অদ্ভুত।
নৰৰ অগম্য কৰ্ম কৰ্ণৰ অশ্ৰুত॥ ৭৫৪
কৃষ্ণ অৱতাৰে গীতা গ্ৰন্থ কৰিলন্ত।
লোহিতৰ হস্তে তুলি আনি ভগৱন্ত॥
তীৰত উঠিয়া ব্ৰহ্ম পুৰুষ পুৰাণ।
*তৰতৰ কৰি শুক কৰিলা আখ্যান॥ ৭৫৫

---

* *বিতণ্ডা—গালি, নিন্দা (অৱহেলিত অৰ্থত)*

* *তৰতৰ — ভাগে ভাগে*

লোকক দেখায়া মুখে নমাভিলা হৰি।
পূৰ্ব পুৰাতন কথা মনত সুমৰি।।
গুৰু মুখে শাস্ত্ৰ মোৰ নাহিকে প্ৰসাদ।
এতেক গুনিয়া নিৰ্মাণ কৈলা উচ্ছাদ।। ৭৫৬
জগত জীৱৰ গিৰি কুসুম তনয়।
ৰাম ৰাম মুখ চাই শঙ্কৰে বোলয়।।
কৃষ্ণৰ মুখৰ বাক্য গুৰুতৰ অৰ্থ।
ব্ৰহ্মাপুত্ৰে দিলা মোক সিদ্ধি মনোৰথ।। ৭৫৭
কেৱলে নিবৃত্তি পথ ভকতি বিচাৰ।
ইটো ব্ৰহ্ম গীতা পুথি দ্বিজ অধিকাৰ।।
কপাট মাৰিয়া দিলা ৰাম ৰাম হাতে।
মনুষ্য ছলনা চলে চলি জগন্নাথে।। ৭৫৮
পদ্মাসনে ভিৰি বসি সূৰ্যৰ সম্মুখে।
আপোনাৰ নিজ কাহেঁ *চিন্তিলন্ত দুখে।।
নাক মুখ কৰ্ণ নিৰোধন কৰি বায়ু।
বহিৰ উঠালে উৰ্দ্ধ তুলিলন্ত আয়ু।। ৭৫৯
ছয় চক্ৰ ভেদি মেৰু সঞ্চাসৰ কাই।
নিজ ব্ৰহ্ম পৰমাত্মা জীৱ ৰূপে চাই।।
দশোদ্বাৰ নিৰোধন *কিঙ্কি আৱৰণ।
কটিৰ কপিল ছিগি চিন্দিলা কঙ্কন।। ৭৬০
গাৱৰ পাসৰি মেৰ চিন্দি গৈল দূৰ।
নভাগে সমাধি যোগ চৰিল প্ৰভুৰ।।
বিত্তৰ কালৰ খেদ আছিল মনত।
যেন সতী লাগিলন্ত স্বামীৰ পাৱত।। ৭৬১
স্নেহত সৰ্বাঙ্গ দেহা নয়ন বুলাই।
এত কাল বঞ্চিলাহা আমাক গোসাঁই।।
হেনসে স্বভাৱ ভাব দেখায়া শঙ্কৰ।
জীৱৰ চিন্তিলা হিত আপুনি ঈশ্বৰ।। ৭৬২

---

* চিন্তিলন্ত — শৰীৰ ৰূপান্তৰ কৰা।
* কিঙ্কি আৱৰণ — শৰীৰ চুলাই তোলা।

দুই ভুজে পূর্ণ কৰি ব্ৰহ্ম উপস্কাৰ।
গন্ধ পুষ্প ধূপ দীপ নৈবেদ্য সম্ভাৰ।।
বসন ভূষণ দিয়া কৰত কঙ্কন।
কিৰীটি কুণ্ডলে দেহা ৰত্নে আভৰণ। ৭৬৩
ৰত্নৰ তিলকে ভ্ৰুৰ যুগে ধনু ক্ৰান্তি।
অৰুণ অধৰ দন্ত মুকুটাৰ পান্তি।।
নাসা তিলফুল পান্তি প্ৰফুল্ল বদন।
হেমমালা ৰত্নহাৰ কৌস্তুভে ৰঞ্জন।। ৭৬৪
বৈৰ্যবন্তী বনমাল আপাদ লম্বিত।
শ্যাম চাৰু পেচণ্ডাৰ অবিনাশী পীত।।
অৰ্দ্ধজীৰ্ন উতৰি গৃৰে লগুণ উদয়।
শ্ৰীবৎস সুন্দৰ তিনি ৰেখা শুক্লময়।। ৭৬৫
উন্নত হৃদয়ে নাভি কমল গম্ভীৰ।
ৰত্নৰ মোলান চম্পাকলি আঙুলিৰ।।
প্ৰতি প্ৰতি কৰি জাপ্য আঙুঠি ৰত্নৰ।
কটিৰ মেখলা হাৰ ৰত্নৰ ঘাগৰ।। ৭৬৬
পাত পীত *পচৰাৰে কৰন্ত দীপিতি।
জঙ্ঘা যুগ ৰাম দাম দেখন্তে তৃপিতি।।
চৰণ পঙ্কয় অভিনৱ ৰুচিকৰ।
ৰত্নৰ নূপুৰ ৰঙা চৰণ সুন্দৰ।। ৭৬৭
পঞ্চ চিহ্ন তলে পৰি নম্ৰে নমস্কাৰ।
চামৰে ধূলিয়া প্ৰদক্ষিণে তিনিবাৰ।।
সুষমাৰ পথে পৰি হৃসকি ৰহিলা।
তেবেসে নিশ্বাস পূৰ্ব ৰাহিৰ এৰিলা।। ৭৬৮
শুনা সমাজিকে মহা পুৰুষৰ হিয়া।
সত্যৰ সমাধি ধ্যান আপোনাৰ হিয়া।।
কলিৰ মলিন প্ৰাণী নাহি বল বুদ্ধি।
হৰি হৰি বোলা নামে পাঁপে মহৌষধি।। ৭৬৯

* * * *

* পচৰাৰে — পচমী কাপোৰ।

ঘোষা : তাৰিও ৰাম, সুমৰহো নামে নমো চৰণত।
সংসাৰ সাগৰে নেৰাইলা শঙ্কৰ দুখ নিবেদিবো কত।। ৬৩

পদ : পাছে যোগ চিন্তি অচ্যুত কেশৱ
নিজ গুৰু নাৰায়ণ
জগত ঈশ্বৰ সংসাৰ তৰণ
নিয়ম কৰিলা মন।।
ভাৰ গুৰুতৰ দক্ষিণ হাতৰ
ভূমি দিয়া বুঢ়াঙ্গুষ্ঠি।
আলগায়া তুলি দাঙ্গি ধৰিলন্ত
সকলে শৰীৰ গোটি।। ৭৭০
ইমান শকতি তৰিবে এগোটি
এহিমানে গুৰুভাৰ।
কলিত মলিন তেজ বল খীণ
যোগক কৰিবে সাৰ।।
হেন আশা দূৰ গুচিল লোকৰ
পাপত প্ৰচুৰ কাই।
ছয় চক্ৰ ভেদি সুষমাৰ পথে
নেদেখিবে যদুৰাই।। ৭৭১
মোৰ এতেমান দেখা বিদ্যমান
যোগত নাহিকে কাম।
কৃষ্ণত ভকতি সাধিবেক গতি
বেকত হৈবেক নাম।
বিষ্ণুৰ বচন গীতা গ্ৰন্থ খান
নিৰ্ণয় নজানো তাৰ।
গুৰু মুখে শাস্ত্ৰ পঢ়ি তাক মই
কৰিবো পাছে বিচাৰ।। ৭৭২
শুনা ৰাম ৰাম ভৃগুৰ নন্দন
সকলো বালক গণ।
ইটো সমাধিত ব্ৰহ্ম চিন্তিবাক
নিদিবাহা কেহো মন।।

লৈয়া উপদেশ ধৰিতে উচিত
যিমতে বিধান পাই।
নামৰ কীৰ্ত্তনে মিলিবে তৰণ
নিমিষ যিটো ধিয়াই।। ৭৭৩
মাধবৰ ৰূপ আপোনাৰ হিয়া
সেহি জন কৃষ্ণ মই।
কলিত বৈষ্ণৱে বিষ্ণু নাৰায়ণ
লোকৰ গুৰু নিশ্চয়।।
নামেসে ইবাৰ তাৰিবে সংসাৰ
কহিলো নিষ্ঠ বচন।
পুত্ৰৰ আগত সাধু নিগদতি
শুনিওক সৰ্বজন।। ৭৭৪
পদ নিগদতি শূদ্ৰনি তনয়
শঙ্কৰ দাসৰো দাস।
পূৰ্ব শাস্ত্ৰ চাই নিবন্ধনে আৰ
নকৰিবা উপহাস।।
শঙ্কৰ চৰিত্ৰ বোধ গ্ৰন্থকৃত
বোধগণে কৰি আছে।
বৌদ্ধৰ আচাৰ পাষণ্ড তেজিয়া
বোধ গ্ৰন্থে পাইবা পাছে।। ৭৭৫
নিজ গুৰু কৃত শঙ্কৰ চৰিত্ৰ
অজিজ্ঞাস কৰি আক।
বোধ নজানিয়া বৌদ্ধতে থাকিয়া
নকৰিবা নিন্দাবাক।।
সিটো শাস্ত্ৰে যদি ইটো কথা নাই
হাসিবাৰ যোগ্য হুই।
বুদ্ধিৰ দোষত হবে আগপাছ
নিন্দিতে উচিত নুই।। ৭৭৬
তথাপিতো নিন্দা বোল কৰে যদি
মোৰ পাপ ক্ষয় জানি
সিটো উপকাৰী কৰো কৃতাঞ্জলি
বোলো কাৰুণীক বাণী।।

ক্ষমাশীল সাধু পৰ উপকাৰী
নিন্দিক পাপী পামৰ।
গৰ্ব অহঙ্কাৰ নজানি বিচাৰ
আপুনি হোৱে ডাঙৰ।। ৭৭৭
কালৰ অধীন অথিৰ শৰীৰ
জীৱন জলেৰ ৰেখা
যাহাৰ কটাক্ষে মিলাবে বিঘাট
মৰণ এভো নেদেখা।।
যমৰ যাতনা তৰিবাৰ হই
কৃষ্ণত ভকতি ধৰি।
কৃষ্ণৰেসে নাম ধৰ্মৰেসে ভকতি
সুখে সংসাৰক তৰি।। ৭৭৮
যাৰ যেন ফল সাধনাৰ ভাগে
হৃদয়ৰ নাৰায়ণ।
এতেকে শঙ্কৰ গুৰু জগতৰ
চিন্তিত তানে চৰণ।।
হৰি নামে গতি পাপত কল্যাণ
মুখে নচাৰোক নাম।
পাতেক নাশিয়া তৰে অপ্রয়াসে
ঘোষিওক ৰাম ৰাম।। ৭৭৯

* * * *

ঘোষা ঃ **শঙ্কৰ শাৰেঙ্গপাণি বৈৰ বনমালী,**
অগতিৰ গতি দেৱ সংসাৰ পালি।। ৬৪

পদ ঃ জগত জনক নিজগুৰু নাৰায়ণ।
বেকত কৰিতে নাম আপোনাৰ মন।।
আগম সংহাৰ পদে নিৰূমিয়া হৰি।
পঢ়িল নিঃশেষ শাস্ত্ৰ ছন্মে ছল কৰি।। ৭৮০
যাহাৰ মায়ায়ে আছে সংসাৰক জুৰি।
গুৰুক দক্ষিণা গুৰু দিলা মন পুৰি।।

তুলি *গান্দু বস্ত্র খুৰি কলচী মহৰি।
জগত-জীৱৰ কৃষ্ণ মায়ায়ে আৱৰি।। ৭৮১
মায়াৰ ৰচনা সবে নৰৰূপে সাক্ষী।
গুৰুক গৌৰবে গৈয়া শস্য আছা ৰাখি।।
সাতোটা কুঞ্জ ধান দিনে দিনে খাই।
সিদিনা শঙ্কৰ পাল জানিলা লীলাই।। ৭৮২
আপুনি লৰিলা জানি কন্দলিও কই।
আজিসে ৰহিবে মোৰ ধান ৰাখা গই।।
কিৰিষি গুচয় নুহি কুঞ্জৰক মাৰা।
অন্যে নপাৰয় যাক তুমি তাক পাৰা।। ৭৮৩
শঙ্কৰে বোলন্ত গুৰু ইস কৰ্ম নুই।
সাতোটা কুঞ্জৰ মাৰো কেনে নৰ হুই।।
এতেকে বুলিয়া ছাত্ৰ গৈলা সহ মাজে।
যাৰ গুণ নামে বেদ শাস্ত্ৰসে বিৰাজে।। ৭৮৪
মায়াৰ শৰীৰ মহা ঈশ্বৰ পুৰুষ।
হস্তি পতি ধৰি চুম্পি ৰৈলা গৈয়া *উশ।।
আন দিনা ধান খাই বাঢ়ি আছে লাই।
বাসনা জৰিয়ে ধৰি আনে উলিয়াই।। ৭৮৫
পৰ্বত সমান যেন একো ভগাদৰ।
সাত কুঞ্জৰক পাছে দেখিলা শঙ্কৰ।।
আগবাঢ়ি খেদি গৈলা শস্য হানি বুলি।
শঙ্খ চক্ৰ গদা পদ্ম চাৰি অস্ত্ৰ তুলি।। ৭৮৬
প্ৰথমে পৰ্বত সম কুঞ্জৰক ধৰি।
দশণ উভাৰি লৈলা কুম্ভে দিয়া ভৰি।।
চিহৰণী মাৰি সিটো ভূমিত পৰিল।
ইগোট এৰিয়া ছেগে সিগোট ধৰিল।। ৭৮৭
বজ্ৰত পৰিয়া বজ্ৰ ৰোল উঠি গৈলা।
দশন ভাঙ্গিয়া ভাগি গুদা হাতে ৰৈলা।।
যেন ভগা ঘৰ পৰি ডাকিলা যমক।
ধৰিলন্ত আৰু হস্তী বিজুলী চমক।। ৭৮৮

* গান্দু—গাৰু

* উশ—অনুসন্ধান

লাঙ্গুত পকাই পিঠি মাৰিলা চাপৰ।
ৰুধিৰ চাদিল যেন থোকোচা কাপোৰ।।
লৱৰণ্ডে আৰু গোট চন্দ্ৰক ঘালি।
মাৰিলন্ত পাঞ্চগোটা বাহুবলে শালি।। ৭৮৯
মৰি নমৰিল দুই কটাক্ষ সন্ধান।
মন কোপ কটাক্ষচ কৰন্ত নির্জান।।
সাত কুঞ্জৰক পাত কৰি শুকদেৱ।
কন্দলিৰ ক্ষেত্ৰ মাজে লগে নাহি ক্ষেৱ।। ৭৯০
যাক যইত নিয়মিলা পূৰ্বে পদ্মপাণি।
গদাৰে কোবাই আনে গদাধৰে টানি।।
আসিল মহিষ সেহি বেলা ভয়ঙ্কৰ।
তাহাৰ কাৰণ আছে পূৰ্ব জনমৰ।। ৭৯১
তাৰ দুই শৃঙ্গ তুলি মাৰিলা কোবাই।
সংসাৰে শঙ্কৰ নাম ধৰিলা গোসাঁই।।
শুনা সমাজিক কৃতী কথা গুৰুতৰ।
সংসাৰ সাগৰে সাৰ কেলি শঙ্কৰৰ।। ৭৯২
কর্মজৰি বাসনা পাপৰ যেন জুই।
শুকবো পৰম গুৰু ব্ৰহ্ম নৰ হই।।
মহাপুৰুষক নামে সুমৰি মনত।
বোলা হৰি হৰি ডাকি তৰিও পাপত।। ৭৯৩

* * * *

ঘোষা : ৰাম হৰি ৰাম হৰি ৰাম হৰি ৰাম।
পৰম মঙ্গল নিধি তুৱা গুণ নাম।। ৬৫

পদ : পৰম পুৰুষ ব্ৰহ্ম ৰুনাচাৰী।
ইটো শিশু লীলা এৰিলা মুৰাৰী।।
শাস্ত্ৰ পঢ়িবাক লাগি কৈলা সাৰ।
শঙ্কৰ নামক কৰো সাৰোধাৰ।। ৭৯৪
কলিত মলিন পাপৰেসে কাই।
পাপ নৰুৰন্তা আত কেহো নাই।।

যোগ চিন্তিবাৰ নাহি কাৰো বল।
পাপত পাতকী পাপে যাই তল।। ৭৯৫
আপোন নামৰ কৰ্ত্তব্যক কৰো।
সংসাৰ সাগৰ যেবে উদ্ধাৰো।।
সংসাৰ পাপত লোকৰ মুকুত।
শঙ্কৰ নামৰ ভাঙ্গোহো গুপুত।। ৭৯৬
সৎসঙ্গ কৰিয়া মই দিবো চান্দি।
সাধিবে কল্যাণ নামে গলে বান্ধি।।
তৰিবে সংসাৰ নামৰ কীৰ্ত্তনে।
কিমতে নিস্তৰে পাপী জীৱগণে।। ৭৯৭
শাস্ত্ৰক বিচাৰি নামক প্ৰখ্যাত।
সংসাৰ জুৰিয়া কহিবো সবাত।।
হেন মনে নিয়ম কৰিয়া পাছে হৰি।
গৃহক গৈলন্ত বেগে গয়ো ভৰি।। ৭৯৮
ৰজনী প্ৰভাতে সিদিনা শঙ্কৰ।
ঘুমটি চাৰিয়া উঠিলা সত্তৰ।।
স্নান কৰি ভক্তি মনে আপোনাক।
কৃষ্ণ কৃষ্ণ বুলি বুলিলন্ত বাক।। ৭৯৯
শুনিওক আবু নাতিয়া বোলন্ত।
পঢ়িবো শাস্ত্ৰক ছাত্ৰশালে অন্ত।।
বুঢ়ীৰ আনন্দ শুনি হেন বাণী।
দিলন্ত জমাই দেৱৰক আনি।। ৮০০
হলাই উদ্ধৱ জয়ন্তা মাধৱ।
বুঢ়াখাও গৈলা কৰিয়া উৎসৱ।।
ভোজন সম্ভাৰ ভাৰ কৰি দিয়া।
গুৰু মন কচি *কৰণি যোজিয়া।। ৮০১
সুবৰ্ণ কুণ্ডল বস্ত্ৰ এক যোৰি।
নাতিয়ে পঢ়ই বুলি দিলা বুঢ়ী।।
জমাই দেৱৰ কৈবা ভুমি সবে।
মাউৰা পোৱালিয়ে মোৰ কি কৈবে।। ৮০২

---

* কৰণি যোজিয়া—সা-সম্ভাৰ যোগাৰ কৰা।

ওজাৰ কুযশ সুযশ চাকৰে।
শিষ্য অপৰাধে গুৰুকেসে ধৰে।।
শুনিয়া শঙ্কৰে হাসি মুচুকাই।
*পুখুৰীৰ পৰা পাণবাৰী যাই।। ৮০৩
পেশা পিতামহী খুড়াই গমন।
লগত কুন্দ্ৰাক্ষ ভৈলা উপসন।।
শ্ৰীৰামে যিমতে মৰাক আনিলা।
কাৰ্যৰ বিধানে সিকথা কহিলা।। ৮০৪
কুসুমে কহিলা শুনিও কন্দলি।
শিশুক পঢ়াইবা শাস্ত্ৰ কৰি বলি।।
মনক পূৰিয়া দক্ষিণাক পাইবা।
গাৱ লাগি মোৰ বাপুক দেখাইবা।। ৮০৫
প্ৰাণ সম দেখো ঈশ্বৰ সাক্ষাতে।
তোমাসতে কৈবে আসিলো তাহাতে।।
দুয়ো পিতামতে কৈলা বিদ্যমানে।
শঙ্কৰৰ মায়া নজানিল আনে।। ৮০৬
মহেন্দ্ৰ কন্দলি দিলন্ত বিদাই।
পঢ়িবাৰ চিত্তে আসিলা গোসাঁই।।
পেশা পিতা খুড়া পশিলন্ত ঘৰ।
গুৰু গৃহে ৰহি পঢ়িলা শঙ্কৰ।। ৮০৭
শাস্ত্ৰৰ স্ৰষ্টায়ে শাস্ত্ৰক পঢ়িলা।
নাৰায়ণে নৰ মনুষ্যৰ লীলা।।
মাধৱৰ মায়া মায়াৰ পুৰুষ।
মায়া কৰি আসি ভৈলাহা মানুষ।। ৮০৮
শুনিও সজ্জন বিষয় বিৰাজে।
হৈৱন্ত উদি কৃষ্ণ হৃদি মাজে।।
শ্ৰৱণ কীৰ্ত্তনে পাপক সংহৰি।
শঙ্কৰক স্মৰি বোলা হৰি হৰি।। ৮০৯

* * * *

---

* পুখুৰীৰ পৰা পাণবাৰী—আজি পুখুৰীৰপৰা মহেন্দ্ৰ কন্দলিৰ ঘৰ পাণবাৰীলৈ যোৱা।

বাণ্ড মাৰ্দন
বেণুকাৰ বাঞ্ছা পূৰণ

ঘোষা ঃ হে হৰি হৰি বান্ধৱ মাধৱ
তুমি জগতৰ হিয়া।
নন্দৰ গৃহত যি ভাবে আছিলা
সি ভাবেদেখা দিলা।। ৬৬

পদ ঃ ভয়ঙ্কৰ বাণ্ড দেখিয়া শঙ্কৰ
জগতৰে গুৰু হৰি।
আপোনাৰ নিজ ৰূপত লাগিল
মাধৱ নামক স্মৰি।।
নামৰ গৃহস্থ জগতৰে অস্ত্ৰ
তেজি নৰতনু মায়া।
যিটো শৰীৰৰ নাহি পূৰ্বাপৰ
নিত্য নিৰঞ্জন কায়া।। ৮১০
কিৰীট কুণ্ডলে ৰত্নে সমন্বিতে
দিব্যৰূপ পীত বস্ত্ৰ।
গলে বনমালা আজানুলম্বিত
হাতে মুখ্য চাৰি অস্ত্ৰ।।
ৰত্নৰ তিলক নাসা তিলফুল
ভ্ৰুৰ যুগ ধনু কান্তি।
অৰুণ নয়ন অধৰ অৰুণ
অৰুণ দৰ্শন পান্তি।। ৮১১
কণ্ঠত কৌস্তুভ হিয়াত শ্ৰীবৎসে
ঝিলিমিলি পেচণ্ডাৰ।
মালা বৈজয়ন্তী উত্তৰি নগুণ
ৰত্নৰ বলয়া তাৰ।।

উন্নত হৃদয় উচ্চে তিনি ৰেখা
চিহ্ন মহাপুৰুষৰ।
যাগুৰ সাধনা সিদ্ধি নাৰায়ণ
বেকত ভৈলা শঙ্কৰ।। ৮১২
পাট পীত ভুণি ৰত্নৰ কিঙ্কিণী
ৰত্নৰ মেখলা হাৰ।
ৰত্নে বিৰচিত ঘুঙ্গুৰে ৰঞ্জিত
জ্যোতি অতি চমৎকাৰ।।
যোগীগণে যাক চিত্তে অপুক্ষণে
সংসাৰত্ত সাৰ জানি।
উৰু জানু জঙ্ঘা ভূজঙ্গৰ অঙ্গ।
বেকত শাৰঙ্গপাণি।। ৮১৩
নব পদ্ম কোষ চৰণ সন্তোষ
ক্লেশতা দুখ খণ্ডন।
সুমধুৰ ধ্বনি শুনি নূপুৰৰ
ভকতৰ মগ্ন মন।।
ধ্বজ বজ্র ঘৰ পঙ্কজ অঙ্কুশে
পৰম পুৰুষ হৰি।
মাথাৰ মালতী ৰাতত খেপিয়া
চাৰি হাতে আছা ধৰি।। ৮১৪
যেবে নৰজন মনুষ্য বধিলা
জানিলন্ত জগন্নাথ।
ভকত বৎসল সাধনা পূৰণ
ৰাগুৱো পাতিলা মাথ।।
ত্ৰিজগত পতি খণ্ডিলা দুৰ্গতি
কুসুম ভুঞা আৱাজ।
শুনা সৰ্বজন গুৰু গুণ গাণ
এহিসে সাধিবে কাজ।। ৮১৫
এহিসে চৰিত্ৰ ভকতৰ বিত
সংসাৰৰ পাপহাৰী।

বাণুৰ মৰ্দন কুঞ্জৰ পতন।
পাষণ্ডৰ অন্তকাৰী।।
শঙ্কৰত পৰে গতি দাতা নাই।
নেৰিবা হৰিৰ নাম।
কৰ্ণে শুনা কৃত মুখে গায়া গীত
তৰিবাৰ কৰা কাম।। ৮১৬
অসতীৰ সঙ্গে সতীক বিনাশে
শাস্ত্রে কহে পূৰ্বাপৰ।
সন্তৰ সঙ্গতি হৰিপৰায়ণ
লৈয়ো নাম মাধৱৰ।।
শ্ৰৱণ কীৰ্তন নামে নৱনিধি
হৃদয়ত সাৰ কৰি।
হাততে মুকুতি শাস্ত্ৰৰ যুগুতি
সবে বোলা হৰি হৰি।। ৮১৭

* * * *

ঘোষা : সেৱক কৰিয়া লৈবো নাৰায়ণ
চৰণে শৰণ লৈলো।
তুৱা পাৱে ৰতি থাকোক ভকতি
ভৃত্যৰ সঙ্গতি লৈলো।। ৬৭

পদ : বাণুক মৰ্দন্তে পথক যাহান্তে
তিৰী এক পাইলা হৰি।
দণ্ড দুই মানে ৰহিয়া সিথানে
পূৰ্ব কথা মনে ধৰি।।
জগতৰ স্বামী অন্তৰ্যামী যিটো
গোবিন্দ গুৰু মুৰাৰী।
দেখিয়া সিথান হুয়া সাৱধান
পৰম সুন্দৰ নাৰী।। ৮১৮

দুইকো দুই চাই আনন্দ বঢ়াই
হাসিলন্ত অন্নকৰি।
পৰম সুন্দৰ ৰূপ মনোহৰ
শ্ৰীমন্ত শঙ্কৰ হৰি।।
থাকা মাৱ বুলি লৰিলা গৃহস্থ
পৰ্মানন্দে আছে চাই।
কিনো ভাগ্যৱতী ইটো মহাসতী
ডেকাগিৰি বোলে আই।। ৮১৯
কিবা তপ কৰি আছিল সুন্দৰী
শঙ্কৰ হৰিশ ভৈলা।
মনে উতপাত কান্ধত কামলি
পথত চলিয়া গৈলা।
ফিৰি চায়া দেখি আছন্ত নিৰেখি
শঙ্কৰক চাই আছে।
কাকো দেখা দেখি নপাই নিৰেখি
মনত গুনিলা পাছে।। ৮২০
ৰেশু নেদেখিল ৰেশুকা জানিল
গৃহে চলি গৈলা আই।
সুবুদ্ধি কুবুদ্ধি যিটো মূল ঘাগি
ঈশ্বৰ ইচ্ছা মিলাই।।
যাগুক মৰ্দ্দিয়া মহা মোক্ষ দিয়া
ৰাজ পথে আইলা হৰি।
মনে গুদ গুদ কৰি পৰ্মানন্দে
পুছিলা আশঙ্কা দৰি।। ৮২১
যুৱতী প্ৰসূতা যেন খেদ কৰি
তোমাক আছিলা চাই।
পতি পুত্ৰ যাৰ সু-হৃদৰ থান
আনন্দৰ পাৰ নাই।।
ইটো পৰ যাৰা সিটো পৰ মাৰা
কাহিনী কহিও আৰ।

শুনিয়া শঙ্কৰ হাসি মুচুকাই
মাতিলাহা আমনাৰ।। ৮২২
জন্ম কৰ্ম ফলে কুৱলয়ে গৰু
তোমাত নকৰো ভাণ্ড।
প্ৰশুৰাম মাতা এহেন্তে ৰেণুকা
দশৰথ পিতৃ যাও।।
মোহোৰ শপত নকৈবা লোকত
ইকথা নুহিবে ভাল।
গৰু বধি বুলি পাষণ্ডে হাসিব
নমৰিল লালকাল।। ৮২৩
দশৰথে আশি কুৱলয় গৰু
বিমানে পঠাইলো তুলি।
জামদগ্নি ৰামে কহিলা পূৰ্বত
মাতৃৰ তত্ত্ব সমূলি।।
ৰাম কৃষ্ণ নামি শঙ্কৰ হৈবোহো
সম্ভৱে সাধিবো কাম।
এতেকতে মাতৃ ধৰিল ভকতি
পথতে কৰি প্ৰণাম।। ৮২৪
ইটো অৱতাৰে জগতৰ ভাৰ
ধৰণী মণ্ডলে গুৰু।
এতেক বচন কুসুম নন্দন
কহিলাহা কল্পতৰু।।
সাধু নিগদতি শুনিও সমস্তে
মহাপুৰুষৰ লীলা।
অংশ কলা বাচ্য অৱতাৰ শেষ
শঙ্কৰেসে মোক্ষ দিলা।। ৮২৫
দনুজ দমন মহান মন্দৰ
মথুৰী মধু সূদৰ।
দানৱ দৈত্যাৰি দৃশ্য সংহাৰক
কৃষ্ণৰ দুই চৰণ।।

মহাপুৰুষৰ কেলি পূৰ্বাপৰ
ইটো যশ গুণ গান।
শ্ৰৱণ কীৰ্তন ভকতৰ সঙ্গে
পূৰ্ণ ভকতি কাম।। ৮২৬
নাম অধিকাৰী চিন্তিও মুৰাৰী
হৰিৰ দুই চৰণ।
আন যত ধৰ্ম নামৰ লগত
হৰি নামে দিয়া মন।।
ৰাম কৃষ্ণ গুৰু শঙ্কৰ বুলিয়া
কীৰ্তন কৰিও সাৰ।
তপ জপ যজ্ঞো পুণ্যৰ সঞ্চিতে
কলিত নামে নিস্তাৰ।। ৮২৭
ৰাম কৃষ্ণ ব্ৰহ্ম ভাবিয়া শঙ্কৰ
গতি নাৰায়ণ হৰি।
যত ব্ৰত দান সৰ্বে ধৰ্ম মিলি
নুহি নাম সমসৰি।।
শুনা সৰ্বজন নেৰিবা কীৰ্তন
আপোনাৰ মোক্ষ প্ৰায়।
পৰলোকে বিত জানি কৰা চিত
আনৰ এৰিয়া দায়।। ৮২৮
বেদৰ বিহিত সাধুৰ উচিত
নামত নাহিকে দোষ।
বেদ অপৰাধ ছিদ্ৰকো নামেসে
খণ্ডন হৰি সন্তোষ।।
হৰি তুষ্ট ভৈলে হোৱে সৰ্ব সিদ্ধি
নচাৰিবা ধৰ্ম জানি।
কলিসে সুদিন কহে শূদ্ৰহীন।
হৰি হৰি বোলা বাণী।। ৮২৯

* * * *

পাষণ্ড মৰ্দন

ঘোষা : হে হৰি সংসাৰ পালি।
গোপাল গোবিন্দ বনমালী।। ৬৮

পদ : পাছে যেন ভৈল শুনিও তাক।
গুৰু দেৱ নিন্দা গৰিহা বাক।।
যতেক অজ্ঞানী হৰি বিমুখ।
মিছা খল বাদে দিলন্ত দুখ।। ৮৩০
পাপৰ প্ৰচুৰ পাপীৰ হিয়া।
আপোন স্বভাবে আনক দিয়া।।
নাৰায়ণ গুৰুদেৱৰ মায়া।
ধৰি নৰতনু কপট কায়া।। ৮৩১
নামৰ কীৰ্তন মেলি অগনি।
পাপ অৰণ্যত লাগিল ছনি।।
শঙ্কৰৰ নাম ধৰম চিয়া।
পাপীৰ পাতকে নসহি হিয়া।। ৮৩২
যেন কিল ভুকু টেটুৱা মাৰে।
পাপে উতপাত সহিতে নপাৰে।।
মাধৱৰ মায়া দেৱ গোপাল।
গোবিন্দৰ কেলি আঘোৰ জাল।। ৮৩৩
হৰি নাম ঢালি জুৰি সংসাৰে।
শুনিলে তাকই হৃদি বিদাৰে।।
বোলে কিনো কৰ্ম অধৰ্ম ভৈল।
দেৱী পূজা ভক্তি লুপুত কৈল।। ৮৩৪
পিতৃ শ্ৰাদ্ধ পূজা পাঠাক কাটি।
বিশ্ব স্বৰ্গ ধৰ্ম সাধন ভাটি।।
দণ্ডগ্ৰহ আদি কূপ উছৰ্গ।
পতি লগে সতী পাৱে স্বৰগ।। ৮৩৫

* ভাটি—দূৰ

অগ্নি হোত্র তীর্থ আম্নানা গণ।
গোমোঠা শঙ্কৰে কৰিলে ছন।।
বাটোৱালী পূজা বৃক্ষৰ গুৰি।
নামে উখাৰিলে জগত জুৰি।। ৮৩৬
কি কৰে জীৱন হামাৰ দৰ্পে।
লাঠি পাই যেন ফোঁকাৰে সৰ্পে।।
ফেটীতে ফোম্পাই ঘসাই ফেঁট।
চান্দি বন্দি আৰে কৰিলা হেঠ।। ৮৩৭
যেহেন পৰ্বতে আছয় যান্তি।
তথাপি এৰাইতে নাহি ঐকান্তি।।
পাপে হৃদি হিয়া নজানে জ্ঞান।
নামৰ কীৰ্ত্তনে নসহে প্ৰাণ।। ৮৩৮
কৃষ্ণত বিৰোদ্ধি যিটো পামৰ।
এক জন্মে চিন তিনি জন্মৰ।।
পূৰ্ব জন্ম কৰ্তা বাসনা ৰাশি।
জানিলা শঙ্কৰে নিৰ্মিলা আসি।। ৮৩৯
আপুনি ঈশ্বৰ জগ নিবাস।
ই কথা শুনিয়া কৰিলা হাস।।
আপোন প্ৰভাৱ সঙ্কোচ কৰি।
ছদ্ম ৰূপে গুৰু ৰহিলা হৰি।। ৮৪০
ধৰ্ম বৃষ্টি কৰি আপোন নাম।
মুৰাৰী মকুন্দ গোবিন্দ ৰাম।।
আপোন মহিমা কীৰ্ত্তন সাৰ।
শুনা সভা সদ পাপ সংহাৰ।। ৮৪১
ৰাম কৃষ্ণ মুখে শঙ্কৰ বাণী।
নেৰিবাহা নাম ভকতি জানি।।
নাম বিনে ধৰ্ম ভকতি নাই।
জগতৰ ধৰ্ম নামে মিলাই।। ৮৪২
গুৰু ধৰ্ম ভক্তি শাস্ত্ৰৰ মত।
শাস্ত্ৰৰ বিচাৰ এহিসে তত্ত্ব।।
হৃদি ৰূপ নাম চৰণে ধৰি।
নামেসে তাৰে বোলা হৰি হৰি।। ৮৪৩

* * * *

ঘোষা ঃ ৰাম নাৰায়ণ নৈষ্ঠ্যো নাম ঘন
পথৰ সম্বল বিত।
কৃষ্ণৰ বিজয় লীলা শঙ্কৰৰ
চৰণত দিয়া চিত।। ৬৯

দুলড়ী ঃ ব্ৰাহ্মাণে বোলয় কুসুম তনয়
তই কপটৰ ঘাগি।
কিবা দেৱ মায়া সাধকে জানস
উপজিলি আকে লাগি।।
চণ্ডিকা গোসাঁনী শিৱকো নুপূজ
নলৱ হৰিৰ নাম।
জল বহ্নি পূজা নকৰ শিলাত
কিনো গৰিহিত কাম।। ৮৪৪
ইত্যাদি দেৱতা কূপ কোন গণ
বৃক্ষৰো নুশুন কথা।
সমস্তে ধৰ্মক খণ্ডিলি শঙ্কৰ
তই সি ভৈ গৈলি মতা।।
পুৰুষ বোলাই কাঁচুটি পিন্ধস
আমি জীয়া পোৱা কামি।
তোহোৰ ধৰ্মক নখণ্ডোহো যেবে
তেবে অকামিলা আমি।। ৮৪৫
হৰিব্য কৰাই কৰ্ণত কহয়
দীঘলে পেলাই মাটি।
নজানিয়া নৰে পৰম যতনে
তাহাক ধৰই দান্তি।।
শুনিয়া শঙ্কৰ জগত ঈশ্বৰ
গুনিলন্ত মনে মন।
আপোনাৰ নিন্দা আপুনি বঞ্চিত
নৰকে হৈবে পতন।। ৮৪৬
হৃদয়ৰ বোধ অগাধ সাগৰ
নমাতিয়া ৰহি আছে।

মনে কোপ কৰি হৃদয় কঠিনে
হাসি মাতিলন্ত পাছে।।
শঙ্কৰে বোলন্ত শুনা গুৰুসব
বিষ্ণু অংশে ভৈলা জাত।
বিষ্ণুৰ মায়াৰে মুহিলে সবাক
চেতন নাহিকে গাত।। ৮৪৭
চণ্ডিকা গোসাঁনী কহিলা সৰেও
শিৱক পূজিবে লাগে।
হৰে কাৰ পাই চিন্তয় সদায়
কহিও আমাৰ আগে।।
জলে জলেশ্বৰ বৃক্ষতো ঈশ্বৰ
অগনিটো নাৰায়ণ।
শিলা শালগ্রাম আপুনি গোসাঁই
হৃদি ব্যাপ কোন জন।। ৮৪৮
ইত্যাদি দেৱতা আছে থানে থানে
খালটো যখিনী জানো।
সবাৰো আশ্রয় দিবো পৰিচয়
আমিও তাহাক্কে মানো।।
শুনি দ্বিজ গণে নিৰুত্তৰ ভৈল
আৰুক আৰুৱে চাই।
কাহাৰো বদনে নভাসে বচন
শঙ্কৰে মাতে দুনাই।। ৮৪৯
কৃষ্ণত শৰণ একান্ত ভকতি
নাম ধৰ্ম্ম বিপৰীত।
গীতা ভাগৱত শাস্ত্রে কহে আক
কিমতে কৰা বৰ্জ্জিত।।
সত্যৰ সাধন কলিত জীৱৰ
নামে পৰলোকে ধন।
যত বৰ্ণাবৰ্ণ নামত শৰণ
নাহিকে আন দোষন।। ৮৫০

বেদ বেদান্তৰো নামে মাত্ৰ সাৰ
সমস্তৰে অধিকাৰ।
একান্ত শৰণে ধৰে যিটো জনে
সংসাৰৰ পাই পাৰ।।
আনত শৰণ নাহিকে তৰণ
নেৰাবে কালৰ হাত।
যদি যজ্ঞো যোগে স্বৰ্গক পাৱয়
দুনাই হোৱয় পাত।। ৮৫১
ব্ৰহ্মাক গুচৰি পাৱে ব্ৰহ্ম চিৰি
বিষ্ণুত মুকুত হুই।
হৰ গৌৰী দুই ঐশ্চৰ্য দিবই
কদাচিতো মোক্ষ নুই।।
জিনও ঈশ্বৰ পালে চৰাচৰ
যাহাৰ আজ্ঞাক পালি।
বেদৰো ঈশ্বৰ নামেসে গোচৰ
তেন্তে মহা বনমালী।। ৮৫২
অচ্যুত কেশৱ বিষ্ণু হৃষিকেশ
যিটো বোলে বাসুদেৱ।
সেহিসে ভকত শাস্ত্ৰৰ সম্মত
তাঙ্ক সম নাহি কেৱ।।
কৃষ্ণকেসে জানো আনক নমানো
নকৰো কাৰো খলিত।
নকৰো বিবাদ যাৰ যেই পাদ
তাহাৰো সেই উচিত।। ৮৫৩
ধৰ্মৰেসে নিন্দা সহিতে নপাৰো
পাতকীৰ বাঢ়ে বল।
মহত কৰয় মহন্ত বোলাই
পাছে সিও যাই তল।।
সাধুৰ নিন্দাত মই পক্ষপাত
হৰি নাম ধৰ্ম জানি।

যিটো নাম লই সিটো মোৰ হই
শঙ্কৰে বুলিলা বাণী।। ৮৫৪
শুনা সমাজিক থিৰ কৰি চিত্ত
পাতেক হৌক উচ্চাদ।
গুৰুদেৱ লীলা সাধুৱে কহিলা
ভকতিৰ বিসম্বাদ।।
পাষণ্ড মৰ্দ্দন কুসুম নন্দন
গুৰুদেৱ যাৰ নাম।
স্মৰিও শঙ্কৰ পাতেকৰ ক্ষয়
সুমৰিও ৰাম ৰাম।। ৮৫৫

* * * *

ঘোষা : ৰাম হৰি ৰাম-হৰি ৰাম পাৱে ভজ।
হৰি পদ নৌকা এৰি মিছাতে নমজ।। ৭০

পদ : শুনা একচিতে নিতে শঙ্কৰ কিৰীতি।
যাহাৰ সু-যশে মন ধৰ্ম্ম উপস্থিতি।।
ঈশ্বৰ ইচ্ছাৱে চিত্ত মহাপুৰুষৰ।
শঙ্কৰ কিৰীত্তি শুনি ক্ৰুৰ বৰ বৰ।। ৮৫৬
পাপে প্ৰজ্বলিত হিয়া ঈশ্বৰৰ লীলা।
শঙ্কৰ সহিতে নানা সম্বাদ কৰিলা।।
গীত পদ কৃত শুনি পাপে বুন্দামাৰ।।
হৃদয় হেন্দোল কৰে কৰয় ধিক্কাৰ। ৮৫৭
দুৰ্জ্জন অনৰ্থ নৰ শঙ্কৰ পামৰ।
ধৰ্ম্মক খণ্ডিয়া ই সি ভৈলেক ডাঙৰ।।
হবিষ্য কৰাই গুপ্তে কহে গুণ গণ।
বাপৰ গৃহটো পুত্ৰে নকৰে ভোজন।। ৮৫৮
আনকো দেখিলে আনে আনন্দিত চৰে।
গোত্ৰ কুটুম্বক দেখি দূৰ দূৰ কৰে।।

চুইবি চুইবি দূৰ বাণী দুৰন্ত আপুনি।
এহি মতে কহে কতো কতো হাসে শুনি।। ৮৫৯
মৰ্চ্চাদিত ম্লেচ্ছ সবে আলোচন কৰি।
ব্রাহ্মণ সবৰ আগে কহয় সাদৰি।।
সৰ্বকালে দাস আমি তুমিসব গুৰু।
শঙ্কৰেসে বৰ ভৈল সবে ভৈল সৰু।। ৮৬০
হেন বোলমাতে তিৰস্কাৰ কৰি গালি।
শুনিয়া সন্তৰ কৰ্ণে হৃদি ধৰে শালি।।
মাতিবে নোবাৰে কেহো কলঙ্কৰ ডৰে।
শঙ্কৰৰ লগে জানো আমাসাকো ধৰে।। ৮৬১
মৃগ মীন সম সাধু শৌনক সজ্জন।
গুৰু দেব নিন্দা শুনি নভাষে বচন।।
বল্কনি কৰয় দুষ্টে ক্রোদ্ধে বিপৰীত।
একৈকে কৰয় নষ্ট অনেকৰ চিত।। ৮৬২
নজানে ধৰ্মৰ গুৰু কি কৰে বখান।
আমি যিবা কহো সেই শাস্ত্ৰৰ বিধান।।
গীত পদ ভটিমাক কৰে উতপন।
ব্যাস সুত শুক পাপী ইটো কোনজন।। ৮৬৩
শুনিয়া শঙ্কৰে নিন্দা হাস্য আপোনাৰ।
জগত গোসাঁই গুৰু কৰন্ত বিচাৰ।।
শঙ্কৰ বদতি সবে শুনা মুনিসায়।
বেদ বিধি শাস্ত্ৰ এৰি আপোন বৰাই।। ৮৬৪
আপোন মহত গৰ্বে তেজি পূৰ্বাপৰ।
নিন্দক জনৰ পথ ঘোৰ নৰকৰ।।
নিসীম যোনিত আয়া জাত বাৰে বাৰ।
যাবে হৃদিগত ৰাম নোহে আপোনাৰ।। ৮৬৫
গুণ নাম গীত পদে আৰাধন হৰি।
তেবেসে দুষ্টৰ মায়া সংসাৰক তৰি।।
শ্লোক নাট সূত্ৰ মোৰ সাধনা নিশ্চয়।
পুণ্য পাতেকৰ বল কষ্ট অভ্যুদয়।। ৮৬৬
যাহাৰ শৰীৰে মহা পাপৰ পৰ্বত।
প্রাণান্তিকো নাসে নাম তাহাৰ মুখত।।

পুণ্যৰ প্ৰতাপ যিটো গিৰি সমসৰি।
আপুনি বহয় মেৰুগিৰি গোট জৰি।। ৮৬৭
গুণ নাম গীতৰ কহিলো তত্ত্ব সাৰ।
সন্তৰ পৰশে কৰে দুষ্টেও প্ৰচাৰ।।
বাল্মীকিত লৈও সাক্ষী নাৰদত থাকি।
সাধুৰ শিক্ষাবে হৰি হৰি বোলা ডাকি।। ৮৬৮

* * * *

ঘোষা ঃ **জয় হৰি জয় ৰাম জয় জগনাথ।**
চৰণে প্ৰণামো শিৰ মাথ।। ৭১

পদ ঃ পাষণ্ড মৰ্দ্দিবে লাগি আপোনাৰ মন।
কৰিলা গমন যেবে কুসুম নন্দন।।
জগত নিলয় কৃষ্ণ হৃদয়ৰ গুৰু।
ভকতি ধৰ্ম্মৰ মূল মহা কল্পতৰু।। ৮৬৯
হেন হৰি কক্ষা বাদ ভৈলা অসংখ্যাত।
কোটিৰ মাজত গুটি বোলে জগন্নাথ।।
সেৱক সকলে মাত্ৰ জানিয়া নিশ্চয়।
মুখে গুণ নাম ৰূপ ধৰিলা হৃদয়।। ৮৭০
গজৰ সমান গতি পথত লীলাই।
মেঘৰ গম্ভীৰ ধ্বনি বচন বজাই।।
শুনিও মহন্ত সব ভকত আমাৰ।
আজি নমাতিবা কেহো ৰাজাদৰবাৰ।। ৮৭১
ৰাজায়ে খণ্ডিব প্ৰজা নুবুলিবে ভাল।
দুৰ্জ্জন জনৰ ৰাম আছে যমকাল।।
মিছা গলভৰি বাক্য আপোন বৰাই।
হৰি যাক যিবা কৰে ঈশ্বৰ ইচ্ছাই।। ৮৭২
আমাত ক্ৰোড়িত সব লোকত উৎসৱ।
সৰ্ব্বকালে হিতকাৰী সবাৰো গৌৰৱ।।

মই সমে বাদ কৰো ইহাতো দোষন।
আমি শূদ্ৰজাতি হীন উত্তম ব্ৰাহ্মণ।। ৮৭৩
হৰি ভকতিৰ পাৱে ধাৰ্মি মহামানি।
নিদিলন্ত শুকদেৱে কিহেতু তৈসানি।।
সুতক আচাৰ্য দিলা ধৰ্মৰ প্ৰবল।
ইহাক নজানি মোক নিন্দয় নিষ্ফল।। ৮৭৪
আগে কহি আছে যত অসত্য বচন।
তাকে সত্য মানি আছে নৃপতিৰ মন।।
স্বধৰ্ম তেজিয়া ধূৰ্তে পূৰে মনোৰথ।
লুপুত কৰিলে দেৱী ভবানীৰ পথ।। ৮৭৫
হেন মুখে কহি আছে মিছা খলবাদ।
সবে সত্য হৈব যেবে কৃষ্ণৰ প্ৰসাদ।।
ব্ৰহ্মা মহেশৰো গতি হৰিসে ঈশ্বৰ।
হৰি গুণ নাম ধৰ্ম মুমুক্ষ জনৰ।। ৮৭৬
কোনে কেনেমতে লেই বুজু মুনিৰাই।
নেমাতিবা একোজনে থাকা ৰঙ্গ চাই।
নিগদতি সাধু পুত্ৰ আগে কৰি দায়া।
কহিলা বিবাদ মহাপুৰুষৰ মায়া।। ৮৭৭
ঈশ্বৰ শঙ্কৰ গুৰুদেৱ নাম ধৰি।
শুনা সৰ্বজনে আক কৰ্ণৰন্ধ্ৰে ভৰি।।
অচিৰ কালতে আসি মিলে মহাভাগ।
নৈৱে মহা মহা পুণ্য গণে আৰ লাগ।। ৮৭৮
ভকতৰ ভয় হাৰী দুখ কৈত আছে।
ঈশ্বৰ ইচ্ছাৱে নষ্ট কষ্ট গুচে পাছে।।
আপুনি সহায় হৰি ভকতি পথত।
এহিমানে কৈলা সাধু মানসা আগত।। ৮৭৯
দুৰ্জন দমন কেলি সাধনা কল্যাণ।
মায়াকো দহন কৰে পাপৰো নিৰ্জান।
কৃষ্ণৰ অনন্ত কেলি মহিমা কীৰ্তন।
নেৰিবা হৰিৰ নাম জানি সাধুজন।। ৮৮০

ক্ষণেকে ভাগয় হাট ভাগি নৰকাই।
যমৰ এৰাইতে হাত কিমতে উপাই।।
শঙ্কৰ চৰণে মনে নাম সাৰ কৰি।
লভিবা পৰম পদ বোলা হৰি হৰি।। ৮৮১

* * * *

ঘোষা : বোল হৰি নাম ৰাম নামে সাৰ।
বিনা ৰাম নামে দুখ পাই ৰাবে ৰাৰ।। ৭২

পদ : ধৰ্মৰ বিজয় শুনা নামৰ প্ৰতাপ।
ঈশ্বৰ ইচ্ছাৰে নামে উথলিয়া পাপ।।
পাষণ্ডেও ঘাগি লৈলা কুৰ্তকী গণক।
শাস্ত্ৰমতে নোৱাৰিয়া কেহো শঙ্কৰক।। ৮৮২
কুতস্থ সহিতে পাছে হয়া একচিত।
পণ্ডিতে লগাইলে মিছা খল নৃপতিত।।
গৰ্জনি তৰ্জ্জনি মিছা ঈচ্ছা আপোনাৰ।
ৰাজাও জানিয়া আছে আক ৰাবে ৰাৰ।। ৮৮৩
ৰাজাক বন্ধিয়া প্ৰজা সবে দ্বিজগণ।
সভা পাতি ৰহি আছে কৰি ৰঙ্গমন।।
শঙ্কৰো ৰহিলা গৈয়া পায়া দোপদৰ।
কান্ধত কামলি পৰমানন্দ ভকতৰ।। ৮৮৪
থিয়এ ৰহিলা গুৰু কৰি আশীৰ্বাদ।
নৃপতি দেখিলা মুখ পূৰ্ণিমাৰ চান্দ।।
আগতে কামলি দিলা দলিছা পৰাই।
নৰসি বসিলা মাতি জগত গোসাঁই।। ৮৮৫
ইদলি সিদলি কামলিক লৰা লৰি।
দিলা ধোপ ধৰা যেন ধোপ ধৰাধৰি।।
বসিলন্ত গুৰুদেৱ হয়া সাৱধান।
বোলন্তে ব্ৰাহ্মণে তেবে জাজ্বল্য সমান।। ৮৮৬

জলে পূজা বৃক্ষ গুৰি চকোৱা পথত।
অগ্নি হোত্র দণ্ড গ্রহ শাস্ত্রৰ সন্মত।।
তপ জপ যজ্ঞো হোম পুণ্য উপাৰ্জ্জন।
শ্রাৰ্দ্ধ বিধি পূজা তীর্থ স্নান দান গণ।। ৮৮৭
গঙ্গা গীত শালগ্রাম তুলসী প্রধান।
ইসব ধৰ্ম্মৰ তত্ত্ব কৈৰো বিদ্যমান।।
কিমতে কৃষ্ণৰ নাম কীর্তনত পাই।
দিয়োক ইহাৰ আজি প্রত্যয় বুজাই।। ৮৮৮
ঋষি মুখে বেদ বাণী প্রাণী তৰিবাৰ।
লোকৰ ভকতি নাম কেনে ভৈল সাৰ।।
শঙ্কৰে বোলন্ত দুই পাপে গৈল তল।
কলিত কৃষ্ণৰ নাম কীর্তন মঙ্গল।। ৮৮৯
আপুনি কহিয়া আছে দৈবকী নন্দন।
নাম বিনে গতি নাই পাপীৰ তৰণ।।
ব্রহ্মা মহেশৰো গতি নামেসে মুকুতি।
সমস্তে শাস্ত্রৰ সাৰ বেদৰ যুগুতি।। ৮৯০
শ্রাদ্ধ বিধি কৰো সবে তীর্থ স্নান জানো।
অন্ন দান দক্ষিণাক ধৰম নমানো।।
ধন অন্ন বস্ত্র কন্যা ভূমি কৰে দান।
সবে মিলি নোহে হৰি নামৰ সমান।। ৮৯১
ভূমি দানে ফল ভুঞ্জি হৈবেক পতন।
পৰ জীও পৰ পুত্র বিধিৰ স্রজন।।
বসনে ভূষণে ৰঞ্জে মৃতকৰ কাই।
হৰি গুণ নাম যেবে ভকতি নধাই।। ৮৯২
নামৰ কীৰ্ত্তনে পাপী হোৱে নৰোত্তম।
মূর্খকো দিৱয় ধর্ম নজানি অধম।।
তাৰ মুখ দেখি ৰাম পৰশনে স্নান।
শাস্ত্রৰো বেকত বাণী বেদৰ বিধান।। ৮৯৩
মাথাৰ তুলসী সাঞ্চ কৃষ্ণদেৱ মোৰ।
যি সবে কৰয় নুই সেই সেৱা চোৰ।।

আসুৰী স্বভাৱ তাৰ যেহেন অসুৰ।
সন্তৰ পিৰীতি ৰতি নাহিকে দন্দুৰ।। ৮৯৪
অৰীতি অসূয়া দাম্ভ নাহি মহত্তৰ।
চঞ্চল সুহৃদ সদা ভকত জনৰ।।
মৰ্মেসে ধৰম বোধ জানি অজনক।
আপোন স্বভাৱ যিবা যাৱ জগতক।। ৮৯৫
গাৱয় কহয় শুনে নেৰে আদিমূল।
নামেসে ৰাখয় যাৰ যেন নিজ কুল।।
হিংসা ক্রোদ্ধিতৰ ধৰ্ম নাহি স্বৰূপত।
ঈশ্বৰত চিত্ত নাহি পৰ শৰীৰত।। ৮৯৬
শঙ্কৰৰ প্ৰৌঢ়ী বাণী শুনি নৰেশ্বৰ।
মনত মানিলা মিছা খল ব্ৰাহ্মণৰ।।
ৰাজাৰ আনন্দ মন প্ৰজা ৰঙ্গমন।
শঙ্কৰে জিনিলা বাদে পণ্ডিত ব্ৰাহ্মণ।। ৮৯৭
শুনা সভাসদ হৰি কীৰ্ত্তনেসে সাৰ।
ৰাম কৃষ্ণ নাম বিনে নাহি তৰিবাৰ।।
দুৰাচাৰো শুদ্ধ হয়া তবে লৈয়া নাম।
শঙ্কৰেসে ধৰ্মগিৰি বোলা ৰাম ৰাম।। ৮৯৮

* * * *

ঘোষা : ইবাৰ নেৰিবোহো হৰি ধৰিয়া চৰণে।
ভাণ্ডিলা কপটে বাৰে বাৰে নাৰায়ণে।। ৭৩

পদ : গৈলন্ত শঙ্কৰ যেবে ৰাজাৰ সমাজ।
ৰাখিলা সাধুৰ ধৰ্ম ভৈলা ভক্তি ৰাজ।।
কৰুণা সদন নাম সাধুত সাম্ফলি।
সমস্তে ধৰ্মৰ ৰাজা নাম কৰি বলি।। ৮৯৯
কহিলা ভকতি ধৰ্ম ৰাজ সমাজত।
পাষণ্ড মৰ্দন নাম কৰিলা সম্মত।।

নভৈল সম্বাদ মোৰ কৰিলন্ত দায়া।
কৃষ্ণৰ অগম্য মূর্ত্তি মাধৱৰ মায়া।। ৯০০
হাতে নৱ-নিধি পাই যেন কুবেৰক।
বাসনা জৰিয়ে টানি নেই দৰিদ্ৰক।।
যোগীয়ে নপাৱে যাক সমাধিত লাগ।
সি সব বাদীৰ কিবা কহিবোহো ভাগ।। ৯০১
যিটো গুৰুদেৱ নাম জানিলা নিশ্চয়।
তাঙ্ক সেৱা কৰি আন পাপীও তৰয়।।
হৃদয়ৰ হৃদিশ্বৰ ব্যাপক সবাত।
হেন ঈশ্বৰত বাদ বৈল অসংখ্যাত।। ৯০২
যেন কুম্ভস্থলে মতসিংহ কুঞ্জৰৰ।
প্ৰত্যেকে ভেদিলা হৃদি সম্বাদে শঙ্কৰ।।
সূর্য দৰশনে যেন চক্ষুৰ পতাল।
পাপ য'ত দূৰ ভৈল দূৰ মায়া জাল।। ৯০৩
সবাৰো প্ৰসন্ন মন প্ৰাণী নিৰন্তৰ।
মুখে পদ্ম বাণী শুনি কুসুম পুত্ৰৰ।।
অসাৰ সংসাৰ আয়া যাত পাইল তত্ত্ব।
নামত ভৈলন্ত মতি ভকতি পত্থত।। ৯০৪
বাসনা বৰ্জ্জিত ক্ষয় কীর্ত্তনে আৰ্জ্জিত।
বাঢ়য় ভকতি গুণ নাম গায়া গীত।।
পাতকীও প্ৰৱৰ্ত্তন যাৰ গুণ নাম।
সংসাৰ সাগৰে স্থিতি গিৰিহন্ত নাম।। ৯০৫
হৰিৰ নামত যেন কক্ষ্যা বাদ ভৈলা।
মানসা আগত বৃদ্ধ সাধুদেৱে কৈলা।।
শুনা সভাসদ জন মতি সু-প্ৰসন্ন।
গুৰু মূল কীর্ত্তনেসে পাতেক হৰণ।। ৯০৬
বিধানে ভকতি নাম সত্য জগবাপ।
অবিধানে দুৰাচাৰ সিজে মহাপাপ।।
হেনসে পাপীও তৰে কৰিয়া কীৰ্ত্তন।
জানিয়া শঙ্কৰ পাৱে নিমজিও মন।। ৯০৭

ধৰিও হৰিৰ নাম কৰিও হৃদয়।
কৃষ্ণৰ চৰণে নামে ভজিয়া নিশ্চয়।।
নাৰায়ণ নামে মুখ্য ধৰ্ম প্ৰায়চিত্ত।
নেৰিবা নামক তেবে তৰিবা কলিত।। ১০৮
মহাপুৰুষত মনে এৰা আন কাম।
গলত বান্ধিয়া ধৰা জানি হৰি নাম।।
শ্ৰৱণ কীৰ্তন নাম ভকতি প্ৰবল।
ডাকি জয় জয় বোলা মিলোক মঙ্গল।। ১০৯

* * * *

ঘোষা : হৰিসে আতমা হৰি হে বান্ধৱ,
হৰিসে জীৱৰ সম। হৰিসে সুহৃদ
কৰায়ে মায়া বিষম।। ৭৪

পদ : নিগদতি সাধু শুনা ব্যৱস্থা।
মহাহৰি মায়া কহিবো কথা।।
মৎস্য কূৰ্ম সিংহ প্ৰাণ গোপাল।
গোবিন্দৰ ফান্দ বিনোন্দ জাল।। ১১০
শ্ৰীকান্ত শ্ৰীমন্ত শ্ৰীপতি হৰি।
নৰতনু নাট কপটে ধৰি।।
জগতে মোহনে মুহিলা আসি।
শ্ৰৱণে কীৰ্তনে ধৰ্ম উল্লাসি।। ১১১
বেদৰ বিহিত কহিলা নীতি।
শুনি মহন্তৰ বাঢ়িল প্ৰীতি।।
সাধু সবে যেন পাইল অমৃত।
সিঠাৱৰ পাপী নসহে চিত।। ১১২
শঙ্কৰক গৰ্জে যত অধম।
অসন্ত অসাধু পাপী পৰম।।
যাক সুমৰণে পাতক পোলে।

ঈশ্বৰক ঘুৰি পাপৰ বোলে।। ৯১৩
পাপিষ্ঠ অনিষ্ট কিসৰ জনা।
তুমি আমি জানো পূৰ্ব আমনা।।
সবে ধৰি মাৰো দেশৰ খেদো।
আনকো বাধিবো যাইবাক নেদো।। ৯১৪
সবে সাজু ভৈলে কহিবে কাত।
তাৰ গুন নাম থাকোক তাত।।
শুনি কনাকণি মহন্তে জানি।
পলাইল শঙ্কৰ শাৰেঙ্গপাণি।। ৯১৫
সঁচা মিছা কথা উচিত নুই।
ইঙ্গিত কটাক্ষে আছন্ত হুই।।
তিতিনিসে ৰাতি আছিলা সুখে।
অৰণ্যৰ মাজে পাইলন্ত দুখে।। ৯১৬
দেৱৰো দেৱ গুৰু আদি মূল।
কৰ্ম অনুসাৰে পাপে বাতুল।।
দায়াময় দামোদৰ ঈশ্বৰ।
সংসাৰে শঙ্কৰ কৰুণাকৰ।। ৯১৭
জগত জীৱন হৰি হৃদয়।
মহাপুৰুষক ধৰি মাৰয়।।
শঙ্কৰী মায়াৰ চান্দনি চাপি।
অসাধুৱে সাধু সাধুৱে পাপী। ৯১৮
অনন্তো যাহাৰ অন্ত নপাই।
চিন্তিও গৃহস্থ নাম সদায়।।
জানি মাধৱৰ নেৰিবা নাম।
মহা পুৰুষৰ কিৰ্ত্তি কাম।। ৯১৯
শুনিও স্বতন্ত্ৰ ধৰ্ম্মৰ গুৰি।
এহিসে সংহাৰে পাপৰ পুৰি।।
বিষয়ৰ বন্ধু পাপৰ ৰাশি।
দূৰ হোৱে মিলে ভকতি আসি।। ৯২০

নেৰে ভকতিত সমস্তে পুণ্যে।
কি কৰিব পাৰে বিষয় গুণে।।
শঙ্কৰ চৰণে নাম উচ্চৰি।
সংসাৰ তৰি বোলা হৰি হৰি।। ৯২১

* * * *

ঘোষা : ৰাম কৃষ্ণহে প্ৰাণ জগন্নাথ
দীন দয়াশীল স্বামী।
পাষণ্ডৰ নিন্দা ভাঙিলা গোবিন্দ
কি দোষ কৰিলো আমি।। ৭৫

পদ : ত্ৰিজগত পতি যেন লীলা কীৰ্তি
ভূমিত থৈলন্ত চিয়া।
নাহি অন্ত ভেদ সীমা পৰিচ্ছেদ
শুনিলা *তদ্ৰাবা হিয়া।।
শুনা হেন কীৰ্তি কৰি একমতি
যি কৰ্ম কৈলা শঙ্কৰে।।
একো একো কথা সুমৰি পুতাই
চাম্পতিয়া গলে ধৰে।। ৯২২
সূৰ্যবৰ নাতি ধৰ্মৰ খ্যাতি
ধৰি নৰনাট তনু।
শঙ্খ চক্ৰ গদা পদ্মক ঢাকিয়া
ঢাকিলন্ত বেত বেণু।।
হৃদয়ৰ বন্ধু গতি নাৰায়ণ
জগত ঈশ্বৰ ৰাম।
ভূমিক আসিলা বচন পালিলা
নকৰিলা কোন কাম।। ৯২৩

* তদ্ৰাবা—তাৰ দ্বাৰা, সেই বোলৰ দ্বাৰা।

বসুন্ধৰি মাজে নিৰ্ম্মিলাহা থান
লোকক কৰুণা কৰি।
শুন নাম যশ সাধুৰ সৰ্বস
বেকত কৰিলা হৰি।।
পাপীৰ পৰশে তীৰ্থকো নাশিলে
পাপে ভৈলা পঙ্কবৰ্ণ।
তাহাকো চৈতন্য কৈলা গুৰুদেৱ
নন্দেৰ নন্দ নন্দন।। ৯২৪
বেদৰ নিয়ম যেন গঙ্গাস্নান
দায়ায়ে দেখাই দিয়া।
ৰন্দ নিন্দাবাদ বচন প্ৰহাৰ
সহিলাহা পাতি হিয়া।।
কিৰাত কছাৰী মাৰিবে খুজিলা
জলত পৰিয়া ৰৈলা।
তিনি তেৰ কুৰি *মেলেচ মৰিয়া
লোহিতে উটিয়া গৈলা।। ৯২৫
উন্ন পঞ্চাশত তিৰত ৰহিলা
কুৰি মণ্ড তিনি ষাঠি।।
দুই শত শূন্য সহস্ৰ সমান
মৰি দিলে জলে ভাটি।।
কছাৰীৰ পাৱে সম্বোধন কৈলা
হিংসকৰ নাহি ভাল।
পৰক মাৰন্তে মিলে আপোনাত
দেখা কেন যমকাল।। ৯২৬
সৈন্যৰ নিৰ্জানে ঘাট বৰ বামে
চলিলন্ত পাছে ঘূৰি।
কলঙ্গৰ তীৰে শান্তি গৃহ লুটি
পসিলা আপোন পুৰি।।
শিঙ্গৰীৰ ভাটি মূঢ়া দৌল এৰি
শঙ্কৰো থানক আসি।

---

*মেলেচ—ম্লেচ্ছ।

দুখৰ বৃত্তান্ত লভিলাহা যত
ভক্তত কহিলা হাসি।। ৯২৭
কৃষ্ণৰ বলত জলত তৰিলো
যেন গৈলো ৰাজ পথ।
যদি এতাই তাই প্ৰাণ ৰক্ষা নাই
পুৰিওক মনোৰথ।।
পৰে মাৰে ধৰে পৰিত্ৰাণ কৰে
এহিসে সন্তৰ ভাব।
প্ৰাণ ৰক্ষা পৰি সুমৰয় হৰি
ঈশ্বৰৰ দুই পাৱ।। ৯২৮
সেহি জন সাধু যেন নাৰায়ণ
স্মৰনে সংসাৰ তৰি।
পৰ উপকাৰ শুজে মাত্ৰ ধাৰ
স্বধৰ্ম থাকয় ধৰি।।
শাস্ত্ৰৰ সন্মত কহি পৰাস্পৰ
আনন্দৰে যেবে আছে।
পথে লাগপাই দুই ভকতক
দূতে ধৰি নিলে পাছে।। ৯২৯
হেম্বেশ্বৰ ৰাই পুচিলা দঢ়াই
ধৰ্ম নীতি কথা *আজ্য।
পৰি ক্ৰিয়া নীতি কহিলা তেসম্বো
কৃষ্ণেসে দেৱৰ ৰাজ।।
মহন্তক ৰাখি দূতে দিয়া পাঞ্জি
তিনিও ৰাজা পুচিলা।
অসম বেহাৰ কাম পুৰী সাধু
একেসে সিধান্ত দিলা।। ৯৩০
কৃষ্ণেসে নৃপতি মহন্তেসে সন্ত
মৃগ মীন সমুদাই।
তিনিও ৰাজাত একেসে উত্তৰ
শুনি হেম্বেশ্বৰ ৰাই।।

---

* আজ্য—কিউ।

ভকতৰ লগে দূত পঠিয়াই দিলা
বাজাৱে খুজি শৰণ।
সেহিসে ৰাজ্যক নগৈলা শঙ্কৰ
দুখত বিৰহী মন।। ৯৩১
মাধৱক দিলা লগে নাৰায়ণ
বাঞ্ছিত পুৰিলা হৰি।
কিৰাত কছাৰী *মেলেচ তৰিলা
সন্তৰ শিক্ষাক ধৰি।।
শুদ্ধ সদাচাৰ বেদৰ বিচাৰ
যাৰ যেই ভাগে নাম।
সৎসঙ্গ ভকতি শঙ্কৰেসে গতি
ডাকি বোলা ৰাম ৰাম।। ৯৩২

* * * *

ঘোষা : গোপাল কৃপাল পালক।
পাল নাৰায়ণ, সংসাৰ সাগৰ সিন্ধু, তাৰণ কাৰণ।। ৭৬

পদ : ঈশ্বৰ স্বৰূপে সখা সুহৃদ হৃদয়।
লীলায়ে বিদিত হয়া কুসুম তনয়।।
ভাণ্ডিলা গোবিন্দ হৰি ধৰি নৰকাই।
সংসাৰ সাগৰে পালি নামৰ লীলাই।। ৯৩৩
চৈতন্য প্ৰমত্ত নাম ধৰ্ম মূৰ্তিমন্ত।
হৃদয়ৰ হন্তে মেলি দিলা ভগৱন্ত।।
অনেক দিনৰ ক্ষুধা পেটত অগনি।
পাতেক শুকান বনে লাগিলেক চনি।। ৯৩৪
হৰি বিমুখত পাপে হয়া এক ঠাই।
মাৰিব খুজিলে ধৰি লোহিতে পেলাই।।

---

*মেলেচ—ম্লেচ্ছ।

ব্ৰহ্মাৰ তনয় সুধা অমৰা সুৰিল।
শান্তনুৰ অনুভৱে বলুকা পুতিল।। ১৩৫
মায়াৰ ঈশ্বৰ মহা কুসুম নন্দন।
যেন ৰাজ পথ পাই কৰিলা গমন।।
নিতিতিল পাৱ জাঙ্গ যন্ত্ৰ নিতিতিল।
গোৰত ভৰিয়ে ভৰি কছাৰী খেদিল।। ১৩৬
হুই হুই বাণী বিষাশবদে লৱৰি।
আপোন পাপৰ বলে পাপী গৈল মৰি।।
শঙ্কৰে বোলন্ত হৰি হৰি যদুৰাই।
ৰামকৃষ্ণ বিনে মোৰ ৰক্ষা আন নাই।। ১৩৭
জগত ব্যাপিয়া আছা ইশ নাৰায়ণ।
কোনে কাক ধৰি মাৰে মৰে কোনজন।।
নকৰি বিচাৰ মোক সবেও মাৰয়।
এতেকে বোলন্তে প্ৰভু দেৱ দয়াময়।। ১৩৮
সেনাৰে বোলন্ত সৱে এৰিলো শঙ্কৰ।
যমেসে মাৰয় ধৰি লোক জগতৰ।।
কালকলি ৰাৰি আমি বলে মাৰো ধৰি।
তাতেসে আমাৰ সৱে সৈন্য গৈল মৰি।। ১৩৯
নেমাৰোহো আমি যেবে কালে নিবে মাৰি।
সিহেতু হাতৰ মৃত্যু এৰাই গৈল সাৰি।।
হেন জানি ৰাজা আমি চলোহো নগৰ।
যমৰ হাতত কৈত এৰাইৰ শঙ্কৰ।। ১৪০
জগতৰ যত ধৰ্ম কৰিলেক নাৰ।
গুৰু হুই নাম ঢালি ঢাকিলে সংসাৰ।।
*খৰ উখ চণ্ড গাৱ কৰে নাম শুনি।
ইসৱ দোষত সৈ মৰিবে আপুনি।। ১৪১
সৈন্যৰ মৰণে সৈন্য শোকে আৰ্ত্তনাদ।
সুহৃদ সোদৰ ভাই ভাইৰ বিবাদ।।
ঈশ্বৰ ইচ্ছায়ে খেদ বিহৰিয়া জুৰ।
কছাৰী মাৰল এৰি গৈলা খাচপুৰ।। ১৪২

---

*খৰ উখ চণ্ড গাৱ—উখচণ্ড—হাতিভূতি

প্ৰচণ্ড উদণ্ড যাণ্ড উদণ্ডাৰ গৰু।
গোৰক্ষ নাহিকে যেন গলে নাই জৰু।।
এতেকে নেৰিবা নাম গুৰুৰ শিক্ষাক।
গুৰুসে তাৰক সৰে নামে দিয়া ডাক।। ৯৪৩
গুৰু শিক্ষা জ্ঞান সাৰ নামেসে ভকতি।
ধৰ্ম্মেসে ধৰণী ধ্ৰবজ স্থিৰ বসুমতী।।
শঙ্কৰ কিৰীতি কথা শুনা মন কৰি।
স্মৰণে পলাই মহা পাতক অন্তৰি।। ৯৪৪
মায়াৰ প্ৰভাৱে প্ৰভু সংসাৰে পালন।
চিন্তিও সত্বৰে হৰি চৰণে শৰণ।।
সংসাৰ সাগৰে সেতু ধৰ্ম গুণ গ্ৰাম।
নেৰিবা নামক ডাকি বোলা ৰাম ৰাম।। ৯৪৫

* * * *

ঘোষা : শঙ্কৰ মাধৱ দেৱ।
পাৱে পৰি কৰো সেৱ।। ৭৭

পদ : নিগদতি সাধু শুনিও মানসা
শঙ্কৰ গুৰু চৰিত্ৰ।
বৈকুণ্ঠৰ বোধ শাস্ত্ৰ সাৰোদ্ধাৰ
শুনিয়া হোৱে পবিত্ৰ।।
শঙ্কৰেসে নিজ গুৰু জগতৰ
হৃদয়ৰ মহাহৰি।
মহা বিষ্ণুবিনে তাৰক নাহিকে
নামেসে সংসাৰ তৰি।। ৯৪৬
দশৰথ ঘৰে ৰাম অৱতাৰে
নিন্দিলা অনেক চাপি।
বনবাসী বুলি হাসে খলখলি
পৰম পাষণ্ড পাপী।।

কৃষ্ণক গোৱাল বুলিয়া নিশ্বলে
কৰিলা অনেক নিন্দা।
বিপ্রক বিবাদ পণ্ডীক প্রসাদ
দিলন্ত ভক্তি সৰ্ব্বদা।। ১৪৭
শঙ্কৰক শূদ্র বুলি অহঙ্কাৰ
কৰিলা অনেক বাদ।
ভকতক পাই বিগুতি কৰই
পৰম পাপী পাষণ্ড।।
ব্ৰাহ্মণসকলে কৰে আলোচন
সমস্তে কাৰ্য অকৰ্ম।
সবাকো অনৰ্থ কৰিলে শঙ্কৰে
যতেক যুগৰ ধৰ্ম।। ১৪৮
ৰত্নাকৰ আদি যতেক কন্দলি
পাতিয়া আছে সমাজ।
শঙ্কৰক আজি কৰো কদৰ্থনা
দেখোক সমস্তে ৰাজ।।
আমি হেন বিপ্ৰ শাস্ত্ৰত পণ্ডিত
সকলে জগতে জানে।
শালগ্ৰাম গীতা যতেক সংহিতা
শঙ্কৰে তাক নমানে।। ১৪৯
দুৰ্গাদেৱী পূজা খণ্ডিলে শীতলা
শিৱৰো নলবে নাম।
সকলে জগত কৰিলে ভকত
কিনো গৰিহিত কাম।।
অগ্নি হোত্ৰ দণ্ড গ্ৰহ শান্তি কৰ্ম
যত পাঠ নিৰন্তৰে।
পিতৃ মাতৃ শ্ৰাদ্ধ পূজা বলি যত
তেজিলে সবে শঙ্কৰে।। ১৫০
হেন শুনি হৰি হাসি অল্প কৰি
সবাকো বুলিলা চাই।

কৃষ্ণৰ চৰণ চিন্তি এতিক্ষণে
চলা দোপদৰ ঠাই।।
মাধৱক আদি যত ভক্তগণে
সবে চলি গৈলা পাছে।
হাতে মালা ধৰি গৈলা শিঘ্র কৰি
শঙ্কৰৰ আগে পাছে।।৯৫১
কোটি সূৰ্য্যে যাক নুহিকে সমান
দেখন্তে বিস্ময় মন।
পৰম আনন্দে চলিয়া যাহন্তে
কুসুম দেব নন্দন।।
শুনিও মাধৱ ভকত বান্ধৱ
তুমিসে মোৰ জীৱন।
তোমাক আমাক দেখিবে সমস্তে
দেখিবে মোৰ বদন।। ৯৫২
মাধৱে বোলন্ত তোমাৰ মায়াৰ
কেহোৱে তত্ত্ব নজানে।
ভকতৰ দুখ দেখিয়া তোমাৰ
নসহে হৃদি পৰাণে।।
মাধৱক চাই হাসি মুচুকাই
শঙ্কৰে বুলিলা বাণী।
বিপ্র সকলত কহিবো যতেক
কৃষ্ণকেসে গুৰু মানি।। ৯৫৩
পিতৃৰ পাৱত পৰি দণ্ডৱতে
পুচন্ত পুত্রে দুনাই।
শঙ্কৰ সহিতে কেন বাদ ভৈল
কহিও মোক বুজাই।।
তুমি বিনে মোৰ সংশয় ছেদিবে
আন কোন জন আছে।
হেন শুনি সাধু পুত্রক সম্বোধি
কহিবে লাগিলা পাছে।। ৯৫৪

শুনা সভাসদ হুয়া নিশবদ,
শঙ্কৰ চৰিত্ৰ বাণী।
শঙ্কৰেসে নিজ গুৰু জগতৰ
প্ৰিয়তম আত্মা জানি।।
হেনয় চৰিত্ৰ গায়া গুণ গীত
তৰিও সংসাৰ দুখে।
ভুকুতি মুকুতি পাবে অপ্ৰয়াসে
হৰি গুণ গায়া সুখে।। ১৫৫
তেজিয়া আলাস বিষয়ৰ আশা
নাম কণ্ঠোগত কৰা।
সন্তৰ সংগতি হুয়া একমতি
নামমৃত পান কৰা।।
তেবেসে মনুষ্য জন্মৰ সাফল্য
ধৰিও হৰিৰ নাম।
শঙ্কৰ চৰণে ধৰি একমনে
ডাকি বোলা ৰাম ৰাম।। ১৫৬

* * * *

ঘোষা : মন বোলা ৰাম হৰি শঙ্কৰ দেৱ।
অগতি জনৰ গতি পাবে কৰো সেৱ।। ৭৮

পদ : পুত্ৰক সম্বোধি সাধু বুলিলা বচন।
শুনিও মানসা তুমি থিৰ কৰি মন।।
নিজ জন নাৰায়ণ জগত জয়তি।
জগত চলন্তি পাবে নেৰিবা ভকতি।। ১৫৭
জগতকে সচেতনা অচেতনা কৰি।
জগত কাৰণ এক নিৰাময় হৰি।।
শ্ৰীমন্ত শঙ্কৰ হৰি ভকতৰ গতি।
হৰি মন্দিৰত বসি ভক্ত সমনীতি।। ১৫৮

কৃষ্ণ কথা কহি ৰঙ্গে আনন্দে আছন্ত।
মাধৱক আদি ভক্ত সমস্তে শুনন্ত।।
হেন সময়ত পাছে আপোন ইচ্ছাত।
এক কথা ভৈলা শুনা কহিবো তোমাত।। ৯৫৯
এক সাজু হুয়া সবে পণ্ডিত ব্ৰাহ্মণ।
শঙ্কৰক বাদে লাগি কৰে আলোচন।।
ৰত্নাকৰ আদি কৰি মেলেধু আচাৰ্য।
ৰাঘৱ সহিতে আনো কৰি মিশ্ৰ ৰাজ।। ৯৬০
সেহি বেলা দুই ভকতক পাইল লাগ।
আগবাঢ়ি গৈয়া দুইৰো ভেটিলন্ত আগ।।
শঙ্কৰৰ পাসে সাধু চলে ধীৰে ধীৰ।
হাতে মালা জাপ্য কৰি পৰম গম্ভীৰ।। ৯৬১
নাহিবি আমাৰ পথে আৰে ভকতিয়া।
বৈকুণ্ঠক চলি যাস গুণ নাম গায়া।।
এহি বুলি হাতৰ মালাক লৈলা কাঢ়ি।
কুকুৰৰ খৰা নেগুৰত দিলা আঁৰি।। ৯৬২
ভালা ভালা বুলি সবে বজান্ত চাপৰি।
নমাত্তি ৰহিলা দুই শঙ্কৰ সুমৰি।।
মত্ত সিংহ হৰিনাম প্ৰমত্ত কেশৰী।
আমাত কহিলা গুৰু দেৱে নিষ্ঠ কৰি।। ৯৬৩
যাতে তাতে নথাকয় দাম্ভিক শঠত।
তাতেসে মালাক কাঢ়ি লৈলন্ত পন্থত।।
শঙ্কৰৰ মায়া তাক তৰ্কিতে নপাৰি।
মালাক দিলন্ত ভকতক নিন্দা কৰি।। ৯৬৪
অশুচি বুলিয়া মালা হাতে তুলি লৈলা।
মনত অসুখে শঙ্কৰত জান দিলা।।
বিবৰ্ণ বদন দেখি পুচিলা কাহিনী।
কহিলা ব্ৰাহ্মণে যেন কৰিলা বিধিনি।। ৯৬৫
আমাৰ হাতৰ মালা বলে কাঢ়ি নিলা।
কুকুৰৰ নাঙ্গে আঁৰি পুনৰপি দিলা।।
আনো যত কদৰ্থিলা নামক নিন্দিয়া।
শুনি গুৰু দেৱে মহা ক্ৰোধত জ্বলিয়া।। ৯৬৬

বক্ত বর্ণ দুই আবকত কবি।
ব্রাহ্মণক শুরু দেবে কোপ কবি।
কৃষ্ণব ভনাম যিটো নসহয়।
মহা নীচ.ল তাক বিপ্র নলাগয়।। ১৬৭
দেখিয়া : পাছে অকনত ভাবে।
কৃতাঞ্জলি পাছে নমিলন্ত পাবে।।
এবিওক বাপ নুহিকে উচিত।
এহিভাবে ধর্ম নুহিবে বিদিত।। ১৬৮
দৈবকী ন্বুলি জানিব নিশ্চয়।
শুনি শান্ত পাছে গুরু কৃপাময়।।
মাধবক প্রয়া বুলিলা বচন।
তযু বোবেজি মোব সুস্থ ভৈল মন।। ১৬৯
ভক্ত দুইওক ব্রাহ্মণব ঠাই।
কালি দেব বাইবো কহিওক যাই।।
শুনি দুই তেতিক্ষণে চলি গৈলা।
শঙ্কবব অব্রাহ্মণব আগে কৈলা।। ১৭০
শুনা সভদেখা ঈশ্বব ইচ্ছাত।
আপুনি ি হোবে আপোন মায়াত।।
ভকতক শুরু মহা যত্ন কবি।
পাপ দূবহ ডাকি বোলা হবি হবি।। ১৭১

* * * *

ঘোষা : হবি হবিনি বন্ধু মোবে নিজ প্রাণ।
বান্ধব : হে কবা পবিত্রাণ।। ৭৯

পদ : নিগদতি শুনা আত অনন্তবে।
যেন মন্ত্রেবাদ কবিলা শঙ্কবে।।
মাধব সঁংপাছে আলোচিয়া কাজ।
ভক্ত দুইইলন্ত বিপ্রব সমাজ।। ১৭২

ৰত্নাকৰ আদি কৰি বিপ্ৰ যত যত।
দেখিলা ভকতে গৈয়া সেহি সমাজত।।
কহিলা ভকত দুই শঙ্কৰৰ বাণী।
কালি দোপদৰে যাওক বিপ্ৰ মহামানী।। ৯৭৩
আমিও সাক্ষাতে যাইবো বুঢ়াখাৰ ঠাই।
কেনেমতে বাদ কৰে দেখোক সভাই।।
হেন শুনি হাসিলন্ত বিপ্ৰ নিৰন্তৰ।
অন্যো অন্যে কহে কথা নচাই পূৰ্বাপৰ।। ৯৭৪
বোলন্ত শঙ্কৰ শূদ্ৰকুলে ভৈলা জাত।
আমি বৰ বৰ বিপ্ৰ জগতে প্ৰখ্যাত।।
সমস্ত শাস্ত্ৰতে আমি পণ্ডিত সুজান।
কেনমতে হৈবে শূদ্ৰে আমাৰ সমান।। ৯৭৫
কবিৰাজ মিশ্ৰে বোলে বিপ্ৰ নিৰন্তৰ।
পৰম গহন শূদ্ৰ পণ্ডিত শঙ্কৰ।।
কণ্ঠে স্বৰস্বতী সম সুজান সুসাৰ।
শ্লোক ভাঙ্গি বাহুস্কন্ধ কৰিছা পয়াৰ।। ৯৭৬
জানন্ত কৃষ্ণৰ নাম কীৰ্ত্তন মঙ্গল।
ভাগৱত শাস্ত্ৰে কহে যুগুতি সকল।।
শুনি মহা কোপ ভৈলা বিপ্ৰ নিৰন্তৰ।
বোলে যশ বখানস শূদ্ৰ শঙ্কৰৰ।। ৯৭৭
আসা দোপদৰে যাওঁ বুঢ়াখাৰ ঘৰ।
কেনমতে বাদ কৰে শূদিৰ শঙ্কৰ।।
গাৱে গাৱে বহ্নিবাহা নিদিবা বিধান।
নুহিকে শঙ্কৰ জানা আমাৰ সমান।। ৯৭৮
এহিবুলি বিপ্ৰসব তেখনে উঠিলা।
শঙ্কৰৰ পাশে পুনু ভক্ত দুই গৈলা।।
কহিলা বিপ্ৰৰ যেন বিঘাটি বচন।
শুনি মহা ৰঙ্গ ভৈলা কুসুম নন্দন।। ৯৭৯
মাধৱক চাই গুৰু বুলিলা বচন।
ভক্ত গণ মাতি আনা যাওঁ এতিক্ষণ।।

শুনি মাধৱদেৱে ভক্ত *হাকাৰি আনিলা।
শঙ্কৰৰ পাছে সাধু তেখনে চলিলা।। ৯৮০
চলিলা শঙ্কৰ দেৱ মাধৱ সহিতি।
ৰাম ৰাম আদি আনো ভক্ত সমনিতি।।
হাতে হাতে মালা নাম উচ্চৰিয়া যায়।
পাইলন্ত শঙ্কৰদেৱ বুঢ়াখাৰ ঠাই।। ৯৮১
যাহাৰ অঙ্গত চৰাচৰ ভৈলা বাজ।
হেন হৰি সমে বাদ পণ্ডিত সমাজ।।
কোনে বুজিবাক পাৰে শঙ্কৰৰ লীলা।
বিপ্ৰৰ মুখত ভক্তি বেকত কৰিলা।। ৯৮২
ভক্তক ৰাখিলা গুৰু ৰাখিলা নামক।
সন্তৰ সহাই হই মৰ্দি পাষণ্ডক।।
হৰি গুৰু পাৱে ধৰি নাম সাৰ কৰি।
সন্তৰ সঙ্গত থাকি বোলা হৰি হৰি।। ৯৮৩

* * * *

ঘোষা : জয়ন্তি জগত গুৰু মুৰাৰী।
ৰাখিলা ভক্তক নাম প্ৰচাৰি।। ৮০

পদ : পথত চলন্ত শঙ্কৰ হৰি।
মনত ৰঙ্গে কৃষ্ণ কৃষ্ণ স্মৰি।।
মহন্ত সকলে চৌপাশে যাই।
মুখে নাম ৰূপ চিন্তি সদাই।। ৯৮৪
মাধৱ সহিতে আনন্দে যান্ত।
দুইৰো মন দুই বুজিয়া চান্ত।।
দুই ৰূপ ধৰি একহি প্ৰাণ।
দুয়ো দুইত বিনে নিচিন্তে আন।। ৯৮৫
বোলন্ত মাধৱে বুজিয়া মন।
তোমাৰ চিত জানো নাৰায়ণ।।

---

* হাকাৰি আনিলা—চিঞৰি মতা। গোট-খোৱ কৰি অনা।

যোগ মায়া বলে যত মেলাৰি।
কৰাহা তুমি হয়া অধিকাৰী।। ৯৮৬
তোমাৰ চৰণ যত মহত্ব।
নিজ দাস হয়া জানোহো তত্ব।।
এহিবুলি দুয়ো দুহাকো চাই।
দুইৰো মন দুই বুজিয়া যাই।। ৯৮৭
যত বোলমাত ভৈলন্ত তথা।
অন্যো অন্যো সাধু কহন্ত কথা।।
এহিমতে ৰঙ্গে চলিয়া যাই।
পাইলন্ত গৈয়া বুঢ়াখাৰ ঠাই।। ৯৮৮
দেখিয়া বুঢ়াখা আনন্দ ভৈলা।
শঙ্কৰক ৰঙ্গে সাদৰি নিলা।।
দিলন্ত কাম্বলি বসিলা হৰি।
ভক্ত গণ সবে হৰিশ কৰি।। ৯৮৯
আনন্দে সাধু সবে বসিলন্ত।
ব্রাহ্মণ সকলে দেখি আছন্ত।।
চণ্ডিকা গোসাঁনী শিৱ পূজাত।
আমি বৰ বৰ বিপ্র প্রখ্যাত।। ৯৯০
চিৰকালে আমি আছোহো সেৱি।
ৰাখন্তো আমাক চণ্ডিকা দেৱী।।
এহি আলচিয়া পণ্ডিত গণ।
হৰ গৌৰী দুইৰো চিন্তি চৰণ।। ৯৯১
ৰহিলা অসুখে সভাৰ মাজে।
হৰিশ নাহি শঙ্কৰত বাজে।।
বুঢ়াখাৰো ভৈল আনন্দ চিত।
আজিসে মোৰ ভৈল কৃত কৃত।। ৯৯২
সমস্যাক ৰজ্জি আছন্ত বসি।
প্রকাশ কৰে যেন কোটি শশী।।
মনত হৰিসে আছা সাক্ষাত।
নাহি মাত বোল সিটো সভাত।। ৯৯৩

জগত আত্মা শঙ্কৰ হৰি।
লীলাৰে ফুৰন্ত কপট কৰি।।
সাধুক ৰাখিলা পাষণ্ড জিনি।
দেৱৰো দেৱ দেৱ শিৰোমণি।। ১১৪
শুনা সৰ্ব্বজনে শুক্ৰৰ লীলা।
মানসাৰ আগে সাধু কহিলা।।
তাৰ ৰসচয় কৰিয়া সাৰ।
নিবন্ধিলো আক কৰি পয়াৰ।। ১১৫
বিচাৰ কৰিয়া দেখিবা চাই।
নপাইলে আমাক নিন্দা যুৱাই।।
কৰিবা বিশ্বাস সাৰতো সাৰ।
হৰি হৰি বুলি তৰা সংসাৰ।। ১১৬

* * * *

ঘোষা : গোবিন্দ শঙ্কৰ হৰি মাধৱ ৰাম।
ভকত বৎসল দেৱ কৰোহো প্ৰণাম।। ৮১

পদ : নিগদন্তি সাধু আত অনন্তৰে তথা।
সুনিও মানসা যেন ভৈল পাছ কথা।।
পণ্ডিতসকলে গৈয়া দোপদৰে লাগি।
শুনি নিৰন্তৰে বিপ্ৰগণ গৈল ভাগি।। ১১৭
বসিলা সমাজ পাতি যত বিপ্ৰগণ।
কহিলা কপট কৰি অসত্য বচন।।
দুৰ্গাদেৱী শিৱপূজা শঙ্কৰে নকৰে।
ব্ৰাহ্মণৰ পদ জল শিৰত নধৰে।। ১১৮
উপৰি পুৰুষে যত কৰিলে নিয়ম।
তাহাকো তেজিলে সিটো পৰম অধম।।
আনো যত নীতি বুদ্ধিক তেজিলা।
আপুনি ঈশ্বৰ হয়া নামক কহিলা।। ১১৯

আনো যত যত মিছা খলক কহিলা।
শুনিয়া কটাক্ষে ভূঞা নমাত্তি ৰহিলা।।
আসোক শঙ্কৰ তেবে বুজিবো কাৰণ।
সেহি সময়ত গুৰু কুসুম নন্দন।। ১০০০
ভকত সবক গুৰু একত্র কৰিয়া।
বুঢ়াখাৰ দোপদৰে প্রবেশিলা গৈয়া।।
বসিলন্ত গুৰুদেৱে পৰম কৌতুকে।
নিগদতি সাধু পুত্র শুনিও উৎসুকে।। ১০০১
চহৰীয়া লোক সব একত্র যে হয়া।
সাতে পাঞ্চে সাজু হয়া গৃহৰ বজায়া।।
জুমা জুমি কৰি অন্যো অন্যে কহে কথা।
দেখা দেখা ভৈল কেনে বিপ্রৰ অৱস্থা।। ১০০২
বিষ্ণু পদ জল আনি ভোজন কৰিলো।
হাতে মলচিয়া পদ ধূলাকে ধৰিলো।।
সপ্তম পুৰুষে আমি ব্রাহ্মণক মানো।
দুর্গাদেৱী শিৱ পূজা তান মুখে জানো।। ১০০৩
বৃক্ষ নদী শালগ্রামো জানোহো সদাই।
ৰাম কৃষ্ণ নাম একো কালে শুনা নাই।।
পণ্ডিতে সহিতে আজি কৰিবেক বাদ।
ইহাক দেখিয়া মিলে পৰম বিবাদ।। ১০০৪
আসা এত্তিক্ষণে যাওঁ বুঢ়াখাৰ ঠাই।
কাৰ মুখে কিবা শুণো বুজো মুনিসাই।।
যদি ৰামকৃষ্ণ নামে পাতকীৰ গতি।
এতেকে আমিও নাম ধৰিবো ভকতি।। ১০০৫
এহি বুলি লোক সব তেখনে উঠিলা।
বহুতৰ লোক সমস্যাক চলি গৈলা।।
চৌবাত বসিলা কতো ব্রাহ্মণ সহিত্তি।
খোলাত বসিলা কতো বৈলা চতুর্ভিত্তি।। ১০০৬
কাঁহপৰি জীন গৈলা সিটো সভাখান।
বুঢ়াখাৰ মনে কিছু নসহে পৰাণ।।

এতেক সমাজ আসে শঙ্কৰক ধাই।
কিনো বিপৰীত ৰৰ পৰম অন্যায়।। ১০০৭
মনে শুণি ভূঞাৰৰ অন্যায় মানিলা।
মনত সাদৰি পাছে পুচিবে লাগিলা।।
শুনিও শঙ্কৰ তুমি কুসুম নন্দন।
ব্ৰাহ্মণৰ মুখে যত শুনিছো বচন।। ১০০৮
তযু পিতৃ পিতামহ পৰম পণ্ডিত।
হৰ গৌৰী পূজাত সবাবো ৰৰচিত।।
তাহান বংশত তুমি জনম লভিলা।
পূৰ্ব্বৰ নিয়ম তুমি সমস্তে তেজিলা।। ১০০৯
ৰাত্ৰি দিনে হৰি নাম ভকতি ধৰিলা।
গীত পদ ভটিমাক আপুনি কৰিলা।।
এতেক বুলিয়া ভূঞা মৌন হয়া ৰৈলা।
শুনিয়া শঙ্কৰে হাসি নমাস্তি ৰহিলা।। ১০১০
শুনা সভাসদ গুৰু চৰিত্ৰ বিশেষ।
এহিসে সংহাৰ কৰে পাতক নিঃশেষ।।
নকৰি বিলম্ব সাধু সঙ্গে ৰতি কৰা।
হৰি হৰি বুলি সুখে সংসাৰক তৰা।। ১০১১

* * * *

ঘোষা : শঙ্কৰ মুৰাৰী হে অগতিৰ গতি।
পাষণ্ড জিনিয়া নাম ৰাখিলা ভকতি।। ৮২

পদ : সাধু নিগদন্তি পুত্ৰ শুনা মন কৰি।
বুঢ়াখাৰ বাক্য শুনি শঙ্কৰ শ্ৰীহৰি।।
নমাস্তি ৰহিয়া গুৰু কতোক্ষণে আছে।
গদ গদ কৰি হাসি মাত্তিলন্ত পাছে।। ১০১২
ৰত্নাকৰ মুখ চাই শঙ্কৰে বোলয়।
শুনিওক গুৰু তুমি জানাহা নিৰ্ণয়।।
খেশু এক প্ৰায়শ্চিত্ত আছে পুৰুষৰ।
মুখে ৰামকৃষ্ণ নাম আসিল সত্তৰ।। ১০১৩

সিজনৰ গতি কেনে কহিও প্ৰমাণি।
হেন শুনি *ৰত্নাকৰে বুলিলন্ত বাণী।
যত প্ৰায়শ্চিত হৰি নামৰ লগত।
সমস্তে কৰিলে নাশ নামৰ বলত।। ১০১৪
এহি কহি ৰত্নাকৰে নমাতিয়া আছে।
পুনৰপি গুৰু দেৱে পুচিলন্ত পাছে।
প্ৰায়শ্চিত নতু কৰে ব্ৰত আচৰিল।
অনিচ্ছাত নাম তাৰ মুখত আসিল।। ১০১৫
পিতৃৰ শ্ৰাদ্ধত কেনে বহিবাক পাই।
হই নুই তাক আজি কহিও বুজাই।।
শুনিয়া কন্দলি পাছে দিলন্ত উত্তৰ।
আত কিছু দোষ নাই জানিবা শঙ্কৰ।। ১০১৬
অহো ৰাত্ৰে ব্ৰত মুখে নাম উচ্চাৰিল।
যত প্ৰায়শ্চিত মানে সমস্তে কৰিল।।
মনু আদি কৰি যত বিহিলা বিধান।
প্ৰায়শ্চিত অন্তে নাম বেদৰ আখ্যান।। ১০১৭
সত্য যুগে ধ্যান ত্ৰেতা যুগে যজ্ঞদান।
দ্বাপৰত কষ্টব্ৰত পূজাসে প্ৰধান।।
কলি যুগে হৰি নাম কীৰ্তন বিনাই।
নাই নাই গতি সৰ্ব শাস্ত্ৰ অভিপ্ৰায়।। ১০১৮
চাৰি বেদ অষ্টাদশ পুৰাণ ভাৰত।
এহি অৰ্থ কহে শ্ৰুতি শাস্ত্ৰ আছে যত।।
এতেক বুলিয়া দ্বিজে নুবুলি বচন।
সিবেলাত ব্যাস কলাই পৰম গহন।। ১০১৯
সমস্যাৰ উঠি গৈলা আনন্দিত হয়া।
দিলা হৰি ধ্বনি বাহুক উঠায়া।।
ৰত্নাকৰে কহে সৰ্ব ভাক শাস্ত্ৰৰ বচন।
কলি যুগে হৰি নাম শ্ৰৱণ কীৰ্তন।। ১০২০

---

* ৰত্নাকৰ—এজন ব্ৰাহ্মণ পণ্ডিত

আত কিছু দোষ নাই নাহিকে সংশয়।
হৰি বোল হৰি বোল ত্যেজি লাজ ভয়।।
এহি বুলি তিনিবাৰ হৰি ধ্বনি কৰি।
গগন মণ্ডলে গৈল শবদ *উখৰি।। ১০২১
সমস্তৰে ৰঙ্গ ভৈলা ব্ৰাহ্মণত বাজে।
মনত বৈৰাগ্যে উঠি সমস্যাৰ মাজে।।
কিসক কিকৈলো মনে বিমৰিষ কৰি।
অধোমুখ হয়া চলি গৈলা ঘৰাঘৰি।। ১০২২
আমাৰ মুখত ভক্তি বেকত কৰিলা।
কিনো মণ্ড বাক্য আজি মুখত আসিলা।।
চণ্ডিকা গোসাঁনী মাৰ অসন্তোষ ভৈলা।
তাতেসে আমাৰ মুখে শঙ্কৰে বোলইলা।। ১০২৩
শুনা বিপ্ৰ সব কালি পূজা সেবা কৰি।
নৰনাৰায়ণ পাশে চলো শীঘ্ৰ কৰি।।
নিগদতি সাধু পুত্ৰ কহিলো নিৰ্ণয়।
যাৰ মহা বিভৱত ব্ৰহ্মাণ্ড বিস্ময়।। ১০২৪
হেন হৰি সমে বাদ কৰ্ম গৰ্ব কৰি।
যুদ্ধ বাদ কৰি যাই আপুনিসে মৰি।।
শুনা সৰ্বজনে ইটো শঙ্কৰ কিৰীতি।
পাষণ্ড মৰ্দন কথা শুনন্তে তৃপিতি।। ১০২৫
আজি কালি কৈত কিবা মিলিব মৰণ।
হৰি গুৰু পাৱে ধৰি পশিও শৰণ।।
শৰণ ভজন নাম কৰিও বিশ্বাস।
বোলা হৰি হৰি পাপ হৌক সৰ্বনাশ।। ১০২৬

* * * *

---

* উখৰি—বিয়পি যোৱা।

ঘোষা ঃ ত্ৰাহি ৰাম হৰি, শঙ্কৰ দেৱ, সেৱক ভৈলো তোমাৰ।
ভৱতি সংসাৰে, মজিলো মাধৱ, ৰাখিও বুলি হামাৰ।। ৮৩

পদ ঃ ৰত্নাকৰ মুখে নৈৰাশা বচন
পণ্ডিত সকলে শুনি।
আকাশী স্বৰগ মুণ্ডত পৰিল
উপায় নপাইল গুণি।।
লাজ অপমান হুয়া বিপ্ৰসব
মুখত নাসই মাত।
চূৰ ভৈল দৰ্প দান্ত ভগা সৰ্প
নৰৈল সিটো সভাত।। ১০২৭
পাছে ব্যাসকলাই হৰিধ্বনি কৰি
শঙ্কৰৰ পাশে ৰৈলা।
দেখিয়া বুঢ়াখা ভূঞাৰ মনত
পৰম হৰিশ ভৈলা।।
মিছা খলবাদ কৰিয়া দুৰ্মতি
আপুনিসে লাজ ভৈলা।
কৃষ্ণৰ ভকতি আপোন মুখত
শঙ্কৰে বেকত কৈলা।। ১০২৮
এহি বুলি ভূঞা পৰম সাদৰে
শঙ্কৰৰ মুখ চাই।
চলা এতিক্ষণে অভ্যন্তৰে পসি
দুগ্ধ ভুঞ্জিওক যাই।।
তোমাৰ অকণি পেসিৰ মনত
পৰম হৰিশ অতি।
শুনিয়া শঙ্কৰে বুলিবে লাগিলা
মধুৰ বচনে মাতি।। ১০২৯
শুনিওক পেসা খাইবাক নলাগে
ভোজনত কাৰ্য নাই।

বাক্যেসে মধুৰ পৰম অমৃত
বিচাৰি দেখিও চাই।।
দায়াসে লাগয় আন নলাগয়
দায়াৰ নোহে সমান।
ব্ৰাহ্মণৰ বজ্ৰ বাক্যৰ প্ৰহাৰে
নসহে মোৰ পৰাণ।। ১০৩০
ভক্ত গণ সঙ্গে আছো মহাৰঙ্গে
কিমতে এৰিয়া যাওঁ।
শুনি ভূঞা বোলে ভাঙিব নেলাগে
মই তযু *আণ্টা পাওঁ।।
কাহাৰো গৃহত নকৰা ভোজন
নবসা কাৰো আসনে।
তাতেসে পণ্ডিতে তোমাক নসহি
বাদ কৰে ঘনে ঘনে।। ১০৩১
চলা এতিক্ষণে দিলোহো বিদাই
সহায় ভৈলোহো আমি।
ভক্ত গণ সমে উঠিলা তেখনে
তিনিও লোকৰ স্বামী।।
মাধৱক আদি যত মুখ্য ভক্ত
চৌপাশে বেঢ়িয়া যায়।
সাধু সব সঙ্গে পৰম কৌতুকে
আপোন ভৱন পায়।। ১০৩২
নামৰ কীৰ্তন কৰিয়া উৎসুকে
আপোন মন্দিৰে ৰৈলা।
পুত্ৰৰ আগত সাধু নিগদতি
যেনয় সম্বাদ ভৈলা।।
পুচিলা আমাত কহিলো তোমাত
যিবা মন মোৰ মতি।

* আণ্টা—বুজি পোৱা

পাষণ্ড মৰ্দিলা ভকতি ৰাখিলা
অগতি জনৰ গতি।। ১০৩৩
হেন পৰমাত্মা সখা ইষ্ট গুৰু
তান্ত বিনে আন নাই।
ভৃত্য ভয় হাৰী কৃপালু দেৱতা
ভজিও শঙ্কৰ পাই।।
মায়াৰ ৰচনা বিচিত্ৰ সংসাৰ
পুত্ৰ পত্নী দেহা তনু।
ভাৰত বৰিষে মনুষ্য শৰীৰ
নপাইবাহা আৰু পুনু।। ১০৩৪
হেন তনু পাই বিফল নকৰা
মনুষ্য জন্মৰ কাম।
নেই আলে জালে ধৰিও সকালে
বান্ধৱ হৰিৰ নাম।।
শুনা সমাজিক ভজিও হৰিক
পৰলোকে হিত জানি।
সংসাৰ নিকাৰ এৰাইবা তেবেসে
ভজা হেন চক্ৰপানি।। ১০৩৫
আজি কালি কিবা মিলিবে মৰণ
সন্তৰে চিন্তা উপাই।
কত পুণ্য বলে নৰতনু দেহা
আত পৰে নাই নাই।।
যেই সেই মতে স্মৰিও সততে
বান্ধৱ হৰিৰ নাম।
নামেসে সুদিন কহে দাস হীন
ডাকি বোলা ৰাম ৰাম।। ১০৩৬

* * * *

ঘোষা : গতি মতি জন করুণাকৰ শঙ্কৰ।
তুমি নিজ প্ৰাণ বন্ধু নিজ ভকতৰ। ৮৪

পদ : বিবিধ বিহাৰ জন চৰণ বিশেষ।
উপদেশ দাতা গুৰু গোসাঁই হৃষিকেশ।।
ৰাম কৃষ্ণ মায়া বাজি সংসাৰৰ হৰি।
যাদৱ মাধৱ ৰাঘৱেসে ঘোৰ কৰি।। ১০৩৭
গুণক দুৰ্গুণ অতি পূৰ্বে বৈৰী যাৰ।
দুই এক অস্ত্ৰ দায়া আগে অৱতাৰ।।
শান্ত মূৰ্তি ধৰি আইলা অচ্যুতে ভাৰত।
ভকতি প্ৰদীপ নাম মিলায়া তাৱত।। ১০৩৮
শুদ্ধে বা অশুদ্ধে জানি নজানিয়া নাম।
অভগন নাম যে ভগন পাপ ধাম।।
নিৰন্তৰে লোক তৰে অপ্ৰাইবক পাই।
শঙ্কৰী টিকাৰে টিকা গীত ভাষ্য চাই।। ১০৩৯
পুৰাণ পুৰুষ পুৰাণ পাপী পবিত্ৰ।
বৈকুণ্ঠৰ কথা শাস্ত্ৰ পাবনি চৰিত্ৰ।।
বিবাদ সম্বাদ কথা বিহাৰৰ কথা।
দেৱাঙ্গ বসন পাপে এৰনিৰ জোহা।। ১০৪০
ধৰ্ম অৰ্ধমৰ বাদী ভাগ বিসৰ্জন।
দেৱ এক নাস্তি ভক্ত পূৰুণৰ মন।।
মধুকৰ গুৰু লৰু যুগল পৰাই।
এতেকে বিচাৰ অবিচাৰে নাই নাই।। ১০৪১
নিজ গুৰু আজ্ঞা দিন বাক্যৰ প্ৰমাণি।
ধৰ্মৰ গৃহস্থ অস্ত্ৰ মহিমাক জানি।।
জগত জয়তি পাৰে নিয়ন্তা জীৱৰ।
হিয়াৰ বিশ্বাস ভাগ নিবাস ঈশ্বৰ।। ১০৪২
স্বভাৱে চৰণ দুই সৰ্ব সচেতন।
লীলাৰে উদিত গুণ যশে নিৰঞ্জন।।

শৰণ ভজন নাম স্মৰণ গুপ্যনি।
দেৱৰো দেৱতা দেৱ ধৰ্ম শিৰোমণি।। ১০৪৩
*লুবুধে লুবুধে গুণ সত্য সনাতন।
ভকতৰ প্ৰিয়কাৰী ভূষণে ভূষণ।।
ৰাম কৃষ্ণ নাম ৰসে স্মৰণি শঙ্কৰ।
শ্ৰৱণে কীৰ্ত্তনে সঙ্গ লৈয়া ভকতৰ।। ১০৪৪
গৰ্ব মন্দ দম্ভে আখি নখা আপোনাৰ।
পূৰ্ব সদাচাৰ চাহি মনে কৰা সাৰ।।
গুৰু শিক্ষা ধাম মূল নাম সাৰ কৰি।
পাপৰ সাগৰ তৰি বোলা হৰি হৰি।। ১০৪৫

* * * *

---

* লুবুধে লুবুধে - ভকতক সুখ দিব পৰা গুণ।

বিপ্ৰ সম্বাদ

ঘোষা : গোপাল গোবিন্দ হৰি নাৰায়ণ ৰাম।
ভকতৰ ভয়হাৰী কৰোহো প্ৰণাম।। ৮৫

পদ : নিগদতি সাধু শুনা মানসা পৰম।
মাধৱ মুকুন্দ ৰাম পুৰুষ উত্তম।।
মহাহৰি নাৰায়ণ জগত ঈশ্বৰ।
নাৰদ বদতি কথা আগত ব্যাসৰ।। ১০৪৬
মাছ কাছ সিংহ বৰা নুহিকে মানুষ।
দেখিতে কুবৃত্তি একোনপাত্ত উদিশ।।
ব্যাসে বোলে ইটো ৰূপ কৈতো দেখা নাই।
নাৰদে কহিলা পাছে ব্যাসত বুজাই।। ১০৪৭
গৈলন্ত সঞ্জাত ব্যাস নাৰদৰ মুখে।
নাৰদে কহিলা ভক্তি পাই মহাসুখে।।
ছদ্মৰূপ ধৰি হৰি আসিলা ভাৰত।
কমনে বুজিব পাৰে শঙ্কৰ তত্ত্ব।। ১০৪৮
হেন ৰাম কৃষ্ণ দেৱ শ্ৰীমন্ত শঙ্কৰ।
প্ৰচাৰ কৰিলা নাম ধৰ্ম বৈকুণ্ঠৰ।।
বিদিনা ভৈলন্ত কৃষ্ণে গুৰু অৱতাৰ।
*সিদিঅস ধৰি নাম ভকতি প্ৰচাৰ।। ১০৪৯
শুদ্ধ সদাচাৰ ধৰ্ম শ্ৰৱণ কীৰ্ত্তন।
সন্তত কহিলা গুপ্য শৰণ ভজন।।
ঈশ্বৰক নিন্দা কৰি অধোগতি যায়।
শূদ্ৰ বুলি অহঙ্কাৰ কৰিলে সদায়।। ১০৫০

---

* *সিদিজন—ভেটিয়াৰ পৰাই।*

ৰাম অৱতাৰ হয়া দশৰথ ঘৰে।
বনবাসী বুলি হাসিলন্ত নিৰন্তৰে।।
যদুকুলে কৃষ্ণৰূপে ভৈলা অৱতাৰ।
হাসিলা অনেক পাপী দুষ্ট দুৰাচাৰ।। ১০৫১
শূদ্ৰ বুলি শঙ্কৰক কৰে বোল মাত।
এবাৰ সজাতে দশ বাৰৰ সজাত।।
এক জনমতে চিন তিনিও জন্মৰ।
যাহাত বিভূষ্ট ভৈলা ঈশ্বৰ শঙ্কৰ।। ১০৫২
নুশুনে হৰিৰ কথা নপৰ্শে কাণত।
ব্ৰাহ্মণ সবৰ জন্ম উত্তম কুলত।।
আমি সবে বিপ্ৰ জন্ম ভৈলো ভাৰতত।
দুৰ্গাদেৱী শিৱ পূজা জানোহে সমস্ত।। ১০৫৩
শাল গ্ৰাম পূজা আদি জানো নানামত।
পণ্ডিত ব্ৰাহ্মণ আমি বেদতো পাৰ্গত।।
শুনিছো শঙ্কৰ সবে শাস্ত্ৰত সুজান।
আমাক নমানে যদি কৰিবো নিৰ্জান।। ১০৫৪
বিপ্ৰ পদ জলকেসে জগতৰ ইচ্ছা।
সবে সাজু হয়া তাঙ্ক কৰিবোহো মিছা।।
এহিবুলি বিপ্ৰসবে কৰে আলোচন।
আপুনি জানন্ত তাক গুৰু নাৰায়ণ।। ১০৫৫
মনুষ্যৰ ভাবে গুৰু লোকক দেখায়।
য'ত নাটকুট মায়া কৰন্ত লীলায়।।
শুনা সভাসদ সবে কৰি একমতি।
পুত্ৰৰ আগত বৃদ্ধ সাধু নিগদতি।। ১০৫৬
হৰিক হৃদয়ে লৈয়া ভৰিও সংসোৰ।
শঙ্কৰৰ পাদপদ্ম নৌকা কৰি সাৰ।।
হৃদয়ত ৰূপ ধৰি মুখে গুণ নাম।
শঙ্কৰ সুমৰি সবে বোলা ৰাম ৰাম।। ১০৫৭

* * * *

ঘোষা ঃ বান্ধব শঙ্কৰ হে প্ৰাণ হৰি ৰাম।
ভকত বৎসল দেৱ কৰোহো প্ৰণাম।। ৮৬

পদ ঃ সাধুৰ আগত পুত্ৰ পুচন্ত দুনাই।
কহিও ইসব কথা আমাত বুজাই।।
কিমতে গৈলন্ত বিপ্ৰ ৰাজাৰ সমাজ।
ইসব কথাক মোক কৈওঁ বৃদ্ধ ৰাজ।। ১০৫৮
মানসাৰ আগে সাধু কহন্ত বিদিত।
আপুনি ঈশ্বৰে লীলা কৰে পৃথিবীত।।
উদ্ধৱৰ আগে কৃষ্ণ দেৱ নিগদতি।
শ্ৰৱণ কীৰ্তন নাম ধৰ্মৰ্ম্মেসে ভকতি।। ১০৫৯
শুদ্ধ সদাচাৰ ধৰ্ম শাস্ত্ৰৰ সন্মত।
উদ্ধৱৰ আগে কৃষ্ণে কহিলা পূৰ্বত।।
কৃষ্ণ কৃষ্ণ ডাক দিয়া উদ্ধৱ মহন্ত।
আনন্দে কৃষ্ণৰ গুণ সদায়ে গাৱন্ত।। ১০৬০
আপুনি কহিলা হৰি পূৰ্বে মহেশত।
তযু নাম ধৰি মই হৈবোহো ব্যেকত।।
ব্ৰতদোৱা গ্ৰাম্যে মই হৈবো উপস্থিত।
শাস্তৰূপে নাম ধৰ্ম কৰিবো বিদিত।। ১০৬১
শূদ্ৰকুলে অৱতাৰ নামত প্ৰখ্যাত।
অনেক পাষণ্ডে মোক কৰিবে বিঘাট।।
কুতৰ্কি পণ্ডিত সবে মোক নসহিব।
মোহোৰ ভকতি নাম ধৰ্মক নিন্দিব।। ১০৬২
শুনা পুত্ৰ কহো আৰে বিপ্ৰৰ সম্বাদ।
ব্ৰাহ্মণ সৱৰ মনে মিলিল বিবাদ।।
আমাৰ গোসাঁনী পূজা তৈলেক বিভুষ্ট।
কিবা সাধ্য মন্ত্ৰ কহে শঙ্কৰে অনিষ্ট।। ১০৬৩
হৰি ভজিবাক লাগি কতো জন গৈল।
ঈশ্বৰ মায়ায়ে পাই বিমোহিত ভৈল।।

উঠিলন্ত সাজু হই যত বিপ্ৰগণ।
গিৰিসিত কৰি সবে চলিলা তেখন।। ১০৬৪
পাইলন্ত ব্ৰাহ্মণ সবে নৃপতিৰ ঠাই।
দিলেক গোচৰ সবে কৰিয়া অন্যায়।।
তোমাৰ ৰাজ্যত বৰ কৰিলে অধৰ্ম।
শঙ্কৰে কৰিলে নষ্ট আমাসাৰ ধৰ্ম।। ১০৬৫
তুলসী ব্ৰাহ্মণ মত আমাৰ সম্মত।
শঙ্কৰে কৰিলে নষ্ট যতেক জগত।।
পূজা সেৱা নমস্কাৰ কাহাকো নকৰে।
সকলে ধৰ্মক নষ্ট কৰিলে শঙ্কৰে।। ১০৬৬
কৰিবেক ছত্ৰভঙ্গ তোমাসাৰ পাছে।
শীঘ্ৰে কৰিয়োক কাৰ্য যিবা মনে আছে।।
শুনিওক সৰ্বজনে ঈশ্বৰৰ লীলা।
পুত্ৰৰ আগত বৃদ্ধ সাধুৱে কহিলা।। ১০৬৭
হেন ঈশ্বৰৰ কোনে বুজিবেক তত্ত্ব।
ব্ৰহ্মা বিষ্ণু ৰুদ্ৰে ভজে যাৰ চৰণত।।
সিসবো নাপাবে অন্ত যাহাৰ নামৰ।
শঙ্কৰ বুলিও হৌক প্ৰলয় পাপৰ।। ১০৬৮
ৰামেসে *ৰমাই আছে সকল জগত।
জানি একচিত কৰি ভজা চৰণত।।
হৰিৰ চৰণে কৰা একচিত মতি।
বোলা হৰি হৰি সবে হৌক সদগতি।। ১০৬৯

* * * *

---

* ৰমাই— ব্যাপি থকা

ঘোষা : হে হৰি হৰি শঙ্কৰ দেৱ, নিজগুৰু নাৰায়ণ।
তোমাত ভকতি, নকৰি অগতি, নৰকে ভৈলো পতন।। ৮৭

পদ : যুবৰাজ ঠাই গৈলন্ত গোসাঁই
নৌকা বাহন্ত চৰি।
দশ ধোপ ধৰা শীঘ্রৰ কৰিয়া
নিলন্ত বিৰল কৰি।।
মুৰাৰি মকুন্দ ঈশ্বৰ গোবিন্দ
মানুষ হুয়া পলায়।
যাহাৰ কটাক্ষে জগত নিবাসে
নিৰঞ্জন নিজ কায়।। ১০৭০
যাক যোগীগণে খুজিয়া নপাই
গৃহতে পাইলন্ত লাগ।
নাৰায়ণ ভাই যুব চিলাৰায়
আগ জনমৰ ভাগ।।
দেৱান বদতি অগতিৰ গতি
ত্রিজগত মহাবাপ।
আজিসি আমাৰ সাফল্য জনম
এৰাইলো তয়ু সন্তাপ।। ১০৭১
গৃহ ধন জন সুম্পিলো সৰ্বস্ব
অৰ্পণা কৰিলো পাৱে।
পণ্ডিতত বাজে ভয় নাহি ক'তো
মোহোৰ শৰীৰ যাবে।।
দদাৰ বচন ভজ অব্যাহতে
মোহোৰ বাণী গৰিষ্ঠ।
আপোনাতো কৰি যৱ দয়া কৰে
বুলি ভাতৃ কনিষ্ঠ।। ১০৭২
শঙ্কৰে বোলন্ত জানা চিলাৰায়
পণ্ডিতে কি ভয় আছে।

পাপে মতোৱাল সবেও প্ৰমত্ত
প্ৰমাণ লভিবা পাছে।।
কুতৰ্কিক লাগি কিছু শঙ্কা নাই
বেদ শাস্ত্ৰ বিদ্যমান।
হৰি বিনে গতি নাহিকে ভকতি
গুৰুৰ শিক্ষা প্ৰধান।। ১০৭৩
ভক্তেসে ভকতি প্ৰকাশে ধৰ্মক
সন্তে ঈশ্বৰৰো সখা।
মন্ত্ৰীসে নৃপতি যেনৰো যে সেহি
যেন চতকৰ পখা।।
মাতে চিলাৰায় প্ৰণামি দুনাই
বোলে মোৰ প্ৰাণ নাথ।
নুহি দদা মোক কাটে খাণ্ডা ধৰি
নুহিবা দদাৰ মাথ।। ১০৭৪
মোহোৰ খাণ্ডাৰ প্ৰসিদ্ধ প্ৰতাপ
সবে বোলে চিলাৰায়।
ঘোটকত চাৰি গান্দিক নিকলো
ফিৰি পুৰাতন ঠাই।।
দেখা জনে দেখ দুনাই সেই ছেগ
সংহাৰণো আনখনি।
ৰণ সময়ত কৰিলা সম্প্ৰত
সিহেতু নাম চিলনি।। ১০৭৫
শুনি হাসি গুৰু দেৱতা বোলয়
শুনা তুমি মহাবীৰ।
মোৰ আশীৰ্বাদে হয়োক নিৰুজ
মনক কৰিও থিৰ।।
*সৰত্ৰ সঙ্গম যেন জল জাণ্ডি
কো বাজি থানে থান।
হেন জানি কাবো নথাকে অসৈয়া
ধাৰ্মিকৰ বিদ্যমান।। ১০৭৬

---

* সৰত্ৰ সঙ্গম— শৰ বৰিষণ কৰা।

দেহাক নেদেখি আত্মাৰ পৰশে
আহ্লাদে ভকতি পথ।
ধৰ্ম্মেসে ধৰম দায়া অনুকূল
সিজে সবে মনোৰথ।।
উত্তমে অধম মধ্যমে সুহৃদ
অধমে বিচাৰে ছল।
মনৰ ধাউতি ৰুচিৰ নপাই
লগাৱে খল কন্দল।। ১০৭৭
ধূৰ্ত্তালি টৈটন কপটি কপটে
আপোনাক পাত কৰে।
ত্ৰিবিধ ভকত ঐকেক নভৈলে
সন্তেও সংসাৰে পৰে।।
কৃষ্ণ কাল বিনে মোৰ মৃত্যু নাই
নিশ্চয়ে জানিবা আক।
হৰি মায়া পায় বিষম কৰাৱে
আকলিবা মোৰ বাক।। ১০৭৮
দুৰ্জ্জনৰ বোলে ৰাজাৰ কুমতি
বিবুদ্ধি কৰয় হিয়া।
কৃষ্ণক হৃদয়ে কৰিবা নিশ্চয়
মোহোক নিৰ্ভয় দিয়া।।
শুনা সভাসদ যেন কথা পদ
টীকা ভাষ্য ধৰমৰ।
ৰাম কৃষ্ণ নাম ধৰিও ভকতি
ভক্তিৰ পাত্ৰে শঙ্কৰ।। ১০৭৯
পৰিচ্ছেদা কৰি ভক্তিওক হৰি
গৃহস্থ অস্ত্ৰ চৰণ।
নেৰিবা কীৰ্ত্তন মুখ্য প্ৰয়োজন
নামত কাৰা যতন।।
নামত নধৰি ভকতি নকৰি
নতৰে সংসাৰ সিন্ধু।

নামৰ গৃহস্থ তিনি গুণে অন্ত্র
পদ মকৰন্দ বিন্দু।। ১০৮০
নিৰঞ্জন নিজ হৃদয় ৰঞ্জন
ৰাম কৃষ্ণ অন্তৰ্যামী।
যেন বিবাহিত শৰণ ভজন
যাৰ নাম গুৰু স্বামী।।
জগত জয়তি নিজ যদুপতি
নাম কণ্ঠোগত কৰা।
যশ ৰস পানে শঙ্কৰক ডাকি
হৰি হৰি বুলি তৰা।। ১০৮১

* * * *

ঘোষা : ভালাৰে শঙ্কৰ ভালেৰে নেৰিবো তোক হংসে ক্ৰুৰগণ।
সকলে ধৰিলে হৰি নামৰ কীৰ্তন।। ৮৮

পদ : মল কলি পাপ হিয়া ক্ৰুৰ বুদ্ধিখলদিয়া
কহে ৰৰ ৰৰ মুনি গণ।
নাম ধৰ্ম প্ৰকাশিয়া গুৰু শিক্ষা জ্ঞান দিয়া
সবাৰো মুহিলে সি সি মন।।
শঙ্কৰে সংসাৰ জুৰি ভকতিৰ ভৈল গুৰি
জগতৰ নামধাৰী ওজা।
আমি মাত্ৰ আছো ভালে দেব দেৱী চিৰকালে
বৃক্ষ নদী শালগ্ৰাম পূজা।। ১০৮২
ধৰ্ম কৰ্ম গৈল তল ভৈল ৰাজ্য অমঙ্গল
হৰি নাম ভক্তি কৈলে বৰ।
হংসে ছাগ নকাটয় শুনা ৰাজা মহাশয়
জানি য়াক কহিলো সত্তৰ।।
সংসঙ্গে কহিলে দাঁতি কীৰ্ত্তনে মেলিল জুৰি
থাপি আছে নাম ধৰ্ম কৰি।
আপোন ধৰ্মৰ বলে আমি নুসুমৰো নাম
আছো পূৰ্ব আম্নাত ধৰি।। ১০৮৩

নাম লই গতি পাই আমি আক শুনা নাই
মহা পাপী বিশ্ব দ্রোহী তৰে।
নামৰ শুনিয়া খ্যাতি গাৱে লোকে দিনে ৰাতি
সমস্ততে কহিলা শঙ্কৰে।।
লোকক কৰিলে পাৰ নামক কৰিলে সাৰ
তন্ত্ৰ মন্ত্ৰ কৰিলেক মিছা।
শঙ্কৰ গোসাঁই ভৈল সবে ভকতিয়া হৈল
যাৰ নামে যেন মতি ইচ্ছা।। ১০৮৪
পাতিলন্ত হেন খল ভকতিত অমঙ্গল
কটাক্ষত সৃষ্টি স্থিতি যাৰ।
সাধুৰ সাধনা কাৰ্য নামে ব্যাপি সামৰাজ্য
ঈশ্বৰৰ ইচ্ছা আপোনাৰ।।
মাধৱৰ মহামায়া পুৰুষৰ নিজ কেলি
পাপ কৰ্মে ধৰ্মৰ বৈবাদি।
আন মুখে আন ধৰ্ম বেকত কৰিয়া হৰি
নিজ মুখে নিজ ধৰ্ম বান্ধি।। ১০৮৫
একোকালে নাহি ভাল পাষণ্ডৰ যমকাল
কৃষ্ণ মহা হৃদয়ৰ গুৰু।
পাপী নাম নুসুমৰে নাম শুনি খল কৰে
যেন গলে ডাকো লাগে জৰু।।
সুমৰণে পাপী তৰে সুমৰিবে নপাৰয়
নাৰায়ণ ভক্তৰ ঈশ্বৰ।
ভকতক দায়া কৰি মায়াৰ মহত্তে হৰি
কৰ্তা হৰ্তা সকলে জীৱৰ।। ১০৮৬
জগতৰ ধৰ্ম নাম মহৌষধি অনুপাম
প্ৰচাৰিলা সংসাৰে শঙ্কৰ।
সংসাৰ তৰিতে প্ৰতি যাহাৰ আছয় মতি
ধৰা হৰি নাম নিৰন্তৰ।।
এৰিয়া দুষ্টৰ বোল অমূল্য ৰতন মোল
গলে বান্ধা গুৰু শিক্ষা নাম।
সংসাৰ সাগৰে গুৰু শঙ্কৰেসে গতি নিজ
জানি ডাকি বোলা ৰাম ৰাম।। ১০৮৭

* * * *

বৈকুণ্ঠ প্ৰয়াণ

ঘোষা : জনাৰ্দ্দন জানি আমি নভজিলো আগে।
সেৱক ভৈলোহো, সেৱা নজানিলো
যি ভৈল যাহাৰ ভাগে।। ৮৯

পদ : গুৰু দেৱতাৰ প্ৰয়াণ দেখিয়া
নিৰন্তৰে সাধুযত।
ধৰ্ম্মৰ নৃপতি জানি ভজিবাক
আলোচ থাকি মনত।।
শৰণ সৎসঙ্গ নিৰ্ণয়ৰ ফল
খেদ খৰোতৰ মন।
দোকান দোমোধা খোকোচাৰ ভয়
ছাড়ি দিবে কোন জন।। ১০৮৮
সৎসঙ্গৰ চিপ ভকতি প্ৰদীপ
ভকতি প্ৰসাদ লাগি।
কতো আপোনাক আপুনি গৰিহা
সুদিনে দুৰ্দ্দিনে ভাগি।।
শোকত বিষাদ পৰে ধাত ধাত
কতো কাক বোধে তুলি।
গুৰু দেৱতাৰ বিনন্দ বিহাৰ
কৃষ্ণৰ নপাৰে উলি।। ১০৮৯
কতোৰে বুলিলা সেই নাৰায়ণ
কতোৰে বুলিলা হৰি।
জগ জীৱ ৰাই জগত লীলাই
ভাণ্ডিলা কপট কৰি।।
হয়া অনুচৰ চৰণে অন্তৰ
মায়া মোহে বিটো অন্ধ।

তাহাক ভাবিতে ভাবন্ত অচ্যুতে
এতেকে কৈলা প্ৰবন্ধ।। ১০৯০
পাপ সাগৰৰ দুখ দূৰ কৰি
ভকতৰ ভয়হাৰী।
জীৱৰ আশ্ৰয় বাহিৰে বজাই
পাতেকৰ অন্তকাৰী।।
কটাক্ষে সংহাৰ কৰি বাৰে বাৰ
ধৰি লীলা অৱতাৰ।
এহি শৰীৰৰ হৃদ্ মাজে ৰূপ
নামে সংসাৰৰ পাৰ।। ১০৯১
নৰ নাৰায়ণে খুজিলে শৰণ
আমাক সৎসঙ্গ দিয়া
এহি বাক্য শুনি ঈশ্বৰ শঙ্কৰ
নসহিলে পাছে হিয়া।।
আমাত সৎসঙ্গ খোজা নৰেশ্বৰ
কিমতে ভকতি ধৰা।
দেৱ দেৱী তুমি পূজিতে লাগয়
ইহেন কাহিনী এৰা।। ১০৯২
কৃষ্ণত ভকতি একান্ত শৰণ
নাম ধৰ্ম্ম বিপৰীত।
যিহোক সিহোক দিয়োক শৰণ
তোমাতে ৰহোক চিত্ত।।
হেন বাক্য শুনি শুক দেৱতাৰ
উপায় ভৈলেক ভঙ্গ।
আসো গৈয়া বায় বাসা ঘৰ ঘূৰি
পাছেসে পাইবা শৰণ।। ১০৯৩
ৰাজাত বিদায় লৈয়া শুকদেৱ
মনে অনুমান কৰি।
এহি সময়তে যাওঁ পৰলোকে
নৰদেহা নাট এৰি।।
এহিমতে পাছে ভক্ত সমৰিতে
আপোন ভজন পাই।

সবাকো সম্বোধি কৰ্পূৰ তাম্বুল
দিলন্ত গুৰু গোসাঁই।। ১০৯৪
প্ৰীতিৰে ৰহিবা কন্দল নকৰিবা
ক্ষেত্ৰ ফুৰি আসো আমি।
গোসাঁনীৰ আগে এহি কথা কহি
লৰিলা জগত স্বামী।।
পাটবাউসী এৰি কৰিলা গমন
মাধৱৰ ঠাই পায়।
দেখি মাধৱদেৱে পৰম কৌতুকে
আগ বাঢ়িলন্ত যায়।। ১০৯৫
সিদিনা তহিতে ৰহিল শঙ্কৰ
নামৰ কীৰ্ত্তন কৰি।
নাম ধৰ্ম্ম দান দিলা মাধৱক
শৰণ সৎসঙ্গ হৰি।।
আপোনাৰ কায় দেহাক অৰ্পিলা
মাধৱক দয়াতৰে।
শঙ্খ চক্ৰ গদা পদ্ম চাৰি অস্ত্ৰ
ধৰিলন্ত দামোদৰে।। ১০৯৬
দুয়োজন ভৈল একহি শৰীৰ
পঞ্চ চিহ্ন পদতলে।
সাক্ষাতে শঙ্কৰ কৃষ্ণক দেখিলা
ৰমানন্দে ভাগ্যবলে।।
দুইকো দুয়ো পাছে কৰে সৎকাৰ
পৰম আনন্দ ভাৱে।
মাধৱদেৱে পাচে হাত কৰযোৰে
পৰিলা শঙ্কৰ পাৱে।। ১০৯৭
পঞ্চ চিহ্নসমে বত্ৰিশ লক্ষণে
মাধৱক দিলা দেখা।
নৱ বিধ ভক্তি এক হৰিনাম
সবাকো কৰিলা লেখা।।

বৰ ঘৰ নাট নোতোলা বৰ্ত্তিয়া
আমাৰ পাছত তুমি।
ইটো নৰকাই তোমাতে অৰ্পিলো
আমিও এৰিলো ভূমি।। ১০৯৮
ভকতক বন্ধু সুহৃদ দেখিবা
হিয়াৰ সৰ্ব্বস্ব জানি।
সাত পুৰুষলৈ ধৰ্ম্ম ৰহিবেক
ইকথা নুহিবে হানি।।
ইটো ধৰ্ম্মদান দিবা পুৰুষোত্তমক
চতুৰ্ভুজে পাইব পাছে।
তুমি আমি একে যদু বংশে হৰি
চাৰি অংশে আহি আছে।। ১০৯৯
ইটো মহাবোধ কহিলন্ত হৰি
প্ৰবোধ বচন বুলি।
মোহোৰ সন্ততি ভূমিত নৰৈব
তোমাত কৈলো সমূলি।।
দুহিতা সন্ততি ধৰ্ম্ম প্ৰচাৰিবে
সাত পুৰুষতে সীমা।
মোৰ নাম ধৰ্ম্ম ৰহি নৰহিব
নামৰ মহামহিমা।। ১১০০
শঙ্কৰ মাধৱ যত বোলা মাত
শুনা সভাসদ যত।
ধৰ্ম্মৰ গৃহস্থ চৰণে চৰিত্ৰ
নামে পৰলোক বিত।।
শঙ্কৰ চৰণে ধৰি দৃঢ়মনে
শ্ৰৱণ কীৰ্ত্তনে তৰি।
ঘোৰ অপৰাধ এৰাইবাৰ ফলে
ডাকি বোলা হৰি হৰি।। ১১০২

* * * *

ঘোষা ঃ নমো নাৰায়ণ হৰি শঙ্কৰ দেৱ,
বান্ধৱ মাধৱ, কৃষ্ণ জগন্নাথ,
পাৱে পৰি কৰো সেৱ।। ৯০

পদ ঃ মাধৱক হৰি আশ্বাস কৰিয়া
বেহাৰে চলিয়া গৈলা।
পায়া মধুপুৰ ভেলা যে দ্বাৰ
পৰম কৌতুকে ৰৈলা।।
নামৰ কীৰ্তন কৰিয়া সিদিনা
পৰম ৰহস্য ভাৱে।
গুহ্যৰ ওপৰে নাৰেঙ্গা ফোঁহোৰা
পৰিলন্ত আসি গাৱে।। ১১০৩
সেহিছল ছিদ্ৰে প্ৰাণ এৰিবাক
ঈশ্বৰৰ ভৈল মতি।
কৃষ্ণৰ প্ৰসাদে এতমান দুখ
কি ভৈল আমাৰ গতি।।
বিমোৰৰ বিষে মোৰ প্ৰাণ যাই
দেহা কৰে থৰ বৰ।
কৃষ্ণ ইষ্টদেৱ ৰাম হৃষিকেশ
প্ৰাণ মোৰ মহেশ্বৰ।। ১১০৪
কৃষ্ণৰ প্ৰসাদে আয়ু ক্ষীণ হয়া
ভাদৰ দ্বিতীয়া ভৈলা।
হেন মহাহৰি ঈশ্বৰ মুৰাৰী
পৰলোকে ইচ্ছা কৈলা।।
নগৰা দেখিয়া ৰমানন্দে যাই
ভকতি খুজিলা দান।
গৃহস্থে বুলিলা মই ভৈলো উদি
মাধৱত লোৱা জ্ঞান।। ১১০৫
তোমাসাৰ মাতৃ আছে ভাই ভাতৃ
ৰিবা আছে দ্ৰব্য খানি।

মাতৃৰ হাতত সমস্তেও আছে
তাহেক পাইবা প্ৰমাণি।।
এতেকে বোলন্তে মহা মহেশ্বৰ
কৃষ্ণক হৃদয়ে ধৰি।
বৃন্দাবলী নাম বুলি বৃন্দাবলী
নৱ দেহ গৈলা এৰি।। ১১০৬
নৱ শৰীৰক এৰিয়া গোবিন্দে
নৌকা বাহনত চৰি।
পৰম কৌতুকে বৈকুণ্ঠে ৰহিলা
শ্ৰীমন্ত শঙ্কৰ হৰি।।
গুৰুক দহিতে যত্ন কৰিলন্ত
তোৰোচাৰ তীৰে নিয়া।
ভকত সকলে কান্দে আৰ্ত্তৰাৱে
নসহয় কাৰো হিয়া।। ১১০৭
ৰাম ৰাই ভাতৃ বলাই বলোৰাম
পৰমানন্দ চাৰিজন।
চৌদোলে দাণ্ডিয়া চিতাত তুলিয়া
গুৰু হৰি নাৰায়ণ।।
হেন গিৰগিৰ তোৰোচাৰ তীৰ
বহ্নিৰ আন্দোল আতি।
অগৰু সৰল ধৃত তৈল ঢালি
চন্দনে ভূষিত খ্যাতি।। ১১০৮
ত্ৰৈলোক্য ভাসিল ত্ৰৈলোকৰ পতি
ত্ৰৈলোক্য ধাম শিতান।
কতোৱে দেখিলে কতোৱে শুনিলে
কতোৱে নেপালে জান।।
কতোৱে মানুষ বুলিয়া জানিল
বাহিৰে ভিতৰে সাক্ষী।
উদ্ধাৰণধাৰী গোবিন্দ মুৰাৰী
বিটো আছে সৃষ্টি ৰাখি।। ১১০৯

শঙ্কৰ দেৱৰ সংস্কাৰ্ হই
সাঙ্গে মহাপুৰুষৰ।
আকাশ আন্ধাৰি দেৱৰ পৰশ
পুষ্পবৃষ্টি আঠুতৰ।।
আঙ্গাৰ উটাই কৰে হৰি ধ্বনি
ৰাম ৰাম জয় জোকাৰ।
পুষ্প শোভাৰিত দেৱ বৃষ্টি কৰি
ভৰাইলা তোৰোচা পাৰ।। ১১১০
দেৱাঙ্গ মদাৰ পুষ্প পাৰিজাত
লবঙ্গ বাগী গুৱাল।
ৰঙ্গীন বেৱতী তমাল মালতী
গুটিমালী ভাল ভাল।।
কেতেকী তগৰ কদম্ব বাবৰী
পদ্মতাল পদ্মবচি।
অশোক চম্পক বকযে বন্দুলী
তোৰোচা গৈলা উপচি।। ১১১১
ভেট উৎপল গুলচ কনাৰু
পাৰিজাত জাই যুতি।
শেৱালী নেৱালী পলাশ পাৰলী
মধাই গন্ধ মালতী।।
শিৰীষ সেউতী মৰুৱা তুলসী
যতেক শত পৰ্য্যন্ত।
জানি মাধৱৰ গৃহস্থৰ পাৰে
পূজা কৈলা ভগৱন্ত।। ১১১২
সূৰ্য নিকলিল আন্ধাৰ ফিৰিল
দেকাণে পায়া সাৰ।
স্নান আপোনাৰ কৰিলা প্ৰয়াণ
ভকতৰ জয় জোকাৰ।।
আৰু একবাৰ বুলি বাৰে বাৰ
গুৰু উচ্চাৰণ কৰি।

দিলা হৰিধ্বনি হৰিৰ মাৰলী
তিনিবাৰ উচ্চ কৰি।। ১১১৩
হৃদয়ৰ বন্ধু চৰণ মুৰাৰী
পাছ সবে আছা জানি।
দীন দয়াময় মহা মহোদয়
সংসাৰে শাৰঙ্গপাণি।।
সংসাৰ চক্ৰৰ গতি গদাধৰ
যাৰ যশে ধৰ্ম্ম নাম।
ভকত ৰঞ্জন ভকতৰ ধন
ভকত পূৰণ কাম।। ১১১৪
গুৰু দেৱতাৰ কথা প্ৰয়াণৰ
পাতকৰ হুতাশন।
শ্ৰৱণ কীৰ্ত্তনে তবে অমোঘটে
সৎসঙ্গতে বান্ধি মন।।
কপটি কপট এৰিয়া লুম্পট
শঙ্কৰ চৰণে ধৰি।
সংসাৰ সাৰিতে শঙ্কৰ মাধৱ
ভাবিওক হৰি হৰি।। ১১১৫

* * * *

ঘোষা : প্ৰাণ প্ৰয়াণ নাথ
নকৰা অনাথ।। ৯১

পদ : তিনিও লোকৰ স্বামী।
তোমাৰ মায়ায়ে আমি।।
নাজানিলো পদ সেৱা।
দেৱতাৰ আদি দেৱা।। ১১১৬
সংসাৰ তাপৰ জুই।
নিবাৰণা পদ দুই।।
কান্দোৱাল চলে চান্দি।
পাকে মেলি চাপে বান্ধি।। ১১১৭

গুণ গণ যশ অস্ত্র।
অস্ত্র কৰি গিৰিহন্ত।।
আপোন হৃদয় গুৰু।
ভকতৰ কল্পতৰু।। ১১১৮
নিসীম নিয়মি হৰি।
মায়ায়ে টাটক কৰি
শূদ্রকুলে হুয়া হীন।
জীৱৰ বাঞ্ছিত ঋণ।। ১১১৯
প্রার্থকৰ ফল ধাৰ।
নাম ভৈলা অধিকাৰ।।
গুণ গ্রাম্যে বান্ধি ধাম।
মোহন মুৰাৰী ৰাম।। ১১২০
বিভঞ্জনা অনুক্রমে।
নজনিয়া নৰাধমে।।
দিলেক কন্দল শোক।
আসুৰি অধম লোক।। ১১২১
কৰ্মৰ বিযোগে পালি।
বাসুদেৱ বনমালী।।
জীৱৰ জীৱন বন্ধু।
বাৰে বাৰে আসি যদু।। ১১২২
হেন বাণী খেদ কৰি।
কান্দে সবে পৰি পৰি।।
সৰ্ব্বজন জনৰ প্রাণ।
পায়া আসি নামদান।। ১১২৩
জানি কেনে হৃদি সহে।
সুমৰিয়া দেহা দহে।।
চিতা তুলি বহ্নি দিয়া।
বেঢ়িয়া থাকুৰে হিয়া।। ১১২৪
শঙ্কৰৰ তনু চাই।
পৰি পৰি মূৰ্চ্ছা যাই।।
মুষ্টি হানি দণ্ড হুই।
চৰণ পছুয় দুই।। ১১২৫

হিয়াত ধৰিলা টানি।
বদনে শাৰেঙ্গপাণি।।
শঙ্কৰৰ সংস্কাৰ।
নাম ধ্বনি বাৰে বাৰ।। ১১২৬
বাদ্য ভণ্ড তাল এৰি।
ডাক দিয়া পাৰে গেৰি।।
ঐ বাপ জগজ্জন।
তোমাতে থাকোক মন।। ১১২৭
পাৱৰ পৰশ পায়া।
খণ্ডয় দুৰ্গতি মায়া।।
দৈৱকী দায়াৰ দেৱ।
তুমি বিনে নাহি কেৱ।। ১১২৮
হৰন্তা ভূমিৰ ভাৰ।
ভকতৰ প্ৰতিকাৰ।।
সাধিলাহা ছদ্ম কৰি।
নাৰায়ণ নিজ হৰি।। ১১২৯
কৰ্মাদিৰ কাপ জাপ।
ধৰ্মাদিৰ খাপে খাপ।
হৰিক হৃদয়ে ধৰি।
ডাকি বোলা হৰি হৰি।। ১১৩০

* * * *

ঘোষা : বোলা বাণী বোলা যি বুলিলা বোলা
বোলা বাণী পাথৰৰ ৰেখা। যুগে সুমঙ্গল ফল
যুগে অমঙ্গল বৰ যুগে যুগে জুৰ্জ্জচায়া দেখা।। ৯২

পদ : আগমে এথাৰি জল সেই সেই থাই তল
যুগ তল পাপে যদুৰাই।
চাৰিও বেদৰ যুক্তি নামে ভক্তি কহে গতি
গিৰিমহা পুৰুষ গোসাঁই।।

যাক যেন কৰি আগ দিলা নাম ভাগে ভাগে
সেইমতে শ্ৰৱণ কীৰ্তন।
বেদ বিধি অভিপ্ৰায় এৰি আন নুজুৱাই
হেন হৰি নামেসে তৰণ।। ১১৩১
যিবা বৰ্ণাশ্ৰম যাৰ স্নান দান শোভাকাৰ
নামে মুখ্য হাততে মিলাই।
মানসা শিষ্যৰ আগে কহিলন্ত শিষ্ট সাধু
যাগ যোগ কৰি গতি নাই।।
একানব্বৈৰ জলে মৎস্য তোলে উড-ভূতে
তিনি ভিতি কৈলা জহামালে।
শঙ্কৰ মানুষ নুই মাধৱ মানুষ হুই
মায়া কৈলা গোবিন্দ গোপালে।। ১১৩২
নাৰায়ণ মায়া বাজি মায়াৰ শৰীৰ সাজি
সংসাৰ সাগৰে জালপাতি।
শঙ্কৰক চোট শূদ্ৰ মাধৱক শিষ্যহীন
নৰ বুলি মৰে আত্মঘাতী।।
সিটো পাপী পূজাকৰে পুষ্প বানে বস্ত্ৰপৰে
ঈশ্বৰে নোবোলে তাক মোৰ।
গৃহস্থৰ নাম অস্ত্ৰ গুৰু পূজা শুদ্ধ সত্য
আন তুতি তোত্ৰে সেৱা চোৰ।। ১১৩৩
অন্যদেৱ সঙ্গসৰি যজ্ঞে মহাবিষ্ণু হৰি
নাম এৰি মন্ত্ৰেৰে পূজন্ত।
গোমাংস তদৃশ পৰি অশুচি হোৱয় দ্ৰব্য
জানি মহা মহন্তে নলন্ত।।
নজানি যিসবে লবে জানিবা নিশ্চয়ে সিটো
ভুঞ্জিবেক অৱশ্যে নিকাৰ।
অনেক জন্মৰ যত পুণ্যগণ হোৱে নষ্ট
আত্মঘাতী হোৱে দুৰাচাৰ।। ১১৩৪
চানৰ গুৰুৰ সমে গদৰ্ভৰো আত্মাৰাম
জানি বেদ শাস্ত্ৰে পৰম্পৰ।
শঙ্কৰেসে সংসাৰত আছা কৃষ্ণ ব্যাপকত
কীৰ্তনত পৰে নাহি ঘৰ।।
কলিমল গ্ৰাহে পাই সবাকো কৰিলে ছাই
নামবিনে নাহি তোস পূজ্য।

সংসাৰে শঙ্কৰী মায়া মাধৱৰ নৰকাই
জানিতে গুহ্যনু মহা গুহ্য।। ১১৩৫
নামৰ মহিমা নীতি নজানে সকলে প্ৰাণী
নাম মূৰ্তিমন্ত বৈকুণ্ঠৰ।
যদ্যপি হিয়াৰ হৰি তথাপি নবহে হৃদ্
গুৰু বাক্য চিহ্ন ভকতৰ।।
ৰাম কৃষ্ণ গুণ গণে শঙ্কৰত লাগি মন
নেত্ৰৰ বাৰিজে পৰে পানী।
অন্তৰ্গত মায়া দেখি আপেক্ষণা সমদলে
নামধাৰী মৃদু পদ্ম বাণী।। ১১৩৬
নকৰে আক্ৰোশ ক'তো নাহি খেদ দেহাদিতো
অগ্নিধৰ যেন তৃণ বন।
সিমত যুগুতি মতি ভকতি পিৰিতি ৰতি
গৃহস্থ কৃপাৰ সেহিজন।।
তাক দৰশন হয়া অন্ত্যজো উত্তম হোৱে
সন্ত সাধু সবাতো সমান।
দেই মাত্ৰ উপদেশ ঈশ্বৰ ভক্তিৰ তত্ত্ব
কৃপা কৰি দেই নাম দান।।
নচাৰে জগত বাপ প্ৰণামী হৰয় পাপ
সেৱা কৰি তবে নৰনাৰী।
শ্ৰৱণ কীৰ্তনে বিত বোলা হৰি হৰি নিত
নাম ধৰ্মে জানি অধিকাৰী।। ১১৩৭

* * * *

ঘোষা : ভজো শঙ্কৰ তোমাৰ পাৱে।
সংসাৰ তৰি যাৰ নাম নাৱে।। ৯৩

পদ : তপ জপ যজ্ঞো যোগ অষ্টাঙ্গে।
নাম বাজে পাপে কৰিলে সঙ্গে।।
আগম আপাৰ ঘোৰ সংহৰি।
দেৱ দয়াময় দয়ালু হৰি।। ১১৩৮

আগে নজানিলো বুলি ঈশ্বৰ।
নাম ফুলি গতি ভৈল জীৱৰ।।
শ্ৰৱণ কীৰ্ত্তনে হামাৰি ধন।
নিমজ্জি ৰহোক চৰণে মন।। ১১৩৯
কিনো কৃপাময় কৰুণা সিন্ধু।
মাগো দিয়া এক ভকতি বিন্দু।।
তীৰ্থ স্নানে দানে নকৰো আশ।
হৈবোহো তোমাৰ দাসৰো দাস।। ১১৪০
ভৃত্যৰো ভৃত্যৰো হৈবোহো ভৃত্য।
তেবে জনমৰো সুকৃতকৃত।।
নিচ ছাড়ি দিয়া শিষ্যৰ সঙ্গ।
অসঙ্গৰ সঙ্গে ভকতি ভঙ্গ।। ১১৪১
মাধৱৰ ৰঙা চৰণ দুই।
ৰস নদী বহে অমৃত হুই।।
নজানে ভকতি আনসে কৰৈ।
তাৰ উপদেশ যিসবে লবৈ।। ১১৪২
ৰাজ মাৰ্গ এৰি সোমাই বন।
হোৱন্ত অনাদি এৰি চৰণ।।
নসাধে মুকুতি দুখ বিস্তৰ।
কীৰ্ত্তনেসে ফল ভাগি জীৱৰ।। ১১৪৩
নামে উদ্ধাৰিয়া ধৰিলা ভূমি।
গুৰু শিক্ষা বোধে ভাঙ্গিলা তুলি।।
দেৱ দ্বিজ জন্ম *উম্মুকা কৰি।
মুহিলা মনুষ্য শৰীৰ ধৰি।। ১১৪৪
সুৰা ভক্ষ কৰা চাৰ চাণ্ডাল।
সিও শুদ্ধ নামে কৰন্ত ভাল।।
যিটো ফুৰে সদা নামক গায়।
ভক্তিহীন দ্বিজ দাম্ভক কায়।। ১১৪৫
যাক নতু কৰা আপুনি দয়া।
কমনে জানিবে তোমাৰ মায়া।।

---

* উম্মুকা—আৱৰণ গুচাই দিয়া, মোচন কৰা।

তযু চৰণৰ সেৱক বাজে।
নজানে মহিমা ই তিনি ৰাজে।। ১১৪৬
মুখে গুণ নাম হৃদয়ে ৰূপ।
এতেকে মুকুতি কৈলো স্বৰূপ।।
নিশ্চয়ে কৰিবো কীৰ্তন আমি।
আবে কৃপা কৰা বান্ধৱ স্বামী।। ১১৪৭
নাজানো নামৰ মহিমা নীতি।
তযু ভকতত নভৈল প্ৰীতি।।
যেন মতে হৈবে সেৱাত মতি।
কৰা অনুগ্ৰহ জগত পতি।। ১১৪৮
শুনা সৰ্বজনে কৰিয়া সাৰ।
আত পৰে মুখ্য নাহিকে আৰ।।
যেবে যাইবা সুখে সংসাৰ তৰি।
জন্ম সাম্ফলি বোলা হৰি হৰি।। ১১৪৯

* * * *

ধ্যান বৰ্ণন

ঘোষা ঃ ত্ৰাহি ত্ৰাহি ৰাম।
গতি হৰি নাম।। ৯৪

পদ ঃ লভিবা জ্ঞানক যেবে তৰিবা সংসাৰ তেবে
শঙ্কৰত নিষ্ঠে হৌক মতি।
তপ জপ যজ্ঞো দান কষ্ট ব্ৰত তীৰ্থ স্নান
নামে পাই শঙ্কৰ বদতি।।
আছে পুণ্য ধৰ্ম যত হৰি নামে সমাপত
ৰাজা ধৰ্ম নামৰ কীৰ্তন।
উপদেশ সাৰ কৰি নামক হৃদয়ে ধৰি
চিন্তা নিতে আপোন তৰণ।। ১১৫০
ৰাম কৃষ্ণ শঙ্কৰৰ কহিলোহো পূৰ্বাপৰ
নামতেসে নামে নাৰায়ণ।
নামতেসে নামে জ্ঞান নামতেসে নামে ভক্তি
নামতেসে নামৰ শৰণ।।
নামতেসে নামে আৰে ৰাম লীলা বাৰে বাৰে
নামতেসে নামে কৰি সেৱ।
সবাৰো বাহিৰে মহা পৰম ব্ৰহ্ম নাৰায়ণ
সাধু বিনে নজানন্ত কেৱ।। ১১৫১
অৰুণ চৰণ ছায়া শীতল পৰশ পায়া
শোক মোহ মায়া হোৱে দূৰ।
যতেক জগত লীন জনম মৰণ হীন
ভকত জনৰ মন পূৰ।।
নামৰেসে আঠো অঙ্গ সৰ্বাঙ্গ শৰীৰ দেহা
সহস্ৰ নামৰ কাই সাৰ।

যত কোটি অৱতাৰ অসংখ্যাত নাম গণে
শৰীৰৰ লোম ভৈল যাৰ।। ১১৫২
নামৰেসে মাথা গুটি নামৰেসে পেট পিঠি
নামৰেসে দ্বিতীয় চৰণ।
নামৰেসে জঙ্ঘা জানু আজানু লম্বিত বাহু
কৰ তাল অৰুণ চৰণ।।
নামে চাল মাংস অস্থি নামে তেজ বল শক্তি
অঙ্গ পূৰ্ণে পূৰ্ণ ব্ৰহ্ম বুলি।
নামে পূৰ্ণে গিৰি হস্ত শুকদেৱ নামে মূল
পদ দুই গোবোৰা আঙুলি।। ১১৫৩
নিৰগুণ নিৰ্বিকাৰী শঙ্খ চক্ৰ গদা ধাৰী
গোপাল গোবিন্দ দামোদৰ।
হৃদয়ৰ হৰি গুৰু ভকতৰ কল্পতৰু
নাহি বন্ধু অনন্তত পৰ।।
শঙ্কৰক হিয়ে ধৰি মহাপুৰুষৰ ৰূপ
মাধৱৰ দেহা সাৱধানে।
প্ৰত্যেক অঙ্গক মনে চিন্তে সাধু স্থিৰ বুদ্ধি
বসন ভূষণ বিদ্যমানে।। ১১৫৪
ছলে বলে এক চিতে বাৰ কৰি ঈশ্বৰক
হৃদয়ৰ পদ্মাসনে ধৰি।
ৰাম কৃষ্ণ হৰি বাণী হৰি নামে গলে হাৰ
শঙ্কৰেসে হৃদয়ৰ হৰি।।
নামেসে জীৱন ধন নামেসে মজিও মন
শ্ৰৱণ কীৰ্ত্তনে ভক্তি ধৰ্ম।
যমৰ নিকাৰ দুখে নামেসে যাবয় সুখে
আন যত কেৱলেসে শ্ৰম।। ১১৫৫

* * * *

ঘোষা : স্বামী ৰাম বান্ধৱ মাধৱ প্ৰাণ
গোবিন্দ গোপাল।
অনন্ত অচ্যুত হৰি তাৰিও সোকাল।। ৯৫

ছবি : বেদৰ ৰহস্য বিত নাহি যাত পৰে আৰ
ভকত জনৰ হৰি নাম।
য'ত অৱতাৰ মান বেকত কৰিলা গুৰু
শঙ্কৰ চৰণে অনুপাম।।
হৃদয়ৰ হৃদিশ্বৰ মহা বিষ্ণু দামোদৰ
কুৎসিত শুকৰ পশু কায়া।
মৎস্য কূৰ্ম নৰসিংহ বামন পৰশুৰাম
মহাপুৰুষৰ ঘোৰ মায়া।। ১১৫৬
যতেক কুতৰ্কী গণে বাদ কৈলা অণুক্ষণে
নাম ধৰ্ম কৰিয়া উচ্ছাদ।
জিনিলা পাষণ্ড গণ গুৰুদেৱ নাৰায়ণ
দিলা নাম ভকতি প্ৰসাদ।।
শঙ্কৰী মায়াৰ বাজি নিত্য নিৰঞ্জন কাই
কোন জনে ৰাখে কাৰ নাম।
যাৱতে আপুনি হৰি হৃদয়ে নিবাস কৰি
মনক নকৰে উপশাম।। ১১৫৭
তাৰে মদ মল কাম মুখত নাসয় নাম
হৰিৰ চৰণে নাহি মন।
যেবে সাধু সঙ্গে ৰতি নামত জানিলা গতি
শ্ৰৱণ কীৰ্তন লাভ ধন।।
সৰ্ব ধৰ্ম অনুপাম কৃষ্ণেসে শঙ্কৰ ৰাম
মহা বিষ্ণু মায়া মাধৱৰ।
গুৰু শিষ্য পথ কৰি একে নাৰায়ণ হৰি
সংসাৰৰ নায়েক শঙ্কৰ।। ১১৫৮

সন্ত কৃপা অনুসৰি হৃদয়ে কৰিও দৃঢ়
মনক * দধায়া লৈয়ো নাম।
ভাৰ্যা পুত্ৰ ধনে অন্ধ হৰি নামে সাধে গতি
কৃষ্ণক ভজনে মুখ্য কাম।।
সদা ৰাম হৰি বাণী * গৃহস্থ নামক জানি
কৃপাময় হৰি সদাসিদ্ধি।
নামে ভৈল নৱ নিধি নামেসে মঙ্গল সিদ্ধি
কহে সৰ্ব শাস্ত্ৰ বেদ বিধি।। ১১৫৯
নামক জানিল সাৰ নাম বিনে নাহি আৰ
সি সি জনে জানিল সাক্ষাত।
নামত বিশ্বাস কৰি সাধু সব গৈলা তৰি
হৰি নাম এৰি হৱে পাত।।
নাম ধৰ্ম মূলধন আন ধৰ্ম বিড়ম্বন
জানি হৰি নামে কৰা ৰতি।
সংসাৰে শঙ্কৰ গুৰু ভকতৰ কল্পতৰু
প্ৰাণ প্ৰভু জগতৰে গতি।। ১১৬০
যিটো হৰি নাম লয় হৰিও তাহাৰ হয়
অচিন্ত্য ঈশ্বৰ নাৰায়ণ।
হেন জানি হৰি নাম লৈও নিতে অবিৰাম
কৃষ্ণৰ চৰণে প্ৰাপি মন।।
মহাপুৰুষক চিনি নামেসে পৰম ধন
হৰি নাম পৰলোকে বিত।
নাম বিনে ধৰ্ম নাই ভকতিসে শ্ৰেষ্ঠ আতি
জানি হৰি পাৱে দিয়া চিত।। ১১৬১
হৰিৰ *এৰাৰি মায়া সুহৃদ সুহৃদ কৰা
নিৰঞ্জন হৰি নাৰায়ণ।
কৃষ্ণৰ বিনন্দ মায়া অচ্যুত মঙ্গত ব্ৰহ্মা
গুৰু শিক্ষা অমূল্য ৰতন।।

---

* *গৃহস্থ — শঙ্কৰদেৱ*
* *দধায়া — মন ভাঠৈকে উপদেশ লোৱা।*
* *এৰাৰি মায়া — চুকি নোপোৱা, মায়াৰ ভিতৰতে এৰিব।*

নামেসে প্ৰধান আতি চাৰিও-বেদৰ বাণী
হৰি নামে একান্ত প্ৰধান।
নামেসে ভকতি গতি শঙ্কৰৰ শিল শিক্ষা
নাম বিনে নাহি নাহি আন।। ১১৬২
ঈশ্বৰ শঙ্কৰ প্ৰাণ কৃষ্ণ বিনে নাহি আন
সমস্তে ভূতৰ আত্মা ৰাম।।
নাৰায়ণ মায়া জানি ভূতক কৰুণা কৰি
গলত বান্ধিও হৰি নাম।।
শঙ্কৰত বিনে আন নাহি কৰ্তা পৰিত্ৰাণ
হেন নাম ধৰ্ম আদিমূল।
হৃদয়ৰ নিজ গুৰু কৃষ্ণেসে জীৱন বন্ধু
হৰি নাম ৰক্ষা নিজ কুল।। ১১৬৩
কুল ক্ৰিয়া নষ্ট যায় নাম বিনে গতি নাই
গীত ভাগৱত বেদ বাণী।
বেদৰ ঈশ্বৰ হৰি নাৰায়ণ ৰাম কৃষ্ণ
শঙ্কৰ সাৰঙ্গ পদ্মপাণি।।
গঙ্গা গয়া তীৰ্থ যত নুহি নাম সমসৰি
জানি কৰা নামত ৰমণ।
টুটে আয়ু দিন যাই কালে আছে বাট চাই
চিন্তা মহা পুৰুষ চৰণ।। ১১৬৪
গোপাল গোবিন্দ হৰি মাধৱ মকুন্দ দেৱ
নিৰঞ্জন নিৰাকাৰ ব্ৰহ্ম।
মায়াৰ ঈশ্বৰ কৃষ্ণ চিন্তা নিতে হৰিপদ
যাৰ নৰতনু *উপশম্।।
ৰক্ষা কৰ্তা অধিকাৰী একে সত্য নাৰায়ণ
শঙ্কৰ স্মৰণি নিজ গতি।
হৃদয়ে ভজাবে নাম লৈয়ো অৱনিশি খেদ
নাম বিনে নঘটে ভকতি।। ১১৬৫
ভকতিত কৰা ৰতি ভকতি সাধয় গতি
তপ জপ যোগ কৰি দূৰ

---

* *উপশম্ — হ্রাস পোৱা, কম-পৰা।*

শাস্ত্ৰৰ বুজিয়া তত্ত্ব হৰি নাম ধৰ্ম যত
লভিবাহা বৈকুণ্ঠৰ পুৰ।।
লবে নাম ব্ৰহ্মাহৰে শুনিয়া পাতকী তবে
শুনিতে নপাৰে পাপী জনে।
যেহেন কণ্টকে বিন্ধে পাপীয়ে নামক নিন্দে।
লৈয়ো নাম পৰম যতনে।। ১১৬৬
ভকতিসে ধন ধান ভকতি জীৱন প্ৰাণ
ভকতি জীৱন সম বন্ধু।
ভকতিৰ প্ৰভাৱত দহে কৰ্ম মল যত
তৰিবো সংসাৰ ঘোৰ সিন্ধু।।
লৈয়া সন্ত সাধু সঙ্গ আন আশা কৰি ভঙ্গ
শ্ৰৱণ কীৰ্তন কৰা সাৰ।
শঙ্কৰ চৰণে ছবি ভনে শূদ্ৰ হীনে কৰি
ৰাম ৰাম ঘোষণি নিস্তাৰ।। ১১৬৭

* * * *

ঘোষা : ৰাম বনমালী, গোপাল বনমালী।
ভালৰে কলিয়া কানাই, সংসাৰ পালি।। ৯৬

পদ : জয়নমো যাদৱ মাধৱ নৰসিংহ।
যাৰ মায়া বিভৱৰ নাহি আদিঅন্ত।।
যদ্যপি আগতে লোকে পাই দৰিশন।
চৰণ ভকত বিনে জানে কোন জন।। ১১৬৮
দৈত্যে বোলে হংস হংসে বাৰাহ অদ্ভুত।
দেৱে বোলে মৎস্য কূৰ্ম অনন্ত অচ্যুত।।
নাৰায়ণে কৃপা কৰি ভকতৰ কাৰণ।
মহাপুৰুষৰ মায়া সংসাৰ পালন।। ১১৬৯
জগতৰ কৰ্তা হৰ্তা জগত জীৱন।
সৃষ্টিৰ মধ্যত যাৰ অৰুণ চৰণ।।

ধ্বজ ব্ৰজ যৱনিষ্ট পঙ্কজ যে আবৃত।
অঙ্কুশত মন থাপি মহন্তৰ চিত।। ১১৭০
ব্ৰহ্মা হৰে চিন্তে নামে সিদ্ধে গাৱে জানি।
সংসাৰে শঙ্কৰ ভৈলা হেন পদ্মপাণি।।
জগতৰে গুৰু কৃষ্ণ ৰাম নাৰায়ণ।
একান্ত কাৰণে ভক্তি নামে মূল ধন।। ১১৭১
অচিন্ত্য প্ৰভাৱ নাম অচিন্ত্য মহত।
লীলায়ে কৰিলা গুৰু লোকত বেকত।।
বাহিৰে ভিতৰে সাক্ষী ৰূপে হৃদয়ত।
মকৰন্দ্ৰে ৰস মধু নামে কণ্ঠোগত।। ১১৭২
পূৰ্বতে কেশৱে যাক আপুনি নিৰ্মিলা।
ছদ্ম ৰূপ ধৰি হৰি মুদা ভাঙি দিলা।।
মৎস্য কূৰ্ম নৰসিংহ বাৰাহ শ্ৰীৰাম।
কৃষ্ণৰ অনন্ত মূৰ্তি দিব্য দশনাম।। ১১৭৩
নিৰঞ্জন নিৰাকাৰ দয়া ময় হৰি।
নাৰায়ণ নিজ গুৰু দেব অৱতৰি।।
জয়তি জগত ব্ৰহ্ম ঈশ্বৰ শঙ্কৰ।
যাৰ নামে গুৰু কৰৈ লোক জগতৰ।। ১১৭৪
প্ৰাণ জগধাম গুৰু দেব নাৰায়ণ।
বৰ্ণাবৰ্ণ জগতৰে নামত শৰণ।।
বেদৰো বিচাৰ সাৰ শাস্ত্ৰৰো ষুগুতি।
গুৰু দেব নাম ধাম হাততে মুকুতি।। ১১৭৫
গুৰু পৰম ব্ৰহ্ম নন্দ সুত জগজন।
একচিত্তে গুৰু গুণ নামন্তে ৰমণ।।
নিৰঞ্জন নিৰঙ্কুশ ব্ৰহ্ম নিৰাময়।।
গীতা ভাগৱত বাণী ৰামায়ণে কয়।। ১১৭৬
শ্ৰৱণ কীৰ্ত্তন নাম সৎসঙ্গে ভকতি।
শঙ্কৰে প্ৰকাশ কৈলা জগতিৰ পতি।।
মুখে নাম হৃদিৰূপ হাতে কৃত কাম।
ভবে মহা পাপী গুৰু উপদেশি নাম।। ১১৭৭

ভকতিৰ পৰিনীতি শুনিলা কাহিনী।
সংসাৰ তাৰক নাহি শঙ্কৰত বিনি।।
নামেসে নামেসে গতি ভকতি বিচাৰ।
পাপত আতুৰ হই হোৱে একাকাৰ।। ১১৭৮
ৰাম কৃষ্ণ শঙ্কৰক ভাবিও সদায়।
সমস্তে ধৰ্ম্মৰ ফল কীৰ্ত্তনেসে পাই।।
জগতৰ যত ধৰ্ম্ম ৰাজা হৰি নাম।
ছাড়োক পাতক ডাকি বোলা ৰাম ৰাম।। ১১৭৯

* * * *

ঘোষা : জগনাথ জগধাম, জগত মোহন।
জগতৰে গতি নামে পশিলো শৰণ।। ৯৭

পদ : যি কালত তনু দিলন্ত হৰি।
সি কালে আছন্ত করুণা কৰি।।
নিসীমৰ অন্তে মানবী কাই।
পাবে ভাগ্যোদয়ে কৃপা মিলাই।। ১১৮০
তথাপি নাহিকে তৰণে মন।
মায়াৰে মোহিলা জগমোহন।।
মনুষ্য শৰীৰ ধৰি গোপাল।
মাধৱৰ মায়া দোৰ্ঘোৰ জাল।। ১১৮১
সংসাৰ সাগৰে হয়া শঙ্কৰ।
দ্বিতীয়ে তৃতীয়ে দশমৰ ঘৰ।।
জন্মত সঞ্চৰি দ্বাদশে যাই।
ভকতি নভৈলে কেহো নপাই।। ১১৮২
কহয় জ্যোতিষে নৈয়ো প্ৰমাণ।
হৃদয়ৰ গুৰু জীৱন প্ৰাণ।।
মহাপুৰুষৰ অনন্ত কেলি।

কৰুণা *সদনে ভণ্ডাৰ মেলি।। ১১৮৩
বৈকুণ্ঠ তেজি আইলা নাৰায়ণ।
কৰিলা লোকত লোক তাৰণ।।
শঙ্কৰৰ যশ মহিমা সাৰ।
এহিসে কীৰ্তনে কৰে নিস্তাৰ।। ১১৮৪
যত পাপ পুণ্য আৰ কিঙ্কৰ।
তাৰ বশ্য হোৱে মায়া ঈশ্বৰ।।
যিটো জনে ফুৰে নামক গাই।
মুকুতি অধীন বৈকুণ্ঠ পাই।। ১১৮৫
তবে বিশ্বদ্ৰোহী অন্ত্যজ জাতি।
নলবয়ে নাম সি হীন আতি।।
তাক সম্ভাষণ এৰিবা জানি।
শাস্ত্ৰৰ বচন বেদৰো বাণী।। ১১৮৬
নকৰে কীৰ্তন যিটো নামৰ।
পৰম পাতকী পাপী পামৰ।।
বিষয় বিগ্ৰহে মলিন মন।
নুবুলি মহন্ত সাধু বচন।। ১১৮৭
অৱজ্ঞাৰ বলি কুস্তা সদৃশ।
বিষয় লুম্পটে ৰাগ হৰিস।।
ভকতি বিৰোদ্ধি পুণ্যৰ *ঊণা
নকৰৈ পিৰীতি ভূত কৰুণা।। ১১৮৮
ভকতক দ্বেষ্য কৰে দুৰ্জ্জন।
নজ্ঞানন্ত নাম নুশুনে গুণ।।
কৃষ্ণৰ মূৰুতি নামেসে অস্ত্ৰ।
স্মৰিও শঙ্কৰ নাম গৃহস্থ।। ১১৮৯
বিকুণ্ঠৰ বিনোন্দ সংসাৰ মায়া।
নেৰিবা নামক ভূতৰো দায়া।।
শাস্ত্ৰ সাৰ তত্ত্ব নামেসে গতি।
*লবো হৰি নাম সাধু সঙ্গতি।। ১১৯০

---

* সদনে — সদয়।
* ঊনা — কম/হীন।
* লবো — লোৱা।

শ্রবণ কীৰ্ত্তনে পাতক নাশ।।
কৰিও হৃদয়ে নাম বিশ্বাস।।
কৃষ্ণক ভজিয়া তেজিও কাম।
ডাকিয়া বোলা হৰি ৰাম ৰাম।। ১১৯১

* * * *

ঘোষা : ত্ৰাহি ৰাম হৰি যাদৱৰায়।
নচাবিবা নাম তোমাৰ পায়।। ৯৮

পদ : নিত্য নিৰঞ্জন শিৱ সনাতন হৰি।
নিসীম পালন মহা বিষ্ণু অৱতৰি।।
সংসাৰে সাগৰে শুক ভৈলন্ত বেকত।
অচিন্ত্য প্ৰভাবে কৃষ্ণ অচিন্ত্য মহত।। ১১৯২
অনাদি অনন্ত ব্ৰহ্ম পৰম পুৰুষ।
বেকত কৰিলা নাম ভকতি সৰ্বস।।
নিৰাকাৰ নিৰঞ্জন ব্ৰহ্ম নিৰাময়।
ঈশ্বৰ স্বৰূপে সখা সবাৰো হৃদয়।। ১১৯৩
নিৰুপম ব্ৰহ্ম মহা শব্দ ৰাম হৰি।
সৃষ্টিৰ পালক সন্ত কৃপা অনুসৰি।।
অসংখ্য মূৰুতি কীৰ্ত্তি অসংখ্য হাজাৰ।
মৎস্য কূৰ্ম নৰসিংহ ৰাবাহ আকাৰ।। ১১৯৪
গোপাল গোবিন্দ দায়াময় দামোদৰ।
মায়াৰ মহন্ত মহা মহন্ত শঙ্কৰ।।
মনুষ্য শৰীৰ ধৰি নাম ধৰ্ম ধাৰী।
জগতৰ আত্মা ঈশ পুৰুষ মুৰাৰী।। ১১৯৫
দনুজ দমন ৰণ্ড পাষণ্ড মৰ্দ্দন।
ধৰ্মক দেখায়া নাম প্ৰভু নাৰায়ণ।।
পাষণ্ডে ভেদিলা হিয়া পাপী ষণ্ডৰ।
সন্তোষে জানিল সন্ত ঈশ্বৰ শঙ্কৰ।। ১১৯৬

ভক্তক ৰাখিলা গুৰু ৰাখিলা নামিক।
শাস্ত্ৰকো ৰাখিলা ধৰ্ম ৰাখিলা বৈদিক।।
থাপিলা ধৰ্মৰ পথ ভকতিক দিয়া।
নামত ৰাখিলা বেদ বিধি সংহৰিয়া।। ১১৯৭
ভক্তক নমানে গুৰু নমানে নামক।
শাস্ত্ৰক নমানে ধৰ্ম নমানে দেৱক।।
পাপীষ্ঠ অনিষ্ঠ নষ্ট অধোগতি য়াই।
বিষ্ণুৰ মায়াৱে তাক বান্ধিল মেৰাই।। ১১৯৮
সংসাৰ সাগৰে সি সি গৈল অধোগতি।
গুৰু ধৰ্ম হৰি নামে নাহি যাৰ মতি।।
কলিত কীৰ্তনে সাতে পাঁচে হুয়া সাজু।
আপুনি পলায় পাপ কাল মায়া বাজু।। ১১৯৯
হৃদয়ে আছন্ত জগ কৰ্তা জগজন।
স্ৰজন পালন যিটো কৰে সংহাৰণ।।
কৰিও বিশ্বাস নাম হিয়াতে প্ৰৱেশ।
লৈয়া গুৰু উপদেশ ভজা হৃষিকেশ।। ১২০০
দেৱৰো বিৰল নাম বেদৰো গুপুত।
যাৰ মুখে গুণ গীত সেহিসে মুকুত।।
নলয়ে হৰিৰ নাম নকৰে কীৰ্তন।
গুৰুৰ শিক্ষাত তাৰ নাহি প্ৰয়োজন।। ১২০১
তাক নাম ধৰ্ম দানে নপাৱয় পাৰ।
নপাৰে শঙ্কৰ সিও নেৰাই সংসাৰ।।
সৰ্বভূত বিভূষিত জীৱেৰ জীৱন।
যাহাৰ বদনে বেদ লোক নিৰূপণ।। ১২০২
তাৰ অন্তৰ্যামী এক অৰুণ চৰণ।
এতেকেসে নাম ধৰ্ম একান্ত শৰণ।।
আপোন হৃদয় সাক্ষী জগত নিবাস।
মুখে নাম হৃদি ৰূপ ভকতি অভ্যাস।। ১২০৩

শ্ৰৱণ কীৰ্তন সাধু সঙ্গ অনুসৰি।
নামৰ প্ৰভাৱে সুখে সংসাৰক তৰি।।
নামৰ কীৰ্তনে যত পুণ্য নিৰন্তৰ।
সকল শাস্ত্ৰৰ নির্মি নির্ণয় যুগৰ।। ১২০৪
নাহিকে উপায় নাম কীৰ্তনত বিনে।
ধৰিও ভকতি ধৰ্ম পায়া ৰাতি দিনে।।
সংসাৰে শঙ্কৰ গুৰু ধৰ্ম হৰি নাম।
ভজিও কৃষ্ণক হৰি বোলা ৰাম ৰাম।। ১২০৫

* * * *

ঘোষা : গোপাল গোবিন্দ হৰি, ৰাম ৰাম ৰাম।
দেহু দেখা পাৱে কৰোহো প্ৰনাম।। ৯৯

পদ : জনম মৰণ হীন কাৰণে বেকত।
জগতৰ আত্মা ৰাম জীৱন জগত।।
অচিন্ত্য ঈশ্বৰ কৃষ্ণ শঙ্কৰসে হৰি।
পৰম পুৰুষ ব্ৰহ্ম দিব্য ৰূপ ধৰি।। ১২০৬
নাৰায়ণ ঘোৰ মায়া সংসাৰ হেৰাই।
জনম মৰণ যশ ৰসে মণীষাই।।
বিষ্ণুৰ মায়াৰ বাজি ভজা মাধৱক।
প্ৰত্যেকে আগত দেখা দেন্ত ভকতক।। ১২০৭
শঙ্খ চক্ৰ গদা পদ্ম ধৰি নাৰায়ণ।
দেৱতাৰে দেব গুৰু দৈৱকী নন্দন।।
দুই ভুজে পূৰ্ণ কৰি চাৰি ভুজে সাৰ।
আছে অষ্ট ভুজ যাৰ শাস্ত্ৰৰ বিচাৰ।। ১২০৮
সহস্ৰেক কৰ্ণ শিৰ অযুতেক হাত।
অনন্ত চৰণ ৰূপে বলে অসংখ্যাত।।
পৰ্বত কান্ধত লৈয়া গৰুড়ে উবাই।
হাজাৰেক দশ হাতে হেৰাই লীলাই।। ১২০৯

আছন্ত হাজাৰ হাতে মস্তক ধৰি।
মব্যক্ত মজ্ঞাত মহা নিৰাকাৰ হৰি।।
নাহি পেট পিঠি ৰূপ স্থুল নিৰঞ্জন।
পৰম পুৰুষোত্তম ব্ৰহ্ম আকাৰণ।। ১২১০
সিংহ বক্ষ কটি কণ্ঠ শৰীৰ সুঠাম।
দীৰ্ঘ বাহু গ্ৰীৱ নেত্ৰ ৰত্নৰ মোলাম।।
কিৰীটি কুণ্ডল পীত বস্ত্ৰে অলঙ্কাৰ।
বত্ৰিশ ৰঞ্জনে ৰঞ্জে শৰীৰ যাহাৰ।। ১২১১
ৰুচিকৰ কৰ্ণ দুই ৰত্নৰ কুণ্ডল।
কৌস্তুভে প্ৰকাশে নব সূৰ্য কম্বুগল।
হেমমালা ৰত্ন হাৰ গজ মুকুতাৰ।
বৈজয়ন্তী হেম মালা হৃয়ে পেচন্দাৰ।। ১২১২
উত্তৰী লগুণে বিভু প্ৰভু যদুৰায়।
অদৃশ্য ঈশ্বৰ মহাপুৰুষ গোসাঁই।।
নাশা তিলফুল নৱ ৰত্নৰ তিলক।
মদনৰ ধনু ভ্ৰূৰ ৰঞ্জে চকমক।। ১২১৩
অৰুণ অধৰ দন্ত মুকুতাৰ পান্তি।
চম্পাৰ পাকৰি অৰ্দ্ধচন্দ্ৰ নখ কান্তি।
ৰত্নৰ শলাকা বাহু ৰত্নৰ ভূষণ।
উন্নত হৃদয় নাভি গম্ভীৰ বচন।। ১২১৪
পাত ভুনি সুমন্দিত মেখলা কটিত।
সাম্প্ৰতে শঙ্কৰ ভৈলা আগতে বিদিত।।
মহা হৰি এক ৰূপে ৰাম নিৰঞ্জন।
ধ্বজ বজ্ৰ পঙ্কজেসে ভকতৰ ধন।। ১২১৫
শঙ্কৰী মায়াৰ বাজি সংসাৰক ধৰি।
সংসাৰে শঙ্কৰ হুই নিজ প্ৰাণ হৰি।।
জগতৰ মহা গুৰু নামে কল্পতৰু।
হৰি ৰূপ চিন্তি সাধু লোক মাজে গুৰু।। ১২১৬
গুৰু বাক্য অনাদৰি যাই অধোগতি।
নেৰাবে সংসাৰ পাপী পৰম কুমতি।।
গুৰুসে ঈশ্বৰদেৱ সংসাৰ নায়ৰ।
গুৰুক এৰিয়া শুক বোলাবে পামৰ।। ১২১৭

শ্ৰৱণ ভজন মূল বিত্ত হৰুৱাই।
সংসাৰে মজয় দুই চক্ষু মাত্ৰ খাই।।
শ্ৰৱণ কীৰ্ত্তন নাম সঙ্গে ভকত্তৱ।
নেৰিবা নামক কেহো বচনে শঙ্কৰ।। ১২১৮
গুৰু শিক্ষা মূল মন্ত্ৰ অমূল্য ৰতন।
ব্ৰাহ্মণক আদি অন্ত চাণ্ডালো তৰণ।।
সংকট সংগ্ৰামে বিত্ত সুমৰিয়া নাম।
পাতেক ছাড়োক ভাকি বোলা ৰাম ৰাম।। ১২১৯

* * * *

ঘোষা : ত্ৰাহি যাদবানন্দ দীন দায়াশীল।
আবেসে কৰুণা ৰাম ভৃত্তত মিলিল।। ১০০

পদ : হয়গ্ৰীৱ থান শিলা গহ্বৰত তৰি।
শংখ চক্ৰ গদা পদ্ম ধৰি দেৱহৰি।।
নৱ শৰীৰত ৰূপ ধৰি নাৰায়ণ।
কুসুম নন্দন কৃষ্ণ ভকত পূৰণ।। ১২২০
ব্ৰাহ্মণৰ মন পুৰি ভৈলন্ত বিদিত।
উৰু কৰি কৰ সম ভূজ সুবলিত।।
অৰুণ অধৰ দন্ত অৰুণ চৰণ।
অৰুন নয়নে দিব্য অৰুন বয়ন।। ১২২১
উন্নত হৃদয়ে ৰেখা অৰুণ ৰামৰ।
প্ৰত্যেকে বেকত মহা পুৰুষ শঙ্কৰ।।
কিৰীটি কুণ্ডল ধ্বজ ব্ৰজ ষৱ সমে।
মাধৱৰ অঙ্গ পূৰ্ণ কৰিয়া সঙ্গমে।। ১২২২
ৰত্নৰ গুলিয়া পাৱে ৰত্নৰ নূপুৰ।
ৰত্নৰ ঘুঘুৰ ধ্বনি বাজে সুমধুৰ।।
হয়গ্ৰীৱ শিলা বসি শঙ্কৰ গোসাঁই।
সাধনা সাম্প্ৰদা গুণে আহন্ত বজাই।। ১২২৩
যাদৱ মাধৱ ৰাম কৃষ্ণ জনাৰ্দ্দন।
মহাহৰি ৰূপ দুই দেখিলা ব্ৰাহ্মণ।।

কৰিলা ভকতি টুটি প্ৰণতি অশেষ।
শঙ্কৰে সংশয় ছেদি দিলা উপদেশ।। ১২২৪
ভক্তৰ ভকতি পথ শৰণ ভজন।
সন্তৰ সঙ্গতি প্ৰীতি শ্ৰৱণ কীৰ্ত্তন।।
শুনি শম্ভু বিভু দুই মহন্ত পৰম।
যেন দশ পাণ্ডা জগন্নাথৰ উত্তম।। ১২২৫
চৰণৰ আগে পৰি খেদ সলোতক।
কিনো কৃপা কৰিলাহা নাথ অনাথক।।
শঙ্কৰেও আশ্বাসিলা মধুৰ বচনে।
কপট শৰীৰ ধৰি পুনু নাৰায়ণে।। ১২২৬
শঙ্কৰক লাগ পাই সাক্ষাতে ঈশ্বৰ।
ঈশ্বৰৰ অনুচৰ সাধনা জীৱৰ।।
ভকত মহন্ত গুৰু শঙ্কৰৰ দাস।
যিহেতু সৎসঙ্গ নামে ঘটিল বিশ্বাস।। ১২২৭
নিত্য নিৰঞ্জন শিৱ ব্ৰহ্ম সনাতন।
মায়াৰ বিনোদ্দ পুৰি অৰুণ চৰণ।।
যাৰ নাম ধৰি বন্ধ চিন্তি হোৱে হৰি।
মৰয় কুমতি কৰ্ম বন্ধ জালে পৰি।। ১২২৮
অনায়াসে তৰে সন্তে নামৰ কীৰ্ত্তনে।
যাৰ এক চিত ভৈল নামত শৰণে।।
শ্ৰৱণ কীৰ্ত্তন ধৰ্ম আৰ্জ্জিত জীৱৰ।
মাধৱৰ লীলা ব্ৰহ্ম অনাদি শিৱৰ।। ১২২৯
মহাপুৰুষৰ মায়া জানিয়া বিক্ৰম।
নভজে কৃষ্ণক সি সি পাতকী অধম।।
সংসাৰ সাগৰে সিন্ধু তাৰক শঙ্কৰ।
শাস্ত্ৰৰ বিচাৰে নাম লৈয়ো পূৰ্বাপৰ।। ১২৩০
আপুনি ঈশ্বৰে যাক কৰিলন্ত দায়া।
নুহিকে অন্তৰে সন্ত কেশৱৰ কায়া।।
মুখে নাম হৃদি ৰূপ হাতে কৃত কাম।
গৃহতে থাকিয়া তৰে বোলা ৰাম ৰাম।। ১২৩১

* * * *

ঘোষা ঃ **জগন্নাথ জগন্নাথ জগন্নাথ।**
জগন্নাথ পাৱে নমো নামে মোৰ মাথ।। ১০১

পদ ঃ শুনা পৰিনীতি শঙ্কৰ চৰিত্ৰ
সংসাৰ সাগৰে সাৰ।
কৃষ্ণৰ চৰণে পশিয়া শৰণে
হৰি বিনে নাহি আৰ।।
গুৰু শিক্ষা বোধে সুহৃদ যাহাৰ
সেহিসে লোকৰ পূজ্য।
হৰিৰ নামৰ মহা তীব্ৰ কাই
বেদ বেদান্তৰো গুহ্য।। ১২৩২
ভকত জনৰ হৰিসে হৃদয়
ৰাম কৃষ্ণ নাৰায়ণ।
হৃদয়ত থাকি বাহিৰত সাক্ষী
মহা হৰি নিৰঞ্জন।।
শুনিলাহা তুমি কহিলো প্ৰত্যেক
সসন্তে নিকি বুজিলা।
মহা পুৰুষৰ কৰ্ম গুৰুতৰ
আছে অসংখ্যাত লীলা।। ১২৩৩
সত্য সন্ধ্যা গৰ্ভে আসন্তে গোবিন্দে
দেৱতাক দিলা দেখা।
হয়া উপগত সুজ্জ্বলসে ঘট
যেন বিদ্যুতৰ ৰেখা।।
দেখন্তে চমক চকু তিৰি মিৰি
কোটি সূৰ্যে উঝিয়াৰে।
যাক কৃপা কৰে কৰন্ত কৰুণা
সেহিসে লক্ষিতে পাৰে।। ১২৩৪
দেৱৰ কাতৰ দেখি পীতাম্বৰ
গুৰুদেৱ নাৰায়ণে।
ধৰি চাৰি অস্ত্ৰ গাৱে পীত বস্ত্ৰ
বেকত ভৈলা তেখনে।।

অৰুণ চৰণ নৱ পদ্মকোষ
অৰুণ অকৰ তাল।
গূঢ় বাহু দ্বয় সুদীৰ্ঘ নয়নে
দিলন্ত দেখা গোপাল।। ১২৩৫
শংখ চক্ৰ গদা ধৰিয়া ঈশ্বৰ
ৰাম হৰি জগন্নাথে।
কঙ্কন কুণ্ডল ৰত্নে বিৰাজিত
ৰত্নৰ কিৰীটি মাথে।।
ৰুচিকৰ কৰ্ণ ভ্ৰূৱ মনোহৰ
ৰত্নৰ তিলকে ৰঞ্জে।
ৰুচিৰ চিবুক কণ্ঠত কৌস্তুভ
গলে নানা ৰত্নে গঞ্জে।। ১২৩৬
হিয়ে হেমহাৰ মাণিক মুকুটা
উত্তৰী নগুণে খ্যাত।
হীৰা মৰকত ৰঞ্জে পেচন্দাৰ
মালা বৈজয়ন্তী তাত।।
উন্নত হৃদয় তাতে তিনি ৰেখা
শ্ৰীবৎসে কৰে ৰঞ্জিত।
বনমালা আতি আপাদত লম্বি
শোভে পাট ভুনিপীত।। ১২৩৭
ৰতনে ৰচিত নূপুৰে ৰঞ্জিত
পাদপদ্ম দুই খানি।
হিয়াৰ সৰ্বস অমিয়া বাৰিষে
উদিতে শাৰঙ্গ পাণি।।
সুহৃদ মাধৱ বান্ধৱ বন্ধুসে
ব্যাপিয়া আছে সৱাত।
দয়াময় গুৰু দয়ালু শঙ্কৰ
স্মৰিও নিতে হিয়াত।। ১২৩৮
গুৰু শিক্ষা জ্ঞান গৃহস্থৰ নাম
সংসাৰ তৰিতে প্ৰাপ্তি।

সুদৃঢ় বিশ্বাস জগত নিবাস
শঙ্কৰত দিয়া মতি।।
শঙ্কৰৰ কথা পাষণ্ড বিঘাট
পাতেকৰ যমকাল।
নাৰায়ণ মায়া মায়া মাধৱৰ
সংসাৰ সাগৰে জাল।। ১২৩৯
সংসাৰ ঢাকিয়া খেৱালী তৰিল
নিৰঞ্জন নিজজন।
আজিও সুমৰি সাধুৱে ফোকাৰে
যাৰ ৰূপে মজি মন।।
হৃদয় দগধ পাপীৰ কান্দনে
কীৰ্তনৰ হাস্য শুনি।
নিয়ন্তা উদ্ধাৰি নাম অধিকাৰী
কৃষ্ণৰ মায়া নুশুণি।। ১২৪০
হিয়াত ত্যজিয়া বাহিৰে বিচাৰে
মুখে এৰি গুণ নাম।
নিন্দকৰ সঙ্গে মৃতকৰ বাণী
জন্মে গৰিহিত কাম।।
শঙ্কৰ বল্লভ সংসাৰে সন্তৰ
নিস্তাৰ কৰন্তা হৰি।
তুৱা পদ মনে শৰণে পশিলো
তথু নাম হিয়ে ধৰি।। ১২৪১
তোমাৰ কপট শৰীৰৰ যশ
ভকত জন বঞ্চিত।
এহি বুলি সন্তে চিন্তে ভগৱন্ত
মহা পুৰুষত চিত।।
পাপত পবিত্ৰ এহিসে বিচিত্ৰ
শুনা সভাসদে জানি।
জগত ঈশ্বৰ চিন্তিও শঙ্কৰ
বোলা হৰি হৰি বাণী।। ১২৪২

* * * *

ঘোষা ঃ জয়তি জগত গুৰু দেৱনাৰায়ণ।
পশিলো শৰণ।। ১০২

পদ ঃ ব্ৰহ্মা পুৰন্দৰে হৰে আৰাধন্ত
অচ্যুতৰ হয়া অংশ।
অনন্ত ঈশ্বৰ সকলো জীৱৰ
কটাক্ষতে কৰৈ ধ্বংস।।
ঈশ্বৰ ইচ্ছাই আপোন লীলাই
বাৰে বাৰে ক্ৰীড়া কৰি।
অৱতৰি অন্ত নামৰ গৃহস্থ
অন্তে মাৰৈ হাতে ধৰি।। ১২৪৩
তীক্ষ্ণতৰ খাণ্ডা কৰত উচাই
দেৱ দন্তে চৰি বেগে।
বাহিৰত লোক ভিতৰে আলোক
উদয় অন্ত একে ছেগে।।
পাছত মুৰাৰী কাটি বাৰি চাৰি
যাতেক পাষণ্ড গণ।
জগতৰে আয়ু নিজপ্ৰাণ বায়ু
নিৰঞ্জন নাৰায়ণ।। ১২৪৪
দুই ভুজে পূৰ্ণ নাই ক্ষতি খুন
ভাণ্ডিলা কপট কৰি।
কৌমদকি গদা হাতত সৰ্বদা
সুদৰ্শন চক্ৰ ধৰি।।
ঈশ্বৰ শঙ্কৰ গুৰু জগতৰ
ভজিওক হেন পাৱে।
শ্ৰৱণ কীৰ্ত্তনে ভকতৰ সঙ্গে
তৰিওক নাম নাৱে।। ১২৪৫
আগম পাষণ্ড পাতকে পীড়িলে
কলিৰ মহা মহন্ত।

তপ জপ যজ্ঞো যত ধৰ্ম মানে
বহিয়া আছে নামত।।
যি ফুৰে সুমৰি তাৰ বশ্য হৰি
আগমে কহিয়া আছে।
গীতা ভাগৱত বেদৰ ঈশ্বৰ
দেৱ তীৰ্থ তাৰ কাচে।। ১২৪৬
তাঙ্ক পূজা কৰে সুমৰে যি নৰে
উপদেশ ভক্তি ধৰি।
সংসাৰ তৰিয়া শঙ্কৰক পাই
মাধৱক বশ্য কৰি।।
আপোন তৰিল কুল উদ্ধাৰিল
জানি গুৰুৰ্তৰ মায়া।
মহাপুৰুষৰ আশ্চৰ্য নাহিকে
হীন শুকৰাদি কায়া।। ১২৪৭
সাধু নিগদতি পুত্ৰত কহিলা
শুনিওক সভাসদ।
বৈকুণ্ঠৰ শাস্ত্ৰ বোধ কথা বহু
তাহাৰ বিচাৰে পদ।।
নিবন্ধনে আক নাহি নিন্দাবাক
আগ পাছ দোষ হয়।
ভাষ্য টীকা চাই পুস্তে অসমৰ্থ
সুপ্ৰানি হীন তনয়।। ১২৪৮
মুনিনাঙ্ক মতি ক্ষত্ৰিয় পাগল
* অছিদ্ৰৱ কেহো নাই।
এতেকে দুষিত নুহিকে উচিত
মূৰ্খক দায়া জুৰাই।।
কাৰো কৈতে নাই সমুদ্ৰে বৰাই
ঈশ্বৰ ইচ্ছায়ে হয়।
কৰ্ম অনুসাৰে সুবুদ্ধি কুবুদ্ধি
থাকিয়া কৰে হৃদয়।। ১২৪৯

অছিদ্ৰৱ—দোষহীন, নিৰ্দোষী।

মহা হৰি ৰস   গুণ নাম যশ

কথিবাৰ দোষ য'ত।

বঢ়া টুটা ঘোৰ   অপৰাধ মোৰ

শঙ্কৰ গুৰু দেৱত।।

চৰণত মতি   থাকোক ভকতি

মুখে নচাৱোক নাম।

হৃদয়ে ধৰা ৰূপ   কহিলো স্বৰূপ

ডাকি বোলা ৰাম ৰাম।। ১২৫০

* * * *

ঘোষা : ৰাম কৃষ্ণ হৰি শঙ্কৰ দেৱ।
পতিত পাৱন পৰি পাৱে কৰো সেৱ।। ১০৩

পদ : বিষ্ণু নিবেদিত কৰ্ম স্মৰণে ভোজন।
সাধুৰ সাধণ সিদ্ধি কৃষ্ণত অৰ্পণ।।
শ্ৰৱণ কীৰ্তন বিনে নাহিকে উপায়।
হৃদয়ে আছন্ত মহা মুকুণ্ড সদায়।। ১২৫১
সাধু নিগদতি পুত্ৰ শুনা বুদ্ধিমন্ত।
শঙ্কৰী মায়াৰ বাজি নাহি আদি অন্ত।।
সত ৰজ তম তিনি গুণ কৰি অস্ত্ৰ।
ব্ৰহ্মাণ্ড ভাসিলা নামে ঈশ্বৰ গৃহস্থ।। ১২৫২
সংসাৰ সাগৰে ধৰি শঙ্কৰ নামত।
গুৰু শিক্ষা জ্ঞান বোধ কৰিয়া বেকত।।
সত্য কৰি পূৰ্বাপৰে সত্য নাৰায়ণ।
অন্ধকৰ আখি যেন দৰিদ্ৰৰ ধন।। ১২৫৩
অজ্ঞানীৰ জ্ঞান দান চাকোলাৰ লাঠি।
মায়া কৰি মহা প্ৰভু সংসাৰৰ গাঠি।।

একে কৃষ্ণ ব্রহ্ম কীৰ্ত্তি অৰ্তক অপাৰ।
মহা পুৰুষৰ মায়া বিভৱে সংসাৰ।। ১২৫৪
কাল সংহতিক বুলি নিকা সংহতিক।
পুৰুষ সংহতি বুলি শবদে অধিক।।
তিনি গোটা শৃঙ্গ দৃঢ় একে পৰ্বতৰ।
ক্ষীৰোদ সাগৰে যেন মুকুট মন্দৰ।। ১২৫৫
সেহিমতে শঙ্কৰৰ নামেসে ভকতি।
অন্যো অন্যে নিন্দা কৰি যাই অধোগতি।।
জগত জীৱন হৰি ত্ৰিজগ মোহন।
ধ্বজ ব্ৰজ যৱ পঙ্ক অঙ্কুশ চৰণ।। ১২৫৬
পৰম পুৰুষোত্তম মুৰুতি সুন্দৰ।
একান্ত শৰণে নাম ধৰ্ম জগতৰ।।
হৰিৰ দুৰ্জ্জয় মায়া লীলা মাধৱৰ।
হৃদিগত নাৰায়ণ জগত ঈশ্বৰ।। ১২৫৭
বিনা হৰি পদে কেহো সংসাৰ নেৰাই।
হৌক ব্ৰহ্মা হৌক বিষ্ণু হোৱন্ত শিৱই।।
গুৰু শিক্ষা বিনে কাৰো নাহি ধৰ্ম কাম।
সংসাৰ সাগৰে ধৰ্ম যাৰ গুণ গ্ৰাম।। ১২৫৮
ৰাম কৃষ্ণ নামে হৌক বচনে শঙ্কৰ।
সকলে শাস্ত্ৰৰ তত্ত্ব মহা মনোহৰ।।
মিলয় মঙ্গল ফল হৃদয়ত ধৰি।
অচ্যুত স্বৰূপ পাই সংসাৰক তৰি।। ১২৫৯
শঙ্কৰ চৰিত্ৰ কীৰ্ত্তি নিধি সৰোবৰ।
এহি ধন জন অৰ্থ বিত ভকতৰ।।
শুনা এক চিত্তে নিতে পাপ কৰি ক্ষয়।
বোলা হৰি হৰি সৱে নামে মহোদয়।। ১২৬০

* * * *

ঘোষা : হে শাৰঙ্গ ধাৰী।
গিৰি অধিকাৰী।। ১০৪

পদ : হৰি গুৰু একে ৰস প্ৰভাৱে নামৰ।
ইটো মহা লীলা কথা শঙ্কৰ দেৱৰ।।
যি কথা কহিলো আমি তোমাত বিদিত।
দুনাই দঢ়াও আক দৃষ্টান্তে সহিত।। ১২৬১
কুক বুলি উৰি যাই কুলিৰ নন্দন।
কৰ্ম জৰি ডোলে পাই ফেঞ্চাৰ বন্ধন।।
তাৰ কি আসই সেই সুললিত বাণি।
পাছে এৰি দিলা হেন দ্বন্দ্ব কৰে জানি।। ১২৬২
আনে কি কাঢ়ৰ ৰাৱ স্বভাৱে আনৰ।
সংসাৰ সাগৰে সেই ভাৰ গুৰুতৰ।।
হৃদয়ৰ নিজগুৰু ব্ৰহ্ম নাৰায়ণ।
একান্ত শৰণে দুই অৰুণ চৰণ।। ১২৬৩
গোবিন্দৰ ফান্দ জৰি তিনিও জগত।
গোপালে পালন্ত মায়া জালৰ মহত।।
যেন ভোগাদিৰে অঙ্গ পাতিলে জঞ্জাল।
এৰাইতে নপাৰি ক্ৰমে দুখায়ে কম্পাল।। ১২৬৪
নভজিয়া ৰাম হৰি গোবিন্দ গোপাল।
হৰি হৰি দৈৱ বিধি কি ভৈল অকাল।।
ৰথ ৰাহনৰ পতি পুৰুষ-পুৰাণ।
অৰাহ ৰাহন বিধি কি কৈলা নিৰ্মাণ।। ১২৬৫
যাক বৈত যিবেলাত কৃষ্ণৰ ইঙ্গিত।
ঈশ্বৰ ইচ্ছায়ে আসি মিলে পৃথিবীত।।
অন্তৰ্যামী প্ৰবক্তা জীৱ ৰূপে ভোগ্য।
হৃয়ে পাসৰিয়া যেন কালকূট ৰোগ্য।। ১২৬৬
মহাপুৰুষৰ মায়া দুষ্টৰ সংসাৰ।
শঙ্কৰত বিনে নাহি সংসাৰে সৰাৰ।।
শ্ৰীৰাম জীৱন ৰাম নামে চতুৰ।
বুদ্ধিকে অধীন গিৰি গৃহস্থ শঙ্কৰ।। ১২৬৭

মাধৱক স্মৰা নামে অচ্যুতত মতি।
শঙ্কৰত পৰে নাহি সংসাৰত গতি।।
হৃদয়ৰ গুৰু পূজা অপলা কৃষ্ণৰ।
চৈধ্যয় ভুৱনে সৃষ্টি মহাপুৰুষৰ।। ১২৬৮
হৰিত অৰ্পিয়া চিত্ত মুখে ৰাম নাম।
হৃদয়ত ৰূপ ধৰা হাতে কৃত কাম।।
পাপ তৰিবাৰ বুদ্ধি সন্ধিৰ উপাই।
কহিলন্ত মহাসাধু পুত্ৰত বুজাই।। ১২৬৯
পাপ সংহাৰণ তীৰ্থ শঙ্কৰ চৰিত্ৰ।
জানি সভাসদে আত নিমজিও চিত্ত।।
সংসাৰ সাগৰ সিন্ধু তৰিবাক প্ৰতি।
হৰি হৰি বোলা ভনে শূদ্ৰহীনে মতি।। ১২৭০

* * * *

ঘোষা : বোলা হৰি ৰাম ৰাম নাৰায়ণ।
তুৱা নাম তযু পাৱে পশিলো শৰণ।। ১০৫

পদ : জয় নমো নিজ ব্ৰহ্ম গুৰু অৱতাৰ।
নমো হৰি পদ গুণ নামে কৰি সাৰ।।
নমো নিতে হৃদৃশ্বৰ ঈশ্বৰ মুৰাৰী।
চৰণে শৰণ লৈলো নিওক উদ্ধাৰি।। ১২৭১
তোমাৰ চৰণে মোৰ নিমজোক মতি।
কৰা অনুগ্ৰহ বাপ অগতিৰ গতি।।
মই মূঢ়মতি মহাপাপী সেৱা চোৰ।
নিসীম যোনিত পাপ আচৰিলো ঘোৰ।। ১২৭২
কতবা জনম ভুঞ্জি নপাইলোহো পাৰ।
ইবেলি তোমাৰ দুই পদে কৰি সাৰ।।
ৰাখিও সেৱক কৰি ভৃত্য বুলি মোক।
তোমাৰ চৰণে সদা মতি নচাৰোক।। ১২৭৩

যেন শান্তি নাৰী একে স্বামীতেসে চিত।
তান্ক এৰি উপপতি নকৰে বাঞ্ছিত।।
মই যেন নপাসৰো তোমাৰ চৰণ।
ভকতৰ ভয়হৰি দিওক শৰণ।। ১২৭৪
যেন বেশ্যা নাৰী উপপতি আশা কৰি।
আপোনাৰ নিজ স্বামী তাক পৰিহৰি।।
ৰাতি দিনে বেশ্যাতেসে নিমজয় মন।
তাৰ সঙ্গী নকৰিবা গুৰু নাৰায়ণ।। ১২৭৫
তোমাৰ ভৃত্যৰ সঙ্গে নিমজোক চিত।
মোৰ মুখে নচাৰোক তযু গুণ গীত।।
মই মহা দীন হীন মতি অগিয়ান।
চৰণে শৰণ লৈলো কৰা পৰিত্ৰাণ।। ১২৭৬
তেবেসে এৰাও সুখে তোমাৰ মায়াক।
ভৃত্যৰো যে ভৃত্য কৰি ৰাখিও আমাক।।
এহিমানে মাগো তযু চৰণত কাম।
হৃদয়ত ৰূপ দিয়া মুখে তযু নাম।। ১২৭৭
নমো নমো নিজ গুৰু চৰণে তোমাৰ।
তযু নিজ সেৱককো কৰো নমস্কাৰ।।
একান্ত শৰণ নাম একান্ত ভকতি।
একান্ত ভকতে মোৰ হৈবা গতিমতি।। ১২৭৮
অৰীতি অসৈয়া দম্ভ দুসঙ্গ সঙ্গতি।
তাক এৰি তযু ভকতত হৌক প্ৰীতি।।
আন নমাগোহো প্ৰভু তোমাৰ পাৱত।
যাৱে প্ৰাণ খানি মোৰ থাকয় তাৱত।। ১২৭৯
তযু নিজ ভকতৰ সঙ্গ নচাৰোক।
মই অধমক এহি কৃপা কৰিওক।।
এহিমানে মাগো তযু চৰণত কাম।
তেবে মনোৰথ সিদ্ধি বোলা ৰাম ৰাম।। ১২৮০

* * * *

ঘোষা : সেৱোহো শঙ্কৰ দেৱ মাধৱ মোৰে।
তুৱা পদ কমল যুগল সেৱা চোৱে।। ১০৬

পদ : নিগদতি সাধু শুনা মানসা সজ্জন।
থুলে নিৰঞ্জন ব্ৰহ্মা মূলে নিজ জন।।
ভগন উৎপন্ন হীন নিমিতে নিমিত।
লীলাৱে কৰাহা লীলা আসি পৃথিৱীত।। ১২৮১
ক্ষয় বয় হয় হই ইচ্ছা আপোনাৰ।
বেদেও কহয় যাক বোলে অৱতাৰ।।
সৃষ্টিৰ মধ্যত মহা পুৰুষ ঈশ্বৰ।
সৃষ্টিত বজাই জীৱ নাম গৃহস্থৰ।। ১২৮২
যত দেখি শুনি বেদ বেদান্ত সকলে।
ধৰ্মৰ ফলোদে ফল পৃথিৱী মণ্ডলে।।
হোম যজ্ঞ পূজা কৰ্ম বিহিত বেদৰ।
কৰ্মতেসে চৰাচৰ নাম জগতৰ।। ১২৮৩
এৰা সুঁতি এৱে যেন নবহয় জল।
মৰা গাছ মৰি যাই নধৰয় ফল।।
আপোনাৰ যশ ৰাশি কৰুণা সাগৰ।
জগতৰে যত ধৰ্ম ধৰ্মৰো অপৰ।। ১২৮৪
নাম লৈয়া তৰে ভোট যৱন কছাৰী।
সজ্জনে নামক নিন্দে কি বুলিতে পাৰি।।
যি বোলয় বোলে তাক যি বোলয় কিক।
দেৱ দ্বিজ জন্ম লাভ তাৰ ধিক ধিক।। ১২৮৫
কুকুৰকো খাই ম্লেছ গণ নিৰন্তৰ।
সিও গুণ যশ কথা কহে শঙ্কৰৰ।।
অপন্থক পন্থ মানি অপানক পান।
অভক্ষক ভক্ষ কৰি অবাহ বাহন।। ১২৮৬
শুক পক্ষী সুৱা পানে নামে বাহু তালি।
নিন্দিতে নিন্দিতে নীচ চাণ্ডালৰ গালি।।
সিদিনে ভকতি পথে যাদৱ কালৰ।
ইদিনে গুপ্তাম্রে আইল কায়স্থ শঙ্কৰ।। ১২৮৭

গুৰু শিক্ষা বোধ কৰি শুদ্ধ সদাচাৰ।
ইযাৰ ভাণ্ডিয়া মুদ ভকতি ভাণ্ডাৰ।।
পূৰ্ণ কাই নাম বল সামৰ্থৰ সাজে।
যেন হুতাশনে কেশ্চা শুকান নৰাছে।। ১২৮৮
হেনয় নামক যিটো শুদ্ধ ভাবে গাই।
ভাগ্যৰ উপৰি ভাগ্য তাঙ্ক সম নাই।।
দেহ ধন জন মোহ মায়া মানে যত।
হৰিসে আশ্ৰয় জানি অৰ্চনি পাৰত।। ১২৮৯
নেৰে হৰি নাম ৰাতি দিনে সাৱধান।
ভক্তক দেখিলে দেখে প্ৰাণৰ সমান।।
নেত্ৰৰ লোতক জৰে ৰোমাঞ্চ শৰীৰ।
সুশীতল শান্ত চিত বাক্য ধীৰ ধীৰ।। ১২৯০
আনন্দ সাগৰে মজে ভজে হৃদয়ত।
ত্ৰৈলোক্যৰ পাপ হৰে সিজন ভকত।।
ত্ৰিদশ দেৱতা মিলি নপাই সমসৰি।
দেৱৰো তীৰ্থৰো সাধ্য সাধু নিষ্ঠ কৰি।। ১২৯১
যেন ৰাম কৃষ্ণ হই সংসাৰে শংকৰ।
ৰহস্য ৰহস্য মহা হৰি মাধৱৰ।।
সন্তৰ উপাসে আসি শিক্ষা বোধে নাম।
বৌদ্ধক ছাড়িয়া বোধে বোলা ৰাম ৰাম।। ১২৯২

* * * *

ঘোষা : ৰাম ৰাম হৰি।
বোলা ৰাম হৰি।। ১০৭

পদ : নিগদতি সাধু শুনিও মানসা
গুৰু গোবিন্দৰ যশ।
শংকৰ মুখৰ কথা বৈকুণ্ঠৰ
মহা ভাগৱত ৰস।।
কৰ্ম অনুৰূপে ঈশ্বৰ সবাৰে
নপাৱয় সৰ্ব জন।

নিৰঞ্জন কায়া চৰাচৰ মায়া
চলায়া আছা চৰণ।। ১২৯৩
থূলে নিৰঞ্জন মূলে নাৰায়ণ
সৃষ্টিৰ কাৰণে হৰি।
মৎস্য কূৰ্ম সিংহ বামন ৰাৰাহ
বোধ কল্কি ৰূপ ধৰি।।
মাধৱ মকুন্দ গোপাল গোবিন্দ
জীৱৰ জীৱন ধন।
ভকত ৰঞ্জন পাতেক ভঞ্জন
নিমজ্জি ৰহোক মন।। ১২৯৪
ৰাম কৃষ্ণ নামে ঈশ্বৰ শংকৰ
শুক বোধ শিক্ষা সাৰ।
জগত কুশলে আসি ৰবিতলে
নামক কৈলা প্ৰচাৰ।।
কলেউ নামেউ কলেউ নামেউ
কলিত নামে নিশ্চয়।
কাৰ নাম কোনে কাক দিবে দান
গীতা ভাগৱতে কয়।। ১২৯৫
জীৱৰ ঈশ্বৰ মায়াৰ তৰণ
জ্ঞান যে বিজ্ঞান শিষ্ট।
তদং ৰহস্য জাতি ম্ৰৰ বুলি
গুণ ক্রিয়া নামে ইষ্ট।।
মূল চাৰি পাসী ৰাহি ব্ৰাহ্মপাসী
ডালি কেইবা পাসী ভৈলা।
নাৰায়ণে পায় দুনাই চাৰি পাসী
ভকতি কৰিয়া কৈলা।। ১২৯৬
শংকৰে যি কৈলা কেহোৱে নজানে
মহা সাধু জন বাজে।

অদৃশ্য স্বৰূপে চাৰি স্কন্ধ কৰি
থৈলা ভাৰতৰ মাজে।।
মূল যে মুকুট কন্ধ ৰসময়
বুলি মহা ভাগৱত।
ঈশ্বৰ শংকৰ গুৰু জগতৰ
জগত কৈলা ভকত।। ১২৯৭
ভাগে ভাগে পুৰি নাম দান জুৰি
লোকৰ চিন্তিলা হিত।
শৰণ ভজন শ্ৰৱণ কীৰ্তন
নাম দানে পৃথিবীত।।
গৃহস্থেসে ৰজা যত জীৱ প্ৰজা
ভক্তক ডাঙৰ কৰি।
ধৰ্মৰ মুকুতি অচিন্ত্য স্বৰূপে
নামেসে হৰি হৃদয়।। ১২৯৮
নিৰাকাৰ ব্ৰহ্ম আকাৰ দিহই
দীৰ্ঘ ৰচে পৰে লোপ্য।
ঈশ্বৰ অবশ্য ভকতৰ বশ্য
বেদ বেদান্তৰো গোপ্য।।
মহা ব্ৰহ্ম শব্দ বিক্ৰমাৰ মনি
সন্তৰ গ্ৰাহ্যনি হৰি।
ভক্তৰ কৰুণা গুণৰ শ্ৰীহৰি
নামে হৃদিগতে তৰি।। ১২৯৯
শুনা সভাসদ ইটো কথা পদ
মহাভাগৱত সাৰ।
শঙ্কৰ মুখৰ কথা সাৰোধাৰ
কৰিলা সাধু প্ৰচাৰ।।
ইহাক শ্ৰৱণ কীৰ্তন কৰিয়া
সংসাৰ সাগৰ তৰি।
এৰি আন কাম বোলা ৰাম ৰাম
হৰিক হৃদয়ে ধৰি।। ১৩০০

* * * *

ঘোষা ঃ ৰাম জয় জয়।
হৰি জয় জয়।। ১০৮

পদ ঃ যতেক অধৰ্ম ক্ষয় ধৰমৰ জয় জয়
জয় ধৰ্ম নাম ভক্তি দিন।
জগতৰে মহোদয় ধৰ্মৰ ৰচনা চয়
শূদ্ৰানি তনয় দাস হীন।।
ধৰ্মৰ মহাত্মা দিনে বৰ দোকানৰ সীমা
উখৰিয়া শ্ৰৱণ কীৰ্তন।
নিৰন্তৰে শুভাশুভ দুৰ্লভ লভিয়া লাভ
লক্ষ্মীপতি ঈশ্বৰ বচন।। ১৩০১
উৰ্দ্ধমূল তিনি ডাল ভূৰ্জ পত্ৰ শাখা থাল
ভক্ত চয় বৈষ্ণৱ প্ৰৰ্যন্ত।
ধৰ্মৰ ধৰ্মৰ ঠাই শাস্ত্ৰসাৰ অভিপ্ৰাই
বিষয়ে প্ৰমাৰ্থ যন্ত্ৰে কন্ত।।
ধৰ্মগিৰি নৰেশ্বৰ গিৰি মন্ত্ৰী প্ৰজাধৰ
ভিক্ষুক ভোখ্যাৰি ভোখে হয়া।
ধৰ্মৰ বিৰক্ষা যৌক জগতে মুকুত হৌক
নাম ধৰ্ম ধ্বজ ভক্তি চিয়া।। ১৩০২
ধৰ্মৰ বিচাৰ শোধ পাতে কৰ মহৌষধি
আউল বাউল নিৰন্তৰ।
নাহিকে যাহাত পৰ জীৱৰ কুশল কৰ
কাৰ গুণ নাম বৈকুণ্ঠৰ।।
ৰামানন্দ হৰি ব্যাস চৈতন্যক আদি কৰি
যত যত মান সংসোৰত।
গৃহস্থৰ যত কেলি ভকতি ভাণ্ডাৰ মেলি
শ্ৰৱণ কীৰ্তন ভাৰতত।। ১৩০৩
সৎসঙ্গ শঙ্কৰ গুৰু নকহি আপোন কয়
তাৰ ফল সাত পুৰুষত।
চৌধ পুৰুষৰ ধাম যাৰ ৰাম কৃষ্ণ নাম
বন্দোহেন সদা শঙ্কৰত।।

হৃদয়ৰ মহা হৰি   শৈব্দ মহা প্ৰভু গুৰু
আকাবাদি নিৰাকাৰ নিজ।
অৱতৰি গুণ যত   যেন সোণা ভকতে
যাত পৰে নাহি ভক্তি বিজ।। ১৩০৪
প্ৰীতিসে ভকতি সাৰ   অসূয়া অৰীতি দম্ভ
প্ৰমত্ত স্বভাৱ অযুগুত।
দায়াশীল সন্ত শিষ্ট   বিশিষ্ট পৰম সাধু
ধৰ্ম ধ্বজে দুৰ্লভ মুকুট।।
পূৰ্ণ ৰূপে অংশ যত   সন্ত সাধু সংসাৰত
নমো একে বাৰে গৃহস্থত। ১৩০৫
অন্ত চৰণৰ চিত   পথৰ সম্বল বিত
গুণ নাম যশ কণ্ঠোগত।।
অদ্ধেওঁ উদ্ধেক গতি   নামেসে ভকতি ৰতি
শঙ্কৰ মাধৱ গুণ গণ।
মূলে নিৰঞ্জন থুল   যশে নিৰঞ্জন নিজ
নিৰাকাৰ সংশল্য চৰণ।।
শুনা সভাসদ জন   ভকতিত দিয়া মন
এৰি মিছা ভাষ ভূষ কাম।
পলাওক পাত কচয়   মিলিবেক মহোদয়
ডাকিয়া ঘোষিও ৰাম ৰাম।। ১৩০৬

* * * *

ঘোষা : ৰাম কৃষ্ণ শঙ্কৰ হৰিহে হে প্ৰাণ অগতিৰ গতি
তোমাৰ চৰণে নামে নিমজোক মতি।। ১০৯

পদ : সাধু নিগদতি পুত্ৰ শুনা পৰিপক্ক।
কৃষ্ণক ভজন নামে ভজে গৃহস্থক।।
কথাৰ নপাই দিহা পদাৰ্থৰ দুখ।
অৰ্থক লভিয়া পৰমাৰ্থে মহা সুখ।। ১৩০৭
ততাৰ্থ জানিয়া পায় দায়াৰ্থে কল্যাণ।

গুদাৰ্থ নিজাৰ্থ অতি [illegible]ান।।
মহা অৰ্থ মহাত্মান মনৰ গে[illegible]
দ্বাদশ অৰ্থৰ গুৰু কৃপাৰে [illegible]।। ১৩[illegible]
একাদশ শত অৰ্থে সহ[illegible] দুই।
অনুভৱ অনুক্ৰমে পাদ পদ্ম দুই।।
শতেক সহস্ৰ দশ একে পৰিশ্চয়।
একান্ত শৰণ নামে কেৱলে অভয়।। ১৩০৭
নকৰা সংশয় বলে দুই বাহু তুলি।
সংসাৰ সাগৰ জুৰি নাম আছে ফুলি।।
নিৰন্তৰে নৰ নাৰী হৰি পৰায়ণ।
কোটিৰ মাজত গুটি বোলে নাৰায়ণ।। ১৩১০
পাৰে যেই সেই জনে প্ৰসাদৰ ভাগি।
জগতৰে জগনাথ কৃপা যাক লাগি।।
চৰাচৰ চৰণৰ চৰণে চলাই।।
শঙ্কৰী মায়াৰে জানে হাততে হেৰাই।। ১৩১১
শূদ্ৰ আনি শ্ৰোত পুত্ৰ ডৰে কাম্পে হৃয়া।
মুখে নাম হৃদি ৰূপ আছোহো চিন্তিয়া।।
আগম পাপত দূৰ গৈলো নাৰায়ণ।
সংসাৰ সাগৰ গিৰি তোমাৰ চৰণ।। ১৩১২
হৃদয়ে থাকিয়া নাথ দিয়া সমিধান।
পদ ছন্দ ছায়া বিনে নেদেখো কল্যাণ।।
সু-দিনে দু-ৰ্দিনে মই হীন অপবিত্ৰ।
ব্ৰাহ গোটা শত্ৰু সদা তেৰ গোটা মিত্ৰ।। ১৩১৩
শনি ৰাহু কেতু গ্ৰহ কাল কলি যম।
মায়া মোহ কাম ক্ৰোধ লোভে কৰে ভ্ৰম।।
আৰু সাত শত্ৰু চান্দে সদা নেৰৈ লাগ।
কি কৰিব পাৰে সাতে হৰি সাতো আগ।। ১৩১৪
চৌধ সাখী ভাণ্ডিবাৰ ৰচনা প্ৰমাদ।
এতেক করুণা কৰা ভকতি প্ৰসাদ।।
দায়াশীল দায়াময় দায়াৰ ঠাকুৰ।
দায়া নাচাৰিবা পাৰে মন কৰা পূৰ।। ১৩১৫

তোমাৰ মহিমা গুণ চৰণে সুবুদ্ধা।
চৰণৰ চিয়া মোৰ মন হৌক শুদ্ধ।।
তুমি কৃপাময় মোৰ দেৱ নাৰায়ণ।
শঙ্কৰ চৰণ নামে পশিলো শৰণ।। ১৩১৬
শ্ৰৱণে কীৰ্তনে দিন বিপৰীত কলি।
সবাৰো উপৰি গুৰু গুণ নাম বলি।।
জানি বুদ্ধ জন ভজা এৰি আন কাম।
জিহ্বয় তনয় কহে বোলা ৰাম ৰাম।। ১৩১৭

* * * *

ঘোষা ঃ শঙ্কৰ তোমাৰ চৰণে মোৰ মনে।
মৰণে ধন নামে পশিলো শৰণে।। ১১০

পদ ঃ ৰাঘৱ ৰঞ্জিয়া মাধৱৰ নাম সাৰ।
সৎসঙ্গে সংসাৰ ৰঞ্জি মেলিয়া দুৱাৰ।।
ধৰ্মৰ * কলপে নাম কল্প মধ্য সীমা।
যুগৰ কলপে যুগ চৰণ মহিমা।। ১৩১৮
ধৰ্মৰ গৃহস্থ অন্ত মুখৰ বচন।
কলি যুগে হৰি নাম শ্ৰৱণ কীৰ্তন।।
হৰি পদ ৰস জৰি ৰস বহি যাই।
পুৰাণ সংহিতা গীতা ভাগৱতে কাই।। ১৩১৯
গোবিন্দ মুৰাৰী গুৰু মকুণ্ড মুৰাৰি।
ঈশ্বৰ শঙ্কৰ নাম দানে অধিকাৰী।।
পতিত জনৰ গতি পতিত পাৱন।
পতিতক নতাৰিলে নাম কি কাৰণ।। ১৩২০
তাৰণ কাৰণ হৰি গুৰু নাৰায়ণ।
অভয় চৰণে নাম হৃদয় ৰঞ্জণ।।

---

* কলপে—কল্প।

ৰাম বোল কৃষ্ণ বোল বোলৰে শংকৰ।
শ্ৰৱণ কীৰ্তন নামে সঙ্গে ভকতৰ। ১৩২১
ভক্তৰ ভকতি নাম সাধুৰ সঙ্গতি।
ৰাম কৃষ্ণ নামে ব্ৰহ্মা হৰবো ভকতি।।
হৰি নামে নিজ কুল নামে মহা ধন।
হৰিত বিনাই সবে শ্ৰৱে অকাৰণ।। ১৩২২
সত্য সনাতন হৰি পশিলো শৰণে।
সৎসঙ্গে শঙ্কৰ দুই তোমাৰ চৰণে।।
হৃদয় লোচন বন্ধু পাপ বিমোচন।
ভকতি ৰোচন দুখ শোক বিমোচন।। ১৩২৩
নিৰঞ্জন নিৰাকাৰ আসিয়া লীলাই।
মুখে নাম হৃদি ৰূপ কৰি এক ঠাই।।
নিগম কল্পতৰু ভাগৱত ফল।
কৃষ্ণ নাম চৈতন্য স্বৰূপ সুমঙ্গল।। ১৩২৪
তৰে মহাম্লেছ নামে কৰে নৰোত্তম।
হৰিক নভজি পাপে পামেৰ অধম।।
ৰাম কৃষ্ণ গোবিন্দ গোসাঁই গুৰু হৰি।
গুৰু দেউ নামে মূল শিক্ষা বোধ কৰি।। ১৩২৫
ভক্তৰ ভকতি শিক্ষা গুণ নামে সাৰ।
শঙ্কৰ স্মৰণি কথা তৰণি সংসাৰ।।
মহা পুৰুষৰ নাম মহিমাক গুনি।
ভৈলো নিজ দাস নাথ নেৰিবা আপুনি।। ১৩২৬
সংসাৰ সাগৰ তৰি অভয় চৰণে।
তোমাক নেৰিবো নামে পশিলো শৰণে।।
পতিত পাৱন বুলি হাসিবা আমাক।
ত্ৰিজগত পতি পাবে নেৰিবো তোমাক।। ১৩২৭
শঙ্কৰ শঙ্কৰ নামে কৰিও উদ্ধাৰ।
তোমাৰ চৰণ নাম কৰি আছো সাৰ।।
জীৱৰ মুকুতি গতি ভকতিৰ কাম।
কৃপাৰে সিঞ্চিলা তুৰা যশ গুণ নাম।। ১৩২৮

গঙ্গা গয়া কাশী তপস্যাত নাহি কাম।
যাৰ মুখে গুৰু দেৱ গঙ্গা ধৰ নাম।।
যাৰ মুখে গুৰু দেৱ গঙ্গাধৰ নাম।।
শ্ৰৱণ কীৰ্তন কৰি সংসাৰক তৰি।
ভনে শূদ্ৰ হীনে ডাকি বোলা হৰি হৰি।। ১৩২৯

* * * *

ঘোষা ঃ হে হেৰি উদ্ধাৰা মোকে প্ৰভু উদ্ধাৰা মোকে।
কৰিওক দায়া দূৰ কৰা মায়া
তোমাত মতি ৰহোকে।। ১১১

দুলড়ী ঃ কি গতি কৰিলা মোৰে প্ৰাণ নাথ
কি গতি কৰিলা মোৰ।
নমৰি নিজিলো কি কাম কৰিলো
চৰণৰ সেৱা চোৰ।।
পাপত বুৰিয়া ভকতি গুনিয়া
দগধ কৰয় হিয়া।
এক শৰণৰ নাম ধৰমৰ
ভকতি আছো লভিয়া।। ১৩৩০
কি মই আপোন ৰাপৰ পোৱালি
ৰাখী ঘৰে ৰতি নাই।
শৃগালে ভচিয়া ভেটি নাৰ কৰে
ৰাখিও মোক গোসাঁই।।
বৈকুণ্ঠৰ নাম ধৰ্ম আনি হৰি
ধৰণী মণ্ডলে ঢালি।
সিঞ্চিবাৰ গিৰি ওদা দাবি জন
অন্তৰ ব্যৱস্থা পালি।। ১৩৩১

নৰৰ অগম্য ঈশ্বৰৰ কৰ্ম
ঈশ্বাৰেসে তাক জানে।
কৃষ্ণৰ ভকতি পথে দুৰাচাৰ
মৰয় যিটো অজ্ঞানে।।
ভোগ কৰ্ত্তা কাৰি দুখ ভয় হাৰী
অন্তকৰো অন্তৰ্যামী।
এৰিয়া আপোনে আপোনাৰ গুণে
জগতৰে নিজ স্বামী।। ১৩৩২
শৰণ্যে শঙ্কৰ জগতৰ গুৰু
গতি কৃষ্ণ নাৰায়ণ।
শুদ্ধ সেৱকৰ সঙ্গে মোৰ মন
নেৰিবো তযু চৰণ।।
সুহৃদ সোদৰ সহাই ঈশ্বৰ
নিজ গুৰু নাৰায়ণ।
সিদ্ধ মুনি গণে পৰম যতনে
বিচাৰে যাৰ চৰণ।। ১৩৩৩
হেনসে চৰণে পশিলো শৰণে
কৰা যেবে মোক দাস।
তযু গুণ নাম গাইবে মোৰ মন
হৃদয়ে লৈয়ো নিবাস।।
যশে নিৰঞ্জন জাল পল প্ৰাই
নামেসে গুণু জুলুকি।
চাৰে বন্দী কৰে বাযৰক পাই
মনে আছে পানী জুলুকি।। ১৩৩৪
দোপাৰ চাদিয়া চাদি চৌপাৰ
উথলিয়া পৰে জল।
হেন হৰি নাম ধৰম ভকতি
যাৰ চৰণৰ বল।।

নির্গুণে নিয়ন্তা গুণে নাৰায়ণ
সেহি গুণ যশে নাম।
সবে পুৰুষৰ শিৱৰ ভূষণ
নন্দেৰ নন্দন ৰাম।। ১৩৩৫

ৰৰা অৱতাৰে ভূমি উদ্ধাৰিলা
কি দুখ সভিলা পাৰে।
তুচ্ছ চাৰ হীন মসিকা পৰাই
উদ্ধাৰিও নাম নাৰে।।

বান্ধৱ শঙ্কৰ সখা হৃদয়ৰ
মই পাপী ভৈলো অনাথী।
তোমাত মায়াই সদায়ে হৰাই
মোহ মায়া জালে বান্ধি।। ১৩৩৬

তোমাৰ ভকতি ধৰম আশাই
চৰণক বাঞ্ছা কৰি।
হৃদিগত হয়া দগধে পোৰৱ
সৰ্ব সাথী প্ৰাণ হৰি।।

স্মৰণীয় সেৱ মহা গুৰু দেৱ
গুণ যশ ৰসে জন।
জন্ম কাল ধৰি জানি আছো হৰি
মূৰ্খাধম পাপী মন।। ১৩৩৭

একান্ত শৰণ ভজনে ভকতি
হৰিৰ চৰণে সাৰ।
শ্ৰৱণ কীৰ্তন ভকতৰ সঙ্গে
বিনে নাহি নাহি আৰ।।

তোমাৰ মায়াৰে মনক মোহিলে
নামত নবহে ৰতি।
আন কাম এৰি বোলা হৰি হৰি
ভনে শূদ্ৰ হীন মতি।। ১৩৩৮

* * * *

ঘোষা : বান্ধৱ শংকৰ কৰা উদ্ধাৰ।
কতনো সহিবো দুখ নিকাৰ।। ১১২

পদ : নিগদতি সাধু পুত্ৰ আগত।
ব্ৰাহয় কন্ধৰ সাৰ সম্মত।।
কহিবো তোমাত উপ সংহৰি।
শুনা এক চিতে আনন্দ কৰি।। ১৩৩৯
হৰি বিনে নাহি অপৰ দেৱ।
জানি হৰি পাৱে কৰিও সেৱ।।
যাহাৰ উপৰি পুণ্য সম্প্ৰতি।
সি সি জনে জানে নাম ভকতি।। ১৩৪০
ভকত সবে শুণ নাম গাই।
তাহাৰ মালাক গাঠি সদায়।।
পিন্ধয় কণ্ঠত উৎসৱ কৰি।
হেনসে ভক্তৰ সুহৃদ হৰি।। ১৩৪১
যিটো জনে ফুৰে নামক গায়।
তাৰ পাছে পাছে ফুৰা সদায়।।
ইটো মোৰ ভৈল বুলিয়া হৰি।
ৰাখন্ত কৌমুদকী গদা ধৰি।। ১৩৪২
অভয় পদৰ পৰশ পায়।
ৰাতি দিনে নাম নেৱে সদায়।।
এহি মানে জানা তত্ত্ব বিশ্বাস।
কহিলো তোমাত নাহি প্ৰয়াস।। ১৩৪৩
যতেক দেখা শুনা সমুদায়।
নামত শ্ৰৱণে বৈলা সোমায়।।
বিচাৰিয়া নাম ভকতি গায়।
সমস্তে লাগ পাৱে একে ঠাই।। ১৩৪৪
কত পুণ্যে নৰ শৰীৰ পায়।
নকৰা বিফল আক দুনাই।।
মোহ নিদ্ৰা এৰি লভা চেতন।
গুৰুৰ চৰণে কৰা যতন।। ১৩৪৫

কুকুৰকো খায় মহা ম্লেছ গণ।
তাৰো গতি হৰি নাম কীৰ্ত্তন।।
শুদ্ধে বা অশুদ্ধে হৰিৰ নাম।
বোলে বা শুনে ভনে অবিশ্রাম।। ১৩৪৬
তাহাৰ কিকৈবো পূণ্যৰ সীমা।
নচাৰে চৰণ নাম মহিমা।।
শুনা সৰ্বজনে শুক চৰিত্র।
আত পৰে গতি নাই কলিত।। ১৩৪৭
মানসাৰ আগে সাধুৰ বাক।
বিচাৰ কৰিয়া দেখিও আক।।
নকৰিবা নিন্দা পণ্ডিত লোক।
অল্পমতি বুলি ক্ষমিবা মোক।। ১৩৪৮
পূৰ্বাপৰ যত যুগুতি চায়।
সাধু সকলৰ দায়া যুৱাই।।
অজিজ্ঞাসি যিটো কৰয় নিন্দা।
তাহাক আমাৰ নাহিকে বাধা।। ১৩৪৯
এৰি পূৰ্বাপৰ পাপী পামৰ।
গৰ্ব অহঙ্কাৰো হোৱে ডাঙৰ।।
যেহিকি নোহোক আমাত দাই।
মহন্ত সবৰ কৃপা যুৱাই।। ১৩৫০
হৰিৰ চৰণে যত ভকত।
সংসাৰ মাজে আছে যত যত।।
থাকোক পিৰীতি তাহান পাৰে।
মোহোৰ শৰীৰ থাকয় যাবে।। ১৩৫১
সাধু সকলত ৰহোক চিত।
সংসাৰ সাগৰে এহিসে বিত।।
ভেবেসে এৰাও সংসাৰ তাপ।
বোলা হৰি হৰি খণ্ডোক পাপ।।
শংকৰ কিঙ্কৰে ভনে শূদ্ৰহীনে।
হৰি হৰি বোলা সমস্ত জনে।। ১৩৫২

* * * *

নাম পাতক

ঘোষা ঃ হে হৰি শঙ্কৰ দেৱ চৰণে কৰিলো আস।
তোমাৰ চৰণে শৰণ্যে নাম ধনে কিনা ভৈলো দাস।। ১১৩

পদ ঃ বুজিও মানসা পুৰতো ভাৰসা
নামে মাত্ৰ তৰিবাৰ।
অধৰ্মে পিড়িলে পাতকে জিনিলে
মলমতি একাকাৰ।।
তপ জপ যজ্ঞো বেদ পাঠ হোম
পঙ্কময় পাপ ভৱে।
দোষ অপৰাধ গুণে সাৰ কলি
কীৰ্তন কৰিয়া তৰে।। ১৩৫৩
শাস্ত্ৰ সাৰ ভেদ লৈয়া পৰিচ্ছেদ
গুৰু ধৰ্ম নামধৰি।
তিনি গুণে অস্ত্ৰ ধৰ্মৰ গৃহস্থ
একান্ত শৰণে হৰি।।
নভজি বৰ্বৰ পাপ কৰ্মে জড়
বধ ভাগী আপোনাৰ।
বৃথা মুনিসাই শাস্ত্ৰ সাৰ নাই
ব্যৰ্থ বাণী অহঙ্কাৰ।। ১৩৫৪
কি শাস্ত্ৰ নজানো কি কৰ্ম নপাৰো
শঙ্কৰ কাৰী কিসত।
আগে তিনি যুগ ধ্যানে যজ্ঞে পূজা
নামেসে কলি ভকত।।
সকলে শাস্ত্ৰৰ বাক্যে অনুজয়
বেদৰো আহ্নিক নাম।
ৰাম কৃষ্ণ মুখে ভাবিতে ভকতি
শুদিবন্ত কোন কাম।। ১৩৫৫

হেন দৰ্প্ৰবাণী যতেক অজ্ঞানী
ধৰন্তু নাম কপটে।
সাধন মুকুতি শাস্ত্ৰৰ যুগুতি
ভকতি নপাই লুম্পটে॥
নানা বন্ধমত উত্তনাৰ থান
পতঙ্গ ফিৰিঙ্গা নয়।
যতেক চতুৰ্য়া গাতোৰা কুমটি
গোৱালে ওঁৰা পাৱয়॥ ১৩৫৬
সুদে কি নজানি অস্ত্ৰৰ গৃহস্থ
ভাগবে অস্থিতা কৰি।
যেন তেলপাকে সবাকো বেৰাই
নামত ভজাই হৰি॥
মহা বিংশতিক পানী মৎস্য উদে
বুৰে হাৰাশাস্তি হই।
জহামালে পাই তৰতে তেকালি
বোলে ভাগ পাওঁ দুই॥ ১৩৫৭
হাস্য খলকিল শুনি গুৰু দেৱ
বোলন্ত উৎসব কৰি।
কৃষ্ণকেসে মাত্ৰ আমাৰ বিদিত
ভজন্তা ভজোক হৰি॥
মানিলা ভাস্কৰী সামান্য শঙ্কৰ
জাত্তিয়া আছন্ত আমি।
আপোনাৰ যশে আপোন পৰশে
আপোন দাসক পালি॥ ১৩৫৮
আপোনাৰ নামে আপোনাৰ গুণে
আপুনি সুমুন্ধ স্বামী।
কৃষ্ণেসে ঈশ্বৰ নজানে শঙ্কৰ
স্বভাৱতে অন্তৰ্যামী॥
যেহেন ঘণ্টিয়া টেন্টুৱা পিওৱা
সোণ্ককলা হেন গিলে।

একে চৰণৰ চৈধ্যায় চৰণ
বিনাজৰী চক্ষু সিলে।। ১৩৫৯
তত্ত্ব পৰিনীতি দিন মানে থাকি
ভকতি ধৰ্মৰ চিয়া।
সংসাৰে শঙ্কৰ ঈশ্বৰ শুনিয়া
পাপীৰ নসহে হিয়া।।
নিন্দকৰ নিন্দা পিঠি দিয়া লাজে
জনম সাম্ফল কৰা।
শয়ন ভোজন কৰন্তে অবোধ
শৱ সম তনু মৰা।। ১৩৬০
ৰাম কৃষ্ণ নাম গুৰু বোধ শিক্ষা
সৎসঙ্গীয়া পথ জুৰি।
যাক যেন কৰি দিলা দেৱহৰি
ভাগে ভাৰতৰ পুৰী।।
অন্তৰৰ জল বাহিৰে দেখাই
শিক্ষা বোধ কৰি নাম।
শ্ৰৱণ কীৰ্ত্তন ৰাজমাৰ্গ ভক্তি
ডাকি বোলা ৰাম ৰাম।। ১৩৬১

* * * *

ঘোষা : **হৰি মোৰে হৰি মোৰ শৰণ কালে।**
মৰণে নেৰিবা কৃষ্ণ গোবিন্দ গোপালে।। ১১৪

পদ : **কাৰণে কাহিনী কৰি পৰীক্ষে গোসাঁই।**
অৰ্ভক বিস্ময় হংসে ঘোটকৰ কাই।।
মৎস্য কূৰ্ম সিংহ ৰৰা নাৰায়ণ ব্ৰহ্ম।
ক্ষত্ৰিয় যাদৱ শূদ্ৰ কুলে হৰি হ্ৰস্ব।। ১৩৬২
ভৰিত জড়িত ভাৱে কুম্ভ কলেৱৰ।
মহন্তেসে জানে অন্ত মহাপুৰুষৰ।।

ভক্ত ভগবন্ত দুই নাই ভেদা ভেদ।
যুগল চৰিত্ৰ নিত পাতকৰ ছেদ।। ১৩৬৩
নজানে ধৰ্মৰ তত্ত্ব ভকতি বিচাৰ।
আন বুলি আন কহে মূঢ় দুৰাচাৰ।।
দশন কামুৰি ওষ্ঠ ফান্দে মন্দমতি।
ভকতি শুনিয়া কোপে কৰয় বিগতি।। ১৩৬৪
আঙ্গ জাঙ্গ শুদ্ধি বিনা দ্বাৰ দৰশাই।
কিবা প্ৰয়োজন তাৰ নাম যাৰ নাই।।
ৰজা প্ৰজা জানিলন্ত শঙ্কৰৰ মত।
চাৰিও বেদৰ মজ্জা ভকতিৰ তত্ত্ব।। ১৩৬৫
কলিৰ গৰিষ্ঠ ধৰ্ম গতি হৰি নাম।
ধৰ্মত পৃথক যত গৰিহিত কাম।।
স্ত্ৰী বস্তু বিদ্যাৰত্ন ভাগে মনোময়।
ঈশ্বৰৰ ভাগ ভিনি অনিশ্বৰ ক্ষয়।। ১৩৬৬
আই বাই তাই তিৰি পোষিবাৰ লাই।
বিচাৰত ভাগে ভাগ অবিচাৰে পাই।।
লোভীয়ে লোভক দেখি নচাই আগ পাছ।
মাকৰিৰ জালে যেন জোৰা নাহি সাঞ্চ।। ১৩৬৭
সেইমতে বন্দী যত জীৱ সংসাৰত।
যাৱদে নুহিকে নৰ হৰিৰ ভকত।।
বিনাগুৰু শিষ্যে পক্ষী পূৰ্বাপৰ জানি।
বৃক্ষ পক্ষী সহযোগী কৰ্ম মুখে বাণী।। ১৩৬৮
নাৰ্চুত নপৰি ক্ৰিয়া ধৰ্ম সমাগম।
ভাগ পাল ভগৱন্ত সমস্ততে সম।।
নিনে জয়াজয় ধৰ্ম অৰ্ধমৰ জন।
অনন্তো নপাই অন্ত অচ্যুত চৰণ।। ১৩৬৯
টাটকে নাচনি প্ৰায় কূট বাজিকৰ।
শঙ্কৰী মায়াৰ বাজি বাদি পটন্তৰ।।
অবাচক যত বণ্ড যত ম্লেচ্ছ গণ।
শঙ্কৰ সহিতে যাব মিলে মনে মন।। ১৩৭০

ভকতৰ প্ৰাণ মন হামাৰ ধৰ্মৰ।
বিদুৰত পৰিহৰা সঙ্গ দুসঙ্গৰ।।
তাহান সন্মানু শিক্ষা পৰিবৰ্ত্তি গণে।
নিজগুৰু পাৱে ধৰা শ্ৰৱণ কীৰ্ত্তনে।। ১৩৭১
অৰিতি অসূয়া সঙ্গ দুসঙ্গৰ ভঙ্গ।
যুগ ধৰ্ম হেলি আন অসুখী অভঙ্গ।।
ভকতি ধৰ্মৰ বৃক্ষ নামে গাছ শুৰি।
ডাকি হৰি হৰি বোলা পাপ বন পুৰি।। ১৩৭২

* * * *

ঘোষা : **হে শঙ্কৰ বন্ধু মোৰে নাৰায়ণ।**
মই অনাথৰ নাথ তোমাৰ চৰণ।। ১১৫

পদ : মহামুনি নিগদতি সাধু সৰ্বজ্ঞান।
শুনিও মানসা তুমি কহো বিদ্যমান।।
নাহি পৰমাৰ্থ তত্ত্ব ভকতি বিনাই।
এক কৃষ্ণ বিনে নাই দ্বিতীয় উপাই।। ১৩৭৩
চৰণত সেৱা পূজা গলধনত মাৰ।
একৈক কথাৰ কাল দ্বাদশ প্ৰচাৰ।।
চোতাল পদূলি বাট *সাজি *অঙ্গিনাত।
গৃহখান ধৌত কৰি ভৰ্চ্ছি মজিয়াত।। ১৩৭৪
নিলিপি নুমুচি নসাজিল পূৰ্ববত।
দূৰবো চপাই পৰে পাষণ্ড সমস্ত।।
কৃষ্ণৰ শুনিয়া চিয়া গোপী পৰীক্ষাত।
হাতেৰে পেলাই গোপী কৃষ্ণৰ ব্যথাত।। ১৩৭৫
গৃহত ধৰিয়া ধৰে দশনে অধৰ।

---

* সাজি—সজা বা পৰিষ্কাৰ কৰা —
* অঙ্গিনাত—বাৰাণ্ডা।

এতেকে ধেমালি কৰা চোৰ দামোদৰ।।
নৱৰ ঘৰিণী মই তুমি পৰ চোৰ।
স্নেহতে মঞ্জৰী দেই চুমাভে কামোৰ।। ১৩৭৬
মাধৱে বোলন্ত সখী মোৰ লগে পাছে।
গোপীগণে বোলে আমা হেন মন আছে।।
তথাপি গোৱালী নৈৰে হাসে ভগৱন্ত।
মুখতে কাপোৰে গোপীমুচুকে হাসন্ত।। ১৩৭৭
গোপীৰো নবাজে হাস্য দেখি বনমালী।
বাহুবলে সাবটিলা ধৰি আক্ষোৱালি।।
ভৈল এৰা এৰি ক্রোধে গোবিন্দ বদতি।
এৰ বুলি মাতা নেৰ গোপৰ যুবতী।। ১৩৭৮
জানুক ভাঙ্গিবে আজি উৰুৰো আৱৰ।
হেন নোবোলস ষেন বাণী পুনৰবাৰ।।
গলে ধৰি লাই পালি গোৱালৰ তিৰি।
অধৰ্ম্ম ৰতস ধৰ্ম্মে মই সদগিৰি।। ১৩৭৯
মোহোৱেসে সেৱা চোৰ আসিয়া ভাৰত।
চোৰকেসে চাই ফুৰো মই জগতত।।
মোকে পাসৰিয়া থাক গিৰি স্নেহ ভই।
তাহাৰ শপত খাস এৰিবোহো মই।। ১৩৮০
স্ত্রীক বুলিলন্ত হাসি শুনিও গৃহস্থ।
সবাৰো শপত দুই চৰণৰ অন্ত।।
গোসাঁই বোলন্ত হাসি আৰু বুদ্ধি আছে।
সিওখানি কৰো যদি কন্দুৱাইবো পাছে।। ১৩৮১
গোপিনী বোলন্ত নাথ আমি মৰো প্রাণ।
সৰ্বতত্ত্ব জানি দোষ এৰি অপমান।।
গোৱালী কান্দন্তে এৰাই গোবিন্দে সদাই।
নধৰিলা অপৰাধ পূৰ্ব্ব গুণ চাই।। ১৩৮২
কৈৰ পৰা আসে জীৱ কোনে পাই কাৰ।
সৱে তত্ত্ব জানি দোষ এৰিলা ইবাৰ।।

জন্ম ফল বলে আসি পাইলো সেৱিবাক।
তথু মায়া পাইলে কোনে পাৰে জানিবাক।। ১৩৮৩
হেনসে প্ৰভুৰ বাণী শুনি গোপিনীৰ।
সিদিনে ইদিনে লীলা দেখিও যদুৰ।।
শুদ্ধ সত্য ধৰ্ম কৰি আসিলা মুৰাৰী।
নাম হেন দিয়া গতি নিয়ন্তা উদ্ধাৰি।। ১৩৮৪
মুখে নাম হৃদি ৰূপ ধৰি চৰণত।
মায়াক জানিবে লাগে আপেক্ষি মনত।।
তেজস্বিৰ কৰ্ম নুহি নৰ মনুষ্যৰ।
এতেকে শঙ্কৰী মত শুদ্ধ ভকতৰ।। ১৩৮৫
আগে ৰামচন্দ্ৰ কৃষ্ণ পাছত শঙ্কৰ।
*গাণ্ডি গুণ ধনৰ বিকলে পৰাণৰ।।
তেজৰে কমলাপতি কমল লোচন।
পৰাম্পৰে সাধু যাৰ আৰাধে চৰণ।। ১৩৮৬
মহা সাধু নিগদতি ভৃত্য তনয়ত।
ৰাম কৃষ্ণ শঙ্কৰেসে আসি ভাৰতত।।
বিৰচিলা শূদ্ৰহীনে জানি অনুমান।
পণ্ডিত সকলে লৈয়ো ইহাৰ প্ৰমাণ।। ১৩৮৭
অনন্ত অচ্যুত হিয়া হৰি নাৰায়ণ।
নমো ভক্ত সেৱকক শঙ্কৰত মন।।
গৃহস্থ চৰণ অন্ত্ৰ হৃদয়ত ধৰি।
বোলা হৰি হৰি তৰা শঙ্কৰ সুমৰি।। ১৩৮৮

* * * *

---

*গাণ্ডি—তেজস্বী শক্তি।

ঘোষা ঃ **শঙ্কৰ শঙ্কৰ সৎসঙ্গে গুৰু।**
কলিৰ লোকৰ কল্পতৰু।। ১১৬

পদ ঃ কহো আদি অন্ত হৰিৰ কথা।
হৰি ভকতিৰ শুনা ব্যৱস্থা।।
অভাগীৰ ভাগ বিফল সেৱা।
প্ৰথমে চাপৰ দাহিনে বেয়া।। ১৩৮৯
ঘাট বাহিৰত নাহিকে ক্ৰম।
পাপ অপৰাধ পাপ জঙ্গম।।
মন শুদ শুদি অসৈয়া ভাৱে।
বুলনি নপাই বৰ বজাৱে।। ১৩৯০
মন্ত্ৰণা আলচিয়া লটি ঘটি।
কথা শিকিবাৰ ছলে কপটি।।
সেৱা কৰো বুলি চৰণে ধৰি।
নিন্দি বাজ ভৈল সৎসঙ্গ কৰি।। ১৩৯১
নাম ধৰ্ম শিক্ষা শিখিলো বুলি।
নৰ হেন জানি দুই বাহু তুলি।।
মায়াৰ ঈশ্বৰ মায়া কপট।
নজানি ভাঙ্গিলে সম্পুত্ত ঘট।। ১৩৯২
ইমুখে এৰাই পাপীৰ পাপে।
হাসি বুলিলন্ত জগত বাপে।।
হৰি হৰি কিনো মায়ায়ে বিধি।
লোকৰ মঙ্গলে নভৈল সিদ্ধি।। ১৩৯৩
শবদে অদ্ভুৰ অদ্ভুৰ কথা।
মোহোৰ আগতে বোলাই মতা।।
মোতে শক্ৰ বুদ্ধি কটুৰ মন।
মোৰে দেখি শুনি মোৰে শৰণ।। ১৩৯৪
এৰিয়া বিশ্বাস ভাঙ্গিলে বাৰ।
আপুনি চিন্তিলে আপোন মাৰ।।

আপোন মত হেলি মহৌষধি।
বৈৰ নকে পৰে মৰণ বুদ্ধি।। ১৩৯৫
কৰিয়া কৰাই কৰিবো তাক।
আপুনি গৃহস্থে বুলিলা বাক।।
দৈৱকী দায়াদে মোৰ সহাই।
তাস্ত উপদেশে বিধিনি চাই।। ১৩৯৬
ইটো নাম ধৰ্ম জগত জান।
নকৰো কাতৰ কাহাতো ত্ৰাণ।।
নাম ধৰ্মে ৰতি সাধুৰ সাজু।
কুতৰ্কি পণ্ডিতে পাতিলে বাজু।। ১৩৯৭
পায়া পৰিক্ৰিয়া ধৰ্মৰ চিয়া।
ভাঙ্গিবো ভান্দনা চান্দনি হিয়া।।
হেন কণাকণি কলহ কন্দ।
শঙ্কৰ নিন্দা গৰিহা দ্বন্দ্ব।। ১৩৯৮
কৰিবে লাগিলা অজ্ঞানী যত।
শুনিলা মানসা বুজিলা তত্ত্ব।।
ভকতি বিবোদ্ধি বাদৰ ওৰা।
দহে বজ্ৰসূকি গলে সাম্ফৰা।। ১৩৯৯
যদ্যপি সাক্ষে ঘাঙ্কৰ চাই।
নিষ্পাপী আনন্দ পাপী দুখাই।।
প্ৰবল ব্যাধিৰ এহিসে দাৰু।
যেন বুঁজাকৰ সহাই বাৰু।। ১৪০০
গৃহস্থৰ অন্ন চৰণে চিন।
তনয় কীৰ্তন নামৰ দিন।।
পণ্ডিতৰ তনয় হীন বদতি।
বোলা হৰি হৰি সাধিও গতি।। ১৪০১

* * * *

* বিহৰ—বৃত্ত—কৰাৰ্জীৰ্ণ

ঘোষা : গুৰুদেৱ নাম মোৰ মোহন ৰাম।
তোমাৰ চৰণে কৰো প্ৰণাম।। ১১৭

পদ : কবিৰ কাৰুণ্য শুনা নাৰায়ণ পৰ।
গুৰু সমুদ্ৰৰ কথা স্বাদ ৰস ঘৰ।।
ধৰলে শিপিনী হেন কাষ্ঠেৰে সুঁতাৰ।
বিনা কাষ্ঠে নিৰ্দোৰিত যন্ত্ৰণা কুঠাৰ।। ১৪০২
পটন্তৰ যুগলৰ বুজি অভিপ্ৰাই।
হাস্য নিন্দা আনন্দৰ যুগুতি যুৰাই।।
নিৰঞ্জন নিৰাকাৰ আকাৰাদি হয়।
বিক্ৰম বিহাৰে যশ গুণ গ্ৰাম কয়।। ১৪০৩
মৎস্য কূৰ্ম সিংহ বৰা প্ৰাণ মহাহৰি।
ক্ষত্ৰিয় যাদৱ শূদ্ৰ শান্ত ৰূপ ধৰি।।
গুৰু মূৰ্তি শিক্ষা গুঢ় ৰত্ন সাৰোধাৰ।
কবিতে নভেলে পূৰ্তি *চ়ৈয়া হামাৰ।। ১৪০৪
অশিষ্য শিষ্যৰ ধৰ্ম ভকতিৰ ভঙ্গ।
এৰিতে জুৰাই জানি অসতীৰ সঙ্গ।।
দাকু খাট চৌৰ পীড়া ধনৰ নিদানে।
হৰে অন্ন বস্ত্ৰ কৰে তাপাগ্নিৰ প্ৰাণে।। ১৪০৫
পাপ গ্ৰাহে গ্ৰহি পুৰি নাহিকে সহাই।
দিনে দিনে টুটে আয়ু কাল বহি যাই।।
আত্মাতত্ত্ব গুৰুবোধ ভকতিত হীন।
প্ৰলোভিয়া সুখ দুখ সুদিনে দুৰ্দিন।। ১৪০৬
অসাৰ্থক সাৰ্থ মানি পৰমাৰ্থ দুখী।
বিত্তা লুণ্টা কুণ্টা পাতি ইন্দ্ৰিয়ৰ সুখী।।
ভকতৰ ৰবে বৈৰী মহা মাধৱৰ।
ত্ৰিভুৱনে সিদ্ধি নাই সিটো অধমৰ।। ১৪০৭

---

* চ়ৈয়া—ৰাধা বিৰিনি

আপোনাৰ দোষ ভাগ মহন্তক দিয়া।
নিজ আত্মাঘাত কৰে কদৰ্যক হিয়া।।
গঙ্গোদে বাৰুনি যেন মিসলেক খাই।
হবেকি পাতক তাৰ জাতি কুল যাই।। ১৪০৮
সম্ভৱ সঙ্গম নুহি নাহিকে সৰ্বস।
শৰণ এ হৰি লৈলো বয়নে লপস।।
চঞ্চলা অদৃশ্যো মহাহৰি পদ দুই।
ঈশ্বৰ ঈচ্ছায়ে চিত সঁচা মিছা নুই।। ১৪০৯
ধৰ্মৰ গৃহস্থ অস্ত্ৰ চৰণ চৰ্ণৰ চোৰা।
বাসনা বধৰ বোজা আৰ্জ্জিতৰ হোৰা।।
অৰ্দ্ধক দুৰই উদ্ধে নাহিকে শকতি।
একানুৰে হেষ্ঠকাই পাপে মগ্নমতি।। ১৪১০
ৰাত্ৰি দিনে ধান্দা খেদ কামনাৰ পূৰ।
নিদ্ৰাতো আকুল চিত ভকতিৰ দূৰ।।
কৃষ্ণৰ মুখৰ গীতা ভাগৱত সাক্ষ।
অধৰ্মৰ বলে নাচে পাষণ্ড পিশাক্ষ।। ১৪১১
কটাক্ষৰ ঘোৰ দৃষ্টি পুৰিৰ উচাদ।
তেবেসে প্ৰমাণ সজ্ঞা পাপৰ প্ৰমাদ।।
যিহৌক সি হৌক দিনে দিনে কালে কাল।
যাৰ যাত ৰতি প্ৰীতি মতি মাতোৱাল।। ১৪১২
দায়া মোক কৰা সাধু সজ্জন সকল।
হৃদয়ৰ নিজ গুৰু চৰণ কমল।।
সংসঙ্গৰ মূলপদ পঙ্কজত ধৰি।
শঙ্কৰক গুৰু বোলা বোলা হৰি হৰি।। ১৪১৩

* * * *

ঘোষা ঃ হে শঙ্কৰ দেৱ বান্ধৱ মোৰে।
তুৱা পদ কমল যুগল সেৱা চোৱে।। ১১৮

পদ ঃ নিগদতি শুনা সাধু মানসা নন্দন।
জগতৰে যত ধৰ্ম গৃহস্থ চৰণ।।
যত দেখি শুনি বেদ বেদান্ত সকল।
ধৰ্মৰ ফলোদ্যে ফল পৃথিৱী মণ্ডল।। ১৪১৪
হোম যজ্ঞ পূজা পাঠ বিহিত বেদৰ।
ধৰ্মতেসে চৰাচৰ নাম স্বৰূপৰ।।
ধৰ্মৰ গৃহস্থ অস্ত্ৰ মহা নাৰায়ণ।
যশে নিৰঞ্জন পুৰী শ্ৰৱণ কীৰ্তন।। ১৪১৫
নাম লৈয়া তবে ভোট যৱন কছাৰী।
সজ্জনে নামকে নিন্দে কি বুলিতে পাৰি।।
শাস্ত্ৰে যিবা কহে কোনে কহিবেক কিক।
দেৱ দ্বিজ জন্ম পায় চাণ্ডালতো ধিক।। ১৪১৬
কুকুৰকো খাই ম্লেচ্ছ গণ নিৰন্তৰ।
সিও গুণ নাম যশ কহে শঙ্কৰৰ।।
অনেক যতেক ভক্তকৰে আবাহন।
অপযুক পন্থ কৰে অপানৰ পান।। ১৪১৭
গুৰু পত্নী সুৰাপান কৰে বাহুতালি।
নিন্দিতে নিন্দিতে নীচ চাণ্ডালৰ গালি।।
পূৰ্বৰ ভকতি পন্থে যাদৱ কালৰ।
কায়স্থে আসিয়া ব্ৰহ্ম কায়স্থ শঙ্কৰ।। ১৪১৮
লীলায়ে ভাঙ্গিয়া মুদ ভকতি ভাণ্ডাৰ।
গুৰু বোধ শিক্ষা কৰি শুদ্ধ সদাচাৰ।।
নামে পাপ নাশিবাৰ সামৰ্থক আছে।
যেন হুতাশনে কেক্কা শুকান নৰাছে।। ১৪১৯
হেন নাম পায়া শুদ্ধ সদাচাৰ গায়।
ভাগ্যৰ উপৰি ভাগ্য মিলিল সদায়।।
নামক নচাবে ৰাত্ৰি দিনে সাৱধান।
ভকত জনক দেখে প্ৰাণৰ সমান।। ১৪২০

নয়নে লোতক ঝৰে ৰোমাঞ্চ শৰীৰ।
সুশীতল শান্ত চিত বাক্য ধীৰ ধীৰ।।
আনন্দতে মজে ৰূপ ভজে হৃদয়ত।
ত্ৰৈলোক্যৰ পাপ হৰে সিজন ভকত।। ১৪২১
স্থূলে নিৰঞ্জন ব্ৰহ্ম মূলে নিজজন।
মহাপুৰুষক নামে হৃদয়ে কৰা মন।।
জনম মৰণ হীন কাৰণ নিমিত্ত।
লীলায়ে কৰাহা লীলা আসি পৃথিবীত।। ১৪২২
জগতৰে যত ধৰ্ম গৃহস্থ চৰণ।
শুনা সভাসদ জন কৰি একমন।।
ত্ৰিদশ দেৱতা মিলি নপাই সমসৰি।
দেৱ তীৰ্থে শ্ৰেষ্ঠ সাধু জানা নিষ্ঠ কৰি।। ১৪২৩
সাধু সঙ্গ বিনে আন নাহিকে উপাই।
জগতৰে যত ধৰ্ম পাৱে একে ঠাই।।
সন্ত উপদেশে তৱে ধৰি শুন নাম।
কহে জিহ্নু সুতে ডাকি বোলা ৰাম ৰাম।। ১৪২৪

* * * *

ঘোষা : সংসাৰ সাগৰে শুৰু সৎসঙ্গে শঙ্কৰ।
দোকানৰ সীমা বোধ কলি ভকতৰ।। ১১৯

পদ : সাধু নিগদতি শুনা কথা পৰিকৰ।
সকলে সমস্ত কৃষ্ণ পাৱে ভকতৰ।।
সৰ্বতত্ত্ব সেৱাতেসে স্বৰূপতে হয়।
সদা বস্তু সাৰোধাৰ নামেসে নিশ্চয়।। ১৪২৫
পিতৃ মাতৃ ভাই ভাতৃ সুহৃদ সোদৰ।
শঙ্কৰেসে গুৰু সৰে তাৰক লোকৰ।।
দিব্য চক্ষু জ্ঞান দান হৃদয়ে নিশ্চয়।
সমস্তে জীৱৰে সখা হৰিসে হৃদয়।। ১৪২৬

---

* জিহ্নুসুত—বৃকসাধুৰ তনয়। বৃকসাধু—কাজল জাটা। তনয়—বেদ তৰু।

নাৰায়ণ মায়াবাজি পুৰুষ শঙ্কৰ।
সমস্তে ভূতৰ সখা হৰিসে ঈশ্বৰ।।
নিৰঞ্জন নিৰাকাৰ দেৱৰো গুপ্যনি।
আনন্দে উৎসৱ কৰে হৰি গুণ শুনি।। ১৪২৭
পৰম ৰহস্য নাম বেদৰো অগম্য।
শঙ্কৰ মাধৱ মহাপুৰুষ উত্তম।।
মহাপুৰুষৰ মায়া নাজানিয়া বৃন্দ।
হেন গুৰু পূজা ৰাজা মাধৱ মকুন্দ।। ১৪২৮
হেন গুৰু নাৰায়ণ গুৰু জগতৰ।
শঙ্কৰক গুৰু বুলি জগতে উদ্ধাৰ।।
যত পুজোদক সবে নাম সম নুই।
সত্য সনাতন ব্ৰহ্ম পাদ পদ্ম দুই।। ১৪২৯
যাৰ ক্ষণকতে হোৱে ভকতি দুৰ্লভ।
ভক্তিত বিনাই নাই ভকতি সুলভ।।
নাই দোষাদোষ কিছু নামে নৰোত্তম।
সমস্তে সম হৰি নুহিকা বিষম।। ১৪৩০
হেন ৰাম কৃষ্ণদেৱ শ্ৰীমন্ত শঙ্কৰ।
সকলে নিগমে ওৰা ভাগ ধৰমৰ।।
যত উপনিষদ ভকতিক লাগি।
হৰি গুণ নাম গাই ভকতিৰ ভাগি।। ১৪৩১
ভকতেসে জানে জ্ঞানী কৰ্মী নজানয়।
ৰাম কৃষ্ণ শঙ্কৰেসে দেৱ দয়াময়।।
যাৰ যত বিনাশয় দিনসে দিনাই।
তপ জপ যজ্ঞোফল নামেসে মিলাই।। ১৪৩২
নকৰা সংশয় মন অজ্ঞানী পামৰ।
যত দেৱ দেৱী ধৰ্ম অধীন নামৰ।।
হেনয় নামৰ বশ্য ঈশ্বৰ শিৱাই।
মহিমা সুমৰি সবে শিৱে গুণ গাই।। ১৪৩৩
হেনয় শঙ্কৰ গুৰু সংসাৰে দুৰ্লয়।
সবাকো কৰন্ত হৰি নামেসে নিশ্চয়।।

মৰণ জীৱন আয়ু অঘট ঘটন।
সঙ্কট সময়ে লৈয়ো শঙ্কৰ চৰণ।। ১৪৩৪
নৰাখিলে ৰক্ষা নাই বিধিনি বিহিত।
স্মৰণিসে মহৌষধি নামে মহা বিত।।
গায়া গুণ যশমৃত হৃদয়ে ধৰা ৰূপ।
বোলা হৰি হৰি সবে তৰা ভৱকূপ।। ১৪৩৫

* * * *

ঘোষা : এ ৰাম হৰি নাৰায়ণ।। ১২০

পদ : নিগদতি সাধু সৰ্বজান।
শুনিও মানসা সাৱধান।।
নাম বিনে নতৰে সংসাৰ।
হৰি নামে জগত উদ্ধাৰ।। ১৪৩৬
নামক নলবে যিটো চাপি।
সেহিসে অসুৰ মহা পাপী।।
তাঙ্ক সম্ভাষণা যিটো কৰে।
আজন্মৰ পুণ্য তাৰ হৰে।। ১৪৩৭
সিও জন পৰম পাপৰ।
মহা দ্রোহী জানিবা নামৰ।।
তাৰ সঙ্গে যিটো নাম গায়।
নৰকত লবে সিটো ঠাই।। ১৪৩৮
পুনুতাৰ আউৰ জন্ম নাই।
দুনাই দুনাই যাত্রণা ভুঞ্জায়।।
যিটো নাম নেবয় মুখত।
তাক হৰি ৰাখয় সতত।। ১৪৩৯
অস্ত্র সস্ত্র জল বহ্নি ভয়।
সিংহ ব্যাঘ্রে নুহিকে প্রলয়।।
আনো প্রমাদত কৃষ্ণে ৰাখি।
প্রহ্লাদত লৈয়ো আৰ সাখি।। ১৪৪০

সততে হৰিক ধ্যান কৰে।
হৰি বিনে আন নুসুমৰে।।
হৰি বুদ্ধি আপোনাক মানি।
সমস্তকে আত্মা সম জানি।। ১৪৪১
এহিমতে যিটো নাম গায়।
তাঙ্ক হৰি ৰাখয় সদায়।।
সেহিসে পৰম সাধু নৰে।
সাধু সঙ্গে সদা ৰতি কৰে।। ১৪৪২
সঙ্গ লৈয়া কৰয় কীৰ্ত্তন।
সেহিজন জানা নাৰায়ণ।।
শঙ্কৰ বদতি মাধৱত।
কহো মই তোমাৰ আগত।। ১৪৪৩
ভকতেসে মোৰ নিজ প্ৰাণ।
ভকতত বিনে নাই আন।।
ভকতৰো মইসে হৃদয়।
মই বিনে আন নজানয়।। ১৪৪৪
ৰাত্ৰি দিনে মোৰ গুণ গায়।
মই ব্যতিৰেকে আন নাই।।
মোকেসে চিন্তয় সৰ্বক্ষণে।
শুনা সমাজিক একমনে।। ১৪৪৫
শঙ্কৰেসে গুৰু জগতৰ।
মাধৱেসে হৃদিৰ ঈশ্বৰ।।
জানিয়া শঙ্কৰ পাৱে ধৰা।
মাধৱক সততে সুমৰা।। ১৪৪৬
আতপৰে নাহিকে উপায়।
বেদৰো এহিসে অভিপ্ৰায়।।
কত পুণ্যে পাইলা নৰতনু।
বিফল নকৰা আৰু পুনু।।
শঙ্কৰক মনত সুমৰি।
জানি ডাকি বোলা হৰি হৰি।। ১৪৪৭

* * * *

ঘোষা : গোবিন্দ শংকৰ গুৰু গোসাঁই।
ভকতৰ বন্ধু নামে লীলাই।। ১২১

পদ : নিগদতি সাধু পুত্ৰক চাই।
শুনিও মানসা কহো বুজাই।।
সাধনা ফলৰ ভাগ্যেসে সাৰ।
সু-কৃত জন্ম জানি আপোনাৰ।। ১৪৪৮
একান্ত শৰণে নাম ভকতি।
চৰণ চাৰিয়া নযাই মতি।।
ভকতৰ কাল বিঘ্নি পলায়।
হাতে অস্ত্ৰ ধৰি ৰাখে সদায়।। ১৪৪৯
নাহি শত্ৰু মিত্ৰ সবাতে সম।
আপোনাৰ মনে অন্তক যম।।
অধৰ্মক ধৰ্ম কৰি পাষণ্ড। ১৪৫০
ধৰ্মৰ উচিত মিলাবে দণ্ড।।
বিষয়ৰ ৰসে মজি বৌৰস।
দিন মান কাল সীমা সৰ্বশ।।
কিসক বাঞ্ছিল কিস পিসাঞ্চী।
দোৰ্ঘোৰ নৰক যাতনা সাক্ষি। ১৪৫১
হৃদয়াত এৰিয়া সাৰেঙ্গ পাণি।
ব্ৰহ্মা হৰে যাক আৰাধে জানি।।
শংকৰ দেৱৰ দুৰ্বশ কয়।
স্বেচ্ছাচাৰে লাগি ধৰম লয়।। ১৪৫২
নুহি গুৰু বোধ ভকতি ভাগি।
বৌদ্ধে উন্মত্ত পাপত লাগি।।
অসপুৰি লীলা কেলিক কৰি।
নৰকক পাপী যজাই মৰি।। ১৪৫৩
যেন নদী নদ জবে সাগৰে।
ভকতক পাই সংসাৰি তৰে।।

সংসাৰ ভৰিয়া জুৰি অনেক।
মুকুত কোটিৰ মাজে জনেক।। ১৪৫৪
অমৃতৰ হান্দি পায়া পেলাই।
নৰকে আনন্দ শুকৰ প্ৰাই।।
পদ্ম পাৰিজাতে ভ্ৰমৰা গণ।
পদ পঙ্কজৰ চৰণে মন।। ১৪৫৫
পৰম পুৰুষ পৰমানন্দ।
নামেসে ভকতি মহা আনন্দ।।
হেন প্ৰাণ মোৰ যাদৱ ৰাই।
মানন্তা জনৰ গুৰু গোসাঁই।। ১৪৫৬
কিছু নাহি নাহি নাহিকে আৰ।
যি পাপীৰ মনে পৰিয়া হাৰ।।
ভাৰা কপণ্টালি নাহিকে সিদ্ধি।
যেন নিস্কেত্ৰিয়া খেতিৰ বৃদ্ধি।। ১৪৫৭
যেন ধেৰাবীৰ ধাঙকুৰ বাণী।
আনত লগাই কান্দয় তানি।।
তাইৰ গোটে জনা নজানে আন।
যুগুতি জুৰাই যেন সম্বিধান।। ১৪৫৮
সৎ সঙ্গীয়া দানে কুসুম ল'বা।
ভাল যে মাকৰ ভাল গৰ্ভুৰা।।
ভাল বাপেকৰ পোৱালী ভালে।
তিনি ভাল ভেদি এগোটা সালে।। ১৪৫৯
সৎসঙ্গে শংকৰে যশেৰ নিয়া।
আপোন জননী পেট পুৰিয়া।।
শ্ৰৱণ কীৰ্ত্তনে নচাৰে পাশ।
বোলা হৰি হৰি তেজি আলাস।। ১৪৬০

* * * *

ঘোষা : ৰাম নিজ স্বামী কৃষ্ণ নিজ স্বামী।
জগতৰ গুৰু নিজ কৃষ্ণ অন্তৰ্যামী।। ১২২

পদ : পুত্ৰক সম্বোদ্ধি সাধু বদতি।
শুনিওঁ মানসা একান্ত মতি।।
ধৰ্ম অপঘাত অস্ত্ৰৰ ঘাই।
কালান্তক ৰূপে থাকন্ত চাই।। ১৪৬১
খণ্ডাল সৰ্পৰ কটিৰ মাৰ।
নচাৰন্ত কোপ দোষ নামৰ।।
গুৰু অপৰাধে নামৰ দ্ৰোহী।
আপুনি মূৰ্ছিত দুখে নসহি।। ১৪৬২
বেদান্তৰ সাৰ আপোন বাণী।
ফল প্ৰায়চিত কৰন্ত জানি।।
নতু আত্মা পাই গোমৰ বল।
নুহি ফেঁটি গোম ধাক্কাৰ তল।। ১৪৬৩
যেবে সমুচিত কৰৈ বেকত।
তেবে নাম ধৰ্ম বোলে জগত।।
যাৰ কটাক্ষতে জগ সংহাৰ।
হেন চৰণৰ মহিমা সাৰ।। ১৪৬৪
অধৰ্ম অৰণ্য পোৰয় চনি।
নামেসে ভকতি ধৰ্ম অগনি।।
আপোনাৰ নাম মিলাই জুৰি।
বাটৰ বটুৱা বজাই পুৰি।। ১৪৬৫
ব্ৰেথা পুৰি খোৱা মাৰন্তাকন।
সৰ্ব গুণাকৰ উচিত জন।।
ভকতৰ প্ৰাণ বন্ধু শংকৰ।
অধৰ্মৰ মনে মনাই নৰ।। ১৪৬৬
জীয়াক এৰিয়া মৰাক শোক।
ভালেউ নপাই মৈত্ৰকী লোক।।

শৰ সম তনু আতমা মাৰি।
হাতে হৰুৱাই সাৰেঙ্গ পাণি।। ১৪৬৭
শূদ্ৰ বুলি নিন্দা কৰি বচন।
কৰ্ম্ম পাশে ভুলি পাপী দুৰ্জন।।
আপোনাৰ নামে ধৰম ধাৰী।
জগত জয়তি গুৰু মুৰাৰী।। ১৪৬৮
গুৰু দ্ৰোহী ভৈলে নামত কক্ষা।
ভকত দ্ৰোহীৰ নাহিকে ৰক্ষা।।
যাত হন্ত হোৱে নামৰ খ্যাতি।
সহন নযাই হৃদয়ে আতি।। ১৪৬৯
কাৰ শিশু মাৰি কোথাৱে যায়।
যাৰ যশ বিনে উপায় নাই।।
মহা মাধৱৰ কীৰ্ত্তন যশ।
ভকত জনৰ বিত সৰ্বশ।। ১৪৭০
যাহাক নজানি পাষণ্ড পৰে।
কল্কিত পাষণ্ড দোহাৰ কৰে।।
পাতকীৰ পাপে আত্মাৰ ঘাট।
মৰিও নেৰাৱে যমৰ হাত।। ১৪৭১
বাক্যৰ বাহিৰ ধৰ্ম্মৰ বাক।
থাকন্তো নথাকে হৃদয় মাজ।।
চৌধ ভুৱনৰ বাহিৰ হৰি।
মুখে নাম ৰূপ হৃদয়ে ধৰি।। ১৪৭২
গৃহস্থৰ আজ্ঞা আদেশ পায়।
কহন্তো কবি হীনে গুণ গায়।।
গুৰু শিক্ষা মূল মন্ত্ৰক ধৰি।
পাপৰ এৰাই বোলা হৰি হৰি।। ১৪৭৩

* * * *

নাম মহৎ

ঘোষাঃ মকুন্দ মুৰাৰী মোহন ৰাম।
তোমাৰ চৰণে কৰো প্ৰণাম।। ১২৩।।

পদ ঃ চিদানন্দ ৰূপে হৰি জানি আপোনাত।
ব্যাপক স্বৰূপে বিষ্ণু আছন্ত সবাত।।
নিজ গুৰু নাৰায়ণ হৃদয়ৰ মাজ।
ধৰ্মক কৰিলা দান নাম ব্যাপি ৰাজ।। ১৪৭৪
নাম ধৰি আছে সৃষ্টি স্থিতি জগতক।
এতেকে নেৰিবা হৰি নাম শঙ্কৰক।।
সংসাৰ সাগৰ মাজে যতেক প্ৰবৃত্তি।
হৰিৰ কীৰ্তন নাম ধৰম নিবৃত্তি।। ১৪৭৫
গুৰু শিক্ষা জ্ঞান নাম সুহৃদ বিশ্বাস।
জগতৰ যত ধৰ্ম নামত নিবাস।
কেশৱৰ পদে ধৰি ধ্যানে মাধৱক।
নামে উপাসক জানি মহাপুৰুষক।। ১৪৭৬
কলিত কীৰ্তন বিনে নাহিকে উপাই।
ভকতৰ সঙ্গে ৰতি মতিক মিলাই।।
আসুৰি অৰীতি এৰি কপটে *পৈশূন্য।
সত্য শৌচ ক্ষমা দায়া নাশ যাই গুণ।। ১৪৭৭
সম দম ভাগ্য নষ্ট কৰে *দুঃসঙ্গত।
সন্তৰ সঙ্গতি সাৰ শাস্ত্ৰৰ সম্মত।।
মহন্তৰ সঙ্গ লৈয়া হৰি পৰায়ণ।
অচিন্ত্য ঈশ্বৰ হৰি নামেসে তৰণ।। ১৪৭৮
গুৰু ধৰ্ম এৰি হোৱে কুবুদ্ধি বৰ্জিত
তীৰ্থেসে তাৰিব বুলি যাৰ ভৈল চিত।।

---

* পৈশূন্য— নিন্দুক বা নাস্তিক।
* দুঃসঙ্গত— অসৎ সঙ্গত।

গঙ্গাকো মলিন কৰে পাতেক প্ৰচুৰ।
যাহাৰ কৰ্ণৰ ৰন্ধ্ৰে হৰি নাম দূৰ।। ১৪৭৯
আপুনি নগাৱে ধৰ্ম আনৰো নুশুনে।
আপোনাৰ গুণে নাশ হোৱয় আপোনে।।
তাৰ বোলে লৱে তাৰ সমদুৰাচাৰ।
নজানন্ত শাস্ত্ৰ যিটো বেদ বিধি সাৰ।। ১৪৮০
সৰ্ব অৱতাৰৰ কাৰণ নাৰায়ণ।
ছদ্ম কৰি গুৰু ৰূপে কুসুম নন্দন।।
শঙ্কৰ কিৰীতি কথা সাধুৰ মধুৰ।
সংসাৰে আৰ্জিত পাপ নামে মষিমূৰ।। ১৪৮১
পৰম মঙ্গল নাম ব্যাধি বিষয়ৰ।
সংসাৰ সাগৰে *দাৰু নাম ভকতৰ।।
সঙ্গ লৈয়া কৰা নিতে শ্ৰৱণ কীৰ্তন।
নামৰ অভ্যাসে তবে বেদৰ বচন।। ১৪৮২
সমগ্ৰে নলাগে নাম তৰুনৰ হেতু।
পাৰ্বতীৰ আগে পূৰ্বে কৈলা বৃহকেতু।।
ৰাম বুলি পাৱে ফল সহস্ৰ নামৰ।
ভাণ্ডাৰ সহিতে আৰু মিলিল লোকৰ।। ১৪৮৩
সংসাৰ সাগৰ দুখ তৰণৰ পদে।
একান্তে নেৰিবা নাম জানি সভাসদে।।
দুৰ্লভ মনুষ্য তনু গলে বান্ধা নাম।
নেপাইবা *সেঠুৰে পুনু বোলা ৰাম ৰাম।। ১৪৮৪

* * * *

---

* দাৰু - ওষিধ।

* সেঠুৰে —সততে নোপোৱা। পুনৰাই নোপোৱা।

ঘোষাঃ গোপাল ভাবিও ৰাম কৃষ্ণ নাৰায়ণ।।
সংসাৰে শঙ্কৰ মহা গুৰুৰ চৰণ।। ১২৪

পদ ঃ পুৰাণ পুৰুষ ব্ৰহ্মা শিৱ সনাতন।
বিষ্ণু প্ৰভু ব্যাপক বিভঞ্জন বিসৰ্জন।।
হেনয় ঈশ্বৰ কৃষ্ণ নন্দৰ নন্দন।
শঙ্কৰ স্মৰণে ধৰ্ম নামত শৰণ।। ১৪৮৫
গুৰু পৰম ব্ৰহ্ম দ্বিজ বৰ্ণত প্ৰধান।
নুহি পতিব্ৰতা গুৰু শিক্ষাৰ সমান।।
সমস্তে প্ৰাণীৰ নিজ গুৰু নাৰায়ণ।
শঙ্কৰক মনে ধৰি নামত তৰণ।। ১৪৮৬
গুৰুৰ চৰণে মনে শিৰোগত কৰি।
কৃষ্ণৰ চৰণ দুই হৃদয়ত ধৰি।।
মাধৱৰ পাদ পদ্ম নৌকা কৰি সাৰ।
তৰিবা অযত্নে নামে ভয় নাহি আৰ।। ১৪৮৭
শাস্ত্ৰত পণ্ডিত নৰ হৰিত ভকত।
সেহি গুৰু উপদেশ দিবাক শকত।।
নাজানে শাস্ত্ৰৰ দৃঢ় বেদ সমদম।
আনক শিক্ষাইবে কিবা আপুনি অধম।। ১৪৮৮
নাম বিনে গতি জাতি মুকুতি বৰ্জিত।
জানিয়া হৰিৰ নামে কৰা একচিত।।
সংসাৰে সাগৰে হৰি নামেসে হৃদয়।
অচিন্ত্য মহত মহা কুসুম তনয়।। ১৪৮৯
নামৰ কীৰ্তন ধৰ্ম গৰিষ্ঠ কলিত।।
বিনা হৰি নাম সিদ্ধি নসাধে কিঞ্চিত।
শ্ৰৱণ কীৰ্তন হৰি নাম শঙ্কৰৰ।।
একান্তে নেৰিবা নাম সঙ্গে ভকতৰ।। ১৪৯০
নামক নেৰন্তে নেৰে হৃদয় কমল।
বৈষ্ণৱৰ পদ ধূলি কৰিয়া যুগল।।
মহন্তৰ সেৱা বিনে কৃষ্ণক নপাই।
ঈশ্বৰ শঙ্কৰ দেৱ গোবিন্দ গোসাঁই।। ১৪৯১

মহাপুৰুষৰ মায়া জগতত ঈশ্বৰ।
নামেসে ভকতি গতি মুকুতি জীৱৰ।।
মায়াৰ মহত মহা বল আপোনাৰ।
মনুষ্য শৰীৰ ধৰি ভৈলা অধিকাৰ।। ১৪৯২
শ্ৰৱণ কীৰ্তন কৰি মিলায়া ভকতি।
শঙ্কৰ হৰিক স্মৰি অগতিৰ গতি।।
হৃদয়ৰ গুৰু এক সত্য সনাতন।
কেবলে অসত্য আন সত্য নাৰায়ণ।। ১৪৯৩
কৰিও বিশ্বাস নাম কণ্ঠে হেমহাৰ।
হৰি কীৰ্ত্তনেসে মুখ্য মুকুতি সবাৰ।।
হৰি নাম বিনে নাহি ভকতৰ বিত।
পাপীৰ নিন্দাত পিঠি নলৰিয়া চিত।। ১৪৯৪
নামৰ কীৰ্ত্তনে ঘোৰ সমুদ্ৰক তৰি।
মায়াময় পুত্ৰ ভাৰ্যা নুহি সমসৰী।।
পুণ্য অৰণ্যৰ জন্তু কেশৱৰ নাম।
ধৰ্ম অৰ্থ কাম মুখ্য বন্ধ স্বৰ্গ কাম।। ১৪৯৫
ভক্তি বৰ্দ্ধ হৰি নাম শ্ৰৱণ কীৰ্ত্তন।
জগত জাতক যত জনক তাৰণ।।
শঙ্কৰ গুৰুৰ ধৰ্ম নাম অনুপাম।
তৰিও সংসাৰ সবে বোলা ৰাম ৰাম।। ১৪৯৬

* * * *

ঘোষাঃ বান্ধৱ শঙ্কৰ হে তুমি অগতিৰ গতি।
আগম পাষণ্ড পাপ সংহাৰ জগত বাপ
নাম ধৰ্ম প্ৰকাশি ভকতি।। ১২৫।।

ছবি ঃ মুদা ভাঙি দিলা নাম নাথাকিল আন কাম
তপ জপ যোগ ভৈলা দূৰ।
মাধৱৰ পাদ পদ্ম কেশৱত এৰি ছদ্ম
চিন্তা পাৱে ঈশ্বৰ প্ৰভুৰ।।

বাঞ্ছিত পূৰ্ণ মন গিৰিহন্ত নাৰায়ণ
শ্ৰৱণ কীৰ্তন দিলা কৰি।
জগন্নাথ লগে জন্ম যত দেৱ দানৱৰ
ভাৱতে মানৱী তনু ধৰি।। ১৪৯৭

কৰিলা পাষণ্ড বাদ নাম ধৰ্ম্ম উচাদনে
সাধুৰ সুহৃদ জীৱ প্ৰাণ।
ৰাখিলন্ত বেদ বিধি শ্ৰুতি *স্মৃতিৰ পতি
হৰি নাম ভক্তি দিলা নাম।।

দেৱৰ অমৃত ভোগ দানৱৰ নুহি যোগ
দুষ্ট শঠ কপটি সুৰাৰ।
দানৱক *নিযুজিলা দেৱক অমৃত দিলা
শ্ৰৱণ কীৰ্তন আপোনাৰ।। ১৪৯৮

যুগৰ নিৰ্ণয় শেষ শুনিওক উপদেশ
কলিৰ মলিন যত প্ৰাণী।
বুদ্ধিত চতুৰ আতি নবাছে অজাতি জাতি
সদাৱে কপট ছদ্ম বাণী।।

ধৰ্ম ধৰ্ম বুলি কয় *অন্তে আন আচৰয়
হৰি ভকতিৰ কৰি ঘোৰ।
নিচিন্তয় যদুমনি বেদবিধি শাস্ত্ৰ শুনি
মনে যাৰ কষ্ট অসন্তোষ।। ১৪৯৯

ৰাম কৃষ্ণ শঙ্কৰক বিটো দেখি জগতত
প্ৰত্যেক প্ৰমাণ আছে তাৰ।
তৰিল দুষ্টৰ মায়া নচাৱন্ত ভূত দায়া
প্ৰাণীত নচাৱে সত্তকাৰ।।

জগতৰ নিজ গুৰু আত্মা জানি নাৰায়ণ
চিদানন্দ ৰূপে আপোনাত।
*অলখিত মহা হৰি শ্ৰৱণ কীৰ্তন ধৰি
সাধু সবে কৰন্ত সাক্ষাত।। ১৫০০

---

* স্মৃতিৰ — স্মৃতি শাস্ত্ৰ। * নিযুজিলা — বঞ্চিত কৰা।
* অন্তে — অন্তৰ। * অলেখিত — অলেখ, নিৰ্গুণ নাৰায়ণ।

সাধুৰ বেদৰ বাণী কহিলা সম্বোধ জানি
শূদ্ৰহীন বদতি পদত।
শঙ্কৰো দাসৰো দাস নিৰোপেখ অপেখ
প্ৰণামোহো সন্তৰ সঙ্গত।।
আগম পাষণ্ড মত এৰিও আসুৰি মত
শুদ্ধ সত্য ধৰ্ম সদাচাৰ।
কৃষ্ণ নাম নাহি অন্ত ভগৱন্ত সীমাকৰ
হৰি নাম সংসাৰ নিস্তাৰ।। ১৫০১
শুনিওক সভাসদ এহিসে ধৰ্মৰ তত্ত্ব
শঙ্কৰ চৰিত্ৰ সাৰ কৰা।
বিচাৰে লভয় গতি অবিচাৰে মন্দ মতি
জানিয়া শাস্ত্ৰৰ মত ধৰা।।
কৃষ্ণ পদ সীমা জানি নেৰিবা শঙ্কৰ বাণী
মহাপুৰুষৰ নাম স্মৰি।
নামেসে লগৰ ধন নামত মজিও মন
এতেকে ঘোষিও হৰি হৰি।। ১৫০২

* * * *

ঘোষা : ওঁ হৰি হৰি দীন দয়াল
চৰণে শৰণ মাগো।
তযু নামে হিয়া ভকতি অমিয়া
তোমাৰ চৰণ মাগো।।১২৬
দুলড়ী : ঈশ্বৰ শঙ্কৰ ৰাম জগধৰ
শিৱ সনাতন হৰি।
আগম সংহৰি ভণ্ডাৰক চুৰি
লোকক কৰুণা কৰি।।
কৃষ্ণ কৃপাময় দৈৱকী তনয়
গুৰু দেৱ নাৰায়ণ।

---

* *নিৰোপেখ অপেখ — পক্ষপাতী নোহোৱা। তটস্থচিত।*

জীৱৰ জীৱন দীন দয়াকৰ
প্ৰকাশিলা গুণ গণ।। ১৫০৩
জন্মান্তৰি পুণ্য জীৱৰ কাৰুণ্য
ভকতিসে বিদ্যমান।
পাপ সাগৰত তৰিলা লীলাই
জগতৰ নিজ প্ৰাণ।।
শৰণ্যে শঙ্কৰ ভকতৰ গুৰু
জাতপৰে নাহি বন্ধু।
হৰি ভক্তি দান দিয়া জগতক
তাৰিলা সংসাৰ সিন্ধু।। ১৫০৪
হেনয় চৰিত্ৰ এৰি আনকথা
শুনয় কোন নিলাজে।
সংসাৰ সাগৰে যিটো কৰ্ত্তাকাৰী
নাহি নাৰায়ণ বাজে।।
জাৱদেকে সৃষ্টি তাৰে ৰাম কথা
কৃষ্ণৰ কিৰীতি সাৰ।
গুৰু শিক্ষা মন্ত্ৰ ধন পৰলোক
শঙ্কৰ কৃত্য নিস্তাৰ।। ১৫০৫
শঙ্কৰ চৰিত্ৰ শ্ৰৱণ কীৰ্ত্তনে
হাততে মুকুতি মিলাই।
পৰম যতনে ধৰি একমনে
বুজিয়া তত্ত্ব লোকাই।।
সমস্তে শাস্ত্ৰৰ বেদ বেদান্তৰ
নামে কৰা অনুমতি।
নামেসে স্ব-ধৰ্ম্ম যুগৰো সম্ভেদ
কলিত কীৰ্ত্তনে গতি।। ১৫০৬
নাম এৰি শ্ৰম তপ জপ যোগে
দুখ পাৱে অজ্ঞজন।
ৰাম কৃষ্ণ নাম স্মৰিও শঙ্কৰ
হৰি পাৱে দিয়া মন।।

নামেসে ভকতি শাস্ত্ৰৰ সন্মত
নামেসে হৰি হৃদয়।
হৃদয়ৰ বন্ধু ৰাম নাৰায়ণ
কুসুম দেৱ তনয়।। ১৫০৭
মহাপুৰুষৰ মায়াৰ সংসাৰ
মায়াৰ বিনন্দ পুৰি।
পালন্তা গোবিন্দ পদ অৰবিন্দ
ভজিওক হেন হৰি।।
মৎস্য কূৰ্ম সিংহ কৰুণা সাগৰ
বামন বাৰাহ দেৱ।।
মায়াৰ ঈশ্বৰ দেৱতাৰো দেৱ।
যত পৰে নাহি কেৱ।। ১৫০৮
আগম সংহাৰে নামৰ প্ৰচাৰ
বেদ বিধি শাস্ত্ৰ ৰাখি।
মূৰ্খৰ বাক্যত নাহিকে সঞ্জাত
স্বৰ্গ খণ্ডে লৈও সাক্ষী।।
কপট শৰীৰে ধৰি নৰকাই
নিৰঞ্জন নিজ হৰি।
সংসাৰক পালি আগম নিকালি
পাপীক কৰুণা কৰি। ১৫০৯
শঙ্কৰ স্মৰণে সঙ্কট সময়ে
নেৰিবাহা নাম জানি।।
সমস্তে শাস্ত্ৰৰ সাৰ হৰি নাম
সমষ্যাৰ যত প্ৰাণী।।
নকৰা বিফল জন্মৰ সাফল
হৰি নামে সাৰ কৰা।
ভকতি বিনাই গতি নাই নাই
নাহি যাৰ সি সি মৰা।। ১৫১০
শৱ সম তনু নামেসে জীৱন,
মনুষ্য হৈবাৰ হেতু।

চিন্তা মনি জন্ম হাততে হেৰাই
ভাবিও গৰুণ্ড কেতু।।
শঙ্কৰ চৰণে গুৰু শিক্ষা মনে
ভনে শুদ্ৰহীণে ধৰি।
শাস্ত্ৰৰ যুগুতি হাততে মুকুতি
ডাকি বোলা হৰি হৰি।। ১৫১১

* * * *

ঘোষাঃ ৰাম যদু ৰাহি কৃষ্ণ যদু ৰাহি।
সংসাৰে শঙ্কৰ মহা পুৰুষ গোসাঁহি।। ১২৭

পদ ঃ কহিলো শুনিলা যেন পৰ্ব সদাচাৰ।
বেদ বিধি নীতি শাস্ত্ৰে ভকতিসি সাৰ।।
শ্ৰৱণ কীৰ্তন-নামে নাহিকে নিয়ম।
অজাতি অধম *ৰণ্ড অন্তেজ উত্তম।। ১৫১২
নবাচে ভকতি জাতি অজাতি স্মৰণে।
হৰি মূৰ্তি কৰে সাধু নামৰ গহনে।।
যতেক বৈষ্ণৱ যেন হৰিৰ সদৃশ।
কৃষ্ণ নাম স্মৰি কৃষ্ণ নুহইবেক কিস।। ১৫১৩
শঙ্কৰ চৰণ দুই হৃদয়ত ধৰি।
নাম ধৰ্ম দানে সৃষ্টি প্ৰবৰ্ত্তক হৰি।।
যাৰ নামে নাম ধৰ্ম জগতৰ গতি।।
নিগুণ পুৰুষ গুণ সাগৰৰ পতি।। ১৫১৪
সদা সুমৰণে থিতি হৃদয়ৰ মাজ।
নামৰ কীৰ্তনে ব্যাপি বৈলা সামৰাজ।।
বেহাৰ সহিতে সুম কাম পৰি যত।
শঙ্কৰক লাগ পায়া সকলে ভকত।। ১৫১৫

---

* ৰণ্ড — নটী।

অনন্ত যোনীত নিজ পিতৃ ইষ্টদেৱ।।
ঈশ্বৰত বিনে মহা বিষ্ণু নাই কেৱ।।
ব্ৰাহ্মণ ক্ষত্ৰীয় বৈশ্য শ্ৰেষ্ঠ তিনি জাতি।
হৰি ভকতিক কৰ্ণ নুশুনয় পাতি।। ১৫১৬
জগতৰ গুৰু কৃষ্ণ ৰাম নাৰায়ণ।
এতেকে শঙ্কৰ শূদ্ৰ কুলে উতপন।।
মহাপুৰুষৰ মায়া মহিমা অপাৰ।
গুণ নামে যশ কৃত্যে পূৰ্ণ অৱতাৰ।। ১৫১৭
ঐশ্বৰ্য্য বিভূতি মুক্তি শাস্ত্ৰ সমে নাম।
ধৰ্ম অৰ্থ কাম মোক্ষ *বৰ্গ স্বৰ্গ কাম।।
সৰ্ব শক্তি মুক্তে পূৰ্ণ ব্ৰহ্ম সনাতন।
চৌত্ৰিশ বৰ্ণতে শ্ৰেষ্ঠ জানিবা ব্ৰাহ্মণ।। ১৫১৮
*বাহৱতে যজ্ঞোকাই দ্বিজৰ প্ৰধান।
গায়ত্ৰী নভৈলে হীন চাণ্ডাল সমান।।
দশ দ্বিগ পালে সূত তিনি গুণে মূল।
ৰাম কৃষ্ণ নাৰায়ণ গুৰু অনুকূল।। ১৫১৯
বিপ্ৰক নমানে যিটো অজ্ঞানী অধম।
দ্বিজেও নুহিকে ভক্ত চাণ্ডালৰ সম।।
চাৰিও বেদৰ শাখা নামেসে ভকতি।
একান্ত শৰণে যাৰ নিমৰ্জ্জিল মতি।। ১৫২০
ৰাম অৱতাৰে *গুহ সবাতো অধিক।
ভক্তি চাণ্ডালিৰ কথা কহিবোহো কিক।।
নাৰদে বোলন্ত যাক চাণ্ডালিনী আই।
তোমাত বন্দিলে হেন মোত দোষ নাই।। ১৫২১
চাৰিও বেদৰ মূল জানিলি কৃষ্ণক।
পবিত্ৰ কৰিলা লোক তাৰিলা কুলক।।
গুৰু অৱতাৰে প্ৰভু গৃহস্থ শঙ্কৰ।
গুৰুশিক্ষা বোধ কৰি নামে নিৰন্তৰ।। ১৫২২

---

* বৰ্গ — শ্ৰেণী।
* বাহৱতে — বাস কৰি থকাতে।
* গুহ — গুহক চাণ্ডাল।

ব্ৰাহ্মণক আদি কৰি যৱন পৰ্যন্ত।
গাৰো ভোটে লবে নাম জানি ভগৱন্ত।।
ৰাম কৃষ্ণ গুৰু দেৱ নন্দৰ নন্দন।
শঙ্কৰেসে সংসাৰত নামে সত্যজন।। ১৫২৩
শ্ৰৱন কীৰ্তন নিতে সম্ভৱ বিক্ৰম।
শুদ্ধ সদাচাৰ হৰি নাম শুক্ল ধৰ্ম।।
সঙ্কট সংগ্ৰামে মহাপুৰুষক ধৰি।
তাৰিও সংসাৰ দুখ বোলা হৰি হৰি।। ১৫২৪

* * * *

ঘোষাঃ **গোপাল কৃপাময় ঈশ্বৰ হৰি।**
পালিও কৰুণাকৰ কৰুণা কৰি। ১২৮

পদ ঃ পুত্ৰত কহন্ত সাধু ধৰ্ম পূৰ্বাপৰ।
জগত ঈশ্বৰ মহা পুৰুষ শঙ্কৰ।।
অনাদি অনন্ত জগজ্জীবন জনক।
যাহাৰ মায়াৰ মৃত্যু পালন জীৱক।। ১৫২৫
দেহ মন প্ৰাণ বায়ু ইন্দ্ৰি নিৰন্তৰ।
যোগীও আৰাধে যাৰ পৰম পদৰ।।
যিটো অন্তৰ্যামী ৰাম হৰিসে ঈশ্বৰ।
হেনয় অচ্যুত সখা ৰক্ষক জীৱৰ।। ১৫২৬
জগত পালন কাৰী তাৰণ কাৰণ।
জগতৰে নিজ গুৰু বিষ্ণু নাৰায়ণ।।
যিটো নিৰঞ্জন ব্ৰহ্ম গৰুড়ৰ কেতু।
ধৰা বহু বিধ ৰূপ সন্ত ৰক্ষা হেতু।। ১৫২৭
মহা হৰি ঘোৰ মায়া কোনে জানিবন্ত।
পূৰ্ণ ব্ৰহ্ম বিনে আন নাহি ভগৱন্ত।।
আপোন বৎসল গুণে ঈশ্বৰ মুৰাৰী।
থাপিলা ভকতি ধৰ্ম নামক উখাৰি।। ১৫২৮

মনুষ্যৰ নিজ ধৰ্ম দেখায়া মাধৱ।
ভকত বৎসল ৰাম কৃষ্ণেসে বান্ধৱ।।
দৰিদ্ৰ বৎসল নাহি শঙ্কৰত পৰ।
মায়াৰ প্ৰভাৱে মায়া মহাপুৰুষৰ।। ১৫২৯
হৰি নাম বিনে গতি ব্ৰহ্মাৰ দুৰ্লভ।
জড়-ভৰতৰ আগে কহিছা ঋষভ।।
নৱ সিদ্ধে কহিলন্ত নিশিৰ আগত।
সাধু সঙ্গ বিনে গতি নাহি ভাৰতত।। ১৫৩০
সন্তৰ সঙ্গত নাম শ্ৰৱণ কীৰ্ত্তন।
উদ্ধৃত কৰিলা শুক কুসুম নন্দন।।
শঙ্কৰে সাধিলা সিদ্ধি বিলায়া ভকতি।
হৰি নাম ধৰ্ম দানে অগতিৰ গতি।। ১৫৩১
কহিলো শুনিলা যত তত্ত্ব নিষ্ঠ কৰি।
নন্দেৰ নন্দন ব্ৰহ্ম মকুন্দেসে হৰি।।
ব্ৰহ্মা হৰে গাৱে হৰি নামে কৰি ৰতি।
নামত বিনাই নাই নসাধে ভকতি।। ১৫৩২
সিদ্ধমুনি গাৱে নাম জানি অণুক্ষণ।
নামেসে ধৰম সত্য পাপীৰ তৰণ।।
সৰ্ব অৱতাৰৰ কাৰণ শুকদেৱ।
নামত কৰিলা নামে অৱতৰি সেৱ।। ১৫৩৩
ৰাম কৃষ্ণ শঙ্কৰৰ লীলা বিপৰীত।
পাপ হুতাশন গাৱে হয়া উপস্থিত।।
কপট গোপৰ বেশ ৰাম হৃষিকেশ।
মায়া কৰি নৰ বেশে দিয়া উপদেশ।। ১৫৩৪
হৰিত ভকতি নাম অমূল্য ৰতন।
বেদৰ ৰহস্য গুপ্য ভকতৰ ধন।।
গুৰু শিক্ষা জ্ঞান বোধে নাম শঙ্কৰৰ।
মুখে নাম হৃদি ৰূপ সঙ্গ ভকতৰ।। ১৫৩৫
শ্ৰৱণ কীৰ্ত্তন ধৰ্ম ভকতি উত্তম।
প্ৰমত্ত মহত হৰি নাহি সমাগম।।

নকৰি সংশয় নামে শুনা সভাসদ।
নামেসে খণ্ডয় যত পাতক আপদ।। ১৫৩৬
সকলো শাস্ত্ৰৰ তত্ত্ব নামেসে নিস্তাৰ।
তপ জপ যজ্ঞ মৃত্যু কালে নুহি সাৰ।।
শঙ্কৰ চৰণে মন ধৰি হৃদয়ত।
ৰাম ৰাম বুলি তৰা ঘোৰ সংসাৰত।। ১৫৩৭

* * * *

ঘোষা : **নাৰায়ণ ৰাম শঙ্কৰ হৰি।**
পালিও মুৰাৰী সেৱক কৰি।। ১২৯

জুনা : পুত্ৰৰ আগত সাধু সম্প্ৰতি।
কহিলাহা নাম হৰি ভকতি।।
শুনা এক চিত্তে নামেসে ধৰ্ম্ম।
নামৰ লগত যি ভৈলা শ্ৰম।। ১৫৩৮
নাম বিনে গতি ভকতি নাই।
ভকতেসে নাম ভকতি গাই।।
হৰি কীৰ্ত্তনৰ শবদে বিন্ধে।
হৰি ভকতক দেখিলে নিন্দে।। ১৫৩৯
যেন অগনিৰ দহে হাপাসে।
এক *জুথ হয়া পাপীয়ে হাসে।।
ইগোটে ধৰিলে শঙ্কৰী মত।
পথত বিগুতি মাৰে ভকত।। ১৫৪০
বিষৰ বিকলে আতুৰ কাই।
বৈষ্ণৱক নিন্দি আনন্দ পাই।।
ঐয়ে ভকতীয়া ই পথে দূৰ।
নাম গায়া যাউ বৈকুণ্ঠ পুৰ।। ১৫৪১

---

* *জুথ (যুথ) — একেলগে, দলবান্ধি।*

হাতৰ মালাক লৈ যায় কাঢ়ি।
যতেক অজ্ঞান *বিভয়াচাৰি।।
কুকুৰৰ লাঙ্গে মালাক আঁৰে।
এহি মতে সাধু বিষ্ণুথি মাৰে।। ১৫৪২
পাপৰ প্ৰবল বঢ়ায়া লাই।
মায়াৰ ঈশ্বৰে আছিলা চাই।।
মনুষ্যৰ চেষ্টা দেখায়া হৰি।
কটাক্ষৰ মায়া স্ৰজনা কৰি।। ১৫৪৩
শঙ্কৰ লীলা কহিবো কত।
অচিন্ত্য প্ৰভাৱে হৰি জগত।।
অনন্ত বীজৰ নজানি তত্ত্ব।
যাৱত নুশুনে সাধু সঙ্গত।। ১৫৪৪
তাৱত নুগুচে আত্মাৰ ঘাত।
নেৰাৱয় মৃত্যু মায়াৰ হাত।।
অনন্ত বীজৰ যেন বিক্ৰম।
কটাক্ষতে কলি কালখো যম।। ১৫৪৫
নাম বিনে যাৰ নাহি উপায়।
কৃষ্ণেসে শঙ্কৰ ৰাম গোসাঁই।।
হৰি নাম ধৰ্ম আছা প্ৰকাশি।
কহিলো তোমাত বোধ উল্লাসি।। ১৫৪৬
জ্ঞান বোধ নাম হৰি ভকতি।
শঙ্কৰত পৰে নাহিকে গতি।।
মূৰ্খ হয়া বোলে মই পণ্ডিত।
নষ্ট কৰি ফুৰে আনৰো চিত।। ১৫৪৭
মহাহৰি নিন্দা জগত বাপ।
বেদেও নখণ্ডে তাহাৰ পাপ।।
বেদ শিৰোমণি হৰিৰ নাম।
কীৰ্ত্তনে দহয় পাপৰ দাম।। ১৫৪৮

---

* আলৰ—সৰি চৰি ফুৰিব নোৱাৰা।

নামতেসে বেদ শাস্ত্ৰ নিবাস।
নামক স্মৰণে আলৰ নাশ।।
হৰি কীৰ্ত্তনে তেজি অগনি।
সিংহৰ আগত কুম্ভাৰ ধ্বনি।। ১৫৪৯
ৰাম কৃষ্ণ নাম সিংহ প্ৰমত্ত।
শঙ্কৰ বুলি নজানে তত্ত্ব।।
তাৰ মুখ দেখি স্মৰিবা হৰি।
মিছাতেসে ফুৰে মহন্ত কৰি।। ১৫৫০
দশ অৱতাৰে কৃষ্ণৰ লীলা।।
গুৰু অৱতাৰে ভকতি দিলা।।
নামৰ কীৰ্ত্তনে তৰোক লোক।
উপদেশ পাই জানিবে মোক।। ১৫৫১
সন্তত কহিলা শঙ্কৰ হৰি।
পাপীৰ জনত ভাওনা কৰি।।
এতেকে শঙ্কৰে সৎসঙ্গে আদি।
শঙ্কৰী মায়াৰ সংসাৰ চান্দি।। ১৫৫২
সমস্তে ভূততে আছা বিয়পি।
হৰি কীৰ্ত্তনেসে পাৰে তথাপি।।
মহাপুৰুষৰ য'ত মহন্ত।
কোটি কোটি হবে চিন্তে সতত।। ১৫৫৩
কোটি ব্ৰহ্মা যাৰ মায়াতে বন্দী।
কোটি জন্ম সাৰে নপাৰে চান্দি।।
ৰাত্ৰি দিন ভাৱে সদা সুমৰি।
শ্ৰৱণ কীৰ্ত্তন নামেসে তৰি।। ১৫৫৪
হৰি কীৰ্ত্তনেসে হৰি ভকতি।
পাষণ্ড আচাৰ তেজি কুমতি।।
নুহিকে যাৰাত হৰি সমুখ।
নপাৰে ভকতি নেৰাৰে দুখ।। ১৫৫৫

---

* আলৰ — লৰি চৰি ফুৰিব নোৱাৰা।

হেন জানি কেহো নেৰিবা নাম।
তপ জপ যজ্ঞো পূৰণ কাম।।
কৃষ্ণৰ চৰণে হৃদয়ে ধৰি।
ঘোষিও শঙ্কৰ হে হৰি হৰি।। ১৫৫৬

* * * *

ঘোষা ঃ ৰাম নাৰায়ণ বোল গোপাল নাৰায়ণ বোল।
মায়াৰ ৰচনা গোবিন্দৰ ফান্দ,
মধুমতি মায়া দোল।। ১৩০

পদ ঃ সংসাৰ সাগৰে ঈশ্বৰ শঙ্কৰে
হৰি নাম দিলা দান।
দেৱ দেৱ হৰি সন্ত ৰূপ ধৰি
জগতৰ পৰিত্ৰাণ।।
জীৱ ৰূপ ধৰি শ্ৰী মহা হৰি
নিৰঞ্জন নাৰায়ণ।
আত্মা ৰূপে ৰাম জীৱৰ সাৰথি
ভকতৰ প্ৰাণ মন।। ১৫৫৭
অন্তৰ অন্তত এক ভগৱন্ত
নিসীম পালন কাৰী।
ৰাম কৃষ্ণ নাম বেকত কৰিলা
শঙ্কৰ নামৰ ধাৰি।।
ৰাম কৃষ্ণ নাম অমূল্য ৰতন
*সুশীলন্ত মন সাৰ।
পুত্ৰৰ আগত সাধু নিগদতি
শাস্ত্ৰৰ গুহ্য বিচাৰ।। ১৫৫৮
মহা হৰি বিষ্ণু ত্ৰৈলোক্য ভিতৰে
নামেসে হৰি ভকতি।

---

* *সুশীলন্ত - পৱিত্ৰ কৰা।*

গুৰু শিষ্য ৰূপে শঙ্কৰ স্বৰূপে
কৃষ্ণে অগতিৰ গতি।।
শ্ৰীমন্ত শঙ্কৰ *নায়েক নাগৰ
জগতৰ প্ৰিয় হৰি।
নাৰায়ণ ৰাম সখা জগন্নাথ
*নৰতনু নাট ধৰি।। ১৫৫৯
কৃষ্ণৰ বিপিন বিনোদ শঙ্কৰ
হৃদয়ৰ মহা বিত।
সংসাৰ সাগৰে ভৱ বৈতৰণী
হৰি নামে দিয়া চিত।।
ভাৰ্যা পুত্ৰ কেহো সহায় নুহিকে
পৰলোকে গৈলা চলি।
কলিৰ পাতকে সৰ্ব ধৰ্ম *হেষ্ঠ
হৰি নাম ভৈলা বলি।। ১৫৬০
ধৰ্ম চূড়ামণি শিৰোমণি দেৱ
বান্ধৱ মাধৱ প্ৰাণ।
জগতৰ জীৱৰ পুৰুষ পুৰাণ
হৰি বিনে নাহি আন।।
শঙ্কৰৰ পদ হৃদয় ৰঞ্জন
হৰি হেন ৰাম নাম।
হৰি নাম হীনে পামৰ বিহীন
ব্ৰহ্মাণ্ডো নথাকে কাম।। ১৫৬১
ভকতি বিহীন হীন হৰি নামে
মায়া শয্যা মাজে পৰি।
মহা প্ৰভু ৰাম মকুন্দ মুৰাৰী
ভজিওক হেন হৰি।।

---

* *নায়েক নাগৰ - বিশ্ব ব্ৰহ্মাণ্ডৰ অধিকাৰী - শঙ্কৰ দেৱ।*
* *নৰ তনু ধৰি - মানুহৰ ভাও ধৰি - শঙ্কৰ দেৱ।*
* *হেষ্ঠ - ত্যাগ কৰা।*

শ্ৰৱণ কীৰ্তন ঐৰি হৰি নাম
নাহি আন ধৰ্ম কাজ।
অব্যক্ত অচ্যুত শ্ৰীহৰি গোবিন্দ
ছান্দিও হৃদয় মাজ।। ১৫৬২
কৃষ্ণ দেৱতাৰ অচিন্ত্য বিহাৰ
নিৰঞ্জন নিৰঞ্জন।
জগত হৃদয় কুসুম তনয়
নামেসে জন তৰণ।।
নামক নগাই কৃষ্ণক নপাই
মহন্তক নিন্দা কৰি।
সমস্তে ভূতৰ বন্ধু জগজ্জীৱ
গুৰু দেৱ অৱতৰি।। ১৫৬৩
ঈশ্বৰ স্বৰূপে হিয়া জগতৰ
নাৰায়ণ গতি দাতা।
সংসাৰ মণ্ডলে শঙ্কৰত পৰে
নাহি বন্ধু পিতা মাতা।।
নিজ ধৰ্ম ধাম হৰি নাম দান
নামেসে সাধে ভকতি।
শঙ্কৰৰ কৰ্ম মনুষ্যৰ ধৰ্ম
কীৰ্তনে মিলাবে গতি।। ১৫৬৪
কৃষ্ণত অৰ্পণা মহাপুৰুষৰ
ৰামৰ চৰণে সাৰ।
জগতৰে কৰ্তা গৃহস্থ শঙ্কৰ
কুসুম দেৱ কুমৰ।।
সহায় ঈশ্বৰ জজন ৰাঘৱ
দৈৱকী দেৱী তনয়।
কুসুমৰ ঘৰে দেৱ দামোদৰে
ভকতৰ কৃপাময়।। ১৫৬৫
নাহি পূৰ্বাপৰ মহাপুৰুষৰ
চৰণৰ ৰেণু লাই।

বিচাৰে ভকতি অবিচাৰে নাশ
মৰি অধোগতি যায়।।
মহা মহেশ্বৰ ভজিও শঙ্কৰ
মুখে লৈয়া গুণ নাম।
জানি সাধু জন লেৰিবা কীৰ্তন
ডাকি বোলা ৰাম ৰাম।। ১৫৬৬

* * * *

ঘোষা : শ্ৰীৰাম কৃষ্ণদেউ শঙ্কৰ বোল।
যাৰ মায়া পাশে মন, হুয়া আছে ভোল।। ১৩১

পদ : কহয় মহন্তে তত্ত্ব শুনা নিষ্ঠ কৰি।
শঙ্কৰেষে গুৰু মহা ৰাম কৃষ্ণ হৰি।।
নাহি জন্ম কৰ্ম হীন মহাপুৰুষৰ।
সেই জন্ম কৰ্মে গুণ নাম ভকতৰ।। ১৫৬৭
জগত কাৰণ হেতু সিটো নাৰায়ণ।
মাধৱৰ যশে ফল শ্ৰৱণ কীৰ্তন।।
পাতেক নিবাৰি কৰে পুৰুষ উত্তম।
নামক প্ৰকাশি মায়া বলে নিৰুপম।। ১৫৬৮
অনন্ত অচ্যুত মূৰ্তি শঙ্কৰ মায়াৰ।
দুই ৰূপে প্ৰজ্বলিত একৰূপে সাৰ।।
*গোদোহ দোহন মহা গোমোহ্না শঙ্কৰ।
চাৰি নামে সাৰোধাৰ একহি ঈশ্বৰ।। ১৫৬৯
একান্ত শৰণে হৰি নামে একানুজ।
শঙ্কৰৰ নাভি পুৰুষোত্তম চতুৰ্ভুজ।।
শঙ্কৰক গুৰু কহি তাৰিলা জগত।
অচিন্ত্য প্ৰভাৱ জানি নামৰ মহত।। ১৫৭০
চৈতন্য স্বৰূপ নাম অমূল্য ৰতন।
গলন্ত বান্ধিয়া ধৰা দৃঢ় কৰি মন।।

[1] গো-দোহ দোহন - গৰুৰ গাখীৰ খিৰোৱা।

নাম বিনে নতৰয় পাপো অবিনাশ।
ভকতি বিনাই নাই মুকুতি নৈৰাশ।। ১৫৭১
মহা হৰি ৰাম কৃষ্ণ অব্যক্ত ঈশ্বৰ।
সংসাৰে সাগৰে গতি গৃহস্থ জীৱৰ।।
নাৰায়ণ মায়া পাই বুদ্ধি কৰে হত।
হিয়াত তেজিয়া ৰাম ভজই আনত।। ১৫৭২
তাত কৰি শ্ৰেষ্ঠ যিটো ভকত চাণ্ডাল।
একান্ত শৰণে ভজি গোবিন্দ গোপাল।।
গুৰুৰ শিক্ষায়ে নাম ভুকুতি মুকুতি।
বৈকুণ্ঠৰ জ্ঞান শাস্ত্ৰ শুনিলা যুগুতি।। ১৫৭৩
নামেসে ধৰম নিষ্ঠ ভকতি গৰিষ্ঠ।
বেদত বৰ্জ্জিত ভৈলে ধৰ্ম নষ্ট নিষ্ঠ।।
শাস্ত্ৰতো পণ্ডিত সাধু বেদত কুশল।
হৰিৰ চৰণে ধৰি হৃদয় কমল। ১৫৭৪
ৰাম কৃষ্ণ মুখে নামে সঘনে শঙ্কৰ।
হৃদয়ে ধৰিয়া ৰূপ মহাপুৰুষৰ।।
গোপাল গোবিন্দ ৰাম মুৰাৰী মকুন্দ।
বিশ্বাস কৰিও নামে *বিচাৰিয়া *বৃন্দ।। ১৫৭৫
বিপৰ্যয় মায়া *বৃন্দে প্ৰভু ভগৱন্ত।
ভূমি উদ্ধাৰণ ৰাম সৃষ্টি প্ৰবৰ্ত্তন্ত।।
জ্ঞানী গণে জানি যাৰ নজানে সম্ভেদ।
কেশৱসে কাল কলি বাক্যে মহা বেদ।। ১৫৭৬
একান্ত শৰণে নাম একান্ত ভকতি।
দৈৱকী নন্দন দেৱ ভকতৰ গতি।।
সংসাৰে *সম্বল নাম কৰিয়া শঙ্কৰ।
কৰিও একান্তে চিত্ত কৰি দৃঢ়তৰ।। ১৫৭৭

---

* বিচাৰিয়া — বিচাৰি লোৱা। * বৃন্দ — নাশ, ধ্বংস।
* বৃন্দে - নিঃশেষ হোৱা নাশ হোৱা। * সম্বল - সংবল।

অভ্যাস কৰন্তে পাপ অৰ্জিতৰ সঙ্গে।
মত্ত সিংহ হৰি নাম ৰূপে আঠো অঙ্গ।।
নৱবিধ ভাপি ধৰ্ম একে হৰি নাম ।
শ্ৰৱণ কীৰ্ত্তনে ধৰ্ম বোলা ৰাম ৰাম ।। ১৫৭৮

* * * *

ঘোষা ঃ হৰিও হৰি কৰুণা সিন্ধু।
ৰূপে সম নাহি জীৱন বন্ধু।। ১৩২

পদ ঃ শুনা একচিত্তে কৰি উৎসৱ।
কৃষ্ণেসে শঙ্কৰ ৰাম মাধৱ।।
সংসাৰৰ আদি ঈশ্বৰ দেৱ।
দেৱে যাক কৰে মনেৰে সেৱ।। ১৫৭৯
বেদৰ বিচাৰে নাম কহন্ত।
নামেসে প্ৰসন্ন হোৱে অনন্ত।।
দুৰ্জ্জয় মায়াৰ মহাপুৰুষ।
কাৰণেসে ৰাম কৃষ্ণ মানৱ।। ১৫৮০
যোগ মায়া বলে *মেলাৰি কৰি।
গৃহস্থ মায়াৰে জগত ধৰি।।
ৰাঘৱ নামৰ লীলা বিহাৰ।
অনন্ত ব্ৰহ্মাণ্ড উদৰে যাৰ।। ১৫৮১
অচিন্ত্য ঈশ্বৰ কৃষ্ণ মহন্ত।
অচিন্ত্য স্বৰূপে হয়া বেকত।।
শঙ্কৰী মায়াৰে সংসাৰ পালি।
কেশৱ বাসুদেৱ বনমালী।। ১৫৮২
মহদাৰ নন্দ আনন্দ হৰি।
ভকত কৃপালু কৰুণা কৰি।।

---

* *মেলাৰি - দেখুৱা, প্ৰকাশ কৰা।*

জীৱৰ সাধনে নাম প্ৰকাশি।
জগতৰে গুৰু ভৈলন্ত আসি।। ১৫৮৩
ভূমিক পালিলা গুৰু মুৰাৰী।
নামক কহিলা পাপ নিবাৰি।।
নামক নলৱে পাপ পৰ্বতে।
আৰ্জ্জিত পাতেক কৰ্মৰ গতে।। ১৫৮৪
গোবিন্দৰ গুণ নামেসে যশ।
মহন্ত জনৰ বিত সৰ্বস।।
শঙ্কৰৰ কৃত সংসাৰে সাৰ।
ভকতৰ পদে জনম যাৰ।। ১৫৮৫
অনাথৰ নাথ বৈকুণ্ঠ পতি।
ভকত জনৰ সাধনা গতি।।
ৰাম কৃষ্ণ হৰি গৰুড় কেতু।
নাহি উতপতি নাহিকে মৃত্যু।। ১৫৮৬
বাহিৰ ভিতৰ নাহিকে থিতি।
ভকতৰ আগে যাৰ বিদিতি।।
মৎস্য কূৰ্ম নৰসিংহ ঈশ্বৰ।
বামন পৰশু মুষলধৰ।। ১৫৮৭
বাৰাহ শ্ৰীৰাম শঙ্কৰ হৰি।
গুৰু ৰূপে বোধ কৃষ্ণে উদৰি।।
তাৰিলা শঙ্কৰে সংসাৰ সিন্ধু।
জগত মোহন দীনৰ বন্ধু।। ১৫৮৮
নামেসে স্ব-ধৰ্ম্ম ভকতি যাৰ।
মায়াৰ সংসাৰ তৰণি ভাৰ।।
মহাপুৰুষৰ মায়াৰ বাজি।
মায়া নদী মাজে জীৱৰ জাজী।। ১৫৮৯
নামেসে স্মৰণি সংসাৰ তৰি।
কৃষ্ণ পদ নৌকা বেকত কৰি।।
জগতৰে আত্মা কুসুম সুত।
নিজ শৰীৰক কৰি লুপুত।। ১৫৯০

যাৰ ৰাম নামে হৰি ভকতি।
কৰ্তব্য সাধনে সাধিলা গতি।।
*অনিবদ্ধ কবি তৰণ কহে।
সৎসঙ্গ কহিয়া সংসাৰ ৰহে।। ১৫৯১
অজস্ৰে নকহে মহন্তে জ্ঞানি।
সদায়ে স্মৰণি বেদৰ বাণী।।
বেদক নুবুজে যিটো পামৰ।
মহা হৰি ৰূপ নজানে নৰ।। ১৫৯২
হৃদয়ৰ সাক্ষী বাহিৰ বুলি।
সংসাৰে মজয় পাপী সমূলি।।
সুমৰিয়া হোৱে পাপী মুকুত।
এতেকেসে ৰূপ বেদ গুপুত।। ১৫৯৩
এতেকেসে বেদ বিধি সম্ভৱ।
পাচত কীৰ্তন কহে নামৰ।।
নামেসে গৰিষ্ঠ দৃঢ় ভকতি।
নজানে পাপত পাপী কু-মতি।।
তপ জপ জ্ঞানে নপাৱে পাৰ।
শঙ্কৰেসে গুৰু নামেসে সাৰ।। ১৫৯৪
সংসাৰ সাগৰে শঙ্কৰ বাণী।
বান্ধৱ মাধৱ সাৰেঙ্গ পাণি।।
সংসাৰ সমাজে নাম কীৰ্তন।
হৰি হৰি বোলা সমস্ত জন।। ১৫৯৫

* * * *

---

*অনিবদ্ধ কবি তৰণ কহে - অনিয়ম এৰি তৰণৰ উপায় কৰা।

ঘোষা ঃ ও হৰি হৰি নাথ নাৰায়ণ
জীৱৰ জীৱন প্ৰাণ।
কৰা অনুগ্ৰহ পাপৰ নিগ্ৰহ
হৰি নাম দিয়া দান।। ১৩৩

পদ ঃ পাষণ্ড মৰ্দ্দিয়া জগতৰ হিয়া
প্ৰাণ প্ৰভু পিতাম্বৰ।
চৌপাশে আবৰি চলিলা মহন্ত
আগতে দেৱ শঙ্কৰ।।
ৰাজাত বিদায়ী কৰিয়া লীলাই
ৰাজ পন্থে চলি যান্ত।
গৌৰাঙ্গ শৰীৰ গজ গতি ধীৰ
দেখিয়া প্ৰজাৰে চান্ত।। ১৫৯৬
এহিতো শঙ্কৰ অৰি জগতৰ
বৈৰী বাদী ব্ৰাহ্মণৰ।
কুতৰ্কী পণ্ডিতে পাপী বুলি কয়
সন্তক কৰি সাদৰ।।
যাৰ যেই মতি সৱেও বদতি
আকত আকৰে কয়।
সবাৰো আতমা দৈৱকী নন্দন
শঙ্কৰে সৱে জানই।। ১৫৯৭
হাসিয়া গোসাঁই বৈষ্ণৱক চাই
কৰ্ণত কহিলা বাক।
মোহোৰ আগত এতেক মহত
পাছে সোধে আক কাক।।
কুতৰ্কী পণ্ডিতে নষ্ট কৰে চিত্ত
লোকৰো কু-বৃত্তি বাণী।
স্বভাৱে লম্পট কৰিয়া কপট
ভকতিক কৰে হানি। ১৫৯৮
পূৰ্বে নাৰায়ণে বেদৰ প্ৰলোভ
ঋষি মুখে ব্যক্ত কৰি।

আপুনি গোবিন্দে নিজমুখে সাৰ
গুপুত কৰিলা হৰি।।
নাম বিনে গতি নাহিকে লোকৰ
পাপী হোঁৱে চৰাচৰ।
হেনয় নামক কহিলো লোকত
ভৈলোহো অৰি শঙ্কৰ।। ১৫৯৯
কুতৰ্কীৰ কাল নজানো গাপাল
মিছাতেসে মোক দোষে।
হিয়াতো নচাই মুখতো লগাই
যেহেন বাদুক চোসে।।
কলিত কীৰ্তন এৰি মোক্ষ নাই
নামক তেজি কুমতি।
দেৱক আৰাধি তীৰ্থক গমনে
মৰি মৰি উতপতি।। ১৬০০
মোক নিন্দা কৰি কি ফল সাধিব
আপুনি পাইবা সিফল।
বিষ্ণু তাক জানে তাঙ্গনি তৰিলে
কৰ্ম্ম পাকে যাইব তল।।
দৈৱেসে লোকৰ সাধনা মিলয়
মোক্ষৰ কাৰণ হৰি।
কৃষ্ণৰ ভকতি বিনে গতি নাই
কহিলোহো নিষ্ঠ কৰি।। ১৬০১
মইটো কপট নকৰো কাহাকো
কপটি বোলে অধম।
যাৰ যেই ভাব আপোন স্বভাৱ
আনো আপোনাৰ সম।।
সন্ত জনে যেবে দেখে সমভাৱ
যাব নাৰায়ণ পৰ।
কাহাতো বিবাদ নকৰো আহ্লাদ
হিয়াত জানি ঈশ্বৰ।। ১৬০২

শঙ্কৰ মুখৰ বাণী পুৰ্বাপৰ
শুনা সমাজিক লোক।
গুৰু শিক্ষা মনে শুনিও যতনে
পাপৰ নাশন হৌক।।
নামৰ কীৰ্ত্তনে গঙ্গা বাৰানসী
বৈকুণ্ঠ সহিতে তথা।
বোলা হৰি হৰি শুনা হৰি কথা
পাপৰ পৰোক মাথা।। ১৬০৩

* * * *

ঘোষা : ৰাম হৰি ৰাম হৰি, ৰাম পাবে ধৰ।
ৰাম কৃষ্ণ শঙ্কৰ বুলিয় সুখে তৰ।। ১৩৪

পদ : সংসাৰ সাগৰে ধৰ্ম্ম যাৰ গুণ গান।
সংসাৰ সাগৰে সেতু মোক্ষ্য হৰি নাম।।
সংসাৰ এৰাই দুখে সুখে যাৰ মণ।
কায়বাক্য মণে তাৰ হৰিত শৰণ।। ১৬০৪
হৰি নাম ধৰ্ম্ম গুৰু শিক্ষাৰে ভকতি।
পুত্ৰৰ আগত বৃদ্ধ সাধু নিগদতি।।
সহস্ৰ মূৰ্খৰ মাজে এঁকৈক বিশেষ।
শাস্ত্ৰৰ বিচাৰে সাৰ ভজি হৃষীকেশ।। ১৬০৫
আনদেৱ ধৰ্ম্ম কৰ্ম্ম সেৱা বহিৰ্ভূত।
ভকতি নভৈলে কেহো নকৰে মুকুট।।
এঁকৈকৰ লগে যেন শত বৰ্ণভেদ।
যি জন প্ৰানীৰ বৰ্ণে কোন পৰিছেদ।। ১৬০৬
গুৰুৰ শিক্ষায়ে যাৰ যেন মতি সাৰ।
শঙ্কৰ চৰণ এৰি নাহি ৰহিবাৰ।।
এতেকেসে বেদ বিধি নাম ধৰ্ম্মে গতি।
বৰ্ণা বৰ্ণ গোত্ৰ গৰ্ব্বে নসাধে ভকতি।। ১৬০৭

বিধিৰ বিধানযাৰ যেন কৃত কাম।
কুৰ্ত্তাৰে কামোৰে যত আঠুৰেসে নাম।।
আহঙ্গত থাকি খাই গল মাজে যাকে।
দুগুণত ভয়ে পোৰকৰে মাৰে তাকে।। ১৬০৮
দুর্জ্জনৰ দ্রোহী সেহি মতে দামোদৰে।
কালৰূপি কৃষ্ণে তাক কৰন্ত সংহাৰ।।
এতেকেসে মায়ামোহ তেজি সাধু জনে।
নকৰে আক্রান্ত নেৰে নামক যতনে।। ১৬০৯
হৰি কেসে ৰাতি দিনে কহয় সদায়।
হৰিৰ মায়াত্র আছে সবাকে হেৰাই।।
সন্তৰ সঙ্গতি লৈয়া গুণ নাম গাই।
পৰম পাদক পাই ধর্ম্ম ৰেনু লাই।। ১৬১০
নামে তপ জপ ধর্ম্ম কর্ম্ম বেদ বিধি।
নাম ধন ধান কূল জনমৰ সিদ্ধি।।
নামতেসে সুৰাসুৰ সিদ্ধ মুনি নৰ।
নামতেসে দশ দিগপাল নিৰন্তৰ।। ১৬১১
নামতেসে আছে স্বৰ্গ শপত পাতাল।
নামে ধৰি আছে মহি গোবিন্দ গোপাল।।
নামতেসে ব্রহ্মা বিষ্ণু আছে শূলধৰ।
আপুনি কহিলা গুৰু গোসাই শঙ্কৰ।। ১৬১২
মহা গুৰু গূঢ় ইসি মহিমা কীর্ত্তণ।
ভনিলাহা শূদ্রহীনে শঙ্কৰ চৰণ।।
গুৰু শিক্ষা জ্ঞান বোধ লভি শাস্ত্র মত।
কৃষ্ণৰ দুজ্জয় মায়া গুনি প্রসঙ্গত।। ১৬১৩
শঙ্কৰ চৰিত্র কৃত অমৃত সমান।
হোৰে আগ পাচ কথা মতি অগিয়ান।।
দোষ পৰি হৰি গুণা পাপ হতামন।
অপাৰ আনন্দ সিন্ধু ইসি মহাধন।। ১৬১৪
অৰুণ চৰণে মজি নামে কৰা ৰতি।
শঙ্কৰত বিনে নাহি সংসোৰত গতি।।
হৃদয়ে ধৰিয়া ৰূপ নামত বিশ্বাস।
বোলা হৰি হৰি পাইবা বৈকুণ্ঠে নিবাস।। ১৬১৫

* * * *

ঘোষা ঃ হৰি সাৰেঙ্গ পাণি, বণমালী।
গৃহস্থ মায়াৰ বলে সংসাৰ পালি।। ১৩৫

পদ ঃ জগতৰে নিজ গুৰু দেৱ নাৰায়ণ।
কহিলো শুনিলা ভজা তাহান চৰণ।।
বহু বিধি লীলা ৰূপ মহাপুৰুষৰ।
কহয় অজ্ঞানী লোকেমানুষ শঙ্কৰ।। ১৬১৬
পাপ পুণ্য দোষ গুণ নজানি উন্মত।
ব্ৰহ্মাৰ ওঁকাৰ শব্দ শূণ্য আকাশত।।
অৱতৰি গুণ গাণ নামে মহা হৰি।
জানিয়া মহন্তে ভৱে হৃদিগত কৰি।। ১৬১৭
ভকতৰ প্ৰিয় কাৰি দৈৱকী নন্দন।
পৃথিৱীৰ ভাৰ হৰি দানৱ দলন।।
তিনি গুণে তিনি মূৰ্ত্তি একে ভগৱন্ত।
গুৰু চাৰি ৰূপ ধৰি বেকত ভৈলন্ত।। ১৬১৮
ৰামানন্দ হৰি ব্যাস চৈতন্য ঈশ্বৰ।
সৃষ্টি চৰাচৰে মহাপুৰুষৰ জীৱৰ।।
নাম সম্প্ৰদানে গুৰু ৰাখিলন্ত আলি।
মায়াৰ প্ৰভাৱে কৃষ্ণ সংসাৰক পালি।। ১৬১৯
ৰাজমাৰ্গ হৰিনাম ভক্তি দিয়া দান।
সংসাৰ পাপৰ দুখ কৰিলা নিৰ্জ্জান।।
অদৃশ্য স্বৰূপে নাম অচিন্ত্য মহত।
প্ৰফুল্ল কৰিলা গুৰু সকলো ৰাজ্যত।। ১৬২০
শ্ৰৱণ কীৰ্ত্তন মূৰ্ত্তি অচিন্তন ৰূপ।
মায়াৰ মন্দৰ নাগ ভৱাদিৰে কূপ।।
শঙ্কৰ হৰিৰ নাম সবাৰো প্ৰখ্যাত।
কৃষ্ণৰ অনন্ত কেলি ব্যাপক সবাত।। ১৬২১
গোপাল গোবিন্দ ৰাম প্ৰাণ প্ৰিয়তৰ।
অৰবিন্দ লোচন মোচন পাপ হৰ।।
গুৰু শিক্ষা জ্ঞানে হয়া কুসুম আম্ৰাজ।
ভকত জনৰ সিদ্ধি সাধিলন্ত কাৰ্য।। ১৬২২

যাব গুণ নামে কবে জগতবে গুৰু।
শঙ্কবত পবে আন নাহি কল্পতৰু।।
সর্ব ধর্ম বাজা গুৰু শিক্ষা বিদ্যমান।
শ্ৰৱণ কীৰ্তনে পান বসে সাৱধান।। ১৬২৩
বেদবো বহস্য নাম হৃদয় বঞ্জন।
কৰিও বিশ্বাস নাম চৰণত মন।।
ভকত বান্ধৱ বন্ধু নাম মাধৱৰ।
একান্ত শৰণ দৃঢ় সুহৃদ সৱৰ।। ১৬২৪
বিষ্ণুৰ বিনোন্দ মায়া ঈশ্বৰৰ পাই।
জীৱৰ সর্বস মূল বিত হৰুৱাই।।
আনক বোলয় গুৰু মূঢ় দুৰাশয়।
হৰি পদ সেৱা সুখ মহত্তেসে লয়।। ১৬২৫
কলিত বৈষ্ণৱ বিষ্ণু বিহিত শাস্ত্ৰৰ।
ভকতৰ সঙ্গে নাম লৈও সাধু নৰ।।
গীতা ভাগৱতে কয় কৃষ্ণৰো বচন।
কলিৰ পৰম ধর্ম এতেকে কীৰ্তন।। ১৬২৬
মহাপুৰুষৰ মায়া জানিয়া বাষৱ।
মহা হৰি পদ দুই অচিন্ত্য মাধৱ।।
মুখে নাম হৃদি ৰূপ ভকতি অভ্যাস।
বোলা বাম বাম তেবে বৈকুণ্ঠত বাস।। ১৬২৭

* * * *

ঘোষা : বাম কৃষ্ণ দেৱ শঙ্কৰো। নামে গতি সুমৰো।। ১৩৬

পদ : যাব ৰূপ হিয়ে ধৰি।
ত্ৰিজগত পতি হৰি।।
স্মৰণে হৃদয় মাজ।
অৱতৰি ভৈলা বাজ।। ১৬২৮
মায়া নৰতনু লই।
নাম ব্যক্ত কৰি থৈ।।
নামে জগতবে গুৰু।

শঙ্কৰেসে কল্পতৰু।। ১৬২৯
কল্পতৰু মহা ফল।
ৰসময় তল বল।।
যিটো আত্ম বন্ধু নিজ।
হৰি ভকতিৰ বীজ।। ১৬৩০
নামেসে সাধুৰ ধন।
হৰি পাৱে লাগি মন।।
শিক্ষা সাবোধাৰ কৰি।
ৰাম কৃষ্ণ মহা হৰি।। ১৬৩১
জগতৰে নিজ বাপ।
সুমৰণে খণ্ডে পাপ।।
নামত বিশ্বাস কৰা।
মাধৱক মনে ধৰা।। ১৬৩২
মহাপুৰুষৰ মায়া।
কাৰ্যৰ কাৰণে কায়া।।
মায়াৰ নায়েক হৰি।
নামে ভজা নিষ্ঠ কৰি।। ১৬৩৩
শ্ৰৱণ কীৰ্তন নাম।
ভকত পূৰণ কাম।।
নামে পিতা মাতা ভাই।
নাম বিনে বন্ধু নাই।। ১৬৩৪
নামেসে ভকতি পথ।
মিছা আন মনোৰথ।।
ভাৰতে মানৱী তনু।
নেপাইবা সেইৰে পুনু।। ১৬৩৫
শুনি চায়া থিৰ কৰি।
দূতে আছে পাছে ধৰি।।
হাতত লোহাৰ ডাঙ্গ।
জানি এৰা ভাঙ-ৰাঙ্গ।। ১৬৩৬

নামক কৰিও সাৰ।
নাম বিনে নাহি আৰ।।
য'ত দেখা ধন ধান।
কালে কৰে খান বান।। ১৬৩৭
ভাৰ্যা পুত্ৰ বৰ্গ গণ।
তাকো পাই কৰে ছন।।
মিছা মোৰ মোৰ কৰা।
কালৰ *পৰয়া পৰা।। ১৬৩৮
তেজিও ধান্ধাৰ দায়া।
যেন মায়াময় ছায়া।।
মাতে ভাব ভঙ্গী চাই।
যৈকে মাতে তৈকে যাই।। ১৬৩৯
তেনে নুহি কেবে কাৰো।
নাহি স্থিতি আপোনাৰো।।
নামত কৰিও চিত।
চিন্তা আপোনাৰ হিত।। ১৬৪০
নামেসে সংসাৰ তৰি।
মহা পুৰুষক স্মৰি।।
নামত মজিও মন।
মনে শঙ্কৰত ঘন।। ১৬৪১
নামে নিৰঞ্জন কাই।
দেখা যুগ ধৰ্ম চাই।।
শ্ৰৱণ কীৰ্ত্তনে ৰতি।
সাধু সঙ্গে অনুমতি।। ১৬৪২
লৈয়া সাধু সঙ্গ ধৰা।
মায়াৰ সংসাৰ তৰা।।
শুনিওক সৰ্বজনে।
দাস শূদ্ৰহীনে ভনে।।
গুৰুৰ শিক্ষাকে ধৰি।
ডাকি বোলা হৰি হৰি।। ১৬৪৩

* * * *

* পৰয়া পৰা — মৃত্যুৰ পৰা হাত সৰা।

ঘোষা ঃ করুণাময় ৰাম্ করুণাময়।
কৰিও করুণা যেন উচিত হয়।। ১৩৭

পদ ঃ সাধু নিগদতি সর্ব শাস্ত্র সাৰোধাৰ।
বিনা গুৰু শিক্ষা শূণ্যে নতবে সংসাৰ।।
নিসীম পালনকাৰী ঘোৰ মায়া বৃন্দ।
গোপাল গোবিন্দ গুৰু মূৰাৰী মকুন্দ।। ১৬৪৪
যাহাৰ মায়াত বন্দী দোর্ঘোৰ সংসাৰ।
হেনয় ঈশ্বৰ বিনে নাহিকে নিস্তাৰ।।
তোমাৰ মায়াৰে পাই কৰিলে মুকুতি।
নভৈলে ভকতি মোৰ গৈলো অধোগতি।। ১৬৪৫
অনন্ত যোনীত ভ্রমি মায়াৰ হাতত।
ইবেলি তোমাৰ দাস ভৈলো স্বৰূপত।।
নাম ধৰ্ম দান শুনি গৈলোহো বিক্রয়।
কলিৰ কলৌও খণ্ডে কুসুম তনয়।। ১৬৪৬
নাম ধৰ্ম দানে দাস কিনা বনমালী।
গৃহস্থ নামৰ সত্য ত্রিজগত পালী।।
ভকত বৎসল নাম কৰিও সাম্ফল।
আপোন নামৰ সত্য হৃদয় কমল ।। ১৬৪৭
হৃদয়ত থাকিয়া শিক্ষা দিও উপদেশ।
তোমাৰ চৰণে মন মিলোক প্ৰবেশ।।
মুখে নাম হৃদি ৰূপ নিমজোক চিত।
হৌক অহৰ্নিশে ৰাতি দিনে গুণ গীত।। ১৬৪৮
ভেবেসে তৰিবো তযু মায়াৰে বৰ্বৰ।
সংসাৰে সাগৰে কৃপা কৰিও শঙ্কৰ।।
মই অজ্ঞানীৰ হিয়া জানি নাৰায়ণ।
কলিৰ কলৌও পাকে পালিও চৰণ।। ১৬৪৯
পাপীষ্ঠ অনিষ্ট নষ্ট কুৎচিত আলাপে।
সংসাৰ মায়াৰ ছায়া নচাৰিল পাপে।।
তোমাক নজানি পাপী ভৈলোহো অধমৈ।
নজানিয়া গুণ গণ নজানি নিয়ম।। ১৬৫০

শাস্ত্ৰৰ সম্মত গুৰু শিক্ষায়ে ভকতি।
কামুকৰ সঙ্গে যেন কামিনী সঙ্গতি।।
যুগতল পাপে পাই মতি মতোৱাল।
তুমি কালৰূপী হৰি চান্দনি গোপাল।। ১৬৫১
দিন গোট বাঢ়ি যাই চাপি আসে দিন।
যাইবে লাগে পৰলোক যমৰায়ৰ ঋণ।।
যমৰ কিঙ্কৰে ধৰি নিয়ে যমপুৰ।
তেজ বল গৰ্ব বুদ্ধি কৰিবেক চুৰ।। ১৬৫২
নিচিন্তিলো তযু পাৱে নকৰিলো সেৱা।
যমদূত গিৰি ভৈল দেৱতাৰো দেৱা।।
সৰ্বদেৱ শিৰোমণি পুৰুষ ভূষণ।
ৰাখিওক মোৰ বুলি কুসুম নন্দন।। ১৬৫৩
তযু ভকতৰ সঙ্গে মিলোক প্ৰসঙ্গ।
হেনয় কৰুণা আশ নকৰিও ভঙ্গ।।
শ্ৰৱণ কীৰ্তন ধৰ্ম নচাৰোক নাম।
কৰিও কৰুণা সবে বোলা ৰাম ৰাম।। ১৬৫৪

* * * *

ঘোষা : **মকুন্দ মুৰাৰী ভৱহাৰী হৰি।**
সংসাৰ সাগৰে লৈও উদ্ধাৰ কৰি।। ১৩৮

পদ : বোলন্ত শুনিও যেন গৃহস্থৰ কৰ্ম।
ৰাম কৃষ্ণ নাম লাগি ভকতৰ ধৰ্ম।।
আগম সংহাৰ হেতু ভণ্ডাৰ লুটিলা।
সংসাৰ সাগৰে গুৰু ৰূপ ধৰি লীলা।। ১৬৫৫
নিগম *কল্পতৰু ধৰ্ম বৈকুণ্ঠৰ।
ব্ৰহ্মাণ্ড ভেদিলা নামে ভেদিলা শঙ্কৰ।।
শ্ৰৱণ কীৰ্তনে পাই নিতে অন্তৰ্গতি।
শঙ্কৰৰ জন্ম কৰ্ম সাৰ সংসাৰত।। ১৬৫৬

---

*কল্পতৰু - কল্পতৰু।

মহাপুৰুষত পৰে নাহিকে ঈশ্বৰ।
এতেকে *লাঘুনি গুণ যশ গৃহস্থৰ।।
গুৰু শিক্ষা ধৰ্ম তেজি সংসাৰ নেৰাই।
ৰাজমাৰ্গ এৰি মৰে অৰণ্যে হেৰাই।। ১৬৫৭
কৃষ্ণৰ মায়াৰে পাইল জানিবাহা তাক।
বিহিত বিচাৰ হীনে দেখাও তোমাক।।
পৰম ৰহস্য গূঢ় কৰিও বিশ্বাস।
*আন কাতো হন্তে নাহি তৰণৰ আশ।। ১৬৫৮
নাম মাত্ৰ লৈবে লাগে মায়াৰ ঈশ্বৰ।
হৃদয়ৰ নিজ গুৰু দুখিত জীৱৰ।।
কোন থানে যাইবে লাগে কৈত খুজি পাই।
নামক নেৰিলে হিয়া নেৰন্ত সদায়।। ১৬৫৯
নামক নলয় জন্ম আৰ্জিতৰ ফল।
পাপত পিৰীতি ৰতি পাপে যাই তল।।
পাপ বালে যমদূত নাম বলে হৰি।
মহাপুৰুষৰ কেলি জানা নিষ্ঠ কৰি।। ১৬৬০
পূৰ্বে নিয়মিলা ৰাম কৃষ্ণ নাৰায়ণ।
এতেকে হৰিৰ নাম সবাৰো তৰণ।।
*খপন্তে খপন্তে যেন বহ্নি অন্তৰ্গত।
মহা হৰি নিজ ৰূপে আছা হৃদয়ত।। ১৬৬১
মৰন্তা জনৰ বৈদ্য ঔষধে শঙ্কৰ।
পাপৰ খণ্ডই হাত এৰাই যমৰ।।
নৰ ৰূপে বেদ বিধি ৰাখি আপোনাৰ।
বেদক নবুজে যিটো সেহি দুৰাচাৰ।। ১৬৬২
দুৰাচাৰো শুদ্ধ হোৱে নামৰ কীৰ্তনে।
শ্ৰৱন কীৰ্তনে তৰে হৰিৰ চৰণে।।
সংসাৰ সাগৰে নদী য'ত জীৱ জাঁজী।
কতেক কহিবো য'ত সংসাৰৰ বাজী।। ১৬৬৩

---

*লাঘুনি - লাগনি, ফলদায়ক।

*আন কাতো - অন্যত, আনক'তো।

*খপন্তে খপন্তে - জুইত দি নিৰ্মল কৰা (যেনে- সোণখপা)।

নামেসে নামেসে গতি ভকতি ইবাৰ।
চাৰি বেদ চৈধ্য শাস্ত্ৰ বাহুস্কন্ধ সাৰ।।
হৰি নামে ৰাজ মাৰ্গ ভকতি বিধান।
নাহিকে ভকতি হৰি নামৰ সমান।। ১৬৬৪
শৌনকাদি সিদ্ধ মুনি গাৱে হৰি নাম।
আপোন কুশল অৰ্থে এৰি আন কাম।।
জানিয়া কীৰ্ত্তন কৰা সবে সভাসদ।
শিক্ষা শিৰোগত কৰি তৰিয়া আপদ।। ১৬৬৫
সংসাৰ চক্ৰৰ মায়া ধান্ধা কৰি দূৰ।
দুখৰ নিকাৰ য'ত বিষ যমপুৰ।।
যশামৃত পাণ কণ্ঠোগত কৰা নাম।
পাপৰ বাসনা চুৰি বোলা ৰাম ৰাম।। ১৬৬৬

* * * *

ঘোষা : ৰাম কৃষ্ণ দেৱ হৰি।
ভজো চৰণত ধৰি।। ১৩৯

পদ : নিগদতি সাধু শুনা সবে সাৱধান কৰি
নিজ গুৰু দেৱতাৰ লীলা।
যাৰ কোপ কটাক্ষত নষ্ট হোৱে ত্ৰিজগত
হেন হৰি পলাই ৰহিলা।।
শঙ্কৰক মাৰে ধৰি এৰাই জলত পৰি
কিবা চিত কোনে জানে মায়া।
সত্ত মূৰ্ত্তি ধৰি হৰি নিজ মায়া বশ্য কৰি
মায়ায়ে ধৰিয়া নৰকায়া।। ১৬৬৭
অংশ কলা বিভূতিৰ শক্তি লৈয়া গুৰুভাৰ
ঘোৰ পাপ তাৰণ কাৰণ।
অমোচ মোচন খোলে অকষ্টে শঙ্কৰ বোলে
জন্মাজিতে হৰা নাৰায়ণ।।

যদিবা মনত স্মৰে অজিন পাপীও তৰে
বিশ্বদ্ৰোহী ঐমোঘৰ গতি।
তিনিও জগতে অস্ত্ৰ যাক বোলে গিৰিহস্ত
অনন্ত ব্ৰহ্মাণ্ড নিজ পতি।। ১৬৬৮
একান্ত শৰণে নাম যিটো লবে অবিৰাম
তাৰ মহা প্ৰভাৱ প্ৰবল।
গজ সৰ্প বিষপান ৰক্ষা বেৰ প্ৰমাদত
অস্ত্ৰ শস্ত্ৰ অগনি শীতল।।
যুগ ভেদে পৰিনীতি জীৱৰ সাধিলা গতি
নৰ চেষ্টা লোকক দেখাই।
মায়াক সঙ্কোচ কৰি মায়াৰ ঈশ্বৰ হৰি
প্ৰাণ ৰাখি আপুনি পলাই।। ১৬৬৯
জগতৰ আত্মাৰাম কৃষ্ণৰ বিক্ৰম কৰ্ম
বিপিন বিহাৰ বিনোন্দিত।
বিশাৰদ সাৰ কৰি হৰিক মাৰয় ধৰি
হেন চিঁয়া থৈলা পৃথিবীত।।
একবাৰ কামনাত মিলে কাম আছে যত
ইস আত্মা ব্ৰহ্ম নিৰঞ্জন।
ধন জন অৰ্থ যত দেহ দাস চৰনত
কায় বাক্যে নামত শৰণ।। ১৬৭০
মহাগুৰু অগনিক মহাপুৰুষক খেদি
মাধবক মাৰি আছে কোনি।
আসুৰিৰ বুদ্ধিসাৰ ক্ষয় যায় বুন্দামাৰ
শঙ্কৰক মাৰন্তে আপুনি।।
মৰিল কছাৰী যত কহিলো তোমাৰ আগে
ইটো কথা সম্ভৱ বিচাৰ।
ভক্তৰ নিমিত্তে হিত পূৰ্ণে আসি পৃথিবীত
মহা লীলা কৰিলা ইবাৰ।। ১৬৭১
যিটো শুনে ভনে আক নপাৰে পাতকে তাক
সংসাৰৰ পাপ হৰে হৰি।

আপুনি যশত প্ৰভু সদায়ে সুবুদ্ধ মতি
শ্ৰৱণ কীৰ্ত্তনে ভৱতৰি।।
পূৰ্ণ যশ ৰস কৃত মহত্তৰ মহাবিত
নাম মহাহৰি ঈশ্বৰৰ।
জগত নিবাস হৰি মায়ায়ে কপট কৰি
সখারূপে সকলো জীৱৰ।। ১৬৭২
শঙ্কৰ শাৰঙ্গপাণি ৰাম কৃষ্ণ বনমালী
সংসাৰ সাগৰ সিন্ধু পালি।
যত ক্ৰীড়া কৈলা বন্ধু ৰসৰ আনন্দ সিন্ধু
নাম ধৰ্মে ফুৰে বান্ধি আলি।।
নামে হুয়া অধিকাৰী সংসাৰৰ ভয় হাৰী
প্ৰচাৰিয়া ঈশ্বৰ গোসাঁই।
দিলন্ত সংসাৰ ঢাকি হৰি হৰি বোলা ডাকি
শঙ্কৰক স্মৰিও লোকাই।। ১৬৭৩

* * * *

ঘোষা : **আগমে আঘোৰ পাপঘোৰে।**
নাহি আন গতি নাম ওপৰে।। ১৪০

পদ : বিশিষ্ট শিষ্যত সাধু কহিলা।
অমৃত মথন ঈশ্বৰ লীলা।।
হেনসে নিৰ্ণয় কথা যতেক।
ইথাৰে আসিয়া আছে প্ৰত্যেক।। ১৬৭৪
ভকতত হিংসা মিলাৰে লোক
নেপাৱয় দৈত্যে দৈৱকী পোক।।
নোহন্ত ঈশ্বৰ গৃহস্থ তাৰ।
সি পায় হৰিক হৰি যাহাৰ।। ১৬৭৫
যাতহন্তে হৰি নামৰ খ্যাতি।

তাৰ কি নিন্দা নামে সহে আতি।।
নামতো হৰিতো বোলাই ডাঙৰ।
নতৰে পাতকী পাপী পামৰ।। ১৬৭৬
বুলিবা ইকথা নামানো সাৰ।
গাবে হৰি নাম কীৰ্ত্তন তাৰ।।
ইয়াৰ উত্তৰ শুনিও তুমি।
উদ্ধাৰি ধৰন্তা কেশৱে ভূমি।। ১৬৭৭
ভক্তৰ কাৰণে গোসাঁই হৰি।
দিলা গুণ নাম জগত তৰি।।
অমৃতক পিয়া দৈত্য অমৰ।
নুহিকে সঙ্গতি দেৱ বৰ্গৰ।। ১৬৭৮
দেৱ মানৱৰ খল কন্দল।
নজানে নামৰ ভকতি ফল।।
ভকতক দেস্য কৰে অধম।
নাহিকে পাতকী তাহাৰ সম।। ১৬৭৯
কৰ্ত্তব্য বিৰুদ্ধে বিৰোধ বাণি
তাৰকে নতাৰে শাৰেঙ্গপাণি।।
আনকো গৰিষ্ঠ দেখে সদায়।
সন্তৰ হৰিসে হৰিক পায়।। ১৬৮০
বৈষ্ণৱ বিৰোধে নধৰে ফল।
যেন এৰাঘটে নধৰে জল।।
যেন শ্ৰম পাই বানি পতান।
সঙ্কট বেলাত নাহিকে আন।। ১৬৮১
কান্দে দুখে পাছে পাপত পৰি।
শৰণ্যৰ নামে শঙ্কৰ হৰি।।
ভকতৰ প্ৰাণ জীৱন ধন।
নভজি ঈশ্বৰ কৃষ্ণ চৰণ।। ১৬৮২
মহাপুৰুষৰ মহদ মায়া।
মহন্তে নকৰে যাহাক দায়া।।

যত কৰ্ম ধৰ্ম কৰয় মানে।
নেৰাবয় কেহো ব্ৰত্ৰাদি দানে।। ১৬৮৩
শ্ৰৱণ কীৰ্ত্তন কৰিয়া ৰঙ্গে।
নামত এৰাই ভকত সঙ্গে।।
শঙ্কৰ চৰণ হৃদয়ে ধৰি।
সংসাৰ তৰি বোলা হৰি হৰি।। ১৬৮৪

* * * *

ঘোষা : জয় হৰি জয় ৰাম জয় জগন্নাথ।।
অনাথ তাৰিও নাথ দিয়া পৰমাৰ্থ।।১৪১

পদ : পুত্ৰৰ আগত সাধু কৰিলা বিদিত।
সংসাৰ সাগৰামৃত শঙ্কৰ চৰিত্ৰ।।
ভকত ভ্ৰমৰা যেন পদ্ম সমুদ্ৰত।
মৃণাল উভঙ্গি ৰাজ হংস অনুমত।। ১৬৮৫
তাতেসে নিকটে পৰি আৰাৰক কৰে।
শ্ৰৱণ কীৰ্ত্তন নদী জলে স্বাদ স্বৰে।।
নাম সৰোবৰ মাজে মন্দৰ শ্ৰীহৰি।
মথিও মন্দৰ যশ কৃত ৰজু ধৰি।। ১৬৮৬
হৰিৰ কীৰ্ত্তনে সাৰ ৰসে গণ্ড ঘোল।
পৰম ৰহস্য ধৰ্ম ভকতি অমূল্য।।
মহা পাপী ম্লেছতৰে অনাচাৰী নাৰী।
তৰে গাৰো মিৰি ভোট যৱন কছাৰী।। ১৬৮৭
কৰ্ম সংস্কাৰে একে নতৰে কুজ্ঞানী।
শাস্ত্ৰৰ বেদৰ তত্ত্ব নিৰ্ণয় নজানি।।
কৰ্ম গৰ্ব অহঙ্কাৰে সত্তক বিনাশে।
হৰিৰ কীৰ্ত্তনে নিন্দি বৈষ্ণৱক হাসে।। ১৬৮৮
যতেক সুকৃত কৰ্মে হৰি আৰাধন।
কৰ্মৰ অৰ্পণা ফল নামৰ কীৰ্ত্তন।।

তন্ত্র মন্ত্র যাগ যোগ চিত্তৰ শোধন।
যজ্ঞৰ পূৰয় অঙ্গ হৰিক স্মৰণ।। ১৬৮৯
নিষ্কাম সকাম মুখ্য কৰ্মৰ অৰ্চন।
একে মহা বিষ্ণুৰেসে মায়া নিৰূপণ।।
যুগৰ বিফল কৰ্ম কলিৰ শেষত।
নোহে তনুমন শুদ্ধ পাপৰ বলত।। ১৬৯০
পাপ সমে কৰ্ম কৰি অৰ্দ্ধেকেসে যাই।
পাষণ্ড মৰ্দনে আক দেখিয়োক চাই।।
তাপ জপ কাৰ্য কৰ্মে বিনাশ্ৰম কৰে।
ৰাম কৃষ্ণ শঙ্কৰ বুলিয়া সুখে তৰে।। ১৬৯১
গুৰু উপদেশে তন্ত্ৰ মন্ত্ৰ পূজা পথ।
ৰামৰ নামেসে ধন পূৰে মনোৰথ।।
সিজে অপ্ৰয়াসে পুণ্য আছে মানে যত।
জগতৰে যত ধৰ্ম নামে বাস্তৱত।। ১৬৯২
শাস্ত্ৰৰ বিচাৰে গুৰু ভকত ভকতি।
অভকত গুৰু লভি যাই অধোগতি।।
বিষ্ণুপুৰি মুখে ৰত্নাবলী কহে বেদ।
শিষ্যে কৰিবেক গুৰু হেন নামে খেদ।। ১৬৯৩
মূল মন্ত্ৰ পঞ্চতত্ত্ব বিচাৰে যুগুতি।
নামেসে সাধয় সিদ্ধি ভুকুতি মুকুতি।।
কৃষ্ণেসে শঙ্কৰ গুৰু ধৰ্ম হৰি নাম।
নপাইবা দুনাই হেন ভকতিৰ কাম।। ১৬৯৪
হাট ভাগি বাটে যাই বৈকুণ্ঠ নগৰ।
শঙ্কৰ প্ৰসাদে নাম ৰই ঘৰাঘৰ।।
হেন সময়ত যি সি নতৰে অভাগী।
বিকয় কাঞ্চক যেন কাঁচ ফল লাগি।। ১৬৯৫
ভাৰত বৰিষে ভাগ্যে মানৱী শৰীৰ।
ক্ষণিক জীৱন যেন বিজুলী অথিৰ।।
এতেকে ধৰিও ধৰ্ম নিধি হৰি নাম।
দুৰ্লভ সাধন সিদ্ধি বোলা ৰাম ৰাম।। ১৬৯৬

* * * *

ঘোষা : চতুৰ্ভুজ চতুৰ্ভুজ চতুৰ্ভুজ হৰি।
মুখে নাম হৃদি ৰূপ চতুৰ্ভুজ ধৰি।। ১৪২

পদ : পৰম পুৰুষোত্তম ব্ৰহ্ম নিজজন।
প্ৰকৃতি পুৰুষ দুইৰো বাদি নিয়মন।।
শক্তিত মায়াৰ তনু মূৰ্তি নিৰাকাৰ।
লীলায়ে ধৰিলা বহু বিধ অৱতাৰ।। ১৬৯৭
গুৰুত বিৰোদ্ধ নামে নধৰন্ত ফল।
ভক্তত বিৰোধ যেন এৰা ঘট জল।।
নৰহয় নাম তাৰ পাপ নযাই দূৰ।
জ্ঞাতি হিংসা বৈৰ হেন অঘট প্ৰচুৰ।। ১৬৯৮
হৰিৰ মায়ায়ে কৰি জ্ঞানীকো বিষম।
মই সাধু গৰ্ব নামে পামেৰ অধম।।
ভকত ভকতি গুৰু নাহি ভেদা ভেদ।
লোভ মোহ কাম ক্ৰোধ এৰি বিধি বেদ।। ১৬৯৯
মুনিকো নচাবে মোহ মায়ায়ে সাক্ষাত।
যদ্যপি আছন্ত সদা ঈশ্বৰ সৱাত।।
প্ৰাণীত কৰুণা মনে নাহি ভূত দায়া।
নেৰাবে সংসাৰ কেহো বৈষ্ণৱীত মায়া।। ১৭০০
যাবদে’ নিমূল নুহি নিৰ্বিকাৰি চিত।
ইহাৰ উপাই হেন কৰিলা বিদিত।।
হেন ৰস যশ গুণ মধুৰে মধুৰ।
পৰম ৰহস্য ইসি পাপ মৰিমূৰ।। ১৭০১
পৰম কীৰ্তন নাম পৰম ভকতি।
পৰম প্ৰাণীৰ জাত পৰে নাহি গতি।।
অপৰম প্ৰাণী বি সি পাপত মগন।
যাহাৰ ইছাত নাম মহিমা কীৰ্তন।। ১৭০২
নাহি ভুৰ ভঙ্গ পাপে নাহি ফাচফুচ।
আগক ৰজাই লবে নচাৱই পোচ।।
নেই ঘৰ বাৰী চক্ৰ বজোৰাবে ভাঙ্গি।
উটে শালপাট দেহা বানিজ্যৰ সাঙ্গি।। ১৭০৩

কথাক নুশুনে শাস্ত্র নপর্শে কাণত।
দেখা দেখা দেখা কেনে পাপৰ মহত।।
সেহি ছিদ্ৰ সেহি ছিদ্ৰ হৰি নামে দেখা।
তিনিও জনমে নাহি পাতকৰ লেখা।। ১৭০৪
অবোধ প্ৰবোধ অনাবোধ পাপযত।
নাহি বোধ জ্ঞান শিক্ষাবৌদ্ধে উন্মত্ত।।
বৌদ্ধ বিমৰ্দন বোধ পাষণ্ড মৰ্দন।
নাহি আত পৰে আৰ সজ্জন ৰঞ্জন।। ১৭০৫
ধৰ্মৰ কীৰ্তন মহৌষধি সুচৰিত্ৰা।
যেন পতিব্ৰতা সতী ৰাঘৱৰ সীতা।।
আনক নযাই সতী দেহাকো নগণি।
যাৰ মন মগ্ন ভৈল ধৰ্ম শিৰোমণি।। ১৭০৬
একান্ত শৰণে ভক্তি নাম হৃয়ে ধৰি।
নাই তন্ত্ৰ মন্ত্ৰ যন্ত্ৰ সুমৰয় হৰি।।
শাস্ত্ৰৰ বিহিত হিত ৰাম হৃষিকেশ।
অঘট নঘটে জ্ঞান গুৰু উপদেশ।। ১৭০৭
আশ্চৰ্য আশ্চৰ্য মহা মহিমা নামৰ।।
আপুনি তৰই গুৰু কৰই আনৰ।।
আশ্চৰ্য আশ্চৰ্য মহা মঙ্গল সুকৃত।
শুনা সমাজিক জন শঙ্কৰ চৰিত্ৰ।। ১৭০৮
সংসাৰ তৰিতে ধৰ্ম অৰ্থ মোক্ষ কাম।
মিলে একে থাৱে যাৰ মুখে হৰি নাম।।
মিলে গঙ্গা গয়া কাশী বাৰাণসী ফল।
নামৰ ভাণ্ডাৰ জানি হৃদয় কমল।। ১৭০৯
সংসাৰ কূপৰ সেতু হৰি নাম লম্ব।
ধৰিও নামত হেলা নকৰি বিলম্ব।।
শঙ্কৰ চৰণে মন সুমৰিয়া হিয়া।
বোলা হৰি হৰি যত পাপ সংহৰিয়া।। ১৭১০

* * * *

ঘোষা : বাম বোল বোল হৰি বোল বোল।
ভাৰত ৰতন হাতে নামে নাই মোল।। ১৪৩

পদ : বাহিৰ ভিতৰে পুৰা গধূলি সদাই।
যেই সেই যথা তথা নামে দোষ নাই।।
নিয়ম সংযম অনুষ্ঠান আচৰণ।
নাহি সংস্কাৰ একো নাম উচ্চাৰণ।। ১৭১১
বিধিৰ কিঙ্কৰ সবে নামেসে ঈশ্বৰ।
সকলে কালৰ বস বসনি জীৱৰ।।
প্ৰকাৰেসে কহে বেদ নকহে বিহিত।
নিসীমৰ সীমা অন্তে জন্মৰ আৰ্জিত।। ১৭১২
জানি নাৰায়ণ গুৰু দেৱতা মূৰাৰী।
নিস্তাৰ বিহিলা নামে আগম সংহাৰি।।
অমোচ মোচনকাৰী অমোঘৰ সিদ্ধি।
মুখ্য ধৰ্ম হৰি নাম কহে বেদ বিধি।। ১৭১৩
শাস্ত্ৰক মথিয়া কথি কহিলা শঙ্কৰ।
নামৰ প্ৰভাৱে পাপী তৰে নিৰন্তৰ।।
ব্ৰাহ্মণে লৱেবা যদি চণ্ডালে উচ্চৰে।
নাহিকে আৰৰ ফল সম জগতৰে।। ১৭১৪
তপ জপ যোগ যাগ বৃত্তি অনুসাৰ।
যাৰ যেন কৰ্ম ক্ৰিয়া নীতি আপোনাৰ।।
ধন মান কুল বিদ্যা দৰ্পে কৰে নাশ:
নিজ কুলে থাকি পুণ্য নামে অপ্ৰয়াস। ১৭১৫
সত্যৰ সাধনে সাধু ভাৰতৰ প্ৰজা।
নামত কৰিয়া নাই ধৰমৰ ৰাজা।।
নাম লৈও নাম লৈও নাম বিপৰীত।
নামে অসিদ্ধৰ সিদ্ধ সিদ্ধ কৃতকৃত।। ১৭১৬
ধন্য বিপৰীত কলি ধন্য নৰতনু।
ধন্য ধন্য হৰি নাম নেপাইবাহা পুনু।।
নেপাইবাহা নৰতনু নেপাইবাহা নাম।
তথাপি চিন্তনি পাপে পৰহিত কাম।। ১৭১৭

পাতকে ভেদিলে হৃদ্ ধৰ্ম্মে নাই চিত।
যাৰ কৰ্ণৰন্ধ্ৰে দূৰ ঈশ্বৰ চৰিত।।
ধৰ্মকো হাসয় যশ কৃত শঙ্কৰৰ।
উদৰ ভৰন আসে লোভিত বৰ্বৰ।। ১৭১৮
শিষ্য উদৰত মজ্জি জীৱিকাক লাগি।
নামত নধৰি পাপী মূৰ্খ মণ্ড ভাগি।।
ভক্তৰ ভকতি ধৰ্ম নামক নিন্দন।
উপৰি জনমে তাৰ নাহিকে সাধন।। ১৭১৯
লোকৰ নভৈলা সিদ্ধি পায়া মহোদয়।
নাৰায়ণ মায়া তাতে মায়া বিপৰ্যয়।।
মায়াৰ ঈশ্বৰ কৃষ্ণ পুৰুষ শঙ্কৰ।
নচাৰিবা হেন জানি নাম মাধৱৰ।। ১৭২০
মহাপুৰুষৰ পদ পঙ্কজত ধৰি।
অজ্ঞান আন্ধাৰ নষ্ট জ্ঞান নামে হৰি।।
সন্ত পৰায়ণ সঙ্গে লৈয়া হৰি নাম।
পাপ সমুদ্ৰৰ উঠি বোলা ৰাম ৰাম ।।১৭২১

* * * *

ঘোষা ঃ **ভজ মন ৰাম গোবিন্দ গোপাল।**
চিন্ত মন হৰি কৰিয়া সোকাল।। ১৪৪

পদ ঃ চিন্তামণি জন্ম সাধনা তনু।
নিসীমৰ অন্তে নেপাই পুনু।।
ধৰা ৰাম কৃষ্ণ শঙ্কৰ পাই।
মহা বিষ্ণু বিনে তাৰক নাই।। ১৭২২
পাপৰ সাগৰে বুৰিল জানি।
সংসাৰ সাগৰে শাৰেঙ্গ পানি।।
শ্ৰৱন কীৰ্ত্তনে পাতিলা খেৰি।
আগম পাতক পেলাই ঠেৰি।। ১৭২৩

দমিলা কুৰ্ত্তকী ভকতি দানে।
অধমো তৰিল নাম কীৰ্ত্তনে।।
গাৰো মিৰি ভোট যৱনে হৰি।
ভজিলন্ত গুৰু শিক্ষাক ধৰি।। ১৭২৪
ব্ৰহ্মাণ্ড ভিতৰে যত পাতেক।
নিস্তৰিল ধৰি হৰি নামক।।
পিতৃ মাতৃ ৰাজ বধ পাতকে।
নামে তাৰে গৰু বধি নৰকে।। ১৭২৫
তীৰ্থ বুলি স্নান জলত ইচ্ছা।
নহৰে পাতক ধান্ধাসে মিছা।।
প্ৰতিমাত কৰে দেৱতা বুদ্ধি।
নুগুচে পাতক নকৰে শুদ্ধি।। ১৭২৬
নাম বিনে নাহি পাপীৰ গতি।
কহিলা শঙ্কৰ দেৱ বদতি।।
নিতান্তে যি কৰে নাম কীৰ্ত্তন।
কলিত সেহি জন নাৰায়ণ।। ১৭২৭
মহা হৰি মায়া কপট কৰি।
অধিভূত দেৱ আতমা হৰি।।
ফাকতে গোবিন্দ গুৰু মৰাৰী।
দেখিওক বেদ শাস্ত্ৰ বিচাৰি।। ১৭২৮
বান্ধৱ মাধৱ ঈশ্বৰ দেৱ।
মহা হৰি বিনে নাহিকে কেৱ।।
অসত্য কৰন্ত সত্য কৰন্তা।
জগত জীৱন মুকুতি দাতা।। ১৭২৯
মিলায়া ভকতি ভকতি ভাগি।
তথাপি নভজে যিটো অভাগী।।
সেহিসে অসুৰ শুকৰ মৰা।
জানিয়া তাৰ সঙ্গ পৰিহৰা।। ১৭৩০
সুমৰিয়া পূৰ্ব পুৰাণি কথা।
উপৰি জন্মৰ সাধ্য সৰ্ব্বথা।।
যাহাৰ ভকতি নামৰ ভাগ।
নামক ৰাখই সি পাই লাগ।। ১৭৩১

পুত্ৰ ভাব ধৰি সৎসঙ্গ মাগে।
শাস্ত্ৰৰ বিচাৰে দিবাক লাগে।।
সৎসঙ্গ নামেসে সুহৃদ হই।
সুহৃদৰ বিনা ধৰম নই।। ১৭৩২
ক্ৰোধ ৰাগ দুই নাসন দাঙ্গ।
যেন নাশ যাই আপোন জাঙ্গ।।
এতেকে এৰিও আসুৰী ভাব।
দেৱৰো সম্পদ হৰিৰ পাব।। ১৭৩৩
হৰি সমসৰ নাহিকে আৰ।
গীতা ভাগৱত সংহিতা সাৰ।।
হৃদয়ৰ গুৰু মহা অনন্ত ।
আপোনাৰ নামে লোক তাৰন্ত।। ১৭৩৪
আপোন ইচ্ছায়ে লীলা কৰিয়া।
আপোনাৰ নাম লোকক দিয়া।।
সাধিলা শঙ্কৰে সাধনা কাম।
ধৰমৰ ধাম বান্ধিয়া নাম।। ১৭৩৫
আকে এৰি যিটো পাপে পামৰ।
ৰামেসে ঈশ্বৰ কৃষ্ণ শঙ্কৰ।।
দুৰ্ঘোৰ সংসাৰ দুখ তৰণ।
বোলা হৰি হৰি নামেসে ধন।। ১৭৩৬

* * * *

ঘোষা : নমো হৰি ৰাম নাৰায়ণ নাৰায়ণ।
শ্ৰৱণে পশিলো নামে লাগো মোৰ মন।।১৪৫

পদ : কহিলো শুনিয়া হেন কথা আনন্দিত।
কহিলো প্ৰবাদ আৰু শঙ্কৰ চৰিত্ৰ।।
বৈৰাদি কুৰ্ত্তকীগণে হয়া এক মতি।
খণ্ডিবে বুজিলা নাম লোকৰ ভকতি।। ১৭৩৭

* ঠেৰি —ঠেলা' নেচুকা।

ৰাখিলন্ত শুকদেৱে ভাগৱত মতে।
বিদিত কৰিলা ধৰ্ম জুৰি জগততে।।
পূৰ্ব পুৰাতন গীতা সংহিতাক চাই।
বাদে ভঙ্গ ভৈলা লাজে মুনিস বোলাই।। ১৭৩৮
কৃষ্ণৰ ভজনি ৰত্ন ভকতি অমূল্য।
পুৰাণৰ শাখা ভেদ শব্দাদ তম্মূল।।
শুক শিক্ষা জ্ঞানে গতি কহে চাৰি বেদ।
শাস্ত্ৰৰ নজানি তত্ব নজানিয়া ভেদ।। ১৭৩৯
শুক দেৱ নিন্দামূল ছেদ অহঙ্কাৰ।
নুপুচি নকও কৰ্মজৰি বধ যাৰ।।
সাধুত নাহিকে প্ৰীতি নামে নাহি মতি।
নাৰদৰ আগে দেৱ মহেশ বদতি।। ১৭৪০
বিষ্ণুও বৈষ্ণৱৰ নিন্দা জৰি ব্ৰজলেপ।
নজানো কিফল হই কৰিলন্ত খেপ।।
বৰ বৰ মুনি পুনু পুনু আলোকাজ।
বোলে নিৰন্তৰে ভৈল ভকতিয়া ৰাজ।। ১৭৪১
তৃণ জল শিলা ব্ৰটবৃক্ষ পূজি লীন।
অগ্নিত আহুতি হোত্ৰ গ্ৰহ কৈল হীন।।
বিস্যস্বৰ্গ চণ্ডীপাঠ খণ্ডিলে শীতলা।
ইহাৰ শিক্ষাক সবে মানিলেক ভালা।। ১৭৪২
হংস ছাগ ছেদি পূজা নকৰে গসাঁনী।
নামৰ কীৰ্তন মাত্ৰ ঘোষে সবে প্ৰাণী।।
সকলো ধৰ্মক তুচ্ছ কৰিলা শঙ্কৰ।
আমাৰ নাহিকে আন বৃপু আত পৰ।। ১৭৪৩
সবাতো অধিক ইসি বৰ পণ্ডিতালি।
বাদে ব্যৰ্থ কোপ খঙ্গে কৰিলন্ত গালি।।
আমাত কৰিয়া কোন কমন ডাণ্ডৰ।
কদৰ্থিলে মহা বিষ্ণু নজানি পামৰ।। ১৭৪৪
কুচিত কুবাক্য যত কি কৈবো তোমাত।
এবাৰ সঞ্জাতে দশবাৰৰ সঞ্জাত।।
মাছ কাছ সিংহ পশু দেখে ভয়ঙ্কৰ।
কৃষ্ণক নাহিকে মতি ৰিটো অধমৰ।। ১৭৪৫

মহাহৰি নাৰায়ণ হিয়াৰ সহায়।
মহাপুৰুষৰ মায়া কহিলোঁ দঢ়াই।।
শঙ্কৰ চৰণে মনে ধৰি অব্যাহতে।
সংসাৰ সাগৰে পাপী তৰে অকস্মাতে।। ১৭৪৬
সমস্তে ধৰ্মৰ নাম কীৰ্তনেসে ঘৰ।
সোণা এৰি সুনিয়াত ধান্ধা আৰ্জিতৰ।।
কায় কৰ্ম ক্লেশ স্নান দানে নুহি সম।
যিটো হৰি নাম লবে সেহিসে উত্তম।। ১৭৪৭
স্বৰ্গত থাকিয়া জানি খোজে দেৱ গণ।
আমিও ভাৰতে লাগি যাওঁ নাৰায়ণ।।
বাঞ্ছিত পূৰিবো আশা সাধিবো ভকতি।
তোমাৰ চৰণে আমি দেৱৰ সম্প্ৰতি।। ১৭৪৮
চাৰ স্বৰ্গ সুখ আমি খুজিলো নজানি।
তুষ্ট হুয়ো শংখ চক্ৰ গদা পদ্মপাণি।।
এহি বুলি বাঞ্ছে নৰ মনুষ্য শৰীৰ।
শুনা বুদ্ধিমন্ত সন্ত মতি কৰি থিৰ।। ১৭৪৯
তপ জপ যাগ যজ্ঞো নিয়ম আচাৰ।
বিপৰীত কলি পাঙ্কে নামে সাৰোধাৰ।।
নেপাইবা সেণ্ডুৰে পুনু কহে শূদ্ৰহীন।
ডাকি হৰি হৰি বোলা জানি ৰাত্ৰি দিন।। ১৭৫০

* * * *

ঘোষা ঃ **হে হৰি নৰহৰি নকৰা নৈৰাশ।**
তুৱা গুণ নামে তোমাৰ চৰণে দাস।।১৪৬

পদ ঃ নিগদতি সাধু আদি অন্ত বখানন্ত।
জগতৰ অন্তৰ্গত নিজ ভগৱন্ত।।
যেন মতে যেন কৰি লোকত বিদিত।
অবোধৰ বোধ শিক্ষা নামে পৃথিবীত।। ১৭৫১
মায়াৰ ঈশ্বৰ মহা প্ৰভু জনাৰ্দন।
সংসাৰ পালন গিৰি ইচিন চৰণ।।

মৎস্য কূৰ্ম্ম সিংহ বতু পৰশু ৰাৰাহ।
ইসব গুণটো গুণ কঠিন প্ৰয়াস।। ১৭৫২
দুই এক কাৰ্য মাত্ৰ সাধিলা মাধৱ।
ৰাম অৱতাৰে বন্ধু ভকত বান্ধৱ।।
কৃষ্ণ অৱতাৰে ভাৰহৰি বসুমতী।
সৎসঙ্গ বেকত ভৈল নভৈল ভকতি।। ১৭৫৩
কপাট মাৰিয়া ধৰ্ম ৰাখিলা যদ্যাপি।
মৈত্ৰেয় বিদুৰ সাধু উদ্ধৱত থাপি।।
ফিৰি নাৰায়ণ দেৱ কৰিলা বিহাৰ।
শত্ৰু মিত্ৰ উদাসীন কৰিলা উদ্ধাৰ।। ১৭৫৪
গুৰু অৱতাৰে কৃপা কৰি জগতক।
বিভঞ্জিয়া ভাগে ভাগে দিলা ভকতক।।
দিন দায়াকৰ ব্ৰহ্মা মহা মহেশ্বৰ।
গোবিন্দ গোপাল দিন দায়াৰ সাগৰ।। ১৭৫৫
মেঘৰ গম্ভীৰ ধাৰে নাম বৃষ্টিপাত।
সংসাৰ বনৰ জুই কৰিলা নিপাত।।
নাম সিংহ কোৰ্হাল নাদ ধ্বনি শুনি।
পাতক মাতঙ্গ ডৰে পলাই আপুনি।। ১৭৫৬
পাপ গহবৰৰ লুকি লাগি ভয়ভীত।
হৰি বিমুখত গৈয়া ৰৈলা উপস্থিত।।
পাপৰ মন্দিৰ তনু কাই অধমৰ।
কৰ্ম্মৰ আৰ্জ্জিত ফল ভাগ মনুষ্যৰ।। ১৭৫৭
ভকতৰ ভাল ভৈল অধমৰ কাল।
হৰিৰ নামৰ ধ্বনি যেন হৃদিশাল।।
কৈক যাওঁ কি কৰিবো বিধি ঐ ৰাম।
ভয়ত সুমৰি শুদ্ধ হয়া লৈলে নাম।। ১৭৫৮
নাম হুতাশনে পাই বাসনাৰ পুৰি।
ভৈল হৰি ভজনিয়া সংসাৰ জুৰি।।
আপোন গুণক লভি উপদেশ দাতা।
সুহৃদ বান্ধৱ বন্ধু পায়া পিতা মাতা।। ১৭৫৯

জগতৰ মহাগুৰু ঈশ্বৰ শঙ্কৰ।
হৃদয়ৰ নিজ সাক্ষী নিজ্জে ভকতৰ।।
সুখ দুখ কৰ্তাকাৰী নমো ভয়হাৰি।
তাৰণ কাৰণ ভাৰ গিৰি অধিকাৰী।। ১৭৬০
নমো নমো নাৰায়ণ নমো মহাহৰি।
নমো নমস্কাৰ নামে নিয়ন্তা উদ্ধাৰি।।
শুনা সভাসদ জন ভাৰতৰ লোক।
বোলা হৰি হৰি সদা নাম ঘোষিওক।। ১৭৬১

* * * *

ঘোষা ঃ এ ৰাম গোপাল গোবিন্দ জয় হৰি।
জীৱৰ নিয়ন্তা পৰম আতমা দুখ ভয় সংহৰি।।১৪৭

পদ ঃ যাৰ দুই পাই জান্তিলা হেৰাই
চিপা এক গাঁঠি কৰি।
সৎসঙ্গ খেৰালী পাসিৰ অগম্য
টিকনিৰ মহাহৰি।।
নিৰঞ্জন নিৰা কাৰ নাৰায়ণ
ভকতৰ কল্পতৰু।
অনাদি অনন্ত ভগৱন্ত ৰাম
কৃষ্ণ জগতৰ গুৰু।। ১৭৬২
অসঙ্গীক সঙ্গী কৰিয়া শঙ্কৰ
কৰুণা কৰিলা নামে।
হেনয় ঈশ্বৰ গৃহস্থ জীৱৰ
নভজয় কোন কামে।।
পাপ পয়োনিধি পৰি তল গই
পাপে হয়া মলমতি।
দুৰ্গতি তাৰক ভয়ে ভগৱন্ত
নজানিয়া নাই গতি।। ১৭৬৩

কপটি কপট কৰিয়া লুম্পট
আগম পাষণ্ডে পাই।
এতেকেসে গীতা ভাগৱত টীকা
দেখিও নিগম চাই।।
তেবে মুনিসাই লোকত জুৰাই
বোলোক বেদ বখানি
আপোনাৰ পুৰি কালৰ হাতত
পৰক হাসে অজ্ঞানী।। ১৭৬৪
শঙ্কৰত পৰ নাহিকে লোকৰ
নাম ধৰমৰ গুৰি।
যেন দুই মুৰা দিণ্ডৰা পাতিলা
সংসাৰ সাগৰ জুৰি।।
কাল যমাদিৰ নিয়ন্তা ঈশ্বৰ
স্মৰণে সাধে কল্যাণ।
নিচিন্তিয়া নৰে আনসে আচৰে
কুবাক্য কৰি বাখ্যান।। ১৭৬৫
একোৰে উপাই এৰান নযাই
আপোন পূর্বৰ ভাৱে।
হৰিত ভকতি নঘটে যাৱত
বিনা কৃষ্ণ পদ পাৱে।।
বেৰ্থে যাই দিন শুনস্তাৰো ঘিণ
আন ধৰ্মে নাই আশ।
যতেক স্ব-ধৰ্ম বৰ্ণাশ্ৰম কৰ্ম
নামৰ লগে নিবাস।। ১৭৬৬
ঢাক ঢোল বাই চাপৰি বজাই
যাৰ যেন অঙ্গীকাৰ।
যাক যি বেলাত বিহিত বিধান
নামেসে ফল সবাৰ।।
দুই চক্ষু খাই বকতা বোলাই
প্ৰভুক নুবুলি সুদা।

চক্ষুৰে নাকলি মনে অগোচৰ
লাগিছাক মাল খুন্দা।। ১৭৬৭
দুৰ্ঘোৰ চাতনি বান্ধৱ কাটনি
নাম খৰ্গ খৰোতৰ।
জীয়াৰ ঔষধি ত্যজি বিষ পান
পটন্তৰ অধমৰ।।
নিন্দকৰ নিন্দা গুৰুত বিৰোধ
তাহাৰ পাছে প্ৰমাণ।
গাবে বোন্দাৰোগ হবে বৰ কুষ্ঠ
কৃষ্ণৰ মুখে বিধান।। ১৭৬৮
ভকতৰ নিন্দা জন্ম আশাছেদ
চিৰকালে নৰ্কে ভিতি।
মহা হৰি পাদ পদ্ম প্ৰাণ নাথ
চৰণে হুয়া অৰীতি।।
গুৰু দেব পাবে তবে নাম নাবে
এৰাইবাৰ মহৌষধি।
নাম নুসুমৰি আত্মাঘাত কৰি
মৰয় হুয়া বিবুধি।। ১৭৬৯
চিন্তামণি জন্ম পায়া নৰোধম
কাঞ্চক কাচে মোলাই।
মলয়াক পাই ভস্মৰ নিমিত্তে
দহিয়া নকৰা চাই।।
সাধু মুখে সাক্ষী যেন গজ পিঠি
মাংসৰ আৰিয়া ভাৰ।
নিজ গুৰু কৃত মৃত্যু সঞ্জীৱনী
কৰিলা হীনে প্ৰচাৰ।। ১৭৭০
যেন অন্তেজৰো ধনে প্ৰাণ ৰাখে
বিভাতে এৰাই পৰিত।
স্বৰূপতে হীন কবিত কৌছান
ধৰ্ম্ম দৃশ্য মহাবিত।।

ইহাৰ পৰশে নিস্তাৰ বৌ বৌ এ
দুখৰ এৰাই হাত।
আপোন যশত ত্ৰোষ কৃপাময়
হিয়াত হবে সাক্ষাত।। ১৭৭১
সংসাৰ চক্ৰৰ ভয় নিবাৰণ
পাতকৰ বিমোচন।
মোক্ষৰ নিদান পায়া বিষ্ণু ধান
শুনিয়োক সৰ্বজন।।
শঙ্কৰ চৰিত্ৰ শ্ৰবণে কীৰ্তনে
ধৰ্মৰ আবৃত্তে তৰি।
ভৱ বন্ধ বান্ধে মেলানি গৃহস্থ
ডাকি বোলা হৰি হৰি।। ১৭৭২

* * * *

ঘোষা : হে হৰি নৰ হৰি এৰিও দুসঙ্গ।
তোমাৰ চৰণে লাগো নামে সৎসঙ্গ।। ১৪৮

পদ : সাধু নিগদতি শুনা মনসা তনয়।
চৈধ্য পুৰুষৰ একধাম ভিন্ন নয়।।
শপত শপত কৰি শাখা ভেদ সীমা।
মাছ কাছ সিংহ বৰা অকতা মহিমা।। ১৭৭৩
ক্ষত্ৰিয় যাদৱ শূদ্ৰ সন্ত ৰূপে গুৰু।
আগমৰ প্ৰবাদিয় নিগমৰ তৰু।।
দিদ্ধৰূপ ধৰি হৰি হৰে নিয়মিলা।
পাছত আসিয়া তাক দুনু নিকালিলা।। ১৭৭৪
যাগ যজ্ঞ যোগাদিক হোমাদিৰ বাণী।
সৰ্ব ধৰ্ম নামাদিকে কুসুম কল্যাণী।।
শঙ্কৰ মাধৱ গুৰু শিষ্য ৰূপী চিয়া।
মহাপুৰুষৰ কথা মহত্তৰ হিয়া।। ১৭৭৫
গুৰুৰ শিষ্যৰ যাৰ জ্ঞান নঘটয়।
শিষ্য গুৰু বধ ভাগী আত্মঘাতী হয়।।

শিষ্য গুৰু সম্বন্ধৰ অপৰাধী হই।
নেৰাৰে সংসাৰ বন্ধ দ্ৰোহিয়াৰ দুই।। ১৭৭৬
কোনে কাত কিবা কহে লাভ কোন জন।
চিন্তামণি জনমৰ ফল গুণগণ।।
ভকতি নঘটে যোনো মায়ায়ে হেৰাই।
হৰিত কৰিয়া হৰে হেৰাটো ৰৰাই।। ১৭৭৭
গঙ্গোদক পায়া কৰে সুৰাৰে মিশ্ৰিত।
হৰেকি পাতক জাতি·ধৰ্ম্মৰো বৰ্জ্জিত।।
হেন ম্লেছাদিও তবে ভকতি পৰম।
ৰাজ্জা ধৰ্ম নাম ৰিত দেৱৰো দুৰ্গম।। ১৭৭৮
আপুনি কায়ন্তে আইল্ পোচ লাগে কাত।
হেনয় গৃহস্থ অস্ত্ৰ বুজনি আমাত।।
তোমাত কহিবে লাগি গুণিয়া নপাওঁ।
কলাৰ প্ৰসাৰে যেন বান্ধ হৰুৱাও।। ১৭৭৯
থহনীয়া তীৰ কাছে ভৈয়াইক থৈয়া।
ভৱ বই নদী গড়া পাক চাক-নৈয়া।
মায়াৰ মধুৰ স্বাদে কলা পটন্তৰ।
ৰামকৃষ্ণ নাৰায়ণ বাজি শঙ্কৰৰ।। ১৭৮০
ইন্দ্ৰিয়ৰ ভোগ বৃত্তি আচলৰ ঘাহ।
সোন্দাকল ৰৱণীত খায়া মৰে মাছ।।
ৰণিয়াৰ বানে কলা কজুৱাৰ মন।
দৰিদ্ৰ কম্পালে যোগ হাতে নাহি ধন।। ১৭৮১
বিষয় লুম্পুট ৰস পৰশ পায়াশা।
এতেকে নৈৰাশা কৃষ্ণ সন্তৰ নিৰষা।।
এৰাইতে নপাৰি ধাক্কা সেৱ কৰি সিধি।
গুৰু শিষ্য গুহ্যতত্বে ব্ৰোবা_বেদ্ৰবিধি।। .১৭৮২
বেদৰো আত্মিক তুতি হয়া মুৰ্ত্তিমন্ত।
হেনসে ঈশ্বৰ ঈশ প্ৰভু ভগৱন্ত।।
পূৰ্ব সদাচাৰে হৰি ভকতিৰ পথ।
আদি অন্ত অপৰ্যন্ত পূৰে মনোৰথ।।
বিধিৰ বিহিত যত প্ৰবৃত্তিৰ কাম।
বেদৰো নিবৃত্তি নাম বোলা ৰাম ৰাম।। ১৭৮৩

* * * *

ঘোষা : ৰাম বোল বোল হৰি বোল বোল।।
নিগম কল্পতৰু ৰসে বহে ঘোল।। ১৪৯

পদ : গীতা ভাগৱত সাৰবেদৰ বিচাৰ।
নামেসে পৰম গতি ভকতি ইবাৰ।।
বিনোদ্দ বিলাস কথা আলাসৰ হৰি।
হেলাত নভজি বিনা গতি পাপী মৰি।। ১৭৮৪
*চতুৰঅক্ষৰে চতুৰ্বেদে নাৰাযণ।
*বাইৰ বজাই হিয়া জীৱন মৰণ।।
নিৰাকাৰ নিৰাময় নিৰঞ্জন আদি।
নিৰ্বিকাৰী আকাৰাদি পুৰুষৰ বাদি।। ১৭৮৫
মৎস্য কূৰ্ম নৰসিংহ বোধে সাৰোধাৰ।
বামণ পৰশু হলি বাৰাহ আকাৰ।।
নমো নিতে হৃদৃশ্বৰ ঈশ্বৰ গোসাঁই।
দ্ৰোহিয়াৰ দ্ৰোহ ক্ষমা কৰা দুই পাই।। ১৭৮৬
অপণ্ডিত মূৰ্খাধম শূদিৰৰ হীন।
কায়স্থৰ পাৰে দাস কৌঠ পৰাধীন।।
নাজানো ভকতি স্তুতি বচন মিনতি।
সচতে সপোনে জানো তুমি মোৰ গতি।। ১৭৮৭
মহা বিষ্ণু জগ জীৱ প্ৰভু জনাৰ্দন।
শৰণৰ গিৰি আদি শঙ্কৰ চৰণ।।
বনবাসী গৰখীয়া জাতিত শূদিৰ।।
অচ্যুতৰ চ্যুতকাই চিত নজাই থিৰ।। ১৭৮৮
কি কৰি ভজস মন কুটিত কুৰূপ।
দশ নখ বেৰে নাহি দ্বাদশ স্বৰূপ।।
গুৰু মূৰ্তি অৱতৰি জগত তৰণ।
সংসাৰ সাগৰ বঞ্চি নামত শৰণ।। ১৭৮৯

---

* *চতুৰ অক্ষৰে — চাৰি আখৰে।*
* *বাইৰ — বাহিৰত।*

হৃন্মে দীর্ঘলোপ হৃন্দে থাকি ভগৱন্ত।
অক্ষয় অব্যয় পাদপাণি অপর্যন্ত।।
যদ্যপি মনুষ্য বুদ্ধি যিটো পাপীষ্ঠৰ।
সিসবে নজানে আদি নাম ধৰমৰ।। ১৭৯০
ঈশ্বৰত হিংসা কোপে অনিশ্বৰ ঘাটি।
যেন দিগজৰ লাদে শাহা পোছ ফাটি।।
গোৰ কটা বৃক্ষ হেন ফলে নাহি আশ।
সেহিমতে ভাগ যাৰ তাৰ উপিহাস।। ১৭৯১
সুদিনৰ দিনে হীন দুর্দিনত থাকি।
ধৰ্ম পৰিক্রিয়া শিক্ষা সীমা ভেদ থাকি।।
সেবকেসে ৰাম কৃষ্ণ শঙ্কৰ মুৰাৰী।
জানি আদি অন্ত ওৰা নির্ণয় বিচাৰি।। ১৭৯২
ধৰ্মৰ গৃহস্থ অস্ত্র প্ৰহস্ত চৰণ।
সৎসঙ্গ বিনাই নাই কাহাৰো তৰণ।।
কহে মহামুনি সাধু মানসাত দাই।
বিৰচিলা কবি হীনে ভাল তত্ত্ব পাই।।
হৃদিগতে মজ্জি ৰহু মন অবিৰাম।
কাতৰ কৰোহো সবে বোলা ৰাম ৰাম।। ১৭৯৩

* * * *

ঘোষা : **কৰিও হৰিৰ নামত ৰতি।**
হৰিৰ চৰণে হৰিৰ ভকতি।। ১৫০

পদ : অনন্ত ব্ৰহ্মাণ্ড নায়ক পতি।
বেদে যেবে দান্তে জানি বদতি।।
নিৰঞ্জন নিৰাকাৰৰ কায়া।
আকাৰাদি হয়া কাৰণে মায়া।। ১৭৯৪
ব্ৰহ্মা বিশাৰদ সাৰদ কৰি।
মৎস্য কূৰ্ম সিংহ বাৰাহ হৰি।।

ভজনিৰ ভঙ্গি নাজানি মূঢ়।
গৃহস্থৰ অন্ত্ৰ স্মৰনি গূঢ়।। ১৭৯৫
আপোন পৰৰ বিভাগে সাজি।
বিনোদ্দ বিহাৰ বিচিত্ৰ বাজি।।
আই মুখ কাঢ়ি সজে *গৰ্ভোৱা।
কেনে বাপেকৰ কেনুৱা ল'ৰা।। ১৭৯৬
নন্দৰ ছৱাল কুসুম সুত।
শ্ৰুত যে পুৰুষ বাপ অচ্যুত।।
আগ পাচ চাই দঢ়াই হিয়া।
নাম সুমৰণি মন মজিয়া।। ১৭৯৭
হৰিসে অত্যন্তি ৰহস্য বন্ধু।
গুণ যশ ৰসে আনন্দ মধু।।
হৰে গৰ্ভ ৰোগ পাতক দহে।
শাস্ত্ৰৰ উচাতে মহন্তে কহে।। ১৭৯৮
আগম নিগম গূঢ় গূঢ়াস্য।
ভকতিত কৰে ভকতে বশ্য।।
প্ৰভু নাৰায়ণ সাৰেঙ্গ পাণি।
ৰাম কৃষ্ণ পাদু শঙ্কৰ জানি।। ১৭৯৯
প্ৰহন্তৰ অন্ত্ৰ প্ৰচুৰ দুই।
শ্ৰৱণ কীৰ্তনে পাপৰ জুই।।
নিগুণৰ ধাতা গুণৰ নিধি।
সম্ফল জনমে সাধনা সিদ্ধি।। ১৮০০
হৰি গুণ নামে নামেসে পায়।
শৌনকাদি সিদ্ধ মুনিয়ো গায়।।
বিধিৰো বিদাই ভাৰত লাগি।
নগাই গুণক হীন অভাগী।। ১৮০১
নলৱে নামক অচুচ্ছ জাতি।
হীনতো কবি হীন বুধ্যা আতি।।

---

*গৰ্ভোৱা — গৰ্ভত ধাৰণ কৰা।

অচুচ্ছ অচুচ্ছ অধমাধম।
চৌষষ্ঠি নৰক পাপ জংগম।। ১৮০২
পাপৰ সাগৰ অধৰ্ম জানি।
বিবিধ বিধানে বেদৰ বাণী।।
প্ৰলয়ত ভাগে বিভাগে লয়।
শাস্ত্ৰৰ বিহিত সন্ত আশ্ৰয়।। ১৮০৩
ৰাম কৃষ্ণ গুৰু দেৱৰ ডাক।
এৰাই সংসাৰ এৰাই মায়াক।।
দিনে দিৱসৰ ধৰম ধাম।
কলি যুগাৱলী হৰিৰ নাম।। ১৮০৪
সংকট বেলাত সবাৰো বিত।
মৃত্যু সঞ্জীৱনী জয়তি কৃত।।
আনন্দে উৎসৱে শ্ৰৱণে শুনি।
গুণ গাই সবে ঈশ আপুনি।। ১৮০৫
শৰণ্যৰ গুৰি ভজনি আদি।
জনক জননী তৰণি চান্দি।।
হৃদয়ত ৰূপ মুখত নাম।
সাইধৰ সাধিওক ৰাম ৰাম।। ১৮০৬

* * * *

ঘোষা : **শৰণ্যে নামে গতি শঙ্কৰ চৰণ।**
গুৰুৰ পৰম গুৰু হৰি নাৰায়ণ।। ১৫১

পদ : পুচিলা মানসা নিজ ধৰ্মযে ভকতি।
মহামুনি সৰ্ব ৰসি সাধু নিগদতি।।
গুৰু পৰম ব্ৰহ্ম কৰ্মৰণি বাৰম্বাৰ।
পৰিয়া প্ৰণতি ব্ৰহ্ম ৰাণী মহাসাৰ।। ১৮০৭
মাছ কাছ সিংহ বৰা মনুষ্যৰ কায়া।
কমনে লক্ষিতে ব্ৰহ্ম মোহনৰ মায়া।।

হাতৰ হৰাই দেখি নপাই বাহিৰ।
হৃদয়ে থাকন্তে দূৰ মন নযাই স্থিৰ।। ১৮০৮
সিন্ধু বাজ তৃষাতুৰে মহাবহ্নি জাৰে।
মেৰু গিৰি নেদেখয় হেন কেশআৰে।।
যাক নতু কৰা দায়া মায়ায়ে ভবধ।
ভকতি কৰিবে নাম শুনিয়া দগধ।। ১৮০৯
ভকতৰ ভকতি গুৰু কেনবা ঈশ্বৰ।
জনম মৰণ বৃত্তি জানিয়া জীৱৰ।।
মায়াৰ ঈশ্বৰ মায়া জৰি আছে চান্দি।
বাহিৰ বজাই হৃদয়া চৰণৰ খান্দি।। ১৮১০
যাদৱ মাধৱ যদু বান্ধৱ অচ্যুত।
ত্ৰিভুৱন সচেতনা সৰ্ব্ব দেহাভূত।।
যাক অনুগ্ৰহ কৰা কৃষ্ণ জগন্নাথ।
তাহাৰ ভকতি গতি নামে পৰমাৰ্থ।। ১৮১১
তাহাৰ বলধ বৃদ্ধ লেঙ্গুৰ তস্কৰ।
ভকতিৰ আদি অন্ত কথা গৃহস্থৰ।।
আপুনি অন্তৰ পোচ ঘাশ্য গুণ গীত।
বৃদ্ধ গুৰু বজমনে চৰে আনন্দিত।। ১৮১২
যেন ঘৰ গৰু ঘৰে গিৰি নেৰে দায়া।
যদিবা সম্ভ্ৰম ঘোৰ তোমাৰেসে মায়া।।
শূদ্ৰত সৎসঙ্গ শূদ্ৰহীনতো জনম।
যেন ৰাপ ধৰা তেহু পৰশে পৰম।। ১৮১৩
আকেসে বাঞ্ছিত সদা নসাধোহো আন।
পৰম ভৃত্যৰো ভৃত্য দিয়া ভক্তি দান।।
সেৱক কুৰশ যশ হেৰাই গৃহস্থক।
স্বভাৱে কৰিও দায়া সিহেতু শিষ্যক।। ১৮১৪
কায়স্থৰ দাস কৌঁঠ শূদ্ৰানী নন্দন।
যশ ৰস পদ বন্ধে লোভাইত্ত মন।।
ধৰ্ম্ম সিৰিৰাজ কৃত ধৰমৰ গুৰি।
সংসাৰ বনৰ পাপ অবন্যক পুৰি।। ১৮১৫

শ্ৰৱণ কীৰ্তনে ফল পাই দিব্যজ্ঞান।
যুগৰ যুগুতি যেন জুৰাই বিধান।।
যুগ ধৰ্ম চাৰি বিনা অধৰ্ম আচাৰ।।
সকল ধৰ্মৰ ৰাজা নামে হৰবাৰ। ১৮১৬
দুষ্যবিয় স্বৰূপৰ জানি শাখাভেদ।।
ব্ৰাহ্ময় বাৰ্ষিকে শুদ্ধি নামে মোক্ষ বেদ।।
মাৰন্তা জনৰ বেলা সময়ৰ বিত।
জন্মৰ সাম্ফল্য ভাগ লাস্য কৃতকৃত।। ১৮১৭
যমৰ যাতনা এৰাই পৰম্পদে ঠাই।
নৰাখই ধান্ধা শ্ৰবে গৃহস্থ বিনাই।।
অসত্য অধৰ্ম পাপে গৰিহিত কাম।
পাতক ছাড়োক ডাকি বোলা ৰাম ৰাম।। ১৮১৮

* * * *

ঘোষা : কাঞ্চক মূলিয়া কাছে বণিজ ধন।
মূলত ঘাটি লাভকে তোৰ মন।। ১৫২

পদ : শ্ৰোতাৰ বচনে বক্তা বদতিয় মুনি।
অনিল বদতি জীৱ লয় দিবে কুনি।।
বহ্নিৰ স্ফুলিঙ্গা যেন বহ্নি বহুতৰ।
বহ্নিত নিলয় ধূম্ৰ দূৰতো দূৰৰ।। ১৮১৯
ব্ৰহ্ম অংশ জীৱ যত সবে সমুদাই।
ভকতি নভৈলে ফিৰি ব্ৰহ্মকো নপাই।।
কৃষ্ণ ভক্তি জানে কৃষ্ণ ভকত সকল।
শুনিতো নুশুনে কথা পাপৰ নিষ্ফল।। ১৮২০
আপুনি নোবাবে পাপী ভঙ্গাবে লোকক।
যেন কোবাই কিলাই খেদে *তস্কৰ খাটক।।
হৰি গুণ নাম কথা চূৰ্ণ খাৰ প্ৰায়।
ভকতৰ মহা মৃত্ত এৰণ নাবায়।। ১৮২১

---

* তস্কৰ — চোৰ

সত্ত অসত্তৰ পাপ পুণ্যৰ কাৰণ।
স্বৰ্গ নৰ্ক পাত যাই সংসাৰে পতন।।
গৃহস্থৰ ভাগ ভক্তিৰাশি দিব্যজ্ঞান।
বিষয় বাসনা ৰাশি বিবিধ বিধান।। ১৮২২
অনন্ত যোনিৰ জাল যোনি ধাদ্ধাৰাগ।
বাসনা বধৰ জৰী নেৰৈ কাৰো লাগ।।
ষোলয় বৰ্ষৰে নাৰী যুৱতী প্ৰমত্ত।
উন্ন ৰবিৰত যুৱা পুৰুষ মহত।। ১৮২৩
বিংশ বিংশতিক কৰি তিনি তিনি প্ৰীত।
সত্ত ৰজ তম তিনি গুণ উপস্থিত।।
নিৰঞ্জন নিৰাকাৰ আকাৰৰ জন।
নিৰ্বিকাৰী নিৰাময় দিব্য বিলোপন।। ১৮২৪
শঙ্কৰী সম্প্ৰদা টীকা মহদাসে সাৰ।
একে মহা মাধৱৰ কীৰ্তি ৰাৰে ৰাৰ।।
একে মহা বিষ্ণু ব্ৰহ্মাপদ নিৰঞ্জন।
একান্ত ভকতি নামে শৰণ ভজন।। ১৮২৫
শ্ৰৱণ কীৰ্তন দানি আনি পৃথিৱীত।
হৰিৰ কীৰ্তন শেষ ফল কৃতকৃত।।
দুৰ্লভ জনম নাম দুৰ্লভ কীৰ্তন।
দুৰ্লভে দুৰ্লভ দীন ভাগ্যৰ চৰণ।। ১৮২৬
নতৰা তাৰণকাৰী অৱতাৰী সীমা।
হেনসে প্ৰভাৱ গুণ নামৰ মহিমা।।
ধন্য শিৰোমণি কলি বিপৰীত গুণি।
আত্মাপৰ সৃষ্টিমায়া আদলে আপুনি।। ১৮২৭
ধৰমৰ আদি অন্ত ভকতিৰ গুৰি।
অবোধৰ গুণ শিক্ষা জ্ঞান গজমুৰি।।
হৰি পৰায়ণে নৰ মহা ভাগ্যোদয়।
পাপৰ নিস্তৰি ডাকি বোলা জয় জয়।। ১৮২৮

* * * *

ঘোষা : নতৰ ভৰণেয় ধাম অতৰণে বাপ।
সহন নযাই পীড়া দগ্ধ পাপ তাপ।। ১৫৩

পদ : নাম ধৰ্ম মূল গুৰু শ্ৰীহৰি ঈশ্বৰ।
ৰক্ষা কৰ্তা অধিকাৰী নিসীম জীৱৰ।।
গৃহস্থ কালৰ গতি অস্ত্ৰ ৰাঘৱৰ।
যত দ্বীপ দ্বীপান্তৰ তজু চৰণৰ।। ১৮২৯
আজ্ঞাৰ বসতি কাল কলিৰ মহত।
বিনাজ্ঞায়ে কোনে কৰে সৃজনা জগত।।
কালেসে বঢ়াই কালে ঢুকাই নিমিষত।
মহা বিষ্ণু মায়া জালে ই তিনি জগত।। ১৮৩০
ফান্দগিৰি ফান্দোৱাল গোবিন্দগোপাল।
পাপ পয়োভৰে মহি ধৰমৰ কাল।।
আপোনাৰে বাজি অক্ষ শব্দ অনুস্বৰ।
ভক্তিহীনা অপৰাধী ভাগে ভিন পৰ।। ১৮৩১
শ্ৰৱণ কীৰ্ত্তন নামধৰ্ম একে ঠাই।
শৰণ ভজন আদি অৰ্পণা মিলাই।।
সীমা পদ সাক্ষা ভেদ দেহা ৰূপ ধৰি।
নিৰঞ্জন নিৰাকাৰ এতাৱন্ত হৰি।। ১৮৩২
মায়াত শকতি পতি মায়াত প্ৰবেশ।
সম্প্ৰদান কৰি হৰি ভক্তিৰ আদেশ।।
সেৱা চোৰা চিন্তা খেদ খাৰন জীৱন।
প্ৰাণ-প্ৰিয় ইস হেন নাহিকে সিমন।। ১৮৩৩
তাৰণ কাৰণ পদে পত্ৰ বিতোপণ।
পৰম পুৰুষ হৃদিশ্বৰ নাৰায়ণ।।
ৰাক্তৰ শঙ্কৰ হৰি মাধৱ গোসাঁই।
যেই ৰূপ ধৰা সেই নেৰিবাহা পাই।। ১৮৩৪
ত্ৰিৰ্য্য মূৰ্ত্তি ভজনত সভয় মনৰ।
সত্তমূৰ্ত্তি ভজনৰ অভয় পদৰ।।
পৰসৰ গুণশীল শিক্ষা পৰমাৰ্থ।
মোৰ দোষ মৰবিও হেৰা জগন্নাথ।। ১৮৩৫

শূদ্ৰজনী গৰ্ভাগত যদ্যপি বিকাৰ।
শুক্ল পৰম ব্ৰহ্ম নাম অদ্যপি ধিকাৰ।।
নাম দানি মুণ্ডভঙ্গা মকুন্দ মুৰাৰী।
মায়াক মৰ্দিয়া চুৰি নিয়ন্তা উদ্ধাৰি।। ১৮৩৬
সুমৰিয়া শোক শলি সন্তাপিত হিয়া।
দোষ চাই দণ্ডধৰ গুণে ঠাই দিয়া।।
সৰ্বজ্ঞ বদতি সাধু মুখে বেদ বাণী।
পদে বিৰচিলা হীনে সাৰ তত্ত্ব জানি।। ১৮৩৭
আগ পাছ বঢ়া টুটা সন্তে ক্ষমাপন।
যিটো সাধু মহাশয় শঙ্কৰ চৰণ।।
দুৰাশয় দুৰ্বোধৰ ধৰ্মে নাহি কাজ।
যদ্যপি হৰিৰ নাম ধৰ্মে সামৰাজ।। ১৮৩৮
আশাত ভসাবে বিনা কপট আচাৰ।
ভকতিৰ বীজ হানি শুক্ল অহঙ্কাৰ।।
সঙ্কটত শৰণ্যৰ বিত কণ্ঠোগত।
হৰি হৰি বোলা ডাকি পাপ হৌক হত।। ১৮৩৯

* * * *

ঘোষা ঃ দীন কৃপাল বন্ধু দীন দায়াল।
হৰি হৰি প্ৰাণ প্ৰভু দিনক কাল।। ১৫৪

পদ ঃ ইসব কথাত শঙ্কা নকৰি সংশয়।
জগত বঞ্চন জন হৃদয়ে হৃদয়।।
অন্তকাৰী *ওদা দাবি ধৰ্ম ধাম কথা।
ধৰ্ম্মক ধৰিয়া মাত্ৰ পৰে যথা তথা।। ১৮৪০
তথাপি অসিদ্ধ নুহি হৰি ভকতৰ।
দুসঙ্গৰ সঙ্গে কৰে ভাগি নৰকৰ।।
ভকতি *বাইৰ পাপ পুণ্যে ঘুৰি ঘুৰি।
সন্তত ৰবাই দুষ্ট দুগুণে আসুৰী।। ১৮৪১

---

* ওদা দাবি —পিকাতৰ।
* বাইৰ —বাহিৰ।

মহাম্লেছ পাষণ্ডৰ বুদ্ধি অপৰ্যন্ত।
সৰ্বভোগ কৰ্তাযেন প্ৰভু ভগৱন্ত।।
*একলে *ভেকলে প্ৰাই দিগজো দৰাই।
গুৰুতৰ পাপ ভাৰে মেদিনী কম্পাই।। ১৮৪২
ভগৱন্তো ভয়াতুৰি ভৈল একেশ্বৰ।
দেখিও নেদেখি কেনে কেলি ঈশ্বৰৰ।।
অংশ দিগপাল সবে লগে লৈয়া হৰি।
লগৰ সহাই গুৰু উপদেশি কৰি।। ১৮৪৩
অজ্ঞ নিজ ৰূপে দিধ্যা যুগল চৰণ।
চাৰিৰ সংযোগে নাম একান্ত শৰণ।।
সাৰ ৰসে চৰি পুৰে গঙ্গা বহি যাই।
আপোন ইচ্ছায়ে ইচ্ছা আপুনি মিলাই।। ১৮৪৪
মহাপুৰুষৰ মায়া প্ৰধান প্ৰকট।
লোকত দেখাই নৰ শৰীৰ বেকত।।
যেই ৰাম সেই কৃষ্ণ দেৱতাৰো দেৱা।
উপনিষৱদে গাই অভিষেক সেৱা।। ১৮৪৫
প্ৰধান কলিত নাম প্ৰধান ভকতি।
প্ৰধান পুৰুষ হৰি পুৰুষ সম্প্ৰতি।।
চৰণে মহদে ঘোৰ বাজি ৰাঘৱৰ।
গৃহস্থ ৰিনাই অস্ত্ৰ নাহিকে আৱৰ।। ১৮৪৬
অদ্যাপি মহন্তে কহে যাৰ পাদপদ্ম।
খৰ দেহা বুলি অক্ষৰে পৰম ব্ৰহ্ম।।
নিৰক্ষৰে নিজানন্দ ভজনে নামন্ত।
শ্ৰৱণ কীৰ্তনে পাই ধাম সমুহন্ত।। ১৮৪৭
মহন্ত বঢ়াই যেন পালকে সগুণা।
নামে শ্ৰদ্ধা ৰতি খেদ মতি নাহি জানা।।

---

* একলে —অকলশৰীয়া।

* ভেকল-ভোকোলা,

* একলে ভেকল প্ৰাই দিগজো দবাই - হাতীকেও অকলে ভেকুলিলে ভয় কৰা অৰ্থাৎ শংকৰদেৱ অকলশৰীয়া হলেও ব্ৰাহ্মণ সমাজে ভয় কৰা অৰ্থত।

দুষ্ট কলি কাল সৰ্প দংশে পাপেতল।
নাম ব্যতিৰেকে ধৰ্ম আনৰ উচ্ছল।। ১৮৪৮
নামত শৰণে থিতি ভিতি নিৰন্তৰ।
হৰিৰ সেৱলি পাই গুণে গৃহস্থৰ।।
আজ্ঞা বিঙ্গগিতি পুৰি আদেশ মুৰাৰী।
ধৰ্মৰ গৃহস্থ অস্ত্ৰ চৰণে গোহাৰি।। ১৮৪৯
ভাৰতে জন্মৰ সিদ্ধি জীৱন বিচাৰ।
কিমতে পাসৰে পৰলোকৰ নিকাৰ।।
মধুমতী মায়া কালকূটত নিৰ্মূল।
সি সুখ স্বাদত মজি তনুৰ বাৰ্তুল।। ১৮৫০
ৰাম কৃষ্ণ নামে মৃত ভকতিৰ বীজ।
শঙ্কৰেসে সংসাৰত সৎসঙ্গৰ নিজ।।
ভকতৰ প্ৰিয় প্ৰাণ জগজীৱ জন।
যশেৰসে গুণাকৰ অতুল্য ৰতন।। ১৮৫১
অপ্ৰয়াসে তৰি গুখে বন্ধ চিণ্ডি হৰি।
গুৰুৰ পৰম গুৰু হৃদিগত কৰি।।
বিপৰীত কলি পাছে বিপৰীত নাম।
পাতক হৰই এৰাই বোলা ৰাম ৰাম।। ১৮৫২

* * * *

ঘোষা : ৰামৰ নামেসে ৰস নদী বহি ধাম।
হৰি ৰাম হৰি ৰাম ৰাম ৰাম ৰাম।। ১৫৫

পদ : আদি অন্ত সৰ্বা দ্বিজ চাণ্ডাল পৰ্যন্ত।
হৃদয়ৰ মহাগুৰু ঈশ্বৰ অনন্ত।।
পঞ্চ তত্বে পঞ্চ চিহ্নে বত্ৰিশ ব্যঞ্জন।
মাছ কাছ সিংহ ৰৰা ব্ৰহ্ম নাৰায়ণ।। ১৮৫৩
ব্ৰহ্ম অংশে অংশি জীৱ জনমৰ ভাগ।
অৱতাৰে বিভূতিৰ বাইশ্যে নপাই লাগ।।
অংশে কলা সৱে পায়া নপাৱয় যাক।
প্ৰসিদ্ধে প্ৰসিদ্ধে মায়া জানিবাহা আক।। ১৮৫৪

ভাস্কৰি ভাগুনে ভাণ্ডি মায়া মোহে ধান্ধা।
দুখিত বৎসল দাতা কুশলৰ বান্ধা।।
ইকথা শুনিও ইটো কথাৰ *সম্বল।
বুজৰে মানসা তুমি ভকত বৎসল।। ১৮৫৫
নিৰঞ্জন নিৰাকাৰ নিৰাময় হৰি।
নির্বিকাৰি নাৰায়ণ নিজানন্দ কৰি।।
মায়াৰ পুৰুষ *পুংস মহামাধৱৰ।
লোকৰ প্ৰৌঢ়িক ভাগি চাল বাৰ ঘৰ।। ১৮৫৬
পূর্ব সদাচাৰ নাম ভকতি উত্তম।
শাস্ত্ৰক নুবুজে সিটো যি জাতি অধম।।
কর্ণে মুণ্ডে চৰাচৰ গলে জোটা জোট।
ধন বাছি বৰা লয় চাউল গোটা গোট।। ১৮৫৭
বিচাৰে ভকতি পন্থ অবাচে সংসাৰ।
শঙ্কৰী মায়াৰ গাম্ভি গুৰু দেৱতাৰ।।
বৌদ্ধৰ আচাৰে নাম বোধৰ বিচাৰ।
সুখদে এৰাই দুখ যমৰ নিকাৰ।। ১৮৫৮
এতেকেসে ভয়ানক পাপীত ভাসয়।
যদ্যপি নামৰ শিক্ষা বোধে জয় জয়।।
যেন দিন দশা পৰে চাড়িয়া *হর্ষণ।
জনম মৰন *ৰস্য ফুতি নাৰায়ণ।। ১৮৫৯
জগত গৃহস্থ অস্ত্র অন্নে মহৌষধি।।
অন্নতে হৰস ৰস বহুত নুবুধি।
জ্যোতিষ মর্যাদা মহা গুৰুৰ নির্ণয়।
শবদে উখৰি সর্ব অৱতাৰে হয়।। ১৮৬০
ভাস্কৰী সম্প্ৰদা ভাগ ভাস্যটিক পাই।
গৃহস্থ চৰণে অস্ত্র *কুণ্ঠবিনি নাই।।
বাইশাত্তিক সুধাময় পাপে চুণ খাৰ।
কল্প কুম্ভক মনে চক্ষু খাই তাৰ।। ১৮৬১

---

* ৰস্য — অৱশ্যে।
* সম্বল — সত্য।
* হর্ষণ — আনন্দ।
* কুণ্ঠবিনি — কোনেও গম নোপোৱা।
* পুংস — পুৰুষানুক্ৰমে।

নেদেখই একো ভিতি কৰে কম্পপাত।
মৰণৰ নাম জীয়া জীৱিকা সাক্ষাত।।
অতুল্য অতুল্য লাভ সপ্রেমৰ স্বাদ।
অতুল্য অতুল্য গুৰু গোবিন্দৰ পাদ।। ১৮৬২
পূৰ্ণে গুৰুভাৰ নাম দানে উদ্ধাৰক।
ভকত কৰুণা গুণে গুণ জগতক।।
ইকথা সমূহে সাধুবাদ সভাসদ।
কাঙ্খত কাৰুণ্য যাই প্রস্তাৱৰপদ।। ১৮৬৩
মহাকৰুণাৰ প্রভু মহা মহোদয়।
যাহাৰ কাৰণে যিবা যাহাৰ হৃদয়।।
দেৱৰ সম্প্রতি প্রভু ভগৱন্ত পাবে।
জাগন সপোন মন দেহা থাকে যাবে।। ১৮৬৪
সুখ দুখ পাপ পুণ্যে ভোগ তমোময়।
ঐশ্বৰ্য নমাগো মাগো সদায়ে সদয়।।
হৰি গুৰু সেৱকেসে হৌক মিত্ৰৱতী।
নিগ্ৰহৰ অনুগ্ৰহ প্রসাদ ভকতি।। ১৮৬৫
মোহোৰ আতুৰ তুৰে জুৰে হৃদিস্থিত।
তুমি হৰি ঈশ আত্মা সাধুৰ বাঞ্ছিত।।
তাৰে একলেশ দিয়া সিদ্ধি মনোৰথ।
ভক্তি ৰাজ মাৰ্গে চিত্ত নামে ধৰ্ম পথ।। ১৮৬৬
দিশে সপ্ত মহি ভাৰতে আঠাস।
কালচক্ৰ মহাবোধে মিলায়া হৰিস।।
নিৰন্তৰে তৰে হৰি নামৰ কীৰ্তনে।
হৰি হৰি বোলা ডাকি ৰাম ঘনে ঘনে।। ১৮৬৭

* * * *

* পৌত্তিক —পুৰুষা।

ঘোষা : নিৰঞ্জন নিৰাকাৰ নিৰ্বিকাৰ নিৰাম্ন হৰি।
তস্য চন্দ্ৰ বিক্ৰমে আকাৰে গুণেৰে তৰি।। ১৫৬

পদ : মৃদঙ্গ স্বৰূপে ব্ৰহ্ম নাহি পেট পিঠি।
নাহি যশ ৰস গুণ নাহি দায়া দৃষ্টি।।
জ্যোতি পুঞ্জ স্থূলে ৰঞ্জি নাথৰন্ত নাথ।
দৌলময় ঘট প্ৰায়ে প্ৰণামিয়া মাথ।। ১৮৬৮
কহে কুপণ্ডিত সবে কুকাব্য বখানি।
সিও ব্ৰহ্ম জ্ঞানী হই নুহি তত্ব জ্ঞানী।।
নুহি মহা জ্ঞানী নিষ্ঠ নজানে ভকতি।
শবদ ব্ৰহ্মক ভাবি নাহি সদ গতি।। ১৮৬৯
যেন বাজি চাবি বৎস দুগ্ধে দুখমন।
যিহেতু শবদ ব্ৰহ্ম নাহিকে চৰণ।।
সিহেতু নাসিয়া নাম ব্ৰহ্ম জ্ঞানী গণ।
বৈকুণ্ঠ বাসীৰ নাহি ভক্তিৰ পতন।। ১৮৭০
দিন মানে অৱসানে ঈশ্বৰ ইচ্ছাই।
আপোনাৰ সেই জানি সিকৰে গোসাঁই।।
জগতৰ আত্মা ঈশ জগতৰ তনু।
জগত জীৱন প্ৰাণ লগে লাগ পুনু।। ১৮৭১
গোলোক গকুল এৰি গৰুড়ৰ কেতু।
ভকত অভয় দাতা তৰণৰ হেতু।।
বাঘৰৰ লিঙ্গ দেহা লিঙ্গ ত্ৰৈলোক্যৰ।
ধৰণী ধৰণা ধাম ধৰ্ম চৰণৰ।। ১৮৭২
আপোন ধৰম নাম নিজ গুৰু স্বামী।
হৃদয়ে নিবাস ৰাম কৃষ্ণ অন্তৰ্যামী।।
সংসাৰ সহাই হৰি পুৰুষ পুৰাণ।
নামে মহা মহৌষধি নাহি ধৰ্ম আন।। ১৮৭৩
নাই তপ জপ কাম উপক পতিৰ।
শ্ৰৱণে কীৰ্ত্তনে গতি ভকতি কলিৰ।।
সেঠৰে নপাই হেন সময়ৰ কাল।
কিনো নিদাৰুণ বিধি কপটে জঞ্জাল।। ১৮৭৪

নৰহেন শূদ্ৰ বুলি গোসাঁই শুনি শোক।
নভজে হৰিক ক্ৰূৰ কৰ্ম্ম জ্বৰে লোক।।
গুৰু বোধ জ্ঞান শিল শিক্ষা যাৰ তাৰ।
সৎসঙ্গ বিনাই পন্থ নাহি তৰিবাৰ।। ১৮৭৫
ধৰ্ম্মপুৰুষত চিয়া প্ৰমত্ত নামৰ।
লবে বাপ মাব বলে লবে অবজ্বৰ।।
শংকৰী সম্প্ৰদা থৈয়া কীৰ্ত্তি পৃথিবীত।
চৈধ্য পুৰুষৰ ধাম ধৰ্ম বিপৰীত।। ১৮৭৬
দ্বিজ কৰি তনু ধৰি ম্লেছ খণ্ড খণ্ড।
আত্মাৰ বজাই সাদ় যতেক উদণ্ড।।
পাপৰ সংহাৰ গিৰি পূণ্যৰ *গুৱাৰি।
তাৰণ কাৰণে গুৰু গোবিন্দ মৰাৰী।। ১৮৭৭
বাবে বাবে কাপ কৰি নিকাপি ঈশ্বৰ।
জগত উদ্ধাৰ গুণে গৃহস্থ জীৱৰ।।
চৰণে শৰণে ভাগি ইদিনে সিদিনে।
ডাকি হৰি হৰি বোলা কহে শূদ্ৰহীনে।। ১৮৭৮

* * * *

ঘোষা : মুখে গুণ নাম ৰূপ হৃদয়ে ধৰি।
তৰিও সংসাৰ সিন্ধু ঘোষিও হৰি।। ১৫৭

পদ : হৰি ভজনিয়া গণ সাক্ষী যথা তথা।
হৰি পদ পঙ্কজৰ সাক্ষী কল কথা।।
বিনোদ অনন্ত মাতৃ জগতৰ পতি।
নেৰবো বৰনি ক্ৰূৰে নিন্দি অধোগতি।। ১৮৭৯
নুহিকে হালোৱা ভাবি নৰাহি কোদাল।
অজ্ঞানী চক্ৰী কপী মায়া লাডি জাল।।
হৃয়াত গোপাল পাল বাজতো গোবিন্দ।

* গুৱাৰি — উত্তোলনী।

গুণ গান নামে যশে পদ অৰবিন্দ।। ১৮৮০
যাৰ ঘাম সঘুস্বৰে যেন নীতি ভাগ।
কেৰমেৰ দুৰটাব গৈই পাই লাগ।।
শুনৰে শুনৰে সাধু বিশিষ্ট জনাই।
শৰত শিশিৰ হিমালয় বহি যায়।। ১৮৮১
বসন্ত বৰিষা ধূম্ভ বজাই বাৰে বাৰ।
চাৰি ঋতু একে থান নামে ভক্তি সাৰ।।
নাহিকে নিয়ম অনিয়ম ৰাতি দিন।
শ্ৰৱণ কীৰ্ত্তনে পাই নাই দেহি হিন।। ১৮৮২
আজ্ঞাৰ বজাই বাজ তাৰ নাই কাজ।
শুনা সভাসদ জন শুনিও সমাজ।।
ৰাজ মাৰ্গ এৰি বন পন্থ নুহি ভাল।
যেহেন পোৱালী মৰে বাপে খন্দা খাল।। ১৮৮৩
প্ৰকৃতি পুৰুষ মায়া পাইল যাৰ তাৰে।
বান্ধে দুই মেৰে চাৰু কথা দুই সাৰে।।
নাই পৰাধীন তনু বেদক নমানে।
পুৰুষতো মতি নাই ব্ৰেথ্যসে কথানে।। ১৮৮৪
সত্ত্ব ৰজ তম যাৰ চৰণৰ অস্ত্ৰ।
সংসাৰ চক্ৰৰ হৰি গোসাঁই গৃহস্থ।।
শঙ্কৰেসে গুৰু আদ্য মাধৱ ভকত।
দ্বিধা কথা মিলি এক তৰণৰ তত্ত্ব।। ১৮৮৫
কৃষ্ণৰ সৎসঙ্গ বোধ কালৰ অকাল।
অকালত কাল দিন নুবুলিও ভাল।।
যাৰ নাম ভক্তি ক্ৰিয়া নাম ধৰমৰ।
পাপৰ সাগৰে বুৰি পুৰি জগতৰ।। ১৮৮৬
হয়া মন্দমতি মহা পাপে একাকাৰ।
ভাহাৰ উপাই কথা গুৰু দেৱতাৰ।।
শঙ্কৰ চৰিত্ৰ বিনে নাহিকে মঙ্গল।
যাৰ নাম শিক্ষা বোধ হৃদয়ে কমল।। ১৮৮৭
নাম বিনে নাই নাই সংসাৰ তৰণি।
কৰো নমস্কাৰ নিতে যাহাৰ স্মৰণি।।

যাদৱ মাধৱ মায়া ৰাঘৱ ঈশ্বৰ।
গৃহস্থ বিনাই নাই কুশল জীৱৰ।। ১৮৮৮
যাৰ নাম ধৰ্ম বস্তু সেহিসে ঈশ্বৰ।
তান্ক সুমৰণে বেদ বিধি সিজনৰ।।
সুখে দুখে মুখে নাম হাতে কৃত কাম।
আগম আন্ধাৰ ছাড়ি বোলা ৰাম ৰাম।। ১৮৮৯

* * * *

ঘোষা : জয় জয় ৰাম ঈশ্বৰ শঙ্কৰ
মাধৱ মকুন্দ হৰি।
নিগম নিগূঢ় হৰি গুণ নাম
ঘোষিও আনন্দ কৰি।। ১৫৮

পদ : সাধু নিগদন্তি শুনা আত্তপৰে
শুদ্ধ পুৰুষৰ লীলা।
হৰিৰ হৰৰ কথা বৈকুণ্ঠৰ
শঙ্কৰ দেৱে কহিলা।।
আগমে নকহে নামৰ উপৰি
মহেশৰো অমোচন।
বিশ্বদ্রোহ পাপ নামেবেসে খণ্ডি
হৰি মূৰ্তি ত্রিলোচন।। ১৮৯০
তস্য চন্দ্র ব্রহ্মা বিনোন্দ বিহাৰ
হৰিৰ নাম সাক্ষাত।
হৰি নামে ভক্তি ভক্তিৰ বিৰোধী
নৰ্কৰ নেৰাই হাত।।
ভৱিষ্যত কালে ধৰ্ম নিৰূপন
লোকৰ ভকতি ৰাখি।
তপ বৰ দানে কুসুমন্ত জন্মি
দিলন্ত নাম প্ৰকাশি।। ১৮৯১

ব্ৰাহ্ময় বৈষ্ণৱ পাৰিষদ গণ
জগতে আনিলা হৰি।
নামৰ কীৰ্ত্তন কৰি সৰ্বজন
তৰিলা নামত ধৰি।।
আন কোন কাৰ কি বুদ্ধি উপাই
হৰি হেন নাম এৰি।
যাহাৰ মায়াই বান্ধিলে জপাই
সংসাৰ সাগৰে হেৰি।। ১৮৯২
মহেশৰ মুখে সাধ্বী পাৰ্বতীত
শ্ৰাদ্ধেয় মনুৰ দিনে।
কাৰ নামে ভক্তি কোনে দিবে গতি
হেনয় গৃহস্থ বিনে।।
শঙ্কৰৰ কৃত হৃদয় শোধিত
দুৰ্লভ অমৃত পান।
দুৰ্লভ লভিয়া পাপক জিনিয়া
সি সি পাবে বিষ্ণু স্থান।। ১৮৯৩
সম্প্ৰতিসে শঙ্কৰ জানা বিদ্যমান
যাৰ নাম ধৰ্ম ধৰি।
শিষ্যক তৰাই সংসাৰ এৰাই
শ্ৰৱণ কীৰ্ত্তন কৰি।
অনন্ত বদতি অচ্যুতক প্ৰতি
গুণৰ নাহিকে সীমা।
শুনিয়া অদ্ভুত জগতে মুকুত
নামৰ মহা মহিমা।। ১৮৯৪
শঙ্কৰ মাধৱ ভকত বান্ধৱ
মুখামৃত বাণী চাই।
গীতা ভাগৱত শাস্ত্ৰৰ সম্মত
বুজনিসে মুনিসাই।।
কৃষ্ণক চিনিলে শঙ্কৰক চিন
ৰাম নামে জৰ্জৰিত।

দোকানৰ সীমা নামৰ মহিমা
ধৰ্ম শিৰি ৰাজ কৃত।। ১৮৯৫
শ্ৰৱণ কীৰ্ত্তনে হৰি পৰায়ণ
তবে নিৰন্তৰে নৰ।
দুৰ্লভ কীৰ্ত্তনে দুৰ্লভ জনম
পাপে শুদ্ধ কলেৱৰ।।
হেন সৰ্ব সাখী দেহা দিয়ে থাকি
গৰুড় কেতু উদ্ধাৰে।
অধম বদনে অৰুণ চৰণে
গুণ যশ আপোনাৰে।। ১৮৯৬
সাধু সকলৰ ধৰ্ম ৰহিবাৰ
ধৰণীৰ ধ্ৱজ ধাম।
চৰণ প্ৰভুয়ে যশ ৰবিষণে
হবে পাত কৰ দাম।।
দুৰ গতি যত দুখ সমাগত
মুখ্য পদ উৎপত্তি।
মহা মহৌষধি বাঢ়য় সুবুদ্ধি
ভকতি নচাবে মতি।। ১৮৯৭
সিটো ভকতক দেখি পাপ হৰে
সেৱাকৰি পাপী তৰে।
হেন জানি সাধু সঙ্গ নচাৰিবা
ভাগ্য ভাৰতৰ নৰে।।
নাহিকে চেতন কেই দিন জীৱন
নাম কণ্ঠোগত কৰা।
শ্ৰৱন কীৰ্ত্তনে ভকতৰ সঙ্গে
হৰি হৰি বুলি তৰা।। ১৮৯৮

* * * *

ঘোষা : জয় হৰি জয় ৰাম জয়তি শঙ্কৰ।
দোকানৰ সীমা ঘৰ ভাগি ধৰমৰ।। ১৫৯

পদ : নিৰঞ্জন নিৰাকাৰ ব্ৰহ্ম নিৰাময়।
আশ্ৰয়ৰ সহাশ্ৰয় সুখে মুখ্যকয়।।
ৰাম কৃষ্ণ নাৰায়ণ অনন্ত অচ্যুত।
শঙ্কৰ মাধৱে কথা কথিতে মুকুত।। ১৮৯৯
সন্ত সেৱ সুবাসনা মহন্ত সাক্ষাত।
তাসম্বাৰ ৰূপ গুণ নাহিকে আমাত।।
চন্দ্ৰ সূৰ্য পটন্তৰ শ্ৰীমন্ত প্ৰধান।
গুৰুৰো পৰম গুৰু ধৰ্ম্ম পায়া দান।। ১৯০০
পুচ পহৰিৰ ৰূপ গুণে আপোনাক।
আমি সেহি নয় নকৰিবা নিন্দা বাক।।
বৃদ্ধ পিতৃ মাতৃ আগে যেন শিশু ৰড়ে।
তাকে শুনি দুয়ো আজি স্নেহে প্ৰীতিচৰে।। ১৯০১
শঙ্কৰ মাধৱ প্ৰাণ হৃদয় ৰঞ্জন।
যশ ৰশ গুণ গান নামে মহা ধন।।
দিৱসৰ দিনে দিন দেখিতে অদৃশ্য।
শঙ্কৰ দাসৰো দাস তুচ্ছচাৰ শিৰ্য।। ১৯০২
বিভাত ভগনে ৰাজা প্ৰজা থানান্তৰ।
ৰাজা ৰৰ মন্ত্ৰী দিনে সীমা দোকানৰ।।
অধৰ্মৰ পৰাভৱ মনে অৱজ্ঞাই ।
ধৰ্মৰ জিজ্ঞাসে ভাগ টীকা ভাষ্য চাই।। ১৯০৩
স্বদেশে ৰহিল ধৰ্ম ধৰ্মমন্ত্ৰী হেতু।
অবিনাশী নাশে যেন দলে বৃহকেতু।।
যাৰ যেন ভাৱনি হেন প্ৰতি ফল।
তাৰ সদ্যে প্ৰতিবাদী মিলাৱে সকল।। ১৯০৪
হেন গুদাদাৰি পাশে ৰহি নৰকাই।
ঈশ্বৰ ইচ্ছায়ে তনু ভগৱান পাই।।

ধৰ্মৰ গৃহস্থ অস্ত্ৰ চৰণৰ পদ।
পাপ হৰ ভক্তি পূৰ শুনা সভাসদ।। ১৯০৫
সংসাৰ তৰণ খলি কথা শঙ্কৰৰ।
আগ পাছ দোষ এৰি নিকিঞ্চজনৰ।।
ভকতৰ ভয় দাতা পাষণ্ড মৰ্দ্দন।
হেন গুৰু ধৰ্ম কথা ভকতৰ ধন।। ১৯০৬
তাৰ ঘোৰ মন্ত্ৰ নজানোহো সমদম।
হ্ৰস্ব দীৰ্ঘ ছন্দ বন্ধ নজানো অধম।।
শুদ্ধেবা অশুদ্ধে যেনে তেনে হৌক নাম।
যমৰ দোহাৰি এৰাই বোলা ৰাম ৰাম।। ১৯০৭

* * * *

ঘোষা : ঈশ্বৰ শঙ্কৰ প্ৰাণ গোবিন্দ গোসাই।
মাধৱ মকুন্দ হিয়া নেৰিবা দয়াই।। ১৬০

পদ : গঙ্গা গয়া বাৰাণসী কাশী নাহি কাম।
যাৰ মুখে গুৰু দেৱ গদাধৰ নাম।।
যি মুখে মহদানন্দ থাকয় গোমোথা।
আৰু পাপ ভয় তাৰ ইটো কোন কথা।। ১৯০৮
নামৰ গৃহস্থ অস্ত জানোহো তোমাক।
যেই সেই নামে প্ৰভু নেৰিবা আমাক।।
মোহন নামেৰে মোহি জগতৰ লীলাই।
ভুলাই ভকত নাম বলেৰে ভিৰাই।। ১৯০৯
মথন নামৰ বল মহিমা প্ৰচুৰ।
মথিয়া শাস্ত্ৰক পাপ কৰি আছা দূৰ।।
মথিলা মনক বসে মহত্ত সবাৰ।
পৰ্ব্বত মথিলা কেন মন গোপী কাৰ।। ১৯১০
পতি পুত্ৰ কুলাচাৰ এৰিয়া লৰৰে।

সিমতে ধৰিলা নাম ধৰ্ম নিৰন্তৰে।।
মই কাৰ সেৱকিয়া মোতে লুকা ওকা।
এহিসে কথাতে খণ্ড বৰে হুকা মুকা।। ১৯১১
বিশ্বদ্ৰোহী অমোচন তাৰণ কাৰণ।
শঙ্খ চক্ৰ গদা পদ্ম ধৰা নাৰায়ণ।।
চৰণে চলাই অন্ত গৃহস্থ গোসাঁই।
থাকুৰালি নাম বলে কৰি ঠাই ঠাই।। ১৯১২
অনন্ত যোনিৰ চেপা চক্ষু কাণ ঘোলা।
পাসৰি পৰিল মনে মোকে মোৰ বোলা।।
মহত পুৰুষ নাম অনন্ত অচ্যুত।
আপোন নামৰ বল বলে অদভূত।। ১৯১৩
দেখিয়া নিভৰে গতি শুনি হৰে পাপ।
অচিন্ত্য ঈশ্বৰ মহা জগতৰে বাপ।।
মানুষ শৰীৰ ধৰি স্থূল ৰূপে থাকি।
নাম শিক্ষা ভক্তি দিয়া হৃদয়ৰ বাকি।। ১৯১৪
সৰ্ব শ্ৰুতি শীৰ ৰত্ন ধৰ্ম হৰি নাম।
দুৰ্লভ কীৰ্তন হৰি নাম ধৰ্ম ধাম।।
কুৰ্তকী নমানে মহা পাপৰ বলত।
এতেকেসে টীকা ভাষ্য শাস্ত্ৰ ভাগৱত।। ১৯১৫
সত্য সনাতন ব্ৰহ্ম বাক্য পৰিচ্ছেদ।
হৰিৰ কীৰ্তন নামে নাই বিধি বেদ।।
গুৰুৰো পৰম গুৰু ধৰ্মে সদাচাৰ।
বাক্য এৰি প্ৰৱৰ্তিয়া গতি নাই তাৰ।। ১৯১৬
ব্ৰহ্মাণ্ড বিবুদ্ধি পৰে থান পৰি ত্যজ।
গৃহস্থ উপাই নাম ধৰ্মে সাম ৰাজ।।
উশল মিশল কাৰো নাহি ভাগ হই।
যাৰ যেই জাতি নামে পাদ পদ্ম দুই।। ১৯১৭
কৃষ্ণৰ বিক্ৰম মায়া মহা মহেশ্বৰ।
যাদবা চাৰিয়া শুদ্ধ শৰীৰে শঙ্কৰ।।
ভজা এক মনে নামে মধুৰ আলাপ।
বোলা হৰি হৰি যাউক সংসাৰৰ তাপ।। ১৯১৮

* * * *

ঘোষা : হৰিবে শঙ্কৰ মোৰে তুমি নিজ গতি।
তোমাৰ চৰণ বিনে নজানো ভকতি।। ১৬১

পদ : পুত্রক সম্বোদ্ধি সাধু কহন্ত সদৰি।
শুনা সাৱধানে তুমি শঙ্কা পৰিহাৰি।।
শঙ্কৰ চৰিত্র ৰস মধু কৰা পান।
মহাপ্রভু মাধৱত মতি সাৱধান।। ১৯১৯
আপোনাৰ গুণ নাম যশত মুৰাৰী।
আপুনি নিৰন্তা হৰি গৃহস্থে উদ্ধাৰি।।
আপোনাৰ গুণ নামে নাহি ভঙ্গ জয়।
আপোনাৰ নামে হৰি আপুনি হৃদয়।। ১৯২০
আপোন ৰহস্যে ৰশ্যে ত্যজি নযাই দূৰ।।
ভকতিৰ সঙ্গে ৰতি পিৰীতি মধুৰ।।
মহাপুৰুষৰ নাম কথাৰ বিশ্বাস।
অমৃতক এৰি কালকূট কৰৈ গ্রাস।। ১৯২১
একান্ত শৰণে নাম মধুৰে মধুৰ।
ভকতৰ সঙ্গে লাভ প্রচুৰে প্রচুৰ।।
যদুৰ জালক ভালে আকলিয়া মন।
এক কৃষ্ণ সংসাৰত শঙ্কৰ চৰণ।। ১৯২২
নাৰায়ণ নিৰঞ্জন যশে অবিৰাম।
এতেকে বিশ্বাস সেই হৃদি গুণ নাম।।
গুহ্যতো কৰিয়া গুহ্য মহা গুহ্য সাৰ।
হৃদিৰ নিবিড় গুহ্য সংসাৰৰ পাৰ।। ১৯২৩
নাৰায়ণ পৰ নৰ নামে নিৰন্তৰ।
প্রত্যেকে ঘটৰ কৃষ্ণ ঈশ্বৰ শঙ্কৰ।।
আপোনাত নাই মনে নেদেখে পৰত।
নাই শিক্ষা বোধ ভক্তি বৌদ্ধে উন্মত।। ১৯২৪
দুর্লভ কীর্ত্তনে সিদ্ধি বিধি নাৰায়ণ।
সৱ অপৰাধ হৰে নামত শৰণ।।
গৃহস্থ কীর্ত্তনে ধৰ্ম নামে অপৰ্যন্ত।

মহা গুৰু পাৱে পূজ্য নাম মাত্ৰকন্ত।। ১৯২৫
নামত প্ৰসন্ন মহা পুৰুষ মুৰাৰী।
নামে নাৰায়ণ পৰ কৰে নৰ নাৰী।।
চৈতন্য প্ৰমত্ত নাম অনঙ্গম কাই।
বিনো অঙ্গ নাৰায়ণ গৃহস্থৰ পাই।। ১৯২৬
জগত গৃহস্থ অন্ত জগত জীৱৰ।।
আপোন কীৰ্ত্তনে তুষ্ট আপুনি ঈশ্বৰ।
আপোন মায়াৰ সীমা আপুনিসে উলি।।
এতেকে মাধৱ মহা পুৰুষ সমূলি।। ১৯২৭
শঙ্কৰী মায়াৰে ঘোৰ সংসাৰক গিলি।
নাম বৃষ্টি কৰি নামে ৰহিলন্ত মিলি।।
দুখ নিবাৰণা হৰি সুখৰ সাগৰ।
দুৰ্লভ লভিয়া হৰি হৰি বোলা নৰ।। ১৯২৮

* * * *

ৰস মাল্লা

ঘোষা : ৰামকৃষ্ণ হে করুণা সাগৰ, কৰিও করুণা
মোক সংসাৰে শঙ্কৰ।। ১৬২

পদ : মহা লীলা ৰস মালা কথা বিপৰীত।
মূল সাৰোধাৰ দিয়া ভকতিত চিত।।
চাৰিও বেদৰ চাৰি অক্ষৰে ঈশ্বৰ।
নাৰায়ণ মহাহৰি জগত জীৱৰ।। ১৯২৯
সপ্ত দ্বীপা বসুমতী গৃহস্থ মহন্ত।
অনন্ত ব্ৰহ্মাণ্ডপতি আখ্যান ৰবিষ।
আঠোকলা পৃথিবী তিলকে নিমিষ।। ১৯৩০
নৱ ৰবিষৰ মানে জানিয়া প্ৰমাণ।
জ্যোতিষ ছত্ৰৰ বোধ প্ৰবোধ প্ৰধান।।
নিৰঞ্জন নিজৰূপে আছন্ত সবাত।
অংশ কলা বাইশ ৰূপ ধৰি অসংখ্যাত।। ১৯৩১
যুগে যুগে জগন্নাথ জগত পালন।
জনম মৰণ হীন জগত কাৰণ।।
যিটো অৱতাৰ কথা সাধনা সাক্ষাত।
যিটো জনে কহে শুনে পৰম ভকত।। ১৯৩২
যদি ঋসি পৰে কোটি ব্ৰহ্মা জ্ঞানীগণ।
বৈকুণ্ঠ বাসীৰ নাহি তথাপি পতন।।
নাহিকে জনম আৰু পুনৰাগমন।
তবে অপ্ৰয়াসে সিটো সংসাৰ বন্ধন।। ১৯৩৩
বিষয় বাসনা পালনীয় ব্ৰজলেপ।
মনত চৰিয়া তৃষ্ণা ধৰ্ম কৰে খেপ।।
দাস দাসী কৰি দেহা চৰণে সেদই।
আৱৰ বিষয় বাস ধাক্কা খেদ সেই।। ১৯৩৪

শাস্ত্ৰকো নজানে তাৰ ভকতিও নাই।
যথা নাম তথা থাকে ভাৱ দৰশাই।।
পুনু পুনু কৰ্ম জৰি পুনৰাগমন।
পুনু ৰাম হৰি কৃষ্ণ পুনু নাৰায়ণ।। ১৯৩৫
আৰ পৰিনীতি সীমা আপুনিসে মাৰ।
ঈশ্বৰ সহিতি দ্বন্দ্ব অৰি জনমৰ।।
অংশ কলা বাইশ অঙ্গ পুৰণীয়া হৰি।
সংসাৰ তাৰক গুণ যশ ব্যক্ত কৰি।। ১৯৩৬
পাষণ্ড মৰ্দন ষাণ্ড কুক্কুৰ মুকুতি।
সাধিলা পৰম পদ আৰু দেৱাহুতি।।
আৰ্জ্জিত উপৰি তিনি জনমৰ পাপ।
তিতিনি জন্মৰ বাপে নামত নিষ্পাপ।। ১৯৩৭
সাধে সিদ্ধি একে জন্মে নামে বিপৰীত।
ভকতৰ সঙ্গে যাৰ দৃঢ় ভৈল চিত।।
গুৰু শিক্ষা জ্ঞানে বোধ সংসাৰ তৰণি।
এহিসে চৰিত্ৰ ৰস ধৰ্ম শিৰোমণি।। ১৯৩৮
সমস্তে ধৰ্মৰ ধাম নামেসে তৰণ।
জানি নচাৰিবা ভক্তি শ্ৰৱণ কীৰ্তন।।
অসৈয়া অৰীতি এৰি গলে বান্ধা নাম।
পাতক ছাড়োক ডাকি বোলা ৰাম ৰাম।। ১৯৩৯

* * * *

ঘোষা : ভাৰতে ৰতন হাট বণিজ্জে যাওঁ।
সংসাৰ সাগৰে ভৱজলে দেহা নাও।। ১৬৩

পদ : নিগদতি সাধু সিদ্ধৰ আগত।
বিভঞ্জৰ যত নৱ কথা আগত।।
ধৰ্ম অধৰ্ম ভাগ বিভাগে গোপাল।
এক ৰূপে মহামায়া এক ৰূপে কাল।।১৯৪০

মহামায়া ৰসমালা শুনা সাৱধান।
সাৱধান কৰি চিত্ত মনে অনুমান।।
ৰসত কৰিয়া ৰস ৰসনি প্ৰচুৰ।
সাধুৰ বদনে মৃদু মধুৰে মধুৰ।। ১৯৪১
প্ৰফুল পদ্মৰ নিল নয়ণ যে যাৰ।
শ্ৰুত নদী ডিম্ব ভেদি নামে সামৰাজ।।
নিচত কৰিয়া নিচ কালকূট জাত।
ধৰ্ম্মৰ বিৰোদ্ধি পাপী পাষণ্ডৰ মত।। ১৯৪২
মহন্তে নমানে যেন ইতৰ বচন।
সেইমতে সাধু সঙ্গ নমানে দুৰ্জ্জন।।
শঙ্কৰ বদতি সাধু মাধৱত প্ৰতি।
সংসাৰৰ ভৱ বন্ধু দুসঙ্গ সঙ্গতি।। ১৯৪৩
তাৰ অনুৰাগে প্ৰীতি মোহোৰ অধম।
কৃষ্ণৰ সেৱক সাধু মোৰ প্ৰিয়তম।।
ভক্তৰ ভকতি ভাব নামৰ উদ্ধৃত।
তাৰ মোৰ সম্ভাষণ নাহি কদাচিত।। ১৯৪৪
আসুৰি অসৈয়া দম্ভ দ্বেষ্য অহঙ্কাৰ।
ইসব স্বভাৱ নাহি ধৰ্ম্মত আমাৰ।।
আৰৱ সংসাৰ সিন্ধু বাজিবে দুনাই।
মিছাসে আসিলো মই সংসাৰে সুদাই।।১৯৪৫
হৰি নাম লৈয়া যদি চলে যম ঘৰ।
মিছা ব্ৰাহ্মস্কন্ধ ভৈল বচন শুকৰ।।
মিছা দশ অৱতাৰ মিছা ভৈলো মই।
কুৰ্ত্তকী কহিলে যদি ভাণ্ড সত্য হয়।।১৯৪৬
অধৰ্ম্মৰ কোপ ক্ৰোধ লাগি ধৰমক।
তাহাৰ প্ৰমাণ তথা নিন্দে বৈষ্ণৱক।।
মহন্তৰ দায়াতৰ ভকতিৰ বৃদ্ধি।
ভকতি বিনাই নাই ভকতিৰ সিদ্ধি।। ১৯৪৭
ধনী হয়া ধৰ্মী হোৱে নিধনী পাষণ্ড।।
পাপত প্ৰচুৰ যেন উদণ্ডাৰ ষাণ্ড।।
ধন বুদ্ধি বিদ্যা মদ পৰাঙ্গ গৰ্ৱত।
জানিয়া নভজে ৰিঢ়ো হৰিৰ নামত।। ১৯৪৮

হাত তালি বাদ্য বাই কৰো অঙ্গীকাৰ।
জনমে জনমে নাই পাপীৰ নিস্তাৰ।।
ৰাজ মাৰ্গ পথ এৰি নমৰা বিবুদ্ধি।
বিষয় ব্যাকুল দাৰু ধৰা মহৌষধি।। ১৯৪৯
বেদ বিধি শাস্ত্ৰনীতি ৰাজা হৰিনাম।
কহে শূদ্ৰ হীনে ডাকি বোলা ৰাম ৰাম।। ১৯৫০

* * * *

ঘোষা : হে হৰি জীৱৰ জীৱন।
গীতা ভাগৱত শিহা নজানি টিকন।। ১৬৪

পদ : এতাৱন্ত মূৰ্ত্তিশূন্য শব্দ সনাতন।
মৎস্য কূৰ্ম সিংহ বৰা কাৰ্যৰ কাৰণ।।
একৰে অনেক ৰূপ মূৰ্ত্তি মাধৱৰ।
সংসাৰ সাগৰ ঘোৰ পালক শঙ্কৰ।। ১৯৫১
বিনো অঙ্গে ভূষণ পেসিতে সন্তোসন।
গহীন গম্ভীৰ ধীৰমতি যিটোজন।।
মেঘৰ গম্ভীৰ বাণী শাৰঙ্গপাণি।
ভকতি বৰিষা ঋতু বৰষিলা তানি।। ১৯৫২
ভাগৱত সৰোবৰ বসে কৃতনাট।
ব্যাস শুক সূত সখি খজাবে কপাট।।
গগনে গৰজে ঘন মেঘ সৌদামণি।
নামৰ কীৰ্ত্তন ধ্বনি পাপৰ অগনি।। ১৯৫৩
দুৰ্লভ দিনত নাম দুৰ্লভ কীৰ্ত্তন।
দুৰ্লভ চৰণ নাম দুৰ্লভ চৰণ।।
ভৱে অবিলম্বে নামে অপ্ৰয়াসে গতি।
ভকতি পদ্মত সসাগৰা বসুমতী।। ১৯৫৪
যিটো ৰূপে যাহাৰ যেহেন সংস্কাৰ।

সবাৰ আশ্ৰয় নামে গুৰু দেৱতাৰ।।
সৎসঙ্গে শঙ্কৰ কৃষ্ণ গুৰু দেৱ আসি।
মিলাইলা ভকতি নাম লোক ধৰ্ম ৰাখি।। ১৯৫৫
বেদ বিধি শাস্ত্ৰ নীতি বুজি বুদ্ধ জন।
নামেসে তৰণ ধৰ্ম শৰণ ভজন।।
শ্ৰৱণ কীৰ্তনে গতি মতি অভিলাস।
বোলা হৰি হৰি পাপ হৌক সৰ্বনাশ।।১৯৫৬

* * * *

ঘোষা : চিন্ত চিত মন গুনৰে গুন।
গুণৰে গুণ ৰাজ নুগুণ গুণ।। ১৬৫

পদ : গৰ্ভৰ আৱণি যেন উপজিয়া ভাগ।
ঈশ্বৰৰ বেদ হেন গৃহস্থৰ লাগ।।
অবোধৰ বোধ ৰাজ মহা গজ মুৰি।
এক কৃষ নাৰায়ণ দেৱে ঘূৰি ঘূৰি।। ১৯৫৭
যাৰ যশে সুখে খাই নুবুলিয়া সুধা।
জাক বিটো সেৱা কৰে কোনে বোলে গোধা।।
আজন্মৰো পুণ্যহৰে পাপৰ মন্দৰ।
ধৰ্মৰ বাহিৰ গোধি দ্ৰোহী শঙ্কৰৰ।। ১৯৫৮
গুচকে নিন্দক পাপী কুৰ্তকে অজ্ঞানী।
পাপ পুণ্য ফল সাধে নসাধে কল্যাণী।।
মহাপুৰুষৰ মায়া মায়াক ভিৰাই।
মাছ কাছ সিংহ বৰাহ মায়াৰ লীলাই।।১৯৫৯
বটু পশু বোধ কৰি মুৰুখৰ জন।
ক্ষত্ৰিয় যাদৱ শূদ্ৰ প্ৰভু নাৰায়ণ।।
মহাহৰি মাধৱৰ বেদে নাপাই অন্ত।
গুৰু মূৰ্ত্তি কৃপাময় ঈশ্বৰ অচ্যুত।। ১৯৬০

মায়াৰ সংসাৰ মায়া মহত্তে পালন।
সৰ্বঘটে সৰ্বকালে সৰ্ব সচেতন।।
ৰাম কহে ৰামায়ণ ভাৰতে কৃষ্ণৰ।
শঙ্কৰ শাৰেঙ্গপাণি কহে গুহ্যতৰ।। ১৯৬১
শৰণৰ কালে হৰি নামে সমাপত।
শ্ৰৱণ কীৰ্তন যশে নিৰঞ্জন তত্ব।।
ধৰ্মক ধৰিয়া সাধু মৰ্যদাক নেৰে।
আজ্ঞা উলঙ্ঘিয়া তাৰ লাগে হেৰেমেৰে।। ১৯৬২
যতেক বিকৰ্ম লীলা বিহাৰে হৰিৰ।
গুৰু অৱতাৰে মোৰ ধৰ্ম ভকতিৰ।।
তবে নিৰন্তৰে আদি অন্ত সৰ্বজন।
ভাণ্ডাৰ উচ্ছলে নাম চিন্তামণি ধন।। ১৯৬৩
ধৰ্মগিৰি ৰাজ পথ চৰণে চৰিত্ৰ।
পবিত্ৰকাৰীৰো মহা পৰম পবিত্ৰ।।
মহা গুনশালী কলি শেষ পাপমল।
আগম পাষণ্ড *জিহ্বাস্য ধৰ্মতল।। ১৯৬৪
নাম মাত্ৰ যথা তথা গৃহস্থ জনৰ।
কলিৰ বৈষ্ণৱে বিষ্ণু বদনে কৃষ্ণৰ।।
সত্য ত্ৰেতা দ্বাপ কলি নাম যুগাৱলি।
নাম এৰি নাহি নাহি ভকতি সেৱলী।। ১৯৬৫
ভকতিসে পিতামাতা ভকতিসে ধন।
জানি বুদ্ধজন কৰা ভকতিত মন।।
সন্তৰ সঙ্গানু ভাগ্য তৰিবাৰ কাম।
পাতেক ছাড়োক ডাকি বোলা ৰাম ৰাম।। ১৯৬৬

* * *

---

* জিহ্বাস্য - জিহ্বামৃত - জিহ্বামৃত - জীয়াই থাকিব দৃত।

ৰামহৰি আতাৰ ৰচিত

ঘোষা : নমো নাৰায়ণ নমো নাৰায়ণ অৰুণ চৰণে ধন।
ভকত ৰঞ্জন পাতেক ভঞ্জন নিমজ্জি ৰহোক মন।।
১৬৬

পদ : জয় জয় ৰাম কৰোহে প্ৰণাম
নিজগুৰু নাৰায়ণ।
তোমাৰ চৰণে পশিলো শৰণে
নামেসে পৰম ধন।।
হয়া অৱতাৰ ৰূপে সাৰে সাৰ
ধৰা তনু বাৰে বাৰ।
সেহি গুণ যশ ভকতৰ সৰ্বশ
কৰাহা লীলা প্ৰচাৰ।। ১১৬৭(১)
মৎস্য ৰূপ ধৰি আদি যুগে হৰি
প্ৰলয় জলৰ মাজে।
বেদ উদ্ধাৰিয়া বেকত কৰিয়া
তুমি দেৱ যদুৰাজে।।
সত্যব্ৰত ৰায় সেহি জল ঠাই
দেখিলাহা নিজ মায়া।
তাক নিস্তাৰিয়া জ্ঞানক কহিয়া
ভকতক কৰিলা দায়া।।১১৬৮(২)
কূৰ্মৰূপ ধৰি দেৱ শ্ৰীহৰি
ক্ষীৰো সাগৰৰ তীৰ।
লক্ষ প্ৰহৰৰ পছ সাগৰৰ
জুৰিলা যাৰ শৰীৰ।।
মন্দৰ ধৰিয়া পিঠিত কৰিয়া
সাগৰ মথিলা যাই।
দেৱক অমৃত ভুঞ্জাইলা তহিত

দানৱ বধিঞ্চি সি ঠাই।। ১৯৬৯(৩)

হেন দামোদৰ মহা মহেশ্বৰ
ভকত দেৱৰ প্ৰাণ।
অভক্ত সৱৰ শনি পটন্তৰ
যাৰ পৰে নাহি আন।।
বাৰাহ শৰীৰ ধৰি দেৱহৰি
ব্ৰহ্মাৰ নামত বাস।
মেৰু মন্দৰৰ কায় ভয়ঙ্কৰ
জাম্প দিলা জলমাজ।। ১৯৭০(৪)

ক্ষণকতে যাই পৃথিৱীক পাই
দাস্তেৰে আলি লীলাই।
হিৰণ্যাক্ষ বীৰ কৰি হিয়া চিৰ
মাৰিলা তাঙ্ক সমূলি।।
পৃথিৱী থাপিয়া দেৱতা আসিয়া
পুষ্প বৰষিলা মাথে।
বধিলা দানৱ ভকত বান্ধৱ
তিনি ত্ৰৈলোক্যৰ নাথে।। ১৯৭১(৫)

ভৈলা ৰঙ্গৱৰ দেৱ নিৰন্তৰ
কৈলা তুতি নম্ৰভাৱ।
পৃথিৱী পৰিয়া চৰণে নামিয়া
বাৰাহৰ চাৰি পাৱ।।
ৰজস্বলা সতী কায় বসুমতী
দেখিয়া জগত পতি।
ভূমিক সংস্কাৰ কৰিয়া শৃংগাৰ
ভৈলা সতী গৰ্ভৱতী।। ১৯৭২(৬)

ভৈলা গৰ্ভান্তৰ তাহানে তনয়
নৰকা অসুৰ নাম।
মাৰিৱন্ত পাছে জানি আছা সাক্ষে
পাছেসে সাধিবা কাম।।
সৃষ্টিক বুলিলা আদেশ কৰিলা

ব্ৰহ্মা হৰ তিনিদেৱ।

স্ৰজন পালন কৰে সংহাৰণ

যাৰ আজ্ঞা কৰে সেৱ।। ১৯৭৩(৭)

ব্ৰহ্মায়ে স্ৰজয় বিষ্ণুৱে পালয়

ৰুদ্ৰে কৰে সংহাৰণ।

তিনি মূৰ্তি ধৰি যাৰ বাক্যে সৃষ্টি

নিমিত্ত হুয়া কাৰণ।।

শুনা সভাসদ জন্ম সাৰ পদ

একচিত মন কৰি।

পাতক নিস্তাৰি সংসাৰক তৰি

বৈকুণ্ঠক যাইবা লৰি।। ১৯৭৪(৮)

ইহাক শ্ৰৱণ কীৰ্তন কৰিয়া

এৰাই সংসাৰ বন্ধ।

পুণ্য হোৱে বৃদ্ধি মনোৰথ সিদ্ধি

লভয় পৰমানন্দ।।

এৰাই আপদ বৈকুণ্ঠ সম্পদ

হাততে পাৱয় লাগ।

কহে ৰাম হৰি মোৰ দোষ এৰি

পাইবা বৈকুণ্ঠৰ ভাগ।। ১৯৭৫(৯)

* * * *

ঘোষা : ৰাম কৃষ্ণ ৰাম কৃষ্ণ হৰি নাৰায়ণ।
সংসাৰ সাগৰে হৰি নামে মূলধন।। ১৬৭

পদ : কৃষ্ণ ৰূপে দৈৱকীৰ গৰ্ভে অৱতৰি।
শঙ্খ চক্ৰ গদা পদ্ম চাৰি অস্ত্ৰ ধৰি।।
কিৰীটি কুণ্ডলে পীত বস্ত্ৰে শোভাকৰে।
চাৰু শ্যাম পেচম্বাৰ নগুণ সোণাৰে।। ১৯৭৬(১০)
নয়ন চাকুৰ ধ্ৰুৱ য়েন্দু সম ক্ৰান্তি।

সুন্দৰ বদনে দান্ত মুকুতাৰ পান্তি।।
কৰ্ণত কুণ্ডল জ্বলে অলকা তিলক।
হেন ৰূপ ধৰি হৰি অদ্ভুত বালক।। ১৯৭৭(১১)
বহন হৃদয় চাৰি হাতে চাৰি অস্ত্ৰ।
কৰত কঙ্কন কঁকালত পীত বস্ত্ৰ।।
ৰত্নৰ আঙ্গুঠি জ্বলে আঙুলি মধ্যত।
ত্ৰিবিধ নয়নে নখচন্দ্ৰ পঞ্চালন্ত।। ১৯৭৮(১২)
চাৰি বাহু মাজে যাৰ লক্ষ্মীৰ নিবাস।
সদায়ে দিলন্ত যাক হৃদয়ত বাস।।
উৰ কৰি কৰ সম জঙঘা ৰাম দাম।
কঙ্কালে ঘাঘৰ বাজে আতি অনুপাম।। ১৯৭৯(১৩)
দীৰ্ঘত্বৰ তিনি ৰেখা শুক্ল ধ্বজময়।
গলে গজ মুকুতাৰ হাৰ ৰত্নময়।।
সুন্দৰ শৰীৰ আতি জ্বলে পীতবাস।
শ্ৰীবৎস পান্তি হৃয়ে কৰয় প্ৰকাশ।। ১৯৮০(১৪)
সিংহবন্ধ স্কন্ধ কটি ৰত্ন মেখলাৰ।
উৰু জানু জঙঘা যুগ দেখি মনোহৰ।।
দুখানি চৰণ যেন নব পদ্ম কোষ।
ৰুণ ঝুণ কৰি বাজে নূপুৰৰ ঘোষ।। ১৯৮১(১৫)
ৰঙা পদ তলে ধ্বজ বজ্ৰ সব সমে।
পঙ্কজ অঙ্কুশ জ্বলে আতি অনুক্ৰমে।।
হেনৰূপে অৱতাৰ ধৰি দেৱহৰি।
দেখি পিতৃ মাতৃ স্তুতি কৰে পাৱে পৰি।। ১৯৮২(১৬)
উপজিয়ে জন্ম কথা কৈলা নাৰায়ণ।
কংস ভয়ে গোকুলত থৈলা তেতিক্ষণ।।
বসুদেৱ আসিলন্ত যোগ মায়া লৈ।
যশোদাৰ লগত কৃষ্ণক শুৱাই থৈ।। ১৯৮৩(১৭)
পাছে কংস ৰাজাত ৰখীয়া দিল জান।

তেসনে আসিলা কংস অন্তক সমান।।
মাৰিবাক লাগি কণ্যা আসিলন্ত ধৰি।
তেখনে গৈলন্ত কণ্যা হাতৰ অন্তৰি।। ১৯৮৪(১৮)
আকাশত গৈয়া তাঙ্ক বুলিলা বচন।
তোৰ প্ৰাণ বৈৰী উপজিলা নাৰায়ণ।।
শুনি কংস ৰাজা ভয়ে ডৰি তেতিক্ষণ।
গৃহত ৰহিলা কৰি অসন্তোষ মন।। ১৯৮৫(১৯)
কৰিলা আলোচ মন্ত্ৰীগণক চপায়।
বৃষ স্তন দিয়া শিশু মৰিয়োক যাই।।
শুনিয়া পূতনা খেদি গৈলা তেতিক্ষণ।
মুখ ভৰি কৃষ্ণক দিলন্ত বিষস্তন।। ১৯৮৬(২০)
তাইৰ অপ্ৰাণে প্ৰাণ শুষিলা লীলাই।
পৰিলা পূতনা তৈতে দণ্ড নিকটাই।।
এহিমতে তৈতে ৰহিলন্ত নাৰায়ণ।
অনেক বিপক্ষ যত বধি দুষ্ট গণ।। ১৯৮৭(২১)
পৃথিৱীৰ হৰি ভাৰ নিজ্জান কৰিয়া।
বৈকুণ্ঠে চলিলা যদু কুল সংহৰিয়া।।
শুনা সভাসদ মহা ভাগৱত তত্ব।
জন্ম সাৰ কথা শুনা কৰি একমত।। ১৯৮৮(২২)
ইহাৰ শ্ৰৱণে মহা পাতক এৰাই।
পৰলোক হোৱা গৈয়া বৈকুণ্ঠক চায়।।
মুকুতি মিলয় সুখে ভকতি সম্পদ।
একান্তক চিত্ত কৰি শুনা সভাসদ।। ১৯৮৯(২৩)
তেবেসে যাইবাহা সুখে সংসাৰ নিস্তৰি।
গুৰু শিক্ষা জ্ঞানবোধ শিক্ষা সাৰ কৰি।।
ধৰিও ভকতি নাম কৰিও কীৰ্ত্তন।
কহে ৰাম হৰি হৰি বোলা সৰ্ব্বজন।। ১৯৯০(২৪)

* * * *

ঘোষা : জয় হৰি জয় ৰাম জয় যদুপতি।
সংসাৰে শঙ্কৰ হৰি নামেসে ভকতি।। ১৬৮

পদ : শিৱৰ কাতৰে জীৱ তৰণৰ হেতু।
সংসাৰে শঙ্কৰ ভৈল গৰুড়ৰ কেতু।।
ছদ্মৰূপ ধৰি হৰি কুসুম্বৰ ঘৰে।
ভৈলা অৱতাৰ সত্যসন্ধ্যাৰ উদৰে।। ১৯৯১(২৫)
দেখি সত্যসন্ধ্যা আই মন গৈলা ডবি।
কৰন্ত প্ৰকাশ প্ৰভু দিব্য ৰূপ ধৰি।।
শিৰত কিৰীটি কৰ্ণে মকৰ কুণ্ডলে।
হিয়াত শ্ৰীবৎস হেমমালা গলে জ্বলে।। ১৯৯২ (২৬)
বৈজয়ন্তী বনবালা আপাদ লম্বিত।
শ্যাম চাৰু পেচগুৰ অবিনাশী পীত।।
ললাটে তিলক জ্বলে নাসা তিলফুল।
বন্দুলীতো কৰিধিক অধৰ ৰাতুল।। ২০৯৩ (২৭)
অৰুণ অধৰ জ্বলে ধনুসম ক্ৰান্তি।
সুন্দৰ বদন দন্ত মুকুতাৰ পান্তি।।
আজানু লম্বিত বাহু জ্বলে চাৰিখান।
নিল আকুঞ্চিত কেশ ৰত্নেৰ মেলান।। ১৯৯৪ (২৮)
কৰত কঙ্কন আতি কৰে দীপিত।
ত্ৰিবিদ বয়ন নখচন্দ্ৰ সুবিনীত।।
ৰত্নৰ আঙঠি জ্বলে আঙুলি তৰুণ।
কঙ্কালে ঘাঘৰ বাজে শুন ৰুণঝুণ।। ১৯৯৫ (২৯)
উত্তৰি নগুনে হৃদয়ে জ্বলে আতিশয়।
উৰ্দ্ধ তিনি ৰেখা তাৰে জ্বলে গুৰুময়।।
কঙ্কালে মেখলা জ্বলে আৰু পাটপীত।
তাতে কটি সূত্ৰধাৰে কৰে শোভাসিত।। ১৯৯৬ (৩০)
উৰু জানু জঙ্ঘা যুগ যেন ৰাম দাম।
চৰণে নূপুৰ বাজে অতি অনুপাম।।

দুখানি চৰণ যেন নৱপদ্ম কোষ।
যাক দেখি ভকতৰ পৰম সন্তোষ।। ১৯৯৭ (৩১)
ধ্বজ বজ্র পঞ্চ চিহ্ন সেহি পদতলে।
পঙ্কজ অঙ্কুশ যব জলয় সকলে।।
কোটি সূৰ্য সম কান্তি শৰীৰ সুন্দৰ।
হেন ৰূপ ধৰি মহা পুৰুষ ঈশ্বৰ।। ১৯৯৮ (৩২)
মহা পুৰুষৰ কেলি মাধৱৰ লীলা।
সেহি ৰূপ ধৰি হৰি শঙ্কৰ জন্মিলা।।
ৰাধই মাধই আৰু চন্দৰীও চাই।
আগতে আছিলা দেখি চতুৰ্ভুজ কাই।। ১৯৯৯ (৩৩)
দেখি তিনি সতী মহা ভয়ে গৈলা ডৰি।
বাতৰি হেজাৰ নাড়ী আছন্ত আবৰি।।
আৰু নব গাছ নাড়ী অতি শ্ৰেষ্ঠতৰ।
তাতো কৰি তিনিগাছ দেখিতে সুন্দৰ।। ২০০০ (৩৪)
হেন পৰমব্ৰহ্ম গুৰু জগত গোসাঁই।
নৱ শ্ৰেষ্ঠ ভাব ধৰি আইলা সেহি ঠাই।।
ঢাকিলন্ত সেহি ৰূপ প্ৰভু তেতিক্ষণ।
ভৈল শিশুৰূপ গুৰু দেব নাৰায়ণ।। ২০০১ (৩৫)
নাভিছেদ কৰি সেহি প্ৰসৱৰ জল।
চৰু ভৰি চন্দৰীয়ে দিলন্ত সকল।।
তেখনে গৰুড়ে নিলে আকাশে উৰাই।
যহিতে থইবে লাগে ঈশ্বৰ ইচ্ছাই।। ২০০২ (৩৬)
শুনা সভাসদ নিজগুৰুৰ কৃত্য।
তাক একচিত্তকৰি শুনা পৰিনিত।।
মহা গুৰু গুহ্য কথা বেদ অগোচৰ।
তাতে মন ভৈলো মই পাপী অধমৰ।। ২০০৩ (৩৭)
মোৰ পদ বুলি নিন্দা নকৰি মাৰ্জন।
একচিত কৰি শুনা কৰি একমন।।
শঙ্কৰ চৰণে ধৰি চিত্ত সাৰ কৰি।

মোৰ দোষ এৰি শুনা কৰ্ণ বন্ধ ভৰি।। ২০০৪ (৩৮)
এতেকে যতনা কৰা তৰিবাৰ কাম।
আশা পাশা এৰি ডাক সদা ৰাম নাম।।
ৰাম হৰি ক্ষৰ দুই অক্ষৰক ধৰি।
পাতেক সংহৰি ডাকি বোলা হৰি হৰি।। ২০০৫ (৩৯)

* * * *

ধূলি আতাৰ ৰচিত ঝুমৰি

ঘোষা : জয় গুৰু শঙ্কৰ।
হৰি ভকতৰ।। ১৬৯

পদ : নিগদতি সাধু শুনিওক;
কহো কথা আৰু এক।।
হৰি নাম বৈকুণ্ঠৰ।
কথা ইটো গুহ্যতৰ।। ২০০৬ (৪০)
কথা ইটো গুহ্যতৰ।।
কৃষ্ণেসে শঙ্কৰদেৱ।
একচিত্তে কৰা সেৱ।।
ৰাম বুলি পাই পাৰ।
হৰি নামে সাৰোধাৰ।। ২০০৭ (৪১)
সত্য যুগে ধ্যান ধৰি।
ত্ৰেতাত যজ্ঞক কৰি।।
দ্বাপৰত পূজা কৰ্ম।
সিদ্ধি মনোৰথ ধৰ্ম।। ২০০৮ (৪২)
হেন হৰি নাৰায়ণ।
শঙ্কৰ চৰণে ধন।।
কলিত কীৰ্ত্তন কৰি।

ৰামনামে দুখ তৰি।। ২০০৯ (৪৩)
যিটো জনে প্ৰেমে ভজে।
আনন্দ সাগৰে মজে।।
মাধৱ একান্ত মত।
শঙ্কৰৰ চৰণত।। ২০১০ (৪৪)
নিজ ভক্তি কৰি বৈলা।
একান্ত ভকত ভৈলা।।
শঙ্কৰৰ বাক্য শুনি।
মাধৱে মনত গুণি।। ২০১১ (৪৫)
কৰি স্তুতি চৰণত।
তোমাৰ ভৃত্যৰ ভৃত্য।।
ঈশ্বৰ শঙ্কৰ হৰি।
তোমাৰ চৰণে ধৰি।। ২০১২ (৪৬)
জন্ম কাল আশা কৰি।
আছো মই সেৱা ধৰি।।
তুমি মোৰ নিজ স্বামী।
জগতৰ অন্তৰ্যামী।। ২০১৩ (৪৭)
ভকতি অমিয়া ধন।
কৰা কৃপা নাৰায়ণ।।
এহি দাসী দিয়া মোক।
তোমাত ভকতি হৌক।। ২০১৪ (৪৮)
শুনিওক সভাসদ।
শঙ্কৰ চৰিত্ৰ পদ।।
নকৰিবা নিন্দা মোক।
গুৰুত ভকতি হৌক।। ২০১৫ (৪৯)
শ্ৰৱণ কীৰ্তন নাম।
ভকত পূৰণ কাম।।
হৰিক হৃদয়ে ধৰি।
ডাকি বোলা হৰি হৰি।। ২০১৬ (৫০)

* * * *

ঘোষা : ৰাম কৃষ্ণহৰি স্মৰণি নাম।
গুৰু বোধ শিক্ষা অনুপাম।। ১৭০

পদ : মহাপুৰুষৰ যত মহত।
মানসাৰ আগে সাধু বেকত।।
প্ৰথমে মনুষ্য নৰৰ চিয়া।
পাচত অচ্যুত সন্তৰ হিয়া।। ২০১৭ (৫১)
সাধু নিগদতি * ধামছি কহে।
কৃষ্ণেসে ঈশ্বৰ মনুষ্য নোহে।।
জানিলা গোবিন্দ দেব শঙ্কৰ।
দেখিয়া বৈকুণ্ঠ পট নগৰ।। ২০১৮ (৫২)
লোকৰ মুখত ইকথা শুনি।
গৃহৰ লৰিলা মনত গুনি।।
হাতত লাখুটি চাপৰি যাই।
সি কথা মনত আছে কি নাই।। ২০১৯ (৫৩)
লাখুটি পেলাই অসুখ ভৈলা।
গুপুত পুৰাণি কহিবে লৈলা।।
উৰালে কঙ্কালে বান্ধিলে তোক।
তই ভুৰুকীয়া আসিয়া মোক।। ২০২০ (৫৪)
যশোদা বান্ধিলে গৰুৰ পাঘে।
লজ্জা লঘুতৰ মানৰ আগে।।
লেখা পত্ৰ খানি নকৰা আৰ।
নৰৰ গৰিহা কৰ্ম তোমাৰ।। ২০২১ (৫৫)
নজানে ধৰ্মক হৰি বিমুখ।
সন্তক দুৰ্মুখে কৃষ্ণৰ দুখ।।
তোমাসাক চাই সাধুক বোলে।
যাহাক বান্ধিলে মায়াৰ ডোলে।। ২০২২ (৫৬)

---

* ধামছি—ধৰ্মচিয়াই কোৱা, ধৰ্ম সাক্ষী কৰি কোৱা

নিন্দনী ভৰ্চনী কাহিনী তাৰ।
দেখাও আমাক পত্ৰ তোমাৰ।।
কল্পতৰু বৃক্ষ কথাৰ পাঞ্জ।
প্ৰত্যেকে প্ৰমাণ দেখাও সাক্ষ।। ২০২৩ (৫৭)
ধ্বজ ব্ৰস্ত্ৰ ঘৰ পঙ্কজধাৰী।
শঙ্খ চক্ৰ গদা পদ্মে মুৰাৰী।।
বিক্ৰমৰ দেহা লীলায়ে তুমি।
উদ্ধাৰিয়া ধৰা লীলায়ে ভূমি।। ২০২৪ (৫৮)
মায়া নৰতনু মনুষ্য কাই।
মৎস্য কুৰ্ম সিংহ পশু লীলাই।।
তীব্ৰমূৰ্তি ঘোৰ শান্ত গোবিন্দে।
বিষয় বিকলে পৰিয়া নিন্দে।। ২০২৫ (৫৯)
অচিন্ত্য ঈশ্বৰ চৰণ দুই।
গুণ সুমৰণে পাপৰ জুই।।
অজ্ঞান আন্ধাৰে পাপ বিপাঙ্গে।
গোপী সতিনীক মাৰিলা ডাঙ্গে।। ২০২৬ (৬০)
ভাগুৰ টাঙ্গনে ভকতি গতি।
অজ্ঞানৰ আৰ হৈব কি গতি।।
অলপ সতিয়া নাৰী অসতী।
নাহি মোত জানি ভকতি ৰতি।। ২০২৭ (৬১)
নকহিলা জ্ঞান নিদিলা বোধ।
তোমাৰ গুণ্যাণী আমাৰ গোধ।।
গৰু ধান খালে তলাৰে হেঠ।
নথই ভাঙ্গিলা উদাৰ পেট।। ২০২৮ (৬২)
নমতা মাতিলা ভেদৰো ভেদ।
গৌৰৱ বচন বেদৰো বেদ।।
বুঢ়ীৰ কান্ধত ধৰি চৰণে।
শঙ্কৰৰ নিৰ জৰে নয়নে।। ২০২৯ (৬৩)

যিটো ধৰ্মাতুৰে ভকতি পথ।
গুৰুসে পুৰে শিষ্য মনোৰথ।।
বয়নে বুলাই নয়নে পাসি।
মুখ চাই সুখে তুলিলা হাসি।। ২০৩০ (৬৪)
গুৰু গোবিন্দাই মেলাৰি মেলি।
বুঢ়ীৰ আগে পট দিলা ঠেলি।।
সাত বৈকুণ্ঠৰ সাত প্ৰমাণি।
দেখি নিশবদ হৰিল বাণী।। ২০৩১ (৬৫)
নাৰায়ণ ৰাম কৃষ্ণ ঈশ্বৰ।
গুৰু বোধ শিক্ষা গতি জীৱৰ।।
বুঢ়ীৰ নিসঙ্ক নিৰ্ভয় মন।
ডাকি হৰি হৰি বোলা সজ্জন।। ২০৩২ (৬৬)

* * * *

ঘোষা ঃ এ প্ৰাণ হৰি নিৰঞ্জন।। ১৭১

পদ ঃ নিগাদতি সাধু একচিত।
গুনিও মানসা বিপৰীত।।
বৈকুণ্ঠৰ বোধ শাস্ত্ৰ যত।
শঙ্কৰে কহিলা মাধৱত।। ২০৩৩ (৬৭)
শ্ৰীমন্ত শঙ্কৰ গুৰুদেৱ।
তান্ত বিনে হৰি নাহি কেৱ।।
ৰাম কৃষ্ণ ঈশ্বৰ শঙ্কৰ।
গতি নিজ বন্ধু ভকতৰ।। ২০৩৪ (৬৮)
যিটো জনে হৰি গুণ গাৱে।
হৰিক সুমৰে প্ৰেমভাৱে।।
সেহিসে পৰম সাধু জন।
সদা কৰে শ্ৰৱণ কীৰ্ত্তন।। ২০৩৫ (৬৯)

নিতান্তে হৰিক কৰে ধ্যান।
হৰি বিনে নাভাসন্ত আন।।
নপাৱন্ত তাহ্ন একো দুখে।
সদায়ে নামক লেবে মুখে।। ২০৩৬ (৭০)
গোবিন্দৰ গুণ নাম গাই।
লাজ এৰি কতোহো নাচই।।
আনন্দতে তনু ৰোমাঞ্চিত।
নেত্ৰৰ লোতকে পুলকিত।। ২০৩৭ (৭১)
কেহো বেলা কৰন্ত ক্ৰন্দন।
আনন্দতে হাসে ঘনে ঘন।।
মৌন হয়া থাকে কতো বই।
চক্ষুৰ লোতক পৰে বই।। ২০৩৮ (৭২)
ৰাম ৰাম সঘনে সুমৰে।
কৃষ্ণ কৃষ্ণ বুলি ডাক পাৰে।।
হৃদয়ত লৈবন্ত সদায়।
তাহ্ন ৰাখি ফুৰে সমুদায়।। ২০৩৯ (৭৩)
যেন ধেনু লৈবন্ত বৎসক।
সেহি মতে ৰাখে ভকতক।।
মহাপাপী বিটো আত্মঘাতী।
ভকতক নিন্দে দিনে ৰাতি।। ২০৪০ (৭৪)
গুৰুদ্ৰোহী পৰম অসতী।
ভক্ত নিন্দি যাই অধোগতি।।
তাৰ সঙ্গে যিটো নাম গাই।
নৰকত পৰে সিটো ঠাই।। ২০৪১ (৭৫)
অপবিত্ৰ মহা ম্লেচ গণ।
তাকো শুদ্ধ কৰয় কীৰ্ত্তন।।
যিটো জনে গাৱে গুণ নাম।
তাৰ পূৰ্ণ হোৱে মন কাম।। ২০৪২ (৭৬)
শঙ্কৰ মাধৱ এক হৰি।

গুৰু শিষ্য ৰূপে অৱতৰি।।
মাধৱত কহিলা সাদৰি।
ঈশ্বৰ শঙ্কৰ দেৱহৰি।। ২০৪৩ (৭৭)
বৃদ্ধ সাধু কৰি একচিত।
মানসাত কৰিলা বিদিত।।
শঙ্কৰ মাধৱ পুৰুষোত্তম।
চতুৰ্ভুজৰূপে নাহি সম।। ২০৪৪ (৭৮)
ধ্বজ বজ্র পঙ্কজ অঙ্কুশ।
ভকতৰ পৰম সন্তোষ।।
শুনা সভাসদ যত জন।
নেৰিবাহা হৰিৰ কীৰ্তন।। ২০৪৫ (৭৯)
নাম বিনে নাহি কাৰো গতি।
হৰি নামে একান্ত ভকতি।।
আতপৰে নাহিকে উপায়।
সমস্ত শাস্ত্ৰৰ অভিপ্ৰায়।। ২০৪৬ (৮০)
নামেসে সংসাৰ সুখে তৰি।
মুখে নাম হৃদৃ ৰূপ ধৰি।।
নেৰিবা মুখত কেহো নাম।
জানি ডাকি বোলা ৰাম ৰাম।। ২০৪৭ (৮১)

* * * *